# বিনোদিনী

ৰবীন্দ্ৰনাথ ঠাকুৰ

অনুবাদক

মহেন্দ্ৰ বৰা

সাহিত্য অকাদেমী

নতুন দিল্লী

*Binodini*. Assamese translation by Mahendra Bora of Rabindranath Tagore's Bengali novel, *Chokher Bali*. Sahitya Akademi, New Delhi. Price Rs. 8.00. (1968)

বিশ্বভাৰতী প্ৰকাশন বিভাগৰ
সৌজন্যত এই কিতাপ প্ৰকাশিত

সাহিত্য অকাদেমী
ৰবীন্দ্ৰ ভৱন, ফিৰোজ শাহ্ ৰোড, নতুন দিল্লী ১
ব্লক ৫বি, ৰবীন্দ্ৰ সৰোবৰ স্টেডিয়াম, কলিকতা ২৯
১৫ ক্যাথিড্ৰাল গাৰ্ডেনচ্ ৰোড, মাদ্ৰাজ ৩৪

মুদ্ৰক : শ্ৰীবাণেশ্বৰ মুখাৰ্জী
কালিকা প্ৰেছ প্ৰাইভেট লি:
২৫ ডি. এল. ৰায়. স্ট্ৰীট. কলিকতা-৬

প্ৰাপ্তিস্থান : লয়াৰ্ছ বুক ষ্টল। গুৱাহাটী, অসম

মূল্য ৮.০০

১

বিনোদিনীৰ মাক হৰিমতীয়ে মহেন্দ্ৰৰ মাক ৰাজলক্ষ্মীৰ ওচৰত আহি খটবান্ধ লগালেহি। দুয়ো একে গাঁৱৰে জীয়ৰী, সৰুতে একেলগে উমলিছিল।

ৰাজলক্ষ্মীয়ে মহেন্দ্ৰৰ আগত কথাটো উলিয়ালে, "বোপা মহিন, দুখীয়াৰ ঘৰৰ ছোৱালীজনীক উদ্ধাৰ কৰিব লাগে। শুনিছোঁ, ছোৱালীজনী হেনো বৰ ধুনীয়া, তাৰ উপৰি মেমৰ ওচৰত পঢ়া-শুনাও কৰিছিল—তইঁতৰ আজি-কালিৰ পছন্দৰ লগত মিলিব।"

মহেন্দ্ৰই ক'লে, "মা আজিকালিৰ ল'ৰা তো মোৰ বাহিৰেও ঢেৰ আছে।"

ৰাজলক্ষ্মী—"মহিন, সেইটোৱেই তোৰ দোষ, তোৰ আগত বিয়াৰ কথা উলিয়াবৰ উপায়েই নাই।"

মহেন্দ্ৰ—"মা, সেই কথাটো বাদ দিও সংসাৰত কথাৰ অভাৱ নাই। কাজেই সেইটো মাৰাত্মক দোষ নহয়।"

মহেন্দ্ৰ কেঁচুৱাৰে পৰা পিতৃহীন। মাক সম্বন্ধে তেওঁৰ ব্যৱহাৰ সাধাৰণ মানুহৰ দৰে নাছিল। বয়স প্ৰায় বাইশ হ'লহি, এম. এ. পাচ কৰি উঠি ডাক্তৰী পঢ়িবলৈ আৰম্ভ কৰিছে; তথাপি মাকক লৈ তেওঁৰ নিতৌ মান-অভিমান আদৰ-অনুনয়ৰ অন্ত নপৰিছিল। কেঙেৰু পোৱালিৰ নিচিনাকৈ মাতৃগৰ্ভৰ পৰা ভূমিষ্ঠ হোৱাৰ পাচতো মাকৰ বহিৰ্গৰ্ভৰ মোনাটোৰ ভিতৰতে সোমাই থকাটোৱেই তেওঁৰ অভ্যাস হৈ গৈছিল। মাকৰ সহায় নোহোৱাকৈ তেওঁৰ আহাৰ-বিহাৰ আৰাম-বিৰাম একোৱেই সম্পন্ন হোৱাৰ উপায় নাছিল।

এইবাৰ মাকে যেতিয়া বিনোদিনীৰ কাৰণে তেওঁক বৰ বেচিকৈ কুটুৰিবলৈ ধৰিলে, তেতিয়া মহেন্দ্ৰই ক'লে, "বেচ কথা, ছোৱালীজনী এবাৰ চাই আহোঁগৈ বাৰু।"

চাবলৈ যোৱাৰ দিনা ক'লে, "চাই নো কি হ'ব। তোমাক সন্তোষ দিবলৈহে বিয়া কৰাব খুজিছোঁ, ভাল-বেয়া বিচাৰ কৰাৰ একো অৰ্থ নাই।"

কথাবাৰৰ মাজত অকণমান খঙৰ উত্তাপ আছিল, কিন্তু মাকে ভাবিলে,

শুভদৃষ্টিৰ সময়ত তেওঁৰ পছন্দৰ লগত পুতেকৰ পছন্দৰ মিল হলে মহেন্দ্ৰৰ কড়ি সুৰ কোমল হৈ আহিব।

ৰাজলক্ষ্মীয়ে নিশ্চিন্ত মনেৰে বিয়াৰ দিন স্থিৰ কৰিলে। দিন যিমানে চমু চাপি আহিল, মহেন্দ্ৰৰ মন সিমানে উৎকণ্ঠিত হৈ উঠিল—অৱশেষত দুই-চাৰিদিনৰ আগতে কলে, "ও-হো মা, মই কোনোমতেই নোৱাৰিম।"

সৰুৰে পৰা মহেন্দ্ৰই দেৱতা আৰু মানুহৰ ওচৰত সকলো প্ৰকাৰে প্ৰশ্ৰয় পাই আহিছে, সেইবাবে তেওঁৰ ইচ্ছাৰ বেগ উচ্ছৃঙ্খল। আনৰ ইচ্ছাৰ হেঁচা তেওঁ সহিব নোৱাৰে। তেওঁক নিজৰ প্ৰতিজ্ঞা আৰু আনৰ অনুৰোধে একান্ত বাধ্য কৰি তুলিছে বুলিয়েই বিবাহ-প্ৰস্তাৱৰ প্ৰতি তেওঁৰ অকাৰণ বিতৃষ্ণা বৰ বাঢ়ি উঠিল আৰু শেষ সময়ত তেওঁ একেবাৰে বিমুখ হৈ পৰিল।

মহেন্দ্ৰৰ পৰম বন্ধু আছিল বিহাৰী; তেওঁ মহেন্দ্ৰক দাদা আৰু মহেন্দ্ৰৰ মাকক মা বুলি মাতিছিল। মাকে তেওঁক ষ্টীমবোটৰ পিচপিনে বান্ধি নিয়া গাধাবোটৰ নিচিনাই মহেন্দ্ৰৰ এটি আৱশ্যক ভাৰবহ বস্তুৰ চকুৰেই চাইছিল আৰু সেই হিচাবে মৰমো কৰিছিল। ৰাজলক্ষ্মীয়ে তেওঁক ক'লে, "বোপা, এই কামটো যে তুমিয়েই কৰিব লাগে, নহ'লে দুখীয়াৰ ঘৰৰ ছোৱালীজনী—"

বিহাৰীয়ে হাত-জোৰ কৰি ক'লে, "মা, সেইটো মই নোৱাৰিম। যি মিঠাই তোমাৰ মহেন্দ্ৰই ভাল লগা নাই বুলি এৰি থৈ যায়, সেই মিঠাই তোমাৰ অনুৰোধত পৰি ঢেৰ খাইছোঁ। কিন্তু কন্যাৰ বেলিকা সেইটো সহিব নোৱাৰিম।"

ৰাজলক্ষ্মীয়ে ভাবিলে, "বিহাৰীয়েও আকৌ বিয়া কৰিব! সি কেৱল মহিনক লৈয়েই সন্তুষ্ট, ঘৈণী আনিবৰ কথা মনতো ঠাই নিদিয়ে।"

এই কথা ভাবি বিহাৰীৰ প্ৰতি তেওঁৰ কৰুণা-মিহলি মৰম আৰু অকণমান বাঢ়িল।

বিনোদিনীৰ বাপেক বিশেষ ধনী নাছিল, কিন্তু তেওঁৰ একমাত্ৰ কন্যাক তেওঁ মিচনেৰী মেম ধৰি বহু যত্নেৰে পঢ়া-শুনা আৰু কাম-কাজ শিকাইছিল। ছোৱালীৰ বিয়াৰ বয়স যে ক্ৰমে বাঢ়ি গৈছিল, সেইপিনে তেওঁৰ হুচ্ অহাই নাছিল। অৱশেষত তেওঁৰ মৃত্যুৰ পাচত বিধবা মাকে দৰা বিচাৰি হাবাথুৰি খাইছে। টকা-পইচাও নাই, ছোৱালীৰ বয়সো বেচি।

তেতিয়া ৰাজলক্ষ্মীয়ে তেওঁৰ জন্মভূমি বাৰাশতৰ গাওঁ-সম্পৰ্কীয় এজন ভতিজাকৰ লগত সেই বিনোদিনী নামৰ ছোৱালীজনীৰ বিয়া পাতি দিলে।

বেচি দিন নৌ যাওতেই ছোৱালী বিধৱা হ'ল। মহেন্দ্ৰই হাঁহি হাঁহি ক'লে, "ভাগ্যে বিয়া কৰাবলৈ নহ'ল, ঘৈণী বিধৱা হোৱা হ'লে তো এক দণ্ডও টিকিব নোৱাৰিলোহেঁতেন।"

তিনি বছৰমানৰ পাচত আকৌ এদিন মাক-পুতেকৰ মাজত কথা চলিছিল।

"বোপাই, আনে যে মোকেই নিন্দা কৰে।"

"কিয় মা, আনৰ নো তুমি কি সৰ্ব্বনাশ কৰিছা?"

"জানোচা বোৱাৰী আহিলে ল'ৰা পৰ হৈ যায়, এই ভয়তে তোৰ বিয়া পতা নাই, আনে এই ধৰণেৰেই কোৱা-কুই কৰে।"

মহেন্দ্ৰই ক'লে, "ভয় তো হোৱাই উচিত। মই মা হোৱা হ'লে প্ৰাণ থাকোঁতে ল'ৰাৰ বিয়া পাতি দিব নোৱাৰিলোহেঁতেন। আনৰ নিন্দা শিৰ পাতি ল'লোহেঁতেন।"

মাকে হাঁহি হাঁহি ক'লে, "শুন, ল'ৰাৰ কথা শুন।"

মহেন্দ্ৰই ক'লে, "বোৱাৰী আহি ল'ৰাক তো আগুৰি বহেই। তেতিয়া ইমান কষ্টৰ ইমান মৰমৰ মা কেনি আঁতৰি যায়, এইটো তোমাৰ ভাল লাগিব পাৰে মোৰ ভাল নেলাগে।"

ৰাজলক্ষ্মীয়ে মনে মনে পুলকিত হৈ এইমাত্ৰ আহি ওলোৱা তেওঁৰ বিধৱা জা-কক সম্বোধন কৰি ক'লে "শুনিছা ন-ছোৱালী, মহিনে কি কৈছে শুনা। ঘৈণীয়েকে জানোচা মাকক চেৰাই যায়, এই ভয়তে সি বিয়া কৰিব নোখোজে। এনেকুৱা গছত গৰু উঠা হোলোঙাবে কাণ বিন্ধোৱা কথা শুনিছা কেতিয়াবা?"

খুৰীয়েকে ক'লে, "বোপাদেউ, এইটো কিন্তু তোমাৰ বৰ বেচি কৈছে দেই। যেতিয়া যি কথা তেতিয়াহে সেই কথা শোভা পায়। এতিয়া মাৰাৰ আঁচল এৰি বোৱাৰী লৈ ঘৰ-সংসাৰ পাতাৰ সময় আহিছে, এতিয়া সৰু ল'ৰাৰ নিচিনা ব্যৱহাৰ দেখিলে লাজহে লাগে।"

কথাষাৰ ৰাজলক্ষ্মীৰ কাণত সিমান মধুৰ নেলাগিল আৰু এই প্ৰসঙ্গত

তেওঁ যিকেইটা কটা ক'লে, সি সবল হব পাৰে, কিন্তু মৌ-সনা নাছিল। ক'লে, "মোৰ ল'ৰাই যদি আনৰ ল'ৰাতকৈ মাকক বেচি ভাল পায়, তোমাৰ আকৌ লাজ লাগিবৰ কি হ'ল, ন-ছোৱালী। ল'ৰা থাকিলে ল'ৰাৰ মৰ্ম্ম বুজিলাহেঁতেন।"

ৰাজলক্ষ্মীয়ে ভাবিলে, পুত্ৰসৌভাগ্যৱতীক পুত্ৰহীনাই ঈৰ্ষা কৰিছে।

মাজু বোৱাৰীয়ে ক'লে, "তুমিয়েই বোৱাৰী আনিবৰ কথা উলিয়াইছিলা বুলিহে কথাটো উঠিল, ন'হলে নো মোৰ অধিকাৰ কি।"

ৰাজলক্ষ্মীয়ে ক'লে, "মোৰ লৰাই যদি বোৱাৰী নানে, তোমাৰ বুকুত সেইবাবে শেলে বিন্ধে কিয়? বেচ কথা, ইমানদিন যদি ল'ৰাক মানুহ কৰি ডাঙৰ-দীঘল কৰিব পাৰোঁ, এতিয়াও তাক দেখিব শুনিব পাৰিম, আন কাৰো দৰকাৰ নহ'ব।"

মাজুবোৱাৰীয়ে চকু-পানী টুকি টুকি নীৰৱে গুচি গ'ল। মহেন্দ্ৰই মনে মনে আঘাত পালে আৰু কলেজৰ পৰা সোনকালে উভতি আহি খুৰীয়েকৰ কোঠাত উপস্থিত হ'লগৈ।

খুৰীয়েকে তেওঁক যিখিনি কৈছিল, তাৰ মাজত মৰমৰ বাহিৰে আন একোৱেই নাছিল, এইটো তেওঁ নিশ্চয়কৈ জানিছিল। আৰু এইটোও তেওঁৰ জনা আছিল, খুৰীয়েকৰ এজনী ঘাটমাউৰী ভাগিন-ছোৱালী আছে। আৰু মহেন্দ্ৰৰ লগত তাইৰ বিয়া পাতি দি সন্তানহীনা বিধৱাই কোনো সূত্ৰে নিজৰ ভনীয়েকৰ জীয়েকক ওচৰলৈ আনি সুখী দেখিবলৈ বিচাৰে। যদিও বিয়াত তেওঁৰ আপত্তি, তথাপি খুৰীয়েকৰ এই মনোগত ইচ্ছা তেওঁৰ বাবে স্বাভাৱিক আৰু অত্যন্ত কৰুণাবহ বুলি ধাৰণা হৈছিল।

মহেন্দ্ৰ যেতিয়া তেওঁৰ কোঠালৈ গ'ল, তেতিয়া বেলা ডাটি দিবলৈ আৰু বেচি সময় নাই। খুৰীয়েক অন্নপূৰ্ণা তেওঁৰ কোঠাৰ দেৱালত-কটা খিৰিকিৰ কাষিত মূৰটো থৈ শুকান মোলান মুখেৰে বহি আছিল। দাঁতিৰ কোঠাটোত ভাত ঢাকি থোৱা আছে, এতিয়াও হাতেৰে চোৱা নাই।

অলপ কথাতেই মহেন্দ্ৰৰ চকু চলচলীয়া হয়। খুৰীয়েকক দেখি তেওঁৰ চকুযুৰি সেমেকি উঠিল। ওচৰলৈ আহি স্নিগ্ধ কণ্ঠেৰে ক'লে, "খুৰীদেউ।"

অন্নপূৰ্ণাই হাঁহিবৰ চেষ্টা কৰি ক'লে, "আহ মহিন, বহ।"

মহেন্দ্ৰই ক'লে, "খুব ভোক লাগিছে, তোমাৰ প্ৰসাদ লাগে।"

অন্নপূৰ্ণাই মহেন্দ্ৰৰ কৌশল বুজিব পাৰি উচ্ছ্বসিত অশ্ৰু কষ্টেৰে সংবৰণ কৰিলে আৰু নিজে খাই উঠি মহেন্দ্ৰক খুৱালে।

মহেন্দ্ৰৰ হৃদয় তেতিয়া কৰুণাৰে সেমেকি আছিল। খুৰীয়েকক সান্ত্বনা দিবৰ কাৰণে খাই উঠি হঠাৎ মনৰ খেয়ালত কৈ পেলালে, "খুৰী, তোমাৰ সেই যে ভাগিনজনীৰ কথা কৈছিলা, তেওঁক এবাৰ নেদেখুউৱা নেকি ?"

কথাষাৰ উচ্চাৰণ কৰি উঠিয়েই তেওঁৰ খুব ভয় লাগিল।

অন্নপূৰ্ণাই হাঁহি মাৰি ক'লে, "তোৰ আকৌ বিয়া কৰাবৰ মন গ'লনেকি, মহিন।"

মহেন্দ্ৰই লৰালৰিকৈ ক'লে, "নহয়, মোৰ কাৰণে নহয় খুৰী, মই বিহাৰীক সম্মত কৰাইছোঁ। তুমি ছোৱালী চোৱাৰ দিন ঠিক কৰি দিয়া।"

অন্নপূৰ্ণাই ক'লে, "আঃ, তাইৰ জানো ইমান সৌভাগ্য হ'ব। বিহাৰীৰ নিচিনা ল'ৰা জানো তাইৰ কপালত আছে।"

খুৰীয়েকৰ কোঠাৰ পৰা ওলাই দুৱাৰ-মুখ পাওঁতেই মাকৰ লগত মহেন্দ্ৰৰ দেখাদেখি হৈ গ'ল। ৰাজলক্ষ্মীয়ে সুধিলে, "কি অ' মহেন্দ্ৰ, ইমান পৰ তহঁতৰ কি পৰামৰ্শ চলিছিল।"

মহেন্দ্ৰই ক'লে, "পৰামৰ্শ একেবাৰেই নহয়, তামোল এখন নিবলৈ আহিছিলোঁ।"

মাকে ক'লে, "তোৰ তামোল দেখোন মোৰ কোঠাত কাটি থোৱাই আছে।"

মহেন্দ্ৰই উত্তৰ নিদিয়াকৈয়েই গুচি গ'ল।

ৰাজলক্ষ্মীয়ে কোঠাৰ ভিতৰত সোমাই অন্নপূৰ্ণাৰ কান্দি কান্দি উখহি উঠা চকুযুৰি দেখা পাই বহুত কথা কল্পনা কৰি ল'লে। চাঁট কৰি কৈ উঠিল, "কি হেঁ ন-ছোৱালী, ল'ৰাৰ লগত হবলা সনা-পোতকা কৰিছিলা।"

কৈয়েই উত্তৰলৈ বাট নোচোৱাকৈ সাউৎকৈ গুচি গ'ল।

## ২

ছোৱালী চোৱাৰ কথা মহেন্দ্ৰই প্ৰায় পাহৰিছিলেই, অন্নপূৰ্ণাই পাহৰা নাই। তেওঁ শ্যামবাজাৰৰ ছোৱালীৰ অভিভাৱক বৰদেউতাকৰ ঘৰলৈ চিঠি লিখি, চাবলৈ যোৱাৰ দিন স্থিৰ কৰি পঠালে।

দিন স্থিৰ হৈছে বুলি শুনিয়েই মহেন্দ্ৰই ক'লে, "ইমান লৰাধপৰাকৈ কামটো কেলৈ কৰিলা, খুৰী। বিহাৰীক এতিয়াও কোৱাই হোৱা নাই।"

অন্নপূৰ্ণাই ক'লে, "সেইটো জানো হ'ব পাৰে, মহিন। এতিয়া চাবলৈ নগলে তেওঁলোকে কি বুলি ভাবিব।"

মহেন্দ্ৰই বিহাৰীক মাতি সকলো কথা ভাঙি-পাতি ক'লে। ক'লে "ব'লাচোন, পছন্দ ন'হলে তো তোমাৰ ওপৰত জোৰ দিয়া নহয়।"

বিহাৰীয়ে ক'লে, "সেই কথা ক'ব নোৱাৰোঁ। খুৰীদেউৰ ভাগিনিয়েকক চাবলৈ গৈ পছন্দ নহ'ল বুলি কোৱাটো মোৰ মুখেদি নোলাব।"

মহেন্দ্ৰই ক'লে, "সেইটো তো খুব ভাল কথা।"

বিহাৰীয়ে ক'লে, "কিন্তু তোমাৰ পক্ষে অন্যায় কাম হৈছে মহিনদা। নিজক মুকলি ৰাখি আনৰ কান্ধত এইদৰে বোজা দিয়াটো তোমাৰ উচিত হোৱা নাই। এতিয়া খুৰীদেউৰ মনত আঘাত দিয়াটো মোৰ পক্ষে খুবেই কঠিন হ'ব।"

মহেন্দ্ৰই অলপ লাজ পাই আৰু অসন্তুষ্ট হৈ ক'লে, "তেন্তে কি কৰিব খুজিছা।"

বিহাৰীয়ে ক'লে, "তুমি যেতিয়া মোৰ নাম কৈ তেওঁক আশা দিছা, মই নিশ্চয় বিয়া কৰিম—চাবলৈ যোৱাৰ চং দিয়াৰ কোনো প্ৰয়োজন নাই।"

অন্নপূৰ্ণাক বিহাৰীয়ে দেৱীৰ দৰে ভক্তি কৰিছিল।

অৱশেষত অন্নপূৰ্ণাই বিহাৰীক নিজে মাতি আনি ক'লে, "সেইটো জানো হ'ব পাৰে, বোপা। নোচোৱাকৈয়ে বিয়া কৰিবা, সেইটো কোনোমতেই হ'ব নোৱাৰে। মোৰে শপত, যদি পছন্দ নহয়, তেন্তে বিয়াত সন্মতি দিব নোৱাৰিবা।"

নিৰ্দ্ধাৰিত দিনত মহেন্দ্ৰই কলেজৰ পৰা উভতি আহি মাকক ক'লে,

"মোৰ সেই পাটৰ চোলাটো আৰু ঢাকাই ধুতিখন উলিয়াই দিয়াচোন।"

মাকে ক'লে, "কিয়, ক'লৈ যাব নো।"

মহেন্দ্ৰই ক'লে, "দৰকাৰ আছে মা, তুমি দিয়াচোন, মই পাচত কম বাৰু।

মহেন্দ্ৰই অলপ সাজোন-কাচোন নকৰাকৈ থাকিব নোৱাৰিলে। আনৰ কাৰণে হ'লেও ছোৱালী চাবলৈ যোৱাৰ নামত যৌৱনধৰ্ম্মই নিজে নিজে চুলিকোছা অলপ ভাজ দি লয়, চাদৰত অলপ আতৰ ঢালে।

দুয়ো বন্ধু ছোৱালী চাবৰ কাৰণে ওলাল।

ছোৱালীৰ বৰদেউতাক শ্যামবাজাৰৰ অনুকুলবাবু—নিজৰ উপাৰ্জ্জিত ধনেৰে কৰা বাৰী-মাটিৰে সৈতে তিনি মহলীয়া ঘৰ। চুবুৰীটোৰ ভিতৰতে আটাইতকৈ ওখ ঘৰ।

দুখীয়া ভায়েকৰ মৃত্যুৰ পাচত ঘাট-মাউৰী ভতিজা-জীয়েক তেওঁ নিজৰ ঘৰত আনি ৰাখিছেহি। মাহীয়েক অন্নপূৰ্ণাই কৈছিল, "মোৰ লগতে থাকক।" তাৰ পৰা ব্যয়লাঘৱৰ সুবিধা হ'লহেঁতেন অৱশ্যে, কিন্তু জানোচা গৌৰৱলাঘৱ হয় সেই ভয়তে অনুকুল সম্মত নহ'ল। আনকি, দেখা সাক্ষাৎ কৰিবৰ কাৰণেও ছোৱালীক কেতিয়াও মাহীয়েকৰ ঘৰলৈ নপঠিয়াইছিল। নিজৰ মৰ্য্যাদা সম্বন্ধে তেওঁ ইমানেই চোকা চকু ৰাখিছিল।

ছোৱালীটিৰ বিয়াৰ কথা ভাবিবৰ সময় হ'লহি। কিন্তু আজিকালিৰ দিনত ছোৱালীৰ বিয়া সম্বন্ধে 'যাদৃশী ভাবনা যস্য সিদ্ধিৰ্ভবতি তাদৃশী' কথাষাৰ নেখাটে। চিন্তাৰ লগে লগে খৰচৰো প্ৰয়োজন। কিন্তু পনৰ কথা উঠিলেই অনুকুলে কয়, "মোৰ তো নিজৰো ছোৱালী আছে, মই অকলে আৰু কিমান কৰিব পাৰোঁ।" এনেকৈয়ে দিনবোৰ পাৰ হৈ গৈছিল। এনে সময়তে সাজি-কাচি আতৰ ঘঁহি বন্ধুক লগত লৈ মহেন্দ্ৰই ৰঙ্গভূমিত প্ৰবেশ কৰিলেহি।

তেতিয়া দিনৰ শেষত চ'তমহীয়া বেলিটো প্ৰায় লহিয়াবলৈ লৈছে। দুই মহলাৰ ওপৰৰ দক্ষিণ পিনৰ বাৰাণ্ডা চিত্ৰ-বিচিত্ৰ নিমজ 'চাইনিজ টাইলে'ৰে গঁথা। তাৰেই একোণত দুয়োজন অভ্যাগতৰ কাৰণে ৰূপৰ পিৰিচত ধুনীয়াকৈ সজাই দিয়া ফলমূল আৰু মিঠাই; আৰু বৰফ-মিহলি পানীৰে উপচি থকা ৰূপৰ গিলাচৰ গাত্ত কণ কণ পানীৰ টোপাল। মহেন্দ্ৰই

বিহাৰীক লৈ লাজ-লাজকৈ খাবলৈ বহিছিল। তলৰ ফুলনিখনত মালীয়ে তেতিয়া হাতত জাৰি লৈ গছৰ গুৰিয়ে গুৰিয়ে পানী ঢালিছিল ; সেই সেমেকা মাটিৰ পাতল গোন্ধটো বৈ অনা চ'তমহীয়া দখিণা বাতাহজাকে মহেন্দ্ৰৰ বগা ধবধবীয়া কোঁচ খাই থকা সুগন্ধি চাদৰখনৰ আগটো উৰুৱাই নিবলৈ ধৰিছিল। আশেপাশে থকা দুৱাৰ-খিৰিকিবোৰৰ ফাকেৰে দেখা নোপোৱা ভিতৰৰ পৰা যেন অলপ-অচৰপ খুকুখুকীয়া হাঁহি, ফুচফুচীয়া কথা, দুই এটা অলঙ্কাৰৰ টুং-টাং শব্দ কাণত পৰিছিলহি।

খাই উঠাৰ পাচত অনুকুল বাবুৱে ভিতৰৰ পিনে চাই ক'লে, "চুনি, তামোল লৈ আহচোন।"

অলপ সময়ৰ পাচত সংকোচৰ ভাবেৰে পিচ পিনৰ এখন দুৱাৰ মুকলি হৈ গ'ল আৰু এজনী ছোৱালী ক'ৰবাৰ পৰা গোটেই দেহাতে ৰাজ্যৰ লাজখিনি সানি হাতত তামোলৰ বাটাটো লৈ অনুকুল বাবুৰ ওচৰত থিয় হ'লহি। তেওঁ ক'লে, "লাজ কৰিছ কেলৈ, আই! বটাটো সৌ তেওঁ-লোকৰ আগতে থ।"

ছোৱালীজনীয়ে তলমূৰ কৰি কঁপা-কঁপা হাতেৰে তামোলৰ বটাটো আনি আলহী বহি থকা ঠাইৰ ওচৰতে মাটিত থ'লে। বাৰাণ্ডাৰ পশ্চিম পিনৰ পৰদুৰ যোৱা বেলিটোৰ পোহৰ পৰি তাইৰ লাজকুৰীয়া মুখখন ৰঙচুৱা কৰি তুলিলে। সেই সুচলতে মহেন্দ্ৰই সেই কঁপি থকা ছোৱালীজনীৰ করুণ মুখখন চাই ল'লে।

ছোৱালীজনী তেতিয়াই যাব খোজা দেখি অনুকুল বাবুৱে মাত দিলে, "অলপ ৰ, চুনি। বিহাৰীবাবু, এইজনীয়েই মোৰ ভাই অপূৰ্ব্বৰ ছোৱালী। সি এতিয়া আৰু নাই, গতিকে মোৰ বাহিৰে এইৰ আন কোনোৱেই নাই।" এইবুলি কৈ উঠি এটা হুমুনিয়াহ কাঢ়িলে।

মহেন্দ্ৰৰ হৃদয়ত দয়াৰ আঘাত লাগিল। অনাথিনী ছোৱালীজনীৰ পিনে আৰু এবাৰ চাই ল'লে।

কোনেও তাইৰ বয়স স্পষ্ট কৰি নকৈছিল! আপোন-মানুহে কৈছিল, "বাৰ-তেৰ মান হ'ব।" অৰ্থাৎ চৈধ্য-পোন্ধৰ হোৱাৰ সম্ভাৱনাই বেচি। কিন্তু অনুগ্ৰহপালিত বুলি এটা কুণ্ঠিত ভীৰু ভাবে তাইৰ নৱ-যৌৱনৰ আৰম্ভণিটোক সংযত সংবৃত কৰি ৰাখিছিল।

গলিত-হৃদয় মহেন্দ্ৰই সুধিলে, "তোমাৰ নাম কি:" অনুকুল বাবুৱে উৎসাহ দি ক'লে, "ক আই, তোৰ নামটো ক।" ছোৱালীটিয়ে অভ্যস্ত আদেশ-পালনৰ ভাৱত তলমুৰকৈ ক'লে, "মোৰ নাম আশালতা।"

আশা! মহেন্দ্ৰৰ ধাৰণা হ'ল, নামটো যেন বৰ করুণ আৰু কণ্ঠস্বৰ যেন খুব কোমল। অনাথিনী আশা!

দুয়ো বন্ধুৱে বাহিৰলৈ ওলাই আহি গাড়ী এৰি দিলে। মহেন্দ্ৰই ক'লে, "বিহাৰী, তুমি এই ছোৱালীজনীক নেৰিবা।"

বিহাৰীয়ে তাৰ স্পষ্ট উত্তৰ নিদি ক'লে, "ছোৱালীজনী দেখিলে তাইৰ মাহীয়েকলৈ মনত পৰে; বোধকৰোঁ একেই লখিমী হ'ব।"

মহেন্দ্ৰই ক'লে, "তোমাৰ কান্ধত যি বোজা দিলোঁ, এতিয়া বোধকৰোঁ তাৰ ভাৰ সিমান গধুৰ যেন লগা নাই!"

বিহাৰীয়ে ক'লে, "নাই, বোধকৰোঁ সহ্য কৰিব পাৰিম।"

মহেন্দ্ৰই ক'লে, "ইমান কষ্ট কৰাৰ প্ৰয়োজন কি। তোমাৰ বোজা লাগিলে মোৰ কান্ধতেই লওঁ। কি কোৱা।"

বিহাৰীয়ে গম্ভীৰভাবে মহেন্দ্ৰৰ মুখৰ পিনে চালে। ক'লে, "মহিনদা, সঁচাকৈয়ে কৈছা নে? এতিয়াও ঠিক কৰি কোৱাচোন। তুমি বিয়া কৰিলে খুৰীদেউৰ বহুত বেচি আনন্দ লাগিব—তেতিয়া হ'লে তেওঁ ছোৱালীজনীক সদায় ওচৰত ৰাখিব পাৰিব।"

মহেন্দ্ৰই ক'লে, "তুমি বলিয়া হৈছা নেকি? সেয়ে হোৱা হ'লে কোন কাহানিবাই হৈ গলহেঁতেন।"

বিহাৰীয়ে বেচি আপত্তি নকৰাকৈ গুচি গ'ল মহেন্দ্ৰয়ো পোন বাট এৰি দীঘলীয়া বাট ধৰি বৰ পলমকৈ ধীৰে ধীৰে ঘৰ ওলালগৈ।

মাক তেতিয়া লুচি ভজা কামত ব্যস্ত আছিল, খুৰীয়েক তেতিয়াও ভাগিনীয়েকৰ ঘৰৰ পৰা উভতি আহি পোৱাহি নাই।

মহেন্দ্ৰই অকলশৰে নিৰ্জ্জন ছাদৰ ওপৰলৈ উঠি কঠ এখন পাৰি শুই পৰিল। কলিকতাৰ সোণালী শিখৰবাজিৰ ওপৰত শুক্লাসপ্তমীৰ অৰ্দ্ধচন্দ্ৰই নিঃশব্দে নিজৰ অপৰূপ মায়ামন্ত্ৰ বিকীৰ্ণ কৰিছিল। মাকে যেতিয়া জলপান খাবলৈ মাতিলে, মহেন্দ্ৰই অলস কণ্ঠেৰে উত্তৰ দিলে, "বঢ়িয়াকৈ শুইছোঁ, এতিয়া আৰু উঠিব নোৱাৰিছোঁ।"

মাকে ক'লে, "ইয়ালৈকে আনি দিওঁ নহ'লে ?"

মহেন্দ্ৰই ক'লে, "আজি আৰু নেখাওঁ, মই খাই আহিছোঁ।"

মাকে সুধিলে, "ক'লৈ নো খাবলৈ গৈছিলি।"

মহেন্দ্ৰই ক'লে, "সেইবোৰ বহুত কথা, গাচত ক'ম বাৰু।"

মহেন্দ্ৰৰ এই অভূতপূৰ্ব্ব ব্যৱহাৰত অভিমানিনী মাকে কোনো উত্তৰ নিদিয়াকৈ যাবলৈ ওলাল।

তেতিয়া মুহূৰ্ত্তৰ ভিতৰতে নিজকে সংযত কৰি লৈ অনুতপ্ত মহেন্দ্ৰই ক'লে, "মা, মোৰ জলপান ইয়ালৈকে লৈ আহঁা।"

মাকে ক'লে, "ভোক নাই যদি দৰকাৰ কি ?"

ইয়াকে লৈ মাক পুতেকৰ মাজত কিছু সময় মান-অভিমানৰ পাচত মহেন্দ্ৰ আকৌ খাবলৈ বহিবলগীয়া হ'ল।

## ৩

ৰাতি মহেন্দ্ৰৰ ভাল টোপনি নহ'ল। দোকমোকালিতেই তেওঁ বিহাৰীৰ ঘৰ পালেহি। কথাটো উলিয়ালে, "ভাই, ভাবি চাই দেখিলোঁ, খুৰীদেউৰ মনৰ ইচ্ছা তেওঁৰ ভাগিনীয়েককময়েই বিয়া কৰাওঁ।"

বিহাৰীয়ে ক'লে, "সেই কাৰণে তো হঠাৎ নতুনকৈ ভাবিবৰ কোনো প্ৰয়োজন নাছিল। তেওঁ তো সেই ইচ্ছা নানা প্ৰকাৰেই ব্যক্ত কৰিছে।"

মহেন্দ্ৰই ক'লে, "সেই কাৰণেই কৈছোঁ, মোৰ ধাৰণা, আশাক মই বিয়া নকৰালে তেওঁৰ মনত এটা ক্ষোভ থাকি যাব।"

বিহাৰীয়ে ক'লে, "কথাটো মিছা নহয়।"

মহেন্দ্ৰই ক'লে, "মোৰ ধাৰণা, সেইটো মোৰ পক্ষে ডাঙৰ অন্যায় হ'ব।"

বিহাৰীয়ে অলপ অস্বাভাৱিক উৎসাহেৰে সৈতে ক'লে, "বেচ কথা, সেইটো তো ভাল কথাই, তুমি মান্তি হ'লে তো আৰু কোনো কথাই নাই। এই কৰ্ত্তব্যবুদ্ধি কালিয়েই তোমাৰ মগজুত সোমোৱা হ'লে ভাল আছিল।"

মহেন্দ্ৰ—"এদিন পলমকৈ সোমোৱা কাৰণে কি ডাঙৰ ক্ষতিটো হ'ল।"

বিয়াৰ প্ৰস্তাৱত মহেন্দ্ৰই যেতিয়াই মনক লেকাম এৰি দিলে, তেতিয়াই তেওঁৰ পক্ষে ধৈৰ্য্য ধাৰণ কৰা দুঃসাধ্য হৈ উঠিল। তেওঁৰ ধাৰণা হ'বলৈ

ধৰিলে. "আৰু বেছি কথাবাৰ্ত্তা নোহোৱাকৈ কামফেৰা হৈ গ'লেই ভাল।"

মাকৰ ওচৰলৈ গৈ ক'লে, "মা, তোমাৰ অনুৰোধ ৰাখিম। বিয়া কৰিবলৈ মান্তি হৈছোঁ।"

মাকে নিজকে নিজেই ক'লে, "এতিয়া বুজিছোঁ, সেইদিনা ন-ছোৱালীয়ে কিয় হঠাৎ তেওঁৰ ভাগিন-ছোৱালীক চাবলৈ গৈছিল আৰু মহেন্দ্ৰই কিয় সাজি-কাচি ওলাইছিল।"

তেওঁৰ ঘন-ঘন অনুৰোধতকৈ অন্নপূৰ্ণাৰ চক্ৰান্ত যে সফল হ'ল, এই কথাত তেওঁ সমস্ত বিশ্ববিধানৰ ওপৰত অসন্তুষ্ট হৈ উঠিল। মুখ ফুটাই ক'লে, "এজনী ভাল ছোৱালী বিচাৰোঁ বাৰু।"

মহেন্দ্ৰই আশাৰ উল্লেখ কৰি ক'লে, "ছোৱালী তো পোৱাই গৈছে।"

ৰাজলক্ষ্মীয়ে ক'লে, "সেই ছোৱালীৰে নহ'ব, মই কিন্তু কৈ থৈছোঁ।"

মহেন্দ্ৰই যথেষ্ট সংযত ভাষাত ক'লে, "কিয় মা, ছোৱালীজনী তো বেয়া নহয়।"

ৰাজলক্ষ্মী—"যাৰ তিনি কুলৰ কোনোৱেই নাই, তাইৰ লগত বিয়া পাতি মিতিৰ পতাৰ কি সুখটো পাম।"

মহেন্দ্ৰ—"মিতিৰৰ সুখ নেপালেও মই দুখিত নহওঁ, কিন্তু ছোৱালীজনী মোৰ খুব পচন্দ হৈছে, মা।"

পুতেকৰ জিদ দেখি ৰাজলক্ষ্মীৰ মন আৰু কঠিন হৈ উঠিল। অন্নপূৰ্ণাৰ ওচৰলৈ গৈ ক'লে, "মাক-বাপেক মৰা কুলক্ষণীয়া ছোৱালী এজনীৰ লগত মোৰ ল'ৰাৰ বিয়া পাতি মোৰ ল'ৰাক হৰলা মোৰ গুৰিৰ পৰা আঁতৰাব খুজিছা? ইমান বদমাচী!"

অন্নপূৰ্ণাই কান্দি কান্দি ক'লে, "মহিনৰ লগত বিয়াৰ কোনো কথাই উঠা নাই, সি নিজৰ ইচ্ছামতে তোমাক কি কৈছে, ময়ো নেজানো।"

মহেন্দ্ৰৰ মাকে সেই কথাৰ এধানমানো বিশ্বাস নকৰিলে। তেতিয়া অন্নপূৰ্ণাই বিহাৰীক মতাই আনি চকুলো টুকি টুকি ক'লে, "তোমাৰ লগতেই তো আটাইবোৰ ঠিক হৈছিল, আকৌ কিয় ওলট পালট কৰি দিলা। আকৌ তুমিয়েই মত দিব লাগিব। তুমি উদ্ধাৰ নকৰিলে, মই বৰ লাজত পৰিব লাগিব। ছোৱালীজনী খুব লক্ষ্মী, তোমাৰ অযোগ্য ন'হব।"

বিহাৰীয়ে ক'লে, "খুৰীদেউ, সেই কথা মোক বুজাব নেলাগে। তোমাৰ

ভাগিন যেতিয়া, মোৰ অমত হোৱাৰ কোনো কথাই নুঠে। কিন্তু মহেন্দ্ৰ—"

অন্নপূৰ্ণাই ক'লে, "নহয় বাছা, মহেন্দ্ৰৰ লগত তাইৰ কোনোমতেই বিয়া হ'ব নোৱাৰে। মই তোমাক সঁচা কথাটোকে কৈছোঁ, তোমাৰ লগত বিয়া হ'লেই মই আটাইতকৈ বেচি নিশ্চিন্ত হওঁ। মহিনৰ লগত সম্বন্ধ পতাত মোৰ মত নাই।"

বিহাৰীয়ে ক'লে, "খুৰীদেউ, তোমাৰ যদি মত নেথাকে, তেন্তে কোনো কথাই নাই।"

এই বুলি কৈয়েই তেওঁ ৰাজলক্ষ্মীৰ ওচৰলৈ গৈ ক'লে, "মা, খুৰীদেউৰ ভাগিনীয়েকৰ লগত মোৰ বিয়া ঠিক হৈছে, আপোন বুলিবলৈ কোনো মাইকী মানুহ হাতে ঢুকি পোৱাত নাই—সেইবাবে লাজ-মান কাতি কৰি নিজেই খবৰটো দিবলগীয়া হ'ল।"

ৰাজলক্ষ্মী—"বৰ ভাল কথা, বিহাৰী। কথাটো শুনি বৰ সুখী হ'লোঁ। ছোৱালীজনী লক্ষ্মী ছোৱালী। এনেকুৱা ছোৱালী একোতেই হাতৰ মুঠিৰ পৰা নেৰিবি।"

বিহাৰী—"হাতৰ মুঠিৰ পৰা কিয় পিছলিব মহিনদাই নিজে পছন্দ কৰি মোৰ লগত সম্বন্ধ ঠিক কৰি দিছে।"

এইবোৰ বাধা-বিঘিনি দেখা পাই মহেন্দ্ৰ দুগুণে উত্তেজিত হৈ উঠিল। তেওঁ মাক আৰু খুৰীয়েকৰ ওপৰত খং কৰি এটা জীৰ্ণশীৰ্ণ ছাত্ৰাবাসত আশ্ৰয় ল'লেগৈ।

ৰাজলক্ষ্মীয়ে কান্দি-কাটি অন্নপূৰ্ণাৰ কোঠাত সোমালগৈ; তাৰ পাচত ক'লে, "ন-ছোৱালী, মোৰ লৰাই দেখিছোঁ উদাস হৈ ঘৰ এৰিলে, তাক ৰক্ষা কৰা।"

অন্নপূৰ্ণাই ক'লে, "বাইদেউ, অলপ ধৈৰ্য্য ধৰি থাকা, দুদিন পাচতে তাৰ খং চেঁচা পৰিব।"

ৰাজলক্ষ্মীয়ে ক'লে, "তুমি তাক নেজানা। সি যিটো বিচাৰে, সেইটো নেপালে যি মন যায় তাকে কৰিব পাৰে। তোমাৰ ভাগিনজনীৰ লগত যেনেকৈয়ে হওক, তাৰ—"

অন্নপূৰ্ণা—"বাইদেউ সেইটো জানো হ'ব পাৰে—বিহাৰীৰ লগত কথা-বতৰা একপ্ৰকাৰ পকাই হৈ গৈছে।"

ৰাজলক্ষ্মীয়ে ক'লে, "সেইটো ভাঙিবলৈ নো কিমান পৰ লাগিছে।" কৈ উঠিয়েই বিহাৰীক মাতি আনি ক'লে, "বাছা, তোমাৰ কাৰণে ভাল কইনা এজনী চাই দিওঁ, এই ছোৱালীজনী এৰি দিব লাগে, তাই তোমাৰ যোগ্যই নহয়।"

বিহাৰীয়ে ক'লে, "নহয় মা, সেইটো হ'ব নোৱাৰে। এই বিষয়ে আটাই-বোৰ ঠিক হৈ গৈছে।"

তেতিয়া ৰাজলক্ষ্মীয়ে অন্নপূৰ্ণাৰ ওচৰলৈ গৈ ক'লে, "মোৰ মুৰকে খোৱা ন-ছোৱালী, তোমাৰ ভৰিত ধৰিছোঁ, তুমি বিহাৰীক ক'লেই আটাইবোৰ ঠিক হৈ যাব।"

অন্নপূৰ্ণাই বিহাৰীক ক'লে, "বিহাৰী, তোমাক ক'বলৈ মোৰ মুখেই মেল খাব খোজা নাই, কিন্তু কি কৰো কোৱা। আশা তোমাৰ হাতত পৰা হ'লেই মই বৰ নিশ্চিন্ত হ'লোহেঁতেন, কিন্তু আটাইবোৰ কথা তো জানিছাই—"

বিহাৰী—"বুজিছোঁ, খুৰীদেউ। তুমি যেনেকৈ কৰিবলৈ আদেশ দিবা, সেয়েই হ'ব। কিন্তু মোক আৰু কেতিয়াও কাৰো লগত বিয়া পাতিবৰ কাৰণে অনুৰোধ নকৰিবা।"

কৈয়েই বিহাৰী উঠি গ'ল। অন্নপূৰ্ণাৰ চকুযুৰি পানীৰে উপচি পৰিল। মহেন্দ্ৰৰ অকল্যাণ আশঙ্কা কৰি মচি পেলালে। বাৰে বাৰে মনক বুজালে—যি হ'ল, সি ভালেই হ'ল।

এই ধৰণেৰে ৰাজলক্ষ্মী অন্নপূৰ্ণা আৰু মহেন্দ্ৰৰ মাজত নিষ্ঠুৰ নিগূঢ় নীৰৱ ঘাত প্ৰতিঘাত চলি-চলি বিয়াৰ দিন উপস্থিত হ'লহি। চাকিবোৰ উজ্জ্বল হৈ জ্বলিল, চানাইৰ সুৰ মধুৰ হৈ বাজিল, মিঠাইত মিঠাৰ ভাগ লেশমাত্ৰ কম নপৰিল।

আশাই সজ্জিত-সুন্দৰ দেহেৰে লজ্জিত-মুগ্ধ মুখেৰে নিজৰ নতুন সংসাৰ-খনত পদাৰ্পণ কৰিলে; তাইৰ এই কুলৰ মাজত ক'ৰবাত যে কোনোবাধিনিত কিবা কাঁইট আছে, সেই কথা তাইৰ কম্পিত-কোমল হৃদয়ে অনুভৱ কৰিব নোৱাৰিলে; বৰং জগতত তাইৰ একমাত্ৰ মাতৃস্থানীয়া অন্নপূৰ্ণাৰ ওচৰলৈ আহিছে বুলি আশ্বাস আৰু আনন্দেৰে তাইৰ সকলো প্ৰকাৰ ভয় সংশয় দূৰ হৈ গ'ল।

বিয়াৰ পাচত ৰাজলক্ষ্মীয়ে মহেন্দ্ৰক মাতি আনি ক'লে, "মোৰ মতেৰে

বোৱাৰী এতিয়া কিছুদিন বৰদেউতাকৰ ঘৰতে থাককগৈ।"

মহেন্দ্ৰই সুধিলে, "কিয় মা।"

মাকে ক'লে, "এইবাৰ তোৰ পৰীক্ষা আছে, পঢ়া-শুনাত ব্যাঘাত ঘটিব পাৰে।"

মহেন্দ্ৰ—"মই জানো কেঁচুৱা-লৰা। নিজৰ ভাল-বেয়া বুজি চলিব নোৱাৰো জানো?"

ৰাজলক্ষ্মী—"হ'ব নোৱাৰিছে, বেচি দিন তো নহয় আৰু এটা বছৰহে।"

মহেন্দ্ৰই ক'লে, "তেওঁ যদি বাপেক-মাক কোনোবা থাকিলহেঁতেন, তেওঁলোকৰ ওচৰলৈ পঠোৱাত আপত্তি নাছিল—কিন্তু বৰদেউতাকৰ ঘৰত মই তেওঁক ৰাখিব নোৱাৰো।"

ৰাজলক্ষ্মী। (আপন মনে) বাঃ! গিৰিহঁত কেৱল গিয়েই, শাহুৱেক একোৱেই নহয়! কালি বিয়া কৰি উঠি আজিয়েই ইমান দৰদ! আমাকো তো আমাৰ গিৰিহঁতে এদিন বিয়া কৰিছিল, কিন্তু ইমান তিৰোতা-সেকুৱা, ইমান আঁকোৰ-গোঁজ তো নাছিল তেতিয়া!

মহেন্দ্ৰই খুব জোৰ দি ক'লে, "একো নেভাবিবা, মা। পৰীক্ষাৰ কোনো ক্ষতি নহয়।"

## ৪

ৰাজলক্ষ্মীয়ে তেতিয়া হঠাৎ অপৰিমিত উৎসাহেৰে সৈতে বোৱাৰীয়েকৰ ঘৰ-সংসাৰৰ কাম শিকাবলৈ আৰম্ভ কৰিলে। গুদাম-ঘৰ, ৰান্ধনী-ঘৰ গোঁসাই-ঘৰতেই আশাৰ দিনবিলাক কাটিবলৈ লাগিল, ৰাতি ৰাজলক্ষ্মীয়ে তাইক নিজৰ বিচনাত শুৱাই তেওঁৰ আত্মীয়বিচ্ছেদৰ ক্ষতিপূৰণ কৰিবলৈ ধৰিলে।

অন্নপূৰ্ণাই বহু কথা বিবেচনা কৰি ভাগিনীয়েকৰ পৰা আঁতৰে-আঁতৰেই থাকিছিল।

যেতিয়া কোনোবা কঠোৰ অভিভাৱকে কুঁহিয়াৰ এডাল লৈ তাৰ গোটেইখিনি ৰস নিঃশেষ কৰি চোবাই থাকে, তেতিয়া হতাশ লুব্ধ শিশুৰ ক্ষোভ ক্ৰমে অসহ্য পৰিমাণে বাঢ়ি যায়, মহেন্দ্ৰৰো সেই দশা হ'ল। ঠিক

তেওঁৰ চকুৰ আগতেই নৱযৌৱনা নৱবধুৰ সমস্ত মধুৰস যে কেৱল ঘৰ-সংসাৰৰ বোজাই পিহি শেষ কৰি নিব, ই জানো সহ্য হয় !

মহেন্দ্ৰই অন্নপূৰ্ণাৰ ওৰিলৈ গৈ ক'লে, "খুৰীদেউ, মাই বোৱাৰীয়েকক যি ধৰণে খটাই মাৰিবলৈ ধৰিছে, মই তো চাই থাকিব নোৱাৰোঁ।"

অন্নপূৰ্ণাই জানিছিল ৰাজলক্ষ্মীয়ে সীমা চেৰাই গৈছে বুলি, তথাপি ক'লে, "কিয় মহিন, ঘৈণীয়েৰক ঘৰৰ কাম শিকোৱা হৈছে, ভালেই হৈছে। আজকালিৰ ছোৱালীবোৰৰ দৰে নভেল পঢ়ি, কাৰ্পেট বৈ, মেম হৈ থকাটো জানো ভাল।"

মহেন্দ্ৰই উত্তেজিত হৈ ক'লে, "আজিকালিৰ ছোৱালী আজিকালিৰ ছোৱালীৰ নিচিনাই হ'ব, তেহেলৈ ভালেই হওক বা বেয়াই হওক। মোৰ ঘৈণীয়ে যদি মোৰ দৰেই নভেল পঢ়ি ৰস গ্ৰহণ কৰিব পাৰে, তেন্তে তাত পৰিতাপ বা পৰিহাসৰ বিষয় একোৱেই নেদেখোঁ।"

অন্নপূৰ্ণাৰ কোঠাত পুতেকৰ মাত শুনি ৰাজলক্ষ্মীয়ে সকলো কাম পেলাই থৈ ওলালহি। তীব্ৰকণ্ঠেৰে প্ৰশ্ন কৰিলে, "কি। তোমালোকৰ মাজত কিহৰ পৰামৰ্শ চলিছে।"

মহেন্দ্ৰই উত্তেজিত ভাৱেই ক'লে, "পৰামৰ্শ একোৱেই নহয় মা, বোৱাৰীয়েৰক ঘৰৰ কামত মই দাসীৰে দৰে খাটিবলৈ দিব নোৱাৰো।"

মাকে তেওঁৰ দপ্‌দপ্‌কৈ জ্বলি উঠি খঙৰ জুইকুৰা দমাই অতি তীক্ষ্ণ ধীৰ ভাৱে ক'লে, "তেওঁক লৈ কি কৰিব লাগে নো।"

মহেন্দ্ৰই ক'লে "তেওঁক মই লিখা-পঢ়া শিকাম।"

ৰাজলক্ষ্মীয়ে একো নকৈ বেগাবেগিকৈ ওলাই গ'ল আৰু অলপ পাচতে বোৱাৰীয়েকক হাতত ধৰি লৈ মহেন্দ্ৰৰ আগত থিয় কৰাই দি ক'লে, "এয়া ল, তোৰ ঘৈণীয়েৰক লিখা-পঢ়া শিকা।"

এইবুলি কৈয়েই অন্নপূৰ্ণাৰ পিনে চাই গলবস্ত্ৰ হৈ হাতজোৰকৈ ক'লে, "ক্ষমা কৰিবা, ন-ছোৱালী, ক্ষমা কৰিবা। তোমাৰ ভাগিনীয়েৰাৰ মৰ্য্যাদা মই বুজিব পৰা নাছিলো; তেওঁৰ কোমল হাতত মই হালধিৰ দাগ লগাইছোঁ, এতিয়া তুমি তেওঁক ধুই-মেলি নিকাকৈ বিৰি সজাই মহিনৰ হাতত তুলি দিয়া—তেওঁ ঠেঙৰ ওপৰত ঠেং তুলি লিখা-পঢ়া শিকক, দাসীবৃত্তি মই কৰিম।"

এইদৰে কৈ উঠি ৰাজলক্ষ্মীয়ে নিজৰ কোঠাত সোমাই যথেষ্ট শব্দ কৰি দুৱাৰৰ শলখা লগাই দিলে।

অন্নপূর্ণা ক্ষুব্ধ মনেৰে মাটিৰ ওপৰতে বহি পৰিল। আশাই এই আকস্মিক গৃহ-বিপ্লবৰ কোনো তাৎপর্য্য বুজিব নোৱাৰি লাজ, ভয় আৰু দুখত বিবর্ণ হৈ গ'ল। মহেন্দ্রই খঙৰ জালত নিজেই নিজক ক'লে, "আৰু নহয়, নিজৰ বৈণীৰ ভাৰ নিজৰ হাতত ল'বই লাগিব, নহ'লে অন্যায় হ'ব।"

ইচ্ছাৰ লগত কর্ত্তব্যবুদ্ধিৰ মিলন হোৱাৰ লগে লগেই যেন'বতাহৰ সহায় পাই দপ্‌দপ্‌কৈ জুই জ্বলি উঠিল। ক'ত গ'ল কলেজ, পৰীক্ষা, বন্ধুকৃত্য, সামাজিকতা; পত্নীৰ উন্নতি সাধন কৰিবৰ বাবে মহেন্দ্রই তেওঁক লৈ কোঠাৰ ভিতৰ সোমাল—কামৰ প্রতি মন-কাণ দিবলৈ অথবা মানুহৰ প্রতি ভ্রূক্ষেপ কৰিবলৈ পাহৰিয়েই গ'ল।

অভিমানিনী ৰাজলক্ষ্মীয়ে নিজকে নিজে ক'লে, "মহেন্দ্রই যদি এতিয়া তাৰ ঘৈণীয়েকক লৈ মোৰ দুৱাৰত বুকু ভুকুৱাই মৰিবলৈয়ো ওলায়, তথাপি মই কেৰাহিকৈয়ো নেচাওঁ। চাওঁচোন বাৰু সিনো মাকক বাদ দি ঘৈণীয়েকক লৈ কেনেকৈ কটায়।"

দিনবোৰ বাগৰি যাবলৈ ধৰিলে—তথাপি দুৱাৰদলিত কোনো অনুতপ্তৰে ভৰিৰ খচকনি কাণত নপৰিল।

ৰাজলক্ষ্মীয়ে স্থিৰ কৰিলে, ক্ষমা খুজিবলৈ আহিলে ক্ষমা কৰিব, নহ'লে মহেন্দ্রক বৰ কষ্ট দিয়া হ'ব।

ক্ষমাৰ আবেদন আহি কাণ নপৰিল। তেতিয়া ৰাজলক্ষ্মীয়ে স্থিৰ কৰিলে, তেওঁ নিজেই গৈ ক্ষমা কৰি আহিব। ল'ৰাই অভিমান কৰি বহি আছে বুলিয়েই, মাকেও জানো অভিমান কৰি বহি থাকিব।

তিনি মহলাত ছাদৰ এচুকত থকা সৰু এটা কোঠাত মহেন্দ্রৰ শয়ন আৰু অধ্যয়নৰ ব্যৱস্থা আছিল। এই কেইদিন মাকে তেওঁৰ কাপোৰ-কানি সামৰা, বিচনা-পাটি পৰা আৰু ঘৰদুৱাৰ পৰিষ্কাৰ কৰাত সম্পূর্ণ অৱহেলা কৰিছিল। কেইবাদিনো মাতৃস্নেহৰ চিৰ-অভ্যস্ত কর্ত্তব্যসমূহ পালন নকৰাকৈ থকাত, তেওঁৰ হৃদয় শুশ্রুভাৰাতুৰ স্তনৰ দৰে ভিতৰি-ভিতৰি ব্যথিত হৈ উঠিছিল। সেইদিনা দুপৰীয়া ভাবিলে, "মহেন্দ্র এতিয়া চাগৈ কলেজলৈ গৈছে, এই ফাকতে তাৰ ঘৰটো ঠিক কৰি থৈ আহোঁগৈ। কলেজৰ পৰা

উভতি আহিয়েই উমান পাব তাৰ ঘৰত মাকৰ হাতৰ পৰশ পৰিছে।"

ৰাজলক্ষ্মী খটখটিয়েদি ওপৰলৈ উঠিল। মহেন্দ্ৰৰ শোৱনি-কোঠাৰ এখন দুৱাৰ খোলা আছিল, তাৰ সমুখ পাওঁতেই বুকুখন যেন কিহবাই কাঁইটে বিন্ধা দি বিন্ধিলে, চক খাই ৰৈ গ'ল। চকুত পৰিল, তলৰ বিচনাত মহেন্দ্ৰ শুই আছে আৰু দুৱাৰৰ পিনে পিঠি দি বোৱাৰীয়েকে ধীৰে ধীৰে তাৰ ভৰিৰ ওপৰত হাত বুলাই দিছে। দুপৰৰ প্ৰখৰ পোহৰত দুৱাৰ মুকলি অৱস্থাত দাম্পত্যলীলাৰ এই অভিনয় দেখি ৰাজলক্ষ্মী লাজ আৰু ধিক্কাৰত সঙ্কুচিত হৈ কোনো শব্দ নকৰাকৈ তললৈনামি আহিল।

## ৫

কিছুদিন বৰষুণ নিদিলে যি শস্য শুকান হালধীয়া হৈ আহে, বৰষুণ পোৱাৰ লগে লগেই সি লহপহকৈ বাঢ়ি উঠি দীঘলীয়া সময়ৰ উপবাস-দৈন্য দূৰ কৰি দিয়ে, দুৰ্ব্বল নতভাৱ ত্যাগ কৰি শস্যক্ষেত্ৰৰ মাজত অসংকোচে অসংশয়ে আপোন অধিকাৰ উন্নত আৰু উজ্জ্বল কৰি তোলে; আশাৰো তেনেকুৱাই হ'ল। যত তেওঁৰ তেজৰ সম্বন্ধ আছিল, তাত তেওঁ কোনো দিন আত্মীয়তাৰ দাবী কৰিব পৰা নাছিল; আজি পৰৰ ঘৰলৈ আহি তেওঁ যেতিয়া বিনা প্ৰাৰ্থনাই এক নিকটতম সম্বন্ধ আৰু নিঃসন্দিগ্ধ অধিকাৰ লাভ কৰিলে, যেতিয়া সেই অযত্নলালিতা অনাথিনীৰ মূৰত স্বামীয়ে আপোন হাতেৰে লক্ষ্মীৰ মুকুট পিন্ধাই দিলে, তেতিয়া তেওঁ আপোন গৌৰৱপদ গ্ৰহণ কৰাত বিন্দুমাত্ৰ পলম নকৰিলে, ন-বোৱাৰীৰ উপযোগী লাজ আৰু ভয় দূৰ কৰি দি সৌভাগ্যৱতী স্ত্ৰীৰ মহিমাৰে মুহূৰ্ত্তৰ ভিতৰতে স্বামীৰ পদপ্ৰান্তত অসংকোচে আপোন সিংহাসন অধিকাৰ কৰিলে।

ৰাজলক্ষ্মীয়ে সেইদিনা দুপৰ-বেলিকা সেই সিংহাসনত এই নতুনকৈ অহা পৰৰ ঘৰৰ এজনী ছোৱালীক চিৰ-অভ্যস্তৰ দৰে এনেকৈ স্পৰ্দ্ধাৰে সৈতে বহি থকা দেখি দুঃসহ বিস্ময়ত তলৰ মহলালৈ নামি আহিছিল। নিজৰ চিত্তদাহেৰে অন্নপূৰ্ণাক দগ্ধ কৰিবলৈ ওলাই গ'ল। অন্নপূৰ্ণাক ক'লে, "হেৰা, বোলোঁ এবাৰ চাই আহাঁগৈ, নবাবৰ জীয়েকে নবাবৰ ঘৰৰ পৰা কি শিক্ষা লৈ আহিছে। আজি তেখেতসকল থাকিব লাগিছিল—"

অন্নপূৰ্ণাই কাতৰ হৈ ক'লে, "বাইদেউ, তোমাৰ বোৱাৰীক তুমি শিক্ষা দিবা, শাসন কৰিবা, মোক ক'বলৈ আহিছা কেলৈ।"

ৰাজলক্ষ্মীয়ে গুণ দিয়া ধনুৰ দৰে হুঙ্কাৰ দি উঠিল, "মোৰ বোৱাৰী? তুমি হেন মন্ত্ৰী থাকোঁতে তাই আকৌ মোক গ্ৰাহ্য কৰিব!"

তেতিয়া অন্নপূৰ্ণাই সশব্দ পদক্ষেপেৰে দম্পতীক সচেতন কৰি মহেন্দ্ৰৰ শোৱনি-কোঠাত উপস্থিত হ'লগৈ। আশাক ক'লে, "তই এনেকৈ মোৰ শিৰ নত কৰিবি, কুলক্ষ্মী? লাজ নাই, চৰম নাই, সময় নাই, অসময় নাই, বুঢ়ী শাহুৱেৰৰ ওপৰত গোটেই ঘৰ-সংসাৰৰ বোজা দি তই ইয়াত আৰাম কৰিছহি? মোৰ পোৰা কপাল, মই তোক এই ঘৰলৈ আনিছিলোঁ!"

এইবুলি কোৱাৰ লগে লগেই চকুৰেদি অশ্ৰুধাৰা বাগৰি আহিল, আশায়ো তলমূৰকৈ আঁচলৰ আগটো কামুৰি কামুৰি নিঃশব্দে থিয় দি কান্দিবলৈ ধৰিলে।

মহেন্দ্ৰই ক'লে, "খুৰীদেউ, তুমি তেওঁক অন্যায়কৈ কিয় ভৎসনা কৰিছা। ময়েই তো তেওঁক ধৰি ৰাখিছোঁ।"

অন্নপূৰ্ণাই ক'লে, "সেইটো জানো ভাল কাম কৰিছা? তাই সৰু-ছোৱালী, অনাথিনী, মাকৰ পৰা কোনোদিন কোনো শিক্ষা পোৱা নাই, তাই ভালবেয়াৰ কি ভু ৰাখে। তুমি তাইক কি শিক্ষা দিবলৈ ধৰিছা?"

মহেন্দ্ৰই ক'লে, "এয়া চোৱা, তেওঁৰ কাৰণে শ্লেট, কিতাপ, বহী কিনি আনিছোঁ। মই মোৰ ঘৈনীক লিখা-পঢ়া শিকাম, তেহেলৈ মানুহে নিন্দাই কৰক আৰু তোমালোকে খঙেই কৰা।"

অন্নপূৰ্ণাই ক'লে, "সেইবুলিয়েই হবলা গোটেই দিনটো শিকাব লাগে। সন্ধ্যাৰ পাচত আধা ঘণ্টা পঢ়ালেই তো ঢেৰ হয়।"

মহেন্দ্ৰ। ইমান সহজ নহয়, খুৰীদেউ, পঢ়াশুনাত অলপ সময়ৰ প্ৰয়োজন হয়।

অন্নপূৰ্ণা বিৰক্ত হৈ কোঠাৰ পৰা বাহিৰ ওলাল। আশায়ো ধীৰে ধীৰে তেওঁৰ অনুসৰণৰ উপক্ৰম কৰিলে—মহেন্দ্ৰই আগভেটি ধৰিলে, আশাৰ কৰুণ সজল চকুযুৰিৰ অনুনয় নেমানিলে। ক'লে, "ৰ'বা, শুই শুই সময়

নষ্ট কৰিলোঁ, সেইটো পুৰাই ল'ব লাগিল।"

এনে গম্ভীৰপ্ৰকৃতি শ্ৰদ্ধেয় মূঢ় থাকিবও পাৰে যি হয়তো ভাবিব। মহেন্দ্ৰই টোপনিৰ আবেশত পঢ়াৰ সময় নষ্ট কৰিছে; বিশেষকৈ তেওঁ-লোকৰ অবগতিৰ কাৰণে কোৱা আৱশ্যক যে, মহেন্দ্ৰৰ তত্ত্বাৱধানত অধ্যাপনকাৰ্য্য যি ধৰণে নিৰ্বাহ হয়, কোনো স্কুলৰ ইন্সপেক্টৰে তাক অনুমোদন নকৰে।

আশাই তেওঁৰ স্বামীকে বিশ্বাস কৰিছিল; তেওঁ সঁচাসঁচিকৈয়ে বুজি পাইছিল লিখা-পঢ়া শিকাটো তেওঁৰ পক্ষে নানা কাৰণত সহজ নহয় অৱশ্যে, কিন্তু স্বামীৰ আদেশহেতুকে ই তেওঁৰ নিতান্ত কৰ্ত্তব্য। এই বাবেই তেওঁ প্ৰাণপণে অশান্ত বিক্ষিপ্ত মনক সংযত কৰি আনে, শোৱনি-কোঠাৰ মজিয়াৰ ওপৰত ঢলা বিচনাৰ এচুকত অতি গম্ভীৰ হৈ বহে আৰু কিতাপ-পত্ৰবোৰৰ ওপৰত একেবাৰে ঢলি পৰি মূৰ জোকাৰি-জোকাৰি মুখস্থ কৰিবলৈ আৰম্ভ কৰে। শোৱনি-কোঠাৰ আনটো মূৰত সৰু এখন টেবিলৰ ওপৰত ডাক্তৰী কিতাপ মেলি লৈ পণ্ডিত-মহাশয় খাটৰ ওপৰত বহি আছে, মাজে মাজে কেৰাহিকৈ ছাত্ৰীৰ মনোযোগ লক্ষ্য কৰিছে। চাওঁতে চাওঁতে হঠাৎ ডাক্তৰী কিতাপ বন্ধ কৰি মহেন্দ্ৰই আশাক।তেওঁৰ ঘৰুৱা-নাম ধৰি মাতিলে, "চুনি!" চক খাই উঠা আশাই মুখ তুলি চালে। মহেন্দ্ৰই ক'লে, "চাওঁ কিতাপখন আনাচোন, চাওঁ কোনখিনি পঢ়িছা।"

আশাৰ ভয় লাগিল, জানোচা মহেন্দ্ৰই পৰীক্ষা লয়। পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ আশা খুব কমেই আছিল। কাৰণ, চাৰু-পাঠৰ চাৰুত্ব-প্ৰলোভনত তেওঁৰ অবাধ্য মনে একোতেই বশ নেমানে। উই-হাফলুৰ সম্বন্ধে তেওঁ জ্ঞানলাভৰ চেষ্টা যিমানেই কৰক, আখৰবিলাক সিমানে তেওঁৰ দৃষ্টিপথৰ ওপৰেদি ক'লা কিছুমান পৰুৱাৰ দৰে শাৰী পাতি গুচি যায়।

পৰীক্ষকৰ আহ্বান শুনি অপৰাধীৰ নিচিনাকৈ আশাই ভয়ে ভয়ে কিতাপখন লৈ মহেন্দ্ৰৰ খাটৰ দাতিত থিয় হয়হি। মহেন্দ্ৰই এহাতেৰে ককালটো সাৱটি তেওঁক দৃঢ়ৰূপে বন্দী কৰি আনখন হাতেৰে কিতাপখন লৈ কয়, "আজি কিমানখিনি পঢ়িলা চাওঁ।" আশাই যিমানবোৰ লাইনৰ ওপৰত চকু বুলাইছিল, দেখুৱাই দিয়ে। মহেন্দ্ৰই ক্ষুণ্ণস্বৰেৰে কয়, "উঃ!

ইমানবোৰ পঢ়িব পাৰিছা? মই কিমানকণ পঢ়িছোঁ, চাবা নেকি?" বুলি ডাক্তৰী কিতাপৰ কোনো এটা অধ্যায়ৰ শিৰোনামাটো মাত্র দেখুৱাই দিয়ে। আশাই বিস্ময়ত চকু দুটা ডাঙৰকৈ মেলি সোধে, "তেন্তে ইমান সময় কি কৰিছিলা।" মহেন্দ্ৰই তেওঁৰ থুঁতৰিটোত ধৰি কয়, "মই এজনৰ কথা ভাবিছিলোঁ৷ কিন্তু যাৰ কথা ভাবিছিলোঁ সেই নিষ্ঠুৰ তেতিয়া চাৰু-পাঠত উঁই-পৰুৱাৰ অত্যন্ত মনোহৰ বিবৰণ লৈ ভোল গৈ আছিল।" আশাই এই অমূলক অভিযোগৰ বিৰুদ্ধে উপযুক্ত উত্তৰ দিব পাৰিলেহেঁতেন—কিন্তু হায়, কেৱলমাত্র লাজৰ খাতিৰত প্ৰেমৰ প্ৰতিযোগিতাত অন্যায় পৰাভৱ নীৰবে মানি ল'বলগীয়া হয়।

ইয়াৰ দ্বাৰা স্পষ্ট প্ৰমাণ হ'ব, মহেন্দ্ৰৰ এই পাঠাশালাখনে চৰকাৰী বা বেচৰকাৰী কোনো বিদ্যালয়ৰ কোনো নিয়ম মানি নচলে।

এদিনাখন হয়তো মহেন্দ্ৰ ঘৰত নাই—সেই সুযোগতে আশাই পঢ়াত মন বহুৱাবৰ চেষ্টা কৰিছে। এনে সময়তে মহেন্দ্ৰ ক'ৰবাৰ পৰা আহি তেওঁৰ চকু দুটা মুদাই ধৰিলেহি, তাৰ পাচত কিতাপখন কাঢ়ি লৈ ক'লে, "নিষ্ঠুৰ, মই নেথাকিলে তুমি হবলা মোৰ কথা নেভাবা, পঢ়া-শুনা লৈ ব্যস্ত থাকা?"

আশাই ক'লে, "তুমি হবলা মোক মূৰ্খ কৰি ৰাখিব খুজিছা?"

মহেন্দ্ৰই ক'লে. "তোমাৰ কল্যাণত মোৰেই বা বিদ্যা এনে কি আগবাঢ়িছে।"

কথাষাৰে আশাক হঠাৎ আঘাত দিলে। তৎক্ষণাৎ গুচি যাবৰ উপক্ৰম কৰি ক'লে, "মই তোমাৰ পঢ়াত কি বা বাধা দিছোঁ।"

মহেন্দ্ৰই তেওঁৰ হাতখন খামুচি ধৰি ক'লে, "তুমি কি বুজিবা। মোক এৰি থৈ তুমি যিমান সহজে পঢ়া-শুনা কৰিব পাৰা, তোমাক এৰি থৈ সিমান সহজে মই যে পঢ়া-শুনা কৰিব নোৱাৰোঁ।"

গুৰুতৰ অভিযোগ। ইয়াৰ পাচত স্বাভাৱিকতে শৰত কালৰ এজাক বৰষুণৰ দৰে এজাউৰি কান্দোনৰ সৃষ্টি হয় আৰু খুব কম সময়ৰ ভিতৰত কেৱল অকণমান সজল উজ্জ্বলতা ৰাখি আদৰৰ এমুঠি ৰ'দৰ পোহৰত সি বিলীন হৈ যায়।

শিক্ষক যদি শিক্ষাৰ প্ৰধান অন্তৰায় হয়, তেন্তে অবলা ছাত্ৰীৰ জানো

সাধ্য আছে বিদ্যাৰণ্যৰ মাজেদি বাট উলিয়াই যোৱাটো। মাজে মাজে মাহীয়েকৰ তীব্ৰ ভৰ্ৎসনালৈ মনত পৰিলে চিত্ত বিচলিত হয়—তেতিয়া বুজি উঠে, লিখা-পঢ়াটো কেৱল নিমিত্ত মাত্ৰ ; শাহুৱেকক দেখিলে লাজত মাটিৰ লগত মিহলি হৈ যাব খোজে। কিন্তু শাহুৱেকে-তেওঁক কোনো কাম কৰিবলৈ নকয়, কোনো উপদেশ নিদিয়ে ; নিজে গাত কৰি যদি শাহুৱেকক ঘৰুৱা কামত সহায় কৰিবলৈ যায়, তেন্তে তেওঁ হুলস্থুল লগাই দিয়ে, "কিকৰা, কি কৰা, শোৱনি-কোঠালৈ যোৱা, তোমাৰ পঢ়া-শুনা ক্ষতি হৈছে।"

অৱশেষত অন্নপূৰ্ণাই আশাক ক'লে, "তোৰ যি শিক্ষা চলিছে, সেইটো তো দেখিছোঁৱেই, এতিয়া মহিনকো ডাক্তৰী পৰীক্ষা দিবলৈ নিদিবি নেকি।"

সেই কথা শুনি আশাই মনটো খুব ডাঠ কৰি ল'লে, মহেন্দ্ৰক ক'লে, "তোমাৰ পৰীক্ষাৰ পঢ়া-শুনা হোৱা নাই, আজিৰ পৰা মই তলত মাহীদেউৰ কোঠাত থাকিম।"

এই বয়সতে ইমান বেচি কঠিন সন্ন্যাসব্ৰত! শয়নকক্ষৰ পৰা একেবাৰে মাহীৰ ঘৰলৈ আত্মনিৰ্ব্বাসন! এই কঠোৰ প্ৰতিজ্ঞা উচ্চাৰণ কৰোঁতে তেওঁৰ চকুৰ কোণ চলচলীয়া হৈ উঠিল, তেওঁৰ অবাধ্য ক্ষুদ্ৰ অধৰ কঁপি উঠিল আৰু কণ্ঠস্বৰ ৰুদ্ধপ্ৰায় হৈ আহিল।

মহেন্দ্ৰই ক'লে, "তেন্তে সেয়ে হওক, খুৰীদেউৰ কোঠালৈকে যোৱা যাওক—কিন্তু সেয়ে হ'লে তেওঁ যে ওপৰলৈ আমাৰ কোঠাটোলৈ আহিব লাগিব।"

ইমান ডাঙৰ এটা উদাৰ গম্ভীৰ প্ৰস্তাৱৰ উত্তৰত পৰিহাস শুনি আশাই খং কৰিছিল। মহেন্দ্ৰই ক'লে, "তাতকৈ তুমি স্বয়ং দিনে-নিশাই মোক চকুৰ আগত ৰাখি পহৰা দিয়া, লক্ষ্য ৰাখিবা মই পৰীক্ষাৰ পাঠ মুখস্থ কৰোঁ নে নকৰোঁ।"

অতি সহজতে সেই সিদ্ধান্ত স্থিৰ হৈ গ'ল। চকুৰ আগত ৰাখি পহৰা দিয়া কাৰ্য্য কি ধৰণে চলিছিল, তাৰ বিস্তাৰিত বিৱৰণ অনাৱশ্যক, কেৱল এইখিনি ক'লেই যথেষ্ট হ'ব যে, সেই বছৰ মহেন্দ্ৰই পৰীক্ষাত ফেল কৰিলে আৰু চাৰুপাঠৰ বিস্তাৰিত বৰ্ণনা স্বত্বেও পুৰুভুজ সম্বন্ধে আশাৰ অনভিজ্ঞতা

দূৰ নহ'ল।

এই ধৰণৰ অপূৰ্ব্ব পঠন-পাঠন-বিষয় যে সম্পূর্ণ নির্ব্বিঘ্নে সম্পন্ন হৈছিল, সেই কথা ন-দি ক'ব নোৱাৰোঁ। বিহাৰীয়ে মাজে মাজে আহি বৰ গোলমাল লগাই দিছিল। "মহিনদা, মহিনদা" বুলি তেওঁ গোটেই চুবুৰীটোতে হুলস্থুল লগাই দিছিল। মহেন্দ্ৰক তেওঁৰ শোৱনি-কোঠাৰ গাঁতটোৰ পৰা টানি বাহিৰ কৰি হুলিওৱা পৰ্য্যন্ত নেৰিছিল। পঢ়া-শুনা ঢিলাই দিছে বুলি তেওঁ মহেন্দ্ৰক বহুতো কদৰ্থনা কৰিছিল। আশাক কৈছিল, "ন-বৌ, গিলি খালে হজম নহয়, চোবাই খাব লাগে। এতিয়া গোটেইখিনি অন্ন একে গৰাহতে গিলিবলৈ ধৰিছা, ইহাৰ পাচত হজমী বড়ি বিচাৰি নেপাবা।

মহেন্দ্ৰই কয়, "চুনি, সেইবোৰ কথা শুশুনিবা—বিহাৰীয়ে আমাৰ সুখ দেখি হিংসা কৰিছে।"

বিহাৰীয়ে কয়, "সুখ যেতিয়া তোমাৰ হাতৰ মুঠিতে আছে, তুমি এনে ধৰণে ভোগ কৰা যাতে আনৰ হিংসা নহয়।"

মহেন্দ্ৰই উত্তৰ দিয়ে, "আনৰ হিংসাৰ পাত্ৰ হৈ যে সুখ আছে। চুনি, অলপতে মই গাধাৰ দৰে তোমাক বিহাৰীৰ হাতত সমৰ্পণ কৰাৰ পৰা বাচিছোঁ।"

বিহাৰীয়ে ৰঙা-চিঙা পৰি ক'লে, "চুপ!"

এইবিলাক কথাতে আশা মনে মনে বিহাৰীৰ ওপৰত খুব বিৰক্ত হৈছিল। এসময়ত তেওঁৰ লগত বিহাৰীৰ বিয়াৰ প্ৰস্তাব হৈছিল বুলিয়েই বিহাৰীৰ প্ৰতি তেওঁৰ এক প্ৰকাৰ বিমুখ ভাব আছিল, বিহাৰীয়ে তাৰ বুজ পাইছিল আৰু মহেন্দ্ৰই তাকে লৈ আমোদ কৰিছিল।

ৰাজলক্ষ্মীয়ে বিহাৰীক মাতি আনি দুখ কৰিছিল। বিহাৰীয়ে কৈছিল, 'মা, পলুৱে যেতিয়া লেটা বান্ধে, তেতিয়া সিমান ভয় নাই, কিন্তু লেটাটো ভাঙি যেতিয়া উৰি যায়, তেতিয়া ওভোতাই অনা টান। কোনে ভাবিছিল, তেওঁ এনেকৈ তোমাৰ বান্ধোন খহাই পেলাব বুলি।"

মহেন্দ্ৰৰ ফেল-হোৱা খবৰ শুনি ৰাজলক্ষ্মী জহকালিৰ আকস্মিক অগ্নি-কাণ্ডৰ দৰে দপ্ দপ্ কৈ জ্বলি উঠিল, কিন্তু তেওঁৰ গৰ্জ্জন আৰু দাহন সম্পূৰ্ণ মাত্ৰাই ভোগ কৰিলে, অন্নপূৰ্ণাই। তেওঁৰ খাৱন-শোৱন নোহোৱা হ'ল।

৬

এদিন ন বাৰিষাৰ বৰষুণেৰে মুখৰিত মেঘে-ঢকা আবেলি এটা গাত এখন সুবাসিত জিলজিলীয়া চাদৰ লৈ ডিঙিত এধাৰ যুতিফুলৰ বগা মালা পিন্ধি মহেন্দ্ৰই আনন্দমনেৰে শোৱনি-কোঠাত প্ৰবেশ কৰিলে। হঠাৎ আশাক চক খুৱাই আচৰিত কৰি দিবৰ মনেৰে জোতাৰ কোনো শব্দ কৰা নাছিল। কোঠাটোত ভুমুকি মাৰি দেখিলে, পুবপিনৰ খোলা খিৰিকিখনেদি বতাহৰ প্ৰবল বেগে বৰষুণৰ এচাৰেকণি লৈ কোঠাৰ ভিতৰ সোমাইছে, বতাহত চাকি-বাতি নুমাই গৈছে আৰু আশাই তলৰ বিচনাখনত শুই শুই ফোপাই-ফোপাই কান্দিছে।

মহেন্দ্ৰই বেগাবেগিকৈ ওচৰলৈ আহি সুধিলে, "কি হৈছে।"

অকণমানি ছোৱালীজনীৰ কান্দোন দুগুণে চৰি উঠিল। বহুত সময়ৰ পাচত মহেন্দ্ৰই লাহে লাহে সমিধান পালে যে, মাহীদেৱে আৰু সহ্য কৰিব নোৱাৰি তেওঁৰ পেহীৰ পুতেক ভায়েকৰ ঘৰলৈ বুলি গুচি গৈছে।

মহেন্দ্ৰই খং কৰি নিজেকে ক'লে, "গ'ল বুলিয়েই নো, এই হেন মেঘে-ঢকা সন্ধ্যাটো মাটি কৰিহে যাব লাগে নেকি!"

শেষত গৈ গোটেই খঙৰ জালটো মাকৰ ওপৰতে পৰিল। তেৱেঁই তো সকলো অশান্তিৰ মূল।

মহেন্দ্ৰই ক'লে, "খুৰীদেউ য'লৈ গৈছে, আমিও তালৈকে যাম, চাওঁচোন বাৰু, মায়ে নো কাক লৈ কাজিয়া কৰে।"

এই বুলি অনাৱশ্যক হুলস্থুল লগাই বস্তু-বেহানি বান্ধি 'মুটিয়া-আন মুটিয়া-মাত' কৰি চিঞৰ-বাখৰ লগাই দিলে।

ৰাজলক্ষ্মীয়ে কথাৰ গতি-গোত্ৰ বুজি পালে। লাহে লাহে মহেন্দ্ৰৰ ওচৰলৈ আহি শান্ত স্বৰেৰে সুধিলে, "ক'লৈ যাবলৈ ওলাইছ।"

মহেন্দ্ৰই প্ৰথমে কোনো উত্তৰ নিদিলে। দুই-তিনিবাৰ প্ৰশ্ন কৰাৰ পাচত উত্তৰ দিলে, "খুৰীদেউৰ ওচৰলৈ যাওঁ।

ৰাজলক্ষ্মীয়ে ক'লে, "তইঁত ক'লৈকো যাব নেলাগে। ময়েই তোৰ খুৰীয়েৰক আনি দিম।"

এই বুলি কৈ উঠিয়েই তৎক্ষণাৎ পাৰ্ব্বতী উঠি অন্নপূৰ্ণাৰ ঘৰলৈ ওলাল। ডিঙিত কাপোৰ মেৰিয়াই হাতজোৰ কৈ ক'লে, 'ন-ছোৱালী, মোক ক্ষমা কৰা।"

অন্নপূৰ্ণাই ব্যতিব্যস্ত হৈ ৰাজলক্ষ্মীৰ ভৰিৰ ধূলি লৈ কাতৰস্বৰেৰে ক'লে, "বাইদেউ, মোক অপৰাধী কৰিব খুজিছা কিয়। তুমি মোক যি আদেশ দিয়া, সেয়ে শিৰোধাৰ্য্য।"

ৰাজলক্ষ্মীয়ে ক'লে, "তুমি শুচি আহিছা কাৰণে মোৰ পো-বোৱাৰীয়ে ঘৰ এৰি আহিবলৈ ওলাইছে।" কথাৰ লগে লগে অভিমান, খং আৰু ধিক্কাৰত তেওঁ কান্দি পেলালে।

দুয়ো গৰাকী জা ঘৰলৈ উভতি আহিল। তেতিয়াও বৰষুণ দিয়েই আছে। অন্নপূৰ্ণা যেতিয়া মহেন্দ্ৰৰ কোঠালৈ গ'ল, তেতিয়া আশাৰ কান্দোন বন্ধ হৈছে আৰু মহেন্দ্ৰই নানা কথা উলিয়াই হঁহুৱাবৰ চেষ্টা কৰিছে। লক্ষণ দেখি ধাৰণা হয়, বৰ্ষাৰ সন্ধ্যাটো সম্পূৰ্ণ ব্যৰ্থ হৈ নেযাবও পাৰে।

অন্নপূৰ্ণাই ক'লে, "চুনি, তই মোক ঘৰতো থাকিবলৈ নিদিবি, আৰু আন ক'ৰবালৈ গ'লেও লগতে লাগি যাবি? মোৰ কি ক'তোৱেই শান্তি নাই?"

আশা অকস্মাৎ বাণবিদ্ধ হৰিণীৰ দৰে চকিত হৈ উঠিল।

মহেন্দ্ৰই একান্ত বিৰক্ত হৈ উঠি ক'লে, "কিয় খুৰীদেউ, চুনিয়ে তোমাৰ কি কৰিলে?"

অন্নপূৰ্ণাই ক'লে, "বোৱাৰী-ছোৱালীৰ ইমানটো ভেম চাই থাকিব নোৱাৰোঁ বুলিয়েই গুচি গৈছিলোঁ, আকৌ শাহুৱেকক কন্দুৱাই-কটুৱাই শাওখাতীয়ে মোক ধৰাই আনিলে কিয়।"

জীৱনৰ কবিত্ব-অধ্যায়ত যে মাক-খুৰীয়েক এনে অন্তৰায় হ'ব পাৰে, সেই কথা মহেন্দ্ৰই নেজানিছিলেই।

পাচদিনা ৰাজলক্ষ্মীয়ে বিহাৰীক মতাই আনি ক'লে, "বোপা, তুমি এবাৰ মহেন্দ্ৰক কোৱা, বহুদিন দেশলৈ যোৱা নাই, মই বাৰাশতলৈ যাওঁ বুলি ভাবিছোঁ।

বিহাৰীয়ে ক'লে, "বহুত দিনেই যোৱা নাই যেতিয়া জানিবা নগ'লেই। বাৰু, মহিনদাক মই কৈ চাওঁ, কিন্তু তেওঁ যে মান্তি হ'ব, মোৰ ধাৰণা নহয়।"

মহেন্দ্ৰই ক'লে, "এবা, জন্মস্থান চাবৰ মন যায় অৱশ্যে। কিন্তু মা বেচি দিন তাত নথকাই ভাল—বাৰিষা ঠাইডোখৰ ভাল নহয়।"

মহেন্দ্ৰই সহজতে সম্মতি দিয়া দেখি বিহাৰী বিৰক্ত হ'ল। ফুটাই ক'লে, "মা অকলে যাব, তেখেতক চাব কোনে। ন বৌকো লগত্তে পঠাই দিয়াচোন।" এই বুলি কৈ অলপ হাঁহিলে।

বিহাৰীৰ প্ৰচ্ছন্ন ভৎ'সনা শুনি মহেন্দ্ৰই কুণ্ঠিত হৈ কলে, "সেইটো কবলা নোৱাৰেঁ।"

কিন্তু কথাটো ইয়াতকৈ বেচি আগ নেবাঢ়িল।

এইদৰেই বিহাৰীয়ে আশাৰ চিত্ত বিমুখ কৰি দিয়ে, আৰু আশা তেওঁৰ ওপৰত বিৰক্ত হৈছে বুলি ভাবি তেওঁ যেন এক ধৰণৰ শুকান আমোদ অনুভৱ কৰে।

কোৱা বাহুল্য, ৰাজলক্ষ্মী জন্মস্থান চাবৰ কাৰণে বেচি উৎসুক হোৱা নাছিল। জহকালি যেতিয়া নৈৰ পানী তৰাং হৈ আহে, নাৱৰীয়াই তেতিয়া যেনেকৈ পলকে পলকে ল'গি পেলাই চায়, ক'ত কিমান পানী, ঠিক তেনেকৈয়ে ৰাজলক্ষ্মীয়েও ভাবান্তৰৰ সময়ত মাক-পুতেকৰ সম্পৰ্কৰ দ-বাম লেখ ল'বলৈকে ল'গি পেলাই চাইছিল। তেওঁৰ বাৰাশতলৈ যোৱাৰ প্ৰস্তাৱে যে ইমান সোনকালে ইমান সহজতে তলি চুকি পাবগৈ, সেইটো তেওঁ আশা কৰা নাছিল। মনৰ ভিতৰতে ভাবিলে, "অন্নপূৰ্ণাৰ গৃহত্যাগ আৰু মোৰ গৃহত্যাগত প্ৰভেদ আছে—তাই হ'ল মন্ত্ৰসিদ্ধা ডাইনী আৰু মই কেৱল উ'কা মাকজনী, মোৰ বাবে যোৱাটোৱেই ভাল।"

অন্নপূৰ্ণাই ভিতৰৰ কথাষাৰ বুজি পালে, তেওঁ মহেন্দ্ৰক ক'লে, "বাইদেউ গ'লে ময়ো থাকিব নোৱাৰিম।"

মহেন্দ্ৰই ৰাজলক্ষ্মীক ক'লে, "শুনিছা মা? তুমি গ'লে খুৰীদেৱো যাব, সেয়ে হ'লে আমাৰ ঘৰৰ কাম চলিব কেনেকৈ।"

ৰাজলক্ষ্মীয়ে ঈৰ্ষাৰ জুইত জৰ্জ্জৰিত হৈ ক'লে, "তুমিও যাবা, ন-ছোৱালী? ইও জানো সম্ভৱপৰ। তুমি গ'লে চলিব কেনেকৈ। তুমি থাকিব লাগিবই।"

ৰাজলক্ষ্মীয়ে আৰু বেচি পলম কৰাটো সহিব নোৱাৰিলে। পাচদিনা দুপৰীয়াতে তেওঁ দেশলৈ যাবৰ বাবে প্ৰস্তুত হ'ল। মহেন্দ্ৰয়েই যে তেওঁক

দেশত থৈ আহিবগৈ, এই বিষয়ে বিহাৰীৰ বা আন কাৰো কোনো সন্দেহ নাছিল। কিন্তু সময়ৰ মূৰকত দেখা গ'ল, মহেন্দ্ৰই মাকৰ লগত এজন মহৰী আৰু দাৰোৱান পঠোৱাৰ ব্যৱস্থা কৰিছে।

বিহাৰীয়ে ক'লে, "মহিনদা, তুমি যে এতিয়াও ওলোৱা নাই?"

মহেন্দ্ৰই লাজ পাই ক'লে, "মোৰ আকৌ কলেজৰ—"

বিহাৰীয়ে ক'লে, "বেচ তুমি থাকা তেনেহ'লে, মাক মইেই থৈ আহোঁগৈ।"

মহেন্দ্ৰৰ মনে মনে খং উঠিল। নিৰলে আশাক ক'লে, "বাস্তৱিক, বিহাৰী বৰ চৰি গৈছে। সি দেখুৱাব খুজিছে, যেন সি মোতকৈ মাৰ কথা বেচি ভাবে।"

অন্নপূৰ্ণা থাকিবলগীয়া হল, কিন্তু তেওঁ লাজ ক্ষোভ আৰু বিৰক্তিত কোচমোচ খাই ৰ'ল। খুৰীদেউৰ এনেকুৱা আঁতৰ-ভাৱ দেখি মহেন্দ্ৰৰ খং উঠিল আৰু আশায়ো অভিমান কৰি ৰ'ল।

৭

ৰাজলক্ষ্মী জন্মভূমি পালেগৈ। কথা আছিল, বিহাৰীয়ে তেওঁক থৈয়েই ঘূৰি আহিব; কিন্তু তাৰ অৱস্থা দেখি, তেওঁ ৰুলটিল।

ৰাজলক্ষ্মীৰ পৈতৃক গৃহত দুই এগৰাকী অতিবৃদ্ধা বিধবাহে জীয়াই আছিল। চাৰিওপিনে ঘন হাবি আৰু বাঁহগছৰ জোপোহা, পুখুৰীৰ পানীবোৰ কজলা, দিন-দুপৰতে শিয়ালৰ হোৱা শুনি ৰাজলক্ষ্মীৰ চিত্ত উদ্‌ভ্ৰান্ত হৈ উঠে।

বিহাৰীয়ে ক'লে, "মা, জন্মভূমি অৱশ্যে, কিন্তু 'স্বৰ্গাদপি গৰীয়সী' বুলি কোনোমতেই কব নোৱাৰো। কলিকতালৈকে বলা। ইয়াত তোমাক এৰি থৈ গ'লে মোৰ অধৰ্ম্ম হ'ব।"

ৰাজলক্ষ্মীও ভাগৰি পৰিছিল। এনে সময়তে বিনোদিনী আহি তেওঁক আশ্ৰয় দিলে আৰু আশ্ৰয় স্বৰূপে ল'লে।

বিনোদিনীৰ পৰিচয় প্ৰথমতেই দিয়া হৈছে। এসময়ত মহেন্দ্ৰৰ লগত আৰু তেওঁ নহলে বিহাৰীৰ লগত তেওঁৰ বিয়াৰ প্ৰস্তাৱ চলিছিল। বিধিৰ

নির্ব্বন্ধত যাৰ লগত তেওঁৰ শুভবিবাহ হয় সেই মানুহজনৰ গোটেইবোৰ অন্তৰিন্দ্ৰিয়ৰ ভিতৰত প্লীহাই আছিল আটাইতকৈ প্ৰবল। সেই প্লীহাৰেই অতিভাৰ হেতুকে তেও বেচি দিন জীৱনধাৰণ কৰিব নোৱাৰিলে।

তেওঁৰ মৃত্যুৰ পাচৰ পৰা বিনোদিনীয়ে হাবিৰ মাজৰ একটি মাথোন উদ্যানলতাৰ দৰে নিৰানন্দ গাঁৱৰ মাজত মুহ্যমান ভাবে জীৱনযাপন কৰিছিল। আজি সেই অনাথিনীয়ে আহি তেওঁৰ পেহীশাহুৱেকক ভক্তিভৰে প্ৰণাম কৰিলে আৰু তেওঁৰ সেৱাত আত্মনিয়োগ কৰি দিলেহি।

সেৱা বুলি ক'লে ইয়াকেই কোৱা হয়। মুহূৰ্ত্তৰ বাবে এলাহ নাই। কেনে পৰিপাটি কাম, কেনে সুন্দৰ ৰন্ধাবঢ়া কেনে সুন্দৰ মিঠা-মিঠা কথাবাৰ্ত্তা।

ৰাজলক্ষ্মীয়ে কয়, "সময় বহুত হ'ল আই, তুমি দুটামান খাই লোৱাগৈ যোৱা।"

বিনোদিনীয়ে নিজৰ প্ৰতি অলপ তাচ্ছিল্য প্ৰকাশ কৰি কয়, "আমাৰ এই দুখেৰে গঢ়া শৰীৰত অসুখ নহয়, পেহীদেউ। হায়, কিমান দিনৰ মূৰত জন্মভূমিলৈ আহিছা, ইয়াত কি আছে, কিহেৰে তোমাক আদৰ কৰিম।"

বিহাৰী দুদিনৰ ভিতৰতে চুবুৰীটোৰ শিৰফুটা মানুহ হৈ উঠিল। কোনো আহে তেওঁৰ ওচৰত নৰিয়াৰ ঔষধ বিচাৰি, কোনোৱে বা মকৰ্দ্দমাৰ পৰামৰ্শ বিচাৰিয়েই আহে, কোনোৱে বা নিজৰ লৰাক সদৰৰ অফিচত কাম জোগাৰ কৰি দিবলৈকে খাটনি ধৰেহি, কোনোৱে হয়তো তেওঁৰ হতুৱাই দৰখাস্ত লিখাই লয়। বুঢ়াবিলাকৰ তাচ-পাশাৰ বৈঠকৰ পৰা আৰম্ভ কৰি নীচকুলীয়া বিলাকৰ তাড়িপান সভা পৰ্য্যন্ত সকলোতে তেওঁৰ সকৌতুক কৌতূহল আৰু স্বাভাৱিক আন্তৰিকতা লৈ যাতায়াত কৰিছিল।—কোনোৱে তেওঁক দূৰ বুলি নেভাবিছিল, অথচ সকলোৱে তেওঁক সন্মান কৰিছিল।

বিনোদিনীয়ে এই অস্থানত পতিত কলিকতাৰ ল'ৰাজনৰ নিৰ্ব্বাসনদণ্ড ও যথাসাধ্য লঘু কৰিবৰ মানসে অন্তঃপুৰৰ অন্তৰালৰ পৰা চেষ্টা কৰিছিল। বিহাৰীয়ে প্ৰত্যেকবাৰ চুবুৰীটো পাক মাৰি আহি দেখা পাইছিল, কোনোবাই তেওঁৰ কোঠাটো প্ৰত্যেকবাৰ পৰিপাটি পৰিচ্ছন্ন কৰি ৰাখিছে, এটা কাঁহৰ গিলাচত দুই-চাৰিপাহ ফুল আৰু পাতেৰে থোপা সজাই দিছে

আৰু তেওঁৰ খাটৰ একাষে বঙ্কিম আৰু দীনবন্ধুৰ গ্ৰন্থাৱলী সজাই ৰাখিছে। কিতাপৰ ভিতৰৰ পাখি কাগজত ছোৱালী-হাতৰ গোট-গোট আখৰেৰে লিখা বিনোদিনীৰ নাম।

গাওঁ-ভূঁই অঞ্চলৰ প্ৰচলিত আতিথ্যৰ লগত ইয়াৰ অলপ প্ৰভেদ আছিল। বিহাৰীয়ে তাৰ উল্লেখ কৰি প্ৰশংসাবাদ কৰিলে ৰাজলক্ষ্মীয়ে কৈছিল, "এইজনী ছোৱালীকে তো তইঁতে অগ্ৰাহ্য কৰিলি।"

বিহাৰীয়ে হাঁহি হাঁহি কয়, "ভাল নকৰিলো, মা। ঠগ খালো। কিন্তু বিয়া নকৰি ঠগ খোৱা ভাল, বিয়া কৰি ঠগ খালেহে মস্কিল।"

ৰাজলক্ষ্মীয়ে কেৱল ভাবিবলৈ ধৰিলে, হায়, এইজনী ছোৱালীয়েই তো মোৰ বোৱাৰী হব পাৰিলেহেঁতেন। কিয় নহল বাৰু।

ৰাজলক্ষ্মীয়ে কলিকতালৈ উভতি যোৱাৰ কথা উত্থাপন কৰিবলৈ ধৰিলে, বিনোদিনীৰ চকু চলচলীয়া হৈ আহে। তেওঁ তেতিয়া কয়, "পেহীদেউ, তুমি দুদিনৰ বাবে কিয় আহিছিলা বাৰু! যেতিয়া তোমাক নেজানিছিলো, দিন বিলাক তো একধৰণে কাটি গৈছিল। এতিয়া তোমাক এৰি থাকিম কেনেকৈ।"

ৰাজলক্ষ্মীয়ে মনৰ আবেগত কৈ পেলাইছিল, "আই, তই মোৰ ঘৰৰ বোৱাৰী নহলি কিয় বাৰু, তেতিয়া হলে তোক বুকুত সাৱটি লৈ ৰাখিলোহেঁতেন।"

সেই কথা শুনি বিনোদিনীয়ে কিবা এটা চেলু উলিয়াই লাজত তাৰ পৰা উঠি গৈছিল।

ৰাজলক্ষ্মীয়ে কলিকতাৰ পৰা এখন কাতৰ অনুনয়-পত্ৰৰ বাবে অপেক্ষা কৰিছিল। তেওঁৰ মহিনে জন্মৰে পৰা এতিয়ালৈকে কেতিয়াও মাকক এৰি থকা নাই—নিশ্চয় ইমানদিনে মাকৰ বিচ্ছেদে তেওঁক অধীৰ কৰি তুলিছে। ৰাজলক্ষ্মী তেওঁৰ পুতেকৰ সেই অভিমান আৰু অনুযোগভৰা চিঠিখনৰ বাবে আকুল হৈ আছিল।

বিহাৰীয়ে মহেন্দ্ৰৰ চিঠিখন পালে। মহেন্দ্ৰই লিখিছে, "মা বোধহয় বহুদিনৰ পাচত জন্মভূমিলৈ গৈ বেচ সুখেৰে আছে।"

ৰাজলক্ষ্মীয়ে ভাবিলে, "হায়, মহেন্দ্ৰই অভিমান কৰি লিখিছে। সুখেৰে আছে! হতভাগিনী মাকে হবলা মহেন্দ্ৰক এৰি থৈ কৰবাত সুখেৰে

থাকিব পাৰে।”

“হেৰ বিহাৰী, তাৰ পাচত মহিনে কি লিখিছে, পঢ়ি শুনাচোন বোপাই।

বিহাৰীয়ে ক'লে, তাৰ পাচত একোৱেই নাই, মা। এইবুলি কৈ চিঠিখন মুঠিৰ মাজত লৈ মোহাৰি-সামৰি এখন কিতাপৰ মাজত ভৰাই ঘৰৰ এচুকত ধপকৈ পেলাই দিলে।

ৰাজলক্ষ্মী জানো আৰু থিৰেৰে থাকিব পাৰে। নিশ্চয় মহিনে মাকৰ ওপৰত এনে খং কৰি লিখিছে যে, বিহাৰীয়ে তেওঁক পঢ়ি শুনালে।

গৰু-পোৱালীয়ে যেনেকৈ মাকৰ ওহাৰত খুন্দিয়াই গাখীৰ আৰু বাৎসল্য-ভাৱৰ সঞ্চাৰ কৰে, মহেন্দ্ৰৰ খঙে তেনেকৈ ৰাজলক্ষ্মীক আঘাত কৰি তেওঁৰ অৱৰুদ্ধ বাৎসল্যভাৱ জগাই তুলিলে। তেওঁ মহেন্দ্ৰক ক্ষমা কৰিলে। মনে মনে কলে, আহা, বোৱাৰীক লৈ মহিন সুখেৰে আছে, সুখেৰে থাওক। যেনেকৈয়ে হওক, সি সুখী হওক। বোৱাৰীক লৈ মই আৰু তাক কোনো কষ্ট নিদিওঁ। হায়, যিজনী মাকে কেতিয়াও তাক এক পলকৰ বাবে চকুৰ আঁতৰ কৰি থাকিব নোৱাৰে, সেই মাক শুচি অহা দেখি মহিনে মাকৰ ওপৰত খং কৰিছে! বাৰে বাৰে তেওঁৰ চকুৱেদি চকু-পানী উছলি আহিবলৈ ধৰিলে।

সেইদিনা ৰাজলক্ষ্মীয়ে বাৰে বাৰে বিহাৰীৰ ওচৰলৈ আহি কলে, যোৱা বোপা, তুমি গা ধোৱাগৈ যোৱা। ইয়াত তোমাত বৰ অনিয়ম হৈছে।

বিহাৰীৰো সেইদিনা গা ধোৱা-ভাত খোৱাৰ প্ৰতি যেন আগ্ৰহ হোৱা নাছিল; তেওঁ কলে, মা, মোৰ দৰে লক্ষ্মীয়ে নেওচা দিয়া মানুহবোৰ অনিয়মৰ মাজতে ভালে থাকে।

ৰাজলক্ষ্মীয়ে খট-বান্ধ কৰি কলে, নহয় বোপা, তুমি গা ধোৱাগৈ যোৱা।

হেজাৰ বাৰ সেই অনুৰোধ শুনি বিহাৰী গা ধুবলৈ গল। তেওঁ কোঠাটোৰ পৰা বাহিৰ ওলোৱা মাত্ৰকে ৰাজলক্ষ্মীয়ে কিতাপৰ মাজৰ পৰা লৰালৰিকৈ সেই সোতমোচ খোৱা চিঠিখন উলিয়াই আনিলে।

বিনোদিনীৰ হাতত চিঠিখন দি কলে, চাচোন আই, মহিনে নো বিহাৰীলৈ কি লিখিছে।

বিনোদিনীয়ে পঢ়ি শুনাবলৈ লাগিল। মহেন্দ্ৰই প্ৰথমডোখৰত মাকৰ কথা লিখিছে; কিন্তু সি অতি কমেই, বিহাৰীয়ে যিকণ শুনাইছিল তাতকৈ

বেচি নহয়।

তাৰ পাচতেই আশাৰ কথা। মহেন্দ্ৰই ৰং ৰহস্য আৰু আনন্দত যেন মতলীয়া হৈ লিখিছে।

বিনোদিনীয়ে অকণমান পঢ়ি শুনায়েই লাজত থমকি ৰল আৰু কলে, "পেহীদেউ, সেয়া আৰু কি শুনিবা।"

ৰাজলক্ষ্মীৰ স্নেহব্যগ্ৰ মুখৰ ভাৱ এক মুহূৰ্ত্তৰ ভিতৰতে শিলৰ দৰে টান হৈ যেন কঠিন হৈ পৰিল। ৰাজলক্ষ্মীয়ে অকনমান সময় মনে মনে ৰল, তাৰ পিচত কলে, "থাওক। এইবুলি কৈয়েই চিঠিখন ওভোতাই নোলোৱাকৈয়ে উচি গল।

বিনোদিনীয়ে সেই চিঠিখন লৈ কোঠাৰ ভিতৰত সোমাল। ভিতৰৰ পৰা দুৱাৰ বন্ধ কৰি বিচনাৰ ওপৰত বহি পঢ়িবলৈ লাগিল।

চিঠিৰ মাজত বিনোদিনীয়ে কি ৰস পালে, সেই কথা বিনোদিনীয়েই জানে। কিন্তু সি কৌতুকৰস নহয়। বাৰে বাৰে পঢ়িবলৈ লৈ তেওঁৰ চকুযুৰি দুপৰৰ বালিচন্দাৰ দৰে জ্বলিবলৈ ধৰিলে. তেওঁৰ নিশ্বাস মৰুভূমিৰ বতাহৰ দৰে তপত হৈ উঠিল।

মহেন্দ্ৰ কেনেকুৱা, আশা কেনেকুৱা, মহেন্দ্ৰ-আশাৰ প্ৰণয় কেনেকুৱা, এইবিলাকেই তেওঁৰ মনৰ ভিতৰত পাক খাই ফুৰিবলৈ ধৰিলে। চিঠিখন কোলাৰ ওপৰত হেঁচি ধৰি ভৰি দুটা মেলি দি দেৱালত ভেজা দি বহুত সময় সমুখৰ পিনে চাই ৰ'ল।

মহেন্দ্ৰৰ সেই চিঠি বিহাৰীয়ে আৰু বিচাৰি নেপালে।

সেইদিনা দুপৰীয়া হঠাৎ অন্নপূৰ্ণা আহি উপস্থিত। দুঃসংবাদৰ আশঙ্কা কৰি ৰাজলক্ষ্মীৰ বুকুখন হঠাৎ কঁপি উঠিল—কোনো প্ৰশ্ন কৰিবলৈ তেওঁ সাহস নকৰিলে. অন্নপূৰ্ণাৰ পিনে কেৱল কেঁহেৰাজ বটা মুখখন লৈ চাই ৰ'ল।

অন্নপূৰ্ণাই ক'লে, "বাইদেউ, কলিকতাৰ সকলো খবৰ ভাল।"

ৰাজলক্ষ্মীয়ে ক'লে, "তেন্তে তুমি যে ইয়ালৈ আহিলা।"

অন্নপূৰ্ণাই ক'লে, "বাইদেউ, তোমাৰ ঘৰ-সংসাৰৰ ভাৰ তুমিয়ে লোৱাগৈ। মোৰ আৰু সংসাৰত মন নাই। মই কাশীলৈ যাওঁ বুলি যাত্ৰা কৰি বাহিৰ হৈছোঁ। সেইবাবেই তোমাক প্ৰণাম কৰি যাবলৈ আহিলোঁ। জানে

অজ্ঞানে বহুত অপৰাধ কৰিছোঁ, ক্ষমা কৰিবা। আৰু তোমাৰ বোৱাৰী, ( কোৱাৰ লগে লগে চলচলীয়া চকুযুৰিৰ পৰা চকুলোৰ টোপাল সৰিবলৈ ধৰিলে ) তাই সৰু ছোৱালী, তাইৰ মাক নাই, তাই দোষী হওক নিৰ্দ্দোষী হওক তাই তোমাৰেই।" আৰু বেচি একো ক'ব নোৱাৰিলে।

ৰাজলক্ষ্মীয়ে ব্যস্ত হৈ তেওঁৰ খোৱা-বোৱাৰ জোগাৰ কৰিবলৈ ওলাই গ'ল। বিহাৰীয়ে খবৰ পাই গদাই ঘোষৰ চণ্ডীমণ্ডপৰ পৰা ঢপলিয়াই আহিল। অন্নপূৰ্ণাক প্ৰণাম কৰি ক'লে, "খুৰীদেউ, সেইটো কেনেকৈ হ'ব পাৰে? তুমি আমাক ইমান নিৰ্ম্মম ভাৱে এৰি থৈ যাবা?"

অন্নপূৰ্ণাই কান্দোন হেঁচি ক'লে, "মোক আৰু ওভোতাই নিয়াৰ চেষ্টা নকৰিবি, বেহাৰি—তইঁত সকলোধোৰ সুখেৰে থাক, মোৰ বাবে একোৰেই হীন-ডেঢ়ি নঘটে।"

বিহাৰী অলপ পৰ মনে মনে ৰহি থাকিল। তাৰ পাচত ক'লে, "মহেন্দ্ৰৰ ভাগ্য বেয়া, তোমাক সি বিদায় দিব পাৰিলে।"

অন্নপূৰ্ণা চকিত হৈ উঠিল আৰু ক'লে, "এনে কথা নক'বা। মই মহিনৰ ওপৰত মুঠেই খং কৰা নাই। মই নগলে সংসাৰৰ মঙ্গল নহয়।"

বিহাৰীয়ে দূৰৰ পিনে চাই নীৰৱে ৰহি বল। অন্নপূৰ্ণাই আঁচলৰ গাঁথিৰ পৰা এজোৰা শকত সোণৰ খাৰু উলিয়াই কলে, "বোপা, এই খাৰুজোৰ তুমি ৰাখা—বোৱাৰী যেতিয়া আহিব, মোৰ আশীৰ্ব্বাদ দি তেওঁক পিন্ধাই দিবা।"

বিহাৰীয়ে খাৰুজোৰেৰ মূৰত টকৰিয়াই চকুপানী সামৰিবলৈ কাষৰ কোঠাটোলৈ উঠি গ'ল।

বিদায়বেলাত অন্নপূৰ্ণাই ক'লে, "বেহাৰি, মোৰ মহিনক আৰু মোৰ আশাক চাবা।" হাতত এখিলা কাগজ দি ক'লে, "শহুৰ-দেউতাৰ সম্পত্তিত মোৰ যিটো অংশ আছিল, সেই অংশটো মহেন্দ্ৰৰ নামত এই দান পত্ৰত লিখিদিলোঁ। মোলৈ কেৱল মাহে মাহে পোন্ধৰটাকৈ টকা পঠাই দিবা।"

এই বুলিকৈয়েই মাটিত আঁঠু লৈ ৰাজলক্ষ্মীৰ ভৰিৰ ধূলি মূৰত ল'লে আৰু বিদায় গ্ৰহণ কৰি তীৰ্থযাত্ৰা কৰিলে।

৮

আশাৰ কিবা যেন ভয় লাগি গ'ল। এয়া কি হ'ল। মাক গুচি গ'ল, মাহীয়েকো গুচি গ'ল। তেওঁলোকৰ সুখে যেন সকলোকে খেদাবলৈ লাগি গৈছে, এইবাৰ যেন তেওঁকেই খেদোৱাৰ পাল। সকলোৱে এৰি থৈ যোৱা শূন্য গৃহস্থালিৰ মাজত দাম্পত্যজীৱনৰ নতুন প্ৰেমলীলা তেওঁৰ বাবে কিবা যেন অসংগত লাগি গ'ল।

সংসাৰৰ কঠিন কৰ্ত্তব্যৰ মাজৰ পৰা প্ৰেমক ফুলৰ দৰে ছিঙি আনি বেলেগে থ'লে, সি কেৱল নিজৰ ৰসেৰে নিজকে সজীৱ কৰি ৰাখিব নোৱাৰে. সি ক্ৰমে মৰহি যাবলৈ ধৰে আৰু বিকৃত হৈ আহে। আশায়ো ভিতৰে ভিতৰে দেখিবলৈ পালে, তেওঁলোকৰ এই অবিশ্ৰাম মিলনৰ মাজত যেন এটা শ্ৰান্তি আৰু দুৰ্ব্বলতা আছে। সেই মিলন যেন থাকি থাকি কেৱল লেউসেউ হৈ পৰে—সংসাৰৰ কঠিন আৰু বহল আশ্ৰয়ৰ অভাৱত যেন তাক টানি থিয় কৰি ৰখাই টান হৈ পৰে। কামৰ মাজতে প্ৰেমৰ মূল নাথাকিলে, ভোগৰ বিকাশ পৰিপূৰ্ণ আৰু স্থায়ী নহয়।

মহেন্দ্ৰয়ো নিজৰ বিমুখ সংসাৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰি আপোন প্ৰেমৰ উৎসৱৰ সকলোবোৰ চাকিয়েই একেলগে জ্বলাই লৈ খুব সমাৰোহেৰে সৈতে শূন্যঘৰৰ অকল্যাণৰ মাজত মিলনৰ আনন্দ সমাধা কৰিবলৈ চেষ্টা কৰিলে। আশাৰ মনত অকণমান আঘাত দিবলৈকে ক'লে, "চুনি, তোমাৰ আজিকালি কি হৈছে, কোৱাচোন। মাহী গ'লগৈ, সেই বুলিয়েই নো তুমি মুখখন ওফোন্দাই থাকিব লাগে নেকি। আমাৰ দুয়োৰে ভালপোৱাৰ মাজতে জানো সকলো ভালপোৱাৰ অৱসান নহয় ?"

আশাই দুখ মনেৰে ভাবিছিল, "তেন্তে নিশ্চয় মোৰ ভালপোৱত কিবা এটা অসম্পূৰ্ণতা আছে। মই তো মাহীদেউৰ কথা প্ৰায়েই ভাবোঁ ; শাহু-আই গ'লগৈ বুলি দেখোন মোৰ কিবা ভয় লাগে।" তেতিয়া তেওঁ প্ৰাণপণে এই সকলো প্ৰেমৰ অপৰাধ ক্ষালন কৰিবলৈ চেষ্টা কৰে।

এতিয়া ঘৰুৱা কাম ভালকৈ নচলে—চাকৰ-বাকৰবোৰে ফাঁকি দিবলৈ আৰম্ভ কৰিছে। এদিন চাকৰণীজনী নাহিল অসুখ কৰিছে বুলি, বামুণ ঠাকুৰটোও

মদ খাই নিৰুদ্দেশ হ'ল। মহেন্দ্ৰই আশাক ক'লে, "বৰ ধুনীয়া হৈছে, আজি আমি নিজেই বন্ধাবঢ়া কৰিম।"

মহেন্দ্ৰই গাড়ী এখন লৈ নিউ মাৰ্কেটত বজাৰ কৰিবলৈ গ'ল। কোন বস্তুটো কি পৰিমাণে দৰকাৰ, সেই বিষয়ে তেওঁ একো নেজানিছিল—কিছুমান টোপোলা লৈ বং মনেৰে ঘৰলৈ উভতিল। সেই সোপা লৈ কি কৰিব লাগে, আশায়ো সেই বিষয়ে ভালকৈ নেজানে। পৰীক্ষা-নিৰীক্ষাতে দুই কি তিনি বাজি গ'লগৈ আৰু নানাবিধ অভূতপূৰ্ব্ব অখাদ্য উদ্ভাৱন কৰি মহেন্দ্ৰয়ো অত্যন্ত আমোদ অনুভৱ কৰিলে। আশাই মহেন্দ্ৰৰ আমোদত যোগ দিব নোৱাৰিলে, নিজৰ অজ্ঞতা আৰু অক্ষমতাৰ বাবে মনে মনে বৰ লাজ আৰু ক্ষোভ অনুভৱ কৰিলে।

প্ৰত্যেকটো কোঠাতে বস্তু-বেহানিৰ এনে বিশৃঙ্খলা ঘটিছে যে, আৱশ্যক হ'বৰ সময়ত কোনো বস্তুৰেই বিচাৰি পোৱা নেযায়। মহেন্দ্ৰৰ চিকিৎসাৰ অস্ত্ৰ এদিন শাক-পাচলি কুটিবৰ কামত লগোৱাৰ পাচত আৱৰ্জ্জনাৰ মাজত সোমাই অজ্ঞাত বাস গ্ৰহণ কৰিলে আৰু তেওঁৰ নোটৰ খাতাই বিচনিৰ অভাৱ পূৰাই ৰান্ধনি-ঘৰৰ ভস্ম শয্যাত বিশ্ৰাম কৰিবলৈ লাগিল।

এই সকলো বিলাক অভাৱনীয় ব্যৱস্থা বিপৰ্য্যয়ত মহেন্দ্ৰৰ কৌতুকৰ সীমা নোহোৱা হ'ল, আশাই কিন্তু বেজাৰ কৰিয়েই ৰ'ল। উচ্ছৃঙ্খল যথেচ্ছাচাৰৰ সোঁতত গোটেইখন ঘৰ-সংসাৰ উটুৱাই দি নিজে হাঁহিমুখে ভাহি ফুৰাটো এই সৰু ছোৱালীজনীৰ ওচৰত বিভীষিকাজনক যেন বোধ হ'বলৈ ধৰিলে।

এদিন সন্ধ্যা সময়ত দুয়োজনে যেৰি থোৱা বাৰান্দাত বিচনা পাতি বহিছে। সমুখত মুকলি ছাদ। বৰষুণৰ পাচত কলিকতাৰ দিগন্তব্যাপী সৌধশিখৰ শ্ৰেণী জোনাকত উথলি উঠিছে। বাগানৰ পৰা এদ'ম তিতি থকা বকুল বুটলি আনি আশাই তলমূৰকৈ মালা গাঁথিছে। মহেন্দ্ৰই তাকে লৈ কঢ়া-আঁজোৰা কৰি, বাধা দি, প্ৰতিকূল সমালোচনা কৰি, অনৰ্থক এখন কাজিয়া সৃষ্টি কৰিবলৈ উঠি-পৰি লাগিছে। আশাই এই বিলাক অকাৰণ উৎপীড়নৰ কথা লৈ তেওঁক ভৎ'সনা কৰিবৰ উপক্ৰম কৰোঁতেই মহেন্দ্ৰই কিবা এক কৃত্ৰিম উপায়ে আশাৰ মুখ বন্ধ কৰি দি শাসনবাক্য অঙ্কুৰতে বিনাশ কৰিছিল।

এনে সময়তে প্ৰতিবেশীৰ ঘৰৰ সজাত থকা পোহনীয়া কুলি চৰাইজনীয়ে

কু-উ কু-উ কৈ চিঞৰি উঠিল। তেতিয়াই মহেন্দ্ৰ আৰু আশাই তেওঁলোকৰ মূৰৰ ওপৰত ওলমি থকা সঁজাটোলৈ চকু দিলে। তেওঁলোকৰ কুলিজনীয়ে প্ৰতিবেশাৰ কুলিজনীৰ কুহুধ্বনি কেতিয়াও নীৰৱে সহ্য কৰা নাই, আজি তাই উত্তৰ দিয়া নাই কিয় ?

আশাই উৎকণ্ঠিত হৈ ক'লে, "চৰাইজনীৰ আজি কি হ'ল ?"

মহেন্দ্ৰই ক'লে, "তোমাৰ কণ্ঠ শুনি লাজ পাইছে।"

আশাই অনুনয়ৰ কণ্ঠেৰে ক'লে, "ও-হো, ঠাট্টা নহয়, চোৱাচোন তাইৰ কি হৈছে।"

মহেন্দ্ৰই তেতিয়া সঁজাটো নমাই আনিলে। সঁজাটোৰ ঢুৱাৰখন মুকলি কৰি দেখিলে, চৰাইজনী মৰিল। অন্নপূৰ্ণা যোৱাৰ পাচতে বেহেৰাটোৱে ছুটি লৈ গৈছিল। চৰাইজনীক কোনেও চকু দিয়া নাছিল।

চাওঁতে চাওঁতে আশাৰ মুখখন শেঁতা পৰি আহিল। তেওঁৰ আঙুলি নচলা হ'ল—ফুলবোৰ পৰিয়েই ৰ'ল। মহেন্দ্ৰৰ মনত আঘাত লাগিলেও, অকালতে ৰসভঙ্গ হোৱাৰ আশঙ্কা কৰি কথাটো তেওঁ হাঁহি উৰাই দিবৰ চেষ্টা কৰিলে। মুখ ফুটাই ক'লে, "ভালেই হৈছে; মই ডাক্তৰী কৰিবলৈ ওলাই গলোহেঁতেন ; আৰু তাই চিঞৰ বাখৰ কৰি তোমাক জলাই মাৰিলে-হেঁতেন।" এইবুলি কৈ উঠি মহেন্দ্ৰই আশাক ঢুই বাহুৰে সাৱটি ধৰি কাষলৈ টানি আনিবৰ চেষ্টা কৰিলে।

আশাই লাহে লাহে নিজকে মুকলি কৰি লৈ কোলাৰ বকুলখিনি পেলাই দিলে। তাৰ পিচত ক'লে, "আৰু নহয়। ছি ছি। তুমি সোনকালে যোৱা, মাক ওভোতাই আনাগৈ।"

৯

এনে সময়তে ঢুই মহলাৰ পৰা "মহিনদা, মহিনদা" চিঞৰ শুনা গ'ল। "কোন সেয়া, আহাঁ, আহাঁ।" বুলি মহেন্দ্ৰই উত্তৰ দিলে। বিহাৰীৰ সঁহাৰি পাই মহেন্দ্ৰৰ মন উৎফুল্ল হৈ উঠিল। বিয়াৰ পাচৰ পৰা মাজে মাজে বিহাৰী তেওঁলোকৰ সুখৰ বাধাস্বৰূপ হৈ আহিছে—আজি সেই বাধাই সুখৰ পক্ষে একান্ত প্ৰয়োজনীয় যেন অনুভৱ হ'ল।

আশায়ো বিহাৰীৰ আগমণত আৰাম অনুভৱ কৰিলে। মূৰৰ ওৰনিখন টানি তেওঁ লৰালৰিকৈ উঠি যাব খোজা দেখি মহেন্দ্ৰই ক'লে, "কলৈ যোৱা। আন কোনো নহয়, বিহাৰী আহিছে।"

আশাই ক'লে, "সক ডেকাৰ জা-জলপানৰ ব্যৱস্থা কৰোঁগৈ।"

কিবাকিবি এটা কৰিবৰ উপলক্ষ্য এটা এনেকৈ আহি ওলোৱাত আশাৰ অৱসাদ কিছুদূৰ লাঘৱ হৈ গ'ল।

আশাই শাহুয়েকৰ খবৰ জানিবৰ কাৰণে মূৰত ওৰণি লৈ থিয় দি ৰ'ল। বিহাৰীৰ লগত এতিয়াও তেওঁ কথা-বতৰা নেপাতে।

বিহাৰীয়ে প্ৰবেশ কৰিয়েই ক'লে, "ইস্ কি সৰ্ব্বনাশ। কবিত্বৰ মাজতে আহি ওলালোহি। ভয় নাই ন-বৌ, তুমি বহাঁ, মই যাওঁ।"

আশাই মহেন্দ্ৰৰ মুখলৈ চালে। মহেন্দ্ৰই সুধিলে, "বিহাৰী মাৰ খবৰ কি।"

বিহাৰীয়ে কলে, "মা-খুৰীৰ কথানো আজি কিয় লাগে। সেইবাবে বহুত সময় আছে। Such a night was not made for sleep, nor for mothers and aunts !"

কৈয়েই বিহাৰী উভতি যাবলৈ ওলাইছিল, মহেন্দ্ৰই তেওঁক জোৰ কৰি আনি বহুৱালে। বিহাৰীয়ে ক'লে, "চোৱা নবৌ, মোৰ অপৰাধ নাই—মোক জোৰ কৰি আনিছে,—পাপ কৰিছে মহিনদাই, তাৰ অভিশাপ যেন মোৰ মূৰৰ ওপৰত নপৰে।"

কোনো উত্তৰ দিব নোৱাৰে কাৰণেই এইবোৰ কথা শুনিলেই আশা বৰ বিৰক্ত হয়। বিহাৰীয়ে ইচ্ছা কৰিয়েই তেওঁক আমনি কৰে।

বিহাৰীয়ে ক'লে, "ঘৰৰ শ্ৰী তো দেখা পাইছোঁয়েই—মাক এতিয়াও অনাবৰ সময় হোৱা নাই নেকি ?"

মহেন্দ্ৰই ক'লে, "নিশ্চয় ; আমি তো তেওঁৰ অপেক্ষাতেই আছোঁ।"

বিহাৰীয়ে ক'লে, "সেই কথাবাবকে জনাই চিঠি এখন লিখোঁতে তোমাৰ অতি কম সময় লাগিব, কিন্তু তেওঁৰ সুখৰ সীমা নেথাকিব। ন-বৌ, মহিনদাক সেই দুই মিনিট ছুটি দিব লাগে, তোমাৰ ওচৰত এয়ে মোৰ প্ৰাৰ্থনা।"

আশাই খং কৰি গুচি গ'ল—চকুয়েদি টোপাটোপে চকুলো সৰিবলৈ

ধৰিলে।

মহেন্দ্ৰই ক'লে, "কি শুভক্ষণতে যে তোমালোকৰ দেখাদেখি হৈছিল। কোনো মতেই সন্ধি নহ'ল—কেৱল খুটখাট লাগি আছে।"

বিহাৰীয়ে ক'লে, "তোমাক তোমাৰ মাৰাই তো নষ্ট কৰিছেই, তাৰ ওপৰতে বৈনীয়েৰায়ো নষ্ট কৰিবলৈ ওলাইছে। সেইটোকে দেখিব নোৱাৰো বুলিয়েই সময় পালেই দুই-এষাৰ শুনাওঁ।"

মহেন্দ্ৰ। তাৰ পৰা ফল জানো হয়।

বিহাৰী। ফল তোমাৰ ক্ষেত্ৰত বিশেষ একোৱেই নহয়, মোৰ ক্ষেত্ৰত অলপ হয়।

## ১০

বিহাৰীয়ে নিজে ওচৰত বহি লৈ মহেন্দ্ৰৰ হতুৱাই চিঠি লিখাই ল'লে আৰু সেই চিঠি লৈ পাচদিনাখনেই ৰাজলক্ষ্মীক লৈ আনিবলৈ গ'ল। ৰাজলক্ষ্মীয়ে বুজিলে, এই চিঠি বিহাৰীয়েই লিখোৱাইছে—কিন্তু, তথাপিতো আৰু থাকিব নোৱাৰিলে। লগত আহিল, বিনোদিনী।

গৃহিনীয়ে উভতি আহি গৃহৰ যি দুৰৱস্থা দেখিলে—সকলো পিনে অপৰিষ্কাৰ, মলিন আৰু খেলিমেলি—তাৰ ফলত বোৱাৰীয়েকৰ প্ৰতি তেওঁৰ মন আৰু বেচি বিৰূপ হৈ উঠিল।

কিন্তু বোৱাৰীয়েকৰ ই কি পৰিৱৰ্ত্তন। তাই যে ছাঁৰ নিচিনাকৈ তেওঁৰ পিচে পিচে ঘূৰি ফুৰে। আদেশ নেপালেও তেওঁৰ কামত সহায় কৰিবলৈ আগবাঢ়ে। তেওঁ ব্যস্ত-সমস্ত হৈ চিঞৰি উঠে, "থোৱা, থোৱা, তুমি মিছাকৈ নষ্ট কৰি পেলাবা। যি কাম নেজানা, তাত হাত দিয়া কিয়।"

ৰাজলক্ষ্মীয়ে ভাবিলে, অন্নপূৰ্ণা শুচি যোৱাৰ বাবেই বোৱাৰীৰ এই উন্নতি ঘটিছে। কিন্তু তেওঁ ভাবিবলৈ লাগিল, 'মহেন্দ্ৰই হয়তো ভাবিব, খুৰীদেউ থাকোঁতে বৈনীক লৈ বেচ নিষ্কণ্টক হৈ সুখেৰে আছিলোঁ—আৰু মা অহাৰ লগে লগেই মোৰ বিৰহ-বেদনা আৰম্ভ হ'ল। তাৰ ফলত অন্নপূৰ্ণা যে তাৰ হিতৈষী আৰু মাক যে তাৰ সুখৰ অন্তৰায়, সেয়ে প্ৰমাণ হ'ব। লাভ কি, মিছাতে!'

আজিকালি দিনৰ ভাগত কেতিয়াবা মহেন্দ্ৰই মাতি পঠালে, বোৱাৰীয়েকে যাবলৈ ইতস্ততঃ কৰে। কিন্তু ৰাজলক্ষ্মীয়ে ভৰ্ৎসনা কৰি কয়, "মহিনে মাতিছে, সেই পিনে হবলা কাণসায় দিব নেলাগে। বেচি আদৰ পালে শেষত এনেকুৱাই ঘটে। যোৱা, তুমি আৰু পাচলি কুটি দিব নেলাগে।"

আকৌ সেই ফলি-পেঞ্চিল-চাৰুপাঠ লৈ নিৰৰ্থক খেমালি। ভাল-পোৱাৰ অমূলক অভিযোগ লৈ পৰস্পৰক অপৰাধী কৰা। উভয়ৰ ভিতৰত কাৰ প্ৰেমৰ ওজন বেচি, সেই লৈ যুক্তিহীন তুমুল তৰ্ক-বিতৰ্ক। বাৰিষাৰ দিনক ৰাতি কৰা আৰু জোনাক নিশাক দিন কৰি তোলা। শ্ৰান্তি আৰু অৱসাদক গাৰ জোৰেৰে দূৰ কৰি দিয়া। উভয়েই তাৰ মাজত এনে ধৰণে অভ্যস্ত হৈ উঠে যে, সঙ্গসুখে যেতিয়া নিৰ্জীৱ চিত্তত আনন্দৰ যোগান ধৰিব নোৱাৰে তেতিয়াও যেন ক্ষণিকৰ বাবে মিলন-পাশৰ পৰা মুক্তি ভয়াবহ বোধ হয়—সম্ভোগসুখ এমুঠি ছাইত পৰিণত হয়, তথাপি আন একো কামতে হাত দিবৰ উত্তম নেথাকে। ভোগসুখৰ ভয়ংকৰ অভিশাপ এয়েই, সুখ বেচি দিন স্থায়ী নহয়, কিন্তু বন্ধন দুচ্ছেদ্য হৈ উঠে।

এনে সময়তে বিনোদিনীয়ে এদিন আশাৰ ডিঙিটোত দুয়ো হাতেৰে সাৱটি ধৰি ক'লেহি, "ভাগ্য, তোমাৰ সৌভাগ্য চিৰকাল অক্ষয় হৈ ৰওক। কিন্তু মই দুখুনী বুলিয়েই জানো মোৰ পিনে এবাৰো উলটি চাব নেলাগে।"

আপোন মানুহৰ ঘৰত সকৰে পৰা পৰৰ দৰে ডাঙৰ-দীঘল হৈছিল বুলিয়েই, যেই-সেই মানুহৰ ওচৰতে যেন কিবা এক আন্তৰিক কুণ্ঠাৰ ভাৱ আছিল। ভয় হৈছিল, জানোচা কোনোবাই প্ৰত্যাখ্যান কৰে। বিনোদিনী যেতিয়া তেওঁৰ আয়ত ভুৰু আৰু তীক্ষ্ণ দৃষ্টি, তেওঁৰ নিখুঁত মুখ আৰু নিটোল যৌৱন লৈ উপস্থিত হ'লহি, তেতিয়া আশাই আগবাঢ়ি গৈ তেওঁৰ পৰিচয় ল'বলৈ সাহস গোটাব নোৱাৰিলে।

আশাই দেখিলে, শাহুয়েক ৰাজলক্ষ্মীৰ ওচৰত বিনোদিনীৰ কোনো সংকোচৰ ভাৱ নাই। ৰাজ লক্ষ্মীয়েও যেন বিশেষকৈ আশাক দেখুৱাবৰ কাৰণেই বিনোদিনীক বেচি আদৰ-সাদৰ কৰিছে, সময় অসময় নাই

বিশেষকৈ আশাকে শুনাই বিনোদিনীৰ প্ৰশংসাত উচ্ছ্বসিত হৈ উঠিছে। আশাই দেখিলে, বিনোদিনী ঘৰুৱা সকলো ধৰণৰ কামতে নিপুণ। প্ৰভুত্ব যেন তেওঁৰ পক্ষে নিতান্ত সহজ আৰু স্বভাৱসিদ্ধ। লিগিৰা-লিগিৰীক কামত খটুওৱাত, গালি-শপনি পৰাত আৰু হুকুম দিয়াত তেওঁ মুঠেই কুণ্ঠাবোধ নকৰে! এই সকলোবোৰ দেখি আশাই বিনোদিনীৰ ওচৰত নিজেকে বৰ ক্ষুদ্ৰ বুলি ভাবি ললে।

সেই সৰ্ব্বগুণশালিনী বিনোদিনীয়ে যেতিয়া আগবাঢ়ি আশাৰ মৰমৰ দাবী জনালেহি, তেতিয়া সংকোচৰ বাধাত ঠেকা খাই এই অকণমানি ছোৱালীজনীৰ আনন্দ আৰু চাৰি গুণ উছলি উঠিল। যাদুকৰৰ মায়া-তৰুৰ দৰে তেওঁলোকৰ চেনেহৰ বীজ এরে দিনাখনেই অঙ্কুৰিত, পল্লৱিত আৰু পুষ্পিত হৈ উঠিল:

আশাই ক'লে, "আহাঁ ভাই, তোমাৰ লগত সখী পাতোঁ।"

বিনোদিনীয়ে ক'লে, "কি বুলি সখী পাতিবা।"

আশাই গঙ্গাজল, বকুল ফুল ইত্যাদি বহুতো ধুনীয়া ধুনীয়া বস্তুৰ নাম ক'লে।

বিনোদিনীয়ে ক'লে, "সেই আটাইবোৰ পুৰণা হৈ গৈছে; আদৰৰ নামৰ আৰু আদৰ নাই!"

আশাই ক'লে, "তোমাৰ কোনটো ভাল লাগে।"

বিনোদিনীয়ে হাঁহি মাৰি ক'লে, "চকুৰ কুটা।"*

শ্ৰুতিমধুৰ নামৰ প্ৰতিয়েই আশাৰ আকৰ্ষণ আছিল, কিন্তু বিনোদিনীৰ পৰামৰ্শ শুনি আদৰৰ গালিটোকে গ্ৰহণ কৰিলে। বিনোদিনীৰ ডিঙিত সাৱটি ধৰি ক'লে, "চকুৰ কুটা।" কৈ উঠিয়েই হাঁহি হাঁহি ঢলি পৰিল।

* চোখের বালি। ইয়াৰ পাচৰ পৰা চমুকৈ সম্বোধন থাকিলে, 'বালি' বুলি কোৱা হ'ব। আৰু সম্পূৰ্ণকৈ ক'ব লগীয়া ক্ষেত্ৰত 'চকুৰ কুটা' বুলি কোৱা হ'ব।—অনুবাদক।

১১

আশাৰ বাবে বান্ধৱীৰ বৰ বেচি প্ৰয়োজন হৈ উঠিছিল। ভালপোৱাৰ উৎসৱো কেৱল দুজন মানুহেৰে সম্পন্ন নহয়—সুখালাপৰ মিষ্টান্ন বিতৰণৰ বাবে অদৰ্কাৰী মানুহৰ দৰ্কাৰ হয়।

ক্ষুধিতহৃদয়া বিনোদিনীয়েও নৱবধূৰ নৱীন প্ৰেমৰ ইতিহাস মাতালৰ জ্বালাময় মদৰ দৰে কান পাতি পান কৰিবলৈ ধৰিলে। তেওঁৰ মগজুৰেদি যেন শৰীৰৰ ৰক্তপ্ৰবাহ বৈ গ'ল।

নিজম দুপৰীয়া মাকযেতিয়া শুইছে, লিগিৰা-লিগিৰীবোৰ তলৰ মহলাৰ জিৰণি ঘৰত অদৃশ্য, মহেন্দ্ৰ যেতিয়া বিহাৰীৰ তাড়নাত পৰি অলপ সময়ৰ কাৰণে কলেজলৈ গৈছে আৰু ৰৌদ্ৰতপ্ত নীলিমাৰ শেষ প্ৰান্তৰ পৰা চিলনীৰ তীব্ৰ কণ্ঠ অতি ক্ষীণ স্বৰ হৈ গুন-গুনকৈ শুনা গৈছে, তেতিয়া নিজান শোৱনি-কোঠাত থকা তলৰ বিচনাখনত শুই গাৰুৰ ওপৰত আশাই তেওঁৰ চুলিকোছা মেলি দিয়ে আৰু বিনোদিনীয়ে বুকুৰ মাজত গাৰু এটা লৈ তলমুৱাকৈ শুই শুই গুণগুণ-গুঞ্জৰিত কাহিনীৰ মাজত নিজকে হেৰাই যাবলৈ দিয়ে, তেওঁৰ কাণৰ লতি দুটা টিকুটিকুকৈ ৰঙা হৈ উঠে, উশাহ ঘন ঘনকৈ ল'বলৈ ধৰে।

বিনোদিনীয়ে প্ৰশ্নৰ উপৰি প্ৰশ্ন কৰি তুচ্ছতম কথাটোকে উলিয়াই লয়। একেটা কথাকে কেইবাবাৰো শুনে, ঘটনা যেতিয়া শেষ হৈ যায় তেতিয়া কল্পনাৰ পাতনি মেলে আৰু কয়, "চাচোন ভাই, যদি এনেকুৱা হ'লহেঁতেন তেতিয়া কি হ'লহেঁতেন, যদি তেনেকুৱা হ'লহেঁতেন তেতিয়া কি হ'ল-হেঁতেন।" সেইবোৰ অসম্ভৱৰ কল্পনা-পথেৰে সুখদায়ক আলোচনাক আৰু দীঘলীয়া কৰি টানি নি থাকিবলৈ আশাৰো ভাল লাগে।

বিনোদিনীয়ে কয়, "চাচোন ভাই, চকুৰ কুটা, তোৰ লগত যদি বিহাৰীবাবুৰ বিয়া হ'লহেঁতেন।"

আশা। নাই নাই ভাই, সেই কথা তুমি উচ্চাৰণ নকৰিবা—ছি ছি, মোৰ বৰ লাজ লাগে। কিন্তু তোমাৰ লগত হোৱা হ'লে বঢ়িয়া হ'ল-হেঁতেন, তোমাৰ লগত তো কথা চলিছিল।

বিনোদিনী। মোৰ লগত তো বহুত মানুহৰ বহুত কথা চলিছিল। নহ'ল, ভালেই হ'ল—সেই যেনেকৈ আছোঁ, সেয়ে ভাল।

আশাই তাৰ প্ৰতিবাদ কৰে। বিনোদিনীৰ অৱস্থা তেওঁৰ অৱস্থাতকৈ ভাল, এই কথা তেওঁ কেনেকৈ স্বীকাৰ কৰিব। "এবাৰ ভাবি চোৱাচোন ভাই বালি, যদি মোৰ স্বামীৰ লগত তোমাৰ বিয়া হৈ গ'লহেঁতেন। আৰু অকণমান হোৱা হ'লেই তো হ'লহেঁতেন।"

হ'লহেঁতেনেই। কিয় নহ'ল বাৰু। আশাৰ এই বিচনা, এই খাট, সকলোবোৰেই তো এদিন তেওঁৰেই বাবে অপেক্ষা কৰিছিল। বিনোদিনীয়ে এই সুসজ্জিত শোৱনি-কোঠাৰ পিনে চায়, আৰু সেই স্মৃতি একোতেই পাহৰিব নোৱাৰে। এই ঘৰটোত আজি তেওঁ কেৱল অতিথিহে—আজি ঠাই পাইছে, কাইলৈ আকৌ গুচি যাব লাগিব।

আবেলি বিনোদিনীয়ে নিজে আগবাঢ়ি আহি অপৰূপ নিপুণতাৰে আশাৰ চুলিখিনি বান্ধি সাজাই-পৰাই তেওঁক স্বামীৰ লগত মিলিবৰ কাৰণে পঠাই দিয়েহি। তেওঁৰ কল্পনাই যেন অৱগুণ্ঠিতা হৈ এই সজ্জিতা বধূৰ পাচে পাচে মুগ্ধ যুবকৰ অভিসাৰ উদ্দেশি জনহীন কক্ষলৈ গমন কৰে। আৰু কোনো কোনোদিনা একোতেই আশাক এৰি দিব নোখেজে। আৰু কয়, "আঃ, আৰু অকণমান বহাচোন। তোমাৰ স্বামী তো আৰু পলাই যোৱা নাই। তেওঁ তো আৰু বনৰ মায়ামৃগ নহয়, তেওঁ হ'ল আঁচলৰ ধন, পোহনীয়া পহু!" এই বুলি নানা প্ৰয়ত্নেৰে ধৰি ৰাখি পলম কৰাবৰ চেষ্টা কৰে।

মহেন্দ্ৰই খঙৰ ভমক দেখুৱাই কয়, "তোমাৰ সখীয়ে দেখোন লৰচৰ কৰিবৰ নামেই নুলিয়ায়—তেওঁ ঘৰলৈ উভতিব কেতিয়া।"

আশাই ব্যগ্ৰ হৈ কয়, "নহয় নহয় তুমি মোৰ চকুৰ কুটাৰ ওপৰত খং নকৰিবা। তুমি নেজানা, তেওঁ তোমাৰ কথা শুনিবলৈ ভাল পায়—কিমান যত্ন কৰি সজাই-পৰাই মোক তোমাৰ কাষলৈ পঠাই দিয়ে।"

ৰাজলক্ষ্মীয়ে আশাক কাম কৰিবলৈ নিদিছিল। বিনোদিনীয়ে বোৱাৰীৰ পক্ষ লৈ তেওঁক কামত খটুৱালৈ ধৰিলে। প্ৰায় গোটেই দিন ধৰি বিনোদিনীৰ কোনো কামৰ প্ৰতি অকণো এলাহ নাই, লগে লগে আশাকো তেওঁ ছুটি দিবই নোখোজে। বিনোদিনীয়ে এটাৰ পাচত

এটাকৈ কামবোৰ এনেকুৱাকৈ সজাই ৰাখিছিল যে, তাৰ মাজত আজৰি পোৱাটো আশাৰ পক্ষে বৰ কঠিন হৈ উঠিছিল। আশাৰ স্বামীয়ে ছাদৰ ওপৰৰ শূন্য কোঠাৰ এচুকত ৰহি আক্ৰোশত চটফটাই আছে, এই দৃশ্য কল্পনা কৰি বিনোদিনীয়ে মনে মনে তীব্ৰ কঠিন হাঁহি হাঁহিছিল। আশাই উদ্বিগ্ন হৈ কয়, "এইবাৰ যাওঁ দেই, চকুৰ কুটা, তেওঁৰ আকৌ খঙেই উঠিব লাগিলে।"

বিনোদিনীয়ে লৰালৰিকৈ কয়, "ৰ'বা, এইকণ শেষ কৰি থৈ যোৱা। আৰু বেচি পলম নহয়।"

অলপ পাচতে আশাই আকৌ চটফট কৰি উঠে আৰু কয়, "নহয় ভাই. এইবাৰ তেওঁ সঁচাসঁচিকৈয়ে খং কৰিব। মোক এৰি দিয়া, মই যাওঁ।"

বিনোদিনীয়ে কয়, "আ-হা! অকণমান খং কৰিলেই জানিবা। পীৰিতিৰ লগত খং নিমিহলালে ভালপোৱাৰ জুতিয়েই নেথাকে—আঞ্জাত জলকীয়া দিয়াৰ নিচিনা কথা।"

কিন্তু জলকীয়াৰ জুতিটো কেনেকুৱা, তাক বিনোদিনীয়েই বুজিছিল —কেৱল লগত তেওঁৰ আঞ্জা নাছিল। তেওঁৰ সিৰাই সিৰাই যেন জুইৰ উত্তাপ। তেওঁ যিপিনেই চকু ঘুৰায়. সেই পিনেই যেন চকুৰ পৰা জুইৰ ফিৰিঙতি ফুটিবলৈ ধৰে। "ইমান সুখৰ ঘৰ-সংসাৰ—ইমান পীৰিতি ব্যাকুল স্বামী। এইখন ঘৰক যে মই ৰজাৰ ৰাজত্ব। এই স্বামীক যে মই ভৰিৰ তলৰ দাস কৰি ৰাখিব পাৰিলোহেঁতেন। তেতিয়া জানো এই ঘৰখনৰ এই দশা, এই মানুহজনৰ এই চিৰী থাকিলহেঁতেন। মোৰ ঠাইত আছে কোন, এই পানীকেঁচুৱা ছোৱালীজনী, খেলাৰ পুতলা এটি।" (আশাৰ ডিঙিত সাৱটি) "ভাই চকুৰ কুটা, কোৱা না ভাই, কালি তোমালোকৰ মাজতি কি কথা হৈছিল। মই তোমাক যিখিনি কথা দিছিলোঁ, সেইখিনি কৈছিলা নেকি? তোমালোকৰ ভালপোৱাৰ কথা শুনিলে মোৰ যে ভোক-পিয়াহ একেবাৰেই নেথাকে, ভাই।"

## ১২

মহেন্দ্ৰই এদিন বিৰক্ত হৈ মাকক মাতি আনি ক'লে, "কথাটো জানো ভাল হৈছে? পৰৰ ঘৰৰ এজনী গাভৰু বিধবাক আনি ডিঙিত এটা বোজা লোৱাৰ আৱশ্যক কি। মোৰ তো এই কথাত মত নাই—কোনে জানে, কেতিয়া কি সংকট ঘটিব পাৰে।"

ৰাজলক্ষ্মীয়ে ক'লে, "তাই যে আমাৰ বিপিনৰ ঘৈণীয়েক। তাইক তো মই পৰ বুলি নেভাবো।"

মহেন্দ্ৰই ক'লে, "নহয় মা কথাটো ভাল হোৱা নাই। মোৰ মতেৰে তেওঁক ৰখা উচিত হোৱা নাই।"

ৰাজলক্ষ্মীয়ে বাঢ়িয়াকৈ জানিছিল, মহেন্দ্ৰৰ মত অগ্ৰাহ্য কৰা সহজ নহয়। তেওঁ বিহাৰীক মাতি আনি ক'লে, "শুনিছ বেহাৰি, তই এবাৰ মহিনক বুজাই কচোন। বিপিনৰ ঘৈণীয়েক আছে বুলিয়েই এই বৃদ্ধ বয়সত মই অকণমান জিৰণি ল'ব পাৰিছোঁ। পৰ হওক, যি হওক, আপোনবোৰৰ পৰা তো কেতিয়াও ইমানখিনি সেৱা-শুশ্ৰূষা পোৱা নাই।"

বিহাৰীয়ে ৰাজলক্ষ্মীক কোনো উত্তৰ নিদিয়াকৈয়ে মহেন্দ্ৰৰ ওচৰ পালেগৈ—তাৰ পাচত কথাঠো উলিয়ালে, "মহিনদা, বিনোদিনীৰ বিষয়ে কিবা ভাবিছা?"

মহেন্দ্ৰই হাঁহি হাঁহি ক'লে, "ভাবি ভাবি ৰাতি টোপনি নহা হৈছে। তোমাৰ বৌৱেৰাকে সোধাচোন আজিকালি বিনোদিনীৰ ধ্যানৰ কাৰণে মোৰ আন সকলো ধ্যানেই ভঙ্গ হৈছে।"

আশাই ওৰণি-তলৰ পৰা মহেন্দ্ৰক নীৰৱে অনুশাসন কৰিলে।

বিহৰীয়ে ক'লে, "হয় নেকি। দ্বিতীয় বিষবৃক্ষ।"

মহেন্দ্ৰ। এৰা, সেইটোৱেই। এতিয়া তেওঁক বিদায় কৰিবৰ বাবে চুনিৰ চটফটানি লাগিছে।

ওৰণিৰ তলৰ পৰা আশাৰ দুয়ো চকুৱে আকৌ ভৎ'সনা বৰ্ষণ কৰিলে।

বিহাৰীয়ে ক'লে, "বিদায় দিলেও উভতি আহিবলৈ কিমান পৰ লাগে।

বিধবাৰ বিবাহ দি দিয়া—বিষদাঁত একেবাৰে ভাগি থাকিব।"

মহেন্দ্র। কুন্দবো তো বিবাহ দিয়া হৈছিল।

বিহাৰীয়ে ক'লে "যাওক, সেই উপমাটো এতিয়া থোৱা। বিনোদিনীৰ কথা মই মাজে মাজে ভাবোঁ। তোমাৰ ইয়াত তেওঁ তো চিৰকাল থাকিব নোৱাৰে। আনহাতে, যি বন দেখি আহিলোঁ, তাত তেওঁক চিৰজীৱন ধৰি বনবাস খাটিবলৈ পঠোৱাটোও বৰ কঠিন শাস্তি।"

মহেন্দ্রৰ সমুখলৈ এতিয়ালৈকে বিনোদিনী ওলোৱা নাই, কিন্তু বিহাৰীয়ে তেওঁক দেখিছে। বিহাৰীয়ে এইকণ বুজি পাইছে, এই নাৰী হাবিত পেলাই ৰাখিবৰ উপযোগী নহয়। কিন্তু একেই শিখা ঘৰৰ চাকি হৈ এক ধৰণেৰে জ্বলে, আৰু এক ধৰণেৰে ঘৰৰ জুই হৈ দপ্‌দপ্‌কৈ জ্বলে—সেই আশঙ্কাও বিহাৰীৰ মনত আছিল।

মহেন্দ্রই বিহাৰীক এই কথা লৈ বহুতো পৰিহাস কৰিলে। বিহাৰীয়েও তাৰ উত্তৰ দিলে। কিন্তু তেওঁৰ মনে বুজিছিল, এই নাৰীক লৈ ধেমালি কৰা নচলে, উপেক্ষা কৰাও সহজ নহয়।

ৰাজলক্ষ্মীয়ে বিনোদিনীক সাৱধান কৰি দিলে। কুটাই ক'লে, "আই, বোৱাৰীক লৈ তুমি বেচি টনা-আঁজোৰা নলগাবা। তুমি জকাইচুকীয়া গৃহস্থ-ঘৰতে কটাইছা—আজিকালিৰ চালচলন নেজানা। তুমি বুদ্ধিমতী, ভালকৈ গমি-পিতি চলিবা।"

ইয়াৰ পাচত বিনোদিনীয়ে খুব আড়ম্বৰ কৰি আশাক দূৰে দূৰা ৰখা হ'ল। কুটাই ক'লে, "ভাই, মই নো বাৰু কোন। মোৰ নিচিনা অৱস্থাৰ মানুহে নিজৰ মান বচাই চলিব নেজানিলে, কোন দিনা কি ঘটে ক'ব জানো পাৰোঁ।"

আশাই খাতিৰ-বাতিৰ কৰি কান্দি-কাটি দেখুৱালে—বিনোদিনী কিন্তু দৃঢ়প্রতিজ্ঞ। মনৰ কথা কৈ কৈ ভাগৰি পৰিল, বিনোদিনীয়ে কিন্তু কাণসাৰেই নিদিলে।

ইপিনে মহেন্দ্রৰ বাহুপাশ শিথিল আৰু তেওঁৰ মুগ্ধদৃষ্টি যেন ক্লান্তিৰে আচ্ছন্ন হৈ আহিছে। আগতে যিবোৰ অনিয়ম-উচ্ছৃঙ্খলা তেওঁৰ বাবে ধেমালি যেন লাগিছিল, এতিয়া সেইবোৰে তেওঁক অলপ অলপ কষ্ট দিবলৈ আৰম্ভ কৰিছে। আশাৰ সাংসাৰিক অপটুতা দেখি তেওঁ মুহূৰ্ত্তে

মুহূৰ্ত্তে বিৰক্ত হয়, কিন্তু প্ৰকাশ নকৰে। প্ৰকাশ নকৰিলেও আশাই অন্তৰে অন্তৰে অনুভৱ কৰে, নিৰৱচ্ছিন্ন মিলনৰ বাবে প্ৰেমৰ মৰ্য্যাদা ম্লান হৈ আহিছে। মহেন্দ্ৰৰ প্ৰণয়ৰ মাজত বেসুৰা সুৰ বাজি উঠিছিল—তাৰে অলপ বৃথা অতিৰঞ্জন, অলপ আত্মপ্ৰতাৰণা।

এনে সময়ত পলায়নৰ বাহিৰে পৰিত্ৰাণ নাই, বিচ্ছেদৰ বাহিৰে মহৌষধ নাই। তিৰোতাৰ স্বভাৱসিদ্ধ সংস্কাৰ অনুযায়ী আশাই আজিকালি মহেন্দ্ৰক এৰি যাবৰ চেষ্টা কৰিছিল। কিন্তু বিনোদিনীৰ বাহিৰে তেওঁৰ যাবৰ ঠায়েই বা ক'ত।

মহেন্দ্ৰই প্ৰণয়ৰ ফুলশয্যাৰ পৰা চকু মেলি ধীৰে ধীৰে সংসাৰৰ কাম-কাজ, পঢ়া-শুনাৰ প্ৰতি অলপ সজাগ হৈ বাগৰ সলালে। ডাক্তৰী কিতাপবিলাক নানা অসম্ভৱ ঠাইৰ পৰা উদ্ধাৰ কৰি ধূলিমাকতি জাৰিবলৈ লাগিল আৰু চাপকণ-পটলুং কেইটা ৰ'দত দিবৰ উপক্ৰম কৰিলে।

## ১৩

বিনোদিনীয়ে যেতিয়া কোনো মতেই ধৰা নিদিলে, তেতিয়া আশাৰ মুৰত এটা বুদ্ধি খেলি গ'ল। তেওঁ বিনোদিনীক ক'লে, "ভাই বালি, তুমি মোৰ স্বামীৰ সমুখত বাহিৰবলৈ নোলোৱা কিয়। পলাই ফুৰা কিয়।"

বিনোদিনীয়ে অতি সংক্ষেপে আৰু সতেজে উত্তৰ দিলে, "ছিঃ।"

আশাই ক'লে, "কিয়। মাৰ পৰা শুনিছোঁ, তুমি তো আমাৰ পৰ নোহোৱা।"

বিনোদিনীয়ে গম্ভীৰ মুখেৰে ক'লে, "সংসাৰত আপোন-পৰ কোনোৱেই নাই। যি আপোন বুলি ভাবে, তেওঁৱেই আপোন—যি পৰ বুলি জানে, তেওঁ আপোন হ'লেও পৰ।"

আশাই মনে মনে ভাবিলে, এই কথাৰ আৰু উত্তৰ নাই। বাস্তৱিকতে তেওঁৰ স্বামীয়ে বিনোদিনীৰ প্ৰতি অন্যায় কৰে, বাস্তৱিকতে তেওঁক পৰ বুলি ভাবে আৰু তেওঁৰ প্ৰতি অকাৰণতে বিৰক্ত হয়।

সেইদিনা গধূলি আশাই স্বামীৰ আগত বৰ আবদাৰেৰে সৈতে উলিয়ালে, "মোৰ চকুৰ কুটাৰ লগত তুমি কথা পাতিব লাগিব।"

মহেন্দ্ৰই হাঁহিমুখেৰে ক'লে, "তোমাৰ সাহস তো কম নহয়।"

আশাই সুধিলে, "কিয়, ভয় কিহৰ।"

মহেন্দ্ৰ। তোমাৰ সখীৰ বিষয়ে যি ধৰণৰ ৰূপ-বৰ্ণনা দিছা, সি যে বৰ নিৰাপদ নহয়!

আশাই ক'লে, "বেচ্, সেই বিষয়ে মই চম্ভালিব পাৰিম। তুমি ঠাট্টা এৰা—তেওঁৰ লগত কথা পাতিবা নে নাই কোৱা।"

বিনোদিনীক চাবৰ কাৰণে মহেন্দ্ৰৰ যে কৌতুহল নাছিল, তেনে নহয়। এনে কি, আজিকালি তেওঁক দেখা পাবৰ কাৰণে মাজে মাজে আগ্ৰহো জন্মে। সেই অনাৱশ্যক আগ্ৰহটো তেওঁৰ নিজৰ ওচৰতে উচিত বুলি সমৰ্থন কৰিব পৰা নাই।

হৃদয়ৰ সম্পৰ্ক সম্বন্ধে মহেন্দ্ৰৰ উচিত-অনুচিতৰ আদৰ্শ সাধাৰণতকৈ অলপ বেচি কটকটীয়া ধৰণৰ। জানোচা মাকৰ অধিকাৰ লেশমাত্ৰও ক্ষুণ্ণ হয়, ইয়াৰ আগতে সেই ভয়তে তেওঁ বিয়া-বাৰুৰ কথা ওলালেই কাণত ঠিলা দিছিল। আজিকালি, আশাৰ লগত থকা সম্বন্ধটোক এনে ধৰণে ৰক্ষা কৰিবলৈ বিচাৰে যে, আন তিৰোতা মানুহৰ প্ৰতি সামান্য কৌতুহলকো মনৰ ভিতৰত ঠাই দিব নোখোজে। প্ৰেমৰ বিষয়ে তেওঁ যে অতি সতৰ্ক আৰু অত্যন্ত নিৰ্ভেজাল, এই লৈ তেওঁৰ মনৰ ভিতৰত এটা অহঙ্কাৰৰ ভাৱ আছিল। আনহে নেলাগে, বিহাৰীক তেওঁ বন্ধু বুলিছিল দেখিয়েই আন কাকোৱেই বন্ধু বুলি স্বীকাৰ কৰিব খুখুজিছিল। আন কোনোবাই যদি তেওঁৰ প্ৰতি আকৃষ্ট হৈ তেওঁৰ কাষ চাপিছিল, মহেন্দ্ৰই তেতিয়া যেন অবাঞ্চনীয় ভাবে উপেক্ষা দেখুৱাইছিল। আৰু বিহাৰীৰ আগত সেই হতভাগ্যৰ বিষয়ে উপহাস-তীব্ৰ অৱজ্ঞা প্ৰকাশ কৰি ইতৰ সাধাৰণৰ প্ৰতি নিজৰ পৰম ঔদাসীন্য ঘোষণা কৰিছিল। বিহাৰীয়ে যদি এই কথাত আপত্তি কৰে, মহেন্দ্ৰই তেতিয়া কয়, "তুমি পাৰা বিহাৰী, যলৈকে যোৱা তোমাৰ বন্ধুৰ অভাৱ নহয়; মই কিন্তু যাকে-তাকে বন্ধু বুলি টনা-আজোৰা কৰিব নোৱাৰোঁ।"

সেই মহেন্দ্ৰৰে মন আজিকালি যেতিয়া মাজে মাজে অনিবাৰ্য্য ব্যগ্ৰতা আৰু কৌতুহলেৰে মিহলি হৈ এই অপৰিচিতাৰ প্ৰতি নিজে নিজে ধাৱিত হ'বলৈ ধৰে, তেতিয়া তেওঁ নিজৰ আদৰ্শৰ ওচৰত নিজকে বৰ ক্ষুদ্ৰ বুলি ভাবিবলৈ আৰম্ভ কৰে। অৱশেষত বিৰক্ত হৈ বিনোদিনীক ঘৰৰ পৰা বিদায়

কৰি দিবৰ কাৰণে তেওঁ তেওঁৰ মাকক কুটুৰিবলৈ আৰম্ভ কৰি দিলে।

মহেন্দ্ৰই ক'লে, "থাওক চুনি। তোমাৰ চকুৰ কুটাৰ লগত কথা পাতিবৰ বাবে আজৰিয়েই বা ক'ত। পঢ়িবৰ সময়ত ডাক্তৰী কিতাপ পঢ়িম, আজৰিৰ সময়ত তুমি আছা, ইয়াৰ মাজত সখীক আনিবা কেতিয়া।"

আশাই ক'লে, "বেচ্ কথা, তোমাৰ ডাক্তৰীত ভাগ নবহুৱাওঁ, মোৰেই অংশটো মই বালিক দিম।"

মহেন্দ্ৰই ক'লে, "তুমি তো দিবাই, মই দিবলৈ যাম কিয়।"

মহেন্দ্ৰৰ মতে, আশাই যে বিনোদিনীক ভাল পাব পাৰে, ইয়াৰ দ্বাৰা তেওঁৰ স্বামীৰ প্ৰতি থকা প্ৰেমৰ খৰ্ব্বতাই প্ৰতিপন্ন হয়। মহেন্দ্ৰই অহঙ্কাৰ কৰি কয়, "মোৰ দৰে অনন্যনিষ্ঠ প্ৰেম তোমাৰ নহয়।" আশাই সেই কথা একোতেই মানি নলৈছিল—এই লৈয়েই কাজিয়া কৰিছিল, কান্দিছিল, কিন্তু তৰ্ক কৰি জিকিব নোৱাৰিছিল।

মহেন্দ্ৰই তেওঁলোক দুয়োৰে মাজৰ ঠাইখিনিত বিনোদিনীৰ বাবে বেজীৰ আগটো সমান ঠাই এৰি দিবলৈয়ো নিবিচাৰে, এয়েই তেওঁৰ গৰ্ব্বৰ বিষয় হৈ উঠিল। মহেন্দ্ৰৰ এই গৰ্ব্ব আশাৰ মুঠেই সহ্য নহৈছিল, কিন্তু আজি তেওঁ পৰাজয় স্বীকাৰ কৰি ক'লে, "বেচ কথা, তুমি নহয় মোৰ খাতিৰতে মোৰ বালিৰ লগত কথা পাতা।"

আশাৰ আগত মহেন্দ্ৰই নিজৰ ভালপোৱাৰ দৃঢ়তা আৰু শ্ৰেষ্ঠতা প্ৰমাণ কৰি উঠি, অৱশেষত বিনোদিনীৰ লগত কথা পাতিবৰ কাৰণে অনুগ্ৰহপূৰ্ব্বক সম্মতি জনালে। কেৱল কৈ ৰাখিলে, "কিন্তু সেই বুলিয়েই যেতিয়াই-তেতিয়াই উৎপাত কৰিলে নচলিব হ'লে।"

পাচদিনা পুৱাতে আশাই বিনোদিনীকে তেওঁৰ বিচনাতে সাৱটি ধৰিলেগৈ। বিনোদিনীয়ে ক'লে, "ইকি আচৰিত! চাকৈচকোৱা দেখোন আজি জোনটোক এৰি মেঘৰ সভাত উপস্থিত।"

আশাই ক'লে, "তোমালোকৰ সেইবোৰ কবিতাৰ কথা মই ক'ব নোৱাৰো ভাই, কিয় মিছাকৈয়ে অপচয় কৰা বাঁহতলত মুকুতা সিচি। যি তোমাৰ কথাৰ উত্তৰ দিব পাৰিব। এবাৰ তেওঁৰ ওচৰলৈকে আহি কথা শুনোৱাহি, আহাঁ।"

বিনোদিনীয়ে ক'লে, "কোন নো সেইজন ৰসিক।"

আশাই ক'লে, "তোমাৰ দেয়ৰ, মোৰ স্বামী। নহয় ভাই, ঠাট্টা নহয়—তেওঁ তোমাৰ লগত কথা পাতিবৰ কাৰণে মোক কুটুৰি আছে।"

বিনোদিনীয়ে মনে মনে ক'লে, "যৈনীৰ আদেশত মোক দেখা পাবৰ প্ৰয়োজন হৈছে, কথা নাই বতৰা নাই মই দৌৰি যাম, মোক ইমান সহজ পাইছা।"

বিনোদিনী কোনোমতেই সম্মত নহ'ল। আশা তেতিয়া স্বামীৰ ওচৰত বৰ লঘু হবলগীয়া হ'ল।

মহেন্দ্ৰই মনে মনে খং কৰিলে। তেওঁৰ ওচৰত বাহিৰ ওলাবলৈ আপত্তি! তেওঁক আন সাধাৰণ মুনিহ-মানুহৰ দৰে জ্ঞান কৰা। আন কোনোবা হোৱা হ'লে তো ইমান দিনে আগবাঢ়ি গৈ নানা কৌশলেৰে বিনোদিনীৰ লগত দেখা-সাক্ষাৎ কৰি চা-চিনাকিৰ কথা পাতিলেহেঁতেন। মহেন্দ্ৰই যে তেনেকুৱা কোনো চেষ্টাই কৰা নাই, বিনোদিনীয়ে জানো সেই খিনিতে তেওঁৰ পৰিচয় পোৱা নাই। বিনোদিনীয়ে যদি এবাৰ ভালকৈ জানিবলৈ পায়, তেনেহ'লে আন পুৰুষৰ লগত মহেন্দ্ৰৰ প্ৰভেদ ক'ত বুজিব পাৰিব।

বিনোদিনীয়েও দুদিন আগতে ক্ষোভেৰে সৈতে নিজকে নিজেই কৈছিল, "অতদিন ধৰি ঘৰখনত আছোঁ। মহেন্দ্ৰই দেখোন এবাৰো মোক চকু তুলি চাবৰো চেষ্টা নকৰিলে। যেতিয়া পেহীদেউৰ কোঠাত থাকোঁ। তেতিয়াও তো এবেলি কিবা এটা গয়না লৈয়ো মাকৰ কোঠাত ভৰি নিদিলেহি দেখোন। ইমান ঔদাসীন্য কিহৰ। মই জানো জড়পদাৰ্থ। মই জানো তিৰোতা মানুহ নহয়। এবাৰ যদি মোৰ পৰিচয় পালেহেঁতেন, তেনেহ'লে বুজিব পাৰিলেহেঁতেন আদৰৰ চুনিৰ লগত মোৰ প্ৰভেদ কোনখিনিত।

আশাই স্বামীৰ আগত প্ৰস্তাৱটো দাঙি ধৰিলে, "তুমি কলেজলৈ গৈছা বুলি মই চকুৰ কুটাক আমাৰ কোঠালৈ লৈ আনিম, তাৰ পাচত বাহিৰৰ পৰা তুমি হঠাৎ আহি ওলাবাহি—তেতিয়া হ'লে তেওঁ জব্দ হ'ব।"

মহেন্দ্ৰই ক'লে, "কি অপৰাধ তেওঁৰ, যাৰ বাবে এনে কঠিন শাসনৰ আয়োজন।"

আশাই ক'লে, "নহয়, মোৰ সঁচাকৈয়ে বৰ খং উঠিছে। তোমাৰ

লগত দেখা কৰিবলৈয়ো তেওঁৰ আপত্তি! প্ৰতিজ্ঞা ভাঙিমেই, নহ’লৈ নেৰিছোঁ।”

মহেন্দ্ৰই ক’লে, “তোমাৰ প্ৰিয়সখীৰ দৰ্শন নোপোৱা কাৰণে মই মৰি যোৱা নাই। মই এনেকৈ চুৰকৈ চাবলৈ নিবিচাৰো।”

আশাই অনুনয় কৰি মহেন্দ্ৰৰ হাতখন খামুচি ধৰি ক’লে, “মোৰ মুখকে খোৱা, এবাৰ অন্ততঃ তুমি এই কাম কৰিবই লাগিব। যেনেকৈয়ে হওক। এবাৰ তেওঁৰ অহঙ্কাৰ ভাঙিবই লাগিব, তাৰ পাচত তোমালোকৰ যি ইচ্ছা, তাকে কৰিবা।”

মহেন্দ্ৰ নিৰুত্তৰ হৈ ৰ’ল। আশাই ক’লে, “সোণটো বুলিছোঁ, মোৰ অনুৰোধ ৰাখা।”

মহেন্দ্ৰৰ আগ্ৰহ প্ৰবল হৈ উঠিছিল—সেইবাবে অতিৰিক্ত মাত্ৰাৰ ঔদাসীন্য প্ৰকাশ কৰি সম্মতি জনালে।

শৰৎকালৰ এক স্বচ্ছ নিস্তব্ধ দুপৰীয়া মহেন্দ্ৰৰ নিৰ্জন শোৱনি-কোঠাত বহি বিনোদিনীয়ে আশাক কাৰ্পেটৰ ওপৰত জোতাৰ ছবি তুলিবলৈ শিকাই ছিল। আশাই অন্যমনস্ক হৈ বাৰে বাৰে দুৱাৰদলিৰ পিনে চাই গণনাত ভুল কৰি পেলাইছিল আৰু বিনোদিনীৰ আগত নিজৰ অসাধ্য অপটুতা প্ৰকাশ কৰিছিল।

অৱশেষত বিনোদিনীয়ে বিৰক্ত হৈ তেওঁৰ হাতৰ পৰা কাৰ্পেটখন টান মাৰি আনি দলিয়াই পেলাই ক’লে, “ওঁ-হো তোমাৰ দ্বাৰা এইবোৰ নহ’ব, মোৰ কাম আছে—মই যাওঁ।”

আশাই ক’লে, “আৰু অকণমান বহাঁচোন, এইবাৰ চাবা, মই ভুল নকৰো।” কৈ উঠিয়েই আকৌ চিলাইৰ কামত মন পুতি লাগিল।

ইতিমধ্যে হাতত সাৰে ভৰিত সাৰে মহেন্দ্ৰ আহি বিনোদিনীৰ পাচপিনে দুৱাৰমুখত থিয় দিলেহি। আশাই চিলাইৰ পৰা মুখ নোতোলাকৈয়ে খুকু-খুকুকৈ হাঁহিবলৈ লাগিল।

বিনোদিনীয়ে ক’লে, “হঠাৎ হাঁহিবৰ কথা কি মনত পৰিল।” আশাই আৰু ৰ’ব নোৱাৰিলে। খিল-খিলকৈ হাঁহি কাৰ্পেটখন বিনোদিনীৰ গাৰ ওপৰত দলি মাৰি দি ক’লে, “নহয় ভাই, তুমি ঠিকেই কৈছা—এইবোৰ মোৰ দ্বাৰা নহ’ব।” কৈ উঠিয়েই বিনোদিনীৰ ডিঙিত সাৱটি ধৰি দুগুণ

উচ্ছলতাৰে হাঁহিবলৈ লাগিল।

প্ৰথমৰ পৰাই বিনোদিনীয়ে সকলোখিনি বুজি পাইছিল। আশাৰ চঞ্চলতা আৰু ভাৱ-ভঙ্গী দেখি তেওঁৰ ওচৰত একোৱেই গোপন হৈ থকা নাছিল। মহেন্দ্ৰ আহি কেতিয়া তেওঁৰ পাচপিনে থিয় হৈছিলহি—সেই কথাও বচ্ৰিয়াকৈ ভু পাইছিল। অতি সৰল নিৰীহৰ নিচিনাকৈয়ে তেওঁ আশাৰ এই একেবাৰে লেহুকা চিটিকাত ইচ্ছা কৰিয়েই ধৰা দিছিল।

মহেন্দ্ৰই ঘৰৰ ভিতৰ সোমাই ক'লে,"হাঁহিৰ কাৰণটোৰ পৰা দুৰ্ভাগীয়া নো কিয় বঞ্চিত হওঁ।"

বিনোদিনীয়ে চক্ খাই উঠি মূৰৰ ওপৰলৈ ওৰণিখন টানি ল'বৰ উপক্ৰম কৰিলে। আশাই তেওঁৰ হাতখন খামোচ মাৰি ধৰিলে।

মহেন্দ্ৰই হাঁহি হাঁহি ক'লে, "হয় আপুনি বহক মই যাওঁ, নহয় আপুনি বহকময়ো বহোঁ।"

বিনোদিনীয়ে সাধাৰণ ছোৱালীৰ নিচিনাকৈ আশাৰ লগত হাতৰ কঢ়া-আঁজোৰা লগাই মহাকোলাহল কৰি লাজৰ ধোঁৱা-জাল গুথিবৰ কোনো চেষ্টা নকৰিলে। সহজ সুৰতে ক'লে, "কেৱল আপোনাৰ অনুৰোধতে বহিলোঁ, কিন্তু মনে মনে অভিশাপ নিদিয়ে যেন।"

মহেন্দ্ৰই ক'লে, "এই বুলি অভিশাপ দিম, আপোনাৰ যেন বহুত সময় ধৰি খোজ কাঢ়িবৰ শক্তি নেথাকে।"

বিনোদিনায়ে ক'লে, "সেই অভিশাপলৈ মোৰ ভয় নাই। কিয়নো আপোনাৰ বহুত সময় খুব বেচি সময় নহয়। বোধ কৰোঁ, সময় শেষ হৈয়েই আহিল।"

কৈয়েই তেওঁ আকৌ এবাৰ উঠিবৰ চেষ্টা কৰিলে। আশাই তেওঁৰ হাতখন খামুচি ধৰি ক'লে, "মোৰ মূৰকে খোৱা, আৰু অকণমান সময় বহা।"

## ১৪

আশাই সুধিলে, "সঁচাকৈ কোৱাচোন, মোৰ চকুৰ কুটাক কেনে লাগিল।"

মহেন্দ্ৰই ক'লে, "বেয়া নহয়।"

আশাই অতি ক্ষুণ্ণ কণ্ঠেৰে ক'লে, "তোমাৰ কাকোৱেই ভাল নেলাগে, দেখিছোঁ।"

মহেন্দ্ৰ। কেৱল এজনক বাদ দি।

আশাই ক'লে, "বেচ., তেওঁৰ লগত তোমাৰ আৰু অলপ কথা-বাৰ্ত্তা হওক, তেতিয়া বুজিবা, ভাল লাগে নে নেলাগে।"

মহেন্দ্ৰ ক'লে, "আকৌ কথা-বাৰ্ত্তা। এতিয়াৰ পৰা হবলা সদায়েই এনে ধৰণে চলিব।"

আশাই ক'লে, "ভদ্ৰতাৰ খাতিৰতো অন্ততঃ মানুহৰ লগত কথা-বাৰ্ত্তা হব লাগে। এদিনৰ পৰিচয়ৰ পাচতে যদি দেখা-শুনা বন্ধ কৰি দিয়া, তেন্তে চকুৰ কুটাই কি ভাবিব কোৱাচোন বাৰু। তোমাৰ সকলো কথাই অদ্ভুত। আন যি কোনো হোৱা হ'লে এনে এজনী ছোৱালীৰ লগত কথা পাতিবৰ কাৰণে ছল বিচাৰি ফুৰিলেহেঁতেন, তোমাৰ আকৌ যেন এটা ভয়ানক বিপদহে উপস্থিত হ'লহি।"

আন মানুহৰ লগত তেওঁৰ এই প্ৰভেদৰ কথা শুনি মহেন্দ্ৰৰ খুব ৰং লাগিল। ফুটাই ক'লে, "বাৰু, বাৰু। ব্যস্ত হ'বৰ প্ৰয়োজন কি। মোৰতো পলাবৰ কাৰণে ঠাই নাই, তোমাৰ সখীৰো পলাবৰ লক্ষণ দেখা নাই—গতিকে দেখাদেখি মাজে মাজে হ'বই। আৰু দেখা হ'লে যে ভদ্ৰতা ৰক্ষা কৰিব, তোমাৰ স্বামীৰ অন্ততঃ সেই কণ শিক্ষা আছে।"

মহেন্দ্ৰই মনে মনে ভাবিছিল, বিনোদিনীয়ে এতিয়াৰ পৰা কিবা নহয় কিবা এটা গয়না লৈ দেখা দিবই। ভুল বুজিছিল। বিনোদিনী কাষেদিও নেযায়—আনকি, অকস্মাৎ অহা-যোৱাৰ বাটতো দেখাদেখি নহয়।

জানোচা এধানমান ব্যগ্ৰতাও প্ৰকাশ হৈ পৰে, সেই ভয়তে মহেন্দ্ৰই বিনোদিনীৰ বিষয়ে ঘৈনীৰ আগতো কোনো কথাই উলিয়াব পৰা নাছিল। মাজে মাজে বিনোদিনীৰ সঙ্গলাভৰ বাবে স্বাভাৱিক সামান্য ইচ্ছাখিনিও গোপন আৰু দমন কৰিবলৈ গৈ মহেন্দ্ৰই ব্যাকুলতা আৰু বাঢ়ি যোৱা যেনহে অনুভৱ কৰিছিল। তাৰ পাচত, বিনোদিনীৰ ঔদাসীন্যই তেওঁক আৰু বেচি উত্তেজিত কৰিবলৈ ধৰিলে।

বিনোদিনীৰ লগত দেখা হোৱাৰ পাচদিনাখনেই মহেন্দ্ৰই তেনেই হঠাৎ

সোধাৰ নিচিনাকৈ হাঁহি হাঁহিয়েই আশাক সুধিলে, "এটা কথা নকয়, তোমাৰ এই অযোগ্য স্বামী গৰাকাক বা চকুৰ কুটাৰ কেনে লাগিল।"

প্ৰশ্ন কৰাৰ আগেয়েই আশাৰ পৰা এই বিষয়ে উচ্ছ্বসিত বিস্তাৰিত বৰ্ণনা পাব বুলিয়েই মহেন্দ্ৰৰ এটা দৃঢ় প্ৰত্যাশা জন্মিছিল। কিন্তু তাৰ কাৰণে বাট চায়ো যেতিয়া লাভ নহ'ল, তেতিয়া ধেমালিৰ ছলেতেই প্ৰশ্নটো উত্থাপন কৰিলে।

আশা মহা বিপাঙত পৰিল। চকুৰ কুটাই কোনো কথাই কোৱা নাই। সেইবাবে আশা সখীৰ ওপৰত খুব অসন্তুষ্ট হৈছিল।

স্বামীক ক'লে, "ৰ'বাচোন, দুই-চাৰিদিন কথা-বতৰা হওক তাৰ পাচতহে ক'ব। কালি নো কিমানকণ সময়ৰ দেখাদেখি, কথাই বা ওলাইছিল কেইটা।"

এই পিনৰ পৰাও মহেন্দ্ৰ কিছু নিৰাশ হ'ল আৰু বিনোদিনীৰ সম্বন্ধে নিশ্চেষ্টতা দেখুৱাটো তেওঁৰ পক্ষে আৰু বেচি দুৰূহ হৈ পৰিল।

এনেবোৰ আলোচনাৰ মাজতে বিহাৰী আহি ওলালহি আৰু সুধিলে, "কি মহিনদা, আজি তোমালোকৰ তৰ্কৰ বিষয় কি।"

মহেন্দ্ৰই ক'লে, "চোৱাচোন ভাই, কুমুদিনী নে প্ৰমোদিনী নে কি, তেওঁৰ লগত তোমাৰ ন-বৌৱেৰাই চুলিৰ ফিটা নে মাছৰ কাঁইট নে কিবা এটা পাতিছে; সেই কিন্তু বুলিয়েই যদি তেওঁৰ লগত ময়ো চুৰটৰ ছাই নে জুইবাঁহৰ কাঠি পাতিব লাগে, তেনেহ'লেতো বাচিবলৈকে টান।"

আশাৰ ওৰণিৰ তলত নীৰৱে যেন তুমুল কলহৰ মেঘ ঘন হৈ আহিল। বিহাৰীয়ে কিছু সময় উত্তৰ নিদিয়াকৈ মহেন্দ্ৰৰ মুখৰ পিনে চাই হাঁহিলে— তাৰ পাচত ক'লে, "বুজিছা ন-বৌ, লক্ষণ বৰ ভাল নহয়। এইবোৰ মন ভুলোৱা কথা। তোমাৰ চকুৰ কুটাক মই দেখিছোঁ। আৰু যদি বেচি ঘনকৈ দেখিবলৈ পাওঁ, তেন্তে তাক দুৰ্ঘটনা বুলি ধৰিব নলওঁ। সেই কথা মই শপত খাই ক'ব পাৰোঁ। কিন্তু মহিনদাই যেতিয়া ইমানখিনি বিনা বাধাই গৈছে, তেন্তে অতি সন্দেহৰে কথা।"

মহেন্দ্ৰৰ লগত বিহাৰীৰ যে বিৰাট প্ৰভেদ, আশাই তাৰ আৰু এটা প্ৰমাণ পালে।

হঠাৎ মহেন্দ্ৰৰ ফটোগ্ৰাফী শিকাৰ চখ উপজিল। আগতে এবাৰ তেওঁ

ফটোগ্ৰাফী শিকিবলৈ আৰম্ভ কৰি পাচত এৰি দিছিল। এতিয়া আকৌ কেমেৰা মেৰামতি কৰাই ফিল্ম্ কিনি ছাব তুলিবলৈ আৰম্ভ কৰি দিলে। ঘৰৰ চাকৰ-বাকৰ পৰ্য্যন্ত সকলোৰে ছবি তুলিবলৈ লাগি গ'ল।

আশাই খাটনি ধৰিলে, চকুৰ কুটাৰো এখন ছবি তুলিব লাগে।

মহেন্দ্ৰই চুটি সমিধান দিলে, "চাওঁচোন বাৰু।"

চকুৰ কুটাই তাতকৈয়ো চুটি সমিধান দিলে, "ওঁহো।"

আশাই আকৌ এটা ফন্দি উলিয়াব লগীয়া হ'ল আৰু সেই ফন্দি গুৰিৰে-পৰাই বিনোদিনীৰ অগোচৰ হৈ নেথাকিল।

ফন্দিটো হ'ল এই, দুপৰীয়া আশাই তেওঁক নিজৰ শোৱনি-কোঠালৈ আনি যেনে তেনে প্ৰকাৰে টোপনি অহাব আৰু মহেন্দ্ৰই সেই অৱস্থাতে ছবি তুলি অবাধ্য সখীক উপযুক্তৰূপে জব্দ কৰিব।

আচৰিত কথা, বিনোদিনীয়ে কোনোদিন দিন-দুপৰত নোশোৱে। কিন্তু আশাৰ কোঠালৈ আহিয়েই সেইদিনা তেওঁৰ যেন চকুযুৰি মুদ খাই আহিবলৈ ধৰিলে। গাত এখন ৰঙচুৱা শ্বাল লৈ মুকলি খিৰিকীখনৰ পিনে মুখ কৰি হাতৰ ওপৰত মূৰটো থৈ ইমান সুন্দৰ ভঙ্গীত শুই পৰিছিল যে মহেন্দ্ৰৰ মুখেদি ওলাই পৰিল, "ঠিক এনেহে লাগিছে যেন ছবি ল'বৰ কাৰণে ইচ্ছা কৰিয়েই প্ৰস্তুত হৈছে।"

মহেন্দ্ৰই হাতত সাৰে ভৰিত সাৰে উঠি গৈ কেমেৰাটো আনিলে। কোন পিনৰ পৰা ছবি ললে ভাল লাগিব, সেইটো স্থিৰ কৰিবৰ কাৰণে বিনোদিনীক কিছু সময় ধৰি কেইবা পিনৰ পৰা ভালকৈ চাই ল'ব লগীয়া হ'ল। আনকি, আৰ্টৰ খাতিৰত অতি সন্তৰ্পণে শিতানৰ পিনে তেওঁৰ খোলা চুলিকোছা এঠাইত অকণমান আঁতৰাই দিব লগীয়াও হ'ল—মনৰ লগত বজিতা নোখোৱা কাৰণে আকৌ তাক শুধৰাই ল'ব লগীয়া হ'ল। আশাক কাণে কাণে ক'লে, "ভৰিৰ ওচৰত শ্বালখন অকণমান বাওঁ পিনে আঁতৰাই দিয়া।"

অপটু আশাই কাণে কাণে ক'লে, "মই ভালকৈ নোৱাৰিম, টোপনি ভাঙি যাব—তুমিয়েই আঁতৰাই দিয়া।"

মহেন্দ্ৰই আঁতৰাই দিলে।

অৱশেষত ঠিক যেতিয়া ছবি ল'বৰ কাৰণে কেমেৰাৰ ভিতৰত প্লেট ভৰাই ল'লে, ঠিক তেতিয়াই কিহৰ শব্দত জানো বিনোদিনীয়ে কাতি হৈ দীঘল

এটা হুমুনিয়াহ কাটি খকুমকুকৈ সাৰ পাই উঠি বহিল। আশাই খিল-খিলকৈ হাঁহি দিলে। বিনোদিনীৰ বৰ খং উঠিল—তেওঁৰ জ্যোতির্ময় চকু দুটাৰ পৰা মহেন্দ্ৰৰ প্ৰতি অগ্নি বৰ্ষণ কৰি ক'লে, "অতি অন্যায় কাম।"

মহেন্দ্ৰই ক'লে, অন্যায় যে সেই বিষয়ে সন্দেহ নাই। কিন্তু চুৰিও কৰিলোঁ, অথচ চুৰিৰ বস্তুও ঘৰলৈ নাহিল, ইয়াৰ ফলত যে মোৰ ইহকাল পৰকাল দুয়োটাই গ'ল। অন্যায়টোক শেষ কৰি ল'বলৈ দি, তাৰ পাচত দণ্ড বিহিব।"

আশায়ো বিনোদিনীক খুব কেৰজেৰকৈ ধৰিলে। ছবি লোৱা হ'ল। কিন্তু প্ৰথম ছবিখন বেয়া হৈ গ'ল। গতিকে, পাচদিনা আৰু এখন ছবি নোলোৱাকৈ চিত্ৰকৰে কোনোপধ্যেই এৰি নিদিলে। তাৰ পাচত দুয়ো সখীকে একেলগে বহুৱাই বন্ধুত্বৰ চিৰ নিদৰ্শনস্বৰূপে এখন ছবি তোলাৰ প্ৰস্তাৱ বিনোদিনীয়ে কোনো ৰকমেই অস্বীকাৰ কৰিব নোৱাৰিলে। মাথোন ক'লে, "এইখনেই শেষ ছবি।"

সেই কথা শুনি মহেন্দ্ৰই ছবিখন নষ্ট কৰি পেলালে। এনেকৈয়ে ছবি তোলোঁতে-তোলোঁতে চা-চিনাকি বহুদূৰ আগবাঢ়ি গ'ল।

## ১৫

বাহিৰৰ পৰা খুচৰি দিলেই ছায়ে-ঢাকি থোৱা জুই আকৌ জ্বলি উঠে। নৱদম্পতীৰ প্ৰেমৰ উৎসাহ যিখিনি ম্লান হৈ আহিছিল, তৃতীয় পক্ষৰ আঘাত পাই সেইখিনি আকৌ জাগি উঠিল।

আশাৰ ৰসিক-কথা কোৱাৰ ক্ষমতা নাছিল, কিন্তু বিনোদিনীয়ে তাৰ অফুৰন্ত যোগান ধৰিব পাৰিছিল : সেইবাবে বিনোদিনীৰ অন্তৰালত আশাই এক খুব ডাঙৰ আশ্ৰয় লাভ কৰিলে। মহেন্দ্ৰক সদায় আমোদজনক উত্তেজনাৰ মাজত ৰাখিবৰ কাৰণে তেওঁ আৰু অসাধ্যসাধন নকৰিলেও চলা হ'ল।

বিয়াৰ অলপ দিনৰ ভিতৰতে মহেন্দ্ৰ আৰু আশা উভয়ে উভয়ৰ ওচৰত নিঃশেষ কৰি দিবৰ উপক্ৰম কৰিছিল—প্ৰেমৰ সংগীত একেবাৰে উচ্চ গ্ৰামৰ নিখাদৰ পৰা আৰম্ভ হৈছিল। সুদৰ ওপৰতে নিৰ্ভৰ নকৰি তেওঁলোকে

একেবাৰে মূলধন ভাঙি উজাৰ কৰিবৰ চেষ্টা কৰিছিল। এই মতলীয়া বানক তেওঁলোকে প্ৰাত্যহিক সংসাৰৰ সহজ স্ফূৰ্তিত পৰিণত কৰিব পাৰে কেনেকৈ। নিচা খোৱাৰ পাচতে মাজখিনিত যিদৰে ভাগৰ লাগে, সেই ভাগৰ দূৰ কৰিবৰ কাৰণে মানুহে আকৌ নতুনকৈ নিচা খাবলৈ বিচাৰে; কিন্তু সেই নিচাৰ যোগান আশাই ক'ৰ পৰা যোগাব পাৰে। এনে সময়তে বিনোদিনীয়ে এটা নতুন ৰঙীণ পাত্ৰ ওপচাই আনি আশাৰ হাতত তুলি দিলেহি। আশাই তেওঁৰ স্বামীক প্ৰফুল্ল দেখিবলৈ পাই মনে মনে আশ্বাস লভিলে।

এতিয়া আৰু তেওঁৰ নিজৰ চেষ্টা বোলা বস্তুটোৰ একোৱেই নেথাকিল। মহেন্দ্ৰ আৰু বিনোদিনীয়ে যেতিয়া ৰং-ৰহইচৰ কথা উলিয়ায়, তেতিয়া তেওঁ কেৱল প্ৰাণ খুলি সেই হাঁহি-ধেমালিত যোগ দিয়ে। তাচ খেলোঁতে মহেন্দ্ৰই যেতিয়া আশাক অন্যায় কৰে, তেতিয়া তেওঁ বিনোদিনীক বিচাৰকৰ আসনত বহুৱাই অভিযোগৰ অৱতাৰণা কৰে। মহেন্দ্ৰই তেওঁক ঠাট্টা কৰিলে অথবা কিবা অনুচিত কথা ক'লে, তেওঁ আশা কৰে, বিনোদিনীয়ে তেওঁৰ হৈ উপযুক্ত সমিধান শুনাই দিব। এই ধৰণে তিনিওজনৰ সভা জ্বসাল হৈ উঠিল।

কিন্তু সেইবুলি বিনোদিনীয়ে তেওঁৰ কামত কোনো অৱহেলা দেখুউৱা নাছিল। ৰন্ধা-বঢ়া, ঘৰ-সংসাৰৰ প্ৰতি চকু দিয়া, ৰাজলক্ষ্মীৰ সেৱা-শুশ্ৰূষা কৰা, এই সকলোবোৰ কাম নিয়াৰিকৈ শেষ কৰি উঠিহে আমোদ-প্ৰমোদত যোগ দিছিল। মহেন্দ্ৰই অধৈৰ্য্য হৈ মাজে মাজে কৈছিল, "চাকৰ-বাকৰ বোৰক কাম কৰিবলৈ নিদি, তুমি দেখিছোঁ সকলোবোৰ মাটি কৰিবা।" বিনোদিনীয়ে উত্তৰ দিছিল, "কাম নকাৰ নিজে মাটি হোৱাতকৈ সিও বৰং ভাল। যোৱা, তুমি কলেজলৈ যোৱা।"

মহেন্দ্ৰ। আজি এই ডাৱৰীয়া বতৰত—

বিনোদিনী। ওঁ-হো, সেইটো হ'ব নোৱাৰে—তোমাৰ গাড়ী থিয় হৈ আছে—কলেজলৈ যাবই লাগিব।

মহেন্দ্ৰ। মই দেখোন গাড়ী উলিয়াবলৈ হাক দিছিলোঁ।

বিনোদিনী। মই উলিয়াবলৈ কৈছোঁ।—এইবুলি কৈয়েই মহেন্দ্ৰৰ কলেজলৈ যোৱা সাজ-পাৰবোৰ আনি আগত থ'লেহি।

মহেন্দ্র। তুমি ৰাজপুতৰ ঘৰতহে জন্ম লোৱা উচিত আছিল, তেতিয়া হ'লে যুদ্ধৰ সময়ত আপোন মানুহৰ বুকুত বৰ্ম্ম পিন্ধাই দিব পাৰিলাহেঁতেন।

আমোদ-প্ৰমোদৰ প্ৰলোভনত ছুটি লোৱা, পঢ়া-শুনাত ফাঁকি দিয়া, এইবোৰ বিষয়ত বিনোদিনীয়ে কোনো দিনেই প্ৰশ্ৰয় নিদিছিল। তেওঁৰ কঠিন শাসনত দিনে-নিশাই অবাধে চলি থকা আমোদ সম্পূৰ্ণৰূপে বন্ধ হৈ গ'ল, আৰু এইদৰেই আবেলিৰ অৱকাশখিনি মহেন্দ্ৰৰ বাবে অত্যন্ত ৰমণীয় আৰু লোভনীয় হৈ উঠিল। তেওঁৰ বাবে দিনটোৱে যেন নিজৰ অৱসানৰ কাৰণে প্ৰতীক্ষা কৰি থাকে—এনে এটা ধাৰণা হৈ গৈছিল।

ইয়াৰ আগতে মাজে-মাজে ঠিক সময়ত ভাত-পানী নহৈছিল আৰু সেইটোকে চেলু লৈ মহেন্দ্ৰই আনন্দ মনেৰে কলেজ ক্ষতি কৰিছিল। এতিয়া বিনোদিনীয়ে নিজেই আয়োজন কৰি মহেন্দ্ৰৰ কলেজলৈ যোৱাৰ জলপান কাহিলি-পুৰাতে যতনাই দিয়েছি আৰু খাই উঠাৰ লগে লগেই মহেন্দ্ৰই খবৰ পায়—গাড়ী থিয় হৈ আছে। ইয়াৰ আগতে কাপোৰ-কানিবোৰ এনেকৈ ভাজ কৰি থোৱা পৰিপাটি অৱস্থাত পোৱা দূৰৰ কথা, ধোবাৰ ঘৰলৈ গৈছে নে আলমাৰীৰ কোনোবা এচুকত চকুত নপৰাকৈ পৰিয়েই আছে, সেই খবৰ পাবলৈয়ো যথেষ্ট সন্ধান ল'বলগীয়া হৈছিল।

প্ৰথম ভোখৰত বিনোদিনীয়ে এইবোৰ বিশৃঙ্খলাৰ কাৰণে মহেন্দ্ৰৰ সমুখতে আশাক হাঁহি হাঁহি ভৰ্ৎসনা কৰিছিল—মহেন্দ্ৰয়ো আশাৰ নিৰুপায় অকৰ্ম্মণ্যতা দেখি মৰম-সনা হাঁহি মাৰিছিল। অৱশেষত সখীৰ মৰমত এৰাব নোৱাৰি আশাৰ হাতৰ পৰা সেই দায়িত্বভাৰ বিনোদিনীয়ে নিজৰ হাতলৈ আনি ল'লে। ঘৰৰ সৌন্দৰ্য্য আকৌ উভতি আহিল।

চাপকনৰ বুতাম ছিগিল, আশাই তৎক্ষণাৎ তাৰ কোনো প্ৰতিকাৰ কৰিব পৰা নাই—বিনোদিনীয়ে ক'ৰবাৰ পৰা আহি বুদ্ধিৰ মোৰ হেকওৱা আশাৰ হাতৰ পৰা চাপকনটো কাঢ়ি লৈ লৰালৰিকৈ চিলাই কৰি দিলেহি। এদিন মহেন্দ্ৰৰ খোৱা বস্তুত মেকুৰীয়ে মুখ দিলেহি—আশা হয়তো ভাবি-চিন্তি অস্থিৰ; বিনোদিনীয়ে তৎক্ষণাৎ বান্ধনিঘৰলৈ গৈ ক'ৰ পৰা যে কিবোৰ গোটাই আনি কাম চলাই দিলে—আশা অবাক হৈ গ'ল।

মহেন্দ্ৰই এইদৰে খাবৰ পৰত, পিন্ধিবৰ সময়ত, কামৰ মাজত, জিৰণিৰ বেলাত, সকলোতে নানা আকাৰত বিনোদিনীৰ সেৱা-শুশ্ৰূষাৰ পৰশ অনুভৱ

কৰিবলৈ ধৰিলে। বিনোদিনীয়ে তৈয়াৰী কৰি দিয়া উলৰ মোজাই তেওঁৰ ভৰিত আৰু বিনোদিনীয়েই গোঁথা উলৰ মাফলাৰে তেওঁৰ ডিঙিত এটা যেন কোমল মানসিক সংস্পৰ্শৰ দৰে মেৰিয়াই ধৰিছিল। আশাই আজিকালি সখীৰ হাতৰ প্ৰসাধন সানি পৰিপাটি-পৰিচ্ছন্ন হৈ সুন্দৰ বেশেৰে সুবাস ঘঁহি মহেন্দ্ৰৰ ওচৰত থিয় দিয়েহি, তাৰ মাজত অকণমান যেন আন কোনোবা এজনৰ—তেওঁৰ সাজসজ্জাত সৌন্দৰ্য্য-মাধুৰীত, আনন্দ-লহৰিত তেওঁ যেন গঙ্গা-যমুনাৰ দৰে সখীৰ লগত মিলি গৈছে।

বিহাৰীৰ আজিকালি আগৰ দৰে আদৰ নাই—তেওঁক কোনেও মাতি আনিবলৈ নপঠায়। বিহাৰীয়ে মহেন্দ্ৰলৈ লিখি পঠাইছিল, কাইলৈ দেওবাৰ; দুপৰীয়া তেওঁ মহেন্দ্ৰৰ মাকৰ হাতৰ এমুঠি খাবলৈ আহিব। মহেন্দ্ৰই দেখিলে দেওবাৰটো তেনেই মাটি হৈ যাব, লৰালৰিকৈ লিখি পঠালে, দেওবাৰে বিশেষ কামত তেওঁ ক'ৰবালৈ যোৱাৰ কথা আছে।

তথাপি বিহাৰীয়ে খাই-বৈ উঠি এবাৰ মহেন্দ্ৰৰ ঘৰৰ খা-খবৰ ল'বলৈ আহিল। বেহেৰাৰ পৰা শুনিবলৈ পালে, মহেন্দ্ৰ ঘৰৰ পৰা বাহিৰলৈ ওলোৱা নাই। "মহিনদা" বুলি খট্‌খটীৰ পৰাই মাত দি বিহাৰী মহেন্দ্ৰৰ কোঠালৈ গ'ল। মহেন্দ্ৰই অপ্ৰস্তুত হৈ ক'লে, "বৰ মূৰ কামুৰিছে আজি।" এইবুলি কৈয়েই গাৰুটোত ঢলি পৰিল। আশাই সেই কথা শুনি আৰু মহেন্দ্ৰৰ মুখৰ ভাব দেখি ব্যস্ত হৈ উঠিল—কি কৰা উচিত, স্থিৰ কৰিবৰ কাৰণে বিনোদিনীৰ মুখৰ পিনে চালে। বিনোদিনীয়ে বঢ়িয়াকৈ বুজি পাইছিল যে, কথা সিমান গুৰুতৰ নহয়। তথাপি অতি উদ্বিগ্ন-কণ্ঠেৰে ক'লে, "বহুত সময় বহি আছে, অলপ শোৱক। মই ওডিকলোন অনাই দিওঁ।"

মহেন্দ্ৰই ক'লে, "থাকক দিয়া, নহ'লেও হ'ব।"

বিনোদিনীয়ে নুশুনিলে। বেগাবেগিকৈ ওলাই গৈ বৰফ-পানীত ওডিকলোন মিহলাই আনি দিলেহি। আশাৰ হাতত তিতি থকা ৰুমালখন দি ক'লে, "মহেন্দ্ৰ বাবুৰ মূৰত বান্ধি দিয়া।"

মহেন্দ্ৰই কেইবাবাৰো ক'লে, "হ'ব হ'ব, নেলাগে।" বিহাৰীয়ে উঠি অহা হাঁহিটোক হেঁচা দি এই অভিনয় চাবলৈ লাগিল। মহেন্দ্ৰই সগৰ্ব্বে ভাবিলে, "বিহাৰীটোৱে চাওক, মোৰ কিমান আদৰ।"

আশাই বিহাৰীৰ সমুখত লাজত কঁপি উঠা হাতখনেৰে ভালকৈ বান্ধিব

পৰা নাছিল—কেইটোপমান ওডিকলোন বৈ আহি মহেন্দ্ৰৰ চকুত সোমাল। বিনোদিনীয়ে আশাৰ হাতৰ পৰা ৰুমালখন লৈ নিপুণ হাতেৰে বান্ধি দিলে আৰু এটুকুৰা ফটাকানি ওডিকলোনত তিয়াই অলপ অলপকৈ চেপি দিবলৈ লাগিল। মূৰৰ ওৰণিখন টানি লৈ আশাই বিচিবলৈ ধৰিলে।

বিনোদিনীয়ে স্নিগ্ধ কণ্ঠেৰে সুধিলে, "মহেন্দ্ৰবাবু, অলপ সকাহ পাইছে নে?"

এইদৰে কণ্ঠস্বৰত মৌ বৰষি বিনোদিনীয়ে টুপুকৃকৈ এবাৰ বিহাৰীৰ পিনে চাই ল'লে। দেখিলে, বিহাৰীৰ চকুত কৌতুকৰ হাঁহি। গোটেই ঘটনাটো যে প্ৰহসন, তেওঁৰ চকুত ধৰা পৰি গৈছে। বিনোদিনীয়ে বুজিলে, এই মানুহজনক ফাকি দিয়া টান—একোৱেই চকুৰ আগৰ পৰা সাৰি নেযায়।

বিহাৰীয়ে হাঁহি হাঁহি ক'লে, "বিনোদ বৌ-দেউ, এনেকুৱা শুশ্ৰূষা পাবলৈ হ'লে নৰিয়াৰ সকাহ নহ'ব, বৰং বাঢ়িহে যাব।"

বিনোদিনী। সেইটো নো কেনেকৈ কওঁ, আমি হ'লোঁ মূৰ্খমতি তিৰোতা মানুহ। আপোনালোকৰ ডাক্তৰী শাস্ত্ৰত হবলা এইদৰেই লিখা আছে।

বিহাৰী। আছে নিশ্চয়। শুশ্ৰূষা দেখি মোৰো কপাল টনটনাই উঠিছে। কিন্তু এই পোৰা-কপাল বিনা-চিকিৎসাতেই আৰোগ্য হ'ব লাগিব। মহিনদাৰ কপালৰ জোৰ বেচি।

বিনোদিনীয়ে তিতি থকা কাপোৰখন থৈ ক'লে, "লাভ নাই, বন্ধুৰ চিকিৎসা বন্ধুৱেই কৰক।"

বিহাৰীয়ে কাণ্ড-কাৰখানাবোৰ দেখি ভিতৰি ভিতৰি বিৰক্তি অনুভৱ কৰিছিল। এই কেইদিন তেওঁ পঢ়া-শুনাত ব্যস্ত আছিল। ইতিমধ্যে মহেন্দ্ৰ, বিনোদিনী আৰু আশাই মিলি-জুলি ঘটনা ইমানদূৰলৈ আগুৱাই দিছে বুলি তেওঁ নেজানিছিল। আজি তেওঁ বিনোদিনীৰ ওপৰত বিশেষ ধৰণে চকু দিলে, বিনোদিনীয়েও তেওঁক চাই ল'লে।

বিহাৰীয়ে অলপ চোকা মাতেৰেই কলে, "বেচ কথা। বন্ধুৰ চিকিৎসা বন্ধুৱেই কৰিব। ময়েই মূৰ-কামোৰণি লৈ আহিছিলোঁ, ময়েই তাক লগত লৈ উভতিছোঁ। ওডিকলোন আৰু বাজে খৰচ কৰিব নেলাগে।" আশাৰ

পিনে চাই কলে, "বৌদেউ, চিকিৎসা কৰি ৰোগ আঁতৰোৱাতকৈ ৰোগ হ'বলৈ নিদিয়াটো বেচি ভাল।"

১৬

বিহাৰীয়ে ভাবিলে, "আৰু দূৰত থাকিলে নচলিব, যেনেকৈয়ে হওক, এওঁলোকৰ মাজতেই মযো এটুকুৰা ঠাই উলিয়াই ল'ব লাগিব। এওঁলোকৰ কোনেও মোক নিবিচাৰে, তথাপি মই থাকিবই লাগিব।"

বিহাৰীয়ে আহ্বান-অভ্যৰ্থনালৈ প্ৰতীক্ষা নকৰাকৈয়ে মহেন্দ্ৰৰ ব্যূহৰ ভিতৰত প্ৰবেশ কৰিবলৈ ধৰিলে। বিনোদিনীক ক'লে, "বুজিছা বিনোদ-বৌদেউ, এই ল'ৰাটোক তেওঁৰ মাকে মাটি কৰিছে, বন্ধুৱে মাটি কৰিছে, ঘৈণীয়েকে মাটি কৰিছে—তুমিও সেইটো দলতে উজান নিদি এটা নতুন বাট দেখুৱাই দিয়া—তোমাৰে শপত।"

মহেন্দ্ৰ। তাৰ মানে—

বিহাৰী। মানে মোৰ দৰে মানুহক, যাক কোনেও কেতিয়াও লেখতে [illegible]বে—

মহেন্দ্ৰ। তেওঁক মাটি কৰা। মাটি হ'বৰ কাৰণে প্ৰাৰ্থী হোৱা সহজ নহয় হে বিহাৰী, কেৱল দৰখাস্ত দিলেই নহয়।

বিনোদিনীয়ে হাঁহি ক'লে, "মাটি হ'বৰ ক্ষমতা থাকিব লাগিব, বিহাৰীবাবু।"

বিহাৰীয়ে ক'লে, "নিজগুণ নেথাকিলেও হাতৰ গুণতে হৈ যাব পাৰে। এবাৰ আগৈ দিয়েই চোৱাচোন।"

বিনোদিনী। আগৰ পৰা সাজু হৈ আহিলে একোৱেই নহয়, অসাৱধান হৈ থাকিব লাগে। কি কোৱা, চকুৰ কুটা। তোমাৰ এই দেৱৰৰ ভাৰ তুমিয়েই লৈ চোৱাচোন।

আশাই তেওঁক দুটা আঙুলিৰে ঠেলি দিলে। বিহাৰীয়েও এই ঠাট্টাত যোগ নিদিলে। আশাৰ সম্পৰ্কে বিহাৰীয়ে যে কোনো ঠাট্টাই সহিব নোখোজে, এই কথাটো বিনোদিনীৰ চকুৰ পৰা সাৰি নগ'ল। বিহাৰীয়ে আশাক শ্ৰদ্ধা কৰে আৰু বিনোদিনীকে পাতল কৰি তুলিবলৈ বিচাৰে, এই

কথাটোৱে বিনোদিনীক আঘাত দিলে।

তেওঁ পুনৰ আশাক ক'লে, "তোমাৰ এই ভিক্ষুক দেৱৰটিয়ে মোক উপলক্ষ্য কৰি তোমাৰ ওচৰতেই আদৰ ভিক্ষা কৰিবলৈ আহিছে—কিবা অলপ দিয়া।"

আশা খুব বিৰক্ত হৈ পৰিল। অলপ সময়ৰ কাৰণে বিহাৰীৰ মুখখন ৰঙা প'ৰি উঠিল, তাৰ পাচত হাঁহি হাঁহি বিহাৰীয়ে কলে, "কেৱল মোৰ বেলিকাই হবলা আনৰ ওপৰত জাপি দিয়াৰ চেষ্টা, কিন্তু মহিনদাৰ লগত হবলা নগদ কাৰবাৰ।"

বিহাৰীয়ে যে সকলোবোৰ লণ্ডভণ্ড কৰিবলৈ আহিছে, সেই কথা বুজি পাবলৈ বিনোদিনীৰ বাকী নেথাকিল। আৰু বুজি পালে, বিহাৰীৰ সমুখত সশস্ত্র হৈ থাকিব লাগিব।

মহেন্দ্র অলপ বিৰক্ত হ'ল। মুকলিকৈ কোৱা কথাত কবিত্বৰ মাধুৰ্য্য নষ্ট হয়। তেওঁ অলপ চোকা ভাষাতেই ক'লে, "বিহাৰী, তোমাৰ মহিনদা কোনো কাৰবাৰতেই সোমোৱা মানুহ নহয়—হাতৰ মুঠিত যিখিনি আছে, সেই খিনিকে লৈয়েই সন্তুষ্ট।"

বিহাৰী। নিজে হয়তো নোসোমাব পাৰা—কিন্তু ভাগ্যত লিখা থাকিলে কাৰবাৰৰ ঢৌ বাহিৰৰ পৰা আহিও লাগি যাব পাৰে।

বিনোদিনী। সম্প্রতি আপোনাৰ হাতৰ মুঠিত একোৱেই নাই, কিন্তু আপোনাৰ ঢৌ বা কোনপিনৰ পৰা আহি লাগিছেহি।—এইবুলি কৈয়েই এটা কটাক্ষ হানি হাঁহি হাঁহি আশাক চিকুটি দিলে। আশাই বিৰক্তি পাই উঠি গল। বিহাৰীয়ে হাৰ মানি খণ্ডত নীৰৱ হৈ গল ; উঠিবলৈ উপক্রম কৰোতেই বিনোদিনীয়ে ক'লে, "হতাশ হৈ উলটিব নেলাগে, বিহাৰীবাবু। মই চকুৰ কুটাক পঠাই দিওঁগৈ বাৰু।"

বিনোদিনী উঠি যোৱাৰ লগে লগে সভাভঙ্গ হোৱা দেখি মহেন্দ্রৰ মনে মনে খং উঠিল! মহেন্দ্রৰ অপ্রসন্ন মুখ দেখি বিহাৰীৰ কদ্ধ আবেগ উচ্ছ্বসিত হৈ উঠিল। তাৰ পাচত ক'লে, "মহিনদা, নিজৰ সৰ্ব্বনাশ কৰিবলৈ ওলাইছা, কৰা। সেইটো তোমাৰ অভ্যাসতে পৰিণত হৈছে। কিন্তু যিগৰাকী সৰলহৃদয়া সতীয়ে তোমাক একান্তৰূপে বিশ্বাস কৰি আশ্রয় স্বৰূপে লৈছে, তেওঁৰ সৰ্ব্বনাশ নকৰিবা। এতিয়াও কৈছোঁ, তেওঁৰ সৰ্ব্বনাশ নকৰিবা।"

কোৱাৰ লগে লগে বিহাৰীৰ কণ্ঠ ৰুদ্ধ হৈ আহিল।

মহেন্দ্ৰই খংখিনি দমাই ক'লে,"বিহাৰী, তোমাৰ কথা মই একোৱেই বুজি পোৱা নাই। প্ৰহেলিকাৰ স্বষ্টি নকৰি স্পষ্ট কথা কোৱা।"

বিহাৰীয়ে ক'লে, "স্পষ্টই ক'ম। বিনোদিনীয়ে তোমাক ইচ্ছা কৰিয়ে অধৰ্ম্মৰ বাটলৈ টানি নিবলৈ ধৰিছে। আৰু তুমি অজ্ঞাতসাৰেই মূৰ্খৰ দৰে অবাটেদি যাবৰ কাৰণে ভৰি আগবঢ়াই দিছা।"

মহেন্দ্ৰই গুজৰি উঠিল, "মিছা কথা। তুমি যদি ভদ্ৰঘৰৰ ছোৱালীক এনে অন্যায় সন্দেহৰ চকুৰে চোৱা, তুমি অন্তঃপুৰত ভৰি দিয়াই অনুচিত।"

এনে সময়তে এখন কাঁহীত কিছু মিঠাই লৈ বিনোদিনীয়ে হাঁহি মুখেৰে বিহাৰীৰ সমুখত থ'লেহি। বিহাৰীয়ে ক'লে, "এইবোৰ আকৌ কি! মোৰ যে ভোকেই লগা নাই।'

বিনোদিনীয়ে ক'লে, "সেইটো জানো হ'ব পাৰে! যোৱাৰ আগতে মুখত মিঠা বস্তু কিবা এটা দিহে যাব পাৰিব।"

বিহাৰীয়ে হাঁহি মাৰি ক'লে, "মোৰ দৰখাস্ত হবলা মঞ্জুৰ হ'ল। সমাদৰ আৰম্ভ হ'ল।"

"বিনোদিনীয়ে এটা চেষ্টাৰ হাঁহি বিৰিঙাই ক'লে,"আপুনি দেৱৰ যেতিয়া, সম্পৰ্কৰ জোৰ এটা আছেই। য'ত দাবী কৰিব পাৰি, তাত ভিক্ষা কৰাৰ প্ৰয়োজন। আদৰ যে কাঢ়িয়েই ল'ব পাৰে। আপুনি কি কয়, মহেন্দ্ৰবাবু।"

মহেন্দ্ৰবাবুৰ মুখত তেতিয়া কথা ফুটিব খোজা নাছিল।

বিনোদিনী। বিহাৰীবাবু, লাজ কৰি যাব খুজিছে নে খং কৰি? আৰু কাৰোবাক মাতি দিব লাগিব নেকি?

বিহাৰী। কোনো প্ৰয়োজন নাই। যিখিনি পাইছোঁ, সেয়েই বহুত।

বিনোদিনী। ঠাট্টা? আপোনাৰ লগত দেখিছোঁ কোনোমতেই নোৱাৰি। মিঠাই খুৱাইয়ো মুখ বন্ধ কৰিব নোৱাৰি।

ৰাতি আশাই মহেন্দ্ৰৰ ওচৰত বিহাৰীৰ প্ৰতি ক্ৰোধ প্ৰকাশ কৰিলে— মহেন্দ্ৰই আনদিনৰ দৰে হাঁহি উৰাই নিদিলে—সম্পূৰ্ণ যোগ দিলে।

ৰাতিপুৱা উঠিয়েই মহেন্দ্ৰ বিহাৰীৰ ঘৰলৈ গ'ল। আৰু ক'লে, "বিহাৰী, বিনোদিনী হেজাৰ হওক ঘৰৰ ছোৱালী নহয়—তুমি আগত থাকিলে তেওঁ যেন অলপ বিৰক্ত হয়।"

বিহাৰীয়ে ক'লে, "হয় নেকি ? তেনেহ'লে কামটো বৰ ভাল হোৱা নাই। তেওঁ যদি আপত্তি কৰে, তেওঁৰ ওচৰলৈ নেযাওঁ বাৰু।"

মহেন্দ্ৰ নিশ্চিন্ত হ'ল। ইমান সহজতে যে এই অপ্ৰিয় কথাৰ ওৰ পৰিব, সেইটো তেওঁ ভাবিবই পৰা নাছিল। বিহাৰীক মহেন্দ্ৰই অলপ সমীহ কৰি চলে।

সেই দিনাখনেই বিহাৰীয়ে মহেন্দ্ৰৰ অন্তঃপুৰলৈ গৈ ক'লে, "বিনোদ-বৌদেউ, ক্ষমা কৰিব লাগে মোক।"

বিনোদিনী। কিয়, বিহাৰীবাবু।

বিহাৰী। মহেন্দ্ৰৰ পৰা শুনিলোঁ, মই অন্তঃপুৰত আপোনাৰ সমুখত ওলাওঁ বুলি আপুনি হেনো বিৰক্ত হৈছে। সেইবাবে ক্ষমা খুজিয়েই বিদায় লওঁ।

বিনোদিনী। সেইটো কেনেকৈ হ'ব পাৰে, বিহাৰীবাবু। মই আজি আছো, কাইলৈ নাই। আপনি আকৌ মোৰ কাৰণে কিয় বিদায় লবলৈ যাব। ইমান গণ্ডগোল হ'ব বুলি জনা হ'লে, মই ইয়ালৈ নাহিলোঁৱেই-হেঁতেন।"

এইবুলি কৈয়েই বিনোদিনীয়ে মুখখন ম্লান কৰি যেন চকুপানী মুচিবৰ কাৰণে বেগাবেগিকৈ তাৰ পৰা আঁতৰি গ'ল।

বিহাৰীয়ে অলপ সময়ৰ কাৰণে মনে মনে ভাবিলে, "মিছা সন্দেহ কৰি মই বিনোদিনীক অন্যায় আঘাত দিলোঁ।"

সেইদিনা সন্ধিয়া ৰাজলক্ষ্মীয়ে বিপন্নৰ দৰে আহি ক'লেহি, "মহিন, বিপিনৰ ঘৈনীয়েকে দেখোন ঘৰলৈ যাওঁ বুলি খটবান্ধ লগাইছে।"

মহেন্দ্ৰই ক'লে, "কিয় মা, ইয়াতনো তেওঁৰ কি অসুবিধা হৈছে ?"

ৰাজলক্ষ্মী। অসুবিধা নহয়। তেওঁ কৈছে, তেওঁৰ নিচিনা কম বয়সৰ বিধবা মানুহ এজনী আনৰ ঘৰত বেচি দিন থাকিলে, মানুহে নিন্দা কৰিব।

মহেন্দ্ৰই ক্ষুব্ধ কণ্ঠেৰে ক'লে, "এইটো হবলা আনৰ ঘৰ।"

বিহাৰী বহি আছিল—মহেন্দ্ৰই তেওঁৰ প্ৰতি ভৎ'সনা-মিহলি দৃষ্টি নিক্ষেপ কৰিলে।

অনুতপ্ত বিহাৰীয়ে ভাবিলে, "কালি মোৰ কথাবোৰত যেন অকথমান নিন্দাৰ আভাস আছিল; বিনোদিনীয়ে বোধকৰোঁ সেইবাবেই বেজাৰ

পাইছে।"

স্বামী আৰু স্ত্ৰী দুয়ো মিলি বিনোদিনীৰ ওপৰত অভিমান কৰি বহিল।

এজনে ক'লে, "আমাক হবলা পৰ বুলি ভাবা!" আনজনে ক'লে, "ইমান দিন পাচত আমিও পৰ হৈ গ'লোঁ।"

বিনোদিনীয়ে ক'লে, "মোক জানো তোমালোকে চিৰদিন ধৰি ৰাখিবা।"

মহেন্দ্ৰই ক'লে, "আমাৰ সিমান আস্পৰ্ধা ক'ত।"

আশাই ক'লে, "তেন্তে কিয় এনেকুৱাকৈ আমাৰ মনবোৰ কাঢ়ি লৈছিলা।"

সেইদিনা একোৱেই সিদ্ধান্ত নহ'ল। বিনোদিনীয়ে ক'লে, "নহয় ভাই, উচিত নহয়, দুদিনৰ কাৰণে মায়া বঢ়োৱা ভাল কথা নহয়।" এইবুলি কৈ ব্যাকুল-চকুৰে মহেন্দ্ৰৰ মুখৰ পিনে চালে।

পাচদিনা বিহাৰীয়ে আহি ক'লেহি, "বিনোদ-বৌদেউ, যোৱাৰ কথা কিয় উলিয়াইছে। কিবা দোষ কৰিছোঁ নেকি—তাৰেই শাস্তি হবলা!"

বিনোদিনীয়ে মুখখন অলপ ঘূৰাই লৈ ক'লে, "দোষ আপুনি কিয় কৰিব, মোৰেই অদৃষ্টৰ দোষ।"

বিহাৰী। আপুনি যদি গুচি যায়গৈ, তেতিয়া হ'লে মোৰ এই ধাৰণা ৰৈয়েই যাব যে, মোৰ ওপৰতে খং কৰি গুচি গ'লগৈ।

বিনোদিনীয়ে তেওঁৰ কৰুণ চকুযুৰিত মিনতি সানি বিহাৰীৰ মুখৰ পিনে চালে; আৰু ক'লে, "মোৰ জানো থকা উচিত, আপুনিয়েই কওক।"

বিহাৰী অলপ মস্কিলত পৰিল। থকা উচিত বুলিনো কেনেকৈ কয়। তথাপি ক'লে, "আপুনি অৱশ্যে যাবই লাগিব, কিন্তু আৰু দুই-চাৰিদিন জানিবা থাকিয়েই গ'ল, তাতে নো ক্ষতি কি।"

বিনোদিনীয়ে চকুযুৰি তললৈ নমাই ক'লে, "আপোনালোক সকলোৱেই মোক থাকিবৰ কাৰণে অনুৰোধ কৰিছে—আপোনালোকৰ কথা দলিয়াই পেলাই গুচি যোৱাটো মোৰ পক্ষে কঠিন—কিন্তু আপোনালোকে মোৰ প্ৰতি ডাঙৰ অন্যায় কৰিছে।"

কথাৰ লগে লগে তেওঁৰ ঘন আৰু দীঘল চকুৰ পাহি দুটাৰ পৰা কেইটোপালমান ডাঙৰ ডাঙৰ চকু-লো খহি পৰিল।

বিহাৰীয়ে এই নীৰৱ অজস্ৰ অশ্ৰুকণা দেখি ব্যাকুল হৈ উঠিল, "মাত্ৰ

কেইদিনমানৰ কাৰণে আহি আপোনাৰ গুণেৰে সকলোকে বশ কৰি পেলালে, সেইবাবেই কোনেও আপোনাক এৰি দিব নোখোজে—একো দোষ নধৰিব বিনোদ-বৌদেউ, এনেকুৱা লখিমী এগৰাকীক ইচ্ছা কৰি কোনে বাৰু বিদায় দিব পাৰে!”

আশাই এচুকত ওৰণি টানি বহি আছিল, তেওঁ আঁচলৰ আগেৰে ঘন ঘনকৈ চকু মচিবলৈ লাগিল।

ইয়াৰ পাচত বিনোদিনীয়ে আৰু যোৱাৰ কথা নুতুলিলে।

## ১৭

মাজৰ এই গোলমালবোৰ মনৰ পৰা একেবাৰে মচি পেলাবৰ কাৰণে মহেন্দ্ৰই প্ৰস্তাৱ কৰিলে, “অহা দেওবাৰে দমদমৰ বাগিচাত বন-ভোজ খাবলৈ গ'লে কেনে হয়!”

আশাই খুব আগ্ৰহ দেখুৱালে। বিনোদিনীয়ে কোনোমতেই সম্মতি প্ৰকাশ নকৰিলে। মহেন্দ্ৰ আৰু আশা বিনোদিনীৰ আপত্তিত গভীৰভাৱে মৰ্ম্মাহত হৈ পৰিল। তেওঁলোকে মনে মনে ভাবিলে, আজিকালি বিনোদিনীয়ে যেন দূৰে দূৰে আঁতৰি ফুৰিবলৈ বিচাৰিছে।

আবেলি বিহাৰী অহাৰ লগে লগে বিনোদিনীয়ে ক'লে, “চাওকচোন বাৰু বিহাৰীবাবু, মহিনবাবু বোলে দমদমৰ বাগিচাত বন-ভোজ খাবলৈ যায়, মই লগত যাব খোজা নাই দেখি আজি পুৱাৰ পৰা দুয়োজনৰে মোৰ ওপৰত খং।”

বিহাৰীয়ে ক'লে, “অন্যায়কৈ খং কৰা নাই। আপুনি নগ'লে এওঁলোকৰ বন-ভোজত যিটো কাণ্ড ঘটিব, সাত শতৰুৰ কপালতো যেনে তেনে নঘটে।”

বিনোদিনী। ব'লক না, বিহাৰীবাবু। আপুনিও যদি যায়, মই যাবলৈ ৰাজী আছোঁ।

বিহাৰী। বেচ কথা। কিন্তু কৰ্ত্তাৰ ইচ্ছাতহে কৰ্ম্ম, কৰ্ত্তাই বা কি কয়।

বিহাৰীৰ প্ৰতি বিনোদিনীৰ এই বিশেষ পক্ষপাতিতা দেখি কৰ্ত্তা আৰু গৃহিণী উভয়েই মনে মনে ক্ষুণ্ণ হ'ল। বিহাৰীক লগত লোৱাৰ প্ৰস্তাৱত মহেন্দ্ৰৰ আধাখিনি উৎসাহ কমি গৈছিল। বিহাৰীৰ উপস্থিতি বিনোদিনীৰ

কাৰণে সকলো সময়তে অপ্ৰিয়, এই কথাষাৰকে বন্ধুৰ মনত মুদ্ৰিত কৰি দিয়াত মহেন্দ্ৰ অতি ব্যস্ত—কিন্তু ইয়াৰ পাচত যে বিহাৰীক আটক কৰি ৰখা অসাধ্য হৈ উঠিব।

মহেন্দ্ৰই ক'লে, "বেচ কথা, একো বেয়া নহয়। কিন্তু বিহাৰী, তুমি যেনিয়েই যোৱা তাতে এটা গণ্ডগোল নলগোৱাকৈ নেৰা। হয়তো তাত গৈ ৰাজ্যৰ ল'ৰা-ছোৱালী কিছুমান গোট খুৱাই বহিবা, নাইবা কোনোবা গোৰা চিপাহীৰ লগত মাৰ-পিট লগাই বহিবা—একো ঠিক নাই।"

বিহাৰীয়ে মহেন্দ্ৰৰ আন্তৰিক অনিচ্ছা ধৰিব পাৰি মনে মনে হাঁহিলে। ফুটাই ক'লে, "সেয়েই তো সংসাৰৰ মজা, ক'ত কি ঘটে, ক'ৰ পৰা কি গণ্ডগোল লাগে, আগৰ পৰা কোৱাটো জানো সম্ভৱপৰ। বিনোদ-বৌদেউ, ৰাতিপুৱাতেই যাব লাগিব কিন্তু; মই বাৰু ঠিক সময়তে ওলামহি।"

দেওবাৰে ৰাতিপুৱা বস্তু-বেহানি আৰু চাকৰ-বাকৰৰ কাৰণে এখন থাৰ্ড ক্লাচ আৰু গৰাকীৰ কাৰণে এখন চেকেণ্ড ক্লাচ গাড়ী ভাৰা কৰি অনা হৈছিল। বিহাৰীয়ে প্ৰকাণ্ড এটা পেকিং-বাক্স লগত লৈ যথাসময়ত উপস্থিত হ'লহি। মহেন্দ্ৰই ক'লে, "সেইটো আকৌ কি আনিলা। চাকৰবিলাকৰ গাড়ীত যে আৰু ঠায়েই নাই।"

বিহাৰীয়ে ক'লে, "ব্যস্ত হ'ব নেলাগে, দাদা। মই সকলোবোৰ ঠিক কৰি দিম।"

বিনোদিনী আৰু আশা দুয়ো গাড়ীৰ ভিতৰত বহিলহি। বিহাৰীক লৈ কি কৰিব, মহেন্দ্ৰই সেই কথাটোকে ভাবি অলপ চিন্তিত হৈ পৰিছিল। বিহাৰীয়ে বাকচটো গাড়ীৰ ওপৰত তুলি দি নিজে ঘপ্‌কৈ কোচ্‌বক্সত বহিলগৈ।

মহেন্দ্ৰই স্বস্তিৰ নিশ্বাস পেলালে। তেওঁ ভাবিছিল, "বিহাৰীয়ে ভিতৰতে বহি লৈ কিবা এটা কৰি বহে নেকি, ঠিক নাই।" বিনোদিনীয়ে ব্যস্তভাৱে ক'বলৈ লাগিল, "বিহাৰীবাবু চাব, পৰিব লাগিলে।"

বিহাৰীয়ে শুনিবলৈ পাই ক'লে, "ভয় নকৰিব, পতন আৰু মূৰ্চ্ছা—সেইটো মোৰ পাৰ্টত নাই।"

গাড়ী চলিবলৈ ধৰাৰ লগে লগেই মহেন্দ্ৰই ক'লে, "নহ'লে মৱেই

ওপৰত বহোঁগৈ, বিহাৰীক ভিতৰলৈ পঠাই দিও।"

আশাই অতি ব্যস্তভাৱে তেওঁৰ চাদৰখন মুঠি মাৰি লৈ ক'লে, "নহয় নহয়, তুমি যাব নোৱাৰা।"

বিনোদিনীয়ে ক'লে, "আপোনাৰ অভ্যাস নাই। লাভ কি, হঠাৎ যদি পৰি যায়।"

মহেন্দ্ৰই উত্তেজিত হৈ ক'লে, "পৰি যাম? কেতিয়াও নহয়।" এই বুলি কৈয়েই বাহিৰলৈ ওলাব খুজিছিল।

বিনোদিনীয়ে ক'লে, "আপুনি বিহাৰীবাবুক দোষ দিয়ে, আপুনিয়েই দেখোন গোলমাল লগোৱাত অদ্বিতীয়।"

মহেন্দ্ৰই মুখখন ওফোন্দাই ক'লে, "বেচ, নহ'লে এটা কাম কৰোঁ। মই এখন বেলেগ গাড়ী ভাৰা কৰোঁ, বিহাৰী ভিতৰতে বহকছি।"

আশাই ক'লে, "তেতিয়া হ'লে ময়ো তোমাৰ লগতে যাম।"

বিনোদিনীয়ে ক'লে, "আৰু মই হবলা গাড়ীৰ পৰা জঁপিয়াই পৰিব লাগে।" এনেকৈয়ে হুলস্থূল এটা লাগি কথাটো হেঁচা পৰি ৰৈ গ'ল।

মহেন্দ্ৰই গোটেই বাটটো মুখখন গম্ভীৰ কৰি ৰ'ল।

দমদমৰ বাগিচাত গাড়ী ওলালহি। চাকৰবিলাকৰ গাড়ী বহু আগতেই এৰি দিয়া হৈছিল, তথাপি সেই গাড়ীৰ খা-খবৰেই নাই।

শৰতকালৰ এটা মধুৰ পুৱা। ৰ'দ ওলোৱাৰ লগে লগে নিয়ঁৰবোৰ শুকাই গ'ল, কিন্তু গছ-পাতবোৰ নির্ম্মল পোহৰত জিকমিকাই উঠিছে। দেৱালৰ কাষতে শেৱালি গছৰ শাৰী, গছ-তলখিনি ফুলেৰে ঢাক খাই গোন্ধেৰে আমোলমোলাই আছে।

কলিকতাৰ ইটাৰ প্ৰাচীৰে ঘেৰা জীৱনৰ পৰা এই বাগিচাৰ মাজত মুক্তি লাভ কৰি আশা বনৰ হৰিণীৰ দৰে উল্লাসত অধীৰ হৈ উঠিল। বিনোদিনীক লগত লৈ তেওঁ ৰাশি-ৰাশি ফুল বুটলিলে, গছৰ পৰা পকা পকা আতলাচ পাৰি গছৰ তলত বহি খালে, দুয়ো সখীয়ে পুখুৰীৰ পানীত নামি বহুত সময়লৈকে গা ধুলে। এই দুগৰাকী নাৰীয়ে মিলি এটি নিৰৰ্থক আনন্দত —গছৰ ছাঁয়া আৰু ডালৰ ফাকেদি নামি অহা পোহৰ, পুখুৰীৰ পানী আৰু বাগিচাৰ ফুল-ডালবোৰক যেন পুলকিত সচেতন কৰি তুলিলে।

গা ধুই আহি দুয়ো সখীয়ে দেখিলে, চাকৰবিলাকৰ গাড়ীখন তেতিয়াও

আহি পোৱা নাই। মহেন্দ্ৰই ঘৰৰ বাৰাণ্ডাত এখন খাটৰ ওপৰত বহি অতি শুকান-মুখেৰে এখন বিলাতী দোকানৰ বিজ্ঞাপন পঢ়ি আছে।

বিনোদিনীয়ে সুধিলে, "বিহাৰীবাবু ক'লৈ গ'ল!"

মহেন্দ্ৰই সংক্ষেপতে ক'লে, "জানো।"

বিনোদিনী। ব'লক, তেওঁক বিচাৰি উলিয়াওঁগৈ।

মহেন্দ্ৰ। তেওঁক কোনোবাই চুৰ কৰি নিয়াৰ কোনো আশঙ্কা নাই। নিবিচাৰিলেও পোৱা যাব।

বিনোদিনী। কিন্তু তেওঁ হয়তো আপোনাৰ কাৰণে ভাবি মৰিছে, জানোচা দুৰ্লভ ৰত্ন হেৰাই যায়। তেওঁক সান্ত্বনা দি অহা যাওক।

পুখুৰীৰ পাৰতে ইটাৰে বন্ধোৱা ভেঁটিৰে সৈতে এজোপা প্ৰকাণ্ড বৰ গছ আছে। বিহাৰীয়ে সেই ঠাইতে পেকিং-বক্সটো খুলি এটা কেৰাচিনৰ ষ্টোভ উলিয়াই পানী গৰম কৰিবলৈ লাগিছে। সকলোবোৰ অহাৰ লগে লগে কৰি সেই পকা বেদীৰ ওপৰত বহুৱাই একাপ গৰম চাহ আৰু এক পিৰিচ্‌ কৈ মিঠাই আগত দিলেহি। বিনোদিনীয়ে বাৰে বাৰে ক'বলৈ ধৰিলে, "ভাগ্য ভাল, বিহাৰীবাবুৱে এই ব্যৱস্থা কৰি আনিছিল, সেই বুলিয়েই ৰক্ষা। ন'হলে চাহ খাবলৈ নেপাই মহেন্দ্ৰবাবুৰ কি যে দুৰ্দশা ন'হলহেঁতেন।"

চাহ খাবলৈ পাই মহেন্দ্ৰ ৰক্ষা পৰিল, তথাপি ক'লে, "বিহাৰীৰ সকলো কথাতে অতিৰিক্ত। বন-ভোজ খাবলৈ আহিছোঁ, তালৈকো গোটেইবোৰ আয়োজন পকা কৰি আহিছে। তেতিয়া ফুৰ্ত্তিটো কমি যায়।"

বিহাৰীয়ে ক'লে, "বেচ তেন্তে। তোমাৰ চাহকাপ নোখোৱাকৈ তুমি ফুৰ্ত্তি কৰঁাগৈ যোৱা। বাধা নিদিওঁ বাৰু।"

সময় বহুত হ'ল, তথাপি চাকৰবোৰ আহি নোলালহি। বিহাৰীৰ বাকচৰ পৰা আহাৰৰ সকলোবোৰ সৰঞ্জাম ওলাবলৈ লাগিল। চাউল-ডাইল, শাক-পাচলি আৰু সৰু সৰু বটলত গুড়ি-গুড়ি মছলা আবিষ্কৃত হ'বলৈ ধৰিলে। বিনোদিনীয়ে আচৰিত হৈ ক'বলৈ ধৰিলে, "বিহাৰীবাবু, আপুনি দেখিছোঁ আমাকো চেৰাই গ'ল। ঘৰত তো গৃহিণীয়েই নাই, তথাপি এইবোৰ শিকিলে ক'ৰ পৰা!"

বিহাৰীয়ে ক'লে, "প্ৰাণৰ দায়তে শিকিছোঁ, নিজৰ যত্ন নিজেই ল'বলগীয়া হয়।"

বিহাৰীয়ে ধেমালিৰ সুৰত কৈছিল, কিন্তু বিনোদিনীয়ে গম্ভীৰ হৈ বিহাৰীৰ মুখত করুণা-মিহলি চকুৰে কৃপা বর্ষণ কৰিছিল।

বিহাৰী আৰু বিনোদিনীয়ে মিলি ৰন্ধা-বঢ়া আৰম্ভ কৰিলে। আশাই ক্ষীণ সংকোচ লৈ হস্তক্ষেপ কৰিব খুজিছিল। বিহাৰীয়ে বাধা দিলে। অপটু মহেন্দ্ৰই সহায় কৰিবৰ কোনো চেষ্টাই নকৰিলে। তেওঁ কেৱল বৰ গছৰ গুৰিটোত আঁউজি এটা ভৰিৰ ওপৰত আনটো ভৰি তুলি কঁপি থকা পাতবোৰৰ ওপৰত ৰ'দৰ লুকাভাকু-খেলা চোৱাত ব্যস্ত হৈ পৰিল।

ৰন্ধা বঢ়া প্ৰায় শেষ হৈ আহিলত বিনোদিনীয়ে ক'লে, "মহিনবাবু, আপুনি এই বৰগছৰ পাত গণি শেষ কৰিব নোৱাৰিব, গা ধুই আহকগৈ যাওক।"

ইমান পৰৰ মূৰত চাকৰৰ দলটো বস্তু-বেহানি লৈ ওলালহি। সিহঁতৰ গাড়ীখন [illegible]টৰ মাজতে ভাঙি গৈছিল। তেতিয়া প্ৰায় দুপৰীয়াই হ'লহি।

খাই-বৈ উঠাৰ পাচত বৰ গছৰ তলতে তাচ খেলাৰ প্ৰস্তাৱ উঠিল। মহেন্দ্ৰই কোনোমতেই সঁহাৰি দিব নোৱাৰিলে আৰু চাই থাকোঁতেই গছৰ ছাঁতে টোপনি গ'ল। আশাই ঘৰটোৰ ভিতৰত সোমাই দুৱাৰ বন্ধ কৰি জিৰণি লোৱাৰ ব্যৱস্থা কৰিলে।

বিনোদিনীয়ে মূৰৰ ওপৰত ওৰণিখন অকণমান টানি লৈ ক'লে, "ময়ো তেনেহ'লে ঘৰৰ ভিতৰলৈকে যাওঁ।"

বিহাৰীয়ে ক'লে, "ক'লৈ যায়, অলপ কথাই পাতোঁ আহক। আপোনা-লোকৰ গাঁৱৰ কথা কওক।"

ক্ষণে ক্ষণে সেই গৰম দুপৰৰ বতাহজাকে গছৰ কুঁহি-পাতবোৰত জিৰ্-জিৰ্ কঁপনি তুলি পাৰ হৈ যাবলৈ ধৰিলে, ক্ষণে ক্ষণে পুখুৰী-পাৰত থকা জামু গছজোপাৰ ঘন-ঘন পাতৰ আঁৰৰ পৰা এটা কুলি চৰায়ে কুহুলিয়াবলৈ লাগিল। বিনোদিনীয়ে তেওঁৰ শৈশৱৰ কাহিনী ক'বলৈ লাগিল, তেওঁৰ মাক-দেউতাকৰ কথা, তেওঁৰ ওমলা দিনৰ বন্ধুৰ কথা। কওঁতে কওঁতে তেওঁৰ মূৰৰ ওৰণিখন খহি পৰিল; বিনোদিনীৰ মুখত যেন খৰ-যৌৱনৰ এটি দৃপ্তি সদায় বিৰাজ কৰিছিল, শৈশৱৰ স্মৃতি-ছাঁয়াই আহি সেই দীপ্তিক যেন স্নিগ্ধ কৰি দিলেহি। বিনোদিনীৰ চকুত যি কৌতুকতীব্ৰ কটাক্ষ দেখা পাই তীক্ষ্ণ দৃষ্টি বিহাৰীৰ মনত এতিয়ালৈকে নানা প্ৰকাৰ সংশয় উপস্থিত

হৈছিল, সেই উজ্জ্বলকৃষ্ণ জ্যোতি যেতিয়া এটি শান্তসজল ৰেখাৰে ম্লান হৈ আছিল—তেতিয়া বিহাৰীয়ে যেন আৰু এটি মানুহৰ সন্ধান পালে। এই দীপ্তিমণ্ডলৰ কেন্দ্রস্থলত থকা কোমল হৃদয়খন এতিয়াও যেন সুধাধাৰাৰে সৰস হৈ আছে, অপৰিতৃপ্ত ৰং-ধেমালি কৌতুক-বিলাসৰ দহন-জ্বালাত এতিয়াও তেওঁৰ নাৰীপ্রকৃতি শুকান হৈ যোৱা নাই। বিনোদিনীয়ে সলজ্জ সতী-স্ত্রীৰ দৰে একান্ত ভক্তিৰে পতিৰ পূজা কৰিছে, কল্যাণময়ী জননীৰ দৰে সন্তানক কোলাত লৈ আছে, এইখন ছবি ইতিপূর্ব্বে মুহূর্ত্তৰ কাৰণেও বিহাৰীৰ মনত উদয় হোৱা নাছিল—আজি যেন ৰঙ্গমঞ্চৰ আঁৰকাপোৰখন ক্ষণিকৰ বাবে উৰি যোৱাত ঘৰৰ ভিতৰৰ এটি মঙ্গলদৃশ্য তেওঁৰ চকুৰ আগত উদ্ভাসিত হৈ পৰিল। বিহাৰীয়ে ভাবিলে, "বিনোদিনী বাহিৰত অৱশ্যে বিলাসিনী যুৱতী, কিন্তু তেওঁৰ অন্তৰত এটি পূজাত মগ্না নাৰীয়ে অহৰ্নিশ তপস্যা কৰি কটাইছে।"

বিহাৰীয়ে হুমুনিয়াহ কাঢ়ি মনে মনে ভাবিলে, "প্রকৃত মানুহজনক মানুহে নিজেই চিনি নেপায়, অৱস্থাৰ পাকচক্রত বাহিৰত যিজন মানুহ গঢ়ি উঠে সংসাৰৰ বাবে তেওঁৱেই সত্য।" বিহাৰীয়ে চিন্তাৰ সোঁতক বাধা নিদিলে,—প্রশ্নৰ পাচত প্রশ্ন কৰি মনৰ ভিতৰত জীপ দি ৰাখিলে; বিনোদিনীয়ে এইবোৰ কথা এনেকৈ ক'বৰ কাৰণে এতিয়ালৈকে মানুহেই পোৱা নাছিল—বিশেষকৈ, কোনো পুৰুষৰ ওচৰতে তেওঁ এনেকৈ আত্মবিস্মৃত স্বাভাৱিক ভাবে কথা কোৱা নাছিল—আজি অজস্র কলকণ্ঠেৰে নিতান্ত সহজ হৃদয়ৰ কথা কৈ উঠাৰ পাচত তেওঁৰ সমস্ত প্রকৃতি যেন বৰষুণৰ নতুন পানীত গা ধুই, স্নিগ্ধ আৰু পৰিতৃপ্ত হৈ পৰিল।

পুৱাতে উঠিবলগীয়া হোৱাত ইমান ক্লান্ত হৈ পৰিছিল যে, মহেন্দ্রৰ টোপনি আবেলি পাঁচ বজাতহে ভাগিল। বিৰক্তি বোধ কৰি ক'লে, "এইবাৰ উভতিবৰ আয়োজন কৰা ভাল।"

বিনোদিনীয়ে ক'লে, "আৰু অলপ সন্ধ্যাৰ পিনে গ'লে কি ক্ষতি হয়।"

মহেন্দ্রই ক'লে, "ওঁ-হো, শেষত দেখিছোঁ নিচাখোৰ গোৰা চিপাহীৰ হাতত পৰিব লাগিল!"

বস্তু-বেহানিবোৰ চাই-চিতি সামৰোঁতে আন্ধাৰেই হৈ আহিল। এনে সময়তে চাকৰ এটাই খবৰ দিলেহি, "ঠিকা গাড়ীখন ক'লৈ গ'ল, বিচাৰিয়েই

পোৱা নাই। গাড়ী বাগিচাৰ বাহিৰতে বৈ আছিল। দুটা গোৰা চিপাহীয়ে গাড়োৱানটোক ডাবি-হুকি দি ষ্টেছনৰ পিনে লৈ গৈছে।"

আন এখন গাড়ী ভাৰা কৰিবলৈ চাকৰবোৰক পঠাই দিয়া হ'ল। বিৰক্ত মহেন্দ্ৰই মনৰ ভিতৰতে ভাবিবলৈ ধৰিলে, "আজি দিনটো মিছাকৈয়ে মাটি হৈ গ'ল।" মনৰ অধৈৰ্য্য তেওঁ কোনোমতেই ঢাকি ৰাখিব নোৱাৰাত পৰিল।

শুক্লপক্ষৰ জোনটো গছৰ ঠাল-ঠেঙুলিৰে ঢাক খাই থকা দিগন্তৰ পৰা মুকলি আকাশলৈ উঠি আহিল। নিস্তব্ধ নিষ্কম্প সেই নিকুঞ্জবন ছাঁ-পোহৰেৰে আকীৰ্ণ হৈ পৰিল। আজিৰ এই মায়াময় পৃথিৱীখনৰ মাজত বিনোদিনীয়ে নিজকে এক অপূৰ্ব্ব ৰূপত অনুভৱ কৰিলে। আজি তেওঁ যেতিয়া তৰু-বীথিকাৰ মাজত আশাক সাৱটি ধৰিলে, তাৰ মাজত প্ৰণয়ৰ লেশমাত্ৰ কৃত্ৰিমতাও নাছিল। আশাই দেখিলে, বিনোদিনীৰ দুই চকুৰেদি চকু-লো বৈ আহিল। আশাই সমবেদনাত অধীৰ হৈ প্ৰশ্ন কৰিলে, "চকুৰ কুটা, তুমি কান্দিছা দেখোন ; কি হ'ল ?"

বিনোদিনীয়ে ক'লে, "একোৱেই হোৱা নাই; মই খুব শান্তিত আছোঁ। আজিৰ দিনটো মোৰ খুব ভাল লাগিল।"

আশাই সুধিলে, "কিহৰ বাবে তোমাৰ ইমান ভাল লাগিল।"

বিনোদিনীয়ে ক'লে, "মোৰ ধাৰণা হৈছে, মই যেন মৰি ভূত হৈ পৰলোকলৈ গুচি আহিছোঁ, আৰু ইয়াত যেন মোৰ সমস্ত সত্তা মিলি যাব পাৰিছে।"

বিস্মিত আশাই ইয়াৰ বিন্দু বিসৰ্গও বুজি নেপালে। তেওঁ কেৱল মৃত্যুৰ কথা শুনি দুখ কৰি ক'লে, "ছিঃ ভাই চকুৰ কুটা, এইবোৰ কথা ক'ব নেপায়।"

গাড়ী পোৱা গ'ল। বিহাৰী আকৌ কোচ-বক্সত উঠিলগৈ। বিনোদিনীয়ে মুখেৰে একো নোকোৱাকৈ বাহিৰৰ পিনে চাই ৰ'ল, জোনাকত থৰ লাগি থকা গছবোৰ নিবিড় এক ছাঁয়া-প্ৰবাহৰ দৰে তেওঁৰ চকুৰ আগেদি পাৰ হৈ যাবলৈ ধৰিলে। আশা গাড়ীৰ এচুকতে টোপনি গ'ল। মহেন্দ্ৰ গোটেই বাটটো মাত-বোল নোহোৱাকৈ বহি থাকিল।

## ১৮

বন-ভোজৰ সেই অমঙ্গলীয়া দিনটোৰ পাচত মহেন্দ্ৰই আৰু এবাৰ বিনোদিনীক ভালকৈ আয়ত্ত কৰি ল'বলৈ বিচাৰিছিল। কিন্তু তাৰ পাচদিনা খনেই ৰাজলক্ষ্মীৰ ইন্‌ফ্লুয়েঞ্জা জ্বৰ আৰম্ভ হ'ল। নৰিয়া যদিও টান নহয়, তথাপি তেওঁৰ দুৰ্ব্বলতা আৰু অসুখ যথেষ্ট। বিনোদিনীয়ে দিনে নিশাই তেওঁৰ সেৱা শুশ্ৰূষা কৰিলে।

মহেন্দ্ৰই ক'লে, "দিনে-নিশাই এনেকৈ খাটিবলৈ হ'লে অৱশেষত তুমিয়েই নৰিয়া-পাটিত পৰিবা। মাৰ শুশ্ৰূষাৰ কাৰণে মই লাগিলে বেলেগ মানুহৰ ব্যৱস্থা কৰি দিওঁ।"

বিহাৰীয়ে ক'লে, "মহিনদা, তুমি ইমান অধৈৰ্য্য নহবাচোন। তেখেতে সেৱা-শুশ্ৰূষা কৰিছে, কৰিবলৈ দিয়া। আন কোনোবাই জানো ইমানখিনি কৰিব পাৰিব।"

মহেন্দ্ৰই ৰোগীৰ কোঠালৈ ঘন-ঘনকৈ অহা-যোৱা আৰম্ভ কৰিলে। মানুহ এজনে যেতিয়া কোনো কামেই নকৰে, অথচ কামৰ সময়ত পাচে পাচে লাগি ফুৰে, তেনেকুৱা এটা পৰিস্থিতি কৰ্ম্মিষ্ঠা বিনোদিনীৰ পক্ষে সম্পূৰ্ণ অসহ্য। তেওঁ বিৰক্ত হৈ দুই-তিনিবাৰ ক'লে, "মহিনবাবু, আপুনি ইয়াত বহি থকাতনো কি সুবিধাটো হৈছে। তাতকৈ যাওক—মিছাকৈয়ে কলেজ ক্ষতি নকৰিব।"

মহেন্দ্ৰই তেওঁক অনুসৰণ কৰা দেখিলে বিনোদিনীয়ে সুখ আৰু গৰ্ব্বই অনুভৱ কৰে, কিন্তু সেই বুলিয়েই এনে কাঙালৰ বেশ, শয্যাশায়ী জননীৰ শয্যাৰ দাতিতো লুব্ধ হৃদয় লৈ বহি থকা দেখিলে, তেওঁৰ ধৈৰ্য্যৰ বান্ধ ভাঙি গৈছিল, ঘৃণা বোধ হৈছিল। কোনো কাম যেতিয়া একান্তৰূপে বিনোদিনীৰ ওপৰতে নিৰ্ভৰ কৰে, তেতিয়া তেওঁৰ আৰু অন্য কোনো খবৰেই নেথাকে। যেতিয়ালৈকে খোৱা-বোৱা, ৰোগীৰ শুশ্ৰূষা আৰু ঘৰৰ কামত তেওঁৰ প্ৰয়োজন, তেতিয়ালৈকে বিনোদিনীক কোনেও অন্যমনস্ক ৰূপত দেখা নাই। তেওঁ নিজেও প্ৰয়োজনৰ সময়ত অপ্ৰয়োজনী কথাৰ ওপৰত দৃষ্টিয়েই নিদিয়ে।

বিহাৰীয়ে অলপ সময়ৰ কাৰণে মাজে মাজে ৰাজলক্ষ্মীৰ খবৰ লবলৈ আহে। ঘৰৰ ভিতৰত ভৰি দিয়েই কত কি বস্তুৰ প্ৰয়োজন বুজি পায়— ক'ত কিহৰ অভাৱ ঘটিছে চকুত পৰি যায়—মুহূৰ্ত্তৰ ভিতৰতে সকলো নিৰ্ণয় কৰি তেওঁ বাহিৰ হৈ যায়। বিনোদিনীয়ে মনেৰে বুজি পাইছিল, বিহাৰীয়ে তেওঁৰ শুশ্ৰূষাক শ্ৰদ্ধাৰ চকুৰে চাইছে। সেইবাবে, বিহাৰী অহাৰ লগে লগেই তেওঁ যেন বিশেষ কিবা পুৰস্কাৰ লাভ কৰিছিল।

মহেন্দ্ৰই ধিক্কাৰ মানিয়েই অতি কঠোৰ নিয়ম পালি কলেজলৈ অহা-যোৱা কৰিবলৈ ধৰিলে। এনেয়েই তেওঁৰ মেজাজ অতি ৰুক্ষ হৈ উঠিছিল, তাৰ ওপৰতে এয়া কি পৰিৱৰ্ত্তন! খোৱা-লোৱা ঠিক সময়ত নহয়, চহিচটো নিৰুদ্দেশ হৈ যায়, মোজাযোৰৰ ফুটাবোৰ ক্ৰমে বেচি হ'বলৈ আৰম্ভ কৰে। আজিকালি এইবোৰ বিশৃঙ্খলা দেখি মহেন্দ্ৰই আগৰ দৰে আমোদ নেপায়। যেতিয়া যিটোৰ প্ৰয়োজন, সেইটোকে হাতৰ কাষত সুসজ্জিত ৰূপত পোৱাৰ, আৰাম কাক কয়, তাৰ সোৱাদ কেইদিনমানৰ ভিতৰতে পাইছিল। এতিয়া তাৰ অভাৱত, আশাৰ অশিক্ষিত অপটুতা সম্পৰ্কে মহেন্দ্ৰই আমোদ নেপায়।—

"চুনি, মই তোমাক কতদিন কৈছোঁ, গা ধোৱাৰ আগতেই মোৰ চোলাত বুতাম লগাই থ'বা, আৰু মোৰ চাপকন-পটলুং ঠিক কৰি সজাই ৰাখিবা— এদিনো নেপাওঁ, সেইদৰে। গা ধোৱাৰ পাচত বুতাম লগাওঁতে আৰু কাপোৰ-কানি বিচাৰি ফুৰোঁতেই মোৰ দুঘণ্টা খৰচ হৈ যায়।"

অনুতপ্ত আশাই লাজত ম্লান পৰি কয়, "মই বেহেৰাক দেখোন কৈ থৈছিলোঁ।"

"বেহেৰাক কৈ থৈছিলা। নিজৰ হাতেৰে কৰাত দোষ কি। তোমাৰ দ্বাৰা যদি কিবা এটা কাম হয়!"

আশাৰ মূৰত যেন বজ্ৰপাত হ'ল। এনেকুৱা ভৎ'সনা তেওঁ কেতিয়াও শুনা নাছিল। এই উত্তৰ তেওঁৰ মুখলৈ বা মনলৈয়ে নাহিল যে, "তুমিয়েই তো মোৰ কাম-কাজ শিকাত বাধা দি আহিছা।" এই ধাৰণাটোৱেই তেওঁৰ নাছিল যে, ঘৰ-সংসাৰৰ কাম শিকিবৰ কাৰণে প্ৰত্যেক দিনৰ অভ্যাস আৰু অভিজ্ঞতা লাগে। তেওঁ মনে মনে ভাবিছিল, "মোৰ স্বাভাৱিক অক্ষমতা আৰু নিৰ্বুদ্ধিতাৰ বাবেই কোনো কাম ঠিকমতে কৰিব নোৱাৰোঁ।"

মহেন্দ্ৰই যেতিয়া আত্মবিস্মৃত হৈ বিনোদিনীৰ লগত তুলনা কৰি আশাক ধিক্কাৰ দিছে, তেতিয়া তেওঁ সেই উক্তি বিনা বিদ্বেষেৰে বিনয়েৰে সৈতে গ্ৰহণ কৰিছে।

আশাই একো-একোবাৰ তেওঁৰ ৰুগ্ন শাহুৱেকৰ কোঠাৰ আশে-পাশে ঘূৰি ফুৰে—একো-একোবাৰ লাজ-লাজকৈ কোঠাটোৰ দুৱাৰৰ ওচৰত থিয় দিয়েহি। তেওঁ নিজকে সংসাৰৰ পক্ষে আৱশ্যক কৰি তুলিবলৈ ইচ্ছা কৰে, তেওঁ কাম কৰি দেখুৱাব খোজে, কিন্তু কোনেও তেওঁৰ পৰা কাম নিবিচাৰে। তেওঁ নেজানে, কেনেকৈ কামৰ মাজত প্ৰবেশ কৰিব পাৰি, কেনেকৈ সংসাৰৰ মাজত স্থান উলিয়াই ল'ব লাগে। নিজৰ অক্ষমতাৰ সংকোচত তেওঁ বাহিৰৰ পৰা উভতি আহে। তেওঁৰ কি যেন এটি মনোবেদনা অন্তৰৰ ভিতৰত প্ৰতিদিন বাঢ়িব লাগিছে, কিন্তু তেওঁৰ সেই অপ্ৰকাশ বেদনা, সেই অব্যক্ত আশঙ্কাক তেওঁ যেন স্পষ্টকৈ বুজিব পৰা নাই। তেওঁ অনুভৱ কৰে, তেওঁৰ চাৰিফালৰ সকলোবোৰ তেওঁ যেন নষ্ট কৰি আনিছে—কিন্তু কেনেকৈ যে সেইবোৰ গঢ়ি উঠিছিল আৰু কেনেকৈ যে নষ্ট হৈ যাব ধৰিছে আৰু কেনেকৈ তাৰ প্ৰতিকাৰ কৰিব পাৰি, তাক তেওঁ নেজানে। থাকি থাকি কেৱল চিঞৰি চিঞৰি কান্দিবৰ মন যায়, "মই অত্যন্ত অযোগ্য, নিতান্ত অক্ষম, মোৰ মূঢ়তাৰ কোনো তুলনা নাই।"

আগতে আশা আৰু মহেন্দ্ৰই সুদীৰ্ঘ সময় ঘৰৰ এচুকত বহি কেতিয়াবা কথা পাতি, কেতিয়াবা কথা নপতাকৈ, পৰিপূৰ্ণ সুখৰ মাজত কটাই দিছিল। আজিকালি বিনোদিনীৰ অভাৱত আশাৰ লগত অকলে অকলে বহি মহেন্দ্ৰৰ মুখত সহজে কথাই ওলাব নোখোজে—আৰু একো নোকোৱাকৈ মনে মনে বহি থাকিবলৈয়ো তেওঁৰ ভাল নেলাগে।

মহেন্দ্ৰই বেহেৰাটোক সুধিলে, "সেইখন কাৰ চিঠি।"

"বিহাৰীবাবুৰ।"

"কোনে দিছে?"

"বিনোদিনী আইদেৱে।"

"চাওঁ" বুলি চিঠিখন হাতত ল'লে। ইচ্ছা হৈছিল, খামটো ফালি পঢ়ে। দুবাৰমান ঘূৰাই-মেলি ওলট-পালট কৰি বেহেৰাৰ হাতলৈ দলিয়াই দিলে। যদি চিঠিখন খুলিলেহেঁতেন, তেনেহ'লে দেখিলেহেঁতেন, তাত লিখা আছে,

"পেহীদেৱে চাও-বালি একোটোৱেই মুখত দিব নোখোজে, আজি তেখেতক পনীয়াকৈ ভাইল অলপ খাবলৈ দিব পাৰি নেকি।" ঔষধ-পথ্য আদিৰ বিষয়ে বিনোদিনীয়ে মহেন্দ্ৰক কেতিয়াও কোনো কথা সুসুধিছিল, সেই বিষয়ে বিহাৰীৰ ওপৰতে নিৰ্ভৰ কৰিছিল।

মহেন্দ্ৰই বাৰাণ্ডাত অলপ সময় তহল দিয়াৰ পাচত কোঠাৰ ভিতৰলৈ সোমাই দেখিলে, দেৱালত ওলোমাই থোৱা এখন ছবিৰ ৰছীডাল ছিঙো-ছিঙো হৈ থকাত ছবিখন কাতি হৈ আছে। আশাক ভয়ানক এটা ধমক দি ক'লে, "তোমাৰ চকুত একোটোৱেই নপৰে, এনেকৈয়ে সকলোবোৰ বস্তু নষ্ট হৈ যায়।" দমদমৰ বাগিচাৰ পৰা গোটাই অনা কিছুমান ফুল বিনোদিনীয়ে এটা পিতলৰ ফুলদানীত সজাই থৈছিল, ফুলবোৰ যদিও শুকাল তথাপি আজিলৈকে তেনেকৈয়ে আছে; আন দিনাখন মহেন্দ্ৰই এইবোৰ বস্তু লক্ষ্যই নকৰে—আজি চকুত পৰি গ'ল। সেইবাবে ক'লে "বিনোদিনীয়ে আহি নেপেলোৱালৈকে, এইবোৰ পেলাবই নেপায়?" এই-বুলি কৈয়েই ফুলেৰে সৈতে ফুলদানীটো বাহিৰলৈ দলি মাৰি পঠালে, লগে লগে ঠং ঠং শব্দ কৰি খটখটীয়েদি বাগৰি যাবলৈ ধৰিলে। "আশা কিয় মোৰ মনৰ অনুৰূপ হ'ব পৰা নাই, কিয় তেওঁ মোৰ মনে বিচৰাৰ দৰে কাম কৰিব পৰা নাই, কিয় তেওঁৰ স্বভাৱজাত শিথিলতা আৰু দুৰ্ব্বলতাৰ বাবে মোক দাম্পত্যৰ পথত দৃঢ়ভাবে ধৰি ৰাখিব পৰা নাই, সদায় মোক কিয় বিক্ষিপ্ত কৰি তুলিছে।" এই কথা মনে মনে ভাবি-গুণি হঠাৎ লক্ষ্য কৰি দেখিলে, আশাৰ মুখখন কেঁহেৰাজ বৰণৰ হৈ উঠিছে, তেওঁ পালেঙৰ খুটা এটা ধৰি আছে আৰু ওঁঠ দুটা কঁপিবলৈ লাগিছে—কঁপি কঁপি হঠাৎ সাউতকৈ ওচৰৰ কোঠাটোত সোমালগৈ।

মহেন্দ্ৰই তেতিয়া লাহেকৈ উঠি গৈ ফুলদানীটো বুটলি আনিলে। কোঠাটোৰ এচুকত পঢ়া-টেবুলখন আছিল—পালেঙৰ ওপৰত বহি সেই টেবুলখনৰ ওপৰত হাত দুখন থৈ, তাৰ মাজত মূৰটো গুজি বহুত বেলিলৈকে পৰি পৰি কটাই দিলে।

সন্ধ্যাৰ পাচতে ঘৰৰ ভিতৰত চাকি জ্বলাই থৈ গ'লহি, কিন্তু আশা হ'লে নাহিল। মহেন্দ্ৰই ছাদৰ ওপৰত ব্যস্ত খোজেৰে তহল দিবলৈ লাগিল। ৰাতি ন বাজিল, মহেন্দ্ৰইতৰ মানুহ-দুনুহৰ ভীৰ নথকা ঘৰখন দুপৰ-ৰাতিৰ

দৰে নিজম পৰি গ'ল—তথাপি আশা নাহিল। মহেন্দ্ৰই তেওঁক মাতি পঠালে। আশাই ভয়-ভয়কৈ আহি ছাদৰ দুৱাৰদলিত থিয় দিলেহি। মহেন্দ্ৰই ওচৰলৈ আহি তেওঁক বুকুৰ মাজলৈ টানি ল'লে—মুহূৰ্ত্তৰ ভিতৰতে স্বামীৰ বুকুৰ মাজত আশাৰ কান্দোনখিনি ভাগি পৰিল—কোনোমতেই হেঁচি ৰাখিব নোৱাৰিলে, চকুৰ পানী শেষেই হ'ব নোখোজা হ'ল; কান্দোনৰ শব্দ হুক্-হুকৃকৈ ওলাই আহিব খুজিলে যেন হেঁচা দি ৰাখিবৰ সাধ্য নাই। মহেন্দ্ৰই তেওঁক বুকুৰ মাজলৈ সমস্ত শক্তিৰে টানি ধৰি চুলিবোৰ চুমা খাবলৈ ধৰিলে—নিঃশব্দ আকাশৰ তৰাবোৰে নিস্তব্ধ হৈ সেই দৃশ্য উপভোগ কৰিলে।

ৰাতি বিচনাৰ ওপৰত বহি মহেন্দ্ৰই ক'লে, "কলেজত আমাৰ নাইট-ডিউটি বাঢ়ি গৈছে। গতিকে এতিয়াৰ পৰা কিছুদিনলৈ কলেজৰ ওচৰতে ঘৰ এটা ভাৰা ল'ব লাগিব।"

আশাই ভাবিলে, "এতিয়াও খং জামৰা নাই নেকি। মোৰ ওপৰত বিৰক্ত হৈয়েই যাব খুজিছে নেকি? নিজৰ অকৰ্ম্মণ্যতাৰ কাৰণেই মই মোৰ স্বামীক ঘৰৰ পৰা বিদায় দিব লগীয়া হৈছে? ইয়াতকৈ মই মৰি যোৱা হ'লেই ভাল আছিল।"

কিন্তু মহেন্দ্ৰৰ ব্যৱহাৰত খঙৰ কোনো আভাসেই নাছিল। তেওঁ বহুত সময় ধৰি মুখেৰে একো নকৈ আশাৰ মুখখন বুকুৰ মাজলৈ টানি আনিছিল আৰু বাৰে বাৰে কেৱল আঙুলিৰে চুলিবোৰ পাহ পাহ কৰি তেওঁৰ খোপাটো ঢিলা কৰি দিছিল। অতীতৰ আদৰৰ দিনবোৰত মহেন্দ্ৰই ঠিক এনেকৈয়ে আশাৰ বন্ধ খোপা মুকলি কৰি দিছিল—আশাই তেতিয়া আপত্তি কৰিছিল। আজি কিন্তু কোনো আপত্তিয়েই নকৰাকৈ পুলকত বিহ্বল হৈ মনে মনে বৈ গৈছিল। হঠাৎ কেনেবাকৈ তেওঁৰ গালৰ ওপৰত এটোপাল চকু-পানী পৰিল, আৰু মহেন্দ্ৰই তেওঁৰ মুখখন তুলি ধৰি স্নেহৰুদ্ধ কণ্ঠেৰে মাতিলে, "চুনি।" আশাই কথাৰে তাৰ কোনো সমিধান নিদি কেৱল দুখনি কোমল হাতেৰে মহেন্দ্ৰক সাৱটি ধৰিলে। মহেন্দ্ৰই ক'লে, "অপৰাধ কৰিছোঁ, ক্ষমা কৰা।"

আশাই তেওঁৰ ফুলৰ দৰে কোমল হাতখনেৰে মহেন্দ্ৰৰ মুখত সোপা দি ক'লে, "নহয় নহয়, তেনেকৈ নক'বা। তুমি কোনো অপৰাধ কৰা নাই।

সকলো দোষ মোৰ। মোক তোমাৰ দাসীৰ দৰে শাসন কৰা। মোক তোমাৰ চৰণযোগ্যা কৰি তোলা।"

বিদায়-প্ৰভাতত শয্যা-ত্যাগ কৰিবৰ সময়তে মহেন্দ্ৰই ক'লে "চুনি, মোৰ ৰত্ন, তোমাক হৃদয়ত সকলোৰে ওপৰত ধাৰণ কৰি ৰাখিম, তাত কোনেও তোমাক চেৰাই যাব নোৱাৰিব।"

তেতিয়া আশাই দৃঢ়-চিত্তেৰে সকলো ধৰণৰ ত্যাগেই স্বীকাৰ কৰিবলৈ প্ৰস্তুত হৈ স্বামীৰ ওচৰত এটি মাথোন ক্ষুদ্ৰ দাবী নিবেদন কৰিলে। আশাই ক'লে, "তুমি মোলৈ নিতৌ এখনকৈ চিঠি দিবা ?"

মহেন্দ্ৰই ক'লে, "তুমিও দিবা ?"

আশাই ক'লে "মই জানো লিখিব জানো।"

মহেন্দ্ৰই তেওঁৰ কাণৰ কাষত থকা অলকখিনিৰ ওপৰত হাত বুলাই দি ক'লে "তুমি অক্ষয়কুমাৰ দত্তকৈয়ো ভাল লিখিব পাৰা—যাৰ নাম চাৰুপাঠ।"

আশাই ক'লে, "যোৱা, তুমি মোক বেছি ঠাট্টা নকৰিবা।"

যোৱাৰ আগতে আশাই সাধ্যানুযায়ী নিজৰ হাতেৰেই মহেন্দ্ৰৰ 'পোৰ্টমেণ্টো' সজাবলৈ বহিল। মহেন্দ্ৰৰ ডাঠ ডাঠ গৰম-কাপোৰবোৰ ঠিক মতে ভাঁজ কৰাই কঠিন, বাকচৰ ভিতৰত ভৰাবলৈয়ো টান—দুয়ো মিলি-জুলি কোনোমতে হেঁচা-ঠেলা কৰি এটা বাকচত আটি যোৱা কাপোৰেৰে দুটা বাকচ ভৰাই পেলালে। তথাপি ভুলকৈ যিখিনি বাকী ৰৈ গৈছিল, তাৰে আৰু কেইটামান টোপোলাৰ সৃষ্টি হ'ল। কথাটো ভাবি আশাই যদিও বাৰে বাৰে লাজ পাইছিল, তথাপি তেওঁলোকৰ কাঢ়া-আঁজোৰা, হাঁহি-ধেমালি আৰু পাৰস্পৰিক কপট দোষাৰোপৰ মাজেদি অতীতৰ আনন্দমুখৰ দিনবোৰ যেন উভতি আহিছিল। এয়া যে বিদায়ৰ আয়োজন চলিব লাগিছে, অলপ সময়ৰ কাৰণে আশাই সেই কথা পাহৰিয়ে গ'ল। চহিচটোৱে দহবাৰ মান গাড়ী সজাই ৰখাৰ কথা মনত পেলাই দিলেহি, মহেন্দ্ৰৰ কাণতে নোসোমাল—অৱশেষত বিৰক্ত হৈ ক'লে, "ঘোঁৰা খুলি দেগৈ যা।"

পুৱাৰ পাচত আবেলি হ'লহি, আবেলি গুচি সাঁজ লাগোঁ-লাগোঁ। তেতিয়া স্বাস্থ্যৰ ওপৰত চকু ৰাখিবৰ কাৰণে ইজনে-সিজনক দঢ়াই দঢ়াই কৈ

আৰু নিয়মিত চিঠি দিবৰ কাৰণে বাৰে পতি শপত খুৱাই গধুৰ হিয়া লৈ দুয়ো দুয়োৰো ওচৰত মেলানি মাগিলে।

আজি দুদিন হ'ল—ৰাজলক্ষ্মী উঠি বহিছে। সন্ধ্যা সময়ত গাত এখন ডাঠ কাপোৰ ঘূম মাৰি লৈ বিনোদিনীৰ লগত তাচ খেলিবলৈ লাগিছে। আজি তেওঁৰ শৰীৰত কোনো অৱসাদৰ ভাব নাই। মহেন্দ্ৰই কোঠাটোৰ ভিতৰত সোমাই বিনোদিনীৰ পিনে এবাৰো নেচালে—মাকক ক'লে, "মা, কলেজত মোৰ ৰাতিৰ কাম পৰিছে। ইয়াত থাকি অসুবিধা হয়—কলেজৰ ওচৰতে ঘৰ এটা লৈছোঁ। আজিৰ পৰা তাতে থাকিম।"

ৰাজলক্ষ্মীয়ে মনে মনে অভিমান কৰি ক'লে, "যা বাৰু। পঢ়াৰ ক্ষতি হ'লে নো থাকিবি কেনেকৈ।"

যদি তেওঁ নৰিয়া সকাহ পাইছে, তথাপি মহেন্দ্ৰ যাব বুলি শুনি তেওঁ নিজকে অতি বেমাৰী আৰু দুৰ্ব্বল বুলি কল্পনা কৰি ললে; বিনোদিনীক ক'লে, "চাওঁ আইকণ, গাৰুটো আগবঢ়াই দেচোন।" এইবুলি কৈ গাৰু-টোৰ ওপৰত ঢলি পৰিল; বিনোদিনীয়ে তেওঁৰ গাত লাহে লাহে হাত বুলাবলৈ লাগিল।

মহেন্দ্ৰই এবাৰ মাকৰ কপালত হাত দি চালে, নাড়ী পৰীক্ষা কৰিলে। ৰাজলক্ষ্মীয়ে হাতখন আঁতৰাই দি ক'লে, "নাড়ী চাই গোটেইখন বুজিবি, থ। তই ভাবিব নেলাগে, মোৰ ভাল হৈছে।" এইবুলি কৈ অতি দুৰ্ব্বলভাবে কাতি হৈ শুলে।

মহেন্দ্ৰই বিনোদিনীক কোনো বিদায় সম্ভাষণ নজনোৱাকৈ কেৱল ৰাজলক্ষ্মীক প্ৰণাম কৰি ওলাই গ'ল।

## ১৯

বিনোদিনীয়ে মনে মনে ভাবিবলৈ আৰম্ভ কৰিলে, "কথাটো কি। অভিমান, নে খং, নে ভয়? মোক দেখুৱাব খোজে, মোক 'কেয়াৰ' নকৰে? ঘৰ লৈ থাকিবগৈ? চাওঁ বাৰু কিমান দিন থাকিব পাৰে?"

কিন্তু বিনোদিনীৰো মনে মনে এটা অশান্ত ভাব উপস্থিত হ'ল।

মহেন্দ্ৰক তেওঁ নানা পাশেৰে বদ্ধ আৰু নানা বাণেৰে বিদ্ধ কৰিছিল, সেই

কামফেৰা নোহোৱা হ'লত বিনোদিনীয়ে অস্বস্তি অনুভৱ কৰিছিল। ঘৰৰ ওপৰত বহা গোটেই নিচাখিনি নোহোৱা হৈ গ'ল। মহেন্দ্রবৰ্জ্জিত আশা তেওঁৰ বাবে নিতান্ত স্বাদহীন। আশাৰ প্ৰতি মহেন্দ্ৰৰ আদৰ যত্নই বিনোদিনীৰ প্ৰণয়বঞ্চিত হৃদয়ক সদায় দোলা দি গৈছিল। বিনোদিনীৰ বিৰহিণী কল্পনাক সেইবোৰ কথাই যিদৰে বেদনা ঘন কৰি তুলিছিল, তাৰ মাজত এটা উগ্র উত্তেজনা আছিল। যি মহেন্দ্রই তেওঁক তেওঁৰ সমস্ত জীৱনৰ সাৰ্থকতাৰ পৰা ভ্ৰষ্ট কৰিছে, যি মহেন্দ্রই তেওঁৰ নিচিনা স্ত্রী-ৰত্নক উপেক্ষা কৰি আশাৰ নিচিনা ক্ষীণবুদ্ধি দীনপ্ৰকৃতি ছোৱালী এজনীক বৰণ কৰি লৈছে, সেই মহেন্দ্ৰক বিনোদিনীয়ে ভাল পায় নে ঘৃণা কৰে, তেওঁক কঠিন শাস্তি দিব নে তেওঁৰ ওচৰত হৃদয়-সমৰ্পণ কৰিব, সেই কথা বিনোদিনীয়ে ভালদৰে বুজিব পৰা নাছিল। মহেন্দ্রই তেওঁৰ হৃদয়ত একুৰা জুই জলাই তুলিছে, কিন্তু সেই জুই হিংসাৰ নে প্ৰেমৰ, নে উভয়ৰে মিশ্ৰণ, বিনোদিনীয়ে সেই কথা ধৰিব পৰা নাছিল; মনে মনে তীব্ৰ এটা হাঁহি মাৰি নিজকে নিজেই কয়, "কোন নাৰীৰ মোৰ দৰে দুৰ্দ্দশা হৈছে। মই মৰিবলৈ বিচাৰিছো নে মাৰিবলৈ বিচাৰিছোঁ, সেই কথাটোকে বুজি নেপালোঁ দেখোন।" কিন্তু যিটোৱেই কাৰণ নহওক, দগ্ধ হ'বলৈয়ে হওক অথবা দগ্ধ কৰিবলৈয়ে হওক, মহেন্দ্ৰক তেওঁৰ একান্ত প্ৰয়োজন। তেওঁ তেওঁৰ বিষদগ্ধ অগ্নিবাণ জগতৰ আন কোন ঠাইত মোচন কৰিব! ঘন এচাটি হুমুনিয়াহ কাঢ়ি বিনোদিনীয়ে ক'লে, "কলৈ যাব তেওঁ। তেওঁ উভতি আহিবই লাগিব। তেওঁ মোৰ।"

আশাই ঘৰ পৰিষ্কাৰ কৰাৰ ভাও ধৰি সন্ধ্যা সময়ত মহেন্দ্রৰ বাহিৰৰ কোঠাত থকা, মূৰৰ তেল চিকতি লগা মহেন্দ্রৰ চকী, কাগজপত্র সিঁচৰতি হৈ থকা ডেস্ক্, তাত থকা কিতাপ, তেওঁৰ ছবি প্ৰভৃতি বিভিন্ন বস্তুবোৰ বাৰে বাৰে ইফাল সিফাল কৰি আঁচলৰ আগেৰে জাৰি জোকাৰি থোৱাত ব্যস্ত হৈ পৰিছিল। এইদৰে মহেন্দ্রৰ সকলোবোৰ বস্তু নানা ধৰণে চুই মেলি, এবাৰ আগৰ ঠাইতে থৈ, এবাৰ উঠাই আনি আশাই বিৰহ সন্ধ্যা কটাই দিছিল। বিনোদিনী লাহে লাহে আহি তেওঁৰ ওচৰত থিয় হ'লহি। আশাই অলপ লাজ পাই বস্তুবোৰ সজোৱাৰ কাম এৰি, কিবা যেন বিচাৰিছে—এনে ভাও জুৰিলে। বিনোদিনীয়ে গম্ভীৰমুখেৰে সুধিলে, "কি হৈছে তোমাৰ, ভাই!"

আশাই মুখলৈ এমোকোৰা হাঁহি টানি আনি কলে, "একোৱেই হোৱা নাই, ভাই।"

বিনোদিনীয়ে তেতিয়া আশাৰ ডিঙিত সাৱটি ধৰি সুধিলে, "ভাই বালি, কি হ'ল কোৱাচোন, দেৱৰ বোপা যে এনেকৈ গুচি গলগৈ?"

আশাই বিনোদিনীৰ এই প্ৰশ্ন শুনি ভয়ত চক্ খাই উঠিল আৰু ক'লে, "তুমি তো জানাই ভাই! কলেজত তেওঁৰ কাম বাঢ়িছে বুলি কৈছে।"

বিনোদিনীয়ে সোঁ হাতেৰে তেওঁৰ থুঁতৰিটো তুলি ধৰি যেন করুণাৰে বিগলিত হৈ স্তব্ধ ভাবে এবাৰ তেওঁৰ মুখখন নিৰীক্ষণ কৰি ললে—তাৰ পাচত এচাটি হুমুনিয়াহ কাঢ়িলে।

আশাৰ বুকুখন কোঁচ খাই গ'ল। নিজকে তেওঁ নিৰ্ব্বোধ আৰু বিনোদিনীক বুদ্ধিমতী বুলি বিশ্বাস কৰিছিল। বিনোদিনীৰ ভাবটো দেখি হঠাৎ তেওঁৰ বিশ্বসংসাৰ অন্ধকাৰ যেন লাগি গ'ল। বিনোদিনীক স্পষ্ট কিবা প্ৰশ্ন সুধিবলৈ সাহস নকৰিলে। দেৱালৰ ওচৰত থকা এখন চোফাৰ ওপৰত বহি পৰিল। বিনোদিনীয়েও তেওঁৰ ওচৰতে বহি দৃঢ় আলিঙ্গনেৰে আশাক বুকুৰ মাজলৈ টানি ল'লে। সখীৰ সেই আলিঙ্গনত আশাই আৰু আত্ম-সম্বৰণ কৰি থাকিব নোৱাৰিলে, তেওঁৰ দুচকুৰেদি চকুলো বৈ আহিল। পদুলিমুখত অন্ধ ভিখাৰী এজনে খঞ্জনীৰ তালে তালে গাইছিল, "চৰণতৰী দে মা, তাৰিণী তাৰা।"

বিহাৰীয়ে মহেন্দ্ৰৰ খবৰ লবলৈ আহি দুৱাৰধদলিৰ পৰাই দেখা পালে—আশাই কান্দিছে আৰু বিনোদিনীয়ে তেওঁক বুকুত সাৱটি ধৰি ধীৰে ধীৰে চকুযুৰি মচি দিছে। দেখা পায়েই বিহাৰী তাৰ পৰা আঁতৰি পৰিল। ওচৰৰ শূন্য কোঠাটোত আন্ধাৰৰ মাজতে বহিলগৈ। মূৰে কপালে হাত দি ভাবিলে, আশাই কিয় কান্দিছে। যিজনী ছোৱালী স্বভাৱ অনুযায়ী কাৰো ওচৰত কোনো অপৰাধ কৰিবলৈ অক্ষম, সেইজনী ছোৱালীকো কন্দুৱাব পাৰে—এনে পাষণ্ড জগতত কোন আছে! তাৰ পাচত বিনোদিনীয়ে যিদৰে সান্ত্বনা দিছিল, সেই দৃশ্য মনলৈ আনি মনে মনে কবলৈ লাগিল, "বিনোদিনীক খুব ভুল বুজিছিলোঁ। সেৱাই-সান্ত্বনাই, নিঃস্বাৰ্থ সখীপ্ৰেমত—সকলোতে তেওঁ জানিবা মৰ্ত্ত্যবাসিনী দেৱী।"

বিহাৰী বহুত পৰলৈকে আন্ধাৰতে বহি আছিল। অন্ধৰ গান শেষ

হোৱাৰ লগে লগে বিহাৰীয়ে সশব্দে ভৰিৰ খোজ পেলাই, গল খেকাৰি দি, মহেন্দ্ৰৰ কোঠাৰ পিনে আগবাঢ়িলে। দুৱাৰমুখ নৌ পাওঁতেই ওৰণিখন টানি লৈ আশা লৰালৰিকৈ অন্তঃপুৰত সোমাই পৰিল।

ভিতৰত সোমোৱাৰ লগে লগে বিনোদিনীয়ে কৈ উঠিল, "কি হল বিহাৰীবাবু। আপোনাৰ অসুখ কৰিছে নেকি ?"

বিহাৰী। নাই কৰা।

বিনোদিনী। কিন্তু চকু দুটা ইমান ৰঙা পৰিছে যে।

বিহাৰীয়ে তাৰ উত্তৰ নিদি কলে, "বিনোদ বৌদেউ, মহেন্দ্ৰ ক'লৈ গ'ল ?"

বিনোদিনীয়ে মুখখন গম্ভীৰ কৰি ক'লে, "শুনিছো, হাস্পাতালত কাম বেচি হোৱা কাৰণে হেনো কলেজৰ ওচৰতে ঘৰ এটা লৈছে। বিহাৰীবাবু অকণমান আঁতৰি দিয়কচোন। মই তেন্তে উঠিছো।"

অন্যমনস্ক বিহাৰীয়ে দুৱাৰমুখত থিয় দি বিনোদিনীৰ বাটটো বন্ধ কৰি পেলাইছিল। উচপ্ খাই উঠি, বাটটো এৰি দিলে। সন্ধ্যা সময়ত অকলসৰে বাহিৰৰ কোঠাত বহি বিনোদিনীৰ লগত কথা পাতি থকা আনৰ চকুত অশোভন লাগিব পাৰে, সেই কথা হঠাৎ মনত পৰি গ'ল। বিনোদিনী যাবৰ সময়ত বিহাৰীয়ে লৰালৰিকৈ ক'লে, "বিনোদ-বৌদেউ, আশাক তুমি চাবা। তেওঁ অতি সৰলা, কাকো একো আঘাত কৰিব নেজানে। আৰু নিজকে আঘাতৰ পৰা ৰক্ষা কৰিবও নেজানে।"

বিহাৰীয়ে আন্ধাৰত বিনোদিনীৰ মুখখন দেখা নেপালে, সেই মুখত এচাটি ঈৰ্ষাৰ বিজুলী খেলি গৈছিল। আজি বিহাৰীক দেখিয়েই তেওঁ বুজিব পাৰিছিল যে, আমাৰ বাবে তেওঁৰ হৃদয় কৰুণাৰে ব্যথিত। বিনোদিনীৰ নিজৰ কোনো মূল্যই নাই ! আশাক ঢাকি ৰাখিবৰ কাৰণে, আশাৰ বাটৰ কাঁইট বুটলিবৰ কাৰণে, আশাৰ সমস্ত সুখ সম্পূৰ্ণ কৰিবৰ কাৰণেই তেওঁৰ জন্ম ! শ্ৰীযুক্ত মহেন্দ্ৰবাবুৱে আশাৰ পাণিগ্ৰহণ কৰিব, সেই বাবে অদৃষ্টৰ তাড়নাত বিনোদিনীয়ে বাৰাছতৰ বৰ্ব্বৰ বান্দৰ কিছুমানৰ লগত বনবাসিনী হৈ জীৱন কটাব লাগিব। শ্ৰীযুক্ত বিহাৰীবাবুৱে আমাৰ চকুত চকু-লো সহ্য কৰিব নোৱাৰে, সেইবাবে বিনোদিনী সদায় আঁচলৰ আগটো লৈ সাজু থাকিব লাগিব। এবাৰ এই মহেন্দ্ৰক, এই বিহাৰীক, বিনোদিনীয়ে তেওঁৰ

দেহৰ ছাঁয়াৰ লগত ধূলিত লুণ্ঠিত কৰি বুজাই দিব খোজে, আশাই বা কোন, বিনোদিনীয়েই বা কোন! দুয়োৰে মাজত কিমান প্ৰভেদ! প্ৰতিকূল ভাগ্যৰ পৰিবেশত বিনোদিনীয়ে নিজৰ প্ৰতিভাক কোনো পুৰুষৰ চিত্তক্ষেত্ৰত অব্যাহত ভাবে জয়ী কৰিব নোৱাৰি জ্বলন্ত শক্তিশেল হাতত তুলি লৈ সংহাৰ-মূৰ্ত্তি ধাৰণ কৰিলে।

অতিপাত মিঠা মাত এটা উলিয়াই বিনোদিনীয়ে বিহাৰীক ক'লে, "আপুনি চিন্তা নকৰিব, বিহাৰীবাবু। মোৰ চকুৰ কুটাৰ কাৰণে ভাবি ভাবি নিজকে বেচি কষ্ট নিদিব।"

## ২৫

বেচি দিন নৌ যাওঁতেই মহেন্দ্ৰই তেওঁৰ ছাত্ৰাবাসৰ ঠিকনাত চিনাকি হাতৰ আখৰ লিখা এখন চিঠি পালে। দিনৰ হুলস্থুলৰ মাজত নোখোলাকৈ ৰাখি বুকুৰ ওচৰৰ জেপটোত ভৰাই থ'লে। কলেজত লেকচাৰ শুনি শুনি, হস্পিটেলত ঘূৰি ঘূৰি, হঠাৎ একো-একোবাৰ ধাৰণা হৈ গৈছিল, ভালপোৱাৰ পখী এটা উৰ আহি তেওঁৰ বুকুৰ নীড়ত বাঁহ বান্ধি শুই আছেহি। তাক জগাই তোলাৰ লগে লগে তাৰ মুখৰ গোটেইখিনি কোমল কুজন কাণৰ কাষত বাজি উঠিব।

গধূলি পৰত মহেন্দ্ৰই নিৰ্জ্জন কোঠাটোৰ ভিতৰত চাকিৰ পোহৰত বিচনাখনত অলপ আঁউজি বহিয়াকৈ আৰাম কৰি বহিল। জেপৰ পৰা তেওঁৰ দেহৰ উমেৰে উমাল চিঠিখন উলিয়াই ল'লে। বহুত সময়লৈকে চিঠিখন নোখোলাকৈ খামৰ ওপৰত লিখা শিৰোনামাটো নিৰীক্ষণ কৰিবলৈ লাগিল। মহেন্দ্ৰই জানিছিল, চিঠিৰ মাজত বেচি কথা নাই। আশাই যে নিজৰ মনৰ ভাৱখিনি ভালকৈ ব্যক্ত কৰি লিখিব পাৰিব, তাৰ সম্ভাৱনা মুঠেই নাছিল। কেৱল তেওঁৰ কেঁচা হাতৰ বেঁকা লাইনৰ মাজৰ পৰা তেওঁৰ মনৰ কোমল কথাবিলাক কল্পনা কৰি ল'ব লাগিব। আশাৰ কেঁচা হাতেৰে বহু যত্ন কৰি লিখা নিজৰ নামটো পঢ়ি মহেন্দ্ৰই নিজৰ নামৰ লগতে যেন এটি মধুৰ ৰাগিণী শুনিবলৈ পালে—সেয়া এগৰাকী সতী নাৰী-হৃদয়ৰ অতি নিভৃত বৈকুণ্ঠলোকৰ পৰা নামি অহা এটি নিৰ্ম্মল প্ৰেমৰ সঙ্গীত।

এই দুই-এদিনৰ বিচ্ছেদতে মহেন্দ্ৰৰ মনৰ পৰা সকলো অৱসাদ দূৰ হৈ গ'ল আৰু সৰলা নাৰীৰ নতুন প্ৰেমেৰে উদ্ভাসিত সুখস্মৃতি আকৌ উজ্জ্বল হৈ উঠিছে। শেষৰ পিনলৈ প্ৰতিদিনৰ ঘৰ-সংসাৰৰ সৰু-সুৰা অভ্যাসধাই তেওঁক অলপ উত্যক্ত কৰিবলৈ আৰম্ভ কৰিছিল, সেই সকলোবোৰ দূৰ হৈ কেৱল কৰ্ম্মহীন কাৰণহীন এক বিশুদ্ধ প্ৰেমানন্দৰ আলোকত আশাৰ মানসী-মূৰ্ত্তিয়ে তেওঁৰ মাজত প্ৰাণ পাই উঠিছে।

মহেন্দ্ৰই খুব সন্তৰ্পণে খামটো ফালি চিঠিখন উলিয়াই নিজৰ কপাল আৰু গালৰ ওপৰত বুলাই দিলে। এদিন মহেন্দ্ৰই যি এচেন্স আশাক উপহাৰ দিছিল, সেই এচেন্সৰ সুবাস চিঠিৰ কাগজৰ পৰা উতলা এচাটি হুমুনিয়াহৰ দৰে উৰি আহি মহেন্দ্ৰৰ হৃদয়ৰ মাজত সোমাই পৰিলহি।

ভাঁজ খুলি মহেন্দ্ৰই চিঠি পঢ়িবলৈ আৰম্ভ কৰিলে। কিন্তু ই কি! লাইনবোৰ যি ধৰণে বেঁকাবেঁকি, কথাবোৰ সেই অনুপাতে সহজ আৰু পোন নহয় দেখোন। চিঠিত লিখা আছে—

"প্ৰিয়তম, যাক পাহৰিবৰ কাৰণে তুমি গুচি গৈছা, এই চিঠিৰে তেওঁক স্মৰণ কৰাই দিম কিয়। যিডালি লতাক তুমি ভাঙি-মূচৰি মাটিত পেলাই দিলা, সেই লতাই আকৌ কোন লাজক আঁকোৱালি ধৰি ওপৰলৈ উঠিবলৈ চেষ্টা কৰিব। সি কিয় মাটিৰ লগত মিহলি হৈ নগ'ল।

'কিন্তু এই সামান্য দানেৰে তোমাৰ কি ক্ষতি হ'ব, নাথ। অলপ সময়ৰ কাৰণে মনত পৰিলেই জানিবা। তাৰ পৰা তোমাৰ মনত আঘাতেই বা লাগিব, কিমানকণ। আৰু, তোমাৰ অৱহেলা যে কাঁইটৰ দৰে মোৰ বুকুৰ ভিতৰত লাগি ৰ'ল। প্ৰত্যেক দিন, প্ৰত্যেক ৰাতি, প্ৰত্যেক কাম, প্ৰত্যেক চিন্তাৰ মাজত যিপিনেই ঘূৰি চাওঁ, সেই পিনেই যে মোক বিন্ধি নিয়া যেন পাওঁ। তুমি যিদৰে পাহৰি গ'লা, মোকো তেনেকৈ পাহৰি যোৱাৰ উপায় এটা কৈ দিয়া।

'নাথ, তুমি যে মোক ভাল পাইছিলা, সেয়া জানো মোৰেই অপৰাধ। মই জানো স্বপ্নৰ মাজতো ইমান সৌভাগ্য প্ৰত্যাশা কৰিছিলোঁ। মই ক'ৰ পৰা আহিলোঁ, কোনে মোক চিনি পাইছিল। আৰু যদি মূৰ তুলি নেচালা-হেঁতেন, মই যদি তোমাৰ ঘৰত বিনা-বেতনৰ দাসী হৈ থাকিব লাগিলহেঁতেন, তথাপি মই জানো তোমাক কিবা দোষ দিব পাৰিলোহেঁতেন। তুমি

নিজেই মোৰ কোন গুণত ভুল কৰি বহিলা প্ৰিয়তম, কি দেখি মোৰ ইমান আদৰ বঢ়াই দিলা। আৰু, আজি যদি বিনা-মেঘে বজ্ৰপাতেই হ'ল, তেন্তে সেই বজ্ৰই মোক কেৱল দগ্ধ কৰিলে কিয়। দেহমন একেবাৰে ছাই কৰি থৈ নগ'ল কিয়।

'এই দুটা দিন ধৰি বহুত সহ্য কৰিলোঁ, বহুত ভাবিলোঁ, কিন্তু এটা কথা বুজিব নোৱাৰিলোঁ—ঘৰত থাকিও তুমি জানো মোক পেলাই দিব নোৱাৰিলাহেঁতেন। মোৰ কাৰণেও জানো তোমাৰ ঘৰ এৰি যোৱাৰ কিবা প্ৰয়োজন আছিল। মই জানো তোমাৰ মাজত ইমানখিনি ঠাই অধিকাৰ কৰি আছোঁ। মোক তোমাৰ ঘৰৰ এচুকত, তোমাৰ দুৱাৰদলিৰ বাহিৰত পেলাই থলেও মই জানো তোমাৰ চকুত পৰিলোহেঁতেন। সেয়ে যদি হয়, তুমি কিয় গলাগৈ, মোৰ জানো কলৈকো যোৱাৰ পথ নাছিল। উটি আহিছিলো, উটিয়েই গ'লোহেতেন।"

এইখন কেনেকুৱা চিঠি। এই ভাষা কাৰ, সেই কথা বুজি পাবলৈ মহেন্দ্ৰৰ বাকী নেথাকিল। অকস্মাৎ আহত মূৰ্চ্ছিতৰ দৰে মহেন্দ্ৰই সেই চিঠিখনি লৈ স্তম্ভিত হৈ ৰ'ল। যি লাইনেদি ৰেলগাড়ীৰ দৰে তেওঁৰ মন পূৰ্ণবেগেৰে ধাবিত হৈছিল, সেই লাইনৰ বাহিৰত পৰি বিকল এটা স্তূপৰ দৰে হৈ ৰ'ল।

বহুত সময় চিন্তা কৰি তেওঁ আকৌ দুবাৰ নহয় তিনিবাৰ পঢ়ি চালে। কিছু দিনৰ পৰা যিটো বস্তু সুদূৰ আভাসৰ দৰে আছিল, আজি যেন সি পৰিষ্কাৰ ৰূপত ফুটি উঠিল। তেওঁৰ জীৱন-আকাশৰ এচুকত যিটো ধূমকেতু ছাঁয়াৰ নিচিনাকৈ দেখা গৈছিল, আজি তাৰ উদ্যত বিশাল পুচ্ছ অগ্নিৰেখাৰে দীপ্যমান হৈ দেখা দিলে।

এই চিঠি বিনোদিনীৰেই। সৰলমতি আশাই তাকে নিজৰ বুলি ভাবি লৈ লিখিছে। ইতিপূৰ্ব্বে যিবোৰ কথা তেওঁ কেতিয়াও ভবা নাছিল, বিনোদিনীৰ ৰচনা-অনুযায়ী চিঠি লিখিবলৈ বহি সেইবোৰ কথা তেওঁৰ মনত জাগি উঠিবলৈ ধৰিলে। নকল-কৰা কথা বাহিৰৰ পৰা বদ্ধমূল হৈ তেওঁৰ আন্তৰিক কথা হৈ পৰিল; যি এক নতুন বেদনাৰ সৃষ্টি হ'ল, ইমান সুন্দৰকৈ তাক ব্যক্ত কৰাত আশা কেতিয়াও সক্ষম নহ'লহেঁতেন। তেওঁ ভাবিবলৈ ধৰিলে, "সখীয়ে মোৰ মনৰ কথাবোৰ ইমান সঠিককৈ বাক্ বুজি

পালে কেনেকৈ। কেনেকৈ ইমান সঠিককৈ প্ৰকাশ কৰিব পাৰিলে।" অন্তৰঙ্গ সখীক আশাই যেন আৰু বেচি আগ্ৰেহেৰে আশ্ৰয় মানি ল'লে, কাৰণ, যি ব্যথা তেওঁৰ মনৰ মাজত আছে, তাৰ ভাষাটো আছে তেওঁৰ সখীৰ ওচৰত —ইমানেই নিৰুপায় তেওঁ।

মহেন্দ্ৰই খাটৰ পৰা উঠি চেলাউৰি যোৰ কোঁচাই বিনোদিনীৰ ওপৰত খং কৰিবৰ বাবে বহুতো চেষ্টা কৰিলে, মাজৰ পৰা খং উঠি গ'ল আশাৰ ওপৰত। "চোৰাচোন বাৰু, আশাৰ ইকি মূঢ়তা, স্বামীৰ ওপৰত ইকি অত্যাচাৰ!" এইবুলি কৈ উঠি প্ৰমাণস্বৰূপ চিঠিখন আকৌ এবাৰ পঢ়িলে। পঢ়ি ভিতৰে-ভিতৰে এক পুলক অনুভৱ কৰিবলৈ ধৰিলে। চিঠিখন তেওঁ আশাৰেই চিঠি বুলি ভাবি পঢ়িবৰ বাবে বহু চেষ্টা কৰিলে। কিন্তু এই ভাষাই কোনোমতেই সৰলমতি আশাৰ কথা মনত পেলাই নিদিয়ে। দুই-চাৰি শাৰী পঢ়িলেই এটা যেন সুখৰ উন্মাদনা জগাই তোলা সন্দেহ ফেনীল মদৰ দৰে মনৰ চাৰিওপিনে উপচি উঠে। এই প্ৰচ্ছন্ন অথচ প্ৰকাশ্য, নিষিদ্ধ অথচ নিকটাগত, বিষাক্ত অথচ মধুৰ, একেই সময়তে উপহৃত অথচ হত্যাহৃত প্ৰেমৰ আভাসে মহেন্দ্ৰক মাতাল কৰি তুলিলে। তেওঁৰ ইচ্ছা হ'ল, নিজৰ হাতে-ভৰিয়ে ক'ৰবাত কোনো এঠাইত যেন ছুৰী বহুৱাই দিয়ে অথবা আৰু কিবা এটা কৰি নিচা লগাই মনটোক অন্য কোনোবাপিনে বিক্ষিপ্ত কৰি দিয়ে। মেজৰ ওপৰত মস্ত এটা ভুকু মাৰি খাটৰ পৰা জাপ মাৰি উঠি ক'লে, "দূৰ কৰি দিওঁ; চিঠিখন পুৰি পেলাওঁ।" এই বুলি চিঠিখন লেম্পৰ ওচৰলৈ লৈ আনিলে। পুৰি পেলাব নোৱাৰিলে, আকৌ এবাৰ পঢ়িলে। পাচদিনা চাকৰে মেজৰ ওপৰৰ পৰা বহুত পোৰা কাগজৰ ছাই জোকাৰি পেলাই দিছিল। কিন্তু সেয়া আশাৰ চিঠিৰ ছাই নাছিল, চিঠিৰ উত্তৰ দিয়াৰ বহুতো অসম্পূৰ্ণ চেষ্টাকহে মহেন্দ্ৰই পুৰি ছাই কৰিছিল।

## ২১

ইতিমধ্যে আৰু এখন চিঠি আহি উপস্থিত হ'ল।—

"তুমি মোৰ চিঠিৰ উত্তৰ নিদিলা? ভালেই কৰিছা। আচল কথা যে

লিখিব নোৱাৰি? তোমাৰ যি উত্তৰ, তাক মই মনে মনে অনুমান কৰি ল'লোঁ। ভক্তই যেতিয়া তেওঁৰ দেৱতাক আহ্বান কৰে, তেও জানো মুখৰ কথাৰে তাৰ উত্তৰ দিয়ে। দুখিনীৰ হাতৰ বেল-পাতখিলাই বোধকৰোঁ তোমাৰ চৰণ তলিত স্থান পাইছে।

'কিন্তু ভক্তৰ পূজা ল'বলৈ গৈ শিৱৰ যদি তপোভঙ্গ হয়, তেন্তে তুমি খং নকৰিবা দেই, মোৰ হৃদয়দেৱতা। তুমি বৰ দিয়া বা নিদিয়া, চকু মেলি চোৱা বা নোচোৱা, জানিব পাৰা বা নোৱাৰা, পূজা নিদিয়াকৈ যে ভক্তৰ অন্য কোনো গতি নাই। সেইবাবে আজিও এই দুশাৰী মাথোন লিখিলোঁ— হে মোৰ পাষাণ-দেৱতা তুমি অবিচল হৈ থাকা।"—

মহেন্দ্ৰই আকৌ চিঠিৰ উত্তৰ লিখাত ব্যস্ত হৈ পৰিল। কিন্তু আশাক উদ্দেশ্য কৰি লিখিবলৈ গৈ বিনোদিনীৰ উত্তৰ কলমৰ মুখলৈ আপোনাআপুনি আহি পৰে। ঢাকি-মেলি, লুকাই কৌশল কৰি লিখিব নোৱাৰে। বহুত কেইখন চিঠি ফালি উঠি ৰাতিৰ কেইবা প্ৰহৰো যোৱাৰ পাচত যদিওবা এখন লিখি উলিয়ালে, তাকো খামৰ ভিতৰত ভৰাই ওপৰত আশাৰ নাম লিখিবৰ সময়ত হঠাৎ তেওঁৰ পিঠিত যেন কাৰোবাৰ চাবুকৰ আঘাত পৰিল—কোনে যেন কৈ গ'ল, "পাষণ্ড, এজনী নিৰীহ ছোৱালীৰ প্ৰতি এনেকুৱা প্ৰতাৰণা?" চিঠিখন মহেন্দ্ৰই টুকুৰাটুকুৰ কৰি ফালি পেলালে, আৰু বাকী ৰাতিডোখৰ মেজৰ ওপৰত দুয়ো হাতৰ মাজত মুখখন ঢাকি নিজকে যেন নিজৰ দৃষ্টিৰ পৰা লুকাই ৰাখিবৰ চেষ্টা কৰিলে।

তৃতীয় চিঠি—"যিজনে একেবাৰেই অভিমান কৰিব নেজানে, তেও জানো ভাল পায়। নিজৰ ভাল পোৱাক যদি অনাদৰ-অপমানৰ পৰা বচাই ৰাখিব নোৱাৰোঁ, তেন্তে সেই ভালপোৱা তোমাকেই বা দিম কেনেকৈ।

'তোমাৰ মন হয়তো সঠিককৈ বুজি পোৱা নাই, সেইবাবেই ইমান সাহস কৰিছোঁ। সেইবাবেই যেতিয়া তুমি ত্যাগ কৰি গুচি গলাগৈ, তেতিয়াও নিজে আগবাঢ়ি আহি চিঠি লিখিছোঁ; যেতিয়া তেনেই মনে মনে বহি আছা, তেতিয়াও মনৰ কথা কৈ পেলাইছোঁ। কিন্তু তোমাক যদি ভুল বুজি বহিছোঁ সেয়া জানো মোৰেই দোষ। এবাৰ মাথোন শুৰিৰ পৰা শেষলৈকে সকলো কথা মনত পেলাই চোৱাচোন; মই যি বুজিছিলোঁ, সেয়া জানো তুমিও বুজাব খোজা নাছিলা।

'যাওক বাৰু সেইবোৰ, ভুল হওক সচা হওক, যিখিনি লিখি পেলাইছোঁ, সি যে কেতিয়াও মচ নেখায়, যিখিনি দিছো, সি যে আৰু উভতি নাহে,—এয়েই আক্ষেপ। ছিঃ, এনেকুৱা গ্লানিও নাৰীৰ ভাগ্যত ঘটে। কিন্তু সেই বুলিয়েই ভাবি নল'বা যে, যিজনে ভাল পায় তেওঁ নিজৰ ভালপোৱাক সদায় অপদস্থ হ'বলৈ দিব পাৰে। যদি মোৰ পৰা চিঠি নিবিচাৰা, তেন্তে কোনো কথা নাই ; যদি উত্তৰ নিলিখা, তেন্তে মাত্র এই পৰ্য্যন্ত—"

ইয়াৰ পাচত মহেন্দ্ৰ আৰু থাকিব নোৱাৰিলে। মনে মনে ভাবিলে, "খুব খং কৰিয়েই ঘৰলৈ উভতি যাবলৈ ওলাইছোঁ। বিনোদিনীয়ে ভাবিছে তেওঁক পাহৰিবৰ কাৰণেই ঘৰ এৰি পলাইছোঁ!" বিনোদিনীৰ সেই স্পৰ্দ্ধাকে হাতে হাতে অপ্ৰমাণ কৰিবৰ কাৰণেই সেই মুহূৰ্ত্ততে মহেন্দ্ৰই ঘৰলৈ উভতি যোৱাৰ সংকল্প কৰিলে।

এনে সময়তে বিহাৰী ওলালহি। বিহাৰীক দেখা মাত্ৰকে মহেন্দ্ৰৰ ভিতৰৰ পুলক যেন দুগুণে বাঢ়ি উঠিল। ইতিপূৰ্ব্বে নানা সন্দেহৰ বশৱৰ্ত্তী হৈ ভিতৰে ভিতৰে বিহাৰীৰ প্ৰতি তেওঁৰ ঈৰ্ষা জন্মিছিল, দুয়োৰো মাজত থকা বন্ধুত্ব শিথিল হৈ আহিছিল। চিঠি পঢ়ি উঠি আজি তেওঁ সকলোখিনি ঈৰ্ষা বিসৰ্জন দি বিহাৰীক অত্যন্ত আবেগৰ সৈতে অভ্যৰ্থনা জনালে। খাটৰ পৰা উঠি গৈ বিহাৰীৰ পিঠিত চকা এটা মাৰি, তেওঁৰ হাতত ধৰি তেওঁক এখন চকীৰ ওপৰত বহুৱাই দিলেহি।

কিন্তু বিহাৰীৰ মুখ আজি মলিন। মহেন্দ্ৰই ভাবিলে, বেচেৰাই নিশ্চয় ইয়াৰ ভিতৰতে বিনোদিনীৰ লগত দেখা কৰিছে আৰু তাত খুন্দা খাই আহিছে। মহেন্দ্ৰই সুধিলে, "বিহাৰী, ইয়াৰ ভিতৰতে তুমি আমাৰ পিনে পাক মাৰিছিলা নেকি ?"

বিহাৰীয়ে গম্ভীৰ মুখেৰে সমিধান দিলে, "এইমাত্ৰ তোমালোকৰ তাৰ পৰা আহিছো।"

মহেন্দ্ৰই বিহাৰীৰ বেদনাৰ কথা কল্পনা কৰি মনে মনে অলপ আমোদ বোধ কৰিলে। মনৰ ভিতৰতে ক'লে, "হতভাগ্য বিহাৰী। ছোৱালীৰ ভালপোৱাৰ পৰা বেচেৰা তেনেই বঞ্চিত।" এইবুলি কৈয়েই বুকুৰ জেপটোৰ ওচৰত এবাৰ হাতখন হেঁচি ধৰিলে—ভিতৰৰ পৰা তিনিখন চিঠি খৰমৰাই উঠিল।

মহেন্দ্ৰই সুধিলে, "আটাইবোৰক কেনে দেখি আছিলা ?"

বিহাৰীয়ে তাৰ উত্তৰ নিদি ক'লে, "ঘৰ এৰি থৈ তুমি যে ইয়াত ?"

মহেন্দ্ৰই ক'লে, "আজিকালি প্ৰায়েই নাইট ডিউটি পৰে—ঘৰৰ পৰা অসুবিধা হয় ।"

বিহাৰীয়ে ক'লে, "ইয়াৰ আগতেও দেখোন নাইট ডিউটি পৰিছিল, কিন্তু তোমাক তো ঘৰ এৰি অহা দেখা পোৱা নাছিলোঁ ।"

মহেন্দ্ৰই হাঁহি হাঁহি ক'লে, "মনত কিবা সন্দেহ জন্মিছে নেকি ।"

বিহাৰীয়ে ক'লে, "ও—হো, ঠাট্টা নহয়, এতিয়া ঘৰলৈ ব'লা ।"

মহেন্দ্ৰই ঘৰলৈ উভতিবৰ কাৰণেই আয়োজন কৰিছিল। বিহাৰীৰ অনুৰোধ শুনি, হঠাৎ নিজৰ ওচৰতে ফাকি দি বহিল, যেন ঘৰলৈ যাবৰ কাৰণে তেওঁৰ অকণো আগ্ৰহ নাই। ফুটাই কলে, "সেইটো জানো সম্ভৱ বিহাৰী! তেতিয়া হ'লে মোৰ বছৰটোৱেই নষ্ট হৈ যাব ।"

বিহাৰীয়ে ক'লে, "চোৱা মহিনদা, তোমাক মই ইমানটি মানৰ পৰাই দেখি আছিছোঁ। মোক ফুচুলাবৰ চেষ্টা নকৰিবা। তুমি বৰ অন্যায় কৰিছা ।"

মহেন্দ্ৰ। কাৰ ওপৰত অন্যায় কৰিছো, জজচাহেব!

বিহাৰীয়ে খঙৰ সুৰত কলে, "তুমি চিৰকাল যি হৃদয়ৰ অহঙ্কাৰ কৰি আছিছা, তোমাৰ সেই হৃদয় কলৈ গ'ল, মহিনদা ।"

মহেন্দ্ৰ। সম্প্ৰতি কলেজৰ হস্পিটেলত।

বিহাৰী। মনে মনে থাকা, মহিনদা। তুমি ইয়াত মোৰ লগত হাঁহি হাঁহি ঠাট্টা কৰি কথা কৈছা। আৰু ভাত আশাই তোমাৰ বাহিৰৰ কোঠাত, ভিতৰৰ কোঠাত কান্দি মৰিছে!

আশাৰ কান্দোনৰ কথা শুনি হঠাৎ মহেন্দ্ৰৰ মনে এটা প্ৰত্যাঘাত পালে। জগতত যে আন কাৰোবাৰ সুখ-দুখ বুলি কিবা এটা আছে, সেই কথা তেওঁ উন্মাদনাৰ মাজত পাহৰি গৈছিল। হঠাৎ চমক লাগিল, সেইবাবে সুধিলে, "আশাই কান্দিছে কিয় ।"

বিহাৰীয়ে বিৰক্ত হৈ ক'লে, "সেই কথা তুমি নেজানা, মই জানো ?"

মহেন্দ্ৰ। তোমাৰ মহিনদা সৰ্ব্বজ্ঞ নহয় বুলি যদি খং কৰিবই লাগে, তেন্তে মহিনদাৰ সৃষ্টিকৰ্ত্তাৰ ওপৰত খং কৰা।

তেতিয়া বিহাৰীয়ে যি দৃশ্য দেখা পাইছিল, আগৰ পৰা ভুৰিলৈকে ভাঙি-পাতি ক'লে। কওঁতে কওঁতে বিনোদিনীৰ বুকুৰ ভিতৰত সোমাই থকা আশাৰ সেই চকু-লোৰে সেমেকা মুখখনলৈ মনত পৰিলত বিহাৰীৰ মুখৰ মাত থোকাথুকি হৈ আহিল।

বিহাৰীৰ এই প্ৰবল আবেগ দেখি, মহেন্দ্ৰ বিস্মিত হৈ গ'ল। মহেন্দ্ৰই জানিছিল, বিহাৰীৰ হৃদয় বোলা বস্তু এটাই নাই—কিন্তু এই উপসৰ্গই কেতিয়াৰ পৰা লগ ল'লেহি। যিদিনা কুমাৰী আশাক চাবলৈ গৈছিল, সেই দিনাৰ পৰা নেকি। বেচেৰা বিহাৰী। মহেন্দ্ৰই মনে মনে তেওঁক অৱশ্যে বেচেৰা বুলি ক'লে. কিন্তু দুখ অনুভৱ নকৰি বৰং অলপ আমোদ পালে। আশাৰ মনটো একান্তভাৱে যে কোন অভিমুখে নিবেদিত হৈ ৰৈছে, মহেন্দ্ৰই তাক বঢ়িয়াকৈ জানিছিল; "আন মানুহৰ যিবোৰ বস্তু বাঞ্ছাৰ ধন, কিন্তু আয়ত্তৰ অতীত, মোৰ ওচৰত সিহঁতে চিৰকালৰ বাবে নিজে-নিজে ধৰা দিছেহি।" এই কথাটোৰ বাবে মহেন্দ্ৰই তেওঁৰ বুকুখন অলপ ওফন্দি উঠাৰ দৰে অনুভৱ কৰিলে।

মহেন্দ্ৰই বিহাৰীক ক'লে, "বেচ তেনেহ'লে, যোৱাই যাওক। তেন্তে গাড়ী এখন মাতা।"

## ২২

মহেন্দ্ৰ ঘৰলৈ উভতি অহাৰ লগে লগে তেওঁৰ মুখখন দেখিয়েই আশাৰ মনৰ সকলোবোৰ সংশয় ক্ষণিকৰ কুঁৱলীৰ দৰে মুহূৰ্ত্ততে আঁতৰ হৈ গ'ল। নিজৰ চিঠিৰ কথা সুঁৱৰি লাজত মহেন্দ্ৰৰ আগত তেওঁ যেন মূৰ দঙাই টান হৈ পৰিল। তাৰ ওপৰতে, মহেন্দ্ৰই ভৰ্ৎসনাৰ সুৰত ক'লে, "ইমান অপবাদ দি চিঠিবোৰ লিখিলা কেনেকৈ।"

এই বুলি কৈয়েই জেপৰ পৰা বহুবাৰ পঢ়ি চোৱা সেই চিঠি তিনিখন উলিয়ালে। আশাই ব্যাকুল কণ্ঠেৰে ক'লে, "তোমাৰ ভৰিত ধৰিছোঁ, সেই চিঠিবোৰ ফালি পেলোৱা।" এই বুলি কৈ তেওঁ মহেন্দ্ৰৰ হাতৰ পৰা চিঠি কেইখন ল'বৰ কাৰণে ব্যস্ত হৈ পৰিল। মহেন্দ্ৰই তেওঁক নিৰস্ত কৰি সেইবিলাক জেপত ভৰাই থ'লে। ফুটাই ক'লে, "মই গৈছিলোঁ কৰ্ত্তব্যৰ

অনুৰোধত, আৰু তুমি মোৰ অভিপ্ৰায় সুবুজিলা ? মোক সন্দেহ কৰিলা ?"

আশাই চলচলীয়া চকুৰে ক'লে, "এইবাৰৰ কাৰণে মোক ক্ষমা কৰা। ভৱিষ্যতে আৰু কেতিয়াও নকৰো।"

মহেন্দ্ৰই সুধিলে, "কেতিয়াও নকৰা ?"

আশাই ক'লে, "কেতিয়াও নকৰোঁ।"

তেতিয়া মহেন্দ্ৰই তেওঁক কাষলৈ টানি আনি এটি চুমা আঁকি দিলে। আশাই ক'লে, "চিঠি কেইখন দিয়া, ফালি পেলাওঁ।"

মহেন্দ্ৰই ক'লে, "নেলাগে, থাককচোন বাৰু।"

আশাই সৰলভাৱে ধৰি ল'লে, "মোৰ শাস্তি স্বৰূপে এই চিঠিবোৰ তেওঁ ৰাখি থ'লে।"

এই চিঠিৰ কথাটো লৈ বিনোদিনীৰ ওপৰত আশা যেন মনে মনে অলপ অপ্ৰসন্ন হৈ পৰিল। স্বামীৰ আগমন-বাৰ্ত্তা লৈ তেওঁ সখীৰ ওচৰত আনন্দ কৰিবলৈ নগ'ল—বৰং বিনোদিনীৰ পৰা যেন অলপ গা-এৰা দিহে ফুৰিলে। বিনোদিনীয়ে সেই কথা লক্ষ্য কৰিলে আৰু কামৰ গধুনা দেখুৱাই দূৰে দূৰে ৰ'ল।

মহেন্দ্ৰই ভাবিলে, "ই যে অদ্ভুত কাণ্ড! মই ভাবিছিলোঁ, বিনোদিনীক এইবাৰ বিশেষকৈয়েই দেখা পাম—ওলোটাটোহে হ'ল দেখোন ? তেন্তে সেই চিঠিবোৰৰ অৰ্থ কি।"

নাৰীহৃদয়ৰ ৰহস্য বুজিবৰ কোনো চেষ্টা নকৰে বুলিয়েই মহেন্দ্ৰই মন বান্ধি লৈছিল—ভাবিছিল, "বিনোদিনী যদি কাষ চাপি আহিব খোজে, তথাপি মই দূৰত থাকিম।" আজি তেওঁ মনৰ ভিতৰতে ক'লে, "উঁ-হুঃ, এয়া তো ভাল কথা হোৱা নাই। যেন আমাৰ মাজত সঁচাসঁচিকৈয়ে কিবা এক বিচাৰ ঘটিছে। বিনোদিনীৰ লগত সহজ স্বাভাৱিক ভাবে কথা-বতৰা হৈ আমোদ-প্ৰমোদ কৰি এই সংশয়ে ঘেৰি ৰখা গোমা ভাবটো দূৰ কৰি দিয়া উচিত।"

আশাৰ পিনে চাই মহেন্দ্ৰই ক'লে, "দেখিছোঁ, ময়েই তোমাৰ সখীৰ চকুৰ কুটা হৈ পৰিলোঁ। আজিকালি দেখোন তেওঁক দেখা পোৱা নেযায়।'

আশাই উদাসীনভাবে উত্তৰ দিলে, "কোনে জানে, তেওঁৰ কি হৈছে।"

আনহাতে ৰাজলক্ষ্মী আহি চলচলীয়া চকুৰে ক'লেহি, "বিপিনৰ ঘৈণীয়েকক যে আৰু ধৰি ৰাখিব নোৱাৰাত পৰিছোঁ।"

মহেন্দ্ৰই বিস্ময় সম্বৰণ কৰি সুধিলে, "কিয়, মা।"

ৰাজলক্ষ্মীয়ে ক'লে, "কেনেকৈ কওঁ বোপাই, তাই দেখোন এইবাৰ ঘৰলৈ যাবৰ কাৰণে উঠি-পৰি লাগিছে। তই তো কাকোৱেই খাতিৰ কৰিব নেজান। ভদ্ৰলোকৰ ছোৱালী পৰৰ ঘৰত আছেহি, তাইক যদি আপোন মানুহৰ দৰে আদৰ-যত্ন নকৰ, থাকিবই বা কিয়।"

বিনোদিনীয়ে শোৱনি-কোঠাত বহি বিচনা-চাদৰ চিলাই আছিল। মহেন্দ্ৰই সোমাই আহি মাত দিলে, "বালি।"

বিনোদিনী সংযত হৈ বহিল। ক'লে, "কি, মহেন্দ্ৰবাবু।"

মহেন্দ্ৰই ক'লে, "কি সৰ্ব্বনাশ। মহেন্দ্ৰ আকৌ বাবু হ'ল কাহানিৰ পৰা।"

বিনোদিনীয়ে আকৌ চিলাই থকা চাদৰখনৰ ওপৰত চকুযুৰি নিবদ্ধ কৰি ক'লে "তেন্তে কি বুলি মাতিম।"

মহেন্দ্ৰই ক'লে, "তোমাৰ সখীক যি বুলি মাতা—চকুৰ কুটা।"

বিনোদিনীয়ে আন দিনৰ দৰে ঠাট্টা কৰি তেওঁৰ কথাৰ উত্তৰ নিদিলে— চিলাই কৰাত ব্যস্ত হৈ পৰিল।

মহেন্দ্ৰই ক'লে, "সেইটো হবলা সঁচাসঁচি সম্পৰ্কত পৰিণত হৈছে গৈ, সেইবাবেই সেই সম্পৰ্ক আৰু পাতিব নোৱাৰাত পৰিছেহি!"

বিনোদিনীয়ে অলপ পৰ থমকি, দাঁতৰ আগেৰে চিলাইখিনিৰ অতিৰিক্ত সূতাডোখৰ ছিঙি ক'লে, "কেনেকৈ কওঁ, সেইবোৰ আপুনিহে জানে।"

এই বুলি কৈ উঠিয়েই তেওঁক কোনো উত্তৰ দিয়াৰ সুযোগ নিদি গম্ভীৰ মুখেৰে ক'লে, "কলেজৰ পৰা হঠাৎ উভতি অহা হ'ল দেখোন।"

মহেন্দ্ৰই ক'লে, "কেৱল মৰা মানুহ কাটি আৰু কিমান দিন চলে।"

বিনোদিনীয়ে আকৌ এবাৰ দাঁতেৰে সূতা ছিঙিলে আৰু মূৰ নোতোলা-কৈয়ে ক'লে, "এতিয়া হবলা জীয়া মানুহৰ প্ৰয়োজন।"

মহেন্দ্ৰই ভাবি ৰাখিছিল, আজি বিনোদিনীৰ লগত অত্যন্ত সহজ আৰু স্বাভাৱিক ভাবে হাঁহি-ধেমালিৰ কথা উলিয়াই উত্তৰ-প্ৰত্যুত্তৰ দি আলোচনা মধুৰ কৰি তুলিব। কিন্তু, গাম্ভীৰ্য্যৰ এনে এটা বোজা অনুভৱ কৰিলে যে, প্ৰাণপণে চেষ্টা কৰা সত্ত্বেও মুখত কোনো তৰল সমিধান ওলাবই নুখুজিলে। বিনোদিনীয়ে আজি কিবা ধৰণৰ এক কঠিন দূৰত্ব ৰক্ষা কৰি চলা দেখি,

মহেন্দ্ৰৰ মনটো সবেগে তেওঁৰ পিনে অগ্ৰসৰ হৈ পৰিল—ব্যৱধানটোক কিবা এক ভয়ানক জোকাৰণি দি ভূমিস্যাৎ কৰি দিবৰ মন গ'ল। বিনোদিনীৰ শেষ কথাষাৰৰ আঘাত উপেক্ষা কৰি হঠাৎ তেওঁৰ ওচৰ চাপি আহি ক'লে, "তুমি আমাক এৰি যাব খুজিছা কিয়। কিবা অপৰাধ কৰিছোঁ নেকি?"

বিনোদিনীয়ে তেতিয়া অলপ আঁতৰ হৈ চিলাই-কামৰ পৰা মূৰ তুলি দুটি উজ্জ্বল বিশাল চকু মহেন্দ্ৰৰ মুখৰ ওপৰত স্থাপন কৰি ক'লে, "কৰ্ত্তব্য যে সকলোৰেই আছে। আপুনি যে সকলোবোৰ এৰি থৈ কলেজত ঘৰ লয়গৈ, কাৰোবাৰ অপৰাধৰ বাবে লয় নেকি। ময়ো জানো যাব নেলাগিব? মোৰো কৰ্ত্তব্য নাই জানো?"

মহেন্দ্ৰই তাৰ ভাল সমিধান এটা বহুত ভাবিও বিচাৰি নেপালে। অলপ সময় বৈ সুধিলে, "তোমাৰ এনে কি কৰ্ত্তব্য যে নগলেই নহয়।"

বিনোদিনীয়ে অতি সন্তৰ্পণে বেজীত সূতা ভৰোৱাত .ব্যস্ত হৈ ক'লে, "কৰ্ত্তব্য আছে নে নাই, তাক নিজৰ মনেহে জানে। আপোনাৰ ওচৰত নো তাৰ আৰু কি তালিকা দিম।"

মহেন্দ্ৰই গম্ভীৰ চিন্তিত মুখেৰে খিৰিকীৰ বাহিৰত থকা দূৰৰ এজোপা নাৰিকল গছৰ আগটোৰ পিনে চাই বহুত সময়লৈকে মনে মনে ৰ'ল। বিনোদিনীয়ে নিঃশব্দে চিলাই কৰি যাবলৈ লাগিল। ঘৰত বেজী এটা পৰা হ'লেও, শব্দ শুনা গলহেঁতেন—এনে এটা অৱস্থা হ'ল। বহুত সময়ৰ পাচত মহেন্দ্ৰই হঠাৎ কথা ক'লে। অকস্মাৎ নিঃশব্দতা ভাগি গলত বিনোদিনী চক্ খাই উঠিল—তেওঁৰ আঙুলিটোত বেজীৰ খোচ খাবলগীয়া হ'ল।

মহেন্দ্ৰই ক'লে, "তোমাক তেন্তে কোনো অনুনয়-বিনয় কৰিও ৰখা নেযাব?"

বিনোদিনীয়ে তেওঁৰ আহত আঙুলিটোৰ পৰা তেজখিনি শুহি লৈ ক'লে, "কিহৰ কাৰণে ইমান অনুনয়-বিনয়। মই থাকিলে নো কি, নেথাকিলে নো কি। আপোনাৰ তাৰ পৰা কি লাভ-ক্ষতিটো হব।"

কোৱাৰ লগে লগে কণ্ঠস্বৰ যেন গধুৰ হৈ আহিল, বিনোদিনীয়ে তল-মূৰ কৰি চিলাই কামৰ ওপৰত নিবিড়ভাৱে মনোনিবেশ কৰিলে—ধাৰণা হ'ল, তেওঁৰ তল-মূৰ কৰি ৰোৱা চকুৰ পাহি দুটাত যেন অকণমান পানীৰ

ৰেখা দেখা দিছে। তেতিয়া মাঘৰ বিয়লি এটা সন্ধ্যাৰ অন্ধকাৰৰ লগত মিলি যোৱাৰ উপক্ৰম হৈ'ছিল।

মহেন্দ্ৰই মুহূৰ্ত্তৰ ভিতৰতে বিনোদিনীৰ হাতখন খামোচ মাৰি ধৰি কন্ধ সজল কণ্ঠেৰে ক'লে, "যদি তাৰ পৰা মোৰ কিবা লাভ-ক্ষতি হয়, তেতিয়া তো তুমি থাকিবা ?"

বিনোদিনীয়ে লৰালৰিকৈ হাতখন এৰুৱাই আনিলে আৰু অলপ আঁতৰি বহিল। মহেন্দ্ৰৰ চমক ভাগিল। নিজৰ শেষ কথাষাৰ ভীষণ ব্যঙ্গৰ দৰে তেওঁৰ নিজৰ কাণতেই বাৰে বাৰে প্ৰতিধ্বনিত হবলৈ ধৰিলে। অপৰাধী জিভাখন মহেন্দ্ৰই দাঁতেৰে কামুৰিবলৈ আৰম্ভ কৰিলে—তাৰ পাচত জিভা নিস্পন্দ হৈ ৰ'ল।

এনে সময়তে এই নিৰ্জ্জনতা-পৰিপূৰ্ণ কোঠাটোৰ ভিতৰলৈ আশা সোমাই আহিল। বিনোদিনীয়ে তৎক্ষণাৎ যেন আগৰ কথা-বতৰাৰে খেও ধৰি চলিছে, তেনেকুৱা এটা আভাস দি হাঁহি হাঁহি মহেন্দ্ৰক ক'লে, "মোৰ অহঙ্কাৰ তোমালোকে যেতিয়া ইমানখিনি বঢ়ায়েই তুলিলা, তেতিয়া মোৰো কৰ্ত্তব্য, তোমালোকৰ এষাৰ কথা ৰক্ষা কৰা। যেতিয়ালৈকে বিদায় নিদিয়া তেতিয়ালৈকে থাকি যাম।"

আশাই স্বামীৰ কৃতকাৰ্য্যতা দেখি আনন্দত উৎফুল্ল হৈ সখীয়েকক সাৱটি ধৰিলে। আৰু কলে, "তেনেহ'লে এই কথাই ৰ'ল। এতিয়া সত্যে সত্যে তিনি-সইত খোৱা, যেতিয়ালৈকে বিদায় নিদিওঁ, তেতিয়ালৈকে থাকিবা, থাকিবা, থাকিবা।"

বিনোদিনীয়ে তিনিবাৰ স্বীকাৰ কৰিলে। আশাই ক'লে, "ভাই চকুৰ কুটা, থকাটো যদি ঠিকেই কৰি ৰাখিছিলা, তেনেহ'লে আটাইকে ইমান উধাতু খুৱালা কিয়। অৱশেষত তো মোৰ স্বামীৰ ওচৰত হাৰ মানিবই লগীয়া হ'ল।"

বিনোদিনীয়ে হাঁহি হাঁহি ক'লে, "হয় নে দেৱৰ-বোপা, মই হাৰ মানিলো নে তোমাক হাৰ মনালোঁ ?"

মহেন্দ্ৰ ইমান পৰ থৰ লাগি আছিল ; ধাৰণা হৈছিল, তেওঁৰ অপৰাধেৰে যেন গোটেই কোঠাটো উপচি উঠিছে, তেওঁৰ দেহৰ সকলোবোৰ অঙ্গতে যেন গ্লানিৰ প্ৰলেপ। আশাৰ লগত কেনেকৈ তেওঁ প্ৰসন্নমুখে স্বাভাৱিক ভাবে

কথা পাতিব। এক মুহূৰ্ত্তৰ ভিতৰতে কেনেকৈ তেওঁ নিজৰ বীভৎস অসংযমক হাঁহিৰে উচ্ছল চঞ্চলতাত পৰিণত কৰিব। এই পৈশাচিক ইন্দ্ৰজাল তেওঁৰ ক্ষমতাৰ বাহিৰত আছিল। তেওঁ গম্ভীৰমুখেৰে ক'লে, "হাৰ মানিছো মযেই।" এইবুলি কৈয়েই কোঠাটোৰ পৰা ওলাই গ'ল।

অলপ পাচতে আকৌ এবাৰ কোঠাটোত সোমাই মহেন্দ্ৰই বিনোদিনীক ক'লে, "মোক ক্ষমা কৰা।"

বিনোদিনীয়ে ক'লে, "কি অপৰাধ কৰিছা, দেৱৰ-বোপা?"

মহেন্দ্ৰই ক'লে, "তোমাক জোৰ কৰি ইয়াত ধৰি ৰাখিবৰ অধিকাৰ আমাৰ নাই।"

বিনোদিনীয়ে হাঁহি হাঁহি ক'লে, "জোৰ কৰিলা ক'ত, দেখা নাই দেখোন। ভাল পাই ভাল মুখেৰেই তো থাকিবলৈ ক'লা। তাকে হবলা জোৰ কৰা বুলি কয়। কোৱাচোন ভাই চকুৰ কুটা, গাৰ জোৰ আৰু ভালপোৱা হবলা একেই বস্তু।"

আশাই তেওঁৰ লগত সম্পূৰ্ণ একমত হৈ ক'লে, "কেতিয়াও নহয়।"

বিনোদিনীয়ে ক'লে, "দেৱৰ-বোপা, তোমাৰ ইচ্ছা—মই থাকিব লাগে, মই গ'লে তোমাৰ কষ্ট হব, সি যে মোৰ সৌভাগ্য। কি কোৱা ভাই চকুৰ কুটা, সংসাৰত এনেকুৱা আপোন মানুহ কেইজন পোৱা যায়। তেনেকুৱা দুখত দুখী, সুখত সুখী, অদৃষ্টৰ গুণতে যদি কেনেবাকৈ পোৱাই যায়, মযেই বা তেওঁক এৰি যাবৰ কাৰণে ব্যস্ত হ ম কিয়।"

আশাই তেওঁৰ স্বামীক অপদস্থ হৈ নিৰুত্তৰ থকা দেখি অলপ দুখ-মনেৰে ক'লে, "তোমাৰ লগত ভাই, কথাৰে বলে পাৰিব কোনে। মোৰ স্বামীয়ে দেখোন হাৰ মানিছেই। এতিয়া অলপ কৰুণা কৰা।"

মহেন্দ্ৰ আকৌ বেগাবেগিকৈ কোঠাটোৰ পৰা ওলাই গ'ল। সেই সময়তে ৰাজলক্ষ্মীৰ লগত অলপ সময় গল্প-গুজব কৰি উঠি বিহাৰীয়ে মহেন্দ্ৰক বিচাৰি আহিছিল। মহেন্দ্ৰই তেওঁক দুৱাৰমুখতে দেখা পাই কৈ উঠিল, "ভাই বিহাৰী, মোৰ দৰে পাষণ্ড জগতত আৰু কোনো নাই।" ইমান জোৰকৈ কৈছিল যে, সেই কথা কোঠাৰ ভিতৰতো শুনা গ'ল।

ভিতৰৰ পৰা তৎক্ষণাৎ আহ্বান আহিল, "বিহাৰী বোপা!"

বিহাৰীয়ে ক'লে, "অলপ পাচতে আহিছোঁ, বিনোদ-বৌদেউ।"

বিনোদিনীয়ে ক'লে, "এবাৰ শুনি যোৱাচোন।"

বিহাৰীয়ে কোঠাত ভৰি দিয়েই মুহূৰ্ত্তৰ ভিতৰত আশাৰ পিনে চালে—ওৰণিৰ ফাকেদি আশাৰ মুখ যিকণ দেখা পালে, তাত বিষাদ বা বেদনাৰ কোনো চিনেই দেখা নেপালে। আশাই উঠি যাবৰ চেষ্টা কৰিলে; তেওঁক জোৰ কৰি বহুৱাই থ'লে—ক'লে, "বাৰু দেৱৰ-বোপা, মোৰ চকুৰ কুটাৰ লগত তোমাৰ সতিনীৰ সম্পৰ্ক নেকি। তোমাক দেখা পালেই তেওঁ পলাব খোজে কিয়!"

আশাই লাজতে বিনোদিনীক হেঁচুকি দিলে।

বিহাৰীয়ে হাঁহি হাঁহি উত্তৰ দিলে, "বিধাতাই মোক সিমান ধুনীয়াকৈ নগঢ়িলে দেখি।"

বিনোদিনী। দেখিছ, ভাই বলি! বিহাৰী দেৱৰ-বোপাই দুয়োকুল ৰক্ষা কৰি কথা ক'ব জানে—তোৰ ৰুচিক দোষ নিদি, বিধাতাকেই দোষ দি বহিল। লক্ষ্মণৰ নিচিনা ইমান সুলক্ষণীয়া দেৱৰ পায়ো তেওঁক আদৰ কৰিবলৈ নিশিকিলি—তোৰেই কপাল বেয়া।

বিহাৰী। সেই বিষয়ে তোমাৰ যদি দয়া হয়, বিনোদ-বৌদেউ, তেন্তে নো মোৰ আক্ষেপ কিহৰ।

বিনোদিনী। সমুদ্ৰ দেখোন চকুৰ আগতে পৰি আছে, তথাপি মেঘ-গলা বৰষুণ ন'হলে চকোৱাৰ পিয়াহ নপলায় কিয়।

আশাক ধৰি ৰখা ন'গল। তেওঁ জোৰ কৰিয়েই বিনোদিনীৰ হাত এৰুৱাই বাহিৰলৈ ওলাই গ'ল। বিহাৰীয়েও যাবৰ উপক্ৰম কৰিছিল। বিনোদিনীয়ে সুধিলে, "দেৱৰ-বোপা, মহেন্দ্ৰবাবুৰ কি হৈছে, ক'ব পাৰা নে?"

শুনিয়েই বিহাৰীয়ে অলপ ডাঁৰক লৈ উভতি আহিল। তাৰ পাচত ক'লে, "ক'তা ক'ব তো নোৱাৰোঁ। কিবা হৈছে নেকি?

বিনোদিনী। এৰা বিহাৰী-বোপা, মই দেখোন ভাল যেন দেখা নাই।

বিহাৰীয়ে উদ্বিগ্ন মুখ লৈ পালেঙৰ ওপৰত বহি পৰিল। কথাটো খোলোচাকৈ শুনিবৰ কাৰণে বিনোদিনীৰ মুখৰ পিনে চাই আকুল আগ্ৰহেৰে অপেক্ষা কৰি ৰ'ল। বিনোদিনীয়ে কোনো কথা নকৈ একান্ত মনেৰে চাদৰ চিলোৱাত লাগিল;

অলপ সময় বৈ বিহাৰীয়ে ক'লে, "মহিনদাৰ সম্বন্ধে তুমি বিশেষ কিবা লক্ষ্য কৰিছা নেকি।"

বিনোদিনীয়ে অতি সাধাৰণভাবে ক'লে, "এৰা দেৱৰ-বোপা! মোৰ দেখোন ভাল যেন লগা নাই। মোৰ কেৱল চকুৰ কুটাৰ কাৰণেই চিন্তা হয়।" এইবুলি হুমুনিয়াহ এটা কাঢ়ি চিলাই-কামখিনি তাতে থৈ উঠি যাব খুজিছিল!

বিহাৰীয়ে ব্যস্ত হৈ ক'লে, "বৌদেউ, অলপ বহঁাচোন।" এইবুলি কৈ এখন চকীত বহি পৰিল।

বিনোদিনীয়ে ঘৰৰ সকলোবোৰ দুৱাৰ-খিৰিকী সম্পূর্ণকৈ খুলি দি কেৰাচিনৰ লেমটোৰ ফিটাডাল বঢ়াই দিলে আৰু চিলাইৰ বস্তুখিনি লৈ বিচনাৰ আনটো মূৰত বহিল। তাৰ পাচত ক'লে, "দেৱৰ-বোপা, মই তো চিৰকাল ইয়াত নেথাকোঁ—কিন্তু মই গুচি গ'লে তুমি মোৰ চকুৰ কুটাৰ ওপৰত চকু ৰাখিবা—তেওঁ যেন অসুখী নহয়।" এই বুলি কৈ যেন হৃদয়ৰ উচ্ছাস সম্বৰণ কৰিবৰ কাৰণেই মুখখন আনপিনে ঘূৰাই ল'লে।

বিহাৰীয়ে ক'লে "বৌদেউ, তুমি থাকিবই লাগিব। তোমাৰ নিজৰ বুলিবলৈ কোনোৱেই নাই—এই সৰল প্ৰাণৰ ছোৱালীজনীক সুখে-দুখে ৰক্ষা কৰিবৰ ভাৰ, তুমিয়েই লোৱা। তুমি তেওঁক পেলাই থৈ গ'লে, মই তো আৰু কোনো উপায়েই নেদেখোঁ।"

বিনোদিনী। দেৱৰ-বোপা, তুমি সংসাৰৰ আও-ভাও ভালকৈয়ে জানা। চিৰকাল ইয়াত কেনেকৈ থাকিম। আনে কি ক'ব।

বিহাৰী। আনে যি কয়, ক'বলৈ দিয়া। তুমি কাণ নিদিবা। তুমি দেৱী—এজনী অসহায় ছোৱালীক সংসাৰৰ নিষ্ঠুৰ আঘাতৰ পৰা ৰক্ষা কৰাটো তোমাৰেই উপযুক্ত কাম। বৌদেউ, মই তোমাক প্ৰথমতে চিনি পোৱা নাছিলোঁ, সেইবাবে মোক ক্ষমা কৰা। ময়ো সংকীর্ণ-হৃদয় সাধাৰণ ইতৰজনৰ দৰে মনৰ ভিতৰত তোমাৰ সম্বন্ধে অন্যায় ধাৰণাক ঠাই দিছিলোঁ। এবাৰ এনে ধাৰণা হৈছিল, যেন আশাৰ সুখ দেখি তুমি ঈর্ষা কৰিছা—যেন—কিন্তু সেইবোৰ কথা মুখেৰে উচ্চাৰণ কৰাটোও পাপ। তাৰ পাচত, তোমাৰ দেৱী হৃদয়ৰ পৰিচয় মই পাইছোঁ—তোমাৰ ওপৰত মোৰ গভীৰ ভক্তি জন্মিছে বুলিয়েই, আমি তোমাৰ ওচৰত মোৰ সকলো অপৰাধ স্বীকাৰ নকৰাকৈ

থাকিব নোৱাৰিলোঁ।

বিনোদিনীৰ গোটেই দেহ পুলকিত হৈ উঠিল। যদিও তেওঁ ছলনা কৰিছিল, তথাপি বিহাৰীৰ এই ভক্তি-উপহাৰ তেওঁ আনকি মনৰ ভিতৰতো মিছা বুলি প্ৰত্যাখ্যান কৰিব নোৱাৰিলে। এনে বস্তু তেওঁ কোনোদিন কাৰো পৰা পোৱা নাই। অলপ সময়ৰ কাৰণে ধাৰণা হ'ল, তেওঁ যেন সঁচাসঁচিকৈয়ে পৱিত্ৰ উন্নত—আশাৰ প্ৰতি এক অকাৰণ কৰুণা জাগি চকুৰেদি চকু-লো বৈ আহিল। সেই চকুপানী তেওঁ বিহাৰীৰ পৰা গোপন নকৰিলে, আৰু সেই চকুপানীয়ে বিনোদিনীক নিজৰ ওচৰত নিজকে অতি পূজনীয়া বুলি প্ৰত্যয় জন্মাই দিলে।

বিহাৰীয়ে বিনোদিনীক চকুপানী টোকা দেখি নিজৰ চকুৰো চকু-লো মচিবৰ কাৰণে বাহিৰলৈ উঠি গ'ল আৰু মহেন্দ্ৰৰ কোঠাত সোমালগৈ। মহেন্দ্ৰই হঠাৎ নিজকে পাষণ্ড বুলি কিয় ঘোষণা কৰিলে, বিহাৰীয়ে তাৰ তাৎপৰ্য্য বিচাৰি নেপালে। কোঠাৰ ভিতৰত সোমাই দেখিলে, মহেন্দ্ৰ নাই। খবৰ পালে, মহেন্দ্ৰ ফুৰিবলৈ ওলাই গৈছে। ইতিপূৰ্ব্বে মহেন্দ্ৰই কেতিয়াও কাৰণ নোহোৱাকৈ ঘৰ এৰি নগৈছিল। সুপৰিচিত মানুহ আৰু সুপৰিচিত ঘৰৰ বাহিৰে আন সকলোতে মহেন্দ্ৰই বৰ অস্বস্তি অনুভৱ কৰিছিল। বিহাৰীয়ে ভাবি-চিন্তি লাহে লাহে ঘৰৰ পিনে খোজ ল'লে।

বিনোদিনীয়ে আশাক নিজৰ শোৱনি-কোঠালৈ আনি বুকুৰ মাজলৈ টানি লৈ চকুযুৰি পানীৰে ওপচাই ক'লে, "ভাই চকুৰ কুটা, মই অতি হতভাগিনী, মই অতি কুলক্ষণী।"

আশাই বেজাৰ মনেৰে তেওঁক সাৱটি ধৰি মৰম-মিহলি মাতেৰে ক'লে- "ভাই, কিয় তুমি এনেকৈ কৈছা।"

বিনোদিনীয়ে কান্দি কান্দি ভাগৰি পৰা শিশুৰ দৰে আশাৰ বুকুত মুখখন থৈ ক'লে, "মই য'ত থাকোঁ, তাত কেৱল অমঙ্গলেই ঘটে। দে ভাই মোক এৰি দে। মই মোৰ হাবিতলীয়া ঘৰলৈ উভতি যাওঁগৈ।

আশাই বিনোদিনীৰ থুতৰিটোত ধৰি মুখখন দাঙি লৈ ক'লে, "লক্ষ্মীটি বুলি কৈছোঁ ভাই, এনেকুৱা কথা মুখলৈ নানিবি—তোক এৰি যোৱাৰ কথা আজি মনলৈ বাৰু আনিছ কিয়।"

মহেন্দ্ৰক ক'তো দেখা নেপাই বিহাৰীয়ে কিবা এটা ছেলু লৈ

বিনোদিনীৰ কোঠালৈ আহি মহেন্দ্ৰ আৰু আশাৰ মাজত ঘটা আশঙ্কাৰ কথাটো আৰু অলপ স্পষ্টকৈ শুনিবৰ কাৰণে আগ্ৰহ দেখুৱালে।

পাচদিনা মহেন্দ্ৰক ৰাতিপুৱা তেওঁলোকৰ ঘৰত খাবলৈ যোৱাৰ কথা ক'বৰ বাবে বিনোদিনীকে অনুৰোধ কৰাৰ উপলক্ষ্য লৈয়েই তেওঁ তাত উপস্থিত হৈছিল। "বিনোদ-বৌদেউ" বুলি মাত দিয়েই হঠাৎ কেৰাচিন-লেম্পৰ উজ্জ্বল পোহৰত বাহিৰৰ পৰাই দুয়ো সখীকে সজল চকুৰে আলিঙ্গনত আবদ্ধ হৈ থকা দেখি থমকি ৰৈ গ'ল। আশাৰ হঠাৎ ধাৰণা হ'ল, বিহাৰীয়ে নিশ্চয় তেওঁৰ চকুৰ কুটাক কিবা অন্যায় নিন্দা কৰি কৈছে, সেইবাবেই তেওঁ আজি এনেকৈ গুচি যোৱাৰ কথা তুলিছে। বিহাৰীবাবুৰ ভয়ানক অন্যায়। তেওঁৰ মন পৰিষ্কাৰ নহয়। আশা বিৰক্ত হৈ বাহিৰলৈ ওলাই আহিল। বিহাৰীয়েও বিনোদিনীৰ প্ৰতি ভক্তিৰ মাত্ৰা আৰু অলপ বঢ়াই লৈ, লৰালৰিকৈ বাওনা দিলে।

সেইদিনা ৰাতি মহেন্দ্ৰই আশাক ক'লে, "চুনি, মই কালি পুৱাৰ পেচেঞ্জাৰ খনতে কাশীলৈ যাম।"

আশাৰ বুকুখন চিৰিংকৈ উঠিল—সুধিলে, "কিয়।"

মহেন্দ্ৰই ক'লে, "খুৰীদেউক বহুত দিন দেখা নাই।"

কথাষাৰ শুনি আশাই মনে মনে খুব লাজ অনুভৱ কৰিলে; এই কথা আগতেই তেওঁৰ মনত খেলোৱা উচিত আছিল। নিজৰ সুখ-দুখৰ আকৰ্ষণত তেওঁ যে মাহীয়েকৰ কথা পাহৰি গৈছিল, অথচ মহেন্দ্ৰই সেই প্ৰবাসী তপস্বিনীক স্মৰণ কৰিছে। সেইবাবে নিজকে তেওঁ পাষাণ হৃদয়ৰ বুলি ধিক্কাৰ দিলে।

মহেন্দ্ৰই ক'লে, "তেখেতে মোৰ হাততেই তেখেতৰ সংসাৰৰ একমাত্ৰ স্নেহৰ পাত্ৰীক সমৰ্পণ কৰি দি গৈছে—তেখেতক এবাৰ দেখা নোপোৱাকৈ থাকিলে, একোতেই মই সুস্থিৰ হ'ব নোৱাৰিম।"

কোৱাৰ লগে লগে মহেন্দ্ৰৰ মাতবোৰ থোকাথুকি হৈ আহিল; স্নেহ-পূৰ্ণ নীৰৱ আশীৰ্ব্বাদ আৰু অব্যক্ত মঙ্গল-কামনাৰে বাৰে বাৰে তেওঁ আশাৰ মূৰে-গালে হাত ফুৰাই দিবলৈ ধৰিলে। আশাই এই অকস্মাৎ লাভ কৰা স্নেহাবেগৰ সম্পূৰ্ণ মৰ্ম্ম উপলব্ধি কৰিব নোৱাৰিলে, কেৱল তেওঁৰ হৃদয় বিগলিত হৈ চকু-লো বাগৰি আহিল। আজি গধূলিয়েই বিনোদিনীয়ে

তেওঁক অকাৰণ স্নেহাবেগত যিবোৰ কথা কৈছিল, সেইবোৰ মনত পৰিল। উভয়ৰ মাজত ক'ৰবাত কিবা যোগ আছে নেকি, তেওঁ একো ধৰিব নোৱাৰিলে। কিন্তু ধাৰণা হ'ল, এয়া যেন তেওঁৰ জীৱনত কিহবাৰ এটা সূচনা। শুভ নে অশুভ, কোনে জানে।

ভয় আৰু ব্যাকুলতাৰে তেওঁ মহেন্দ্ৰক আঁকোৱালি ধৰিলে। মহেন্দ্ৰই তেওঁৰ সেই অকাৰণ আশঙ্কাৰ আবেশ অনুভৱ কৰিব পাৰি ক'লে, "চুনি, তোমাৰ ওপৰত তোমাৰ পুণ্যৱতী মাহীদেউৰ আশীৰ্ব্বাদ বৰ্ষিত হৈছে, তোমাৰ কোনো ভয় নাই, কোনো ভয় নাই। তেখেতে তোমাৰ মঙ্গলৰ কাৰণেই তেখেতৰ সকলোবোৰ ত্যাগ কৰি গুচি গৈছে, তোমাৰ কেতিয়াও কোনো অকল্যাণ ঘটিব নোৱাৰে।"

আশাই তেতিয়া দৃঢ়চিত্তেৰে সকলোবোৰ ভয় দূৰ কৰি পেলালে। স্বামীৰ এই আশীৰ্ব্বাদ অক্ষয় কবচৰ দৰে গ্ৰহণ কৰি ল'লে। মনে মনে তেওঁ কেইবাবাৰো তেওঁৰ মাহীয়েকৰ পৱিত্ৰ চৰণধূলি শিৰৰ ওপৰত ল'বলৈ লাগিল আৰু একাগ্ৰচিত্তেৰে ক'লে, "মাহীদেউ, তোমাৰ আশীৰ্ব্বাদে মোৰ স্বামীক যেন সদায় ৰক্ষা কৰে।"

পাচদিনা মহেন্দ্ৰ গ'লগৈ, বিনোদিনীক একোৱেই কৈ নগ'ল। বিনোদিনীয়ে মনে মনে ক'লে, "নিজেই অন্যায় কৰে, আৰু খংটো উঠিল মোৰ ওপৰত। ইমান সাধুপুৰুষ দেখাই নাই। কিন্তু এনেকুৱা সাধুত্ব বেচিদিন নিটিকে।"

## ২৩

সংসাৰত্যাগিনী অন্নপূৰ্ণাই বহুদিন পাচত হঠাৎ মহেন্দ্ৰক অহা দেখা পাই স্নেহ আৰু আনন্দত যিদৰে আপ্লুত হৈ উঠিল, সেইদৰে হঠাৎ তেওঁৰ ভয়ো লাগিল, জানোচা আশাক লৈ মাকৰ লগত মহেন্দ্ৰৰ আকৌ কিবা বিৰোধ ঘটিল আৰু মহেন্দ্ৰই তেওঁৰ ওচৰত আপত্তি জনাই সান্ত্বনা লাভ কৰিবলৈ আহিছে। সৰুৰে পৰা মহেন্দ্ৰৰ যি কোনো বিপদ-আপদ ঘটিলেই খুৰীয়েকৰ ওচৰলৈ ঢপলিয়াই অহাটোৱেই স্বভাৱ। কাৰোবাৰ ওপৰত খং উঠিলে খুৰীয়েকে সেই খঙৰ শাম কটাই দিছে, দুখ-বেজাৰ পালে তাক

সহজে সহ্য কৰি যাবলৈ উপদেশ দিছে। কিন্তু বিয়াৰ পাচৰ পৰা মহেন্দ্ৰৰ জীৱনত সকলোতকৈ ডাঙৰ যি সঙ্কটৰ কাৰণ ঘটিছে, তাৰ প্ৰতিকাৰৰ চেষ্টা দূৰতে থাকক, আনকি কোনোপ্ৰকাৰ সান্ত্বনা পৰ্য্যন্ত দিবলৈ তেওঁ অক্ষম। সেই সম্বন্ধে যিভাৱে যেনেকৈয়েই তেওঁ হস্তক্ষেপ নকৰক, তাৰ ফলত মহেন্দ্ৰৰ সাংসাৰিক বিপ্লৱ আৰু দুগুণ বাঢ়ি উঠিব—এই কথাষাৰ যি মুহূৰ্ত্ততে তেওঁ বুজি উঠিল, সেই মুহূৰ্ত্ততেই তেওঁ সংসাৰ ত্যাগ কৰিলে। বেমাৰী পুতেকে যেতিয়া পানী বিচাৰি কান্দে, আৰু পানী দিয়াটো যেতিয়া কবিৰাজৰ সম্পূৰ্ণ নিষেধ, দুখ কৰি তেতিয়া মাক আনৰ ঘৰলৈ আঁতৰি যায়। অন্নপূৰ্ণায়ো সেইদৰেই নিজকে প্ৰবাস-অভিমুখী কৰিলে। সুদূৰ তীৰ্থবাসত ধৰ্ম্মকৰ্ম্মৰ নিয়মিত অনুষ্ঠানৰ মাজত এই কেইটাদিন সংসাৰৰ কথা পাহৰি আছিল, মহেন্দ্ৰই আকৌ সেইবোৰ বিৰোধৰ কথা উলিয়াই তেওঁৰ ঢাক খাই থকা ঘা-ডোখৰত আঘাত কৰিবলৈ আহিছে নেকি।

কিন্তু মহেন্দ্ৰই আশাক লৈ তেওঁৰ মাকৰ সম্বন্ধে কোনো অভিযোগেই নুতুলিলে। তেতিয়া অন্নপূৰ্ণাৰ আশঙ্কাই অন্য পথ ল'লে। যি মহেন্দ্ৰই আশাক এৰি কলেজলৈ যাব নোৱাৰিছিল, সেই মানুহটোৱেই আজি খুৰায়েকৰ খবৰ ল'বলৈ কাশী ওলালহি কিয়। তেন্তে কি আশাৰ প্ৰতি মহেন্দ্ৰৰ আকৰ্ষণ ক্ৰমে শিথিল হৈ আহিছে। মহেন্দ্ৰক তেওঁ অলপ আশঙ্কাৰ সৈতেই প্ৰশ্ন কৰিলে, "হয় নে মহিন, মোৰ মূৰকে খাৱ, ঠিক কৈ কচোন, চুনি কেনে আছে।"

মহেন্দ্ৰই ক'লে, "তেওঁ তো বেচ ভালেই আছে।"

"আজিকালি তাই কি কৰে, মহিন। তহঁতে এতিয়াও আগৰদৰেই ল'ৰালি কৰিয়েই আছ, নে ঘৰ-সংসাৰৰ কাম-কাজলৈ অলপ মন-কাণ দিয়া হৈছ।"

মহেন্দ্ৰই ক'লে, "ল'ৰালি তেনেই বন্ধ। সকলো গণ্ডগোলৰ মূল সেই চাৰুপাঠ খন যে ক'ত অদৃশ্য হৈছে, তাক আৰু বিচাৰি উলিয়াবৰ সাধ্য কাৰোৱেই নাই। তুমি থকা হ'লে দেখি সুখী হ'লাহেঁতেন—পঢ়া-শুনাৰ প্ৰতি আওকাণ কৰা তিৰোতা মানুহৰ পক্ষে যিমানখিনি কৰ্ত্তব্য, চুনিয়ে সেই সকলোখিনিকেই একান্ত মনে পালন কৰিছে।"

"মহিন, বিহাৰীয়ে কি কৰিছে।"

মহেন্দ্ৰই ক'লে, "নিজৰ কামখিনিৰ বাহিৰে বাকী সকলোবোৰ কৰিছে। টেকেলা-মহৰীয়ে তেওঁৰ বিষয়-সম্পত্তিৰ ওপৰত চকু ৰাখে; অৱশ্যে কোন বিধ চকু ৰাখে, সেইটো সঠিক ক'ব নোৱাৰোঁ। বিহাৰীৰ চিৰকাল সেয়েই দশা। তাৰ নিজৰ কাম আনে চায়, আনৰ কাম সি নিজে চায়।"

অন্নপূৰ্ণাই ক'লে, "সি বিয়া-বাৰু নকৰায় নেকি, মহিন।"

মহেন্দ্ৰই মিচিকিয়া হাঁহি মাৰি ক'লে, "ক'তা, কোনো আয়োজন দেখোন দেখা নাই।"

কথাষাৰ শুনি অন্নপূৰ্ণাই বুকুৰ কোনোবা এডোখৰ গোপন ঠাইত এটা আঘাত পালে। তেওঁ নিশ্চয় বুজিব পাৰিছিল, তেওঁৰ ভাগিনীয়েকক দেখি বিহাৰীয়ে এবাৰ আগ্ৰহেৰে সৈতে বিয়া কৰিবলৈ ওলাইছিল, কিন্তু তাৰ সেই উন্মুখ আগ্ৰহ অকস্মাৎ অতি অন্যায় ভাবে নষ্ট কৰা হৈছে। বিহাৰীয়ে কৈছিল, "খুৰীদেউ, আৰু কোনোদিন মোক বিয়া কৰাবলৈ অনুৰোধ নকৰিবা।" সেই তীব্ৰ অভিমানৰ কথা অন্নপূৰ্ণাৰ কাণত বাজি আছিল। তেওঁৰ একান্ত অনুগত সেই চেনেহৰ বিহাৰীক তেওঁ এনে এটি হিয়া ভাঙি যোৱা অৱস্থাত পেলাই থৈ গুচি আহিল, তাক কোনো সান্ত্বনা দিব নোৱাৰিলে। অন্নপূৰ্ণাই ভয় আৰু দুখ মিহলি ভাব লৈ ৰ'ল, "এতিয়াও বাৰু বিহাৰীৰ আশাৰ প্ৰতি টান বৈ গৈছে নেকি।"

মহেন্দ্ৰই কেতিয়াবা ঠাট্টাৰ ছলেৰে, কেতিয়াবা গম্ভীৰভাবে, তেওঁলোকৰ ঘৰ-সংসাৰৰ সকলোবোৰ নতুন খবৰ জনাবলৈ ধৰিলে; কেৱল বিনোদিনীৰ নামটোকে উচ্চাৰণ নকৰিলে।

এতিয়া কলেজ খোলা, গতিকে কাশীত মহেন্দ্ৰৰ বেচি দিন থকাটো সম্ভৱপৰ নহয়। কিন্তু কঠিন ৰোগৰ পাচত স্বাস্থ্যকৰ ঠাইলৈ গৈ আৰোগ্য লাভ কৰাৰ যি এটা সুখ আছে, মহেন্দ্ৰই কাশীত অন্নপূৰ্ণাৰ ওচৰত থাকি প্ৰত্যেক দিনাই সেই সুখ অনুভৱ কৰিছিল—সেইবাবেই, লাহে লাহে দিনবোৰ কাটি যাবলৈ ধৰিলে। নিজৰ লগত নিজৰে যি এটা বিৰোধ জন্মিবৰ উপক্ৰম হৈছিল, চাওঁতে চাওঁতে সি দূৰ হৈ গ'ল। কেইবাদিনো ধৰি ধৰ্ম-পৰায়ণা অন্নপূৰ্ণাৰ স্নেহময়ী মূৰ্ত্তিৰ সন্মুখত থাকি থাকি, সংসাৰৰ দায়িত্ব পালন ইমান বেচি সহজ আৰু সুখকৰ বুলি ধাৰণা হৈ গ'ল, পূৰ্ব্বৰ আতঙ্কৰ কথা ভাবি নিজে নিজে আমোদ পাবলৈ ধৰিলে। ধাৰণা হ'ল, বিনোদিনী

একেবাৰেই নহয়। আনকি, তেওঁৰ মুখৰ চেহাৰাটো পৰ্য্যন্ত স্পষ্টকৈ মনলৈ আনিব নোৱাৰিলে। অৱশেষত মহেন্দ্ৰই নিজকে চিঞৰি চিঞৰি কব খুজিলে, "আশাক মোৰ হৃদয়ৰ পৰা তিলমানো আঁতৰাই ৰখিব পাৰে, তেনেকুৱা কাকো দেখোন ক'তো দেখা পোৱা নাই।"

মহেন্দ্ৰই অন্নপূৰ্ণাক ক'লে, "খুৰীদেউ, মোৰ কলেজ ক্ষতি হ'বলৈ ধৰিছে—এইবাৰলৈ আহোঁ আৰু। যদিও তুমি সংসাৰৰ মায়া এৰি নিৰ্জ্জনতালৈ গুচি আহিছা—তথাপি মোক অনুমতি দিয়া যাতে মাজে মাজে আহি তোমাৰ ভৰিৰ ধূলি লৈ যাব পাৰোঁ।"

মহেন্দ্ৰই ঘৰলৈ উভতি আহি আশাক যেতিয়া তেওঁৰ মাহীয়েকৰ চেনেহ-উপহাৰ সেন্দুৰৰ টেমা আৰু বগা শিলেৰে সজা টিপচী-লোটা এটা দিলেহি, তেতিয়া তেওঁৰ চকুৰেদি ধাৰাসাৰ পানী পৰিবলৈ ধৰিলে। মাহীয়েকৰ সেই পৰম-স্নেহময় ধৈৰ্য্য আৰু মাহীয়েকৰ প্ৰতি তেওঁলোকৰ আৰু তেওঁৰ শাহুৱেকৰ নানা অত্যাচাৰৰ কথা মনত পৰিলত হৃদয় ব্যাকুল হৈ উঠিল। স্বামীক জনালে, "মোৰ খুব ইচ্ছা গৈছে, এবাৰ মাহীদেউৰ ওচৰলৈ গৈ তেওঁতৰ পৰা ক্ষমা আৰু ভৰিৰ ধূলি লৈ আহোঁ। ই জানো কোনোমতেই ঘটিব নোৱাৰে।"

আশাৰ বেদনা মহেন্দ্ৰই অনুভৱ কৰিলে, আৰু কিছুদিনৰ কাৰণে কাশীৰ মাহীয়েকৰ ওচৰলৈ যায়—এই কথাত তেওঁ সম্মতিও জনালে। কিন্তু আকৌ এবাৰ কলেজ ক্ষতি কৰি আশাক কাশীত থৈ আহিবলৈ যোৱাত অলপ দ্বিধা বোধ কৰিলে।

আশাই ক'লে, "বৰমা ইঁত দেখোন অলপ দিনৰ ভিতৰতে কাশীলৈ যোৱাৰ কথা আছে, লগত গ'লে বেয়া হয় নেকি।"

মহেন্দ্ৰই ৰাজলক্ষ্মীক ক'লেগৈ, "মা, তোমাৰ বোৱাৰীয়ে এবাৰ কাশীলৈ গৈ খুৰীদেউক দেখা কৰি আহিব খুজিছে।"

ৰাজলক্ষ্মীয়ে শ্লেষবাক্য শুনালে, "বোৱাৰী যাব খুজিছে যেতিয়া, যাবই। যা, থৈ আহগৈ আলপৈচান ধৰি।"

মহেন্দ্ৰই যে আকৌ অন্নপূৰ্ণাৰ ওচৰলৈ অহা-যোৱা আৰম্ভ কৰিছে, কথাটো ৰাজলক্ষ্মীৰ মুঠেই ভাল লগা নাই। বোৱাৰীয়েকো যাবলৈ ওলোৱাৰ কথা শুনি মনে মনে আৰু বেচি বিৰক্ত হৈ উঠিল।

মহেন্দ্ৰই ক'লে, "মোৰ কলেজ আছে, মই থ'বলৈ যাব নোৱাৰোঁ। তেওঁৰ বৰদেউতাকৰ লগতে যাব।"

ৰাজলক্ষ্মীয়ে ক'লে "সেইটো তো অতি উত্তম কথা। বৰদেউতাকইত হ'ল ডাঙৰ মানুহ, আমাৰ নিচিনা দুখীয়া মানুহৰ ছাঁটো গচকিলেও সৰ্ব্বনাশ, তেনেকুৱা মানুহৰ লগত যাবলৈ পোৱাটো কিমান ভাগ্যৰ কথা!"

মাকৰ এনেকুৱা বিদ্ৰূপবাণী বাঢি যোৱা দেখি মহেন্দ্ৰৰ মনটোও একেবাৰে কঠিন হৈ উঠিল। মুখেৰে কোনো উত্তৰ নিদি আশাক কাশীলৈ পঠাবলৈ দৃঢ়প্ৰতিজ্ঞ হৈ ওলাই গ'ল।

বিহাৰীয়ে যেতিয়া ৰাজলক্ষ্মীৰ লগত দেখা কৰিবলৈ আহিল. ৰাজলক্ষ্মীয়ে তেতিয়া ক'লে, "হেৰ' বিহাৰী, কথাটো শুনিছ? আমাৰ বোৱাৰীৰ বোলে কাশীলৈ যাবৰ ইচ্ছা।"

বিহাৰীয়ে ক'লে, "মা, তুমি সঁচাই কৈছা নে, মহিনদা আকৌ কলেজ ক্ষতি কৰি কাশীলৈ যাব?"

ৰাজলক্ষ্মীয়ে ক'লে, "নহয় নহয়, মহিন আকৌ কিয় যাব। তেতিয়া হ'লে বিবিগিৰি থাকিল ক'ত। মহিন ইয়াতে থাকিব, বোৱাৰী তেওঁৰ বৰ-মানুহ বৰদেউতাকৰ লগত কাশীলৈ যাব। আটাইবোৰ দেখিছোঁ, চাহেব-বিবি হৈ উঠিল।"

বিহাৰী মনে মনে উদ্বিগ্ন হৈ পৰিল, বৰ্ত্তমান কালৰ চাহেবগিৰি মনত পেলাই অৱশ্যে নহয়। বিহাৰীয়ে ভাবিলে, "কথাটো কি। মহেন্দ্ৰ যেতিয়া কাশীলৈ গ'ল, আশা তেতিয়া ইয়াতে ৰ'ল; আকৌ মহেন্দ্ৰ যেতিয়া উভতি আহিল, আশা তেতিয়া কাশীলৈ যাবলৈ ওলাইছে। দুয়োৰো মাজত কিবা গুৰুতৰ ঘটনা ঘটিছে নেকি। এইদৰে আৰু কিমান দিন চলিব? বন্ধু হৈয়ো আমি ইয়াৰ একো প্ৰতিকাৰ কৰিব নোৱাৰিম—দূৰত থিয় দি থাকিব লাগিব?"

মাকৰ ব্যৱহাৰত অতি ক্ষুব্ধ হৈ মহেন্দ্ৰ তেওঁৰ শোৱনি-কোঠাত বহিছিলহি। বিনোদিনীয়ে ইতিমধ্যে মহেন্দ্ৰৰ লগত সাক্ষাৎ কৰা নাই—সেইবাবেই আশাই তেওঁক ওচৰৰ কোঠাটোৰ পৰা মহেন্দ্ৰৰ ওচৰলৈ লৈ আহিবৰ কাৰণে অনুৰোধ কৰাত ব্যস্ত আছিল।

এনে সময়তে বিহাৰীয়ে মহেন্দ্ৰক সুধিলেহি, "আশা-বৌদেউৰ কাশীলৈ

যোৱাটো স্থিৰ হৈছে নেকি ।"

মহেন্দ্ৰই ক'লে, "নহ'ব কিয় । তাত বাধাটো কি ।"

বিহাৰীয়ে ক'লে, "বাধাৰ কথা কোনে কৈছে । কিন্তু হঠাৎ যে এই খেয়ালটো তোমালোকৰ মগজুত সোমাল ?"

মহেন্দ্ৰই ক'লে, "মাহীৰ লগত দেখা কৰাৰ ইচ্ছা—প্ৰবাসী আত্মীয়ৰ কাৰণে ব্যাকুলতা, মানৱচৰিত্ৰত মাজে মাজে এইবোৰ ঘটি থাকে ।"

বিহাৰীয়ে সুধিলে, "লগত তুমি যাবা নেকি ?"

প্ৰশ্ন শুনিয়েই মহেন্দ্ৰই ভাবিলে, "বৰদেউতাকৰ লগত আশাক পঠোৱাটো উচিত নহয়, এই কথা লৈ আলোচনা কৰিবলৈকে বিহাৰী আহিছে ।" জানোচা বেচি কথা ক'লে খংটো প্ৰকাশ হৈ পৰে, সেইবাবে সংক্ষেপত ক'লে, "ওঁ-হেঁা ।"

বিহাৰীয়ে মহেন্দ্ৰক চিনে । তেওঁৰ যে খং উঠিছে, বিহাৰীয়ে সেইটো নুবুজাকৈ থকা নাছিল । কিন্তু এবাৰ জেদ ধৰি বহিলে যে তেওঁক সহজে বিচলিত কৰিব নোৱাৰি, সেই কথাও তেওঁ জানিছিল । সেইবাবে মহেন্দ্ৰৰ যোৱাৰ কথাটো আৰু উত্থাপন নকৰিলে । মনে মনে ভাবিলে, "বেচেৰী আশাই যদি কিবা বেদনাৰ বোজা লৈয়েই যাবলৈ ওলাইছে, তেন্তে বিনোদিনী লগত গ'লে সেই বেদনাৰ উপশম হ'ব ।" সেইবাবে লাহেকৈ কথাটো ক'লে, "বিনোদ-বৌদেউ তেওঁৰ লগত গ'লে ন'হব জানো ?"

মহেন্দ্ৰই গৰ্জ্জন কৰি উঠিল, "বিহাৰী, তোমাৰ মনৰ ভিতৰত যি কথাটো আছে, তাক তুমি স্পষ্টকৈ কোৱা । মোৰ লগত কুটনীতি কৰাৰ কোনো প্ৰয়োজন নেদেখোঁ । মই জানো, তুমি মনে মনে সন্দেহ কৰিছা । মই বিনোদিনীক ভালপাওঁ । মিছা কথা । মই নেপাওঁ । মোক ৰক্ষা কৰিবৰ কাৰণে তুমি মোক পহৰা দি ফুৰিব নেলাগে । তুমি এতিয়া নিজকে ৰক্ষা কৰা । যদি সৰল বন্ধুত্ব তোমাৰ মনৰ ভিতৰত থাকিলহেঁতেন,তেতিয়া হ'লে কোন কাহানিবাই তুমি মোক তোমাৰ মনৰ কথা খুলি ক'লাহেঁতেন আৰু নিজকে বন্ধুৰ অন্তঃপুৰৰ পৰা বহু দূৰলৈ আঁতৰাই নিলাহেঁতেন । মই তোমাৰ মুখৰ আগতে স্পষ্টকৈ কৈছোঁ, তুমি আশাক ভাল পাবলৈ আৰম্ভ কৰিছা ।"

খুব বেচি দুখ পোৱা ঠাইত কোনোবাই হুয়োখন ভৰিৰে গচকি দিলে,

আহত মাহুহজনে মুহূৰ্ত্তৰ কাৰণে কোনো বিচাৰ নকৰাকৈ আঘাতকাৰীক যিদৰে সকলো শক্তিৰে খুন্দা মাৰি পেলাই দিবৰ চেষ্টা কৰে—কথা কোৱাৰ ভাষা বিচাৰি নোপোৱা বিহাৰীয়েও সেইদৰে শেঁতা মুখখন লৈ তেওঁৰ চকীৰ পৰা উঠি মহেন্দ্ৰৰ পিনে চোঁচা লৈছিল—হঠাৎ বৈ গৈ বহু কষ্টেৰে মুখলৈ মাত আনি ক'লে, "ঈশ্বৰে তোমাক ক্ষমা কৰক, মই বিদায় লৈছোঁ।" এই বুলি কৈ কঁপি কঁপি কোঠাৰ পৰা ওলাই গ'ল।

ওচৰৰ কোঠাটোৰ পৰা বিনোদিনীয়ে দৌৰি ওলাই আহি ক'লে "বিহাৰী দেৱৰ-বোপা!"

বিহাৰীয়ে দেৱালত ভৰ দি অলপ হাঁহিবৰ চেষ্টা কৰি ক'লে, "কি বিনোদ-বৌদেউ।"

বিনোদিনীয়ে ক'লে, "দেৱৰ-বোপা, চকুৰ কুটাৰ লগত ময়ো কাশীলৈ যাম।"

বিহাৰীয়ে ক'লে, "নহয় নহয় বৌদেউ, সেইটো হ'ব নোৱাৰে, কোনো-মতেই হ'ব নোৱাৰে। তোমাক মই মিনতি কৰিছোঁ—মোৰ কথামতে একোৱেই নকৰিবা। মই এই ঘৰৰ কোনোৱেই নহওঁ, মই ইয়াৰ কোনো কথাতেই হস্তক্ষেপ কৰিব নোখোজোঁ, তাৰ ফল ভাল নহ'ব। তুমি দেৱী, তুমি যি ভাল দেখা, তাকেই কৰা। মই আহিলোঁ।"

এই বুলি কৈয়েই বিহাৰীয়ে এটি নম্ৰ নমস্কাৰ জনাই, যাবলৈ লাগিল। বিনোদিনীয়ে ক'লে, "মই দেৱী নহওঁ, দেৱৰ-বোপা! শুনি যোৱা। তুমি গুচি গ'লে, কাৰো ভাল হ'ব নোৱাৰে। ইয়াৰ পাচত মোক দোষ নিদিবা।"

বিহাৰী গ'লগৈ। মহেন্দ্ৰ স্তম্ভিত হৈ বহি আছিল। বিনোদিনীয়ে তেওঁৰ প্ৰতি এটি জ্বলন্ত বজ্ৰৰ দৰে কঠোৰ কটাক্ষ নিক্ষেপ কৰি কাষৰ কোঠাটোত সোমাই পৰিল। সেই কোঠাটোত আশা লাজতে মুচ্‌কচ্‌ যাবলৈ ধৰিছিল। বিহাৰীয়ে তেওঁক ভাল পায়, এই কথাষাৰ মহেন্দ্ৰৰ মুখত শুনি তেওঁৰ মুৰ দাঙিব নোৱাৰা হৈছিল। কিন্তু তেওঁৰ প্ৰতি বিনোদিনীৰ কোনো দয়া নেজাগিল। আশাই যদি তেতিয়া চকুযুৰি দাঙি চালেহেঁতেন, তেনেহ'লে তেওঁ ভয় খালেহেঁতেন। সমস্ত সংসাৰৰ ওপৰতে বিনোদিনীৰ যেন এক প্ৰবল প্ৰতিহিংসাৰ ভাব জাগি উঠিছিল। কোনে কয়, মিছা

কথা! বিনোদিনাক কোনোৱেই ভাল নেপায় বুলি। বাঃ! সকলোৱে ভালপায় কেৱল এই লাজতে মৰহি যোৱা ক্ষীৰৰ পুতলাটিক!

মহেন্দ্ৰই সেই যে বিহাৰীৰ আগত আবেগত কৈ পেলাইছিল, "মই পাষণ্ড" —তাৰ পাচত যেতিয়া আবেগৰ উপশম ঘটিল, তেতিয়াৰ পৰা সেই আকস্মিক আত্ম-প্ৰকাশৰ কাৰণে বিহাৰীৰ সমুখত মহেন্দ্ৰ সদায় কুণ্ঠিত হৈ ফুৰিছিল। তেওঁ মনে মনে ধৰি লৈছিল, তেওঁৰ সকলোবোৰ কথাই ব্যক্ত হৈ পৰিছে। তেওঁ বিনোদিনীক ভাল নেপায়, অথচ বিহাৰীয়ে জানিব পাৰিছে যে তেওঁ ভালপায়,—এইবাবে বিহাৰীৰ ওপৰত তেওঁৰ এটা সাংঘাতিক বিৰক্তি জন্মিবলৈ ধৰিছিল। বিশেষকৈ, তাৰ পাচৰ পৰা যিমানবাৰ তেওঁ বিহাৰীৰ সম্মুখীন হৈছিল, সিমানবাৰ তেওঁৰ ধাৰণা হৈছিল যেন বিহাৰীয়ে যথেষ্ট কৌতূহল লৈ তেওঁৰ এটা ভিতৰৰ কথা জানিবলৈ বিচাৰিছে। সেই সকলোবোৰ বিৰক্তি ক্ৰমে সঞ্চিত হৈ উঠিছিল—আজি সামান্য আঘাততে সি ব্যাহিৰ হৈ পৰিল।

কিন্তু বিনোদিনী যিদৰে ওচৰৰ কোঠাটোৰ পৰা ব্যাকুলভাবে দৌৰি আহিছিল, আৰু যিধৰণে আৰ্ত্তকণ্ঠেৰে বিহাৰীক ৰাখিবৰ চেষ্টা কৰিছিল আৰু বিহাৰীৰ আদেশ পালন কৰি আশাৰ লগত কাশীলৈ যাবলৈ প্ৰস্তুত হৈছিল, সেই সকলোবোৰ মহেন্দ্ৰৰ কাৰণে অভাৱনীয় ঘটনা। এই দৃশ্যটোৱে মহেন্দ্ৰক প্ৰবল আঘাতেৰে অভিভূত কৰি তুলিলে। তেওঁ কৈছিল, তেওঁ বিনোদিনীক ভাল নেপায়; কিন্তু যি শুনিলে, যি দেখিলে, সি তেওঁক সুস্থিৰ হ'বলৈ নিদিলে, চাৰিওপিনৰ পৰা তেওঁক বিচিত্ৰ ধৰণে কষ্ট দিবলৈ ধৰিলে। আৰু কেৱল নিষ্ফল পৰিতাপেৰে সৈতে মনে মনে ভাবিবলৈ লাগিল, "বিনোদিনীয়ে শুনিছে—মই কৈছোঁ, 'মই তেওঁক ভাল নেপাওঁ'।"

## ২৪

মহেন্দ্ৰই ভাবিবলৈ ধৰিলে, "মই কৈছোঁ, 'মিছা কথা, মই বিনোদিনীক ভাল নেপাওঁ।' অতি কঠিন কৈ কৈছোঁ। মই যে তেওঁক ভালপাওঁ, সেইটো জানিবা নহয়েই; কিন্তু ভাল নেপাওঁ, এই কথাষাৰ অতি কঠোৰ। এই কথাত আঘাত নোপোৱা তিৰোতা মানুহ কোন আছে। ইয়াৰ প্ৰতিবাদ

কৰিবৰ অৱকাশ কেতিয়া ক'ত হ'ব পাৰে। ভালপাওঁ, এই কথাটো ক'ব নোৱাৰি সঁচা; কিন্তু ভাল নেপাওঁ, এই কথাটোকে অলপ বং লগাই, মোলায়েম কৰি কোৱা উচিত। বিনোদিনীৰ মনত এনে এটা নিষ্ঠুৰ অথচ ভুল সংস্কাৰ থাকিবলৈ দিয়াটো অন্যায়।"

ইয়াৰ পাচতে মহেন্দ্ৰই তেওঁৰ বাকচৰ পৰা আকৌ এবাৰ তেওঁৰ চিঠি তিনিখন উলিয়াই আনি পঢ়ি চালে। নিজকে নিজেই ক'লে, "বিনোদিনীয়ে মোক যে ভালপায়, তাত কোনো সন্দেহ নাই। কিন্তু কালি তেওঁ বিহাৰীৰ ওচৰত এই ৰূপ লৈ ওলালহি কিয়। হয়তো কেৱল মোক দেখুৱাবৰ কাৰণে। মই যেতিয়া তেওঁক ভাল নেপাওঁ বুলি স্পষ্টকৈ কৈ দিলোঁ, তেতিয়া যি কোনো সুযোগ পালেই তেওঁ মোৰ ভালপোৱা প্ৰত্যাখ্যান নকৰি, কি কৰিব। এনেকৈয়ে মোৰ ওচৰত অবমাননা পাই হয়তো তেওঁ বিহাৰীকো ভাল পাই পেলাব পাৰে।"

মহেন্দ্ৰৰ ক্ষোভ ইমানেই বাঢ়ি উঠিল যে, নিজৰ চাঞ্চল্য দেখি তেওঁ নিজেই আচৰিত মানিলে আৰু ভয় খাই গ'ল। বিনোদিনীয়ে জানিবা শুনিলেই, মহেন্দ্ৰই তেওঁক ভাল নেপায়—তাতেই বা দোষ কি। অভিমানিনী বিনোদিনীয়ে এই কথা শুনি জানিবা তেওঁৰ পৰা মনটো আঁতৰাই নিবলৈ চেষ্টা কৰিব—তাতেই বা ক্ষতি কি। ধুমুহাৰ সময়ত জাহাজৰ শিকলিয়ে যেনেকৈ নঙ্গৰডাল টানি ধৰে, মহেন্দ্ৰয়ো তেনেকৈ ব্যাকুলভাবে আশাক যেন অতিৰিক্ত জোৰ কৰি টানি ধৰিলে।

ৰাতি মহেন্দ্ৰই আশাৰ মুখখন বুকুৰ ওচৰলৈ টানি আনি সুধিলে, "চুনি, তুমি মোক কিমানখিনি ভালপোৱা, সঠিককৈ কোৱা।"

আশাই ভাবিলে, "ই আকৌ কেনে প্ৰশ্ন। বিহাৰীক লৈ যি এটা অত্যন্ত লাজ-লগা কথা উঠিছে, তাৰ বাবেই নেকি তেওঁৰ ওপৰত সংশয়ৰ ছাঁ পৰিছে।" তেওঁ লাজতে মৰহি গৈ ক'লে, "ছিঃ, আজি তুমি এনে প্ৰশ্ন কিয় কৰিলা। তোমাৰ ভৰিত ধৰি কাকুতি কৰিছোঁ, মোক খোলাখুলিকৈ কোৱা —মোৰ ভালপোৱাত তুমি কেতিয়া কোনখিনিত কিহৰ অভাৱ দেখা পাইছা।"

মহেন্দ্ৰই আশাক উৎপীড়ন কৰি তেওঁৰ ভিতৰৰ মাধুৰ্য্যখিনি উলিয়াই আনিবৰ কাৰণে ক'লে, "তেনেহ'লে তুমি কাশীলৈ যাব খুজিছা কিয়।"

আশাই ক'লে, "মই কাশীলৈ যাব নেখোজোঁ। মই ক'লৈকো নেযাওঁ।"

মহেন্দ্র। তেতিয়া দেখোন যাব খুজিছিলা।

আশাই খুব বেজাৰেৰে ক'লে, "তুমি তো জানাই, কিয় যাব খুজিছিলোঁ।"

মহেন্দ্র। মোক এৰি হবলা তোমাৰ মাহীৰ ওচৰত খুব সুখেৰে থকাৰ মন।

আশাই ক'লে, "কেতিয়াও নহয়। মই সুখৰ কাৰণে যাব খোজা নাই।"

মহেন্দ্রই ক'লে, "মই কিন্তু সঁচাকৈয়ে কৈছোঁ, তুমি আন কাৰোবাক বিয়া কৰোৱা হ'লে বহু বেচি সুখী হ'লাহেঁতেন।"

কথাবাৰ শুনা মাত্ৰকে আশাই চকু-পচাৰতে মহেন্দ্রৰ বুকুৰ পৰা ওলাই, গাৰুৰ মাজত মুখ গুঁজি, এডোখৰ কাঠৰ দৰে নিস্পন্দ হৈ ৰ'ল—অলপ পাচতে, তেওঁৰ কান্দোনখিনি বাধা নেমানি ওলাই আহিল। মহেন্দ্রই তেওঁক সান্ত্বনা দিবৰ কাৰণে বুকুৰ মাজলৈ টানি ল'বৰ চেষ্টা কৰিলে, আশাই গাৰুটোৰ মোচ এৰি নিদিলে। পতিব্রতাৰ এই অভিমান দেখা পাই মহেন্দ্র সুখে, অহঙ্কাৰে, ধিক্কাৰে ক্ষুব্ধ হ'বলৈ লাগিল।

যিবোৰ কথা ইমানদিনে ভিতৰে-ভিতৰে কেৱল আভাসৰ ৰূপত আছিল, হঠাৎ সেইবোৰ স্পষ্ট কথাৰে ফুটি উঠিলত সকলোৰে মনত এটা গোলমালৰ সৃষ্টি হৈ গ'ল। বিনোদিনীয়ে মনে মনে ভাবিবলৈ ধৰিলে—এনে স্পষ্ট অভিযোগৰ বিৰুদ্ধে বিহাৰীয়ে কিয় কোনো প্রতিবাদ নকৰিলে। যদি সি মিছা প্রতিবাদো হ'লহেঁতেন, তথাপি যেন বিনোদিনী অলপ সুখী হ'লহেঁতেন। ভালেই হৈছে, মহেন্দ্রই বিহাৰীক যি আঘাত কৰিছে, সি তেওঁৰ প্রাপ্যই আছিল। বিহাৰীৰ দৰে ইমান মহৎ লোকে আশাক কিয় ভালপাব লাগে। এই আঘাতে বিহাৰীক যে দূৰলৈ লৈ গৈছে, সি যেন ভাললৈকে হৈছে—বিনোদিনী যেন নিশ্চিন্ত হৈ পৰিল।

কিন্তু বিহাৰীৰ সেই মৃত্যুবাণেৰে আহত নিস্তেজ শেঁতা মুখখনে বিনোদিনীক সকলো কামৰ মাজতে যেন অনুসৰণ কৰি ফুৰিবলৈ ধৰিলে। বিনোদিনীৰ অন্তৰত যি সেৱা-পৰায়ণা নাৰী-প্রকৃতি আছিল, সি সেই আৰ্ত্ত

মুখ দেখি কান্দি উঠিল। রুগ্ন শিশুক মাকে যেনেকৈ বুকুৰ ওচৰত লৈ নচুৱাই ফুৰায়, ঠিক সেইদৰে সেই আতুৰ মূৰ্ত্তিক বিনোদিনীয়ে আপোন হৃদয়ৰ মাজত থৈ নচুৱাই নচুৱাই নিচুকাবলৈ ধৰিলে; তেওঁক সুস্থ কৰি তুলি সেই মুখত আকৌ তেজৰ ৰেখা, প্ৰাণৰ প্ৰবাহ, হাঁহিৰ বিকাশ দেখা পাবৰ কাৰণে বিনোদিনীৰ এক অধীৰ আগ্ৰহ জাগি উঠিল।

দুই-তিনি দিন ধৰি সকলো কামৰ মাজতে এইদৰে উন্মনা হৈ ঘূৰি ফুৰাৰ পাচত বিনোদিনী আৰু থাকিব নোৱাৰিলে। বিনোদিনীয়ে এখন সান্ত্বনাৰ চিঠি লিখিলে,—

"দেৱৰ-বোপা, মই তোমাৰ সিদিনাৰ সেই শুকান মুখখনি দেখাৰ পাচৰে পৰা মনেপ্ৰাণে কামনা কৰিছোঁ, তুমি সুস্থ হৈ উঠা, তুমি আগেয়ে যেনেকুৱা আছিলা, তেনেকুৱা হৈ উঠা—সেই সহজ হাঁহি আকৌ কেতিয়া দেখা পাম, সেই উদাৰ কথা আকৌ কেতিয়া শুনিবলৈ পাম। তুমি কেনে আছা, মোক অন্ততঃ এশাৰী লিখি জনাবা।

তোমাৰ বিনোদ-বৌদেউ।"

বিনোদিনীয়ে দাৰোৱানৰ হাতত বিহাৰীৰ ঠিকনাত চিঠিখন পঠাই দিলে।

আশাক বিহাৰীয়ে ভালপায়, এই কথা যে ইমান ৰূঢ় ভাবে, ইমান গৰ্হিতভাবে মহেন্দ্ৰই মুখেৰে উচ্চাৰণ কৰিব পাৰিব, সি বিহাৰীৰ কল্পনাৰো অগোচৰ আছিল। কাৰণ, তেওঁ নিজেও এনেকুৱা কোনো কথা স্পষ্টকৈ কেতিয়াও মনত ঠাই দিয়া নাছিল। প্ৰথমতে ব্ৰজাহত হৈছিল—তাৰ পাচত খং আৰু ঘৃণাত ছটফট কৰি ক'বলৈ লাগিল, "অন্যায়, অসঙ্গত, অমূলক।"

কিন্তু কথাটো এবাৰ যেতিয়া উচ্চাৰিত হ'ল, তেতিয়া তাক আৰু সম্পূৰ্ণৰূপে মাৰি পেলোৱা অসম্ভৱ। তাৰ মাজত যিকণ সত্যৰ বীজ আছিল, সি চাওঁতে-চাওঁতে অঙ্কুৰিত হৈ উঠিল। ছোৱালী চাবৰ কাৰণে সেই যে এদিন গধূলি সময়ত ফুলনিৰ উচ্ছ্বসিত পুষ্পগন্ধ প্ৰবাহেৰে লজ্জিতা এজনী ছোৱালীৰ সুকুমাৰ মুখখনি তেওঁ নিতান্তই নিজৰ বুলি ভাবিয়েই বিগলিত অনুৰাগ লৈ এবাৰ চাই লৈছিল। সেই কথাটোকে বাৰে বাৰে

মনত পৰিবলৈ ধৰিলে, আৰু বুকুৰ ওচৰত কিবা এটাই যেন হেঁচি ধৰিলে। এটা অতি কঠিন বেদনাৰে যেন ডিঙিৰ ওচৰলৈকে আলোড়িত হৈ উঠিল। ওবে নিশা ছাদৰ ওপৰত শুই শুই, ঘৰৰ সমুখৰ বাটেদি ঘন ঘনকৈ খোজ দি ফুৰোঁতে, ইমানদিন ধৰি যি কথা অব্যক্ত হৈ আছিল, সেই কথা বিহাৰীৰ মনত ব্যক্ত হৈ উঠিল। যি বস্তু সংযত হৈ আছিল, সেই বস্তু উদ্দাম হৈ উঠিল; নিজৰ ওচৰতো যাৰ কোনো প্ৰমাণ নাছিল, মহেন্দ্ৰৰ কথাত সি যেন বিৰাট প্ৰাণ পাই বিহাৰীৰ অন্তৰ বাহিৰ সকলোতে বিয়পি পৰিল।

তেতিয়া তেওঁ নিজকে অপৰাধী বুলি ধৰি ল'লে। মনে মনে ক'বলৈ লাগিল, "মোৰ যে খং উঠাটোৱেই অশোভন। মহেন্দ্ৰৰ ওচৰত ক্ষমা খুজি বিদায় লোৱাই উচিত। সিদিনা এনেকুৱাকৈ গুচি আহিছিলোঁ, যেন মহেন্দ্ৰ দোষী, মই বিচাৰক—সেই অন্যায় স্বীকাৰ কৰি আহিম।"

বিহাৰীয়ে ভাবিছিল, আশা কাশীলৈ গ'লগৈ। এদিন তেওঁ সন্ধ্যা সময়ত ধীৰে ধীৰে মহেন্দ্ৰৰ দুৱাৰ-মুখত উপস্থিত হ'লহি। ৰাজলক্ষ্মীৰ দূৰ সম্পৰ্কীয়া মোমায়েক সাধুচৰণক দেখা পাই সুধিলে, "সাধুদা, কেইবাদিনো আহিব পৰা নাই—ইয়াৰ সকলো খবৰ ভাল নিশ্চয়?" সাধুচৰণে সকলোৰে কুশল-বাৰ্ত্তা জনালে। বিহাৰীয়ে সুধিলে, "বৌদেউ কাশীলৈ কেতিয়া গ'ল।" সাধুচৰণে ক'লে, "তেওঁ যোৱা নাই। তেওঁৰ আৰু কাশীলৈ যোৱা নহ'ব।" কথাষাৰ শুনি, কোনো বাধা নেমানি অন্তঃপুৰলৈ যাবৰ কাৰণে বিহাৰীৰ মনটো ব্যাকুল হৈ উঠিল। আগতে যিদৰে সহজ ভাবেৰে আৰু আনন্দ মনেৰে আত্মীয়ৰ নিচিনাকৈ তেওঁ পৰিচিত খটখটীয়েদি উঠি ভিতৰলৈ গৈছিল, সকলোৰে লগত স্নিগ্ধ কৌতুকেৰে হাঁহি-ধেমালি কৰি কথা-বতৰা পাতি আহিছিল, একোৱেই সংকোচ নহৈছিল, আজি সেইবোৰ অবিহিত আৰু দুৰ্লভ বুলি জানিয়েই তেওঁৰ চিত্ত যেন উন্মত্ত হৈ উঠিল। আৰু মাত্ৰ এবাৰ, কেৱল শেষবাৰৰ কাৰণে, ঠিক তেনেকৈয়ে ভিতৰলৈ গৈ ঘৰৰ ল'ৰাৰ দৰে ৰাজলক্ষ্মীৰ লগত কথা পাতি উঠি, এবাৰ ওৰণিৰ মাজত ঢাক খাই থকা আশাক বৌদেউ বুলি দুটামান তুচ্ছ কথা কৈ আহিব পৰাটো তেওঁৰ বাবে পৰম আকাঙ্ক্ষাৰ বিষয় হৈ উঠিল। সাধুচৰণে ক'লে, "ভাই, আন্ধাৰতে থিয় হৈ ৰ'লা যে। ভিতৰলৈ ব'লা।"

সেই কথা শুনি বিহাৰীয়ে লৰালৰিকৈ ভিতৰৰ পিনে কেইখোজমান দিয়েই আকৌ উভতি লৈ সাধুক ক'লে, "যাওঁ, কাম এটা আছে।" এইবুলি কৈয়েই লৰালৰিকৈ প্ৰস্থান কৰিলে। সেই ৰাতিয়েই বিহাৰী পশ্চিম অভিমুখে ৰাওণা হ'ল।

দাৰোৱানে বিনোদিনীৰ চিঠি লৈ বিহাৰীক লগ নেপাই চিঠিখন ওভোতাই আনিলে। মহেন্দ্ৰই তেতিয়া দুৱাৰ-মুখৰ সৰু ফুলনিখনতে তহল দি আছিল। সুধিলে, 'এইখন কাৰ চিঠি।" দাৰোৱানে সকলোখিনি ক'লে। মহেন্দ্ৰই চিঠিখন নিজৰ হাতলৈ ল'লে।

এবাৰ তেওঁ ভাবিলে, চিঠিখন লৈ বিনোদিনীৰ হাতত দিবগৈ—অপৰাধিনী বিনোদিনীৰ লাজত জঁয় পৰি যোৱা মুখখন এবাৰ তেওঁ চাই আহিব—কোনো কথা নকয়। এই চিঠিৰ মাজত বিনোদিনীৰ যে লাজ লগাৰ কাৰণ আছেই, মহেন্দ্ৰৰ মনত সেই বিষয়ে কোনো সন্দেহ নাছিল। মনত পৰি গ'ল, আগতেও আৰু এদিন বিহাৰীৰ নামত এনেকুৱাই এখন চিঠি গৈছিল। চিঠিত কি লিখা আছে, এই কথা নজনাকৈ মহেন্দ্ৰ একোতেই থিৰেৰে থাকিব নোৱাৰা হ'ল। মনক তেওঁ বুজালে—বিনোদিনী তেওঁৰ অভিভাবকতাতে আছে, বিনোদিনীৰ মঙ্গলামঙ্গলৰ বাবে তেওঁ দায়ী। গতিকে, এনেকুৱা সন্দেহজনক চিঠি খুলি চোৱাটোৱেই কৰ্ত্তব্য। বিনোদিনীক কোনোমতেই বিপথে যাবলৈ এৰি দিব নোৱাৰি।

মহেন্দ্ৰই সৰু চিঠিখন খুলি পঢ়িলে। চিঠিখন অতি সৰল ভাষাত লিখা, সেইবাবে নিৰ্ভেজাল উদ্বেগখিনি তাৰ মাজৰ পৰা পৰিষ্কাৰ ৰূপত প্ৰকাশ পাইছিল। চিঠিখন কেইবাবাৰো পঢ়াৰ পাচতো বহুত চিন্তা কৰিও মহেন্দ্ৰই নিৰ্ণয় কৰিব নোৱাৰিলে, বিনোদিনীৰ মনৰ গতি কোন পিনে। তেওঁৰ কেৱল এই আশঙ্কাই বেচি হ'ল, "মই যে তেওঁক ভাল নেপাওঁ বুলি অপমান কৰিছোঁ, সেই অভিমানতেই বিনোদিনীয়ে আনপিনে মন দিবৰ চেষ্টা কৰিছে। খং উঠি তেওঁ মোৰ আশা সমূলঞ্চে ত্যাগ কৰিছে।"

এই কথা ভাবি মহেন্দ্ৰৰ পক্ষে ধৈৰ্য্য ৰক্ষা কৰা একেবাৰে অসম্ভৱ হৈ উঠিল। যি বিনোদিনীয়ে তেওঁৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ আহিছিল, তেওঁ যে মুহূৰ্ত্তৰ মূঢ়তাৰ বাবেই সম্পূৰ্ণ অধিকাৰচ্যুত হৈ যাব, সেই সম্ভাৱনাই মহেন্দ্ৰক অস্থিৰ কৰি তুলিলে। মহেন্দ্ৰই ভাবিলে, "বিনোদিনীয়ে যদি মোক

মনে মনে ভালপায়, সি বিনোদিনীৰ পক্ষে মঙ্গলকৰ—কাৰণ, একে ঠাইতে সি আৱদ্ধ হৈ ৰ'ব। মই নিজৰ মনটোক চিনি পাওঁ, মই তো কেতিয়াও তেওঁৰ প্ৰতি অন্যায় নকৰো। তেওঁ মোক নিৰ্ভয়ে ভালপাব পাৰে। মই আশাক ভালপাওঁ, মোৰ পৰা তেওঁৰ কোনো ভয় নাই। কিন্তু তেওঁ যদি আন কোনোবা পিনে মন দিয়ে, তেন্তে তেওঁৰ যে কি সৰ্ব্বনাশ ঘটিব পাৰে, কোনে জানে।" মহেন্দ্ৰই সিদ্ধান্ত কৰিলে, নিজক ধৰা নিদিয়াকৈ বিনোদিনীৰ মন সুবিধা পালেই আকৌ এবাৰ ঘুৰাই আনিবই লাগিব।

মহেন্দ্ৰই অন্তঃপুৰত প্ৰবেশ কৰিয়েই বিনোদিনীক মাজ-বাটতে দেখা পালে—বিনোদিনী যেন কাৰোবাৰ বাবে উৎকণ্ঠিত হৈ বৈ আছে। লগে লগে মহেন্দ্ৰৰ মনত নিমিষতে বিদ্বেষৰ জুই জ্বলি উঠিল। বিনোদিনীক ক'লে, "বোলোঁ হেৰা, মিছাই থিয় দি আছা, দেখা পোৱাৰ আশা নাই। এয়া লোৱা তোমাৰ চিঠি উভতি আহিছে।" এইবুলি চিঠিখন আগবঢ়াই দিলে।

বিনোদিনীয়ে ক'লে, "খোলা দেখোন!"

মহেন্দ্ৰই তাৰ উত্তৰ নিদি আঁতৰি গ'ল। বিহাৰীয়ে চিঠি খুলি পঢ়ি উঠাৰ আগতে কোনো উত্তৰ নিদিয়াকৈয়ে চিঠিখন ওভোতাই পঠাইছে বুলি ভাবি বিনোদিনীৰ গোটেই গা জ্বলি উঠিল। যি দাৰোৱানটোৱে চিঠিখন লৈ গৈছিল, তাক মাতি পঠালে, সি আন কামত যোৱাৰ বাবে, তাক পোৱা নগ'ল। চাকিৰ মুখৰ পৰা যেনেকৈ তেলৰ টোপাল সৰি পৰে, বন্ধ শোৱনি-কোঠাৰ ভিতৰত বিনোদিনীৰ দীপ্ত চকুযুৰিৰ পৰাও ঠিক তেনেকৈয়ে হৃদয়ৰ জ্বালা অশ্ৰুৰ টোপাল হৈ নিগৰি-নিগৰি পৰিল। নিজৰ চিঠিখন ফালি ছিৰাছিৰ কৰিও তেওঁ কোনো সান্ত্বনা নেপালে—সেই দুই-চাৰি লাইন চিয়াঁহীৰ দাগ অতীতৰ বুকুৰ পৰা, বৰ্ত্তমানৰ বুকুৰ পৰা, একেবাৰে মচি পোলোৱাৰ, একেবাৰে নোহোৱা কৰি দিবৰ উপায় কিয় নাই। খঙৰ ভমকত মৌ-মাখিয়ে যেনেকৈ সমুখত যাকে পায় তাকেই দংশন কৰে, ঠিক সেইদৰে মানিনীৰ মনো চাৰিওপিনৰ সংসাৰখনকে পুৰি ছাই কৰি পেলাবৰ কাৰণে প্ৰস্তুত হৈ পৰিল। তেওঁ যি বিচাৰে, সকলোতে বাধা? ক'তো তেওঁ কৃতকাৰ্য্য হ'ব নোৱাৰিব নেকি। সুখেই যদি বিচাৰি নেপালে, তেন্তে যিবোৰ মানুহ তেওঁৰ সকলো সুখৰ অন্তৰায়, যিবোৰ মানুহে তেওঁক কৃতাৰ্থ হোৱাৰ পৰা ভ্ৰষ্ট, সকলো সন্তৰপৰ সম্পদৰ পৰা বঞ্চিত কৰি আহিছে, সেই

সকলোবোৰকে পৰাস্ত কৰি ধূলিত লুণ্ঠিত কৰিব পাৰিলেহে, তেওঁৰ ব্যৰ্থ জীৱনৰ কৰ্ম্ম সমাধা হ'ব।

## ২৫

সেইদিনা নতুন ফাগুনৰ প্ৰথম বসন্তৰ এচাটি বতাহ বৈ অহাৰ লগে লগে আশাই বহুত দিনৰ মূৰত সন্ধ্যাৰ লগে লগে ছাদৰ ওপৰত কঠ এখন পাৰি বহিল। এখন মাহিলি আলোচনী হাতত লৈ, তাত খণ্ডে-খণ্ডে প্ৰকাশ হোৱা এটা গল্প খুব মনোযোগ দি সেই ক্ষীণ পোহৰতে পঢ়িবলৈ লাগিল। গল্পৰ নায়ক তেতিয়া এবছৰ পাছত পূজাৰ ছুটিত ঘৰলৈ আহোঁতে ডকাইতৰ হাতত পৰিছে, আশাৰ হৃদয় তেতিয়া উদ্বেগত কঁপি উঠিছে। আনহাতে হতভাগিনী নায়িকাই ঠিক সেই সময়তে বিপদৰ স্বপ্ন দেখি কান্দি কান্দি সাৰ পাই উঠিছে। আশাই চকু-লো সামৰিব নোৱাৰিলে। আশা বঙালী গল্পৰ অতি উদাৰ সমালোচক। যিহকে নপঢ়ক, সেয়েই অতি সুন্দৰ যেন লাগি যায়। বিনোদিনীক মাতি আনি কয়, "ভাই চকুৰ কুটা, মোৰ মূৰকে খাৱ, এই গল্পটো পঢ়ি চাচোন। ইমান সুন্দৰ। পঢ়ি পঢ়ি কান্দোন ৰাখিব পৰা নাই।" বিনোদিনীয়ে ভাল-বেয়া বিচাৰ কৰি আশাৰ উচ্ছ্বসিত উৎসাহক ৰূঢ় আঘাত কৰিছিল।

আজিৰ এই গল্পটো আশাই মহেন্দ্ৰক পঢ়াব বুলি স্থিৰ কৰি যেতিয়া সজল-চকুৰে আলোচনীখন জপাই থৈছিল, ঠিক এনে সময়তে মহেন্দ্ৰ আহি ওলালহি। মহেন্দ্ৰৰ মুখখন দেখিয়েই আশা ব্যাকুল হৈ উঠিল। মহেন্দ্ৰই জোৰকৈ প্ৰফুল্লতা আনিবৰ চেষ্টা কৰি ক'লে, "অকলসৰে ছাদৰ ওপৰত কোন ভাগ্যবানৰ আৰাধনাত ব্যস্ত।"

আশাই নায়ক-নায়িকাৰ কথা তেনেই পাহৰি গৈ সুধিলে, "তোমাৰ আজি গা ভাল নহয় নেকি?"

মহেন্দ্ৰ। গা ভালেই আছে।

আশা। তেনেহ'লে তুমি মনে মনে কি ভাবি আছা, মোক খুলি কোৱাচোন।

মহেন্দ্ৰই আশাৰ বটাৰ পৰা তামোল এখন লৈ মুখত ভৰাই

ক'লে, "মই ভাবিছিলোঁ, তোমাৰ মাহীদেৱেৰাই তোমাক যে কিমান দিন ধৰি দেখা পোৱা নাই। এবাৰ হঠাৎ যদি তেওঁৰ আগত ওলাবগৈ পাৰা, তেওঁ যে কিমান সুখী হ'ব।"

আশাই কোনো উত্তৰ নিদি মহেন্দ্ৰৰ মুখৰ পিনে চাই ৰ'ল। হঠাৎ এই কথাটো আকৌ এবাৰ নতুনকৈ মহেন্দ্ৰৰ মনত কিয় উদয় হ'ল, তাক তেওঁ বুজিব নোৱাৰিলে।

আশাক মনে মনে থকা দেখি মহেন্দ্ৰই ক'লে, "তোমাৰ বাৰু যাবৰ মন নেযায় নে।"

এই কথাৰ উত্তৰ দিয়া কঠিন। মাহীক চাবলৈ যাবৰ কাৰণে ইচ্ছা জাগে, আনহাতে মহেন্দ্ৰক এৰি যাবলৈয়ো ইচ্ছা নহয়। আশাই ক'লে, "কলেজ বন্ধ হ'লে তুমি যেতিয়া যাব পাৰিবা, তেতিয়া ময়ো লগতে যাম।"

মহেন্দ্ৰ। বন্ধ হ'লেও যাবৰ সাধ্য নাই; পৰীক্ষাৰ কাৰণে সাজু হ'ব লাগিব।

আশা। তেন্তে থাকক। এতিয়া নেযাওঁৱেই।

মহেন্দ্ৰ। থাকক মানে। যাব খুজিছিলা যেতিয়াই, যোৱাই চোন।

আশা। ওঁ-হো, মোৰ যাবৰ ইচ্ছা নাই।

মহেন্দ্ৰ। সৌ সিদিনালৈকে ইমান ইচ্ছা আছিল, হঠাৎ ইচ্ছাটো নোহোৱা হ'ল যে?

আশাই কথাষাৰ শুনি মনে মনে তলমূৰ কৰি বহি ৰ'ল। বিনোদিনীৰ লগত সন্ধি পাতিবৰ কাৰণে বাধাহীন অৱসৰ বিচাৰি মহেন্দ্ৰৰ মন ভিতৰি-ভিতৰি অতি অধীৰ হৈ উঠিছিল। আশাক মনে মনে থকা দেখি তেওঁৰ এটা কাৰণ নোহোৱা খং উঠি গ'ল। আৰু ক'লে "মোৰ ওপৰত মনে মনে তোমাৰ কিবা সন্দেহ জাগিছে নেকি। সেইবাবেই হবলা মোক চকুৰ আগত ৰাখি পহৰা দি থাকিবলৈ বিচাৰিছা?"

আশাৰ স্বাভাৱিক মৃদুতা, নম্ৰতা আৰু ধৈৰ্য্য মহেন্দ্ৰৰ বাবে হঠাৎ অতি অসহনীয় হৈ উঠিল। মনে মনে ক'লে, "মাহীৰ ওচৰলৈ যোৱাৰ ইচ্ছা আছে যদি, কোৱা যে মই যামেই। মোক যেনে তেনে পঠাই দিয়া—তাকে নাই, কেতিয়া বা ওঁ-হো, কেতিয়াবা মনে মনে থকা—এইবোৰ

আকৌ কি ধেমালি।"

হঠাৎ মহেন্দ্ৰৰ এই উগ্ৰতা দেখি আশা ভয় আৰু বিস্ময়ত অভিভূত হৈ উঠিল। বহুত চেষ্টা কৰিও কোনো উত্তৰেই ভাবি নেপালে। মহেন্দ্ৰই কিয় যে হঠাৎ কেতিয়াবা ইমান আদৰ কৰে, হঠাৎ কেতিয়াবা ইমান নিষ্ঠুৰ হৈ উঠে, তাৰ কাৰণ তেওঁ একো বুজি নেপালে। এইদৰে মহেন্দ্ৰ তেওঁৰ ওচৰত যিমানেই দুৰ্ব্বোধ্য হৈ উঠিছে, সিমানেই আশাৰ কঁপি উঠা মনটোৱে যেন ভয় আৰু ভালপোৱাৰে তেওঁক আৰু বেচি টানকৈ সাৱটি ধৰিছে।

মহেন্দ্ৰক আশাই মনে মনে সন্দেহ কৰি চকুৰ আগত ৰাখি পহৰা দি থাকিবলৈ বিচাৰে! এয়া হবলা কঠিন উপহাস, নে নিৰ্দ্দয় সন্দেহ? শপত খাই ইয়াৰ প্ৰতিবাদ কৰা উচিত, নে হাঁহি উৰাই দিয়াটোৱেই বিধেয়?

হতবুদ্ধি আশাক মনে মনে চোৱা দেখি অধীৰ মহেন্দ্ৰ লৰালৰিকৈ তাৰ পৰা উঠি গ'ল। তাৰ পাচত, ক'ত পৰি ৰ'ল সেই মাহিলি আলোচনীত থকা গল্পৰ নায়ক, ক'ত পৰি ৰ'ল গল্পৰ নায়িকা। লাহ দিয়া বেলিৰ পোহৰ আন্ধাৰৰ লগত মিহলি হৈ গ'ল, গধূলিৰ ক্ষণিক বসন্তৰ মলয়াৰ শেষত শীতৰ বতাহ এচাটি বৈ আহিল—আশা তেতিয়াও সেই কঠখনৰ ওপৰতে বাগৰি ৰ'ল।

ৰাতি বহুত হ'লত আশাই শোৱনি-কোঠালৈ গৈ দেখা পালে, মহেন্দ্ৰই তেওঁক নমতাকৈয়ে শুই পৰিছে। আশাৰ তেতিয়া ধাৰণা হ'ল, চেনেহী মাহায়েকৰ প্ৰতি তেওঁৰ উদাসীনতা কল্পনা কৰি মহেন্দ্ৰই তেওঁক মনে মনে ঘিণ কৰিবলৈ আৰম্ভ কৰিছে। আঁঠুৱাৰ ভিতৰত সোমায়েই আশাই মহেন্দ্ৰৰ ভৰি দুখন সাৱটি ধৰি তেওঁৰ ভৰিৰ মাজত মুখ গুজি পৰি ৰ'ল। মহেন্দ্ৰই তেতিয়া কৰুণাৰে বিচলিত হৈ তেওঁক টানি ল'বৰ কাৰণে চেষ্টা কৰিলে। আশা কোনোমতেই নুঠিল। তেওঁ ক'লে, "মই যদি কিবা দোষ কৰিছোঁ, মোক ক্ষমা কৰা।"

মহেন্দ্ৰই সেমেকা মন লৈ উত্তৰ দিলে, "তোমাৰ একো দোষ নাই, চুনি। মই সঁচাসঁচিকৈয়ে পাষণ্ড, সেইবাবেই তোমাক অকাৰণতে আঘাত কৰিছোঁ।"

তেতিয়া মহেন্দ্ৰৰ দুখনি চৰণ অভিষিক্ত কৰি আশাৰ চকুৰ অশ্ৰুধাৰা নামি আহিছে। মহেন্দ্ৰ উঠি বহিল আৰু তেওঁক দুয়ো বাহুৰে তুলি আনি নিজৰ কাষত শুৱাই দিলে। আশাৰ কান্দোনৰ বেগ কমিলত, তেওঁ ক'লে, "মাহীক জানো চাবলৈ যাবৰ ইচ্ছা মোৰ নহয়। কিন্তু তোমাক এৰি থৈ মই বাৰু কোন সতেৰে যাওঁ। সেইবাবেই মই যাব খোজা নাই, মোক তুমি খং নকৰিবা।"

মহেন্দ্ৰই লাহে লাহে আশাৰ সেমেকা গাল দুখন মচি-মচি ক'লে, "এয়া জানো খং কৰাৰ কথা, চুনি। মোক এৰি থৈ যাব নোৱাৰা, সেই লৈ মই জানো খং কৰিব পাৰোঁ? তুমি ক'লৈকো যাব নেলাগে।"

আশাই ক'লে, "মই কাশীলৈ যাম।"

মহেন্দ্ৰ। কিয়।

আশা। তোমাক মনে মনে সন্দেহ কৰিয়েই যাব খোজা নাই—এই কথা এবাৰ যেতিয়া তোমাৰ মুখৰ পৰা ওলাইছে, তেতিয়া মই কিছুদিনৰ কাৰণে হ'লেও যাবই লাগিব।

মহেন্দ্ৰ। পাপ কৰিলোঁ মই, আৰু তাৰ প্ৰায়শ্চিত্ত কৰিবা তুমি?

আশা। সেইবোৰ মই নেজানো—কিন্তু পাপ মোৰ ক'ৰবাত নিশ্চয়েই হৈছে, নহ'লে এনেকুৱা শ্ৰৱণৰ অসম্ভৱ কথাবোৰ উঠিবই নোৱাৰিলেহেঁতেন। যিবোৰ কথা মই সপোনতো ভবা নাছিলোঁ, সেইবোৰ কথা কিয় শুনিবলগীয়া হৈছে।

মহেন্দ্ৰ। তাৰ কাৰণ, মই যে বেয়া মানুহ, সেই কথা তোমাৰ সপোনৰো অগোচৰ।

আশাই ব্যগ্ৰভাবে ক'লে, "আকৌ! সেই কথা তুমি ন'কবা। কিন্তু এইবাৰ মই কাশীলৈ যামেই।"

মহেন্দ্ৰই হাঁহি হাঁহি ক'লে, "যাবা বাৰু। কিন্তু তোমাৰ চকুৰ আঁৰত মই যদি নষ্ট হৈ যাওঁ, তেতিয়া কি হ'ব বাৰু।"

আশাই ক'লে, "তুমি মোক ইমান ভয় দেখুৱাবৰ কোনো প্ৰয়োজন নাই, মই জানিবা ভাবি ভাবি অস্থিৰহে হৈ গৈছোঁ!"

মহেন্দ্ৰ। কিন্তু ভবা উচিত। তোমাৰ এনেকুৱা স্বামী গৰাকী যদি অসাৱধান হৈ নষ্ট হ'বলৈ এৰি দিয়া, তেন্তে ইয়াৰ পাচত কাক দোষ দিবা?"

আশা। তোমাক বাৰু দোষ নিদিওঁ, সেইবাবে তুমি চিন্তা নকৰিবা।

মহেন্দ্ৰ। তেতিয়া নিজৰ দোষ স্বীকাৰ কৰিবা?

আশা। এশ বাৰ কৰিম।

মহেন্দ্ৰ। বেচ, কাইলৈ তেনেহ'লে এবাৰ তোমাৰ বৰদেউতাৰ ওচৰলৈ গৈ কথা-বতৰা পাতি ঠিক কৰি আহিম।

এই বুলি কোৱাৰ পাচত 'বহুত ৰাতি হ'ল' বুলি মহেন্দ্ৰই কাতি সলাই শুলে।

অলপ সময়ৰ পাচত হঠাৎ আকৌ এবাৰ ইকাতি হৈ ক'লে, "চুনি, লাভ নাই, তুমি জানিবা নগ'লাই।

আশাই কাতৰ-কণ্ঠেৰে ক'লে, "আকৌ বাধা দিছা কিয়? এইবাৰ এবাৰ গৈ নাহিলে, তোমাৰ সেই ভৰ্ৎসনাখিনি সদায় মোৰ গাত লাগি থাকিব। মোক দুই-চাৰি দিনৰ কাৰণে হ'লেও পঠাই দিয়া।"

মহেন্দ্ৰই "বাৰু" বুলি কৈ আকৌ বাগৰ সলাই শুই পৰিল।

কাশীলৈ যাবৰ আগদিনাখন আশাই বিনোদিনীৰ ডিঙিত সাৱটি ধৰি ক'লে, "ভাই বালি, মোৰ গা চুই এটা কথা ক'বা নে।"

বিনোদিনীয়ে আশাৰ গালখন টিপি ধৰি সুধিলে, "কি কথা নো। তোমাৰ অনুৰোধ মই জানো নেৰাখিম, ভাই?"

আশা। কি যে ভাই, তুমি যে আজিকালি কি হৈ গৈছা। তুমি যেন একোতেই মোৰ স্বামীৰ আগত ওলাব নোখোজা হৈ গৈছা।

বিনোদিনী। কিয় নোলাওঁ, তুমি জানো নেজানা ভাই। সেইদিনা বিহাৰীবাবুক মহেন্দ্ৰবাবুৱে যি কথা ক'লে, সেয়া জানো তুমি নিজৰ কাণেৰে শুনা নাই। এইবিলাক কথা ওলাইছেই যেতিয়া, তেতিয়া জানো আগত ওলোৱাটো উচিত হ'ব—তুমিয়েই কোৱাচোন, ভাই বালি।

উচিত যে সঁচাসঁচিকৈয়ে নহয়, সেই কথা আশায়ো বুজিছিল। এইবিলাক কথাৰ লজ্জাকৰ ৰূপটোৰ সীমা যে কিমান দূৰলৈকে, তাকো তেওঁ নিজৰ মনৰ পৰাই সম্প্ৰতি বুজিব পাৰিছে। তথাপি ক'লে, "এনে কথা কিমান ওলায়, সেইবোৰ যদি সহিবই নোৱাৰা, তেন্তে নো আৰু ভালপোৱাটো কিহৰ। সেই কথা কিন্তু পাহৰি যাব লাগিব।"

বিনোদিনী। বেচ কথা, পাহৰি যাম বাৰু।

আশা। মই তো ভাই, কাইলৈ কাশীলৈ যাম। মোৰ স্বামীৰ যাতে কোনো অসুবিধা নহয় তুমি সেই বিষয়ে বিশেষ চকু ৰাখিব লাগিব। এতিয়াৰ নিচিনাকৈ পলাই ফুৰিলে নহ'ব।

বিনোদিনী মনে মনে থাকিল। আশাই বিনোদিনীৰ হাতখন মুঠিত লৈ ক'লে, "মোৰ মূৰকে খোৱা, ভাই বালি। কিন্তু এই প্ৰতিশ্ৰুতি দিবই লাগিব।

বিনোদিনীয়ে ক'লে, "দিলোঁ বাৰু।"

২৬

এপিনে চন্দ্ৰ অস্ত যায়, আনপিনে সূৰ্য্য উদয় হয়। আশা গ'লগৈ, কিন্তু মহেন্দ্ৰৰ ভাগ্যত বিনোদিনীৰ দেখাদেখি নাই। মহেন্দ্ৰ ঘূৰি ফুৰে, মাজে মাজে চেলু উলিয়াই সময়ে-অসময়ে মাকৰ কোঠাত ওলায়গৈ, বিনোদিনীয়ে কেৱল ফাকি দি পলায়, ধৰা নিদিয়ে।

ৰাজলক্ষ্মীয়ে মহেন্দ্ৰৰ এনে শূন্যভাৱ দেখা পাই ভাবিলে, "বোৱাৰী গ'লগৈ, সেইবাবেই কিজানি মহিনৰ এই ঘৰটোত মন নবহা হৈছে।" আজিকালি মহেন্দ্ৰৰ সুখ-দুখৰ পক্ষে মাক যে বোৱাৰীয়েকৰ তুলনাত একেবাৰে অনাৱশ্যক হৈ উঠিছে, সেই কথা মনত পৰিলত মনটোক যেন কিহবাই খুঁচি থৈ গ'ল। তথাপি মহেন্দ্ৰৰ এই শুকান বিমৰ্ষ ভাবটো দেখা পাই তেওঁ বেজাৰ পালে। বিনোদিনীক মাতি ক'লে, "সেই ইনফ্লুয়েঞ্জাৰ পাচৰ পৰা মোৰ উদফাইৰ নিচিনা হৈছে; মই যে আজিকালি খটখটিয়েদি ঘন ঘনকৈ ওপৰলৈ উঠিব নোৱাৰাত পৰিছোঁ। গতিকে আইটি, তুমিয়েই নিজে আগত থাকি মহিনৰ খোৱা-লোৱা সকলোবোৰৰ ওপৰত চকু ৰাখিব লাগিব। চিৰদিনৰ অভ্যাস, সেইবাবে কোনোবা এজনে যত্ন নল'লে মহিন থাকিবই নোৱাৰে। চোৱাচোন বাৰু, বোৱাৰী যোৱাৰ পাচৰ পৰা সি যে কেনেকুৱা হৈ পৰিছে। বোৱাৰীকো ধন্যবাদ দিছোঁ, কেনেকৈ যে যাব পাৰিলে?"

বিনোদিনীয়ে মুখখন অলপ বিকটাই বিচনাৰ চাদৰখন লিৰিকিবলৈ ধৰিলে। ৰাজলক্ষ্মীয়ে ক'লে, "কি হ'ল আই, কি ভাবিছা। ইয়াত

ভাবিবৰ একোটোৱেই নাই। যাৰ যি ইচ্ছা কওক, তুমি তো আমাৰ পৰ নোহোৱা।"

বিনোদিনীয়ে ক'লে, "একো লাভ নাই, মা।"

ৰাজলক্ষ্মীয়ে ক'লে, "এৰা, একো লাভ নাই তেন্তে। চাওঁচোন বাৰু, মই নিজে যি পাৰোঁ তাকে কৰিম।"

এইবুলি কৈ তেতিয়াই মহেন্দ্ৰৰ তিনি মহলাৰ ওপৰত থকা কোঠাটো ঠিক কৰি দি আহিবৰ কাৰণে উঠিব খুজিলে। বিনোদিনীয়ে বৰ ব্যস্ত হৈ উঠি ক'লে, "তোমাৰ নৰিয়া গা, তুমি নেযাবা। ময়েই গৈছোঁ। মোক ক্ষমা কৰা পেহীদেউ, তুমি যি আদেশ কৰিবা, মই তাকে পালন কৰিম।"

ৰাজলক্ষ্মীয়ে আনৰ কথাত মুঠেই মূল্য নিদিছিল। স্বামীৰ মৃত্যুৰ পাচৰ পৰা সংসাৰত আৰু সমাজত তেওঁ মহেন্দ্ৰৰ বাহিৰে একোৱেই নেজানিছিল। মহেন্দ্ৰৰ সম্বন্ধে বিনোদিনীয়ে সামাজিক নিন্দাৰ আভাস দিয়াত তেওঁ বিৰক্ত হৈ পৰিছিল। ওপজা-দিনৰে পৰা তেওঁ মহিনক দেখা পাই আহিছে। তাৰ নিচিনা ইমান ভাল ল'ৰা আৰু ক'ত আছে। সেই মহিনৰ সম্বন্ধেও নিন্দা! যদি কোনোবাই সেই কাম কৰে, তেন্তে তাৰ যেন জিভা খহি পৰে। তেওঁৰ নিজৰ যিটো কথা ভাল লাগে, সেইটো কথাই ভাল যেন বোধ হয়। সেই সম্বন্ধে বিশ্বৰ সকলো মানুহকে উপেক্ষা কৰাৰ কাৰণে ৰাজলক্ষ্মীৰ এটা স্বাভাৱিক জিদ আছিল।

আজি মহেন্দ্ৰ কলেজৰ পৰা উভতি আহি নিজৰ শোৱনি-কোঠাটো দেখি অবাক হৈ গ'ল। দুৱাৰ খুলিয়েই দেখিলে, চন্দনৰ গুৰি আৰু ধুনাৰ গোন্ধেৰে কোঠাটো আমোলমোলাই আছে। আঁঠুৱাখনত গোলাপী ৰেচমৰ জ্বাল। তলৰ বিচনাখনত ঢকঢকীয়া বগা চাদৰ চিকমিকাই আছে আৰু তাৰ ওপৰত পুৰণি গাৰুৰ সলনি ৰেচম আৰু পচমৰ ফুল অঁকা বিলাতী চাৰিচুকীয়া গাৰু। তাৰ কাৰুকাৰ্য্য বিনোদিনীৰ বহু দিনৰ পৰিশ্ৰমৰ ফল। আশাই তেওঁক মাজে মাজে প্ৰশ্ন কৰিছিল, "এইবিলাক তই কাৰ কাৰণে নো কৰিছ।" বিনোদিনীয়ে হাঁহি হাঁহি উত্তৰ দিছিল, "মোৰ চিতা-শয্যাৰ কাৰণে। মৰণৰ বাহিৰে তো মোৰ ভালপোৱাৰ পাত্ৰ আন কোনোৱেই নাই।"

দেৱালত মহেন্দ্ৰৰ যিখন বন্ধোৱা ফটো আছিল, তাৰ ফ্ৰেমৰ চাৰিওটা চুকত ৰঙীণ ফিটাৰে সুনিপুণ ভাবে বন্ধা চাৰিডাল জৰী, আৰু সেই ছবিৰ

তলত দেৱালৰ গাতে লাগি থকা এখন চাহ-মেজৰ দুয়োকাষে দুটা ফুলদানীত ফুলৰ থোপা, যেন মহেন্দ্ৰৰ প্ৰতিমূৰ্ত্তিৰ তলত কোনোবা অজ্ঞাত ভক্তই পূজা হে দিছে। আটাইবোৰ মিলি কোঠাটোৰ চেহেৰা সলনি হৈ গৈছে। পালেংখন য'ত আছিল, তাৰ পৰা অলপ আঁতৰাই থোৱা চকুত পৰিল। কোঠাটোক দুটা ভাগত ভগাই পেলোৱা হৈছে; পালেঙৰ সমুখত দুখন ওখ আলনাত কাপোৰবোৰ ওলোমাই থৈ অলপ আঁৰ কৰি দিয়াত তলৰ বহা-বিচনাখন আৰু ৰাতি শোৱা পালেংখন আচুতীয়া হৈ পৰিল। যিটো আলমাৰিত আশাৰ সকলোবিলাক বিলাসৰ বস্তু, চীনামাটিৰ পুতলা প্ৰভৃতি সজাই থোৱা আছিল, সেই আলমাৰিটোৰ কাঁচৰ দুৱাৰবোৰত ভিতৰপিনৰ পৰা ৰঙা কাপোৰ একোখন কোঁচ দি লগাই দিয়া, হৈছে; তাৰ ফলত ভিতৰৰ বস্তুবোৰ চকুত নপৰা হৈ আহিল। কোঠাটোৰ ভিতৰত তাৰ অতীত ইতিহাসৰ যিকণ চিন আছিল, সকলোখিনি নতুন হাতৰ নতুন পৰশত ঢাক খাই পৰিল।

ভাগৰত অহা মহেন্দ্ৰই মজিয়াৰ ওপৰত পাৰি থোৱা বগা বিচনাখনত শুই নতুন গাৰুবোৰৰ ওপৰত মুৰ থোৱাৰ লগে লগে মৃদু এটি সুবাস অনুভৱ কৰিলে—গাৰুৰ ভিতৰত থকা তুলাৰ লগত প্ৰচুৰ পৰিমাণে নাগকেশৰ ফুলৰ ৰেণু আৰু অলপ আতৰ মিহলি হৈ আছিল।

মহেন্দ্ৰৰ চকু দুটা মুদ খাই আহিল। মনে মনে অনুভৱ কৰিলে, এই গাৰুটোৰ ওপৰত যাৰ নিপুণ হাতৰ শিল্পই শোভা পাইছে, ঠিক যেন তেওঁৰেই কোমল চঁপাকলি যেন আঙুলিৰ গোন্ধটো নাকত লাগিছেহি।

এনে সময়তে এজনী লিগিৰীয়ে ৰূপৰ কাঁহী এখনত ফল আৰু মিষ্টান্ন, কাঁচৰ গিলাচত বৰফ-মিহলি মাটিকঁঠালৰ চৰবত আনি দিলেহি। এই সকলোবোৰ পুৰাতন প্ৰথাৰ পৰা বিভিন্ন আৰু বহু যত্ন-মিহলি পৰিচ্ছন্নতাৰ পৰিণতি। ৰূপ ৰস গন্ধ সকলোতে এক নতুনত্ব আহি মহেন্দ্ৰৰ ইন্দ্ৰিয়সমূহ আৱেশ-মধুৰ কৰি তুলিলে।

যথেষ্ট তৃপ্তিৰে সৈতে ভোজন-পৰ্ব্ব সমাধা কৰাৰ পাচত, ৰূপৰ বটা এটাত তামোল আৰু গুৱামুৰি লৈ বিনোদিনী ধীৰে ধীৰে কোঠাৰ ভিতৰত সোমালহি। হাঁহি হাঁহি ক'লে, "এই কেইদিন তোমাৰ খোৱাৰ সময়ত হাজিৰ হ'ব পৰা নাই। ক্ষমা কৰিবা দেই, দেৱৰ-বোপা। আন যিহকে

নকৰা লাগিলে, মোৰ মুৰকে খোৱা, তোমাৰ যে অযত্ন হৈছে—এই খবৰটো মোৰ চকুৰ কুটাক যেন নিদিয়া। মোৰ সাধ্যমতে মই কৰিছোঁ—কিন্তু কি কৰিম, ভাই—ঘৰ-সংসাৰৰ গোটেইবোৰ কামেই যে মোৰ কান্ধতে পৰিছেহি।"

এইবুলি কৈয়েই বিনোদিনীয়ে তামোলৰ বটাটো মহেন্দ্ৰলৈ আগবঢ়াই দিলে। আজিৰ এই তামোলৰ লগত দিয়া কেতেকী-ছালিতো মহেন্দ্ৰই বিশেষ এটা গোন্ধ অনুভৱ কৰিলে।

মহেন্দ্ৰই ক'লে, "যত্নৰ মাজে মাজে এনেকুৱা একো-একোটা ত্ৰুটি থকাই ভাল।"

বিনোদিনীয়ে ক'লে, "কিয় ভাল লাগে, শুনোচোন বাৰু।"

মহেন্দ্ৰই উত্তৰ দিলে, "তাৰ পাচত খোঁচা দিলে সুদেমূলে আদায় কৰিব পাৰি।"

"মহাজন ডাঙৰীয়া, সুদ বা কিমান হ'ল।"

মহেন্দ্ৰই ক'লে, "খোৱাৰ সময়ত হাজিৰ নাছিলা, এতিয়া খোৱাৰ পাচত হাজিৰা পূৰা কৰিলেও আৰু কিছু বাকী ৰৈ যাব।"

বিনোদিনীয়ে হাঁহি কলে, "তোমাৰ যি কড়া-ক্ৰান্তি পৰ্য্যন্ত হিচাব, তোমাৰ হাতত এবাৰ পৰিব লাগিলে আৰু উদ্ধাৰ নাই যেন দেখিছোঁ।"

মহেন্দ্ৰই ক'লে, "হিচাবত যিয়েই থাকক লাগিলে, আদায় জানো কৰিব পাৰিলোঁ।"

বিনোদিনীয়ে কলে, "আদায় কৰিবলগীয়া নো আছে কিটো? তথাপি দেখোন বন্দী কৰি ৰাখিছা।" এইবুলি কৈয়েই ঠাট্টাখিনিক হঠাৎ গাম্ভীৰ্য্যত পৰিণত কৰি সৰু এটা হুমুনিয়াহ কাঢ়িলে।

মহেন্দ্ৰয়ো অলপ গম্ভীৰ হৈ ক'লে, "ভাই বালি, এইটো জানো জেলখানা।"

এনে সময়তে বেহেৰা'ই নিয়মিত ধৰণে লেম্প এটা টানি চাহ-মেজখনত থৈ গুচি গ'ল।

হঠাৎ চকুৰ আগত পোহৰ লাগি যোৱাত হাতেৰে অলপ আঁৰ কৰি তলমুৰ কৰি বিনোদিনীয়ে ক'লে, "কিনো ক'ম, ভাই। তোমাৰ লগত কথাৰে বলে পাৰে কোনে। এতিয়া যাওঁ, কাম আছে।"

মহেন্দ্ৰই হঠাৎ তেওঁৰ হাতখন খামুচি ধৰি ক'লে, "বন্ধন যেতিয়া স্বীকাৰ কৰিছাই, তেতিয়া যাবা ক'লৈ ?"

বিনোদিনীয়ে ক'লে, "ছিঃ ছিঃ, এৰি দিয়া। যাৰ পলাবৰ পথ নাই, তাক আকৌ বান্ধিবৰ চেষ্টা কিয় ?"

বিনোদিনীয়ে জোৰকৈ হাতখন এৰুৱাই কোঠাৰ পৰা ওলাই গ'ল।

মহেন্দ্ৰ সেই বিচনাৰ সুগন্ধ গাৰুটোৰ ওপৰত পৰি ৰ'ল, তেওঁৰ বুকুৰ ভিতৰত তেজৰ নাচোন চলিবলৈ ধৰিলে। নিস্তব্ধ সন্ধ্যা, নিৰ্জ্জন কোঠা, ন বসন্তৰ বতাহ বলিছে। বিনোদিনীৰ মন যে ধৰা দিওঁ-দিওঁ অৱস্থাত—উন্মাদ মহেন্দ্ৰই যেন নিজকে ধৰি ৰাখিব নোৱাৰে, এনেকুৱা ধাৰণা হ'ল তেওঁৰ। লৰালৰিকৈ লেম্পটো নুমাই কোঠাটোৰ দুৱাৰখন জপাই দিলে, পৰ্দাখন টানি দিলে আৰু সময় নৌ হওঁতেই বিচনাত শুই পৰিল।

এয়া দেখোন সেই পুৰণি বিচনাখন নহয়। চাৰি-পাঁচখন তলিয়ৰি মিলি আগতকৈ বহু বেচি কোমল। আৰু এটি গোন্ধ—সেই গোন্ধ অগুৰুৰ নে উশীৰৰ, নে অন্য কিহবাৰ ঠিক বুজিব পৰা নগ'ল। মহেন্দ্ৰই কেইবাবাৰো বাগৰ সলাই চালে—ক'ৰবাত যেন পুৰাতনৰ কিবা নিদৰ্শন বিচাৰি পাই, তাক খামুচি ধৰিবৰ চেষ্টা কৰিলে। কিন্তু হাতেৰে যেন একোৰে উমান নেপালে।

ৰাতি ন বজাৰ সময়ত জাপ খাই থকা দুৱাৰত আঘাত পৰিল। বিনোদিনীয়ে বাহিৰৰ পৰা মাত লগালে, "দেৱৰ-সোণা, তোমাৰ ভাত আনিছোঁ। দুৱাৰখন খোলাচোন।"

লগে লগে দুৱাৰ খুলিবৰ কাৰণে মহেন্দ্ৰই লৰালৰিকৈ উঠি দুৱাৰৰ শল-খাত হাত দিলে। কিন্তু নুখুলিলে—মজিয়াৰ ওপৰত চিৎ হৈ বাগৰ দি ক'লে, "নেলাগে। মোৰ ভোক লগা নাই। মই নেখাওঁ।"

বাহিৰৰ পৰা উদ্বিগ্ন কণ্ঠৰ প্ৰশ্ন শুনা গ'ল "অসুখ কৰিছে নেকি ? পানী আনি দিম নেকি ? আন কিবা লাগিব নেকি ?"

মহেন্দ্ৰই ক'লে, "মোক একোৱেই নেলাগে—কোনো প্ৰয়োজন নাই।"

বিনোদিনীয়ে ক'লে, "মোৰ মূৰকে খোৱা, মোক ফাকি নিদিবা। যদিও অসুখ কৰা নাই—তথাপি বাৰু দুৱাৰখন খোলাচোন।"

মহেন্দ্ৰই ব্যাকুলকণ্ঠেৰে উত্তৰ দিলে, "ওঁ-হো, নোখোলোঁ বুলিছোঁ নহয়। তুমি যোৱা।"

এইবুলি কৈয়েই মহেন্দ্ৰই লৰালৰিকৈ উঠি আকৌ বিচনাত শুই পৰিল আৰু হেৰোৱা আশাৰ স্মৃতিক শূন্য শয্যা আৰু চঞ্চল হৃদয়ৰ মাজত আন্ধাৰতে খেপিয়াবলৈ ধৰিলে।

টোপনি যেতিয়া একোতেই আহিব নোখোজে, তেতিয়া মহেন্দ্ৰই চাকি জ্বলাই দোৱাত-কলম লৈ আশালৈ চিঠি লিখিবলৈ বহিল। লিখিলে, "আশা, আৰু বেচিদিন তুমি মোক অকলসৰে এৰি নেথাকিবা। তুমি মোৰ জীৱনৰ লখিমী—তুমি নেথাকিলেই মোৰ সকলোবোৰ প্ৰবৃত্তিয়ে শিকলিৰ বান্ধোন ছিঙি মোক কেনি টানি নিয়ে, ক'বই নোৱাৰোঁ। বাটৰ উমান লৈ যাম, তাৰ বাবে পোহৰ ক'ত—সেই পোহৰ যে তোমাৰ বিশ্বাসপূৰ্ণ দুটি চকুৰ দৃষ্টিপাততে আছে। হে মোৰ শুভ, হে মোৰ ধ্ৰুৱ, হে মোৰ অদ্বিতীয়, তুমি সোনকালে আহাঁ। মোক স্থিৰ কৰা, ৰক্ষা কৰা, মোৰ হৃদয় পৰিপূৰ্ণ কৰি তোলা। তোমাৰ প্ৰতি এধানমানি অন্যায়ৰ মহাপাপৰ পৰা, তোমাক মুহূৰ্ত্তৰ বাবে পাহৰি যোৱাৰ বিভীষিকাৰ পৰা মোক উদ্ধাৰ কৰা।"

এনেকুৱাকৈয়ে মহেন্দ্ৰই নিজৰ মনটোক আশাৰ অভিমুখী কৰি তুলিবৰ কাৰণে বহু ৰাতিলৈকে বহুতো কথাই লিখিলে। দূৰ-সুদূৰৰ পৰা কেইটামান গীৰ্জ্জাৰ ঘড়ীত ঢং-ঢং কৈ তিনিটা ঘণ্টাৰ কোব পৰিল। কলিকতাৰ বাটত আৰু গাড়ীৰ শব্দ নোহোৱা হৈ আহিল, চুবুৰীৰ আনটো মূৰৰ কোনোবা এটা দুমহলীয়া ঘৰৰ পৰা নটী-কণ্ঠত বাজি উঠা বেহাগ-ৰাগিনীৰ যি সুৰ শুনা গৈছিল, সিও বিশ্বব্যাপিনী শান্তি আৰু তন্দ্ৰাৰ বুকুত বিলীন হৈ গ'ল। মহেন্দ্ৰই একান্ত মনেৰে আশাক স্মৰণ কৰি আৰু মনৰ উৎকণ্ঠাক দীঘলীয়া চিঠিৰ মাজেৰে কিছুদূৰ ব্যক্ত কৰিব পাৰি, অলপ সান্ত্বনা লভিলে। আৰু বিচনাত শুই পৰাৰ লগে লগে তেওঁক টোপনিয়ে হেঁচি ধৰিলে।

পুৱা যেতিয়া মহেন্দ্ৰই সাৰ পালে, তেতিয়া যথেষ্ট সময় হৈ গৈছে, কোঠাৰ ভিতৰত ৰ'দৰ পোহৰ পৰিছেহি। মহেন্দ্ৰ লৰালৰিকৈ উঠি বহিল; টোপনিৰ পাচত যোৱা নিশাৰ সকলোবোৰ ঘটনা মনৰ ভিতৰতে পাতল হৈ আহিল। আঁঠুৱাৰ ভিতৰৰ পৰা বাহিৰলৈ ওলাই আহিলত মহেন্দ্ৰৰ চকুত পৰিল—যোৱা নিশা আশালৈ লিখা চিঠিখন চাহ-মেজৰ ওপৰতে দোৱাত-টোৰে হেঁচা দি থোৱা আছে। সেই চিঠিখন আকৌ এবাৰ পঢ়ি মহেন্দ্ৰই ভাবিলে, "এইবোৰ কি কৰিছোঁ। ই যে উপন্যাসৰ ঘটনা হৈ উঠিছে।

ভাগ্য ভাল, পঠোৱা নাই। পঢ়ি উঠি, আশাই বাৰু কি ভাবিলেহেঁতেন। তেওঁ কিজানি ইয়াৰ আধাখিনি কথাই বুজি নোপোৱাকৈ থাকিলহেঁতেন।" ৰাতি এটি লহমাৰ বাবে যে হৃদয়ৰ আবেগ অসংযত হৈ উঠিছিল, এই কথা ভাবি মহেন্দ্ৰই লাজ পালে। চিঠিখন টুকুৰাটুকুৰকৈ ফালি পেলালে; সহজ ভাষাত আশালৈ এখনি চমু চিঠি লিখিলে।

"তুমি আৰু কিমানদিন পলম কৰিবা। তোমাৰ বৰদেউতা যদি সোনকালে উভতি অহাৰ সম্ভাৱনা নাই, তেন্তে মোলৈ লিখিবা। মই নিজে তোমাক লৈ আনিমগৈ। ইয়াত অকলসৰে মোৰ ভাল নলগা হৈছে।"

## ২৭

মহেন্দ্ৰ গুচি যোৱাৰ কিছুদিন পাচতেই আশা আহি কাশী ওলালত, অন্নপূৰ্ণাৰ মনত যথেষ্ট আশঙ্কাৰ সঞ্চাৰ হ'ল। আশাক তেওঁ নানা ধৰণে নানা প্ৰশ্ন কৰিবলৈ ধৰিলে, "হয় নে চুনি, তই যে তোৰ সেই চকুৰ কুটাৰ কথা কৈছিলি, তোৰ মতে, তাইৰ নিচিনা এনেকুৱা গুণৱতী ছোৱালী আৰু জগততে নাই—নহয় জানো?"

"সঁচাকৈয়ে মাহীদেউ, মই মুঠেই বঢ়াই কোৱা নাই। তেওঁৰ বুদ্ধি যেনেকুৱা ৰূপো তেনেকুৱা, কামে-কাজে হাতখনো তেনেকুৱা।"

"তোৰ সখী যেতিয়া, তই তো তাইক সৰ্ব্বগুণৱতী দেখিবিয়েই। ঘৰৰ বাকীবোৰে কোনে কি কয়, কচোন বাৰু।"

"মাৰ মুখত তো তেওঁৰ প্ৰশংসাৰ বাহিৰে একোৱেই শুনা। চকুৰ কুটাই নিজৰ গাঁৱলৈ উভতি যোৱাৰ কথা উলিয়ালেই তেওঁ অস্থিৰ হৈ উঠে। এনেকুৱা সেৱা-শুশ্ৰূষা কেইজনে কৰিব জানে। আনকি, ঘৰৰ কোনোবা চাকৰ-বাকৰৰ বেমাৰ হ'লেও তাক ভনীয়েকৰ দৰে, মাকৰ দৰে যত্ন কৰে।"

"মহেন্দ্ৰৰ মত কি?"

"তেওঁক তো জানাই, মাহীদেউ! কেৱল ঘৰৰ মানুহৰ বাহিৰে আন কাকোৱেই তেওঁ ভাল নেপায়। মোৰ বালিক আন সকলোৱেই ভাল

পায়, কিন্তু তেওঁৰ লগতহে আজিলৈকে ৰাহি-জোৰা অহা নাই ।"

"কেনেকুৱা কাৰণত ।"

"মই যদি খট-বান্ধ কৰি দেখা-সাক্ষাৎ কৰাই দিলোঁ, তথাপি তেওঁৰ লগত কথা-বতৰাই নহয় । তুমি তো জানাই, তেওঁ কেনেকৈ ঘৰৰ চুকতে সোমাই থাকি ভালপায়—আনে ভাবে, তেওঁ অহঙ্কাৰী । কিন্তু আচলতে সেইটো নহয়, বুজিছা মাহীদেউ ! তেওঁ দুই-এজনত বাহিৰে কাকোৱেই সহ্য কৰিব নোৱাৰে ।"

শেষ কথাষাৰ কৈ উঠিয়েই হঠাৎ আশাৰ লাজ লাগি গ'ল । গাল দুখন ৰঙা হৈ উঠিল । অন্নপূর্ণাই মনে মনে আনন্দৰ হাঁহি মাৰিলে আৰু ক'লে, "ভালেটিহে এইবাৰ মহিন যেতিয়া আহিছিল, তোৰ বালিৰ কথা এবাৰো মুখলৈকে অনা নাছিল ।"

আশাই দুখ কৰি ক'লে, "সেইটোৱেই তেওঁৰ দোষ । যাক ভাল নেপায়, তেওঁ যেন একেবাৰেই নাই । তেওঁক যেন এদিনো দেখা পোৱা নাই, চিনি নেপায়—ভাবটো ঠিক এনেকুৱা ।"

অন্নপূর্ণাই এটা শান্ত স্নিগ্ধ হাঁহিৰে ক'লে, "আকৌ যাক ভালপায়, মহিনে যেন জন্ম-জন্মান্তৰ কেৱল তেওঁকেই দেখিছে আৰু চিনি পায়—এই ভাবটোও তাৰ আছে । কি কৱ, চুনি ।"

আশাই তাৰ কোনো সমিধান নিদিয়াকৈ তলমূৰ কৰি হাঁহিলে । অন্নপূর্ণাই সুধিলে, "চুনি, বিহাৰীৰ কি খবৰ, কচোন । সি বিয়া-বাৰু নকৰায় নেকি ।"

মুহূর্ত্তৰ ভিতৰতে আশাৰ মুখ গম্ভীৰ হৈ পৰিল—তেওঁ কি উত্তৰ দিব, ভাবিয়েই নেপালে ।

আশাৰ নিৰুত্তৰ ভাব দেখি, খুব বেচি শঙ্কিত হৈ অন্নপূর্ণাই সুধিলে, "সঁচাই কচোন চুনি, বিহাৰীৰ কিবা অসুখ-বিসুখ হোৱা নাই তো ।"

বিহাৰী এই চিৰপুত্ৰহীনা ৰমণীৰ স্নেহ-সিংহাসনত পুত্ৰৰ মানস-আদর্শৰূপে বিৰাজ কৰিছিল । বিহাৰীক তেওঁ সংসাৰত প্ৰতিষ্ঠিত হোৱা দেখি নাহিল, এই দুখে প্ৰবাসতো তেওঁক মাজে মাজে আমনি কৰি গৈছিল । তেওঁৰ সৰু সংসাৰখনৰ আন সকলোবোৰেই এক প্ৰকাৰে সম্পূর্ণ হৈ পৰিছে । কেৱল বিহাৰীৰ সেই ঘৰহাৰা অৱস্থা স্মৰণ কৰিয়েই তেওঁৰ পাৰপূর্ণ বৈৰাগ্য-

চৰ্চ্চাৰ ব্যাঘাত ঘটিছিল।

আশাই ক'লে, "মাহীদেউ, বিহাৰী-দেৱৰৰ কথা মোক সুসুধিবা।"

অন্নপূৰ্ণাই আচৰিত হৈ সুধিলে, "কিয়, কচোন।"

আশাই ক'লে, "সেইটো মই ক'ব নোৱাৰিম।" লগে লগে কোঠাৰ পৰা ওলাই গ'ল।

অন্নপূৰ্ণাই নিৰ্ব্বাক-চিত্তেৰে বহি বহি ভাবিবলৈ ধৰিলে, "সোণৰ টুকুৰা যেন এই বেহাৰী নামৰ ল'ৰাটো। ইয়াৰ ভিতৰতে তাৰ এনে কি পৰিৱৰ্ত্তন ঘটিছে, যাৰ বাবে তাৰ নামটো শুনা মাত্ৰকে চুনি উঠি যাবলগীয়া হ'ল। নিয়তিৰে পৰিহাস। কিয় উঠিছিল তাৰ লগত চুনিৰ বিয়াৰ কথা, আৰু কিয়েই বা কাঢ়ি নিবলগীয়া হ'ল চুনিক মহেন্দ্ৰই তাৰ হাতৰ পৰা।"

বহুত দিনৰ পাচত আজি অন্নপূৰ্ণাৰ চকু দুটা চলচলীয়া হৈ উঠিল—মনে মনে তেওঁ নিজকে নিজেই ক'লে, "হায়, মোৰ বেহাৰীয়ে যদি এনে কিবা এটা কৰি বহিছে, যিটো কাম বেহাৰীৰ যোগ্য নহয়, তেন্তে সি বহুত দুখ পায়েই সেইটো কৰিছে, সহজে কৰা নাই।" বিহাৰীৰ সেই দুখৰ পৰিমাণ কল্পনা কৰি অন্নপূৰ্ণাৰ বুকুখনে কান্দি উঠিল।

গধূলি যেতিয়া অন্নপূৰ্ণাই আহ্নিক কৰিবলৈ বহিছে, তেনে সময়তে এখন গাড়ী আহি পদূলিমুখত ৰৈ গলহি, আৰু চহিচটোৱে ঘৰৰ মানুহক মাতি দুৱাৰত টকৰিয়াবলৈ ধৰিলে। অন্নপূৰ্ণাই গোঁসাই-ঘৰৰ পৰা ওলাই আহি ক'লে, "ইস্, মই একেবাৰে পাহৰিয়েই গৈছিলোঁ। আজি কুঞ্জৰ শাহুৱেক আৰু তেওঁৰ ভাগিনীয়েক দুজনী এলাহাবাদৰ পৰা অহাৰ কথা আছিল। তেওঁলোক বোধকৰোঁ আহি পালেহিয়েই। চুনি, তই লেম্পটো লৈ দুৱাৰখন খুলি দেগৈচোন।"

আশাই লেম্পটো হাতত লৈ দুৱাৰখন খুলিয়েই দেখা পালে, বিহাৰী থিয় দি আছে। বিহাৰীয়ে ক'লে, "ইকি বৌদেউ, মই যে শুনিছিলোঁ, তুমি কাশীলৈ নাহা বুলি।"

আশাৰ হাতৰ পৰা লেম্পটো পৰি গ'ল। তেওঁ যেন ভূত দেখা দৰে দেখিলে। একে উশাহতে দৌৰি গৈ ওপৰ-মহলাত উঠি আকুল-কণ্ঠেৰে কৈ উঠিল, "মাহীদেউ, তোমাৰ ভৰিত ধৰিছোঁ, তেওঁক এতিয়াই যাবলৈ কোৱা।"

অন্নপূর্ণা পূজাৰ আসনৰ পৰা চক্ খাই উঠি আহি সুধিলে, "কাক চুনি, কাক।"

আশাই ক'লে, "বিহাৰী-দেৱৰ ইয়ালৈয়ো আহিছে।" বুলিয়েই তেওঁ কাষৰ কোঠাটোত সোমাই দুৱাৰ জপাই দিলে।

বিহাৰীয়ে তলৰ পৰা সকলোখিনি শুনিলে। তেওঁ তেতিয়াই দৌৰি ওলাই যাব খুজিছিল—কিন্তু অন্নপূর্ণাই পূজা-আহ্নিক সকলো এৰি থৈ নামি আহি দেখিলে, বিহাৰী দুৱাৰদলিতে বহি পৰিছে, তেওঁৰ শৰীৰৰ সকলো শক্তি যেন হেৰাই গৈছে।

অন্নপূর্ণাই লেম্প অনা নাছিল। আন্ধাৰত তেওঁ বিহাৰীৰ মুখৰ ভাব দেখা নেপালে, বিহাৰীয়েও তেওঁক দেখা নেপালে।

অন্নপূর্ণাই মাতিলে, "বেহাৰী।"

হায়, চিৰদিনৰ সেই চেনেহ-মিহলি কণ্ঠস্বৰ ক'লৈ গল। এই কণ্ঠস্বৰৰ মাজত যে কঠিন বিচাৰৰ বজ্ৰধ্বনি প্রচ্ছন্ন হৈ আছে। জননী অন্নপূর্ণা, সংহাৰ-খড়্গ উদ্যত কৰিছা কাৰ প্রতি। ভাগ্যহীন বিহাৰীয়ে যে আজি অন্ধকাৰৰ মাজত তোমাৰ মঙ্গল চৰণৰ ছাঁয়াতে আশ্রয় লবলৈ আহিছিল।

বিহাৰীৰ অবশ শৰীৰ ভৰিৰ পৰা মূৰলৈকে বজ্ৰৰ আঘাতত চকিত হৈ উঠিল। মুখেৰে কেৱল ক'লে, "খুৰীদেউ, আৰু নেলাগে, আৰু এটা কথাও নক'বা। মই আহিলোঁ বাৰু।"

এইবুলি কৈয়েই বিহাৰীয়ে মাটিত মূৰটো লগাই প্রণাম কৰিলে, অন্নপূর্ণাৰ চৰণ স্পর্শ নকৰিলে। জননীয়ে যেনেকৈ গঙ্গাসাগৰত সন্তান বিসর্জ্জন দিয়ে, অন্নপূর্ণায়ো তেনেকৈয়ে বিহাৰীক সেই ৰাতিৰ অন্ধকাৰৰ মাজত নীৰৱে বিসর্জ্জন দিলে, এবাৰ উভতি মাত এষাৰো নিদিলে।

সেই ৰাতিয়েই আশাই মহেন্দ্ৰলৈ চিঠি লিখিলে,

"বিহাৰী-দেৱৰ হঠাৎ আজি গধূলি এইখিনি ওলাইছিলহি। বৰদেউ-তাহত কলিকতালৈ কেতিয়া উভতিব, এতিয়াও ঠিক হোৱা নাই—তুমি সোনকালে আহি মোক ইয়াৰ পৰা লৈ যোৱাহি।"

২৮

ৰাতি উজাগৰে থাকি আৰু প্ৰবল আবেগৰ মাজত কটাই, সেইদিনা পুৱা মহেন্দ্ৰৰ দেহ-মনত এক অৱসাদে দেখা দিছিল। তেতিয়া ফাগুনৰ সোঁ-মাজ, গৰম পৰিবলৈ আৰম্ভ কৰিছে। মহেন্দ্ৰই আনকালে তেওঁৰ শোৱনি-কোঠাৰ এচুকত মেজৰ সমুখত কিতাপ লৈ বহে। আজি তলৰ বিচনাখনৰ গাৰুত ভেঁজা দি শুই পৰিল। সময় উকলি গ'ল, তথাপি গা ধুবলৈ নগ'ল। বাটেদি ফেৰীৱালাই চিঞৰি গৈছে। বাটত অফিচলৈ যোৱা গাড়ীৰ বিৰাম নাই। প্ৰতিবেশীৰ নতুন ঘৰ সজা মিস্ত্ৰি-ছোৱালীবোৰে ভেঁটিৰ মাটি খুন্দিবলৈ লৈ, তাৰ তালে তালে একেলগে এটা গান গাবলৈ আৰম্ভ কৰি দিছে। অলপ উমাল দখিনা বতাহৰ পৰশ পাই মহেন্দ্ৰৰ পীড়িত স্নায়ুজাল শিথিল হৈ আহিছে; কোনো কঠিন পণ, দুৰুহ চেষ্টা অথবা মানস-সংগ্ৰাম আজিৰ এই বান্ধোন-নমনা অলস বসন্ত দিনৰ উপযুক্ত নহয়।

"দেৱৰ-বোপা, তোমাৰ আজি কি হ'ল। গা নোধোৱা নেকি? এই-পিনে কিন্তু ভাত-পানী হৈ গ'ল। হুঁ, শুই আছা দেখোন। অসুখ নেকি? মূৰ ঘূৰিছে?" এইবুলি কৈ বিনোদিনীয়ে কাষলৈ আহি মহেন্দ্ৰৰ কপালত হাত দি চালে।

মহেন্দ্ৰই চকু দুটা আধা-মেলি আধা-জপাই ক'লে, "আজি গা-টো সিমান ভাল নহয়—আজি আৰু গা নোধোওঁ।"

বিনোদিনীয়ে ক'লে, "গা নুধুলেও নাই, দুটামান মুখত দিয়া ভাল।" এইবুলি অলপ খট-বান্ধ কৰি তেওঁ মহেন্দ্ৰক ভাত খোৱা ঠাইলৈ লৈ গ'ল আৰু উৎকণ্ঠা মিহলি যত্ন-অনুৰোধ কৰি দুটামান মুখত দিয়ালে।

খাই-বৈ উঠি মহেন্দ্ৰ যেতিয়া আকৌ বিচনাত শুই পৰিল, বিনোদিনীয়ে শিতানত বহি লাহে লাহে মূৰটো পিটিকি দিবলৈ ধৰিলে। মহেন্দ্ৰই চকুযুৰি মুদ খাই থকা অৱস্থাতে ক'লে, "ভাই বালি, তুমি যে এতিয়াও খোৱা নাই। তুমি খোৱাগৈ, যোৱা।"

বিনোদিনী একোতেই নগ'ল। অলস দুপৰৰ তপত বতাহ লাগি পৰ্দা-বোৰ উৰিবলৈ লাগিল আৰু দেৱালৰ কাষতে লাগি থকা নাৰিকলজোপাৰ অৰ্থহীন জিৰ্-জিৰ্ শব্দবোৰ ঘৰৰ ভিতৰলৈ আহিল। মহেন্দ্ৰৰ হৃদপিণ্ড ক্ৰমে দ্ৰুততৰ তালত নাচিবলৈ লাগিল আৰু বিনোদিনীৰ ঘন-ঘন উশাহৰ

বতাহে তাৰ তালে তালে মহেন্দ্ৰৰ কপালৰ চুলিবোৰ কঁপাই তুলিলে। কাৰো মুখেদি এষাৰ কথাও নোলাল। মহেন্দ্ৰই মনে মনে ভাবিবলৈ ধৰিলে, "অসীম বিশ্ব-সংসাৰৰ অনন্ত প্ৰবাহৰ মাজেদি ভাহি যাবলৈ ধৰিছোঁ, নাও আহি কেতিয়া কোন ঘাটত লাগে, তাৰ পৰা তেওঁৰ লাভ-লোকচান কি হব পাৰে; হ'লেই জানিবা, তাৰ আয়ুসেই বা কিমান।"

শিতানৰ ওচৰত বহি কপালত হাত বুলাই থাকোঁতে, বিহ্বল যৌৱনৰ মধুৰ ভৰত লাহে লাহে বিনোদিনীৰ মুখটো দোঁ খাই আহিছিল। অৱশেষত, তেওঁৰ চুলিৰ অলকখিনিয়ে মহেন্দ্ৰৰ গাল দুখন চুই গ'ল। বতাহত ঢৌ খেলি যোৱা সেই চুলিৰ কঁপি উঠা মৃদু পৰশত মহেন্দ্ৰৰ গোটেই দেহ বাৰে বাৰে কঁপি উঠিল। হঠাৎ যেন তেওঁৰ উশাহ-নিশাহবোৰ বুকুৰ ওচৰতে অৱৰুদ্ধ হৈ গ'ল—বাহিৰলৈ ওলাবলৈ বাট বিচাৰি নোপোৱা হৈ গ'ল। ধৰ্মৰ্কৈ উঠি বহাৰ পাচত মহেন্দ্ৰই ক'লে, "ও-হো, মোৰ কলেজ আছে। মই যাওঁ।" এইবুলি কৈ বিনোদিনীৰ মুখৰ পিনে নোচোৱাকৈয়ে থিয় হ'ল।

বিনোদিনীয়ে ক'লে, "ব্যস্ত হ'ব নেলাগেচোন। মই বাৰু তোমাৰ কাপোৰ-কানি আনি দিওঁ।" এইবুলি কৈ-মহেন্দ্ৰৰ কলেজলৈ যোৱা কাপোৰ এসাজ উলিয়াই আনিলে।

মহেন্দ্ৰ লৰালৰিকৈ কলেজলৈ গুচি গ'ল। কিন্তু বেচিপৰ তাত থিৰেৰে থাকিব নোৱাৰিলে। পঢ়া-শুনাত মন দিবৰ বাবে বহুপৰ চেষ্টা কৰিও বিফল হৈ সোনকালেই ঘৰলৈ উভতিল।

ঘৰত সোমাই দেখিলে, বিনোদিনীয়ে বুকুৰ তলত গাৰু এটা লৈ মজিয়াৰ বিচনাখনতে উবুৰি খাই কিবা এখন কিতাপ পঢ়ি আছে—পিঠিৰ ওপৰত অজস্ৰ ক'লা চুলি সিঁচৰিত হৈ আছে। কোনে জানে, হয়তো তেওঁ মহেন্দ্ৰৰ জোতাৰ শব্দ শুনাই নাছিল। মহেন্দ্ৰই লাহে লাহে নখে-মাটি-লেখা খোজেৰে আহি তেওঁৰ কাষত থিয় হ'লহি। কাণত পৰিল, পঢ়ি পঢ়ি বিনোদিনীয়ে এটা গভীৰ হুমুনিয়াহ কাঢ়িলে।

মহেন্দ্ৰই ক'লে, "হে করুণাময়ী, কাল্পনিক কোনোবা এজনৰ কাৰণে হৃদয়ৰ অপচয় কিয়। কি পঢ়া হৈছে বা।"

বিনোদিনীয়ে ভয় খাই, উঠি বহিল আৰু লৰালৰিকৈ কিতাপখন আঁচলৰ

মাজত লুকুৱাই পেলালে। মহেন্দ্ৰই কাঢ়ি আনি চাবৰ চেষ্টা কৰিলে। বহুত সময় কঢ়া-আঁজোৰা লগাৰ পাচত পৰাভূত বিনোদিনীৰ আঁচলৰ মাজৰ পৰা মহেন্দ্ৰই কিতাপখন কাঢ়ি আনি দেখিলে—"বিষবৃক্ষ"। বিনোদিনীয়ে ঘন-ঘনকৈ উশাহ লৈ খঙত মুখখন আনপিনে ঘূৰাই মনে মনে বহি ৰ'ল।

মহেন্দ্ৰৰ বুকুত তেতিয়া উখলমাখল লাগিছিল। বহু চেষ্টা কৰি এটা হাঁহি মাৰি ক'লে, "ছিঃ বৰ ফাকি দিলা তুমি। মই ভাবিছিলোঁ, কিবা খুব গোপনীয় হবলা। ইমান কঢ়া-আঁজোৰা কৰি শেষত পালোঁগৈ কি—'বিষবৃক্ষ' এখন।"

বিনোদিনীয়ে ক'লে, "মোৰ নো গোপনীয় কিটো থাকিব পাৰে, কোৱা-চোন বাৰু।"

মহেন্দ্ৰই হঠাৎ কৈ পেলালে, "এই ধৰা, বিহাৰীৰ পৰা যদি কিবা চিঠি আহিলেহেঁতেন?"

নিমিষতে বিনোদিনীৰ চকুত এচমকা বিজুলীৰ জুই জ্বলি উঠিল। ইমান পৰলৈকে ঘৰৰ এচুকত ফুলশৰৰ খেলা চলিছিল, সি যেন এতিয়া পুৰি ভস্ম হৈ গ'ল। হঠাৎ জ্বলি উঠা জুইৰ শিখাৰ দৰে বিনোদিনী উঠি থিয় হ'ল। মহেন্দ্ৰই তেওঁৰ হাতখন খামুচি ধৰি ক'লে, "ক্ষমা কৰাঁ, মোৰ পৰিহাস তুমি ক্ষমা কৰাঁ।"

বিনোদিনীয়ে লৰালৰিকৈ জোৰ কৰি হাতখন এৰুৱাই লৈ ক'লে, "পৰিহাস কৰিছা কাক। যদি তেওঁৰ লগত বন্ধুতা কৰিবৰ যোগ্য হ'লা-হেঁতেন, তেন্তে তেওঁক পৰিহাস কৰিলে সহ্য কৰিলোহেঁতেন। তোমাৰ ক্ষুদ্ৰ মন, বন্ধুতা কৰিবৰ শক্তি নাই, অথচ ঠাট্টা।"

বিনোদিনী যাবলৈ ওলোৱাৰ লগে লগে মহেন্দ্ৰই তেওঁৰ ভৰি দুখন সাৱটি ধৰিলে।

ঠিক এনে সময়তে, সমুখত এটি ছাঁ দেখিবলৈ পালে। মহেন্দ্ৰই উচপ খাই বিনোদিনীৰ ভৰি দুখন এৰি দিলত দেখা পালে, বিহাৰী!

বিহাৰীয়ে স্থিৰ দৃষ্টিৰে দুয়োকে দগ্ধ কৰি উঠি শান্ত ধীৰ কণ্ঠেৰে ক'লে, "বৰ অসময়ত ওলালোঁহি; কিন্তু বেচি সময় নেথাকোঁ। এটা কথা ক'বলৈ আহিছিলোঁ। মই কাশীলৈ গৈছিলোঁ। নেজানিছিলোঁ যে, বৌদেউ তাতে আছে। ক'ব নোৱাৰাকৈয়ে তেওঁৰ ওচৰত অপৰাধী হৈ গ'লোঁ; তেওঁৰ

ওচৰত ক্ষমা খুজিবৰ বাবেও সময় নেপালোঁ, সেই কাৰণে তোমাৰ ওচৰত ক্ষমা খুজিবলৈ আহিলোঁ। জানিতভাবে হওক অজানিতভাবে হওক যদি মোৰ মনে কেতিয়াবা কেনেবাকৈ পাপৰ পৰশ পাইছে, সেইবাবে তেওঁ যেন কেতিয়াও কোনো দুখ সহ্য কৰিবলগীয়া নহয়, এয়ে মোৰ তোমাৰ ওচৰত মিনতি।"

বিহাৰীৰ ওচৰত হঠাৎ দুৰ্ব্বলতা প্ৰকাশ পাই যোৱা কাৰণে মহেন্দ্ৰৰ মনটো জ্বলি উঠিছিল। এয়া উদাৰতাৰ সময় নহয়। তেওঁ হাঁহি এটা মাৰি ক'লে, "গোঁসাই ঘৰত কল খোৱাৰ সাধুটো যে আছে, তোমাৰ দেখিছোঁ সেয়ে হৈছে। তোমাক দোষ স্বীকাৰ কৰিবলৈয়ো কোৱা নাই, অস্বীকাৰ কৰিবলৈয়ো কোৱা নাই; তেনেহ'লে নো ক্ষমা খুজি সাধুপুৰুষ বুলি দেখুৱাবৰ কি প্ৰয়োজন।"

বিহাৰী কাঠৰ পুতলাটোৰ দৰে কিছুপৰ থৰ লাগি ৰ'ল। তাৰ পাচত যেতিয়া কথা ক'বৰ প্ৰবল চেষ্টাত তেওঁৰ ওঁঠ দুটা কঁপিবলৈ ধৰিলে, ঠিক তেনেকুৱাতে বিনোদিনীয়ে ক'লে, "বিহাৰী দেৱৰ-বোপা, তুমি কোনো উত্তৰ নিদিবা। একোৱেই ক'ব নেলাগে। এই মানুহজনে মুখেৰে যি কথা উচ্চাৰণ কৰিলে, তাৰ ফলত তেওঁৰেই মুখত কলঙ্ক লাগি ৰ'ল, সেই কলঙ্কই তোমাক স্পৰ্শ কৰা নাই।"

বিনোদিনীৰ কথা বিহাৰীৰ কাণত সোমাল নে নোসোমাল, সন্দেহ। ৰাতি টোপনিতে খোজ কঢ়া মানুহৰ দৰে তেওঁ মহেন্দ্ৰৰ কোঠাৰ দুৱাৰদলিৰ পৰা উভতি খটখটীয়েদি তললৈ নামি যাবলৈ ধৰিলে।

বিনোদিনীয়ে তেওঁৰ পাচে পাচে কৈ যাবলৈ ধৰিলে, "বিহাৰী দেৱৰ-বোপা, মোক জানো তোমাৰ ক'বলগীয়া একোৱেই নাই। যদি তিৰস্কাৰ কৰিবলগীয়া কিবা থাকে, তেন্তে তিৰস্কাৰ কৰা।"

বিহাৰীয়ে যেতিয়া কোনো উত্তৰ নিদিয়াকৈ যাবলৈ ধৰিছিল, বিনোদিনীয়ে সমুখৰ পিনে আহি তেওঁৰ সোঁ হাতখন দুয়ো হাতেৰে খামুচি ধৰিলেহি। বিহাৰীয়ে অপৰিসীম ঘৃণাৰ সৈতে তেওঁক ঠেলা মাৰি থৈ গুচি গ'ল। সেই আঘাতত যে বিনোদিনী পৰি গ'ল, সেই কথা তেওঁ ক'বই নোৱাৰিলে।

পৰি যোৱা শব্দটো শুনি মহেন্দ্ৰ দৌৰি আহিল। দেখা পালে, বিনোদিনীৰ

বাওঁ হাতৰ কিলাকুটিটো কাটি তেজ ওলাবলৈ ধৰিছে।

মহেন্দ্ৰই ক'লে, "ইস্, বহুত কাটিলে দেখিছোঁ।" এইবুলি কৈ নিজৰ পাতল চোলাটোৰে অকণমান কাপোৰ ফালি ঘা ডোখৰত বেণ্ডেজ বান্ধিবলৈ প্ৰস্তুত হ'ল।

বিনোদিনীয়ে লৰালৰিকৈ হাতখন এৰুৱাই লৈ ক'লে, "নেলাগে, নেলাগে, একোৱেই কৰিব নেলাগে। তেজ ওলাই থাওক দিয়া।"

মহেন্দ্ৰই ক'লে, "এটা ঔষধ বান্ধি দিওঁ, ৰ'বা। তেতিয়া হ'লে, আৰু কষ্ট নোপোৱা। সোনকালে ভাল হৈ যাব।"

বিনোদিনীয়ে আঁতৰি গৈ ক'লে, "মই কষ্টৰ হাত সাৰিব খোজা নাই। এই কটা ঘা ডোখৰ থাকি যাওক।"

মহেন্দ্ৰই ক'লে, "আজি মই অধীৰ হৈ তোমাক আনৰ আগত অপদস্থ কৰিছোঁ। তুমি মোক ক্ষমা কৰিব পাৰিবা জানো।"

·বিনোদিনীয়ে ক'লে, "ক্ষমা কৰিব লাগে কিয়। ভালেই কৰিছা তুমি। মই জানো আনক ভয় কৰোঁ। মই কাকো ভয় নকৰোঁ। যিবিলাকে আঘাত দি পেলাই থৈ যায়, সিহঁতেই জানো মোৰ আপোন; আৰু যিবিলাকে মোক ভৰিত ধৰি টানি ৰাখিব খোজে, তেওঁলোক জানো মোৰ কোনোৱেই নহয়।"

মহেন্দ্ৰই উন্মত্তভাবে গদ্‌গদ্ কণ্ঠেৰে ক'লে, "বিনোদিনী, তেন্তে মোৰ ভালপোৱা তুমি ভৰিৰে ঠেলি নিদিয়া ?"

বিনোদিনীয়ে ক'লে, "মূৰৰ ওপৰত তুলি ৰাখিম। মোৰ জন্মৰ দিনাখনৰ পৰা ভালপোৱা ইমান বেচি পৰিমাণে পোৱা নাই যে, 'নেলাগে' বুলি ঘূৰাই দিব পাৰোঁ।"

মহেন্দ্ৰই তেতিয়া দুই হাতেৰে বিনোদিনীৰ দুয়োখন হাত মুঠিৰ মাজত লৈ ক'লে, "তেন্তে আহাঁ, মোৰ কোঠাৰ ভিতৰলৈ। আজি মই তোমাক কষ্ট দিছোঁ, তুমিও মোক কষ্ট দি গুচি আহিছা—যেতিয়ালৈকে সি একেবাৰে মচ খাই নেযায়, তেতিয়ালৈকে আমাৰ খাওঁতে শোওঁতে ক'তোৱেই সুখ নেথাকিব।"

বিনোদিনীয়ে ক'লে, "আজি নহয়, আজি মোক এৰি দিয়া। যদি তোমাক দুখ দিছোঁ, তেন্তে ক্ষমা কৰিবা।"

মহেন্দ্ৰই ক'লে, "তুমিও মোক ক্ষমা কৰা, নহ'লে আজি ৰাতি মোৰ টোপনিয়েই নাহিব।"

বিনোদিনীয়ে ক'লে, "ক্ষমা কৰিলোঁ বাৰু।"

মহেন্দ্ৰ তেতিয়া অধীৰভাবে বিনোদিনীৰ পৰা হাতে হাতে ক্ষমা আৰু ভালপোৱাৰ এটা নিদৰ্শন পাবৰ কাৰণে ব্যাকুল হৈ উঠিল। কিন্তু বিনোদিনীৰ মুখৰ পিনে চাই থমকি ৰৈ গ'ল। বিনোদিনী খটখটীয়েদি নামি গুচি গ'ল—মহেন্দ্ৰয়ো লাহে লাহে খটখটীয়েদি উঠি ছাদৰ ওপৰত ফু'ৰবলৈ লাগিল। বিহাৰীৰ ওচৰত মহেন্দ্ৰ আজি হঠাৎ ধৰা পৰি গল, তাৰ বাবে তেওঁৰ মনত এটা মুক্তিৰ আনন্দ উথলি উঠিল। লুকুৱাই কৰা কামৰ যি এক ঘৃণ্য ৰূপ আছে, আন এজনৰ ওচৰত প্ৰকাশ হৈ পৰাত সি যেন বহু পৰিমাণে দুৰ হৈ গ'ল। মহেন্দ্ৰই নিজকে নিজেই ক'লে, "মই মিছাকৈয়ে নিজক ভাল বুলি জাহিৰ কৰি ফুৰিব নোখোজো—কিন্তু মই ভালপাওঁ—মই ভালপাওঁ, সি মুঠেই মিছা নহয়।"—নিজৰ ভালপোৱাৰ গৌৰৱত তেওঁৰ স্পৰ্দ্ধা ইমান বেচি বাঢ়ি গ'ল যে, নিজকে বেয়া বুলি ভাবি তেওঁ আপোনমনে উদ্ধত-গৰ্ব্ব কৰিবলৈ ধৰিলে। নিস্তব্ধ সন্ধ্যাপৰত নীৰৱ জ্যোতিষ্ক আধৰাজিত অনন্ত জগতৰ প্ৰতি এটি অৱজ্ঞাৰ ভাব প্ৰকাশ কৰি নিজকে নিজেই ক'লে, "যি মোক যিমান বেয়া বুলি ভাবে ভাবি থাওক—কিন্তু মই ভালপাওঁ।" তাৰ পাচত, মহেন্দ্ৰই বিনোদিনীৰ মানস-মূৰ্ত্তিৰে সমস্ত আকাশ, সমস্ত সংসাৰ কৰ্ত্তব্য আচ্ছন্ন কৰি পেলালে। হঠাৎ আহি আজি যেন বিহাৰীয়ে মহেন্দ্ৰৰ জীৱনৰ ঠিলা মাৰি যোৱা মহী-চুঙাটো ভাঙি উবুৰিয়াই পেলালেহি—বিনোদিনীৰ ক'লা চকু আৰু ক'লা চুলিৰ চিয়াঁহীখিনি বিয়পি গৈ চাই থাকোঁতেই আগৰ সকলোখিনি বগা আৰু সকলোখিনি লিখা লেপি একাকাৰ কৰি পেলালে।

## ২৯

পাচদিনা টোপনি ভঙাৰ পাচতে বিচনাৰ পৰা উঠাৰ লগে লগে এটি মধুৰ আবেগেৰে মহেন্দ্ৰৰ গোটেই হৃদয় পূৰ্ণ হৈ পৰিল। পুৱাৰ সূৰ্য্যৰ পোহৰে যেন তেওঁৰ সমস্ত কল্পনাত, সমস্ত বাসনাত সোণৰ ৰেণু সিঁচি দিলে।

কি সুন্দৰ পৃথিৱী, কি মধুময় আকাশ, বতাহে যেন ফুলৰ ৰেণুৰ দৰে সমস্ত মনটোকে উৰাই লৈ ফুৰিছে।

ৰাতিপুৱাৰ পিনে বৈষ্ণৱ ভিক্ষুকে খোল-কৰতাল বজাই গান গাবলৈ আৰম্ভ কৰিছিল। দাৰোৱানে খেদি দিব খোজা দেখি, মহেন্দ্ৰই দাৰোৱান-টোক তিৰস্কাৰ কৰিলে আৰু লগে লগে তেওঁলোকৰ পিনে এটা টকা আগবঢ়াই দিলে। বেহেৰাই কেৰাচিনৰ লেম্পটো লৈ যাবৰ সময়ত হঠাৎ মজিয়াৰ ওপৰত পৰি গ'ল—মহেন্দ্ৰৰ মুখৰ পিনে চাই তাৰ ভয়ত অণ্ঠকণ্ঠ শুকাই গ'ল। মহেন্দ্ৰই কোনো তিৰস্কাৰ নকৰাকৈ প্ৰসন্নমুখেৰে কেৱল ক'লে "হেৰ', সেইডোখৰ ভালকৈ মচি পেলাবি—নহ'লে কাৰোবাৰ ভৰিত কাঁচৰ টুকুৰা সোমাব।" আজি কোনো ক্ষতিকেই ক্ষতি বুলি ধাৰণা নহ'ল।

ইমানদিন ধৰি প্ৰেম লুকাই আছিল, নেপথ্যৰ আঁৰালত। আজি সি পৰ্দ্দা গুচাই সমুখত দেখা দিছেহি। জগত-সংসাৰৰ ওপৰৰ পৰা আৱৰণ আঁতৰি গৈছে। প্ৰতিদিনৰ পৃথিৱীৰ সকলো তুচ্চতা আজি অন্তৰ্হিত হৈ গ'ল। গছ-লতা, পশু-পক্ষী, পথৰ জনতা, নগৰৰ কোলাহল, সকলোটি আজি অপৰূপ। এই যে বিশ্বব্যাপী নতুনতা—ইমানদিন সি ক'ত আছিল।

মহেন্দ্ৰৰ ধাৰণা হ'ল, আজি যেন বিনোদিনীৰ লগত আনবোৰ দিনৰ দৰে সামান্যভাবে মিলন নহয়। আজি যেন কবিতাৰে কথা ক'লে আৰু সঙ্গীতেৰে ভাব প্ৰকাশ কৰিলেহে শোভা পাব। আজিৰ দিনটোক ঐশ্বৰ্য্যেৰে সৌন্দৰ্য্যেৰে পূৰ্ণ কৰি মহেন্দ্ৰই সৃষ্টিৰ বাহিৰত সমাজৰ বাহিৰত এক আৰব্য-উপন্যাসৰ অদ্ভুত দিনৰ দৰে কৰি তুলিবলৈ বিচাৰে। সি যেন সত্য হ'ব, অথচ স্বপ্নও হ'ব—তাত সংসাৰৰ কোনো বিধিবিধান, কোনো দায়িত্ব, কোনো বাস্তৱিকতা নেথাকিব।

আজি পুৱাৰে পৰা মহেন্দ্ৰই চঞ্চল মনেৰে ঘূৰি ফুৰিবলৈ ধৰিলে, কলেজলৈ যাব নোৱাৰিলে; কাৰণ, মিলনৰ লগ্ন যে কেতিয়া কেনেকৈ অকস্মাৎ আবিৰ্ভূত হ'ব, সেই কথা পঞ্জিকাত জানো লিখা থাকে!

সংসাৰৰ কামত ব্যস্ত বিনোদিনীৰ কণ্ঠস্বৰ মাজে মাজে গুদাম-ঘৰৰ পৰা, ৰান্ধনিঘৰৰ পৰা মহেন্দ্ৰৰ কাণত পৰিবলৈ ধৰিছিল। আজি সেইবোৰ মহেন্দ্ৰৰ সিমান ভাল নেলাগিল—আজি তেওঁ বিনোদিনীক মনে মনে সংসাৰৰ পৰা বহুত দূৰত স্থাপন কৰিছে।

সময় যেন কাটিবই নোখোজে। মহেন্দ্ৰৰ গা ধোৱা, ভাত-পানী খোৱা সকলোবোৰ শেষ হৈ গ'ল—সকলোবোৰ গাৰ্হস্থ্য কামৰ বিৰাম পৰিলত দুপৰৰ পৰিবেশটো ক্ৰমে নিস্তব্ধ হৈ আহিল। তথাপি বিনোদিনীক দেখা পাবলৈ নাই। দুখ আৰু সুখত, অধৈৰ্য্য আৰু আশাত মহেন্দ্ৰৰ মনোবীণাৰ সকলোবোৰ তাঁৰ একেলগে জোকাৰ খাই উঠিল।

কালি যিখন 'বিষবৃক্ষ'ৰ কাৰণে কঢ়া-আঁজোৰা লাগিছিল, আজি সেইখন মজিয়াৰ বিচনাখনত পৰি আছে। চকুত পৰা মাত্ৰকে সেই থপিয়াথপিৰ স্মৃতিৰে মহেন্দ্ৰৰ মনত পুলকৰ শিহৰণ জাগি উঠিল। বিনোদিনীয়ে যিটো গাৰু হেঁচা দি শুই আছিল, সেই গাৰুটো টানি আনি মহেন্দ্ৰই তাৰ ওপৰত মূৰটো থ'লে; আৰু 'বিষবৃক্ষ'খন বুটলি লৈ, তাৰ পাতবোৰ লুটিয়াবলৈ ধৰিলে। ক্ৰমে কোনোবা এটা সময়ত পঢ়াত মন বহি গ'ল—কেতিয়া পাঁচ বাজি গ'ল, ক'বই নোৱাৰিলে।

এনে সময়তে এখন মোৰাদাবাদী খুঞ্চৰ ওপৰত থকা এখন কাঁহীত ফল আৰু সন্দেশ লৈ, আৰু আন এখন কাঁহীত বৰফ আৰু চেনি মিহলোৱা খৰমুজৰ সুগন্ধি মোৰব্বা লৈ বিনোদিনী কোঠাৰ ভিতৰত সোমালহি। বস্তুখিনি মহেন্দ্ৰৰ আগত থৈ ক'লে, "কি কৰিছা, দেৱৰ-বোপা। তোমাৰ হ'ল কি? পাঁচ বাজি গ'ল, এতিয়াও হবলা হাত-মুখ ধুই কাপোৰ-কানি সলাবৰ হোৱা নাই।"

মহেন্দ্ৰৰ মনত এটা আঘাত লাগি গ'ল। মহেন্দ্ৰৰ কি হৈছে, সিও জানো সুধিবলগীয়া কথা। বিনোদিনীৰ জানো অগোচৰ থকা উচিত, সেই কথাটো। আজিৰ দিনটো জানো আনবোৰ দিনৰ দৰেই একে। জানোচা যিখিনি আশা কৰিছে, তাৰ বিপৰীত কিবা এটা ঘটি যায়, সেই ভয়তে মহেন্দ্ৰই কালিৰ কথাবোৰ সোঁৱৰাই দি কোনো দাবী উত্থাপন কৰিব নোৱাৰিলে।

মহেন্দ্ৰ খাবলৈ বহিল। বিনোদিনীয়ে ছাদৰ ওপৰত ৰ'দৰ তাপত মেলি দিয়া কানি-কাপোৰবোৰ লৰালৰিকৈ গোটাই আনি কোঠাৰ ভিতৰত সোমাই নিপুণ হাতেৰে ভাঁজ কৰি কাপোৰৰ আলমাৰীত ভৰাবলৈ লাগি গ'ল।

মহেন্দ্ৰই ক'লে, "অলপ ৰ'বা, মই খাই উঠি তোমাক সহায় কৰি দিম।"

বিনোদিনীয়ে হাতযোৰ কৰি ক'লে "তোমাৰে শপত, আন যিহকে কৰা লাগিলে, মোক সহায় কৰি দিব নেলাগে।"

মহেন্দ্ৰই খাই উঠি ক'লে, "বাঃ! মোক হবলা অকৰ্ম্মণ্য বুলি ভাবি বহি আছা। আজি বাৰু পৰীক্ষাই হওকচোন।" এইবুলি তেওঁ কাপোৰ ভাঁজ কৰি থোৱাৰ মিছা-চেষ্টা কৰিলে।

বিনোদিনীয়ে মহেন্দ্ৰৰ হাতৰ পৰা কাপোৰখিনি কাঢ়ি লৈ ক'লে, "হেৰা বোপাদেউ, তুমি সেইবোৰ থোৱা, মোৰ কাম বঢ়াব নেলাগে।"

মহেন্দ্ৰই ক'লে, "তেন্তে তুমি কাম কৰি যোৱা, মই বাৰু চাই চাই শিকোঁ।" এইবুলি কৈ আলমাৰীৰ সমুখতে বিনোদিনীৰ ওচৰ চাপি মাটিতে আসন কৰি বহি পৰিল। বিনোদিনীয়ে কাপোৰবোৰ জাৰি-জোকাৰি থোৱাৰ ছলেৰে একোবাৰকৈ মহেন্দ্ৰৰ পিঠিৰ ওপৰতে আচাৰ মাৰি উঠি পৰিপাটিকৈ ভাঁজ কৰি আলমাৰীত ভৰাই থ'বলৈ ধৰিলে।

আজিৰ মিলন উৎসৱ এনেকৈয়ে আৰম্ভ হ'ল। পুৱাৰে পৰা মহেন্দ্ৰই যিদৰে কল্পনা কৰিছিল, সেই অপূৰ্ব্বতাৰ কোনো লক্ষণেই নাই। এই ধৰণৰ মিলন কাব্য লিখিবৰ, সঙ্গীত গাবৰ, উপন্যাস ৰচিবৰ বাবে উপযুক্ত নহয়। তথাপি মহেন্দ্ৰৰ কোনো দুখ নেলাগিল, বৰং অলপ সকাহ পালে। তেওঁৰ কাল্পনিক আদৰ্শক কেনেকৈ থিয় কৰি ৰাখিব, কেনেকুৱা তাৰ আয়োজন, কি কথা কব, কি ভাব প্ৰকাশ কৰিব লাগে, সকলো প্ৰকাৰ সামান্যতাক কিদৰে দূৰত ৰাখিব, সেইবোৰ কথা মহেন্দ্ৰই স্থিৰ কৰিবই পৰা নাছিল। এইদৰে কাপোৰ জাৰি-জোকাৰি ভাঁজ কৰি থোৱাৰ মাজতে, হাঁহি-ধেমালিত নিজকে উটুৱাই দিয়াতে তেওঁ যেন স্বৰচিত এক অসম্ভৱ দুৰূহ আদৰ্শৰ হাতৰ পৰা নিষ্কৃতি লাভ কৰিলে।

এনে সময়তে ৰাজলক্ষ্মী আহি কোঠাৰ ভিতৰত সোমাল। মহেন্দ্ৰক ক'লে, "মহিন, বোৱাৰীয়ে কাপোৰ সামৰিছে আৰু তই তাত বহি বহি কি কৰিছ।"

বিনোদিনীয়ে ক'লে, "চোৱাচোন পেহীদেউ, মিছাকৈয়ে মোৰ কামত কেৱল জেঙা লগাইছেহি।"

মহেন্দ্ৰই ক'লে, "নিশ্চয়। মই দেখোন তেওঁৰ কামতো সহায় কৰি দিব খুজিছিলোঁ।"

ৰাজলক্ষ্মীয়ে ক'লে, "মোৰো যে কপাল! তই আকৌ সহায় কৰিবি! বুজিছা বোৱাৰী, মহিনৰ সদায় এনেকুৱাই গতি-গোত্ৰ। চিৰকাল মাক-খুৰীয়েকৰ আদৰত উঠি, সি যদি কিবা এখন কাম হাতেৰে কৰিবলৈ শিকিলেহেঁতেন।"

এইবুলি কৈ মাকে কামত অপটু মহেন্দ্ৰৰ প্ৰতি মৰম-মিহলি চকুৰে চাই ৰ'ল। কেনেকৈ নো এই অকৰ্ম্মণ্য একান্ত মাতৃ-স্নেহৰ মুখাপেক্ষী বয়স্ক সন্তানটিক আৰামৰ মাজত ৰাখিব পাৰিব, বিনোদিনীৰ লগত ৰাজলক্ষ্মীৰ নিতৌ সেই আলোচনাই চলে। এই পুত্ৰ-সেৱাৰ বিষয়ত বিনোদিনীৰ ওপৰতে নিৰ্ভৰ কৰি তেওঁ নিতান্ত নিশ্চিন্ত আৰু পৰম সুখী। সম্প্ৰতি বিনোদিনীৰ মৰ্য্যাদা যে মহেন্দ্ৰই বুজি পাইছে আৰু বিনোদিনীক ৰাখিবৰ কাৰণে সি যত্ন কৰা হৈছে, এই কথাতে ৰাজলক্ষ্মীৰ আনন্দ। মহেন্দ্ৰক শুনাই শুনায়েই তেওঁ ক'লে, "বোৱাৰী, আজি যেতিয়া তুমি মহিনৰ গৰম কাপোৰ-খিনি ৰ'দত মেলি দিলাই, কাইলৈ বাৰু মহিনৰ নতুন ৰুমালবোৰত তাৰ নামবোৰ সূতাৰে লিখি দিবা দেই। তোমাক ইয়ালৈ অনাৰ পাচৰে পৰা আদৰ-যত্ন কৰিবই পৰা নাই, তোমাক কেৱল কামত খটুৱাই মাৰিছোঁ।"

বিনোদিনীয়ে ক'লে, "পেহীদেউ, তুমি যদি এনেকৈ কোৱা, তেন্তে ধৰি লম—মোক তুমি পৰ বুলি ভাবিছা।"

ৰাজলক্ষ্মীয়ে আদৰ কৰি ক'লে, "হায়, মোৰ আইজনী! তোমাৰ নিচিনা আপোন আৰু কাক বিচাৰি পাম বাৰু।"

বিনোদিনীৰ কাপোৰ সামৰা শেষ হ'লত ৰাজলক্ষ্মীয়ে ক'লে, "এতিয়া তেনেহ'লে সেই চেনিৰ ৰসখিনি তুলি দিবা নেকি। আন কিবা কাম আছে নেকি বাৰু?"

বিনোদিনীয়ে ক'লে, "ঔ-হো, পেহীদেউ, আন আৰু কি কামটো আছে। ব'লা, মিঠাইখিনি তৈয়াৰী কৰি থৈ আহোঁগৈ।"

মহেন্দ্ৰই ক'লে, "মা, এইমাত্ৰ তুমি অনুতাপ কৰিছিলা, তেওঁক খটুৱাই মাৰিছা বুলি, আকৌ এতিয়াই কাম কৰিবলৈ টানি লৈ গলা?"

ৰাজলক্ষ্মীয়ে বিনোদিনীৰ থুঁতৰিটো চুই ক'লে, "মোৰ লখিমীজনীয়ে যে কাম কৰিয়েই ভাল পায়।"

মহেন্দ্ৰই ক'লে, "আজি গধূলি মোৰ কোনো কাম নাছিল, ভাবিছিলো

বালিক লগত লৈ কিতাপ এখনকে পঢ়িম।"

বিনোদিনীয়ে ক'লে, "ভালেই হ'ল, পেহীদেউ! আজি গধূলি দেৱৰ-বোপাই কিতাপ পঢ়িব আৰু আমি দুয়োজনে শুনিমহি—কি কোৱা বাৰু।"

ৰাজলক্ষ্মীয়ে ভাবিলে, "মোৰ মহিনটোও অকলশৰীয়া হৈ পৰিছে, এতিয়া সকলোবোৰ মিলি তাক পাহৰাই ৰখা উচিত।" ফুটাই ক'লে, "কথাটো বেয়া নহয়, মহিনৰ ভাত-পানী ৰন্ধা শেষ হ'লেই আমি আজি গধূলিকৈ কিতাপ-পঢ়া শুনিবলৈ আহিম। কি কয়, মহিন।"

বিনোদিনীয়ে এবাৰ কেৰাহিকৈ মহেন্দ্ৰৰ মুখৰ পিনে চাই ল'লে। মহেন্দ্ৰই ক'লে, "বাৰু।" কিন্তু তেওঁৰ আৰু উৎসাহ নোহোৱা হৈ গ'ল। বিনোদিনী ৰাজলক্ষ্মীৰ লগতে ওলাই গ'ল।

মহেন্দ্ৰই খঙৰ ভমকতে ভাবিলে, "ময়ো আজি ফুৰিবলৈ ওলাই যাম—পলমকৈ ঘৰলৈ উভতিম।" এইবুলি ভবাৰ লগে লগেই কাপোৰ-কানি পিন্ধি ল'লে। কিন্তু সেই সংকল্প কামত পৰিণত নহ'ল। মহেন্দ্ৰই বহুত পৰলৈকে ছাদৰ ওপৰত টহল দি ফুৰিলে, খটখটীৰ পিনে কেইবাবাৰো চালে, শেষত [illegible]ৰ ভিতৰত সোমাই বহি পৰিল। বিৰক্ত মনেৰে নিজকে নিজেই ক'লে, "মই আজি মিঠাই হাতেৰেই নোচোওঁ; তেতিয়া হ'লে মাক জনাই দিয়া হব, ইমান বেচি সময়লৈকে চেনিৰ ৰসৰ জ্বাল দিলে তাৰ মিঠা গুণটো তেনেই নোহোৱা হৈ যায়।"

আজি খাবৰ সময়ত বিনোদিনীয়ে ৰাজলক্ষ্মীকো লগতে লৈ আনিলে। ৰাজলক্ষ্মীয়ে তেওঁৰ উদফাই ৰোগ থকাৰ কাৰণে সাধাৰণতে ওপৰলৈ উঠিবই নোখোজে, সেইবাবে বিনোদিনীয়ে অনুৰোধ কৰিহে লগত আনিব পাৰিছে। মহেন্দ্ৰ অতি গম্ভীৰ মুখেৰে খাবলৈ বহিল।

বিনোদিনীয়ে ক'লে, "কি হ'ল দেৱৰ বোপা, আজি দেখোন তুমি একোৱেই খাব পৰা নাই।"

ৰাজলক্ষ্মীয়ে অলপ বিতত হৈ ক'লে, "কিবা অসুখ কৰিছে নেকি?"

বিনোদিনীয়ে ক'লে, "ইমান কষ্ট কৰি মিঠাই তৈয়াৰী কৰিলো, কিবা এটা মুখত দিবই লাগিব। ভাল হোৱা নাই নেকি! থাওক তেনেহ'লে। নেলাগে নেলাগে, অনুৰোধত পৰি জোৰকৈ খোৱাটো উচিত নহ'ব। নেলাগে নেলাগে, নোখোৱাটোৱেই ভাল।"

মহেন্দ্ৰই ক'লে, "ভাল অসুবিধাত পেলালা। মিঠাইখিনিয়েই খাবৰ ইচ্ছা আটাইতকৈ বেচি, খায়ো ভাল লাগিছে, তুমি বাধা দিলে কিয় শুনিম।"

দুটা মিঠাই মহেন্দ্ৰই একেবাৰে নিঃশেষকৈ খালে—তাৰ এটা দানা, অকণমান গুৰি পৰ্য্যন্ত নেৰিলে।

খাই উঠাৰ পাচত তিনিও জন আহি মহেন্দ্ৰৰ শোৱনি-কোঠাত বহিলহি। পঢ়াৰ কথাবাৰ মহেন্দ্ৰই তুলিয়ালেই। ৰাজলক্ষ্মীয়ে ক'লে, "তই যে কিবা এখন পঢ়িম বুলি কৈছিলি, আৰম্ভ কৰচোন বাৰু।"

মহেন্দ্ৰই ক'লে, "কিন্তু তাত যে দেৱতা-গোঁসাইৰ কথা একোৱেই নাই, তোমাৰ শুনি ভাল নেলাগিব।"

ভাল নেলাগিব! যেনেকৈয়ে হওক, ভাল লাগিবৰ কাৰণে ৰাজলক্ষ্মী কৃতসংকল্প। মহেন্দ্ৰই যদি তুৰ্কী ভাষাও পঢ়ে, তথাপি ভাল লাগিবলৈ বাধ্য। হায় বেচেৰা মহিন! ঘৈণীয়েক কাশীলৈ গৈছে, আৰু সি অকলশৰে পৰি আছে—তাৰ যি ভাল লাগিব মাকৰো সেয়া ভাল নেলাগিলে কেনেকৈ চলিব!

বিনোদিনীয়ে ক'লে, "এটা কাম কৰিলে কেনে হয়, দেয়ৰ-বোপা। পেহীদেউৰ কোঠাত বঙলা 'শান্তিশতক' খন আছে, আন কিতাপ নপঢ়ি আজি সেইখনকে পঢ়ি শুনোৱাচোন। পেহীদেউৰো ভাল লাগিব, গধূলিটোও কাটি যাব বঢ়িয়াকৈ।"

মহেন্দ্ৰই এবাৰ অতি কৰুণদৃষ্টিৰে বিনোদিনীৰ মুখৰ পিনে চালে। এনে সময়তে লিগিৰী এজনীয়ে আহি খবৰ দিলে, "মা, কাঁইথৰ ঘৈণীয়েক আহি আপোনাৰ কোঠাতে বহি আছে।"

কাঁইথৰ ঘৈণীয়েক ৰাজলক্ষ্মীৰ নলে-গলে-লগা বন্ধু। সন্ধ্যাৰ পাচতে তেওঁৰ লগত গল্প-গুজৱ কৰাৰ প্ৰলোভন সম্বৰণ কৰা ৰাজলক্ষ্মীৰ পক্ষে দুঃসাধ্য। তথাপি লিগিৰীজনীক ক'লে, "কাঁইথৰ ঘৈণীয়েকক কগৈ যা, আজি মহিনৰ কোঠাত কিবা কাম আছে, কালি যেন তেখেত যেনে-তেনে এবাৰ আহে।"

মহেন্দ্ৰই লৰালৰিকৈ ক'লে, "নেলাগে মা, তুমি বাৰু তেওঁৰ লগত দেখা কৰিয়েই আহাঁচোন।"

বিনোদিনীয়ে ক'লে, "বাদ দিয়া পেহীদেউ, তুমি ইয়াতে থাকা। ময়েই বৰং কাঁইথৰ ঘৈণীয়েকক দেখা দি আহোঁগৈ।"

ৰাজলক্ষ্মীয়ে প্ৰলোভন সম্বৰণ কৰিব নোৱাৰি ক'লে, "বোৱাৰী, তুমি বাৰু অলপ ৰহঁা। চাওঁচোন কাঁইথৰ ঘৈণীয়েকক বিদায় দি আহিব পাৰোঁ নেকি। তোমালোকে পঢ়া আৰম্ভ কৰি দিয়া—মোৰ কাৰণে ৰ'ব নেলাগে।"

ৰাজলক্ষ্মী কোঠাৰ বাহিৰ হোৱাৰ পাচত মহেন্দ্ৰ আৰু ৰ'ব নোৱাৰিলে—চিঞৰি উঠিলে, "কিয় তুমি ইচ্ছা কৰি মোক যন্ত্ৰণা দিয়া, মিছামিছিকৈ।"

বিনোদিনীয়ে আচৰিত হৈ যোৱাৰ দৰে ক'লে, "এইটো আকৌ কেনেকুৱা কথা, ভাই! মই তোমাক যন্ত্ৰণা দিছোঁ। তেন্তে তোমাৰ কোঠালৈ অহাটো মোৰ দোষ হৈছে। বেচ কথা, মই বাৰু যাওঁগৈ।" এইবুলি কৈ বিমৰিষ মনেৰে উঠিবৰ উপক্ৰম কৰিলে।

মহেন্দ্ৰই তেওঁৰ হাতখন থাপ মাৰি ধৰি ক'লে, "এনেকৈয়ে তো তুমি মোক পুৰি পুৰি মাৰিছা।"

বিনোদিনীয়ে ক'লে, "হয় নেকি, মোৰ যে ইমান শক্তি, মই নেজানিছিলোঁৱেই। তোমাৰো দেখিছোঁ, কম কঠিন প্ৰাণ নহয়, যথেষ্ট সহ্য কৰিব পাৰা। খুব যে জ্বলি পুৰি মৰিছা, চেহেৰা দেখিলে দেখোন ধৰিবৰ সাধ্যই নাই।"

মহেন্দ্ৰই ক'লে, "চেহেৰা দেখি কি বুজিবা।" এইবুলি কৈ বিনোদিনীৰ হাতখন জোৰকৈ টানি আনি বুকুৰ ওপৰত হেঁচা দি ধৰিলে।

বিনোদিনীয়ে "উঃ" বুলি চিঞৰি দিয়াৰ লগে লগে মহেন্দ্ৰই লৰালৰিকৈ হাতখন এৰি দি সুধিলে, "দুখ পালা নেকি।"

চকুত পৰিল, কালি বিনোদিনিৰ হাতৰ যিখিনি ঠাই কাটিছিল, তাৰ পৰা আকৌ তেজ ওলাইছে। মহেন্দ্ৰই অনুতাপ কৰি ক'লে, "মই পাহৰিয়ে গৈছিলোঁ—ভয়ানক অন্যায় কৰিছোঁ। আজি কিন্তু এতিয়াই তোমাৰ সেই ঘা ডোখৰত ঔষধ লগাই বান্ধি দিম—কোনো কথা নুশুনিছোঁ।"

বিনোদিনীয়ে ক'লে, "নেলাগে, একো হোৱা নাই। মই ঔষধ নলগাওঁ।"

মহেন্দ্ৰই ক'লে, "কিয় নলগাবা।"

বিনোদিনীয়ে ক'লে, "কিয়টো আকৌ কিহব। তুমি ডাক্তৰী কৰি দেখুৱাব নেলাগে, সেইডোখৰ যেনে আছে তেনেকৈয়ে থাকক।"

মহেন্দ্ৰ মুহূৰ্ত্তৰ ভিতৰতে গম্ভীৰ হৈ পৰিল—নিজকে নিজে ক'লে, "একো বুজিবৰ সাধ্য নাই। তিৰোতা মানুহৰ মন।"

বিনোদিনী উঠিল। অভিমানী মহেন্দ্ৰই বাধা দিবৰ চেষ্টা নকৰি সুধিলে, "ক'লৈ যোৱা।"

বিনোদিনীয়ে ক'লে, "কাম আছে।" তাৰ পাচত লাহে লাহে তাৰ পৰা আঁতৰ হ'ল।

কেইমিনিট মান বহি থকাৰ পাচতে মহেন্দ্ৰই বিনোদিনীক ওভোতাই আনিবৰ কাৰণে লৰালৰিকৈ ওলাই গ'ল; খটখটীৰ ওচৰলৈকে গৈ উভতি আহিল আৰু ছাদৰ ওপৰত টহল দিবলৈ লাগিল।

বিনোদিনীয়ে প্ৰত্যেক মুহূৰ্ত্ততে আকৰ্ষণ কৰে, অথচ এক মুহূৰ্ত্তৰ কাৰণেও কাষ চাপিবলৈ নিদিয়ে। আনে তেওঁক জিনিব নোৱাৰে, এই অহঙ্কাৰ মহেন্দ্ৰৰ আছিল...সম্প্ৰতি তাক তেওঁ বিসৰ্জ্জন দিছে; কিন্তু চেষ্টা কৰিলেই আনক তেওঁ জিনিব পাৰে, এই অহঙ্কাৰকণো তেওঁ ৰাখিব নোৱাৰিব নেকি। আজি তেওঁ হাৰ মানিছে, অথচ হাৰ মনাব নোৱাৰিলে। হৃদয়ৰ ক্ষেত্ৰত মহেন্দ্ৰৰ শিৰ সঁচাসঁচিকৈয়ে উচ্চ হৈ আছিল—কাকো তেওঁ নিজৰ সমকক্ষ বুলি নেভাবিছিল—আজি সেই ক্ষেত্ৰতেই তেওঁ নিজৰ শিৰ ধূলিত লুণ্ঠিত কৰিবলগীয়াত পৰিছে। যি শ্ৰেষ্ঠতা তেওঁ হেৰুৱালে, তাৰ বিনিময়তে তেওঁ একোৱেই নেপালে। ভিক্ষুকৰ দৰে বন্ধ দুৱাৰৰ সমুখত গধূলি পৰত শূন্য হাতেৰে বাটৰ মাজত থিয় দি ৰ'বলগীয়া হৈছে।

ফাগুন-চ'ত মাহতে বিহাৰীহঁতৰ জমিদাৰীৰ পৰা সৰিয়হ ফুলৰ মৌ আহে। প্ৰত্যেক বছৰ তাৰে অলপ ৰাজলক্ষ্মীলৈ পঠোৱাটো এটা অভ্যাস—এইবাৰো পঠাই দিলে।

বিনোদিনীয়ে মৌ-চক লৈ স্বয়ং ৰাজলক্ষ্মীৰ ওচৰলৈ গৈ ক'লে, "পেহীদেউ, বিহাৰী দেৱৰ-বোপাই এয়া মৌ পঠাই দিছে।"

ৰাজলক্ষ্মীয়ে গুদাম-ঘৰত থৈ দিবলৈ উপদেশ দিলে। বিনোদিনীয়ে মৌখিনি থৈ আহি ৰাজলক্ষ্মীৰ ওচৰতে বহিল। আৰু ক'লে, "বিহাৰী দেৱৰ-বোপাই কেতিয়াও তোমালোকক সেৱা-সৎকাৰ কৰিবলৈ নেপাহৰে।

বেচেৰাৰ নিজৰ মাক নাই নহয়, সেইবাবে তোমাকেই মা বুলি ধৰি লৈছে।"

বিহাৰীক ৰাজলক্ষ্মীয়ে মহেন্দ্ৰৰ এনে এক ছাঁয়া বুলি ধৰি লৈছিল যে, তেওঁৰ কথা বিশেষ একো নেভাবিছিলেই—তেওঁ যেন তেওঁলোকৰ বিনা মূল্যৰ, বিনা যত্নৰ, বিনা চিন্তাৰ এজন কেৱল অনুগত মানুহ। বিনোদিনীয়ে যেতিয়া ৰাজলক্ষ্মীক মাতৃহীন বিহাৰীৰ মাতৃস্থানীয়া বুলি উল্লেখ কৰিলে, তেতিয়া সেই কথাই ৰাজলক্ষ্মীৰ মাতৃহৃদয় অকস্মাৎ স্পৰ্শ কৰি গ'ল। হঠাৎ ধাৰণা হ'ল, "কথাটো মিছা নহয়। বিহাৰীৰ মাক নাই আৰু মোকেই সি মাকৰ দৰে দেখে।" মনত পৰি গ'ল, ৰোগ, বেদনা, সঙ্কট—সকলোতে বিহাৰীয়ে সদায় বিনা আহ্বানত, বিনা-আড়ম্বৰেৰে তেওঁক নিঃশব্দ নিষ্ঠাৰে সৈতে সেৱা-শুশ্ৰূষা কৰি আহিছে; ৰাজলক্ষ্মীয়ে সেই কথা নিশ্বাস-প্ৰশ্বাসৰ দৰেই সহজভাবে গ্ৰহণ কৰিছে আৰু তাৰ বাবে কাৰো ওচৰত কৃতজ্ঞ হোৱাৰ কথা তেওঁৰ মনত উদয়েই হোৱা নাই। কিন্তু বিহাৰীৰ খা-খবৰ কোনে ৰাখিছে। অন্নপূৰ্ণা যেতিয়া আছিল, তেওঁ ৰাখিছিল অৱশ্যে—ৰাজলক্ষ্মীয়ে ভাবিছিল, "বিহাৰীক মুঠিত ৰাখিবৰ কাৰণেই অন্নপূৰ্ণাৰ এই আড়ম্বৰ।"

ৰাজলক্ষ্মীয়ে আজি হুমুনিয়াহ কাঢ়ি ক'লে, "বিহাৰী অৱশ্যে মোৰ নিজৰ ল'ৰাৰ দৰেই।"

কোৱাৰ লগে লগে তেওঁৰ মনত এই চেতনাৰ উদয় হ'ল, বিহাৰীয়ে তেওঁৰ নিজৰ ল'ৰাতকৈয়ো বহু বেচি খবৰ ৰাখে—আৰু কেতিয়াও কোনো প্ৰতিদান নোপোৱা স্বত্বেও তেওঁৰ প্ৰতি বিহাৰীৰ ভক্তি অটুট হৈ ৰৈছে। এই কথা ভাবিলত তেওঁৰ ভিতৰৰ পৰা এটা হুমুনিয়াহ ওলাই আহিল।

বিনোদিনীয়ে ক'লে, "বিহাৰী দেৱৰ-বোপাই তোমাৰ হাতেৰে ৰন্ধা বস্তু খাবলৈ খুব ভাল পায়।"

ৰাজলক্ষ্মীয়ে চেনেহ-মিহলি অহঙ্কাৰ লৈ কলে, "আন কাৰো হাতৰ মাছৰ আঞ্জা খাই সি ভাল নেপায়।"

হঠাৎ মনত পৰিল, বহুতদিন ধৰি বিহাৰী অহা নাই। বিনোদিনীক সুধিলে, "এটা কথা নহয়, বোৱাৰী! বিহাৰীক আজিকালি দেখা নেপাওঁ কিয়।"

বিনোদিনীয়ে ক'লে, "ময়ো সেই কথাটোকে ভাবিছিলো, পেহীদেউ। তোমাৰ ল'ৰাই বিয়াৰ পাচৰ পৰা নিজৰ ঘৈণীয়েকক লৈ এনেকৈ ব্যস্ত হৈ

পৰিছে যে, বন্ধু-বান্ধৱবোৰ আহি নো কি হ'ব, তুমিয়েই কোৱা।"

কথাষাৰ ৰাজলক্ষ্মীয়ে অতি সঙ্গত বুলিয়েই ভাবিলে। ঘৈণীয়েকক পাই মহেন্দ্ৰই তাৰ সকলোবোৰ হিতৈষী বন্ধুক দূৰ কৰি ৰহি আছে। বিহাৰীৰ অভিমান হোৱাটোৱেই স্বাভাৱিক—সি নো কিয় আহিব। বিহাৰীক নিজৰ দলত পাই তেওঁৰ প্ৰতি ৰাজলক্ষ্মীৰ সমবেদনা বাঢ়ি গল। বিহাৰীয়ে যে ল'ৰা বয়সৰে পৰা একান্ত নিঃস্বাৰ্থভাবে মহেন্দ্ৰৰ কিমান উপকাৰ সাধিছে, তেওঁৰ কাৰণে কিমান কষ্ট সহিছে, সেই সকলোবোৰ বিনোদিনীৰ আগত আবৰি বিবৰি কবলৈ ধৰিলে—পুতেকৰ ওপৰত তেওঁৰ নিজৰ যিবোৰ অভিযোগ, সেইবোৰ বিহাৰীৰ বৰ্ণনাৰ দ্বাৰাই সমৰ্থন কৰিবলৈ লাগিল। দুদিনৰ বাবে ঘৈণীয়েকক পাই মহেন্দ্ৰই যদি তাৰ চিৰকালৰ বন্ধুক এনেদৰে অনাদৰ কৰে, তেন্তে সংসাৰত ন্যায়ধৰ্ম্ম বোলা বস্তুটো আৰু থাকিল ক'ত।

বিনোদিনীয়ে ক'লে, "কাইলৈ দেওবাৰ। তুমি বিহাৰী দেৱৰ-বোপাক নিমন্ত্ৰণ কৰি খাবলৈ মাতা, তেওঁ বৰ আনন্দ পাব।"

ৰাজলক্ষ্মীয়ে ক'লে, "ঠিক কথা কৈছা, বোৱাৰী! তেন্তে মহিনক মতাওঁ, সি বিহাৰীক নিমন্ত্ৰণ কৰি পঠাওক।"

বিনোদিনী। নহয় পেহীদেউ, তুমি নিজে নিমন্ত্ৰণ কৰাঁ।

ৰাজলক্ষ্মী। মই জানো তোমালোকৰ নিচিনা লিখা-পঢ়া জানো।

বিনোদিনী। হওক বাৰু, তোমাৰ হৈ জানিবা ময়েই লিখি দিলোঁ।

বিনোদিনীয়ে ৰাজলক্ষ্মীৰ নাম দি নিজেই নিমন্ত্ৰণ চিঠি লিখি পঠালে।

দেওবাৰটো মহেন্দ্ৰৰ অতি আগ্ৰহৰ দিন। আগদিনা ৰাতিৰ পৰাই তেওঁৰ কল্পনা উদ্দাম হৈ উঠিবলৈ ধৰে, যদিও এতিয়ালৈকে তেওঁৰ কল্পনাৰ অনুৰূপ একোৱেই ঘটা নাই—তথাপি দেওবাৰৰ পুৱাৰ পোহৰচাটিয়ে তেওঁৰ চকুত মৌ বৰষিবলৈ আৰম্ভ কৰিলে। সাৰ পাই উঠা নগৰীৰ সকলোবোৰ কোলাহল তেওঁৰ কাণত অপৰূপ সঙ্গীতৰ দৰে প্ৰবেশ কৰিলেহি।

কিন্তু কথাটো কি। মাকৰ আজি কিবা ব্ৰত আছে নেকি। আনদিনৰ দৰে বিনোদিনীৰ ওপৰতে ঘৰুৱা কামৰ সকলো বোজা চপাই দি তেওঁ যে বিশ্ৰাম লোৱা নাই। আজি তেওঁ নিজেই ব্যস্ত হৈ ঘূৰি ফুৰিছে।

এই হুলস্থুলৰ মাজতে দহ বাজি গ'ল—ইতিমধ্যে মহেন্দ্ৰই বিনোদিনীৰ

লগত বিৰলে এক মুহূৰ্ত্তৰ কাৰণে দেখা কৰিবলৈ কোনো চেলুৱেই বিচাৰি পোৱা নাই। কিতাপ পঢ়িবলৈ চেষ্টা কৰিলে, পঢ়াত কোনোমতেই মন নবহিল। বাতৰি-কাকতৰ এখন অনাৱশ্যকীয় বিজ্ঞাপন মিছামিছিকৈয়ে প্ৰায় পোন্ধৰ মিনিট ধৰি পঢ়িলে। আৰু থাকিব নোৱাৰিলে। তললৈ নামি গৈ দেখিলে, মাকে তেওঁৰ কোঠাৰ সমুখৰ বাৰাণ্ডাখনতে এটা চলন্ত চৌকাত কিবা এখন ৰান্ধিছে আৰু ককালত কটকটীয়াকৈ আচল বান্ধি বিনোদিনী লাচনি-পাচনি কৰাত ব্যস্ত হৈ আছে।

মহেন্দ্ৰই সুধিলে, "আজি তোমালোকৰ কথাটো কি। বৰ ধুমধাম দেখোন।"

ৰাজলক্ষ্মীয়ে ক'লে, "বোৱাৰীয়ে তোমাক কোৱা নাই? আজি যে বিহাৰীক নিমন্ত্ৰণ কৰিছোঁ।"

বিহাৰীক নিমন্ত্ৰণ! মহেন্দ্ৰৰ গোটেই শৰীৰ জ্বলি উঠিল। তৎক্ষণাৎ ক'লে "কিন্তু মা, মই যে থাকিব নোৱাৰিম।"

ৰাজলক্ষ্মী। কিয়।

মহেন্দ্ৰ। মই যে ওলাই যাব লাগিব।

ৰাজলক্ষ্মী। খাই-বৈ যাবি, বেচি পলম নহয়।

মহেন্দ্ৰ। মোৰ যে বাহিৰত নিমন্ত্ৰণ আছে।

বিনোদিনীয়ে মুহূৰ্ত্তৰ কাৰণে মহেন্দ্ৰৰ পিনে কেৰাহিকৈ চালে আৰু ক'লে "যদি নিমন্ত্ৰণ আছে, তেন্তে তেওঁ যাওকেইচোন, পেহীদেউ। আজি জানিবা বিহাৰী দেৱৰ-বোপাই অকলশৰীয়াকৈয়েই খালে।"

কিন্তু নিজৰ হাতেৰে যত্ন কৰি ৰান্ধি যদি মহিনকে খুৱাব নোৱাৰিলে, তেনেহ'লে নো ৰাজলক্ষ্মীয়ে সহিব পাৰে কেনেকৈ। তেওঁ যিমানেই কুটুৰিবলৈ ধৰিলে, মহিনো সিমানেই আকোৰগোঁজ হৈ পৰিল। "বৰ জৰুৰী নিমন্ত্ৰণ, কোনোমতেই বাদ দিয়াৰ উপায় নাই—বিহাৰীক নিমন্ত্ৰণ কৰাৰ আগতে মোৰ লগত আলোচনা কৰা উচিত আছিল" ইত্যাদি।

খং কৰি মহেন্দ্ৰই এইদৰে মাকক শাস্তি দিয়াৰ ব্যৱস্থা কৰিলে। ৰাজলক্ষ্মীৰ সকলোখিনি উৎসাহ নোহোৱা হৈ গ'ল। তেওঁৰ ইচ্ছা হৈছিল, ৰন্ধা-বঢ়া এৰি থৈ গুচি যায়। বিনোদিনীয়ে ক'লে, "পেহীদেউ, তুমি একো নেভাবিবা—দেৱৰ-বোপাই মুখেৰে আস্ফালন কৰিছে, কিন্তু আজি তেওঁৰ

বাহিৰত নিমন্ত্ৰণ ৰক্ষা নহয়।"

ৰাজলক্ষ্মীয়ে মুখ জোকাৰি ক'লে, "নহয় আই, তুমি মহিনক নেজানা, সি এবাৰ য'ত ধৰে তাক সহজে নেৰে।"

কিন্তু বিনোদিনীয়ে যে মহেন্দ্ৰক ৰাজলক্ষ্মীতকৈ কম নেজানে, সেইটোৱেই প্ৰমাণ হ'ল। মহেন্দ্ৰই বুজিছিল, বিহাৰীক বিনোদিনীয়েই নিমন্ত্ৰণ কৰাইছে। সেইবাবে তেওঁৰ হৃদয় যিমানে ঈৰ্ষাৰে ভৰি উঠিবলৈ লাগিল, তেওঁৰ পক্ষে দূৰলৈ যোৱাটো সিমানে কঠিন হৈ পৰিল। বিহাৰীয়ে কি কৰে, বিনোদিনীয়ে কি কৰে, সেইবোৰ নোচোৱাকৈ তেওঁ বাচি থাকে কেনেকৈ। চালে অৱশ্যে ডেই-পুৰি মৰিব, তথাপি চাব যে লাগিবই।

বিহাৰীয়ে আজি বহুতদিনৰ পাচত নিমন্ত্ৰিত-আত্মীয়ভাবে মহেন্দ্ৰৰ অন্তঃপুৰত প্ৰবেশ কৰিছে। ওমলা দিনৰে পৰা যিটো ঘৰ তেওঁৰ চিনাকি আৰু য'ত তেওঁ ঘৰৰ ল'ৰাৰ নিচিনাকৈ অবাৰিতভাবে সোমাই দৌৰাত্ম্য কৰি আহিছিল, সেই ঘৰটোৰে দুৱাৰমুখত আহি ক্ষণিকৰ বাবে থমকি ৰৈ গ'ল—এটি অশ্ৰুতৰঙ্গই যেন পলকৰ ভিতৰতে উচ্ছ্বসিত হৈ উঠিবৰ কাৰণে তেওঁৰ বুকুৰ দুৱাৰত খুন্দিয়াই গ'ল। তাৰ আঘাত সম্বৰণ কৰি লৈ তেওঁ এটি মিচিকিয়া হাঁহিৰে ঘৰৰ ভিতৰত সোমাই গা ধুই ওলাই অহা ৰাজলক্ষ্মীৰ আগত প্ৰণাম কৰি ভৰিৰ ধুলি মূৰত ল'লে। বিহাৰীৰ যেতিয়া প্ৰায়েই অহা-যোৱা ঘটিছিল, তেতিয়া তেওঁলোকৰ মাজত অভিবাদনৰ এইবোৰ প্ৰথা মুঠেই নাছিল। আজি যেন তেওঁ বহুদূৰ প্ৰবাসৰ পৰা আকৌ ঘৰলৈ উভতি আহিছে। বিহাৰীয়ে প্ৰণাম কৰি উঠাৰ সময়ত ৰাজলক্ষ্মীয়ে তেওঁৰ মূৰত চেনেহৰ হাত বুলাই দিলে।

ৰাজলক্ষ্মীয়ে আজি নিগূঢ় সহানুভূতিৰ অধীন হৈ বিহাৰীৰ প্ৰতি আগতকৈ বহু বেচি আদৰ আৰু স্নেহ প্ৰকাশ কৰিলে। ৰাজলক্ষ্মীয়ে ক'লে, "হয় নে বেহাৰী, তই ইমানদিন ধৰি অহা নাই কিয়। মই সদায় ভাবোঁ, আজি নিশ্চয় বেহাৰী আহিব, কিন্তু তোৰ দেখাই পাবলৈ নাই।"

বিহাৰীয়ে হাঁহি মাৰি ক'লে, "সদায় আহিলে যে তোমাৰ বিহাৰীক সদায় সোঁৱৰাই ন'হলহেঁতেন, মা। মহিনদা ক'লৈ গ'ল।

ৰাজলক্ষ্মীয়ে বেজাৰ-মনেৰে ক'লে, "মহিনৰ আজি ক'ৰবাত নিমন্ত্ৰণ আছে হেনো, সি আজি কোনোমতেই থাকিব নোৱাৰিলে।"

শুনাৰ লগে লগে বিহাৰীৰ মনটো বিকল হৈ গ'ল। আশৈশৱ প্ৰণয়ৰ এয়ে নেকি শেষ পৰিণাম? এটা দীঘল হুমুনিয়াহ কাঢ়ি মনৰ পৰা সকলোবোৰ বিষাদবাষ্প অলপ সময়ৰ কাৰণে আঁতৰ কৰি নিবৰ চেষ্টাৰে বিহাৰীয়ে সুধিলে, "আজি কি ৰান্ধিছা—শুনোচোন।" তাৰ পাচত নিজৰ প্ৰিয় ব্যঞ্জনসমূহৰ কথা সুধিবলৈ লাগিল। ৰাজলক্ষ্মীয়ে নিজৰ হাতেৰে ৰন্ধা দেখিলে, বিহাৰীয়ে অলপ বেচি আড়ম্বৰ কৰি নিজকে লুভীয়া বুলি চিনাকি দিয়ে—আহাৰ-লোলুপতা দেখুৱাই বিহাৰীয়ে মাতৃহৃদয়শালিনী ৰাজলক্ষ্মীৰ মৰম কাঢ়ি লয়। আজিও তেওঁৰ স্বৰচিত ব্যঞ্জন সম্বন্ধে বিহাৰীৰ অতিমাত্ৰা কৌতূহল দেখা পাই, ৰাজলক্ষ্মীয়ে হাঁহি হাঁহি তেওঁৰ লোভাতুৰ অতিথিক আশ্বাস দিলে।

এনে সময়তে মহেন্দ্ৰ আহি বিহাৰীক শুকান কণ্ঠেৰে ৰীতি-ৰক্ষা কৰি সুধিলে, "কি বিহাৰী, কেনে আছা।"

ৰাজলক্ষ্মীয়ে সুধিলে, "ক'তা মহিন, তই দেখোন তোৰ নিমন্ত্ৰণ খাবলৈ ন'গলি।"

মহেন্দ্ৰই লাজ ঢাকিবৰ চেষ্টা কৰি ক'লে, "ন'গলোঁ, সেইটো নাকচ কৰি থৈ আহিলোঁ।"

গা ধুই উঠি বিনোদিনী যেতিয়া ওলাই আহিল, তেতিয়া বিহাৰীয়ে প্ৰথমতে একোৱেই ক'ব নোৱাৰিলে। বিনোদিনী আৰু মহেন্দ্ৰৰ যি দৃশ্য তেওঁ দেখা পাইছিল, সি তেওঁৰ মনত মচিব নোৱাৰা হৈ বৈ গৈছিল।

বিনোদিনীয়ে বিহাৰীৰ প্ৰায় কাষ চাপি আহি সৰুকৈ সুধিলে, "কি দেৱৰ বোপা, একেবাৰে চিনিবই পৰা নাই নেকি।"

বিহাৰীয়ে ক'লে, "সকলোকে জানো চিনিব পাৰি।"

বিনোদিনীয়ে ক'লে, "অকণমান বিবেচনা থাকিলেই পাৰি।" তাৰ পাচত খবৰটো দিলে, "পেহীদেউ, ভাত-পানী ৰন্ধা হৈ গৈছে।"

মহেন্দ্ৰ আৰু বিহাৰী দুয়ো খাবলৈ বহিল; ৰাজলক্ষ্মীয়ে অলপ আঁতৰতে বহি চাবলৈ লাগিল আৰু বিনোদিনীয়ে পৰিবেশন কৰিবলৈ ধৰিলে।

মহেন্দ্ৰৰ খোৱা-বোৱাত মন নাছিল, তেওঁ কেৱল পৰিবেশনৰ পক্ষপাতিতা লক্ষ্য কৰি আছিল। মহেন্দ্ৰৰ ধাৰণা হ'ল, বিহাৰীক পৰিবেশন কৰি বিনোদিনীয়ে যেন বিশেষ এক তৃপ্তি পাইছে। বিহাৰীৰ কাঁহীতেই যে

বিশেষ ধৰণে মাছৰ মূৰ আৰু দৈ-গাখীৰৰ সৰখিনি পৰিল, তাৰ এটা ভাল কৈফিয়ৎ আছিল—মহেন্দ্ৰ ঘৰৰ ল'ৰা, বিহাৰী নিমন্ত্ৰিত। কিন্তু মুখেৰে ফুটাই অভিযোগ কৰিবৰ কাৰণে ভাল যুক্তি একোৱেই নাছিল বাবেই মহেন্দ্ৰ আৰু বেচিকৈ ডেই-পুৰি মৰিবলৈ লাগিল। অবতৰত বিশেষ খা-খবৰ লৈ ভাঙন মাছ পোৱা গৈছিল। তাৰ মাজত এটাৰ পেটত কণী আছিল; সেই মাছটো বিনোদিনীয়ে বিহাৰীৰ কাষীত দিবলৈ যাওঁতেই বিহাৰীয়ে মাত দিলে, "নেলাগে নেলাগে, মহিনদাক দিয়া। মহিনদাই ভাল পায়।" মহেন্দ্ৰই তীব্ৰ অভিমানত কৈ উঠিল, "নাই নাই, মোক নেলাগে।" কথাষাৰ শুনি বিনোদিনীয়ে দ্বিতীয়বাৰ অনুৰোধ নকৰি সেই মাছটো বিহাৰীৰ পাততে দিলেহি।

খাই-বৈ উঠি দুয়ো বন্ধু কোঠাৰ পৰা বাহিৰ ওলালত, বিনোদিনীয়ে লৰা-লৰিকৈ ক'লেহি, "বিহাৰী দেৱৰ-বোপা, এতিয়াই নেযাবা। ওপৰ মহলাৰ ঘৰতে অলপ বহিবাগৈ, ব'লা।"

বিহাৰীয়ে ক'লে, "তুমি খাবলৈ নোযোৱা নেকি?"

বিনোদিনীয়ে ক'লে, "ও-হো, আজি একাদশী।"

নিষ্ঠুৰ বিদ্ৰূপৰ এটি সূক্ষ্ম হাঁহিৰ ৰেখা বিহাৰীৰ ওঁঠৰ কোণত খেলি গ'ল—তাৰ অৰ্থটো এয়ে, একাদশী পালনো হয়। অনুষ্ঠানৰ ক্ৰটি নাই।

সেই হাঁহিৰ আভাসকণ বিনোদিনীৰ দৃষ্টিৰ পৰা সাৰি নগ'ল—তথাপি তেওঁ হাতৰ কটা ঘা ডোখৰ যিদৰে সহ্য কৰিছিল, ইয়াকো তেওঁ সেইদৰেই সহ্য কৰি গ'ল। নিতান্ত মিনতিৰ কণ্ঠেৰে ক'লে, "মোৰ মূৰকে খোৱা তুমি, এবাৰ বহিবাগৈ ব'লা।"

মহেন্দ্ৰই হঠাৎ অতি অসঙ্গতভাৱে উত্তেজিত হৈ উঠি ক'লে, "তোমা-লোকৰ কোনো বিবেচনাই নাই—কাম থাওক কাজ থাওক, ইচ্ছা থাকক বা নেথাকক, তথাপি বহিবই লাগিব। ইমান বেচি আদৰৰ কোনো অৰ্থই মই বুজি নেপাওঁ।"

বিনোদিনীয়ে খিলখিলাই হাঁহি দিলে। তাৰ পাচত ক'লে, "বিহাৰী দেৱৰ-বোপা, শুনা তোমাৰ মহিনদাৰ কথা শুনা। আদৰৰ মানে আদৰ, অভিধানত তাৰ আন কোনো দ্বিতীয় মানে লিখা নাই।" (মহেন্দ্ৰৰ প্ৰতি) "যিহকে কোৱা লাগিলে দেৱৰ-বোপা, বেচি আদৰৰ মানে শৈশৱৰ

পৰাই তুমি যিমান পৰিষ্কাৰকৈ বুজি পোৱা, সিমান পৰিষ্কাৰকৈ আন কোনোৱেই বুজি নেপায়।"

বিহাৰীয়ে ক'লে, "মহিনদা, এটা কথা আছে, এবাৰ শুনি যোৱাচোন।" এইবুলি কৈ বিহাৰীয়ে বিনোদিনীক কোনো বিদায়-সম্ভাষণ নজনোৱাকৈয়ে মহেন্দ্ৰক লৈ বাহিৰলৈ ওলাই গ'ল। বিনোদিনীয়ে বাৰাণ্ডাৰ ৰেলিঙত ধৰি মনে মনে থিয় দি বৈ শূন্য চোতালখনৰ শূন্যতাৰ পিনে চাবলৈ লাগিল।

বিহাৰীয়ে বাহিৰলৈ আহি ক'লে, "মহিনদা, মই জানিব খুজিছোঁ, আমাৰ বন্ধুতা এইখিনিতে ওৰ পৰিল নেকি।"

মহেন্দ্ৰৰ বুকুৰ ভিতৰত তেতিয়া জুই জ্বলিছে, বিনোদিনীৰ হাঁহি-ঠাট্টাবোৰে তেতিয়া বিজুলীৰ শিখাৰ দৰে তেওঁৰ মগজুৰ একোণৰ পৰা আনকোণলৈ বাৰে বাৰে ঘূৰি-পকি তেওঁক বিন্ধিবলৈ ধৰিছিল। তেওঁ ক'লে, "মিটমাট হ'লে তোমাৰ তাৰ পৰা বিশেষ সুবিধা হ'ব পাৰে, কিন্তু মোৰ বাবে সি প্ৰাৰ্থনীয় বুলি ধাৰণা হোৱা নাই। মোৰ সংসাৰৰ ভিতৰলৈ বাহিৰৰ কাকো সুমুৱাবহি খোজা নাই—অন্তঃপুৰক অন্তঃপুৰেই কৰি ৰাখিব খোজোঁ।"

বিহাৰীয়ে একো নোকোৱাকৈ গুচি গ'ল।

ঈৰ্ষাজৰ্জ্জৰ মহেন্দ্ৰই এবাৰ প্ৰতিজ্ঞা কৰিলে, বিনোদিনীৰ লগত দেখা নকৰে—তাৰ পাচ মুহূৰ্ত্ততে বিনোদিনীক দেখা পোৱাৰ আকাঙ্ক্ষাত তেওঁ ঘৰৰ বাহিৰে-ভিতৰে, তলে-ওপৰে ছটফট কৰি ফুৰিবলৈ ধৰিলে।

## ৩০

আশাই এদিন অন্নপূৰ্ণাক সুধিলে, "বাক মাহীদেউ, মহাদেউৰ কথা তোমাৰ কেতিয়াবা মনত পৰে নে?"

অন্নপূৰ্ণাই ক'লে, "মই এঘাৰ বছৰ বয়সতে বিধবা হৈছোঁ, স্বামীৰ মূৰ্ত্তিটো মোৰ কিবা ছাঁৰ নিচিনা লাগে।"

আশাই সুধিলে, "তেন্তে তুমি কাৰ কথা ভাবা?"

অন্নপূৰ্ণাই সৰু এটা হাঁহি মাৰি ক'লে, "মোৰ স্বামী এতিয়া যাৰ বুকুত আছে, সেই ভগবানৰ কথাই ভাবোঁ।"

আশাই সুধিলে, "তাৰ পৰা তুমি জানো শান্তি পোৱা ?"

অন্নপূৰ্ণাই আশাৰ মূৰত মৰমেৰে হাত বুলাই দি ক'লে, "তই কি বুজিবি আই, মোৰ সেইবোৰ মনৰ কথা। সেয়া মোৰ মনে জানে, আৰু যাঁৰ কথা ভাবোঁ তেওঁ জানে।"

আশাই মনে মনে ভাবিবলৈ ধৰিলে, "মই যাৰ কথা দিনে-নিশাই ভাবি থাকোঁ, তেওঁ জানো মোৰ মনৰ কথা নেজানে। মই ভালকৈ চিঠি লিখিব নেজানো বুলিয়েই, তেওঁ বাৰু কিয় মোলৈ চিঠি লিখিবলৈ এৰি দিছে।"

আশাই কেইবাদিন ধৰিও মহেন্দ্ৰৰ চিঠি পোৱা নাই। হমুনিয়াহ কাঢ়ি মনে মনে তেওঁ ভাবিলে, "চকুৰ কুটা যদি মোৰ ওচৰতে থাকিলহেঁতেন, তেন্তে মোৰ মনৰ কথাবোৰ বঢ়িয়াকৈ লিখি দিব পাৰিলেহেঁতেন।"

বেয়াকৈ লিখা সামান্য চিঠিয়ে জানোচা স্বামীৰ আদৰ নেপায়, সেই ভয়তে চিঠি লিখিবলৈ হাতত কলমটোকে লবলৈ আশাৰ সাহস নহয়। যিমানে বেচি যত্ন কৰি লিখিব খোজে, আখৰবোৰ সিমানে বেচি বেয়া হৈ যায়। মনৰ কথা যিমানে বেচি ভালকৈ সজাই-পৰাই উলিয়াবৰ চেষ্টা কৰে, কথাবোৰ সিমানে বেচি আউল লাগি যায়। যদি কেৱল "শ্ৰীচৰণেষু" বুলি লিখি নাম চহী কৰি দিলেই মহেন্দ্ৰই অন্তৰ্যামী দেৱতাৰ দৰে সকলো কথা বুজিব পাৰিলেহেঁতেন, তেতিয়া হ'লে আশাৰ চিঠি লিখা সাৰ্থক হ'লহেঁতেন। বিধাতাই ইমান বেচি ভালপোৱা দিছিলে, কিন্তু তাৰ জোখাৰে ভাষা বাৰু নিদিলে কিয়।

মন্দিৰত সন্ধ্যা-আৰতি কৰাৰ পাচত ঘৰলৈ উভতি আহি আশাই অন্নপূৰ্ণাৰ ভৰিৰ ওচৰতে বহি লাহে লাহে তেওঁৰ ভৰিৰ ওপৰত হাত বুলাই দিবলৈ ধৰিলে। বহুত সময় মনে মনে থকাৰ পাচত ক'লে, "মাহীদেউ, তুমি যে কোৱা, স্বামীক দেৱতাৰ দৰে সেৱা কৰাটোৱেই তিৰোতাৰ ধৰ্ম্ম, কিন্তু যি তিৰোতা মূৰ্খ, যাৰ কোনো বুদ্ধি নাই, স্বামীৰ সেৱা কিদৰে কৰিব লাগে সেই কথা যি নেজানে, তেওঁ কি কৰিব।"

অন্নপূৰ্ণাই অলপ সময় আশাৰ মুখৰ পিনে চাই ৰ'ল—এটা ক্ষীণ হমুনিয়াহ কাঢ়ি ক'লে, "আই,ময়ো যে মূৰ্খ, তথাপিও জানো ভগবানৰ সেৱা কৰিব পৰা নাই।"

আশাই ক'লে, "কিন্তু তেওঁ যে তোমাৰ মনৰ কথা বুজি পায়, সেইবাবে সন্তুষ্ট হয়। কিন্তু ধৰি লোৱা, স্বামী যদি মূৰ্খৰ সেৱাত তুষ্ট নহয়।"

অন্নপূৰ্ণাই ক'লে, "সকলোকে তুষ্ট কৰাৰ শক্তি সকলোৰে নেথাকে, আই। পত্নীয়ে যদি আন্তৰিক শ্ৰদ্ধা ভক্তি আৰু যত্নেৰে সৈতে স্বামীৰ সেৱা কৰে আৰু সংসাৰৰ কাম কৰি যায়, তেন্তে স্বামীয়ে তাক তুচ্ছ জ্ঞান কৰি দলিয়াই পেলালেও স্বয়ং ভগবানে তাক বুটলি লয়।"

আশা মনে মনে ৰ'ল। মাহীয়েকৰ এই উত্তৰৰ পৰাই সান্ত্বনা গ্ৰহণৰ বাবে বহু চেষ্টা কৰি চালে। কিন্তু স্বামীয়ে যাক তুচ্ছ বুলি দলিয়াই পেলায়, স্বয়ং ভগবানে যে তাক সাৰ্থক কৰি তুলিব পাৰে, এই কথা কোনোমতেই তেওঁৰ মনে গ্ৰহণ কৰিব নোৱাৰিলে। তেওঁ তলমূৰকৈ বহি মাহীয়েকৰ ভৰিৰ ওপৰত হাত বুলাই দিবলৈ ধৰিলে।

অন্নপূৰ্ণাই তেতিয়া আশাৰ হাত দুখনত ধৰি তেওঁক কাষলৈ চপাই আনিলে। তাৰ পাচত, কপালতে এটা চুমা আঁকি দিলে; বহু চেষ্টা কৰি থোকাথুকি হৈ অহা মাতটো পৰিষ্কাৰ কৰি ক'লে, "চুনি, দুখ-কষ্টৰ মাজত যি শিক্ষালাভ হয়, কেৱল কাণেৰে তাকশু নিবলৈ নেপায়। তোৰ এই মাহীয়েৰেও এদিন তোৰ বয়সতে তোৰ দৰেই সংসাৰৰ লগত বিৰাট এখন দেনা-পাওনাৰ পোহাৰ মেলি বহিছিল। তেতিয়া মষ্যো তোৰ দৰেই ভাবিছিলোঁ, যাৰ সেৱা কৰিম তেওঁৰ সন্তুষ্ট নোহোৱাৰ কি কাৰণ থাকিব পাৰে। যাৰ পূজা কৰিম, তেওঁৰ প্ৰসাদ নেপাবৰ কি কাৰণ থাকিব পাৰে। যাৰ ভালৰ কাৰণে চেষ্টা কৰিম, তেওঁ মোৰ চেষ্টাক ভাল বুলি বুজিব কিয়। পদে পদে দেখিলোঁ, তাৰ বিপৰীতটোৱেই হয়। অৱশেষত এদিন অসহ্য হ'লত ভাবিছিলোঁ, পৃথিৱীত মোৰ সকলোখিনি ব্যৰ্থ হৈ গ'ল—সেইদিনাখনেই সংসাৰ ত্যাগ কৰি আহিলোঁ। আজি দেখিছোঁ, মোৰ একোৱেই নিষ্ফল হোৱা নাই। বুজিছ আই, যাৰ লগত আচল দেনা-পাওনাৰ সম্পৰ্ক, যিজন এই সংসাৰ-হাটৰ মূল মহাজন, তেওঁৱেই মোৰ সকলোখিনি গ্ৰহণ কৰি গৈছিল, হৃদয়ৰ মাজত বহি আজি সেই কথা স্বীকাৰ কৰিছে। তেতিয়াই যদি জানিলোহেঁতেন! যদি তেওঁৰ কৰ্ম্ম বুলি সংসাৰৰ কৰ্ম্ম কৰি গ'লোহেঁতেন, তেওঁক দিছোঁ বুলি ভাবিয়েই সংসাৰক মোৰ হৃদয় দিলোহেঁতেন, তেতিয়া হ'লে কোনে মোক দুখ দিব

পাৰিলেহেঁতেন।"

বিচনাত শুই শুই বহুত ৰাতিলৈকে আশাই বহুত কথাই ভাবিলে, তথাপি ভালকৈ একোৱেই বুজিব নোৱাৰিলে। কিন্তু পুণ্যৱতী মাহীয়েকৰ প্ৰতি তেওঁৰ অসীম ভক্তি আছিল, সেই মাহীয়েকৰ কথাবোৰ সম্পূৰ্ণ বুজি নেপালেও একপ্ৰকাৰ শিৰোধাৰ্য্য কৰি ল'লে। মাহীয়েকে গোটেই সংসাৰৰ ওপৰত যাক হৃদয়ত স্থান দিছে, তেওঁক উদ্দেশ্য কৰি আন্ধাৰতে বিচনাৰ ওপৰত আঁঠু লৈ প্ৰণাম জনালে। মনে মনে ক'লে, "মই এজনী সৰু ছোৱালী, তোমাক চিনি নেপাওঁ, মই কেৱল মোৰ স্বামীকেই চিনি পাওঁ, সেইবাবে মোৰ অপৰাধ নধৰিবা। মোৰ স্বামীক মই যি পূজা দিওঁ, হে ভগবান, তুমি তেওঁক সেই পূজা গ্ৰহণ কৰিবলৈ কোৱা। তেওঁ যদি সেয়া ভৰিৰে ঠেলি দিয়ে, তেন্তে মই আৰু নেবাচিম। মই মোৰ মাহীৰ নিচিনা পুণ্যৱতী নহওঁ, তোমাক আশ্ৰয় কৰি মই ৰক্ষা পাব নোৱাৰিম।" এইবুলি কৈ বাৰে বাৰে বিচনাৰ ওপৰত আঁঠু লৈ প্ৰণাম জনালে।

আশাৰ বৰদেউতাকৰ উভতিবৰ সময় হ'ল। বিদায়ৰ আগদিনা গধূলি পৰত আশাক অন্নপূৰ্ণাই নিজৰ কোলাত বহুৱাই লৈ ক'লে, "আই চুনি মোৰ, সংসাৰৰ শোক দুখ অমঙ্গলৰ পৰা সদায় তোক ৰক্ষা কৰিবৰ শক্তি মোৰ নাই। মোৰ কেৱল এয়েই উপদেশ, য'ৰ পৰা যিমানেই কষ্ট নেপাৱ, তোৰ বিশ্বাস আৰু ভক্তি স্থিৰ ৰাখিবি, তোৰ ধৰ্ম্ম যেন অটল থাকে।"

আশাই তেওঁৰ ভৰিৰ ধূলি লৈ ক'লে, "আশীৰ্ব্বাদ কৰাঁ মাহীদেউ, যেন সেয়ে হয়।"

## ৩১

আশা উভতি আহিল। বিনোদিনীয়ে তেওঁৰ ওপৰত খুব অভিমান দেখুৱাই ক'লে, "বালি, ইমানদিন বিদেশত থাকিলা, অথচ এখন চিঠি লিখিব নোৱাৰিলা, নহয়?"

আশাই ক'লে, "তুমিয়েই বা কেইখন লিখিলা, ভাই বালি?"

বিনোদিনী। মই কিয় প্ৰথমে লিখিম। তুমিহে লিখিব লাগিছিল।

আশাই বিনোদিনীৰ ডিঙিত সাৱটি ধৰি নিজৰ অপৰাধ স্বীকাৰ কৰি

ল'লে। আৰু ক'লে, "জানাই তো ভাই, মই ভালকৈ লিখিবই নেজানো; বিশেষকৈ, তোমাৰ নিচিনা পণ্ডিতলৈ লিখিবলৈ লাজেই লাগে।"

চাওঁতে চাওঁতে দুয়োৰো বিবাদ মিটমাট হ'লত, তেওঁলোকৰ মাজত প্ৰণয় উদ্বেলিত হৈ উঠিল।

বিনোদিনীয়ে ক'লে, "দিনে-নিশাই সঙ্গ-সুখ দান কৰি তুমি তোমাৰ স্বামীৰ স্বভাৱ তেনেই নষ্ট কৰি পেলালা। কোনোবা এজন ওচৰত নেথাকিলে থাকিবই নোৱাৰে।"

আশা। সেইবাবেই তো তোমাৰ ওপৰত ভাৰ দি গৈছিলোঁ। সঙ্গ-সুখ কিদৰে দিব লাগে, সেই কথা তুমি মোতকৈ ভাল জানা।

বিনোদিনী। দিনটো জানিবা কোনোমতে কলেজলৈ পঠাই নিশ্চিন্ত হওঁ, কিন্তু গধূলি কোনোমতেই সাৰিব নোৱাৰি—গল্প কৰিব লাগিব, কিতাপ পঢ়ি শুনাব লাগিব, আদৰৰ মুঠতে শেষ নাই।

আশা। কেনে মজা। আনৰ যেতিয়া মন ভুলাব পাৰা, তেতিয়া আনেই বা এৰিব কিয়।

বিনোদিনী। সাৱধানে থাকিবা, ভাই। দেৱৰ-বোপাই যিধৰণে অতিমাত্ৰা চেৰাই যাব খোজে, একো-একোবাৰ সন্দেহেই হৈ যায়—বশীকৰণ বিদ্যাই জানো নেকি।

আশাই হাঁহি হাঁহি ক'লে, "তুমি নেজানা যদি, কোনে নো জানে। তোমাৰ বিদ্যাৰ অকণমান যদি পালোহেঁতেন, বাচি গ'লোহেঁতেন।"

বিনোদিনী। কিয়, কাৰ সৰ্ব্বনাশ কৰিবৰ ইচ্ছা হৈছে। ঘৰত যি গৰাকী আছে, তেওঁকেই ৰক্ষা কৰা, আনক ভুলাবৰ চেষ্টা নকৰিবা ভাই বালি। বৰ মস্কিল হৈ পৰে।

আশাই বিনোদিনীক হাত জোকাৰি বাধা দি ক'লে, "আঃ, কি কোৱা, তাৰ দেখিছোঁ ঠিকেই নাই।"

কাশীৰ পৰা ঘুৰি অহাৰ পাচত প্ৰথম সাক্ষাততে মহেন্দ্ৰই ক'লে, "তোমাৰ শৰীৰ বেচ ভালেই আছিল যেন লাগিছে, খুব শকত হৈ আহিলা।"

আশাই বৰ লাজ পালে। তেওঁৰ শৰীৰ কোনোমতেই ভালে থকাটো উচিত নাছিল—কিন্তু আজলী আশাৰ একো কথাই ঠিক বাটেৰে নেযায়;

তেওঁৰ মন যেতিয়া ইমান বেয়া হৈ আছিল, তেতিয়া তেওঁৰ এই দুৰ্ভগীয়া শৰীৰটো ক্ৰমে শকত হৈ উঠিছিল। মনৰ ভাব ব্যক্ত কৰিবৰ কাৰণে এনেয়ে কথাৰ নাটনি—তাৰ ওপৰতে আকৌ শৰীৰটোৱে ওভোতা-সাক্ষী দি বহে।

আশাই মৃদু কণ্ঠেৰে প্ৰশ্ন কৰিলে, "তুমি কেনে আছিলা।"

আগতে হোৱা হ'লে মহেন্দ্ৰই অলপ ঠাট্টা কৰি আৰু অলপ মনৰ কথা জনাই ক'লেহেঁতেন, "মৰি গৈছিলোঁ।" এতিয়া আৰু ঠাট্টা কৰিব নোৱাৰিলে, ডিঙিলৈকে আহি হঠাৎ বন্ধ হৈ গ'ল। কেৱল ক'লে, "ভালেই আছিলোঁ, দিনবোৰ বেয়াকৈ যোৱা নাছিল।"

আশাই তেওঁৰ পিনে চাই দেখিলে, মহেন্দ্ৰ যেন আগতকৈ খীণাইছে—তেওঁৰ মুখৰ ৰং শেঁতা পৰিছে আৰু চকুত একপ্ৰকাৰ তীব্ৰ দীপ্তি প্ৰকাশ পাইছে। কিবা যেন মানসিক ক্ষুধা এটাই তাৰ অগ্নি-জিভাৰে তেওঁক লেহন কৰিবলৈ ধৰিছে। আশাই মনে মনে বেজাৰ অনুভৱ কৰি ভাবিলে, "হায়, মোৰ স্বামী ভালে থকা নাছিল। কিয় বাৰু মই তেওঁক এৰি থৈ কাশীলৈ গুচি গৈছিলোঁ।" গিৰীয়েক খীণাই গ'ল, অথচ নিজে শকত হ'ল—এই কথাটোৰ কাৰণেও নিজৰ স্বাস্থ্যৰ প্ৰতি আশাৰ ধিক্কাৰ জন্মিল।

মহেন্দ্ৰই আৰু কি কথা উলিয়াব, ভাবি-চিন্তি অলপ সময়ৰ পাচত সুধিলে, "খুৰীদেউ ভালে আছে নহয়?"

সেই প্ৰশ্নৰ উত্তৰত কুশল-বাতৰি পাই, তেওঁৰ আৰু দ্বিতীয় কোনো কথা মনলৈ অনা সম্ভৱ নহ'ল। ওচৰতে এখন পুৰণি ফটা বাতৰি-কাকত আছিল, সেইখনকে টানি লৈ অন্যমনস্ক ভাবে পঢ়িবলৈ লাগিল। আশাই তলমূৰ কৰি ভাবিবলৈ ধৰিলে, "ইমান দিনৰ পাচত দেখা হ'ল, কিন্তু তেওঁ বাৰু কিয় মোৰ লগত ভালকৈ কথা নেপাতিলে। আনকি, মোৰ মুখৰ পিনেও যেন মূৰ তুলি নেচালে। মই তিনি-চাৰি দিন ধৰি চিঠি লিখিব পৰা নাছিলোঁ বাবে খং কৰিছে নেকি। মই মাহীদেউৰ অনুৰোধত কাশীত বেচি দিন থকাৰ কাৰণে বিৰক্ত হৈছে নেকি বাৰু।" অপৰাধ কোন ছিদ্ৰইদি কেনেকৈ প্ৰবেশ কৰিছে, সেই কথাকেই তেওঁ অতি বেজাৰ মনেৰে সন্ধান ল'বলৈ লাগিল।

মহেন্দ্ৰ কলেজৰ পৰা উভতি আহিল। আবেলি জা-জলপান খাবৰ

সময়ত ৰাজলক্ষ্মী আছিল, আশায়ো মূৰত ওৰণি লৈ ওচৰতে দুৱাৰত হাত দি থিয় হৈ আছিল, আৰু কোনো নাছিল।

ৰাজলক্ষ্মীয়ে ব্যাকুল মনেৰে প্ৰশ্ন কৰিছে, "আজি তোৰ অসুখ কৰিছে নেকি, মহিন।"

মহেন্দ্ৰই বিৰক্তভাবে উত্তৰ দিলে, "ওঁ-হো, অসুখ কিয় কৰিব মা।"

ৰাজলক্ষ্মী। তেন্তে তই যে একো খোৱা নাই।

মহেন্দ্ৰই আকৌ এবাৰ উত্ত্যক্ত কণ্ঠেৰে উত্তৰ দিলে, "এয়া দেখোন, খোৱা নাই যদি কি কৰিছোঁ নো।"

মহেন্দ্ৰই গা-ত এখন পাতল চাদৰ লৈ জহকালিৰ গধূলি পৰত ছাদৰ ওপৰত টহল দিবলৈ ধৰিলে। মনৰ ভিতৰতে খুব আশা পুহিছিল, তেওঁলোকৰ নিয়মিত পঢ়া-কামটো আজি বন্ধ নেথাকে। 'আনন্দ মঠ'খন প্ৰায় শেষ হৈ আহিছে, মাত্ৰ দুটা নে তিনিটা অধ্যায় বাকী আছে। বিনোদিনী যিমানেই নিষ্ঠুৰ নহওক, তথাপি সেই কেইটা অধ্যায় আজি শুনাইহে এৰিব। কিন্তু সন্ধ্যা অতীত হ'ল, সময় উত্তীৰ্ণ হৈ গ'ল, নিৰাশাৰ গধূৰ বোজা বহন কৰিয়েই মহেন্দ্ৰ শুবলৈ যাবলগীয়া হ'ল।

লাজুকী আশা সাজি-কাছি লাহে লাহে শোৱনি-কোঠাত সোমালহি। দেখিলে, বিচনাত মহেন্দ্ৰ শুই আছে। তেতিয়া কিদৰে আগবাঢ়িব, ভাবিয়েই নেপালে। বিচ্ছেদৰ পাচত কিছু সময়ৰ কাৰণে এটা নতুন লাজে যেৰি ধৰে—যিখিনিত এৰি থৈ যোৱা হয়, ঠিক সেইখিনি পোৱাৰ আগতে পৰস্পৰে পৰস্পৰৰ পৰা নতুন সম্ভাষণৰ কামনা কৰে। আশাই তেওঁৰ চিৰপৰিচিত আনন্দ-শয্যাত অনাহূতভাবে কেনেকৈ প্ৰবেশ কৰিব! দুৱাৰৰ ওচৰতে বহুত সময় থিয় দি ৰ'ল—মহেন্দ্ৰৰ কোনো সঁহাৰিয়েই নেপালে। খুব লাহে লাহে এখুজি-দুখুজিকৈ আগবাঢ়িবলৈ লাগিল। যদি অসতৰ্ক অৱস্থাত কেনেবাকৈ কোনোবা এপদ অলঙ্কাৰ জনৃজনাই উঠে, তেনেহ'লে লাজতে মৰি যাব লাগিব। কম্পিত হৃদয় লৈ আশাই আঁঠুৱাখনৰ কাষ চাপি অনুভৱ কৰিলে, মহেন্দ্ৰৰ টোপনি। তেতিয়া তেওঁৰ নিজৰ সাজ-কাচোনে যেন তেওঁৰ গোটেই শৰীৰ যেৰি ধৰি তেওঁক উপহাস কৰিবলৈ আৰম্ভ কৰিলে। ইচ্ছা গৈছিল, বিজুলী-বেগেৰে এই কোঠাটোৰ পৰা ওলাই আন ক'ৰবাত শুই থাকিবগৈ।

আশাই যথাসাধ্য নিঃশব্দে কুচিমুচি খাই পালেঙৰ ওপৰত উঠিল। তথাপি ইমানখিনি শব্দ আৰু লৰচৰ হৈছিল যে, মহেন্দ্ৰ যদি সঁচাসঁচিকৈয়ে টোপনি গ'লহেঁতেন, তেনেহ'লে সাৰ পাই উঠিলহেঁতেন। কিন্তু আজি তেওঁৰ চকু মেল নেখালে, কিয়নো মহেন্দ্ৰ শোৱা নাছিল। মহেন্দ্ৰ পালেঙৰ আনটো কাষত কাতি হৈ শুই আছিল, গতিকে আশা তেওঁৰ পাচপিনেই শুই পৰিল। আশাই যে মনে মনে চকু-লো টুকিছিল, সেই কথা ইকাতিকৈ শোৱা সত্ত্বেও মহেন্দ্ৰই স্পষ্টভাবে বুজিব পাৰিছিল। নিজৰ নিষ্ঠুৰতাৰে তেওঁৰ কলিজাটোক যেন কিহবাই দাঁতৰ মাজত গুমুৰাই পিহিবলৈ লাগিছিল। কিন্তু কি কথা ক'ব, কেনেকৈ আদৰ কৰিব, মহেন্দ্ৰই তাক কোনোমতেই ভাবি নেপালে। মনে মনে নিজকে নিজে সুতীব্ৰ আঘাত হানিলে, তাৰ পৰা আঘাত পালে, কিন্তু উপায় বিচাৰি নেপালে। ভাবিলে, "ৰাতিপুৱা যে টোপনিৰ ভাও ধৰিব নোৱাৰিম। তেতিয়া আশাৰ মুখামুখি হৈ আশাক বাৰু কি কথা ক'ম।"

আশাই নিজেই মহেন্দ্ৰৰ সেই সঙ্কট দূৰ কৰি দিলে। তেওঁ কাহিলি পুৱাতেই নিজৰ অপমানিত সাজ-সজ্জা লৈ বিচনা এৰি উঠি গ'ল। তেওঁ মহেন্দ্ৰক মুখ দেখুৱাব নোৱাৰিলে।

## ৩২

আশাই ভাবিবলৈ ধৰিলে, "কিয় এনেকুৱা হ'ল। মই কি কৰিলোঁ।" যথাৰ্থ বিপদ য'ত, সেই ঠাইত তেওঁৰ চকুৱেই নপৰিল। বিনোদিনীক যে মহেন্দ্ৰই ভাল পাব পাৰে, এই সম্ভাৱনাৰ কথা তেওঁৰ মনত উদয়েই নহ'ল। সংসাৰৰ অভিজ্ঞতা তেওঁৰ একোৱেই নাছিল। তাৰ উপৰি, বিয়াৰ কিছুদিন পাচৰ পৰাই তেওঁ মহেন্দ্ৰক যি বুলি নিশ্চয় কৰি লৈছিল, মহেন্দ্ৰ যে তাৰ বাহিৰেও আন কিবা হ'ব পাৰে, ই তেওঁৰ কল্পনাতে খেলোৱা নাছিল।

মহেন্দ্ৰ আজি ৰাতিপুৱাই কলেজলৈ গ'ল। কলেজলৈ যাবৰ সময়ত আশাই সাধাৰণতে খিৰিকীৰ ওচৰত থিয় দিয়েহি আৰু মহেন্দ্ৰই গাড়ীৰ ভিতৰৰ পৰা এবাৰ মূৰ তুলি চায়—এয়া তেওঁলোকৰ চিৰকালৰ নিত্য প্ৰথাৰ দৰে আছিল। সেই অভ্যাস অনুসৰি গাড়ীৰ শব্দ শুনা মাত্ৰকে যন্ত্ৰ-

চালিতৰ দৰে আশা আছি খিৰিকীৰ ওচৰত ৰ'লহি। মহেন্দ্ৰয়ো অভ্যাসৰ খাতিৰত এবাৰ ক্ষণিকৰ বাবে মুৰ তুলি চালে ; চকুত পৰিল, আশা থিয় হৈ আছে—তেতিয়াও তেওঁ গা ধোৱা নাই, মলিয়ন কাপোৰ, অসংযত' চুলি আৰু শুকান মুখ—দেখাৰ লগে লগে নিমিষতে চকুযুৰি নমাই মহেন্দ্ৰই কোলাৰ ওপৰত থকা কিতাপবোৰ চাবলৈ লাগিল। ক'ত সেই চকুৱে চকুৱে নীৰৱ সম্ভাষণ, সেই ভাষাভৰা হাঁহি।

গাড়ী গুচি গ'ল ; আশা সেই ঠাইতে মাটিৰ ওপৰত বহি পৰিল। পৃথিৱী, সংসাৰ—সকলোবোৰ বিস্বাদ যেন লাগি গ'ল। কলিকতাৰ কৰ্ম্ম-প্ৰবাহত তেতিয়া জোৱাৰ অহাৰ সময়। চাৰে দহ বাজিছে—অফিচৰ গাড়ীৰ বিৰাম নাই, ট্ৰামৰ পাচত ট্ৰাম যাবলৈ ধৰিছে—সেই ব্যস্ততাপূৰ্ণ বেগবান কৰ্ম্মকল্লোলৰ অদূৰত এই এক বেদনা-স্তম্ভিত মুহ্যমান হৃদয় অতি বিসদৃশ।

হঠাৎ এক মুহূৰ্ত্তত আশাৰ ধাৰণা উপজিল, "বুজিছোঁ। দেৱৰ-বোপা যে কাশীলৈ গৈছিল, সেই বাতৰিটো পায়েই তেওঁ খং কৰিছে। ইয়াৰ বাহিৰে ইতিমধ্যে আৰু যে একো অপ্ৰীতিকৰ ঘটনাই ঘটা নাই। কিন্তু তাৰ বাবে মোৰ কি দোষ।"

ভাবি ভাবি অকস্মাৎ এক মুহূৰ্ত্তৰ কাৰণে আশাৰ হৃদ্‌স্পন্দন বন্ধ হৈ গ'ল। হঠাৎ তেওঁৰ আশঙ্কা হ'ল, মহেন্দ্ৰই জানোচা সন্দেহ কৰিছে, বিহাৰীৰ কাশী-যাত্ৰাৰ লগত আশাৰো কিবা যোগাযোগ আছে। দুয়ো পৰামৰ্শ কৰি এই কাম কৰিছে। ছিঃ ছিঃ! এনে সন্দেহ। কি লাজ লগা কথা। এনেয়েই বিহাৰীৰ লগত তেওঁৰ নাম জড়িত হৈ ধিক্কাৰৰ কাৰণ ঘটিছে, তাৰ ওপৰতে মহেন্দ্ৰই যদি এনে সন্দেহ কৰিবলৈ লয়, তেন্তে যে প্ৰাণ ৰখা অসম্ভৱ। কিন্তু, যদি কিবা সন্দেহৰ কাৰণ ঘটে, যদি কিবা অপৰাধ হৈছে, মহেন্দ্ৰই কিয় স্পষ্টকৈ কৈ নিদিয়ে—বিচাৰ কৰি তাৰ উপযুক্ত দণ্ড নিদিয়ে কিয়। মহেন্দ্ৰই খোলোচা কথা নোকোৱাকৈ কেৱল আশাৰ পৰা আঁতৰি ফুৰিছে। সেইবাবে বাৰে বাৰে আশাৰ ধাৰণা জন্মিবলৈ ধৰিলে, মহেন্দ্ৰৰ মনত এনে কোনো সন্দেহ উপজিছে, যাক তেওঁ নিজেই অন্যায় বুলি জানে, যাৰ কথা তেওঁ আশাৰ ওচৰত স্পষ্টকৈ স্বীকাৰ কৰিবলৈয়ো লাজ পাইছে। নহ'লে, এনে অপৰাধীৰ নিচিনা চেহেৰা হ'ব কিয়। ক্ৰুদ্ধ

বিচাৰকৰ যে এনে কুণ্ঠিত ভাব হোৱাটো অভাবনীয়।

মহেন্দ্ৰই গাড়ীৰ ভিতৰৰ পৰা ক্ষণিকৰ বাবে আশাৰ যি ম্লান করুণ মুখ দেখি গৈছিল, তাক গোটেই দিনটো তেওঁ মনৰ পৰা মচিব নোৱাৰিলে। কলেজৰ লেকচাৰৰ মাজত, শ্ৰেণীবদ্ধ ছাত্ৰমণ্ডলীৰ মাজত, সেই খিৰিকী, সেই অস্নাত ৰুক্ষ কেশ, সেই মলিন বস্ত্ৰ, সেই ব্যথিত ব্যাকুল দৃষ্টিপাত সুস্পষ্ট ৰেখাৰে বাৰে বাৰে অঙ্কিত হৈ উঠিল।

কলেজৰ কাম শেষ হ'লত তেওঁ গোলদিঘিৰ পাৰে পাৰে ফুৰিবলৈ লাগিল। ফুৰি থাকোঁতে-থাকোঁতে গধূলি হৈ আহিল; আশাৰ লগত কেনে ব্যৱহাৰ কৰা উচিত, তাক তেওঁ ভাবি পাব নেপালে—সদয় ছলনা, নে অকপট নিষ্ঠুৰতা, কোনটো উচিত। বিনোদিনীক পৰিত্যাগ কৰিব নে নকৰে, সেই তৰ্ক মনলৈকে নাহিল। দয়া আৰু প্ৰেম, উভয়ৰে দাবী মহেন্দ্ৰই কিদৰে ৰাখিব পাৰে।

মহেন্দ্ৰই তেতিয়া মনক এইদৰে বুজালে, আশাৰ প্ৰতি এতিয়াও তেওঁৰ যি ভালপোৱা আছে, সি খুব কম নাৰীৰ ভাগ্যতেই ঘটে। সেই মৰম, সেই ভালপোৱা পালে, আশা কিয় সন্তুষ্ট নেথাকিব। বিনোদিনী আৰু আশা, উভয়কে স্থান দিব পৰা প্ৰশস্ত হৃদয় মহেন্দ্ৰৰ আছে। বিনোদিনীৰ লগত মহেন্দ্ৰৰ যি পবিত্ৰ প্ৰেমৰ সম্বন্ধ, তাৰ পৰা দাম্পত্যনীতিৰ কোনো ব্যাঘাত নঘটে।

এইদৰে বুজাই-মেলি মহেন্দ্ৰই মনৰ পৰা এটা বোজা আঁতৰাই পেলালে। বিনোদিনী আৰু আশা, কাকোৱেই ত্যাগ নকৰাকৈ দুটা চন্দ্ৰ থকা গ্ৰহৰ দৰে এনেকুৱাকৈয়ে তেওঁ চিৰকাল কটাই দিব পাৰিব—এই কথা ভাবি তেওঁৰ মন আনন্দত উৎফুল্ল হৈ উঠিল। আজি ৰাতি তেওঁ খুব সোনকালে বিচনাত উঠি আদৰ, যত্ন আৰু স্নিগ্ধ প্ৰেমালাপেৰে আশাৰ মনৰ পৰা সকলো বেদনা দূৰ কৰি দিব, এই সিদ্ধান্ত কৰি লৰালৰিকৈ ঘৰলৈ গুচি আহিল।

ভাত খাবৰ সময়ত আশা ওচৰত নাছিল যদিও এটা মুহূৰ্ত্তত নিশ্চয় শুবলৈ আহিব, এই ভাবি মহেন্দ্ৰ বিচনাত উঠিল। কিন্তু নিস্তব্ধ ঘৰৰ মাজত শূন্য শয্যাৰ ওপৰত কিবা এক স্মৃতিয়ে মহেন্দ্ৰৰ হৃদয় আবিষ্ট কৰি তুলিলে। আশাৰ লগত নবপৰিণয়ৰ নিত্যনতুন লীলাখেলাৰ ? নহয়। সূৰ্য্যৰ পোহৰৰ

আগত জোনাক নিশাৰ পোহৰ যিদৰে লাহে লাহে মিলি যায়, ঠিক সেইদৰে সেইবোৰ স্মৃতি ক্ষীণ হৈ আহিছে—এটি তীব্র উজ্জ্বল তৰুণীৰ মূৰ্ত্তি, এজনী সৰল ছোৱালীৰ সলজ্জ স্নিগ্ধ ছবিক কোনোবাখিনিত আবৃত আচ্ছন্ন কৰি দীপ্যমান হৈ উঠিছে। বিনোদিনীৰ লগত 'বিষবৃক্ষ'খনৰ কাৰণে কচা-আঁজোৰা লগোৱাৰ কথা মনত পৰিবলৈ ধৰিলে; সন্ধ্যাৰ পাচত বিনোদিনীয়ে 'কপালকুণ্ডলা' পঢ়ি শুনাই থাকোঁতে ক্রমে ৰাতি হৈ আহে, ঘৰৰ সকলোবোৰ মানুহ শুই পৰে, ৰাতি নিভৃত কোঠাৰ সেই স্তব্ধ নিৰ্জ্জনতাৰ মাজত বিনোদিনীৰ কণ্ঠস্বৰ যেন আবেশত মৃদুতৰ আৰু ৰুদ্ধপ্রায় হৈ আহে, হঠাৎ তেওঁ আত্মসম্বৰণ কৰি কিতাপখন দলিয়াই পেলাই উঠি গুচি যাব খোজে, মহেন্দ্ৰই তেতিয়া কয়, "তোমাক খটুখটীৰ ওচৰত থৈ আহোঁগৈ, ব'বা।" সেইবোৰ কথা মনত পৰিলত বাৰে বাৰে তেওঁৰ গোটেই দেহতে পুলকৰ সঞ্চাৰ হ'বলৈ ধৰিলে। ৰাতি ক্রমে বাঢ়ি আহিল —মহেন্দ্ৰৰ মনে মনে অলপ আশঙ্কা জাগিছিল, এই বোধকৰোঁ আশা আহি ওলায়হি—কিন্তু আশা নাহিল। মহেন্দ্ৰই ভাবিলে, "মই মোৰ কৰ্ত্তব্য পালন কৰিবলৈ বাবে প্রস্তুত আছিলোঁ, কিন্তু আশাই যদি অন্যায় খং কৰি আহিব নোখোজে, তেন্তে মই কি কৰিব পাৰোঁ।" এইদৰে ৰাতিৰ আন্ধাৰৰ লগে লগে বিনোদিনীৰ স্মৃতি ঘনিল হৈ আহিল।

ঘড়ীত যেতিয়া এক বাজিল, তেতিয়া মহেন্দ্ৰ আৰু থাকিব নোৱাৰিলে— আঁঠুৱাখন দাঙি বাহিৰলৈ ওলাই আহিল। ছাদৰ ওপৰত উঠি দেখিলে, অহকালিৰ জোনাক ৰাতিটো অতি ৰমণীয় হৈ উঠিছে। কলিকতাৰ প্রকাণ্ড নিঃশব্দতা আৰু তাৰ সুপ্তি যেন সমুদ্ৰৰ তৰঙ্গৰাশিৰ দৰে স্পৰ্শগম্য বুলি বোধ হৈছে—অসংখ্য অট্টালিকাৰ ওপৰেদি মহানগৰীৰ টোপনিক আৰু বেচি নিবিড় কৰি এচাটি বতাহ ধীৰে ধীৰে বৈ আহিছে।

মহেন্দ্ৰৰ বহুদিনৰ ৰুদ্ধ আকাঙ্ক্ষাই যেন নিজকে সংযত কৰি ৰাখিব নোৱাৰা হৈ আহিল। আশা কাশীৰ পৰা ঘুৰি অহাৰ পিচৰে পৰা বিনোদিনীয়ে তেওঁক দেখা দিয়া নাই। জ্যোৎস্নামদবিহ্বল নিৰ্জ্জন ৰাতিয়ে মহেন্দ্ৰক মোহাবিষ্ট কৰি বিনোদিনীৰ কোঠাৰ পিনে ঠেলি নিবলৈ ধৰিলে। মহেন্দ্ৰ খটুখটীয়েদি নামি গ'ল। বিনোদিনীৰ কোঠাৰ সমুখৰ বাৰাণ্ডালৈ আহি দেখিলে, দুৱাৰ বন্ধ হোৱা নাই। কোঠাৰ ভিতৰত সোমাই দেখিলে,

বিচনা পাতি থোৱা আছে, কিন্তু কোনো শোৱা নাই। ঘৰৰ মজিয়াত ভৰিৰ শব্দ শুনি সোঁ পিনৰ মুকলি বাৰাণ্ডাৰ পৰা বিনোদিনীয়ে সুধিলে, "কোন সেয়া।"

মহেন্দ্ৰই অভিভূত হৈ সেমেকা মাতেৰে ক'লে, "বিনোদ, মই।"

কৈ উঠিয়েই তেওঁ একেবাৰে বাৰাণ্ডাত উপস্থিত হ'লহি।

জহকালিৰ ৰাতি বাৰাণ্ডাৰ ওপৰত কঠ এখন পাৰি বিনোদিনীৰ লগতে ৰাজলক্ষ্মীও শুই আছিল। তেওঁ সুধিলে, "মহিন, এই নিশাখন তই যে ইয়াত ওলাইছহি।"

বিনোদিনীয়ে তেওঁৰ ঘন-ক'লা চেলাউৰিৰ তলৰ পৰা মহেন্দ্ৰৰ প্ৰতি বজ্ৰাগ্নি নিক্ষেপ কৰিলে। মহেন্দ্ৰই কোনো উত্তৰ নিদিয়াকৈ তাৰ পৰা আঁতৰি গ'ল।

## ৩৩

পাচদিনা পুৱাৰে পৰা বতৰ গোমা। কিছু সময় অসহ্য উত্তাপৰ পাচত স্নিগ্ধ শ্যামল মেঘেৰে দগ্ধ আকাশ জুৰ পৰি আছিল। আজি মহেন্দ্ৰ সময় হোৱাৰ আগতেই কলেজলৈ গৈছে। তেওঁ সলাই থৈ যোৱা কাপোৰ-কানিবোৰ মজিয়াৰ ওপৰতে পৰি আছে। আশাই মহেন্দ্ৰৰ লেতেৰা কাপোৰবোৰ গণি গণি, তাৰ হিচাব কৰি ধোবাক দিবলৈ ধৰিছে।

মহেন্দ্ৰ স্বাভাৱিকতে আপোনভোলা অসাৱধান মানুহ; সেইবাবে আশাৰ ওচৰত তেওঁৰ এটা অনুৰোধ আছিল, ধোবা-ঘৰলৈ দিয়াৰ আগতে যেন তেওঁৰ পিন্ধা কাপোৰবোৰৰ জেপবোৰ ভালকৈ তদন্ত কৰি চোৱা হয়। মহেন্দ্ৰৰ এটা কামিজৰ জেপত হাত দিওঁতেই আশাই এখন চিঠি পালে।

সেই চিঠিয়ে যদি বিষধৰ সাপৰ মূৰ্ত্তি ধৰি তেতিয়াই তেওঁৰ আঙুলিত খোট মাৰি দিলেহেঁতেন, তথাপি ভাল আছিল; কাৰণ, উগ্ৰ বিষ শৰীৰত প্ৰবেশ কৰিলে পাঁচ মিনিটৰ ভিতৰতে তাৰ চূড়ান্ত পৰিণতি ঘটি শেষ হৈ যাব পাৰে, কিন্তু মনৰ ভিতৰত বিষ প্ৰবেশ কৰিলে কেৱল মৃত্যু-যন্ত্ৰণাহে আনে—মৃত্যু নানে।

খোলা চিঠিখন উলিয়াই আনিয়েই দেখিলে, বিনোদিনীৰ হাতৰ আখৰ।

ক্ষণিকৰ ভিতৰতে আশাৰ মুখখন কেঁহেৰাজ-বটা যেন হৈ পৰিল। চিঠিখন হাতত লৈ কাষৰ কোঠাটোলৈ গৈ পঢ়িলে—

"কালি ৰাতি তুমি যিটো কাণ্ড কৰিলা, তথাপি তোমাৰ তৃপ্তি নহ'ল দেখিছোঁ। আজি আকৌ খেমিৰ হাতত মোলৈ কিয় গোপনে চিঠি দিছিলা। ছিঃ, তাই বাৰু কি বুলি ভাবিছে। মোক তুমি জগতৰ কাৰো ওচৰতে মুখ দেখুৱাবলৈ নিদিবা নেকি।

"মোৰ পৰা তুমি কি বিচাৰিছা। ভালপোৱা? তোমাৰ এই ভিক্ষাবৃত্তি কিয়? ওপজাৰে পৰা তুমি কেৱল ভালপোৱাই পাই আহিছা, তথাপি তোমাৰ লোভৰ অন্ত নাই।"

"জগতত মোৰ ভাল পাবৰ আৰু ভালপোৱা পাবৰ কোনো ঠাই নাই। সেইবাবেই মই খেমালি কৰি ভালপোৱাৰ ক্ষতিপূৰণ কৰোঁ। যেতিয়া তোমাৰ অৱসৰ আছিল, তেতিয়া তুমিও সেই মিছা খেমালিত যোগ দিছিলা। কিন্তু খেমালি কৰিবৰ বাবে ছুটি জানো শেষ নহয়। ঘৰৰ ভিতৰৰ পৰা তোমাৰ আহ্বান আহিছে, এতিয়া আকৌ ওমলাঘৰত ভুমুকি মাৰিব লাগে কিয়। এতিয়া ধূলিখিনি জোকাৰি থৈ ঘৰলৈ যোৱাগৈ। মোৰ যে ঘৰ নাই, মই মনে মনে অকলসৰে বহি বহি খেমালি কৰিম, তোমাক মাতিবলৈ নেযাওঁ।

"তুমি লিখিছা, মোক তুমি ভালপোৱা। খেমালিৰ সময়ত সেই কথা শুনিব পাৰোঁ—কিন্তু যদি সঁচা কথা ক'ব লাগে, তেন্তে মই সেই কথাত বিশ্বাস নকৰোঁ। এসময়ত তুমি মনে মনে ভাবিছিলা, আশাক তুমি ভাল পাইছা—সিও মিছা কথা; এতিয়া ভাবিছা, তুমি মোক ভাল পাইছা—ইও মিছা কথা। তুমি কেৱল নিজকেই ভাল পোৱা।

"ভালপোৱাৰ তৃষ্ণাৰে মোৰ হৃদয়ৰ পৰা বুকু পৰ্য্যন্ত শুকাই গৈছে—সেই তৃষ্ণা পূৰণ কৰাৰ সম্বল তোমাৰ হাতত নাই। তাক মই ভালকৈয়েই লক্ষ্য কৰিছোঁ। মই তোমাক বাৰে বাৰে কৈছোঁ, তুমি মোক ত্যাগ কৰাঁ, মোৰ পাচে পাচে নাহিবা; নির্লজ্জ হৈ মোক তুমি লাজ নিদিবা। মোৰ খেমালিৰ বিলাসো পূৰ্ণ হৈছে; এতিয়া আহ্বান কৰিলেও একোতেই মোৰ সঁহাৰি নেপাবা। চিঠিত তুমি মোক নিষ্ঠুৰ বুলি কৈছা—সেই কথা সঁচা হ'ব পাৰে; কিন্তু মোৰ অলপ দয়া-মমতাও আছে—সেইবাবেই

আজি তোমাক মই দয়া কৰি ত্যাগ কৰিছোঁ। এই চিঠিৰ যদি উত্তৰ দিয়া, তেন্তে বুজিম, নপলালে তোমাৰ হাতৰ পৰা মোৰ আৰু নিষ্কৃতি নাই।”

চিঠিখন পঢ়াৰ লগে লগে মুহূর্ত্তৰ ভিতৰতে চাৰিওপিনে আশাৰ সকলোবোৰ অৱলম্বন যেন হঠাৎ খহি পৰিল; শৰীৰৰ সকলোবোৰ স্নায়ু-পেশী যেন অৱশ হৈ গ'ল—উশাহ ল'বৰ কাৰণে বতাহখিনিও যেন নোহোৱা হৈ গ'ল, সূৰ্য্যই তেওঁৰ চকুৰ মণিৰ পৰা যেন সকলোখিনি পোহৰ কাঢ়ি লৈ গ'ল। প্ৰথমতে দেৱাল, তাৰ পাচত আলমাৰী, তাৰ পাচত পালেংখন ধৰিব খুজি আশা হঠাৎ মাটিত লুটি খাই পৰিল। অলপ সময়ৰ পাচতে সচেতন হৈ চিঠিখন আকৌ এবাৰ পঢ়িবৰ চেষ্টা কৰিলে, কিন্তু উদ্‌ভ্ৰান্ত চিত্তেৰে কোনোমতেই তাৰ অৰ্থ গ্ৰহণ কৰিব নোৱাৰিলে; ক'লা-ক'লা আখৰবোৰ তেওঁৰ চকুৰ আগত নাচি উঠিবলৈ ধৰিলে। এয়া কি হ'ল। এয়া কেনেকৈ হ'ল। এয়া সম্পূৰ্ণ সৰ্ব্বনাশ নেকি। তেওঁ কি কৰিব, কাক মাতিব, ক'লৈ যাব—একোৱেই ভাবি নেপালে। পাৰলৈ উঠি মাছে যেনেকৈ কাপ-কাপ কৰি থাকে, তেওঁৰ বুকুৰ ভিতৰখনেও তেনেকুৱা কৰিবলৈ লাগিল। পানীত পৰা মানুহে যিদৰে কিবা এটা আশ্ৰয় পাবৰ কাৰণে পানীৰ ওপৰত হাত মেলি আকাশ বিচাৰি ফুৰে, ঠিক সেইদৰে আশায়ো মনৰ মাজত কিবা এটা প্ৰাণপণে খামুচি ধৰিবৰ কাৰণে একান্ত চেষ্টা কৰিলে, অৱশেষত বুকুৰ ভিতৰৰ পৰা ওলাই আহিল এটি কথা, “মাহীদেউ।”

সেই স্নেহৰ সম্ভাষণ উচ্ছ্বসিত হৈ উঠাৰ লগে লগে দুচকুৰেদি ধাৰাষাৰে চকু-লো বৈ আহিল। মাটিত বহি ফেকুৰি ফেকুৰি কান্দিলে—উচুপি উচুপি যেতিয়া নিচুকি ৰ'ল, তেতিয়া তেওঁ ভাবিবলৈ ধৰিলে, “এই চিঠি লৈ মই কি কৰিম।' স্বামীয়ে যদি জানিব পাৰে, এই চিঠি আশাৰ হাতত পৰিছে, তেতিয়া তেওঁৰ নিদাৰুণ লাজৰ কথা কল্পনা কৰি আশা অতি কুণ্ঠিত হৈ পৰিল। স্থিৰ কৰিলে, চিঠিখন তেওঁ সেই মলিয়ন চোলাটোৰ জেপত ভৰাই চোলাটো আকৌ আলনাত ওলোমাই থ'ব, ধোবা-ঘৰলৈ নিদিয়ে।

এই ভাবি চিঠিখন হাতত লৈ তেওঁ শোৱনি-কোঠালৈ আহিল। ইতিমধ্যে লেতেৰা কাপোৰৰ দ'মত আঁউজি ধোবাটো টোপনি গৈছে।

মহেন্দ্ৰৰ লেতেৰা চোলাটো বুটলি লৈ আশাই জেপৰ ভিতৰত চিঠিখন ভৰাব খোজোঁতেই, শুনিবলৈ পালে, "ভাই বালি।"

লৰালৰিকৈ চিঠিখন আৰু চোলাটো পালেঙৰ ওপৰত থৈ, তাৰ ওপৰতে বহি পৰিল। বিনোদিনীয়ে কোঠাৰ ভিতৰত সোমাই ক'লে, 'ধোবাটোৱে কাপোৰ-কানিৰ বৰ গোলমাল কৰিছে। যিবোৰ কাপোৰত মাৰ্কা দিয়া হোৱা নাই, সেইবোৰ মই লৈ যাওঁচোন।"

আশাই বিনোদিনীৰ মুখৰ পিনে চাব নোৱাৰিলে। জানোচা মুখৰ ভাবত সকলো কথা স্পষ্টকৈ প্ৰকাশ পাই যায়, সেইবাবে তেওঁ মুখখন খিৰিকীৰ পিনে ঘুৰাই লৈ আকাশৰ পিনে চাই ৰ'ল। ওঁঠ দুটা কামুৰি ধৰিলে, নহ'লে জানোচা চকুয়েদি পানী ওলাই আহে।

অলপ সময় থমকি, বিনোদিনীয়ে আশাক নিৰীক্ষণ কৰি ল'লে। মনে মনে কৈ উঠিল, "বুজিছোঁ। কালি ৰাতিৰ ঘটনাবোৰ তেন্তে জানিব পাৰিছা। মোৰ ওপৰতেই সকলো খং। যেন অপৰাধ মোৰেই।"

বিনোদিনীৰ লগত আশাই যে ইমানদিন ধৰি সৰল-চিত্তেৰে বন্ধুত্ব কৰি আহিছে, সেই গ্লানি নিদাৰুণ দুখৰ মাজতো তেওঁৰ হৃদয়ত পুঞ্জীভূত হৈ উঠিল। তেওঁৰ মনৰ ভিতৰতে সখীৰ যি আদৰ্শ আছিল, সেই আদৰ্শৰ লগত নিষ্ঠুৰ চিঠিখন আৰু এবাৰ মিলাই চাবৰ ইচ্ছা হ'ল।

চিঠিখন খুলি পঢ়িছেহে, এনেতে বেগাবেগিকৈ মহেন্দ্ৰ আহি কোঠাৰ ভিতৰত সোমাল। হঠাৎ কি মন গ'ল, কলেজৰ এটা লেকচাৰ চলি থাকোঁতেই তাৰ পৰা সাউৎকৈ ওলাই আহি ঘৰমুৱা হ'ল।

আশাই চিঠিখন আঁচলৰ মাজত লুকুৱাই পেলালে। মহেন্দ্ৰয়ো কোঠাৰ ভিতৰত আশাক দেখা পাই ক্ষন্তেক থমকি ৰ'ল। তাৰ পাচত, ব্যগ্ৰ দৃষ্টিৰে ইফালে-সিফালে চাবলৈ লাগিল। আশাই বুজিছিল, মহেন্দ্ৰই কি বিচাৰিছে! কিন্তু তেওঁ কেনেকৈ সেই চিঠিখন অলক্ষিতে আগৰ ঠাইত থৈ পলাব পাৰে, ভাবি স্থিৰ কৰিব নোৱাৰিলে।

মহেন্দ্ৰই তেতিয়া এখন এখনকৈ লেতেৰা কাপোৰ আটাইখিনি জাৰি-জোকাৰি চালে। মহেন্দ্ৰৰ সেই নিষ্ফল প্ৰয়াস দেখি আশা আৰু বৈ থাকিব নোৱাৰিলে, চিঠিখন আৰু চোলাটো মজিয়াৰ ওপৰত দলিয়াই দি, সোঁ হাতখনেৰে পালেঙৰ খুটাটো ধৰি সেই হাতৰ মাজত মুখ লুকুৱালে।

মহেন্দ্রই বিজুলী-বেগেৰে চিঠিখন বুটলি ল'লে। নিমিষৰ কাৰণে স্তব্ধ চকুৰে আশাৰ পিনে চালে। তাৰ পাচত আশাই খটখটীয়েদি মহেন্দ্র বেগাবেগিকৈ নামি যোৱাৰ শব্দ শুনিবলৈ পালে। তেতিয়া খোৰাটোৱে চিঞৰিছে, "আইদেউ, কাপোৰ দিবলৈ আৰু কিমান পৰ লাগিব। এতিয়া বহুত পৰ হ'ল, মোৰ ঘৰ যে ওচৰত নহয়।"

## ৩৪

ৰাজলক্ষ্মীয়ে আজি পুৱাৰে পৰা বিনোদিনীক মাত এষাৰো দিয়া নাই। বিনোদিনী নিয়মিতৰূপেই গুদাম-ঘৰত সোমাল। তথাপি ৰাজলক্ষ্মীয়ে মুখ তুলিয়েই নেচালে।

তেওঁ এই সকলোখিনি লক্ষ্য কৰিয়েই ক'লে, "পেহীদেউ, তোমাৰ অসুখ কৰিছে নেকি। কৰাটোৱেই সম্ভৱপৰ। কালি ৰাতি দেৱৰ-বোপাই যি কীৰ্ত্তি কৰিলে। একেবাৰে পাগল হৈ ওলাইছিলহি। মোৰ যে তাৰ পাচত ভাল টোপনি নহ'লেই।"

ৰাজলক্ষ্মীয়ে মুখখন আন্দোলায়েই থাকিলে। মুখেৰে হয়-নহয় একো উত্তৰেই নিদিলে।

বিনোদিনীয়ে ক'লে, "হয়তো চকুৰ কুটাৰ লগত কিবা সকমুৰা খুট-খাট্ লাগিছিল, কোনে নো চাই থাকে বাৰু। তেতিয়াই ওজৰ নাইবা নিষ্পত্তি কৰি দিবৰ বাবে মোক ধৰি নিব লাগে, ৰাতি পুৱাবলৈ বাটকে চাব নোৱাৰি। যিয়েই কোৱা লাগিলে পেহীদেউ, তুমি খং নকৰিবা, তোমাৰ ল'ৰাৰ হেজাৰ গুণ থাকিলেও, ধৈৰ্য্য বোলা বস্তুটো অকণমানো নাই। সেইবাবেই মোৰ লগত কেৱল কাজিয়া লাগি থাকে।"

ৰাজলক্ষ্মীয়ে ক'লে, "বোৱাৰী, তুমি মিছামিছিকৈয়ে কথা খৰচ কৰিছা— মোৰ আজি কোনো কথাই ভাল লগা নাই।"

বিনোদিনীয়ে ক'লে, "মোৰো একো ভাল লগা নাই, পেহীদেউ। তোমাৰ মনত জানোচা আঘাত লাগে, এই ভয়তে মিছা কথা কৈ তোমাৰ ল'ৰাৰ দোষ ঢাকিবৰ চেষ্টা কৰি আছিলোঁ। কিন্তু এতিয়া দেখিছোঁ, ঢাক নোখোৱা হৈ আহিছে।"

ৰাজলক্ষ্মী। মোৰ ল'ৰাৰ দোষ-গুণ মই জানো—কিন্তু তুমি যে কি ধৰণৰ মায়াবিনী, তাকহে জনা নাছিলোঁ।

বিনোদিনীয়ে কিবা এটা ক'ব খুজিও, নিজকে সংযত কৰি ক'লে, "সেই কথা সঁচা, পেহীদেউ—কোনেও কাকো নেজানে। নিজৰ মনটোকে জানো সকলোৱে জানে। তুমি জানো কেতিয়াও নিজৰ বোৱাৰীয়েৰাক ঈৰ্ষা কৰি এই মায়াবিনীৰ হতুৱায়েই তোমাৰ ল'ৰাৰ মন ভুলাবলৈ চেষ্টা কৰা নাই। এবাৰ ভাবি চোৱাচোন বাৰু।"

ৰাজলক্ষ্মী ভমককৈ জ্বলি উঠা একুৰা জুইৰ নিচিনা হৈ উঠিল—আৰু ক'লে, "হতভাগিনী, পুতেকৰ প্ৰতি মাকৰ নামত তই এনে অপবাদ দিব পাৰ? তোৰ জিভাখন খহি নপৰে কিয়!"

বিনোদিনীয়ে অবিচলিতভাবে ক'লে, "পেহীদেউ, আমি হ'লোঁ মায়াবিনীৰে জাত। মোৰ মাজত কি মায়া আছিল, তাক মই সঠিককৈ নেজানিছিলোঁ—তুমি জানিছা; তোমাৰ মাজতো কি মায়া আছিল, তাক তুমি সঠিককৈ নেজানিছিলা—মই জানিছোঁ। কিন্তু মায়া আছিল, ন'হলে এনে ঘটনা নঘটিলহেঁতেন। ফান্দ ময়ো অলপ জানি-শুনি আৰু অলপ নজনা-নুশুনাকৈ পাতিছিলোঁ। ফান্দ তুমিও অলপ জানি-শুনি আৰু অলপ নজনা-নুশুনাকৈ পাতিছিলা। আমাৰ জাতটোৰে ধৰ্ম এনেকুৱাই—আমি মায়াবিনী।"

খঙত ৰাজলক্ষ্মীৰ কণ্ঠৰোধ হৈ গ'ল—লৰালৰিকৈ তেওঁ কোঠাৰ পৰা ওলাই গ'ল।

বিনোদিনী অকলশৰীয়া-কোঠাৰ ভিতৰত অলপ সময়ৰ বাবে স্থিৰ হৈ থিয় দি ৰ'ল—তেওঁৰ দুয়ো চকুতে জুই জ্বলি উঠিল।

পুৱাৰ ঘৰুৱা কামবোৰ শেষ হৈ গ'লত ৰাজলক্ষ্মীয়ে মহেন্দ্ৰক মতাই পঠালে। মহেন্দ্ৰই বুজিলে, কালি ৰাতিৰ ঘটনা লৈয়েই আলোচনা হ'ব। ইতিমধ্যে বিনোদিনীৰ পৰা চিঠিৰ উত্তৰ পাই তেওঁৰ মন বিকল হৈ উঠিছিল। সেই আঘাতৰ প্ৰতিঘাত-স্বৰূপে তেওঁৰ সমস্ত তৰঙ্গিত হৃদয় বিনোদিনীৰ প্ৰতি দ্ৰুতবেগেৰে ধাবিত হৈছিল। ইয়াৰ ওপৰতে আকৌ মাকৰ লগত উত্তৰ-প্ৰত্যুত্তৰ কৰা তেওঁৰ পক্ষে অসাধ্য। মহেন্দ্ৰই জানিছিল, মাকে তেওঁক বিনোদিনী সম্বন্ধে ভৰ্ৎসনা কৰিলেই বিদ্ৰোহী হৈ উঠি তেওঁ হয়তো যথাৰ্থ

মনৰ কথা কৈ পেলাব ; আৰু সেয়ে হ'লে নিদাৰুণ গৃহ-যুদ্ধ আৰম্ভ হৈ যাব। গতিকে, এই সময়ত ঘৰৰ পৰা আঁতৰি গৈ সকলো কথা পৰিষ্কাৰকৈ ভাবি চোৱা প্ৰয়োজন। মহেন্দ্ৰই লগুৱাটোক ক'লে, "মাক ক'বি, আজি কলেজত মোৰ বিশেষ কাম আছে। এতিয়াই যাব লাগিব। ঘূৰি আহি দেখা কৰিম।" এইবুলি কৈয়েই পলৰীয়া শিশুৰ দৰে তেতিয়াই কাপোৰ-কানি সলাই নোখোৱা-নোবোৱাকৈ তৎক্ষণাৎ ওলাই গ'ল। বিনোদিনীৰ যি নিদাৰুণ চিঠিখন আজি তেওঁ কেইবাবাৰো পঢ়ি চাইছে আৰু জেপত লৈ ফুৰিছে, আজি লৰালৰিৰ কোবত তেওঁ সেই চিঠিখন কামিজৰ ভিতৰতে পাহৰি এৰি থৈ গ'ল।

এজাক ধাৰাষাৰ বৰষুণ অহাৰ পাচতো আকাশখন গোমা হৈয়েই ৰ'ল। বিনোদিনীৰ মন আজি বিৰক্ত হৈ আছে। মনৰ কিবা অসুখ হ'লেই, বিনোদিনীয়ে কামৰ মাত্ৰা বঢ়াই দিয়ে। সেইবাবেই আজি তেওঁ ৰাজ্যৰ যিমান কাপোৰ আছে, সকলোবোৰ গোটাই লৈ চিন দিবলৈ আৰম্ভ কৰিছে। আশাৰ ওচৰত কাপোৰ বিচাৰিবলৈ গৈ আশাৰ মুখৰ ভাব দেখি তেওঁৰ মনটো আৰু বেচি বেয়া হৈ গ'ল। সংসাৰত যদি অপৰাধীয়েই হ'বলগীয়া হয়, তেন্তে অপৰাধৰ যতমানে লাঞ্ছনাখিনিয়েই কিয় ভোগ কৰিব, অপৰাধৰ যিখিনি সুখ, তাৰ পৰা কিয় বঞ্চিত হ'ব।

টিপ্ টিপ্ কৈ বৰষুণ নামি আহিল। বিনোদিনী তেওঁৰ কোঠাৰ মজিয়াৰ ওপৰত বহি আছে। সমুখত কাপোৰৰ দ'ম। খেমি দাসীয়ে এখন এখনকৈ কাপোৰবোৰ আগবঢ়াই দিছে, আৰু বিনোদিনীয়ে মাৰ্কা দিব পৰা চিয়াঁহীৰে তাৰ ওপৰত আখৰ বহুৱাই গৈছে। মহেন্দ্ৰই কোনো গম নিদিয়াকৈ দুৱাৰ মুকলি কৰি কোঠাৰ ভিতৰত সোমাল। খেমি দাসীয়ে কাম এৰি থৈ মুৰত ওৰণি লৈ দৌৰ দিলে।

বিনোদিনীয়ে কোলাৰ কাপোৰবোৰ মাটিত পেলাই বিজুলী বেগেৰে থিয় হৈ ক'লে "যোৱা বুলিছোঁ, তুমি মোৰ কোঠাৰ পৰা ওলাই যোৱা।"

মহেন্দ্ৰই ক'লে, "কিয়, কি কৰিলোঁ।"

বিনোদিনী। কি কৰিলোঁ! ভীৰু কাপুৰুষ! কি কৰিবৰ সাধ্য আছে তোমাৰ। ভালপাবও নেজানা, কৰ্ত্তব্য পালন কৰিবও নেজানা তুমি। মাজতে মিছামিছিকৈ মোক কিয় আনৰ ওচৰত লঘু কৰিছা।

মহেন্দ্ৰ। তোমাক মই ভাল নেপাওঁ, এই কথা কৈছা তুমি?

বিনোদিনী। মই সেই কথাটোকেই কৈছোঁ। লুকা-ভুমুকা মৰা, টুপাই বুৰ মৰা, এবাৰ এইপিনে, এবাৰ সেইপিনে—তোমাৰ এইবোৰ চোৰৰ নিচিনা প্ৰবৃত্তি দেখি মোৰ ঘিণ লাগি গৈছে। আৰু ভাল নেলাগে মোৰ। এতিয়া তুমি যাব পাৰা।

মহেন্দ্ৰই একেবাৰে মুহ্যমান হৈ ক'লে, "তুমি মোক ঘিণ কৰা, বিনোদ?"

বিনোদিনী। ওঁ, ঘিণ কৰোঁ।

মহেন্দ্ৰ। এতিয়াও প্ৰায়শ্চিত্ত কৰিবৰ সময় আছে, বিনোদ; মই যদি আৰু কোনো দ্বিধা নেদেখুৱাওঁ, সকলোবোৰ পৰিত্যাগ কৰি থৈ গুচি যাওঁ, তুমি মোৰ লগত যাবলৈ সাজু আছা নে।

এইবুলি কৈয়েই মহেন্দ্ৰই বিনোদিনীৰ দুয়োখন হাত জোৰকৈ ধৰি নিজৰ পিনে টানি আনিলে। বিনোদিনীয়ে ক'লে, "এৰি দিয়া, মই দুখ পাইছোঁ।"

মহেন্দ্ৰ। দুখ পালে পোৱা। তুমি কেৱল কোৱা, যাবা নে নোযোৱা মোৰ লগত?

বিনোদিনী। ওঁ-হো, নেযাওঁ। কোনোমতেই নেযাওঁ।

মহেন্দ্ৰ। কিয় নেযাবা। তুমিয়েই মোক সৰ্ব্বনাশৰ মুখলৈ টানি আনিলা, আজি তুমি মোক পৰিত্যাগ কৰিব নোৱাৰা। তুমি যাবই লাগিব।

এইবুলি কৈ মহেন্দ্ৰই সমস্ত শক্তিৰে বিনোদিনীক বুকুৰ মাজলৈ টানি ল'লে। জোৰকৈ তেওঁক ধৰি ৰাখি ক'লে, "তোমাৰ ঘৃণায়ো মোক ওভোতাই পঠাব নোৱাৰে, মই তোমাক লৈ যামেই, আৰু যেনেকৈয়ে হওক, তুমি মোক ভাল পাবই লাগিব।"

বিনোদিনীয়ে জোৰকৈ নিজক কৱলমুক্ত কৰিলে।

মহেন্দ্ৰই ক'লে, "চাৰিওপিনে তুমি জুই জ্বলাই দিলা। এতিয়া তুমি গুমুৱাবও নোৱাৰা, পলাবও নোৱাৰা।"

কওঁতে কওঁতে মহেন্দ্ৰৰ কণ্ঠস্বৰ চৰি আহিল, অৱশেষত চিঞৰি ক'লে, "এনেকুৱা খেমালি কিয় কৰিলা, বিনোদ। এতিয়া আৰু ইয়াক খেমালি বুলি কৈ মুক্তি পাব নোৱাৰা। এতিয়া তোমাৰ আৰু মোৰ মৃত্যু বেলেগ নহয়।"

ৰাজলক্ষ্মীয়ে কোঠাৰ ভিতৰলৈ সোমাই আহি ক'লে, "মহিন, কি কৰিছ তই।"

মহেন্দ্ৰই উন্মত্ত দৃষ্টিৰে মাত্ৰ এক নিমিষৰ কাৰণে মাকৰ পিনে ঘূৰি চালে; তাৰ পাচত আকৌ বিনোদিনীৰ পিনে চাই ক'লে, "মই আটাইবোৰ এৰি থৈ গুচি যাম। কোৱা, তুমি মোৰ লগত যাবা ?"

বিনোদিনীয়ে ক্ৰুদ্ধা ৰাজলক্ষ্মীৰ মুখৰ পিনে এবাৰ চালে। তাৰ পাচত আগবাঢ়ি আহি অবিচলভাবে মহেন্দ্ৰৰ হাতত ধৰি ক'লে, "যাম।"

মহেন্দ্ৰই ক'লে, "তেন্তে কেৱল আজিৰ দিনটো অপেক্ষা কৰা। মই আহিলোঁ, কাইলৈৰ পৰা তোমাৰ বাহিৰে মোৰ আৰু কোনোৱেই নেথাকিব।"

মহেন্দ্ৰ গ'লগৈ।

ইতিমধ্যে ধোবাটোৱে বিনোদিনীক ক'লেহি, "আইদেউ, আৰু বহি থাকিব নোৱাৰোঁ। আজি যদি আপোনালোকৰ সময় নাই, তেন্তে কাইলৈ আহি কাপোৰ লৈ যাম।

খেমিয়ে ক'লেহি, "আইদেউ, চহিচটোৱে কৈছে, দানা হেনো শেষ হ'ল।"

বিনোদিনীয়ে সাদিনৰ দানা ওজন কৰি পঠাই দিয়ে আৰু খিৰিকীৰ ওচৰত নিজে থিয় হৈ ঘোঁৰাই দানা খোৱা চাই থাকে।

গোপাল নামৰ লগুৱাটোৱে আহি ক'লে, "আইদেউ, ঝড়ু-বেহেৰাই আজি দাদাৰ ( সাধুচৰণৰ ) লগত কাজিয়া ক'ৰিছে। সি কৈছে, তাৰ কেৰাচিনৰ হিচাপটো গতাই দিয়েই সি সৰকাৰ বাবুৰ পৰা বেতন লৈ কাম এৰি গুচি যাবগৈ হেনো।"

সংসাৰৰ সকলোবোৰ কাম আগৰ দৰেই চলি গৈছে।

৩৫

বিহাৰীয়ে ইমানদিন মেডিকেল কলেজত পঢ়িছিল। ঠিক পৰীক্ষাৰ আগে আগে কলেজ এৰি দিলে। কোনোবাই বিস্ময় প্ৰকাশ কৰিলে কয়, "আনৰ স্বাস্থ্যৰ ওপৰত আনে চকু দিব। বৰ্ত্তমান নিজৰ স্বাস্থ্যটো ৰক্ষা কৰা প্ৰয়োজন।"

আচল কথাটো হৈছে, বিহাৰীৰ উদ্যম অশেষ; কিবা এটা নকৰাকৈ বহি থাকিব নোৱাৰে। অথচ খ্যাতিৰ তৃষ্ণা, টকাৰ লোভ আৰু জীৱিকাৰ বাবে উপাৰ্জ্জনৰ প্ৰয়োজন তেওঁৰ বিন্দুমাত্ৰ নাছিল। কলেজত ডিগ্ৰী লৈ প্ৰথমতে তেওঁ শিৱপুৰত ইঞ্জিনিয়াৰিং পঢ়িবলৈ গৈছিল। যিখিনি জানিবৰ বাবে তেওঁৰ কৌতূহল আছিল, আৰু হাতৰ কামত যিকণ দক্ষতালাভ তেওঁ আৱশ্যক বুলি ভাবিছিল, সেইখিনি সমাধা কৰিয়েই তেওঁ মেডিকেল কলেজত সোমাল। মহেন্দ্ৰই এবছৰ আগতে ডিগ্ৰী লাভ কৰি উঠি মেডিকেল কলেজত ভৰ্ত্তি হৈছিল। কলেজৰ বঙালী ছাত্ৰসকলৰ মাজত তেওঁলোক দুয়োজনৰে বন্ধুত্ব বিখ্যাত আছিল। তেওঁলোকে ঠাট্টা কৰি এওঁলোক দুজনক শ্যাম দেশৰ যঁজা বুলি মাতিছিল। যোৱা বছৰ মহেন্দ্ৰ পৰীক্ষাত ফেল হোৱাত, দুই বন্ধু আহি একেটা শ্ৰেণীতে মিলিল। এনে সময়তে হঠাৎ এই যোৰ কিয় যে ভাঙিল, ছাত্ৰসকলে তৎ ধৰিব নোৱাৰিলে। নিতৌ য'ত মহেন্দ্ৰৰ লগত দেখাদেখি হোৱাটো অনিবাৰ্য্য, অথচ ভাল ধৰণে মুখামুখি হোৱাৰো সম্ভাৱনা নাই, সেইবোৰ ঠাইলৈ বিহাৰী কোনোমতেই যাব নোৱাৰা হ'ল। সকলোৱে জানিছিল, বিহাৰীয়ে ভাল ধৰণে পাচ কৰি নিশ্চয় সম্মান আৰু পুৰস্কাৰ পাব। কিন্তু তেওঁৰ আৰু পৰীক্ষা দিয়া নহ'ল।

তেওঁলোকৰ ঘৰৰ দাঁতিতে এটা সৰু পঁজাত ৰাজেন্দ্ৰ চক্ৰৱৰ্ত্তী নামৰ এগৰাকী দৰিদ্ৰ ব্ৰাহ্মণ বাস কৰিছিল। ছাপাখানাত বাৰ টকা দৰ্মহাত কম্পোজিটাৰ কাম কৰি তেওঁ জীৱিকা অৰ্জ্জন কৰিছিল। বিহাৰীয়ে তেওঁক ক'লে, "তোমাৰ ল'ৰাটি মোৰ লগতে ৰাখা, মই তাক নিজে লিখা-পঢ়া শিকাম।"

ব্ৰাহ্মণ গৰাকী ৰক্ষা পৰিল। আনন্দ মনেৰে তেওঁৰ আঁঠ বছৰীয়া পুতেক বসন্তক বিহাৰীৰ হাতত সমৰ্পণ কৰিলে।

বিহাৰীয়ে তাক নিজৰ প্ৰণালীৰে শিক্ষা দিবলৈ আৰম্ভ কৰিলে। তেওঁ ক'লে, "দহ বছৰ বয়স নোহোৱালৈকে ইয়াক মই কিতাপ নপঢ়াওঁ, আটাই-বোৰ মুখে মুখে শিকাম।" তাক লৈ ধেমালি কৰি, নাইবা ফোৰ্ট উইলিয়াম দুৰ্গৰ সমুখৰ পথাৰত, যাদুঘৰত, আলিপুৰ চিড়িয়াখানাত, শিৱপুৰ বাগিচাত ঘূৰি ঘূৰি বিহাৰীৰ দিনবোৰ কাটি যাবলৈ ধৰিলে। মুখে মুখে তাক ইংৰাজী শিকোৱা, বুৰঞ্জীৰ কথাবোৰ সাধুৰ ৰূপত শুনোৱা, নানা

ধৰণে ল'ৰাটোৰ চিত্তবৃত্তি পৰীক্ষা কৰা আৰু তাৰ পৰিণতি সাধন, বিহাৰীৰ গোটেই দিনটোৰ কাম এইবোৰেই আছিল—তেওঁ নিজক মুহূৰ্ত্তৰ বাবেও অৱসৰ নিদিছিল।

সেইদিনা সন্ধিয়া বাহিৰলৈ ওলাবৰ সাধ্য নাছিল। দুপৰীয়া বৰষুণজাক কিছু সময়ৰ বাবে বৈ আকৌ আবেলিৰ পৰা আৰম্ভ হৈছিল। বিহাৰীয়ে তেওঁৰ দুই মহলাৰ ওপৰৰ ডাঙৰ কোঠাটোত লেম্প জ্বলাই লৈ বসন্তক ওচৰতে বহুৱাই নিজৰ নতুন প্ৰণালীৰ খেলটো আৰম্ভ কৰিছিল।

"বসন্ত, এই কোঠাটোত কেইটা চ'তি আছে, খপকৈ কোৱা। ওঁ-হো, গণিব নোৱাৰা।"

বসন্ত। কুৰিটা।

বিহাৰী। হাৰিলা— ওঁঠৰটা।

খপকৈ খাটাৰ'খন মেলি সুধিলে, "এই খাটাৰখনত কেইটুকুৰা কাঠ আছে?" এইবুলি 'খাটাৰ'খন জপাই দিলে।

বসন্তই ক'লে, "ছটুকুৰা।"

"জিত।"—"এই বেঞ্চখন কিমান দীঘল। এই কিতাপখনৰ ওজন কিমান।" এইদৰেই বিহাৰীয়ে বসন্তৰ ইন্দ্ৰিয়বোধৰ উৎকৰ্ষ সাধন কৰিছিল, এনে সময়তে বেহেৰাটোৱে খবৰ দিলেহি, "বাবুজী, একুঠো ঔৰৎ—"

কথাষাৰ শেষ নৌ হওঁতেই বিনোদিনী কোঠাৰ ভিতৰলৈ সোমাই আহিল।

বিহাৰীয়ে আচৰিত হৈ সুধিলে, "ই কি কাণ্ড, বৌদেউ দেখোন।"

বিনোদিনীয়ে কলে, "তোমাৰ ইয়াত তোমাৰ আত্মীয় কোনো তিৰোতা মানুহ নাই?"

বিহাৰী। আত্মীয়ও নাই, পৰো নাই। পেহী আছে, গাঁৱৰ ঘৰত।

বিনোদিনী। তেন্তে তোমাৰ গাঁৱৰ ঘৰলৈ মোক লৈ ব'লা।

বিহাৰী। কি বুলি লৈ যাম।

বিনোদিনী। দাসী বুলি। মই তাত ঘৰৰ কাম কৰিম।

বিহাৰী। পেহী অলপ আচৰিত হ'ব। কাৰণ, তেওঁ মোক দাসীৰ অভাৱ জনোৱা নাই। আগতে বাৰু শুনোচোন, এই সংকল্প মনৰ ভিতৰত কিয় উদয় হ'ল। বসন্ত, যোৱা শুই থাকাগৈ।

বসন্ত উঠি গল। বিনোদিনীয়ে কলে, "বাহিৰৰ ঘটনা শুনি তুমি ভিতৰৰ কথা একোৱেই বুজিব নোৱাৰিবা।"

বিহাৰী। জানিবা সুবুজিলোঁৱেই, জানিবা ভুলেই বুজিলোঁ। ক্ষতি কি?

বিনোদিনী। বাৰু, জানিবা ভুলেই বুজিলা। মহেন্দ্ৰই মোক ভাল পায়।

বিহাৰী। সেইটো খবৰ তো মুঠেই নতুন নহয়, আৰু এনে কোনো খবৰ নহয় যে, দ্বিতীয়বাৰ শুনিবৰ বাবে মন যাব পাৰে।

বিনোদিনী। বাৰে বাৰে শুনোৱাৰ ইচ্ছা মোৰো নাই। সেইবাবেই, তোমাৰ ওচৰলৈ আহিছোঁ, মোক আশ্ৰয় দিয়া।

বিহাৰী। ইচ্ছা তোমাৰ নাই? এই বিপত্তি কোনে ঘটালে। মহেন্দ্ৰ যি পথেৰে গৈ আছিল, সেই পথৰ পৰা তেওঁক কোনে ভ্ৰষ্ট কৰিলে।

বিনোদিনী। মই কৰিলোঁ। তোমাৰ ওচৰত লুকুৱাওঁ, এই সকলোবোৰ মোৰেই কাম। মই বেয়া হ'লেও হব পাৰোঁ, তথাপি এবাৰ মোৰ [illegible]চিনা হৈ মোৰ অন্তৰৰ কথা বুজিবৰ চেষ্টা কৰা। মোৰ বুকুৰ জ্বালাৰে মই মহেন্দ্ৰৰ ঘৰ জলাইছোঁ। এবাৰ ধাৰণা হৈছিল, মই মহেন্দ্ৰক ভাল পাওঁ, কিন্তু সি ভুল।

বিহাৰী। ভাল পালে হবলা কোনোবাই এনে অগ্নিকাণ্ড ঘটাব পাৰে।

বিনোদিনী। দেৱৰ-বোপা, এয়া তোমাৰ শাস্ত্ৰৰ কথা। এতিয়াও সেইবোৰ কথা শুনিবৰ মতি মোৰ হোৱা নাই। দেৱৰ-বোপা, তোমাৰ পুথি-পাঁজিবোৰ বাদ দি এবাৰ অন্তৰ্যামীৰ দৰে মোৰ হৃদয়ৰ প্ৰতি দৃষ্টিপাত কৰা। মোৰ ভাল-বেয়া সকলোবোৰ আজি তোমাৰ আগত ক'ব খুজিছোঁ।

বিহাৰী। পুথি-পাঁজি জানো এনেয়ে মেলি চাওঁ, বৌদেউ। হৃদয়ক কেৱল হৃদয়ৰ নিয়মেৰে বুজিবৰ ভাৰ অন্তৰ্যামীৰ ওপৰতে থাওক, আমি পুথিৰ বিধান মানি নচলিলে শেষত যে ভেটা দিয়াই টান হৈ পৰে।

বিনোদিনী। শুনা দেৱৰ-বোপা, মই নিৰ্লজ্জৰ দৰে কৈছোঁ, তুমি মোক ওভোতাই আনিব পাৰিলাহেঁতেন। মহেন্দ্ৰই মোক ভাল পায়

অৱশ্যে, কিন্তু তেওঁ সম্পূৰ্ণ অন্ধ, মোক মুঠেই বুজি নেপায়। এবাৰ ভাৱিছিলোঁ, তুমি যেন মোক বুজি পাইছা—এবাৰ তুমি মোক শ্ৰদ্ধা কৰিছিলা—সঁচা কথা কোৱাচোন, সেই কথা আজি লুকুৱাবৰ চেষ্টা নকৰিবা।

বিহাৰী। সঁচাকৈয়ে কৈছোঁ, মই তোমাক শ্ৰদ্ধা কৰিছিলো।

বিনোদিনী। ভুল কৰা নাছিলা, দেৱৰ-বোপা। কিন্তু বুজিছিলাই যেতিয়া, শ্ৰদ্ধা যেতিয়া কৰিছিলাই, তেন্তে সেইখিনিতে বৈ গ'লা কিয়। মোক ভালপোৱাত তোমাৰ কি বাধাটো আছিল। মই আজি নিৰ্লজ্জৰ বেশেৰে তোমাৰ ওচৰলৈ আহিছোঁ, আৰু মই আজি নিৰ্লজ্জৰ দৰেই তোমাক কৈছোঁ—তুমি মোক ভাল নেপালা কিয়। মোৰ ফুটা কপাল। অৱশেষত, তুমিও গৈ আশাৰ প্ৰেমতে মজিলা। ওঁ-হো, তুমি মোক খং কৰিব নোৱাৰা। বহাঁ, দেৱৰ-বোপা! মই একো লুক-ঢাক নকৰাকৈয়ে কওঁ। তুমি যে আশাক ভাল পোৱা, সেই কথা তুমি যেতিয়া নিজেও গম পোৱা নাছিলা, তেতিয়াও মই জানিছিলোঁ। কিন্তু আশাৰ মাজত তোমালোকে কি দেখা পাইছা, মই একোৱেই বুজি নেপাওঁ। ভালেই বোলা বা বেয়াই বোলা, তাইৰ ভিতৰত আছে কিটো। বিধাতাই জানো পুৰুষৰ দৃষ্টিৰ লগতে অন্তৰ্দৃষ্টি বোলা বস্তুটো এধানিও দিয়া নাই। তোমালোকে কি দেখা পাই, কিমানকণ দেখা পাই মুগ্ধ হৈ যোৱা। নিৰ্ব্বোধ! অন্ধ!

বিহাৰীয়ে থিয় হৈ লৈ ক'লে, "আজি তুমি মোক যিহকে শুনোৱা সকলোবোৰেই মই শুনি যাম—কিন্তু যি কথা উচ্চাৰণ কৰিব নেপায়, সেই কথা নক'বা, এয়ে তোমাৰ ওচৰত মোৰ একান্ত মিনতি।"

বিনোদিনী। দেৱৰ-বোপা, কোনখিনিত তোমাৰ আঘাত লাগিছে, তাক মই জানো—কিন্তু এদিন যাৰ শ্ৰদ্ধা মই পাইছিলোঁ আৰু যাৰ ভালপোৱা অকণমান পোৱা হ'লে মোৰ জীৱন সাৰ্থক হৈ গ'লহেঁতেন, তেওঁৰ ওচৰলৈ এই ৰাতি-বিয়লি ভয় লাজ সকলোবোৰ বিসৰ্জ্জন দি থৈয়েই দৌৰি আহিছোঁ। সি যে কিমান বেচি বেদনাৰ পৰিণতি, সেই কথা ভাবি, অলপ ধৈৰ্য্য ধৰা। মই সঁচাকৈয়ে কৈছোঁ, তুমি যদি আশাক ভাল নেপালাহেঁতেন, তেন্তে মোৰ দ্বাৰা আশাৰ আজি এনে সৰ্ব্বনাশ নঘটিলহেঁতেন।

বিহাৰীৰ মুখখন শেঁতা পৰি গ'ল; সুধিলে, "আশাৰ কি হৈছে। তুমি তেওঁৰ *কি কৰিলা।*"

বিনোদিনী। মহেন্দ্রই তেওঁৰ সমস্ত সংসাৰ পৰিত্যাগ কৰি কাইলৈ মোক লৈ গুচি যাবলৈ প্ৰস্তুত হৈছে।

বিহাৰীয়ে হঠাৎ গৰ্জ্জন কৰি উঠিল, "এই কাম কেতিয়াও হ'ব নোৱাৰে। কেতিয়াও হ'ব নোৱাৰে।"

বিনোদিনী। কেতিয়াও হ'ব নোৱাৰে? মহেন্দ্ৰক আজি কোনে বোধ কৰিব পাৰে।

বিহাৰী। তুমি পাৰা।

বিনোদিনী অলপ সময় মনে মনে ৰ'ল—তাৰ পাচত বিহাৰীৰ মুখৰ পিনে দুই চকু তুলি ক'বলৈ ধৰিলে, "বোধ কৰিম কাৰ বাবে। তোমাৰ আশাৰ বাবে? মোৰ নিজৰ সুখ-দুখ একোৱেই নাই? তোমাৰ আশাৰ মঙ্গল হওক, মহেন্দ্ৰৰ সংসাৰৰ মঙ্গল হওক, এই ভাবি ইহকালৰ ওপৰত মোৰ সকলো দাবী মচি পেলাম, ইমান ভাল মই নহওঁ—ধৰ্ম্মশাস্ত্ৰৰ পুথি ইমানখিনি মই পঢ়া নাই। যিখিনি এৰি দিম, তাৰ বিনিময়ত মই কি পাম।"

বিহাৰীৰ মুখৰ ভাব ক্ৰমে অতি কঠিন হৈ আহিল; আৰু ক'লে, "তুমি যদিহে স্পষ্ট কথা ক'বৰ চেষ্টা কৰিছা, এইবাৰ ময়ো এটা স্পষ্ট কথা কওঁ। তুমি আজি যি কাণ্ড কৰিছা আৰু যিবিলাক কথা কৈছা, ইযাৰ বেছিভাগেই তুমি যি সাহিত্য পঢ়িছা, তাৰ পৰা চুৰ কৰা বস্তু। ইয়াৰ বাৰ অনা নাটক আৰু উপন্যাস।"

বিনোদিনী। নাটক। উপন্যাস।

বিহাৰী। ও, নাটক, উপন্যাস। সিও খুব উচ্চ স্তৰৰ নহয়। তুমি ভাবিছা, এই সকলোবোৰ তোমাৰ নিজৰ—কথাটো সঁচা নহয়। এই সকলোবোৰেই ছাপাখানাৰ প্ৰতিধ্বনি। যদি তুমি নিতান্ত নিৰ্ব্বোধ সৰল এজনী ছোৱালী হলাহেঁতেন, তেন্তে হ'লেও সংসাৰৰ ভালপোৱাৰ পৰা বঞ্চিত নহ'লাহেঁতেন—কিন্তু নাটকৰ নায়িকা ষ্টেজৰ ওপৰতেই শোভা পায়, ঘৰলৈ তেওঁক লৈ আনিব নোৱাৰি।

ক'ত গ'ল বিনোদিনীৰ সেই তীব্ৰ তেজ, দুঃসহ অহঙ্কাৰ। মন্ত্ৰমুগ্ধ ফণিনীৰ দৰে তেওঁ তলমূৰ কৰি ৰ'ল। বহুত সময়ৰ পাচত, বিহাৰীৰ মুখৰ পিনে নোচোৱাকৈ শান্ত, নম্ৰ কণ্ঠেৰে ক'লে, "তুমি মোক কি কৰিবলৈ কোৱা।"

বিহাৰীয়ে ক'লে, "অসাধাৰণ একো কৰিবলৈ নিবিচাৰিবা। সাধাৰণ নাৰীৰ শুভবুদ্ধি যাক কয়, সেয়ে কৰা। গাঁৱলৈ যোৱাগৈ।"

বিনোদিনী। কেনেকৈ যাওঁ।

বিহাৰী। মহিলা শ্ৰেণীৰ গাড়ীত তুলি দি মই তোমাক তোমালোকৰ ষ্টেছনলৈকে থৈ আহিম বাৰু।

বিনোদিনী। আজি ৰাতি তেন্তে মই ইয়াতে থাকোঁ।

বিহাৰী। ওঁ-হো, সিমানখিনি বিশ্বাস নিজৰ ওপৰত নাই।

শুনাৰ লগে লগে বিনোদিনী বহাৰ পৰা উঠি, মাটিত দীঘল দি পৰি, বিহাৰীৰ ভৰি দুখন সাৱটি প্ৰাণপণে বুকুৰ মাজত হেঁচি ধৰি ক'লে, "সেইকণ দুৰ্ব্বলতা ৰাখা, দেৱৰ-বোপা। একেবাৰে শিলৰ দেৱতাৰ দৰে পৱিত্ৰ নহ'বা। বেয়াক ভাল পাই অলপমান বেয়া হৈ চোৱা।"

কথাৰ লগে লগে বিনোদিনীয়ে বিহাৰীৰ ভৰি দুখন বাৰে বাৰে চুমা খাবলৈ ধৰিলে। বিনোদিনীৰ এই আকস্মিক অভাৱনীয় ব্যৱহাৰত ক্ষণিকৰ কাৰণে বিহাৰীয়ে নিজৰে সম্বৰণ কৰা টান হৈ পৰিছিল। তেওঁৰ শৰীৰ-মনৰ সকলোবোৰ গ্ৰন্থি যেন শিথিল হৈ আহিল। বিনোদিনীয়ে বিহাৰীৰ এই স্তব্ধ বিহ্বল ভাৱ অনুভৱ কৰি তেওঁৰ চৰণ দুখন এৰি নিজেই দুয়ো আঁঠুৰ ওপৰত থিয় হৈ চকীৰ ওপৰত বহি থকা বিহাৰীৰ ডিঙিটো দুই বাহুৰ মাজত মেৰিয়াই লৈ ক'লে, "জীৱনসৰ্ব্বস্ব, মই জানো—তুমি মোৰ চিৰকালৰ নোহোৱা, কিন্তু আজি একমুহূৰ্ত্তৰ কাৰণে মোক তোমাৰ ভালপোৱা দিয়া। তাৰ পাচত মই আমাৰ সেই হাবিতলীয়া গাঁৱলৈ গুচি যামগৈ, কাৰো ওচৰত মই একো নিবিচাৰোঁ। মৰণ পৰ্য্যন্ত মনত ৰাখিব পৰাকৈ মোক কিবা এটা দিয়া।" এইবুলি চকু দুটা মুদি বিনোদিনীয়ে নিজৰ ওঁঠ দুটি বিহাৰীৰ পিনে আগবঢ়াই দিলে। মুহূৰ্ত্তৰ বাবে উভয়েই নিশ্চল আৰু গোটেই ঘৰ নিস্তব্ধ হৈ ৰ'ল। তাৰ পাচত এটা হুমুনিয়াহ কাঢ়ি বিহাৰীয়ে লাহে লাহে বিনোদিনীৰ হাত দুখন এৰুৱাই লৈ আন এখন চকীত বহিলগৈ আৰু ৰুদ্ধপ্ৰায় কণ্ঠস্বৰ পৰিষ্কাৰ কৰি লৈ ক'লে, "আজি নিশা এক বজাত এখন পেচেঞ্জাৰ ট্ৰেইন আছে।"

বিনোদিনী অলপ সময় স্তব্ধ হৈ ৰ'ল, তাৰ পাচত অস্ফুট কণ্ঠেৰে ক'লে, "সেই ট্ৰেইনতেই যাম।"

এনে সময়তে ভৰিত জোতা নাই, গা-ত চোলা নাই, বসন্তই তাৰ পৰিস্ফুট গৌৰ-সুন্দৰ দেহটো লৈ বিহাৰী বহি থকা চকীখনৰ কাষ চাপি গম্ভীৰ মুখেৰে বিনোদিনীক চাবলৈ লাগিলহি।

বিহাৰীয়ে সুধিলে, "শুবলৈ যোৱা নাই।" বসন্তই কোনো উত্তৰ নিদিয়াকৈ গম্ভীৰ মুখেৰে থিয় দি ৰ'ল।

বিনোদিনীয়ে হাত দুখন মেলি দিলে। বসন্তই প্ৰথমে অলপ সঙ্কোচ কৰি, লাহে লাহে বিনোদিনীৰ কাষ চাপি গ'ল। বিনোদিনীয়ে তাক বুকুৰ মাজত সুমুৱাই লৈ হুক্-হুকুকৈ কান্দিবলৈ ধৰিলে।

## ৩৬

যিটো অসম্ভৱ সিও কেতিয়াবা সম্ভৱ হয়, যিটো বস্তু অসহ্য সিও কেতিয়াবা সহ্য হয়, নহ'লে মহেন্দ্ৰৰ সংসাৰত সেই ৰাতিটো সিদিনা সুপুৱালেহেঁতেন। বিনোদিনীক প্ৰস্তুত হৈ থাকিবলৈ পৰামৰ্শ দি সেই ৰাতিয়েই এখন চিঠি লিখিছিল, সেই চিঠি পুৱাৰ ডাকত মহেন্দ্ৰৰ ঘৰ পালেহি।

আশা তেতিয়া শয্যাগত। বেহেৰাই চিঠিখন হাতত লৈ আহি ক'লে, "মাইজী, চিট্‌ঠি।"

আশাৰ হৃদ্‌পিণ্ডত তেজে খুন্দা মাৰি ধৰিলে। এটি পলকৰ ভিতৰতে হেজাৰ আশ্বাস আৰু আশঙ্কা একে সময়তে বুকুৰ ভিতৰত বাজি উঠিল। লৰালৰিকৈ মূৰ তুলি চিঠিখন হাতত লৈ দেখিলে, মহেন্দ্ৰৰ হাতেৰে লিখা বিনোদিনীৰ নাম। তৎক্ষণাৎ তেওঁৰ মূৰটো গাৰুৰ ওপৰত ঢলি পৰিল। মুখেৰে একো নকৈ আশাই চিঠিখন বেহেৰাৰ হাতত ওভোতাই দিলে। বেহেৰাই সুধিলে, "চিঠিখন কাক দিব লাগিব।"

আশাই ক'লে, "ক'ব নোৱাৰোঁ।"

ৰাতি তেতিয়া প্ৰায় আঁঠ বাজিছে। মহেন্দ্ৰ অতি বেগাবেগিকৈ ধুমুহাৰ দৰে আহি বিনোদিনীৰ কোঠাত সোমাল। চাই দেখিলে, কোঠাৰ ভিতৰত চাকি নাই, তেনেই আন্ধাৰ। জেপৰ পৰা জুইশলাৰ বাঁহটো উলিয়াই জুইশলা-কাঠি এডাল জ্বলালে—দেখিলে, কোঠাটো উদং। বিনোদিনী নাই,

তেওঁৰ বস্তু-বেহানিও নাই। সোঁ পিনৰ বাৰাণ্ডাখনলৈ গৈ দেখিলে, বাৰাণ্ডা তেনেই নিৰ্জ্জন। মাত দিলে, "বিনোদ।" কোনো উত্তৰ নেপালে।

"নিৰ্ব্বোধ। মই অতি নিৰ্ব্বোধ। তেতিয়াই লগত লৈ যোৱা উচিত আছিল। মা-ই নিশ্চয় বিনোদিনীক এনে ধৰণে গালি-শপনি পাৰিছে যে, তেওঁ আৰু ঘৰত থাকিব নোৱাৰিলে।"

সেই কল্পনা মনত উদয় হোৱাৰ লগে লগে, সি নিশ্চিত সত্য বুলি তেওঁৰ মনত বিশ্বাস উপজিল। মহেন্দ্ৰ অস্থিৰ হৈ তৎক্ষণাৎ মাকৰ কোঠালৈ গ'ল। তাতো চাকি-চুকা নাই—কিন্তু ৰাজলক্ষ্মী বিচনাত শুই আছে, আন্ধাৰৰ মাজতো উমান পালে। মহেন্দ্ৰই অতি কঠোৰ কণ্ঠেৰে সুধিলে, "মা, বিনোদিনাক তোমালোকে কি ক'লা।"

ৰাজলক্ষ্মীয়ে ক'লে, "একো কোৱা নাই।"

মহেন্দ্ৰ। তেন্তে তেওঁ ক'লৈ গ'ল।

ৰাজলক্ষ্মী। মই কেনেকৈ কওঁ।

মহেন্দ্ৰই অবিশ্বাসৰ কণ্ঠেৰে ক'লে, "তুমি নেজানা? বাৰু, মই তেওঁক বিচাৰি ওলালোঁ—তেওঁ য'তে নেথাকক, বিচাৰি উলিয়ামেই।"

এইবুলি কৈয়েই মহেন্দ্ৰ গুচি গ'ল। ৰাজলক্ষ্মী লৰালৰিকৈ বিচনাৰ পৰা উঠি তেওঁৰ পাচে পাচে যাবলৈ ধৰিলে আৰু ক'বলৈ লাগিল, "মহিন, নেযাবি মহিন। উভতি আহ, মোৰ কথা এটা শুনি যাচোন।"

মহেন্দ্ৰই একে উশাহতে দৌৰি ঘৰৰ পৰা বাহিৰ হৈ গ'ল। এক মুহূৰ্ত্তৰ পাচতে উভতি আহি দাৰোৱানক সুধিলে, "আইদেৱেৰা কলৈ গৈছে।"

দাৰোৱানে ক'লে, "আমাক একো কৈ যোৱা নাই, আমি একোৱেই নেজানো।"

মহেন্দ্ৰই ভৰ্ৎসনাৰ সুৰত গৰ্জ্জি উঠিল, "নেজান!"

দাৰোৱানে হাত-যোৰ কৰি ক'লে, "নাই মহাৰাজ, নেজানো।"

মহেন্দ্ৰই মনে মনে স্থিৰ কৰিলে, "মা-ই ইহঁতক শিকাই থৈছে।" ফুটাই ক'লে, "বাৰু, সেয়ে হওক।"

মহানগৰীৰ ৰাজ-পথত গেচ-লাইটৰ আলোকবিদ্ধ সন্ধ্যাৰ আন্ধাৰত বৰফৱালাই তেতিয়া বৰফ আৰু ভাঙোন মাছৰ বেপাৰীয়ে ভাঙোন মাছৰ

কথা চিঞৰি-চিঞৰি শুনাই গৈছে। কলৰব-ক্ষুব্ধ জনতাৰ ভিতৰত মহেন্দ্ৰ সোমাই পৰিল আৰু সিহঁতৰ মাজত অদৃশ্য হৈ গ'ল।

৩৭

অকলশৰে নিজকে লৈ আন্ধাৰ ৰাতি বিহাৰীয়ে কেতিয়াও ধ্যান কৰিবলৈ নবহে। বিহাৰীয়ে কেতিয়াও নিজৰ ওচৰত নিজকে আলোচ্য বিষয় কৰি তোলা নাই। তেওঁ পঢ়া-শুনা, কাম-কাজ, বন্ধু-বান্ধৱ, মানুহ-দুনুহ লৈয়েই ব্যস্ত থাকে। চাৰিওপিনৰ সংসাৰখনকে তেওঁ নিজতকৈ বেচি প্ৰাধান্য দি আনন্দ পাইছিল, কিন্তু হঠাৎ এদিন এক প্ৰবল আঘাত লাগি যেন তেওঁৰ চাৰিও দিশ বিশ্লিষ্ট হৈ গ'ল; প্ৰলয়ৰ অন্ধকাৰত অভ্ৰভেদী বেদনাৰ গিৰিশৃঙ্গত তেওঁ অকলশৰে থিয় দিবলগীয়া হ'ল। তেতিয়াৰে পৰা তেওঁ নিজৰ নিৰ্জ্জন সঙ্গ বোলা বস্তুটোক ভয় কৰিবলৈ আৰম্ভ কৰিছে; জোৰ কৰি নিজৰ কান্ধত কামৰ বোজা জাপি এই সঙ্গীটিক তেওঁ কোনোমতেই অৱকাশ নিদিয়া হ'ল।

কিন্তু আজি নিজৰ সেই অন্তৰবাসীক বিহাৰীয়ে কোনোমতেই হেঁচা দি ৰাখিব নোৱাৰিলে। কালি বিনোদিনীক বিহাৰীয়ে গাঁৱৰ ঘৰত থৈ আহিছেগৈ, তাৰ পাচৰ পৰা তেওঁ যি কোনো কামত যি কোনো মানুহৰ সঙ্গতেই নেথাকক, তেওঁৰ গুহাৰ ভিতৰত শুই থকা বেদনাতুৰ হৃদয়ে তেওঁক নিজৰ নিগূঢ় নিৰ্জ্জনতাৰ পিনে অবিশ্ৰাম আকৰ্ষণ কৰিবলৈ লাগিছে।

শ্ৰান্তি আৰু অৱসাদে আজি বিহাৰীক পৰাভূত কৰিছে। ৰাতি তেতিয়া প্ৰায় ন বাজিছে; বিহাৰীৰ ঘৰৰ সমুখত থকা সোঁ পিনৰ ছাদৰ ওপৰত দিনান্তৰ উপভোগ্য এজাক জহকালিৰ বতাহ চঞ্চল হৈ উঠিছে। বিহাৰীয়ে চন্দ্ৰোদয়হীন আন্ধাৰৰ মাজত সেই ছাদৰ ওপৰত এখন চকী লৈ বহি আছে।

বসন্ত নামৰ ল'ৰাটোক আজি গধূলি তেওঁ পঢ়াবলৈ লোৱা নাই— সোনকালে তাক বিদায় দি দিছে। আজি সান্ত্বনাৰ কাৰণে, সঙ্গলাভৰ কাৰণে, তেওঁৰ চিৰ-অভ্যস্ত প্ৰীতিৰ অমৃতেৰে স্নিগ্ধ অতীত জীৱনৰ কাৰণে তেওঁৰ হৃদয়ে যেন মাতৃ-পৰিত্যক্ত শিশুৰ দৰে বিশ্বৰ এই অন্ধকাৰৰ মাজত

দুই বাহু মেলি কাৰোবাক বিচাৰি ফুৰিছে। আজি তেওঁৰ দৃঢ়তা, তেওঁৰ কঠোৰ সংযমৰ বান্ধ ভাঙি নোহোৱা হৈ গৈছে। যিবিলাকৰ কথা নেভাবিব বুলি প্ৰতিজ্ঞা কৰিছিল, সমস্ত হৃদয় সিবিলাকৰ অভিমুখে ধাবিত হ'বলৈ ধৰিছে, আজি আৰু পথ ৰোধ কৰিবৰ বাবে বিন্দুমাত্ৰ শক্তি নাই।

মহেন্দ্ৰৰ লগত ওমলা দিনৰে মৰম-প্ৰীতিৰ পৰা সেই প্ৰীতিৰ অৱসান পৰ্য্যন্ত সকলোবোৰ কথা—যি সুদীৰ্ঘ কাহিনী নানা বৰ্ণেৰে চিত্ৰিত, জল-স্থল পৰ্ব্বত-নদীৰে বিভক্ত মানচিত্ৰৰ দৰে মনৰ ভিতৰত পাক খাই আছিল—বিহাৰীয়ে তাক মুকলি কৰি ধৰিলে। যি ক্ষুদ্ৰ পৃথিৱীখনৰ ওপৰত তেওঁ তেওঁৰ জীৱন প্ৰতিষ্ঠা কৰিছিল, সি কোনখিনিত কোন দুষ্ট গ্ৰহৰ লগত ঠেকা খাবলগীয়া হ'ল, সেই কথাই তেওঁ মনৰ ভিতৰত গুণা-গঁথা কৰিছিল। প্ৰথমতে বাহিৰৰ পৰা কোন আহিছিল। সূৰ্য্যাস্তৰ কৰুণ ৰঙীন পোহৰেৰে আভাসিত আশাৰ লাজে-ঢকা তৰুণ মুখখনি আন্ধাৰৰ মাজত জিলিকি উঠিল, তাৰ লগে লগে মঙ্গল-উৎসৱৰ পুণ্য শঙ্খধ্বনি তেওঁৰ কাণত বাজি উঠিল। এই শুভগ্ৰহ অদৃষ্ট-আকাশৰ অজ্ঞাত প্ৰান্তৰ পৰা আহি দুয়ো বন্ধুৰ মাজত বৈ গ'লহি—অলপ যেন বিচ্ছেদৰ আভাস দিলে, ক'ৰ পৰা এনে এটি গূঢ় বেদনা আনি উপস্থিত কৰিলেহি, যাৰ কথা মুখেৰে ক'ব নোৱাৰি, যাক মনৰ ভিতৰত পুহিবও নেপায়। কিন্তু তথাপি এই বিচ্ছেদ, এই বেদনা অপূৰ্ব্ব স্নেহৰশ্মিত মাধুৰ্য্য-ৰশ্মিৰে আচ্ছন্ন আৰু পৰিপূৰ্ণ হৈ ৰ'ল।

তাৰ পাচত যি শনিগ্ৰহৰ উদয় হ'ল—বন্ধুৰ প্ৰীতি, দম্পতিৰ প্ৰেম, ঘৰৰ শান্তি আৰু পৱিত্ৰতা সকলোবোৰ ছাৰখাৰ কৰি দিলেহি, বিহাৰীয়ে প্ৰবল ঘৃণাৰে সৈতে সেই বিনোদিনীক সমস্ত অন্তঃকৰণেৰে বহু দূৰলৈ ঠেলি দিবৰ চেষ্টা কৰিলে। কিন্তু ইকি আচৰিত! আঘাত যেন অতি মৃদু হৈ পৰিল, তেওঁক যেন স্পৰ্শই নকৰিলে। সেই পৰমা সুন্দৰী প্ৰহেলিকা তেওঁৰ দুৰ্ভেদ্যৰহস্যপূৰ্ণ ঘন-ক'লা অনিমেষ দৃষ্টি লৈ কৃষ্ণপক্ষৰ আন্ধাৰৰ মাজত বিহাৰীৰ সমুখত স্থিৰ হৈ থিয় দিলেহি। জহকালিৰ ৰাতিৰ উচ্ছ্বসিত দখিণা-বতাহচাটি তেওঁৰেই ঘন নিশ্বাসৰ দৰে বিহাৰীৰ দেহত আহি লাগিলহি। ধীৰে ধীৰে সেই অপলক চকুৰ জ্বালাময়ী দীপ্তি ম্লান হৈ আহিবলৈ ধৰিলে; চাওঁতে চাওঁতে সেই তৃষ্ণা-শুকান প্ৰখৰ দৃষ্টি চকু-লোৰে সেমেকি স্নিগ্ধ

হৈ গভীৰ ভাবৰসেৰে পৰিপ্লুত হৈ উঠিল। মুহূৰ্ত্তৰ ভিতৰতে সেই মূৰ্ত্তিটোৱে বিহাৰীৰ ভৰিৰ ওচৰত লুটি খাই পৰি তেওঁৰ আঁঠু দুটা প্ৰাণৰ সকলো শক্তিৰে বুকুৰ মাজত হেঁচি ধৰিলে। তাৰ পাচত সি এক অপৰূপ মায়া-লতাৰ দৰে নিমিষৰ ভিতৰতে বিহাৰীক আঁকোৱালি লৈ বাঢ়ি উঠি সদ্যবিকশিত সুগন্ধি পুষ্পমঞ্জৰীতুল্য এখনি চুম্বন-আতুৰ মুখ বিহাৰীৰ ওঁঠৰ আগত তুলি ধৰিলেহি। বিহাৰীয়ে চকু দুটা মুদি সেই কাল্পনিক মূৰ্ত্তিটোক স্মৃতি লোকৰ পৰা নিৰ্ব্বাসন দিবৰ বাবে চেষ্টা কৰিবলৈ ধৰিলে; কিন্তু কোনোমতেই তাক আঘাত কৰিবৰ কাৰণে তেওঁৰ হাত উঠিব নুখুজিলে— এটি অসম্পূৰ্ণ ব্যাকুল চুমা তেওঁৰ মুখৰ আগত স্তব্ধ হৈ ৰৈ থাকিল, পুলকত তেওঁ স্বপ্নাবিষ্ট হৈ ৰ'ল।

বিহাৰী ছাদৰ নিৰ্জ্জন অন্ধকাৰৰ মাজত আৰু বেচিপৰ থাকিব নোৱাৰিলে। আন কিহবাত মন বহুৱাবৰ কাৰণে তেওঁ লৰালৰিকৈ চাকি জ্বলি থকা ঘৰৰ ভিতৰলৈ সোমাই আহিল।

এটা চুকত চাহ-মেজৰ ওপৰত বেচমৰ ঢাকনি দিয়া এখন বন্ধোৱা ফটো আছিল। বিহাৰীয়ে ঢাকনি খুলি সেই ছবিখন ঘৰৰ মাজলৈ আনি চাকিৰ পোহৰত লৈ বহিল—কোলাৰ ওপৰত থৈ চাবলৈ লাগিল।

ছবিখন মহেন্দ্ৰ আৰু আশাৰ বিয়াৰ কিছুদিন পাচতে তোলা যুগল-মূৰ্ত্তি। ছবিৰ পাচপিনে মহেন্দ্ৰই নিজৰ হাতেৰে "মহিনদা" আৰু আশাই নিজৰ হাতেৰে "আশা" এই নাম দুটা লিখি দিছিল। ছবিৰ মাজত নৱপৰিণয়ৰ সেই মধুৰ দিনটো মচ খোৱা নাছিল। মহেন্দ্ৰ চকীত বহি আছে, তেওঁৰ মুখত নতুন বিয়াৰ পাচৰ এটি নবীন সৰস ভাবৰ আবেশ; ওচৰতে আশা থিয় হৈ আছে—ছবি তোলা মানুহজনে মূৰত ওৰণি ল'বলৈ নিদিলে, কিন্তু তেওঁৰ মুখৰ পৰা লাজৰ মাধুৰীখিনি খহাব নোৱাৰিলে। আজি মহেন্দ্ৰই তেওঁৰ জীৱনৰ সহচৰী আশাক কন্দুৱাই থৈ কিমান দূৰলৈ গুচি গৈছে, কিন্তু জড় ছবিখনে মহেন্দ্ৰৰ মুখৰ পৰা নবীন প্ৰেমৰ এটি ৰেখাও সলনি হৈ যাবলৈ দিয়া নাই, যেন একো বুজি নোপোৱাকৈয়ে মূঢ় ভাবে অদৃষ্টৰ উপহাসক স্থায়ী কৰি ৰাখিছে।

এই ছবিখনিকে কোলাত লৈ বিহাৰীয়ে বিনোদিনীক ধিক্কাৰ দি বহুত দূৰলৈ আঁতৰাই দিবলৈ বিচাৰিলে। কিন্তু বিনোদিনীৰ সেই প্ৰেম-কাতৰ

যৌৱন-কোমল বাহু দুটিয়ে বিহাৰীৰ আঁঠু দুটা আঁকোৱালি ধৰি বৈ গ'ল। বিহাৰীয়ে আপোন মনেৰে ক'লে, "এনে সুন্দৰ প্ৰেমৰ সংসাৰ ছাৰখাৰ কৰি দিলি!" কিন্তু বিনোদিনীৰ সেই উৰ্দ্ধমুখী উৎক্ষিপ্ত ব্যাকুল মুখৰ চুমা-নিবেদনে তেওঁক যেন নীৰৱে ক'বলৈ ধৰিলে, "মই তোমাক ভাল পাওঁ। সমস্ত জগতৰ মাজত মই তোমাকেই বৰণ কৰিছোঁ।"

কিন্তু এয়া জানো সমাধান হ'ল। এই কথাই জানো এখন ভাগি যোৱা সংসাৰৰ নিদাৰুণ আৰ্ত্ত-স্বৰ ঢাকিব পাৰে। পিশাচী!

পিশাচী। বিহাৰীয়ে এই কথাষাৰ সম্পূৰ্ণ ভৰ্ৎসনাৰ সুৰতেই ক'লে, নে ইয়াৰ লগতে প্ৰধানমানি আদৰৰ সুৰো মিহলি হৈ গ'লহি। যি মুহূৰ্ত্ততে বিহাৰী তেওঁৰ সমস্ত জীৱনৰ সমস্ত প্ৰেমৰ দাবীৰ পৰা বঞ্চিত হৈ নিঃস্ব ভিক্ষাৰীৰ দৰে বাটৰ মাজত থিয় দিছেহি, সেই মুহূৰ্ত্তত বিহাৰীয়ে জানো এনে অযাচিত অজস্ৰ প্ৰেমৰ উপহাৰ সমস্ত হৃদয়ৰ সৈতে উপেক্ষা কৰি দলিয়াই পেলাব পাৰে। ইয়াৰ তুলনাত বিহাৰীয়ে কি পাইছে। ইমানদিন ধৰি সমস্ত জীৱন উছৰ্গা কৰি তেওঁ কেৱল প্ৰেমৰ ভঁৰালৰ খুদকণ ভিক্ষা খুজি আহিছিল। প্ৰেমৰ অন্নপূৰ্ণাই আজি সোণৰ কাঁহী ওপচাই কেৱল তেওঁৰ বাবেই যি ভোজ পঠিয়াই দিছে, কোন হতভাগ্যই কিহৰ দ্বিধাত তাৰ পৰা নিজকে বঞ্চিত কৰিব পাৰে।

ছবিখন কোলাত লৈ এইদৰে নানা ধৰণৰ কথা যেতিয়া তেওঁ একান্তমনে আলোচনা কৰি আছিল, এনে সময়তে তেওঁৰ কাষত এটা শব্দ শুনি উচাপ্ খাই উঠি দেখিলে, মহেন্দ্ৰ আহিছে। চক্ খাই থিয় হ'ব খোজোঁতেই, কোলাৰ ছবিখন মজিয়াৰ কাৰ্পেটৰ ওপৰত পৰি গ'ল—বিহাৰীয়ে সেই কথা লক্ষ্যই নকৰিলে।

মহেন্দ্ৰই একেকোবেই সুধি পেলালে, "বিনোদিনী ক'ত।"

বিহাৰীয়ে মহেন্দ্ৰৰ পিনে আগবাঢ়ি গৈ হাত দুখন ধৰি ক'লে, "মহিনদা, অলপ বহাঁচোন বাক। সকলোবোৰ কথা আলোচনা কৰি লওঁ।"

মহেন্দ্ৰই ক'লে, "মোৰ এতিয়া ৰহিবৰ আৰু আলোচনা কৰিবৰ সময় নাই। কোৱা, বিনোদিনী ক'ত।"

বিহাৰীয়ে ক'লে, "তুমি যিটো প্ৰশ্ন সুধিছা, একে আষাৰে তাৰ উত্তৰ দিব নোৱাৰি। তুমি অলপ স্থিৰ হৈ বহিব লাগিব।"

মহেন্দ্ৰই ক'লে, "উপদেশ দিবা? সেইবোৰ উপদেশৰ কথা মই ল'ৰাকালতেই পঢ়িছোঁ।"

বিহাৰী। ও-হো, উপদেশ দিয়াৰ অধিকাৰ আৰু ক্ষমতা মোৰ নাই।

মহেন্দ্ৰ। গালি পাৰিবা? মই জানো—মই পাষণ্ড, মই নৰাধম আৰু তুমি যি ক'ব খুজিছা—সেই সকলোবোৰ। কিন্তু কথা হ'ল, তুমি জানা নে নেজানা, বিনোদিনী ক'ত।

বিহাৰী। জানো।

মহেন্দ্ৰ। মোক ক'বা নে নোকোৱা।

বিহাৰী। নকওঁ।

মহেন্দ্ৰ। ক'বই লাগিব। তুমি তেওঁক চুৰ কৰি আনি লুকুৱাই ৰাখিছা। তেওঁ মোৰ, তেওঁক ওভোতাই দিয়া।

বিহাৰী অলপ সময় মনে মনে ৰ'ল। তাৰ পাচত দৃঢ় কণ্ঠেৰে ক'লে, "তেওঁ তোমাৰ নহয়। মই তেওঁক চুৰ কৰি অনা নাই। তেওঁ নিজেই আহি মোৰ ওচৰত ধৰা দিছেহি।"

মহেন্দ্ৰই গৰ্জ্জি উঠি ক'লে, "মিছা কথা।" এইবুলি কৈ কাষৰ কোঠাটোৰ বন্ধ দুৱাৰখন ঢকিয়াই চিঞৰি উঠিল, "বিনোদ, বিনোদ।"

কোঠাৰ ভিতৰৰ পৰা কান্দোনৰ শব্দ শুনিবলৈ পাই ক'লে, "ভয় নাই, বিনোদ। মই মহেন্দ্ৰ, মই তোমাক উদ্ধাৰ কৰি লৈ যাম—কোনেও তোমাক বন্ধ কৰি ৰাখিব নোৱাৰিব।"

এইবুলি কৈয়েই মহেন্দ্ৰই খুব জোৰেৰে হেঁচা দিয়াৰ লগে লগে দুৱাৰ মেল খাই গ'ল। ভিতৰলৈ দৌৰি সোমাই গৈ দেখিলে, গোটেই কোঠাটো আন্ধাৰ। অস্পষ্ট ছাঁৰ নিচিনা দেখা পালে, বিচনাৰ ওপৰত কোনোবাই যেন ভয়ত কুচিমুচি খাই গাৰুটো খামোচ মাৰি ধৰিছে। বিহাৰীয়ে বেগাবেগিকৈ আহি কোঠাৰ ভিতৰত সোমাই বসন্তক বিচনাৰ পৰা দাঙি কোলাত লৈ সান্ত্বনাৰ সুৰত ক'বলৈ ধৰিলে, "ভয় নাই বসন্ত, ভয় নাই, কোনো ভয় নাই।"

মহেন্দ্ৰই খুব বেগাবেগিকৈ বাহিৰলৈ ওলাই ঘৰৰ সকলোবোৰ কোঠা চাই আহিলেগৈ। যেতিয়া উভতি আহিল, তেতিয়াও বসন্তই ভয়ত উচুপি উচুপি কান্দিয়েই আছিল, বিহাৰীয়ে তাৰ কোঠাত চাকি জ্বলাই তাক

বিচনাত শুৱাই দি গা-ৰ ওপৰত হাত বুলাই-বুলাই তাৰ টোপনি আনিব খুজিছিল।

মহেন্দ্ৰই ক'লেহি, "বিনোদিনীক ক'ত থৈছা।"

বিহাৰীয়ে ক'লে, "মহিনদা, গোলমাল নকৰিবা, তুমি মিছাতে এই লৰাটোক যি ধৰণে ভয় খুৱাই দিছা, ইয়াৰ হয়তো অসুখ হৈ যাব। মই কৈছোঁ নহয়, বিনোদিনীৰ খবৰ লোৱাৰ তোমাৰ কোনো প্ৰয়োজন নাই।"

মহেন্দ্ৰই ক'লে, "সাধু! মহাত্মা! ধৰ্ম্মৰ আদৰ্শ থিয় কৰি দেখুৱাব নেলাগে। মোৰ পত্নীৰ এই ছবিখন কোলাত লৈ ৰাতি-বিয়লি কোন দেৱতাৰ ধ্যানত কি পুণ্যমন্ত্ৰ জপ কৰিছিলা? ভণ্ড!"

কথাৰ লগে লগে ছবিখন মহেন্দ্ৰই মাটিত পেলাই দি জোতাৰে গচকি তাৰ কাঁচখন টুকুৰাটুকুৰ কৰি পেলালে আৰু ছবিখন হাতত লৈ কালি ডোখৰ ডোখৰ কৰি বিহাৰীৰ গা-লৈ দলিয়াই দিলে।

তেওঁৰ মত্ততা দেখা পাই বসন্তই আকৌ এবাৰ ভয়ত কান্দি উঠিল। বিহাৰীৰ কণ্ঠ ৰুদ্ধপ্ৰায় হৈ আহিল—দুৱাৰৰ পিনে আঙুলিয়াই দি ক'লে, "তুমি ওলাই যোৱা।"

মহেন্দ্ৰ ধুমুহাৰ বেগেৰে ওলাই গুচি গ'ল।

৩৮

বিনোদিনীয়ে যেতিয়া যাত্ৰীহীন মহিলা শ্ৰেণীৰ গাড়ীৰ পৰা খিৰিকীয়েদি চহাই থোৱা পথাৰ আৰু ছাঁৰে ঘেৰা একোখনি গাঁও দেখিবলৈ ধৰিলে, তেতিয়া তেওঁৰ মনত স্নিগ্ধনিভৃত গাঁৱলীয়া জীৱনৰ দৃশ্য ভাঁহি উঠিল। সেই তৰু-ছাঁয়া বেষ্টনীৰ মাজত তেওঁৰ সৰচিত কল্পনা-নীড়ত নিজৰ প্ৰিয় গ্ৰন্থসমূহ লৈ কিছুদিন নগৰবাসৰ সকলো ক্ষোভ, দাহ আৰু ক্ষতৰ বেদনাৰ পৰা আঁতৰি শান্তিলাভ কৰিব পাৰিব, এই ধাৰণা মনৰ ভিতৰত জাগি উঠিল। জহকালিৰ শস্যশূন্য দিগন্তবিস্তৃত ধূসৰ প্ৰান্তৰত সূৰ্য্যাস্তৰ দৃশ্য দেখি বিনোদিনীয়ে ভাবিবলৈ ধৰিলে, আৰু যেন একোৰে প্ৰয়োজন নাই—মনটোৱে যেন এই সুবৰ্ণৰঞ্জিত স্তব্ধ বিস্তীৰ্ণ শান্তিৰ মাজত সকলোবোৰ পাহৰি হয়ো চকু মুদি বহি থাকিবলৈ বিচাৰে, তৰঙ্গ-বিক্ষুব্ধ সুখদুখৰ সাগৰৰ পৰা

জীৱন-তৰীখনি পাৰৰ উপকূলত চপাই নিঃশব্দ সন্ধ্যাপৰত এজোপা নৰ্কপা বড়-গছৰ শুৰিত বান্ধি ৰাখিবলৈ বিচাৰে, আন একোৰে প্ৰয়োজন নাই। গাড়ী গৈ থাকোঁতে থাকোঁতে কোনো কোনো ঠাইত আমৰ বনৰ পৰা উটি অহা আমৰ মলৰ সুৰভিয়ে যেন গাঁৱৰ স্নিগ্ধ শান্ত পৰিবেশৰ সন্ধান দি তেওঁৰ মনটোক নিবিড়ভাবে দোলা দি গ'ল। মনে মনে তেওঁ কবলৈ ধৰিলে, "বেচ হৈছে, ভালেই হৈছে, নিজকে লৈ আৰু কিমান কঢ়া-আঁজোৰা লগাম—এইবাৰ সকলোবোৰ পাহৰি যাম, শুই থাকিম—গাঁৱলীয়া ছোৱালীৰ দৰে ঘৰৰ আৰু গাঁৱৰ কামৰ মাজত সন্তোষেৰে, আৰামেৰে জীৱন কটাম।"

তৃষ্ণাতুৰ হৃদয়ত এই শান্তিৰ আশা বহন কৰি বিনোদিনী আহি নিজৰ কুটিৰৰ ভিতৰত সোমাল। কিন্তু হায়, শান্তি ক'ত। কেৱল শূন্যতা আৰু দাৰিদ্ৰ্য। চাৰিওপিনে সকলোবোৰ বস্তু জীৰ্ণ, অপৰিচ্ছন্ন, অনাদৃত মলিন। বহুদিন ধৰি বন্ধ কৰি ৰখা ঘৰৰ ভিতৰত সেমেকা ভাপৰ উমান পাই উশাহ-নিশাহ যেন বন্ধ হৈ যাব খুজিলে। ঘৰৰ ভিতৰত যি অলপ বস্তু-বেহানি আছিল, সকলোবোৰ কীট-দংশনত, এন্দুৰৰ অত্যাচাৰত আৰু ধূলিৰ আক্ৰমণত ছাৰখাৰ হৈ আছিছে। সন্ধ্যা সময়ত বিনোদিনী ঘৰ পাইছিলগৈ —ঘৰৰ ভিতৰত নিৰানন্দ অন্ধকাৰ। কোনোমতে এটা মাটি-চাকি জ্বলালত. তাৰ ধোঁৱা আৰু ক্ষীণ পোহৰত ঘৰখনৰ দৈন্য আৰু বেচি বঢ়িয়াকৈ ফুটি উঠিল। আগতে যিবোৰ কথাই তেওঁক বেজাৰ দিয়া নাছিল. এতিয়া সেইবোৰ অসহ্য লাগি গ'ল—তেওঁৰ সমস্ত বিদ্ৰোহী অন্তঃকৰণে সমস্ত শক্তিৰে চিঞৰি উঠিল, "এই ঠাইত যে মই এক মুহূৰ্ত্তও কটাব নোৱাৰিম।" বেৰৰ খোপত কোন কাহানিবাৰে ধূলিৰে পোত খাই থকা কেইখনমান কিতাপ আৰু মাছিলি পৰি আছে, সেইবোৰ চুবলৈ মন নগ'ল। বাহিৰত বতাহৰ কোনো আভাস নোপোৱা আম-বাগিচাৰ মাজত জিলী আৰু মহৰ গুণ্ গুণনি আন্ধাৰৰ বুকুত বাজি উঠিছে।

বিনোদিনীৰ যিগৰাকী বৃদ্ধা অভিভাৱিকা আছিল, তেওঁ আৰু ঘৰত তলা লগাই জীয়েকক চাবৰ কাৰণে বহুত দূৰত থকা জোঁৱায়েকৰ ঘৰলৈ গৈছে। বিনোদিনী প্ৰতিবেশিনীসমূহৰ ঘৰলৈ গ'ল। তেওঁলোকে বিনোদিনীক দেখি চক্ খাই উঠিল। ঐ আই, বিনোদিনীৰ গা-ৰ ৰংটো

দেখোন বগা হৈ আছিছে, কাপোৰ-কানিবোৰ ফিটফাট, যেন ক'ৰবাৰ মেম-চাহেবহে। তেওঁলোকে ইজনে সিজনৰ মুখলৈ চাই ইঙ্গিতত্তে কিবাকিবি কথা পাতি বিনোদিনীলৈ চাই পাতলকৈ হাঁহিলে। সেই যে কিবা এটা জনৰৱ শুনিছিল, তাৰ লগত লক্ষণবোৰ দেখোন মিলি গৈছে!

বিনোদিনী তেওঁৰ গাঁৱৰ পৰা সকলো প্ৰকাৰে বহুত দূৰলৈ আঁতৰি পৰিছে, সেই কথা তেওঁ পদে-পদে অনুভৱ কৰিবলৈ ধৰিলে। নিজৰ ঘৰতে তেওঁৰ বনবাস ঘটিল। ক'তো তেওঁৰ এক মুহূৰ্ত্তৰ বাবে আৰামৰ ঠাই নাই।

ডাকঘৰৰ বুঢ়া পিয়নজন বিনোদিনীৰ তাহানিখনৰে চিনাকি। পাচদিনা বিনোদিনীয়ে যেতিয়া পুখুৰী-পাৰত গা ধুবলৈ লৈছে, সেই সময়তে চিঠিৰ জোলোঙাটো লৈ পিয়নটোক বাটেদি যোৱা দেখি বিনোদিনী বৈ থাকিব নোৱাৰিলে। গামোছাখন পেলাই থৈ বেগাবেগিকৈ উঠি গৈ তেওঁক মাত দি ক'লে, "পাঁচুদাদা, মোৰ কিবা চিঠি আছে নেকি।"

বুঢ়াই ক'লে, "নাই।"

বিনোদিনী ব্যাকুল হৈ উঠিল—ক'লে, "থাকিবও পাৰে। এবাৰ চাওঁচোন বাৰু।"

এইবুলি চুবুৰীটোৰ মাথোন পাঁচখন নে ছখন চিঠি লুটিয়াই-বগৰাই চালে, কোনোখনেই তেওঁৰ নহয়। বিমৰিষ মনেৰে যেতিয়া ঘাটলৈ উভতি আহিল, তেতিয়া তেওঁৰ কোনো এগৰাকী সখীয়ে দুষ্টামিৰ হাঁহি মাৰি সুধিলে, "কি হে বিন্দি, চিঠিৰ কাৰণে ইমান হাবাথুৰি খাইছা কিয়।"

আৰু এগৰাকী জিভা-পাতল সখীয়ে ক'লে, "বঢ়িয়া কথা। ডাকত চিঠি আহে—এনে কপাল কেইজনৰ হয়। আমাৰ দেখোন স্বামী, দেৱৰ, ভাই গোটেই মখাই বিদেশত কাম কৰে—তথাপি পিয়নৰ দয়া নহয়।"

এইদৰে প্ৰতিটো কথাতে পৰিহাস স্পষ্টতৰ আৰু কটাক্ষ তীক্ষ্ণতৰ হৈ আহিবলৈ ধৰিলে। বিনোদিনীয়ে বিহাৰীক অনুনয় কৰি আহিছিল, যদিও প্ৰত্যেক দিনেই সম্ভৱপৰ নহয়, তথাপি সপ্তাহত অন্ততঃ দুবাৰকৈ তেওঁলৈ বেচি নহলেও দুশাৰী যেন লিখিবলৈ নেপাহৰে। আজিয়েই বিহাৰীৰ চিঠি পোৱাৰ সম্ভাৱনা অতি কম, তথাপি হেপাহটো ইমান বেচি হৈ উঠিছিল যে,

দূৰ-সম্ভাৱনাৰ আশাও বিনোদিনীয়ে ত্যাগ কৰিব নোৱাৰিলে। তেওঁৰ ধাৰণা হ'বলৈ ধৰিছিল, যেন কলিকতা এৰিবৰ কিমান দিন হৈ গ'ল!

মহেন্দ্ৰৰ লগত জড়িত কৰি বিনোদিনীৰ নামত লোক-নিন্দা গাঁৱৰ ঘৰে ঘৰে কিদৰে বিয়পি পৰিছিল, শত্ৰু-মিত্ৰৰ কৃপাত বিনোদিনীৰ ওচৰত সি অগোচৰ হৈ ন'ৰল। শান্তি ক'ত।

গাঁৱৰ মানুহৰ পৰা বিনোদিনীয়ে নিজকে আঁতৰত ৰাখিবৰ কাৰণে চেষ্টা কৰিলে। সেইবাবে, গাঁৱৰ মানুহবোৰৰ অ'ক বেচি খং উঠিল। পাতকিনীক আগত লৈ ঘৃণা আৰু অত্যাচাৰ কৰাৰ বিলাস-সুখৰ পৰা তেওঁলোক বঞ্চিত হ'ব নোখোজে।

সৰু এখন গাঁৱৰ মাজত নিজকে সকলোৰে পৰা গোপন কৰি ৰখাৰ চেষ্টা বৃথা। ইয়াত আহত হৃদয়ক কোণৰ অন্ধকাৰত লৈ নিৰ্জ্জনে শুশ্ৰূষা কৰাৰ অৱকাশ নাই—যেনিয়ে-তেনিয়ে সকলোৰে তীক্ষ্ণ কৌতুহল-দৃষ্টি আহি ক্ষত-স্থানৰ ওপৰত পৰেহি। বিনোদিনীৰ অন্তঃপ্ৰকৃতিয়ে কলহৰ ভিতৰত জীয়াই থোৱা মাছৰ দৰে যিমানে বেচি ছটফটাবলৈ ধৰিলে, সিমানে চাৰিওপিনৰ সঙ্কীৰ্ণতাৰ মাজত নিজকে বাৰে বাৰে আঘাত কৰিবলৈ লাগিল। ইয়াত স্বাধীনভাৱে পৰিপূৰ্ণ ৰূপত বেদনা ভোগ কৰিবৰ বাবেও ঠাইৰ নাটনি।

দ্বিতীয় দিনা চিঠি পোৱাৰ সময় উকলি যোৱাৰ লগে লগে ঘৰৰ দুৱাৰ বন্ধ কৰি বিনোদিনী চিঠি লিখিবলৈ বহিল,

"দেৱৰ-বোপা, ভয় নকৰিবা, মই তোমালৈ প্ৰেমৰ চিঠি লিখিবলৈ বহা নাই। তুমি মোৰ বিচাৰক, মই তোমাক প্ৰণাম কৰোঁ। মই যে পাপ কৰিছোঁ, তুমি তাৰ বাবে কঠিন দণ্ড বিহিছা; তোমাৰ আদেশ পোৱাৰ লগে লগে মই সেই দণ্ড মূৰ দোঁৱাই বহন কৰিছোঁ। কেৱল এয়েই দুখ যে, সেই দণ্ড কিমান কঠিন, তুমি তাক দেখা নেপালা। যদি দেখিলাহেঁতেন, যদি জানিব পাৰিলাহেঁতেন, তেন্তে তোমাৰ মনত যি দয়াৰ সঞ্চাৰ হ'লহেঁতেন, মই তাৰ পৰাও বঞ্চিত হ'লোঁ। তোমাক স্মৰণ কৰি, মনে মনে তোমাৰ দুখনি চৰণ-তলিত মোৰ শিৰ থৈ, মই ইয়াকো সহ্য কৰি যাম। কিন্তু প্ৰভু, নেপালে তাৰ প্ৰাণ ৰক্ষা নপৰে, সেইখিনিও যে বাকী ৰৈ গৈছে। তোমাৰ হাতৰ দুশাৰী লিখা মোৰ এই নিৰ্ব্বাসনৰ আহাৰ—তাকো যদি

নেপাওঁ, তেন্তে ই কেৱল মোৰ নিৰ্ব্বাসন দণ্ড নহ'ব, প্ৰাণদণ্ডই হ'ব। মোক ইমান বেচিকৈ তুমি পৰীক্ষা নকৰিবা, হে দণ্ডদাতা। মোৰ পাপবিদ্ধ মনত অহঙ্কাৰৰ সীমা নাছিল—কাৰোবাৰ ওচৰত যে মই এইদৰে মূৰ দোঁৱাব লাগিব, ই মোৰ সপোনৰো অগোচৰ আছিল। তোমাৰ জয় হৈছে, প্ৰভু; মই বিদ্ৰোহ কৰিবলৈ নেযাওঁ। কিন্তু মোক দয়া কৰা—মোক বাচি থাকিবলৈ দিয়া। এই অৰণ্যবাসৰ সম্বল স্বৰূপে মোক সামান্য কিছু দিবা। সেয়ে হ'লে, তোমাৰ শাসনৰ পৰা মোক কোনেও একোতেই টলাব নোৱাৰিব। এইৰূপ দুখৰ কথা জনালোঁ। আৰু যিবোৰ কথা মনৰ ভিতৰত আছে, ক'বৰ কাৰণে বুকু ফাটি যাব খুজিছে, সেইবোৰ কথা তোমাক নজনাওঁ বুলি প্ৰতিজ্ঞা কৰিছোঁ—সেই প্ৰতিজ্ঞা ৰক্ষা কৰিলোঁ।

তোমাৰ

বিনোদ-বৌদেউ।"

বিনোদিনীয়ে সেই চিঠি ডাকত দিলে—গাঁৱৰ মানুহবোৰে নিন্দা কৰিবলৈ ধৰিলে। ঘৰৰ ভিতৰত দুৱাৰ বন্ধ কৰি সোমাই থাকে, চিঠি লিখে, চিঠি পাবৰ কাৰণে পিয়নক আক্ৰমণ কৰে—কলিকতাত দুদিন থাকিলেই হবলা লাজ-লজ্জা সকলোবোৰ এইদৰে বিসৰ্জ্জন দিব লাগে।

পাচদিনাখনো চিঠি নেপালে। বিনোদিনী গোটেই দিনটো নিৰ্ব্বাক হৈ ৰ'ল, তেওঁৰ মুখৰ ভঙ্গী কঠিন হৈ উঠিল। অন্তৰে-বাহিৰে চাৰিওপিনৰ আঘাত আৰু অপমানৰ মন্থনত তেওঁৰ হৃদয়ৰ অন্ধকাৰ গভীৰতাৰ মাজৰ পৰা নিষ্ঠুৰ সংহাৰশক্তিয়ে মূৰ্ত্তি পৰিগ্ৰহ কৰি বাহিৰলৈ ওলাই আহিব খুজিলে। সেই নিদাৰুণ নিষ্ঠুৰতাৰ আবিৰ্ভাৱ বিনোদিনীয়ে সভয়ে উপলব্ধি কৰি ঘৰৰ দুৱাৰ বন্ধ কৰি দিলে।

তেওঁৰ হাতত বিহাৰীৰ একোৱেই নাছিল, ছবি এখন নাই, দুশাৰী মাথোন চিঠি এখনো নাই, একোৱেই নাই। তেওঁ যেন শূন্যৰ মাজত কিবা এটা বিচাৰি ফুৰিবলৈ ধৰিলে। তেওঁ বিহাৰীৰ কিবা এটা চিন বুকুৰ মাজত সাৱটি লৈ শুকান চকুযুৰিলৈ এটোপাল পানী নমাই অনিবলৈ বিচাৰে। চকুৰ পানীৰে অন্তৰৰ সমস্ত কঠিনতাক গলাই বিদ্ৰোহৰ জুইকুৰা নুমাই বিহাৰীৰ কঠোৰ আদেশক হৃদয়ৰ কোমলতম প্ৰেমৰ সিংহাসনত বহুৱাই ৰাখিব খোজে। কিন্তু অনাবৃষ্টিৰ সময়ত দুপৰ-আকাশৰ দৰে তেওঁৰ হৃদয়

কেৱল উমি উমি জলিবলৈ ধৰিলে, দিক্-দিগন্ত ক'তো এটোপাল পানীৰ আভাস বিচাৰি নেপালে।

বিনোদিনীয়ে শুনিছিল, একাগ্ৰচিত্তেৰে ধ্যান কৰি যদি কাৰোবাক আহ্বান কৰা হয়, তেন্তে তেওঁ নহাকৈ নোৱাৰে। সেইবাবেই হাতযোৰ কৰি চকু দুটা মুদি তেওঁ বিহাৰীক মাতিবলৈ ধৰিলে, "মোৰ জীৱন শূন্য, মোৰ হৃদয় শূন্য, মোৰ চাৰিওদিশ শূন্য—এই শূন্যতাৰ মাজলৈ এবাৰ তুমি আহাঁ, এক মুহূর্ত্তৰ কাৰণে আহাঁ, তুমি আহিবই লাগিব, মই তোমাক একোতেই এৰি নিদিওঁ।"

এই কথা প্ৰাণৰ সকলো শক্তিৰে উচ্চাৰণ কৰি থাকোঁতে বিনোদিনীয়ে যেন সঁচাসঁচিকৈয়ে যথাৰ্থ শক্তি লাভ কৰিলে। ধাৰণা হ'ল, যেন এই প্ৰেমৰ শক্তি, এই আহ্বানৰ শক্তি অথলে যাব নোৱাৰে। কেৱল স্মৰণ কৰিয়েই দুৰাশাৰ মূলত হৃদয়ৰ ৰক্ত সেচন কৰিলে হৃদয় কেৱল অৱসন্ন হৈ পৰে। তথাপি এইদৰে একান্ত মনেৰে ধ্যান কৰি প্ৰাণৰ সকলো শক্তিকে কামনা কৰিবলৈ ল'লে নিজকে কিছু অৱলম্বনযুক্ত বুলি ধাৰণা হয়। ধাৰণা হয়, যেন প্ৰবল ইচ্ছাৰে জগতৰে আন সকলোকে বাদ দি কেৱল বাঞ্ছিতজনক আকৰ্ষণ কৰি থকাৰ বাবে মুহূর্ত্তে মুহূর্ত্তে ধীৰে ধীৰে তেওঁ কাষ চাপি আছে।

বিহাৰীৰ ধ্যানত যেতিয়া দীপহীন অন্ধকাৰ ঘৰ নিবিড়ভাবে পৰিপূৰ্ণ হৈ উঠিছে—যেতিয়া সমাজ-সংসাৰ, গাওঁ-ভূঁই গোটেই বিশ্ব-ভুবন প্ৰলয়ৰ বুকুত বিলীন হৈ গৈছে—তেতিয়া হঠাৎ দুৱাৰত কাৰোবাৰ আঘাত শুনি বিনোদিনী লৰালৰিকৈ থিয় হৈ উঠিল, সংশয়বিহীন বিশ্বাস লৈ দৌৰি গৈ দুৱাৰখন মেলি দি ক'লে, "প্ৰভু, তুমি আহিছা?" তেওঁৰ দৃঢ় প্ৰত্যয় জন্মিল, এই মুহূর্ত্তত জগতৰ আন কোনোৱেই তেওঁৰ দুৱাৰত থিয় দিবহি নোৱাৰে।

মহেন্দ্ৰই ক'লে, "আহিছোঁ বিনোদ।"

বিনোদিনীয়ে অপৰিসীম বিৰাগ আৰু প্ৰচণ্ড ধিক্কাৰেৰে কৈ উঠিল, "যোৱা, যোৱা, তুমি ইয়াৰ পৰা গুচি যোৱা। এতিয়াই যোৱাগৈ।"

মহেন্দ্ৰ হঠাৎ থৰ হৈ ৰৈ গ'ল।

"হয় নে বিন্দি, তোৰ জেশাহুৱেৰ যদি কাইলৈ—" এইদৰে কিবা এবাৰ কথা কৈ কৈ এগৰাকী বৃদ্ধা প্ৰতিবেশিনী দুৱাৰৰ ওচৰলৈ আহি, "ঐ আই" বুলি বিৰাট এখন ওৰণি লৈ বেগাবেগিকৈ তাৰ পৰা আঁতৰি গ'ল।

৩৯

গাঁৱত ভীষণ এটা গোলমাল লাগি গ'ল। চণ্ডীমণ্ডপত বহি থকা গাঁৱৰ বুঢ়া-মেথা সকলে ক'লে, "এই কাম কেতিয়াও সহ্য কৰিব নোৱাৰি। কলিকতাত কি ঘটিছিল, সেইবোৰলৈ কাণ নিদিলেও হ'লহেঁতেন, কিন্তু ইমান সাহস যে মহেন্দ্ৰলৈ চিঠিৰ উপৰি চিঠি লিখি গাঁৱলৈ মাতি আনি এনে ধৰণৰ প্ৰকাশ্য নিৰ্লজ্জতা! এনে ভ্ৰষ্টা তিৰোতাক গাঁৱত থাকিবলৈ দিবা কেনেকৈ।"

বিনোদিনীয়ে আজি আশা কৰিছিল, বিহাৰীলৈ দিয়া চিঠিৰ উত্তৰ নিশ্চয় পাব, কিন্তু উত্তৰ নাহিল। বিনোদিনীয়ে মনে মনে ভাবিবলৈ ধৰিলে, "মোৰ ওপৰত বিহাৰীৰ কিহৰ অধিকাৰ। মই কিয় তেওঁৰ হুকুম শুনিবলৈ গ'লোঁ। মই কিয় তেওঁক জানিবলৈ দিলোঁ যে, তেওঁ মোৰ প্ৰতি যি বিধান দিয়ে মই তাকে নতশিৰে গ্ৰহণ কৰিম। তেওঁৰ প্ৰেমৰ পাত্ৰী আশাক ৰক্ষা কৰিবৰ বাবে যিখিনি প্ৰয়োজন, মোৰ লগত তেওঁৰ কেৱল সেইখিনিয়েই সম্পৰ্ক? মোৰ নিজৰ কোনো প্ৰাপ্য নাই, দাবী নাই, সামান্য হুশাৰী-ভৰা এখন চিঠিও নেপাম—মই ইমান তুচ্ছ, ইমান ঘৃণাৰ সামগ্ৰী?" ঈৰ্ষাৰ বিষেৰে বিনোদিনীৰ সমস্ত হৃদয় পূৰ্ণ হৈ উঠিলত, তেওঁ ক'লে, "আন যি কোনোজনৰে কাৰণে ইমান দুখ সহ্য কৰিব পাৰি, কিন্তু সেইবুলি আশাৰ কাৰণে নোৱাৰি। এই দৈন্য, এই বনবাস, এই লোকনিন্দা, এই অৱজ্ঞা, এই জীৱনৰ সকলো ধৰণৰ অপৰিতৃপ্তি, কেৱল আশাৰ কাৰণেই মই বহন কৰি যাব লাগিব—ইমান বিৰাট প্ৰবঞ্চনা মই কিয় নতশিৰে গ্ৰহণ কৰি ল'লোঁ। কিয় মোৰ সৰ্ব্বনাশৰ ব্ৰত সম্পূৰ্ণ কৰি নাহিলোঁ। নিৰ্ব্বোধ, মই নিৰ্ব্বোধ। মই কিয় বিহাৰীক ভাল পাই বহিলোঁ।"

বিনোদিনী যেতিয়া কাঠৰ মূৰ্ত্তিৰ দৰে ঘৰৰ ভিতৰত কঠিন হৈ বহি আছিল, ঠিক তেনে সময়তে তেওঁৰ জেশাহুৱেক জোঁৱায়েকৰ ঘৰৰ পৰা উভতি আহিল আৰু আহিয়েই ক'লে "কুলক্ষণী, এইবোৰ কি শুনিবলৈ পাইছোঁ।"

বিনোদিনীয়ে ক'লে, "যি শুনিছা, সকলোবোৰ সঁচা কথা।"

জেশাহু। তেন্তে কলঙ্ক গাঁৱলৈ কঢ়িয়াই আনিবলৈ তোক কিহে পাইছিল—ইয়ালৈ আহিছি কিয়।

কদ্ধ কোভত বিনোদিনী নির্ব্বাক হৈ ৰ'ল। জেশাহুৰেকে ক'লে, "বোলোঁ আইটি, ইয়াত তুমি থাকিবলৈ নোপোৱা, কৈ দিছোঁ এক। মোৰ পোৰা কপাল, আটাইবোৰ মৰি-হাজি চুকাল, সেই সকলোখিনি সহ্য কৰি জীয়াই আছোঁ, কিন্তু সেইবুলি এইবোৰ কাণ্ড মই সহিব নোৱাৰিম। ছিঃ, লাজত মুখ লুকুৱাব নোৱাৰা হ'লোঁ। তুমি এতিয়াই ওলাব লাগিব।"

বিনোদিনীয়ে ক'লে, "মই এতিয়াই যাম।"

এনে সময়তে গা-পা নোধোৱাকৈ, ভাত-পানী নোখোৱাকৈ, চুলিকোছা খেলিমেলিকৈ হঠাৎ মহেন্দ্র আহি ওলালহি। গোটেই ৰাতিটো উজাগৰে কটাই চকু দুটা ৰঙা, মুখখন শুকান হৈ পৰিছে। ৰাতি নৌ পুৱাওঁতেই তেওঁ আহি বিনোদিনীক লৈ যাবৰ কাৰণে দ্বিতীয় বাৰ চেষ্টা কৰিব, এই সংকল্প তেওঁ কৰি থৈছিল। কিন্তু আগদিনাখন বিনোদিনীৰ অভূতপূর্ব্ব ঘৃণাৰ অভিঘাত পাই তেওঁৰ মনত নানা ধৰণৰ দ্বিধাৰ উদয় হ'বলৈ ধৰিলে। ক্রমে যেতিয়া সময় পাৰ হৈ যাবলৈ ধৰিলে, ৰেলগাড়ীৰ সময় কাষ চাপি আহিল, তেতিয়া ষ্টেছনৰ জিৰণি-ঘৰৰ পৰা ওলাই আহি, মনৰ পৰা সকলো ধৰণৰ বিচাৰ-বিতর্ক জোৰকৈ দূৰ কৰি, গাড়ী এখনত উঠি মহেন্দ্র একেবাৰে বিনোদিনীৰ দুৱাৰমুখত থিয় দিছেহি। লাজ-মান কাতি কৰি দেখাদেখিকৈ দুঃসাহসিক কামত হাত দিলে যি এক স্পর্দ্ধাপূর্ণ শক্তিৰ সঞ্চাৰ হয়, সেই শক্তিৰ প্রেৰণাত মহেন্দ্রই এক উদ্‌ভ্রান্ত আনন্দ বোধ কৰিলে—তেওঁৰ সকলো অৱসাদ আৰু দ্বিধা চূর্ণ হৈ গ'ল। গাঁৱৰ কৌতূহলী জন-মণ্ডলী তেওঁৰ উন্মত্ত দৃষ্টিৰ সমুখত ধূলিৰ কিছুমান নির্জ্জীৱ পুতলাৰ দৰে লাগি গ'ল। মহেন্দ্রই কোনোপিনে ভ্রূক্ষেপ নকৰাকৈ পোনে পোনে বিনোদিনীৰ সমুখত থিয় দি ক'লে "বিনোদ, লোক-নিন্দাৰ মুখত মই তোমাক অকলশৰে এৰি থৈ যাম, এনে কাপুৰুষ মই নহওঁ। যেনেকৈয়ে হওক, মই তোমাক ইয়াৰ পৰা লৈ যাবই লাগিব। তাৰ পাচত, তুমি যদি মোক পৰিত্যাগ কৰিবলৈ বিচাৰা, পৰিত্যাগ কৰিবা, মই তোমাক অকণো বাধা নিদিওঁ। মই তোমাৰ গা চুই শপত খাই কৈছোঁ, তুমি যেতিয়া যেনেকৈ ইচ্ছা কৰা, সেয়ে হ'ব—দয়া যদি কৰা, তেন্তে বাচিম; নকৰা যদি তোমাৰ বাটৰ পৰা মই বহু দূৰলৈ আঁতৰি যামগৈ। মই সংসাৰত নানা অবিশ্বাসৰ কাম কৰিছোঁ, তথাপি আজি মোক অবিশ্বাস নকৰিবা। আমি প্রলয়ৰ মুখত থিয় দি আছোঁ,

এতিয়া ছলনা কৰাৰ সময় নহয়।"

বিনোদিনীয়ে অতি সহজভাবে অবিচলিত-মুখেৰে ক'লে, "মোক তোমাৰ জগত লৈ ব'লা। তোমাৰ গাড়ী আছে?"

মহেন্দ্ৰই ক'লে, "আছে।"

বিনোদিনীৰ জেশাহুৱেক ঘৰৰ ভিতৰৰ পৰা খাহিৰ ওলাই ক'লে, "মহেন্দ্ৰ, তুমি মোক চিনি নোপোৱা, কিন্তু তুমি মোৰ পৰ নোহোৱা। তোমাৰ মাৰা ৰাজলক্ষ্মী আমাৰ এই গাঁৱৰে জীয়ৰী, দূৰ-সম্পৰ্কত মই তেওঁৰ মামীয়েক। তোমাক সুধিব পাৰোঁ নে, এয়া তোমাৰ কি ধৰণৰ ব্যৱহাৰ। ঘৰত তোমাৰ পৰিবাৰ আছে, মাৰা আছে, আৰু তুমি এনে দগধা পখাছিঙাৰ দৰে ঘুৰি ফুৰিছা। ভদ্ৰ সমাজত তুমি মুখ দেখুৱাবা কেনেকৈ।"

মহেন্দ্ৰ যি ভাবোন্মদৰ জগতত আছিল, হঠাৎ সেই ঠাইত এক আঘাত লাগিল। তেওঁৰ মাক আছে, পৰিবাৰ আছে। ভদ্ৰ সমাজ বুলি এটা বস্তু আছে। এই সহজ কথাষাৰ যেন নতুনকৈ মনত পৰি গ'ল। এই সুদূৰ অচিন গাঁৱৰ এক অপৰিচিত ঘৰৰ দুৱাৰমুখত মহেন্দ্ৰই যে এনে কথা শুনিব লাগিব, ই এসময়ত তেওঁৰ স্বপ্নৰো অতীত আছিল। দিন-দুপৰীয়া গাঁৱৰ মাজ-মজিয়াত থিয় হৈ তেওঁ এগৰাকী ভদ্ৰ ঘৰৰ বিধবা ৰমণীক ঘৰৰ ভিতৰৰ পৰা বাটলৈ উলিয়াই আনিছে, মহেন্দ্ৰৰ জীৱনচৰিতত এনে এক অদ্ভুত অধ্যায়ো লিখা হৈ গ'ল। তথাপি তেওঁৰ মাক আছে, পৰিবাৰ আছে, আৰু ভদ্ৰ সমাজ আছে।

মহেন্দ্ৰ যেতিয়া নিৰুত্তৰ হৈ থিয় দি ৰ'ল, তেতিয়া বুঢ়ীয়ে ক'লে, "যাব লাগে যদি এতিয়াই যোৱা, এতিয়াই যোৱা। মোৰ ঘৰৰ দুৱাৰমুখত থিয় দি নেথাকিবা—আৰু এক মুহূৰ্ত্তও পলম নকৰিবা।"

এইবুলি কৈয়েই বুঢ়ীয়ে ঘৰৰ ভিতৰলৈ সোমাই দুৱাৰখন জপাই দিলে। গা-পা নোধোৱাকৈ, একো নোখোৱা-নোবোৱাকৈ, মলিয়ন কাপোৰ এসাজ পিন্ধিয়েই বিনোদিনী শুদা হাতেৰে গাড়ীৰ ওপৰত উঠিলগৈ। মহেন্দ্ৰ যেতিয়া গাড়ীত উঠিব খুজিলে, বিনোদিনীয়ে ক'লে, "ও-হো, ষ্টেছনলৈ বেচি দূৰ নহয়, তুমি খোজ কাঢ়ি আহি থাকা।"

মহেন্দ্ৰই ক'লে, "তেতিয়া হ'লে গাঁৱৰ গোটেইবোৰ মানুহেই মোক দেখিবলৈ পাব।"

বিনোদিনীয়ে ক'লে, "এতিয়াও তোমাৰ লাজৰ বাকী আছে নে?" এইবুলি কৈ গাড়ীৰ দুৱাৰ বন্ধ কৰি বিনোদিনীয়ে গাড়োৱানক ক'লে, "ষ্টেছনলৈ ব'লা।"

গাড়োৱানে সুধিলে, "বাবু নেযায় নেকি?"

মহেন্দ্ৰই অলপ ইতস্ততঃ কৰি আৰু যাবলৈ সাহস নকৰিলে। গাড়ীখন চলিবলৈ আৰম্ভ কৰিলে। মহেন্দ্ৰই গাঁৱৰ মাজেদি যোৱা বাট এৰি পথৰুৱা বাটেদি তলমূৰ কৰি ষ্টেছনৰ পিনে পোনাই দিলে।

তেতিয়া গাঁৱৰ জীয়ৰী-বোৱাৰীবিলাকৰ গা ধোৱা, ভাত খোৱা হৈ গৈছে। কেৱল যিবিলাক কামত ব্যস্ত বয়সিয়াল তিৰোতাই পলমকৈ জিৰণি পাইছে, তেওঁলোকেহে গামোছা আৰু তেল-টেঙাৰ সঁজুলি লৈ আমৰ মলৰ সুৰভিৰে আমোলমোল কোমল ছাঁৰে চাটি ৰখা পুখুৰীৰ নিৰ্জ্জন ঘাটৰ পিনে বাট বুলিছে।

৪০

মহেন্দ্ৰ ক'ত নিৰুদ্দেশ হৈ গ'ল, সেই চিন্তাতে ৰাজলক্ষ্মীৰ পেটত ভোক চকুত টোপনি নোহোৱা হ'ল। সাধুচৰণে সম্ভৱ-অসম্ভৱ সকলো ঠাইতে তেওঁক বিচাৰি ফুৰিছে—এনে সময়তে মহেন্দ্ৰ বিনোদিনীক লৈ কলিকতালৈ উভতি আহিল। পটলডাঙাৰ ভাৰা-ঘৰত তেওঁক থৈ ৰাতি মহেন্দ্ৰ তেওঁৰ নিজ ঘৰলৈ আহিল।

মাকৰ কোঠাত সোমায়েই মহেন্দ্ৰই দেখিলে, কোঠাটো প্ৰায় আন্ধাৰ হৈয়েই আছে, কেৰাচিন-লেম্পটো অলপ ঢাকি থোৱা হৈছে। ৰাজলক্ষ্মী বেমাৰী মানুহৰ দৰে বিচনাত শুই আছে আৰু চৰণতলত বহি আশাই লাহে লাহে তেওঁৰ ভৰিৰ ওপৰত হাত বুলাই দিছে। ইমান দিনৰ পাচত ঘৰৰ বোৱাৰীয়ে শাহুৱেকৰ চৰণতলৰ অধিকাৰ লাভ কৰিলে।

মহেন্দ্ৰ অহাৰ লগে লগে আশা চক্ খাই উঠিল আৰু কোঠাৰ পৰা ওলাই গুচি গ'ল। মহেন্দ্ৰই জোৰকৈ সকলো দ্বিধা দূৰ কৰি ক'লে, "মা, ইয়াত মোৰ পঢ়াৰ সুবিধা নহয়; মই কলেজৰ ওচৰতে এটা ঘৰ ভাৰা লৈছোঁ; তাতে থাকিম।"

ৰাজলক্ষ্মীয়ে বিচনাৰ মূৰলৈ আঙুলিয়াই দি ক'লে, "মহিন, অলপ বহচোন।"

মহেন্দ্ৰই সঙ্কোচেৰে সৈতে বিচনাত বহিল। ৰাজলক্ষ্মীয়ে ক'লে, "মহিন, তোৰ য'তে ইচ্ছা তাতে থাক। কিন্তু মোৰ বোৱাৰীক তই কষ্ট নিদিবি।"

মহেন্দ্ৰ মনে মনে থাকিল। ৰাজলক্ষ্মীয়ে ক'লে, "মোৰ দুৰ্ভাগ্য, সেইবাবেই মই মোৰ এনে লখিমী বোৱাৰীক চিনিব পৰা নাছিলোঁ।" ৰাজলক্ষ্মীৰ মাতটো থোকাথুকি হৈ আহিল,—"কিন্তু তই তাইক ইমানদিন ধৰি চিনি পাই, ইমান বেচি ভাল পাই, শেষত এনে দুখৰ মাজত পেলালি কেনেকৈ।" ৰাজলক্ষ্মী আৰু ব'ব নোৱাৰিলে, তেওঁ কান্দি পেলালে।

মহেন্দ্ৰই তাৰ পৰা কোনোমতে উঠি পলাব পাৰিলেই ৰক্ষা পায়; কিন্তু ঘপ্‌কৈ উঠি যাবও নোৱাৰিলে। মাকৰ বিচনাৰ এচুকতে আন্ধাৰৰ মাজত মনে মনে বহি ৰ'ল।

বহুত পৰৰ পাচত ৰাজলক্ষ্মীয়ে সুধিলে, "আজি ৰাতিটো ইয়াতে থাকিবি নহয়?"

মহেন্দ্ৰই ক'লে, "ওঁ-হো।"

ৰাজলক্ষ্মীয়ে সুধিলে, "কেতিয়া যাবি।"

মহেন্দ্ৰই ক'লে, "এতিয়াই।"

ৰাজলক্ষ্মী অতি কষ্টেৰে উঠি বহিল, "এতিয়াই? এবাৰ বোৱাৰীৰ লগত ভালকৈ দেখা এটাও নিদিয়াকৈ যাবি?"

মহেন্দ্ৰ নিৰুত্তৰ হৈ ৰ'ল। ৰাজলক্ষ্মীয়ে ক'লে, "এই কেইটা দিন বোৱাৰীয়ে যে কিদৰে কটাইছে, তাক তই এধানমানিও বুজিব নোৱাৰিবি। হেৰ' নিলাজ, তোৰ নিষ্ঠুৰতা দেখি মোৰ বুকু ফাটি যাব খুজিছে।" এইবুলি কৈয়েই ৰাজলক্ষ্মী এডাল ভাগি পৰা গছৰ ডালৰ দৰে বিচনাত শুই পৰিল।

মাকৰ বিচনাৰ পৰা মহেন্দ্ৰ উঠি গ'ল। হাতত সাৰে ভৰিত সাৰে তেওঁ খটখটীয়েদি ওপৰমহলাৰ শোৱনি-কোঠাৰ পিনে খোজ ল'লে। আশাৰ লগত দেখা কৰাটো তেওঁৰ ইচ্ছাৰ বিৰুদ্ধ আছিল।

মহেন্দ্ৰই ওপৰলৈ উঠিয়েই দেখিলে, তেওঁৰ শোৱনি-কোঠাৰ সমুখতে

ঘিটুকুৰা ছাদৰ ওপৰত চাল দি থোৱা আছে, আশা তাতে মাটিত শুই আছে। তেওঁ মহেন্দ্ৰৰ ভৰিৰ শব্দ শুনা নাছিল, হঠাৎ তেওঁক মুখামুখিকৈ দেখা পাই বেগাবেগিকৈ কাপোৰ-কানি সামৰি লৈ উঠি বহিল। এই সময়ত মহেন্দ্ৰই যদি এবাৰৰ কাৰণে "চুনি" বুলি মাত দিলেহেঁতেন, তেন্তে সেই মুহূৰ্ত্তে তেওঁ মহেন্দ্ৰৰ সকলো অপৰাধ নিজৰ মূৰত জাপি লৈ ক্ষমা লাভ কৰা অপৰাধিনীৰ দৰে মহেন্দ্ৰৰ দুখনি চৰণ সাৱটি ধৰি তেওঁৰ জীৱনৰ গোটেইখিনি কান্দোন কান্দি ল'লেহেঁতেন। কিন্তু মহেন্দ্ৰই সেই মৰমৰ সম্বোধনেৰে মাতিব নোৱাৰিলে। তেওঁ যিমানেই চেষ্টা নকৰক, ইচ্ছা নকৰক, যিমানেই তেওঁ বেদনা অনুভৱ নকৰক, এই কথা পাহৰিব নোৱাৰিলে যে, আজি আশাক আদৰ কৰাটো শূন্যগৰ্ভ পৰিহাস মাথোন। মহেন্দ্ৰই নিজৰ হাতেৰে যেতিয়া বিনোদিনীক পৰিত্যাগ কৰাৰ পথ একেবাৰে বন্ধ কৰি দিছে, তেতিয়া তেওঁক মুখৰ কথাৰে সান্ত্বনা দি কি লাভ!

আশা কুচিমুচি বহি ৰ'ল। থিয় হ'বলৈ নাই'বা গুচি যাবলৈ— কোনোপ্ৰকাৰ গতিৰ চেষ্টা পৰ্য্যন্ত কৰিবলৈ তেওঁৰ লাজ লাগিছিল। মহেন্দ্ৰই কোনো কথা নোকোৱাকৈ লাহে লাহে ছাদৰ ওপৰত টহল দিবলৈ ধৰিলে। কৃষ্ণপক্ষৰ আকাশত তেতিয়াও জোনটো ওলোৱা নাই— ছাদৰ এচুকত সৰু এটা টাবত ৰজনীগন্ধাৰ গছত দুডাল ঠাৰিত ফুল ফুটিছিল। ছাদৰ ওপৰত অন্ধকাৰ আকাশৰ বুকুত থকা সেই নক্ষত্ৰপুঞ্জ— সৌ সপ্তৰ্ষি, সেই কালপুৰুষ, তেওঁলোকৰ বহুতো সন্ধ্যাৰ বহুতো নিভৃত প্ৰেমাভিনয়ৰ নীৰৱ সাক্ষী হৈ ৰৈ আছিল। আজিও সিহঁতে থৰ লাগি চাই আছে।

মহেন্দ্ৰই ভাবিবলৈ ধৰিলে, মাজৰ এই মাত্ৰ কেইটামান দিনৰ বিপ্লৱ-কাহিনী এই আকাশ-ভৰা আন্ধাৰখিনিৰে মচি পেলাই যদি আগৰ সেই দিনবোৰৰ দৰে এই মুকলি ছাদৰ ওপৰত এখন কঠ পাৰি লৈ আশাৰ কাষত সেই চিৰন্তন ঠাইটুকুৰাত মই যদি অতি অনায়াসে বহিব পাৰিলোহেঁতেন! কোনো প্ৰশ্ন নাই, উত্তৰ নাই, সেই বিশ্বাস, সেই প্ৰেম, সেই সহজ আনন্দ! কিন্তু হায়! জগতৰ মাজত মাথোন সেই ঠাইটুকুৰালৈ উভতি যোৱাৰ পথ আৰু নাই। এই ছাদৰ ওপৰত আশাৰ কাষত কঠখনৰ অকণমানি ঠাই মহেন্দ্ৰই চিৰদিনলৈ হেৰুৱাইছে। ইমান দিন পৰ্য্যন্ত বিনোদিনীৰ লগত

মহেন্দ্ৰৰ বহুখিনি স্বাধীন সম্পৰ্ক আছিল। ভালপোৱাৰ উন্মত্ত সুখ আছিল, কিন্তু তাৰ অবিচ্ছেদ্য বন্ধন নাছিল। এতিয়া মহেন্দ্ৰই বিনোদিনীক সমাজৰ বুকুৰ পৰা নিজৰ হাতেৰে কাঢ়ি আনিছে, এতিয়া আৰু বিনোদিনীক ক'ৰবাত থৈ আহিবৰ, ক'ৰবাত ওলোটাই দি আহিবৰ ঠাই নাই—মহেন্দ্ৰয়েই তেওঁৰ একমাত্ৰ নিৰ্ভৰ। এতিয়া ইচ্ছা থাকক বা নেথাকক, বিনোদিনীৰ সকলো ভাৰ তেওঁৰেই বহন কৰিব লাগিব। এই কথা ভাবি মহেন্দ্ৰৰ হৃদয় ভিতৰে-ভিতৰে অশান্তিৰে উপচি পৰিল। তেওঁলোকৰ ছাদৰ ওপৰত থকা এই ঘৰ-সংসাৰ, এই শান্তি, এই বাধাহীন দাম্পত্যমিলনৰ মধু-ৰজনী, হঠাৎ মহেন্দ্ৰৰ বাবে বৰ আৰামৰ বুলি ধাৰণা জন্মি গ'ল। এই সহজ সুলভ আৰাম, যাৰ ওপৰত কেৱল তেওঁৰেই অধিকাৰ, সেই বস্তুটোৱেই আজি মহেন্দ্ৰৰ বাবে দুৰাশাৰ সামগ্ৰী। চিৰজীৱনৰ বাবে যি বোজা তেওঁ মূৰৰ ওপৰত তুলি লৈছে, তাক নমাই থৈ মহেন্দ্ৰই এক মুহূৰ্ত্তৰ কাৰণে উশাহ ল'বলৈয়ো আজৰি নেপাব।

এটা হুমুনিয়াহ কাঢ়ি মহেন্দ্ৰই আশাৰ পিনে চাই ল'লে। নিস্তব্ধ ৰোদনেৰে বুকু ওপচাই আশা তেতিয়াও নিশ্চল হৈ বহি আছে—ৰাতিৰ আন্ধাৰখিনিয়ে মাকৰ আঁচলৰ দৰে তেওঁৰ গ্লানি আৰু বেদনা আবৰি ধৰি আছে।

মহেন্দ্ৰই হঠাৎ টহল দিবলৈ এৰি কি যেন ক'বৰ কাৰণে আশাৰ ওচৰত থিয় দিলেহি। শৰীৰৰ সকলোখিনি তেজ উথলি উঠি কাণৰ সোঁতা পাই যেন কিবা এটা শব্দ কৰিবলৈ ধৰিলে। তেওঁ চকু দুটা মুদি দিলে। মহেন্দ্ৰই কি ক'ব খুজিছিল, ভাবিয়েই নেপালে, তেওঁৰ ক'বলৈয়ে বা কিটো আছে। কিন্তু কিবা এটা নোকোৱাকৈ তেওঁ উভতিবও নোৱাৰিলে। সেইবাবে ক'লে, "চাবিকোছা ক'ত আছে।"

চাবিকোছা বিচনাৰ তুলিখনৰ তলতে আছিল। আশা উঠি গৈ ঘৰৰ ভিতৰত সোমাল—মহেন্দ্ৰ তেওঁৰ পাচে পাচে গ'ল। তুলিৰ তলৰ পৰা চাবিকোছা উলিয়াই আশাই তুলিৰ ওপৰত থ'লে। মহেন্দ্ৰই চাবিকোছা লৈ নিজৰ কাপোৰৰ আলমাৰীটোত এটা এটাকৈ চাবিবোৰ সুমুৱাই চাবলৈ ধৰিলে। আশা আৰু থিৰেৰে থাকিব নোৱাৰিলে, মিহি কণ্ঠেৰে ক'লে, "সেই আলমাৰীটোৰ চাবি মোৰ হাতত নাছিল।"

কাৰ হাতত চাবি আছিল, সেই কথা আশাৰ মুখত নোলাল, কিন্তু মহেন্দ্ৰই বুজিলে। আশা বেগাবেগিকৈ কোঠাৰ পৰা বাহিৰলৈ ওলাই গ'ল, ভয় হ'ল জানোচা মহেন্দ্ৰৰ আগত কান্দোন সামৰিব নোৱাৰে। আন্ধাৰত ছাদৰ এচুকত সোমাই মুখ লুকুৱাই হুক্ হুকুকৈ ওলাই আহিব খোজা কান্দোনটোক প্ৰাণপণে হেঁচি ৰাখি উচুপি উচুপি কান্দিবলৈ ধৰিলে।

কিন্তু বেচিপৰ কান্দিবৰ উপায় নাছিল। হঠাৎ মনত পৰি গ'ল, মহেন্দ্ৰৰ ভাত খাবৰ সময় হৈছে। বেগাবেগিকৈ আশা তলৰ মহলালৈ নামি গ'ল।

ৰাজলক্ষ্মীয়ে আশাক সুধিলে, "বোৱাৰী, মহিন ক'ত।"

আশাই ক'লে, "তেওঁ ওপৰতে আছে।"

ৰাজলক্ষ্মী। তুমি নামি আহিলা যে।

আশাই তলমূৰকৈ ক'লে, "তেওঁৰ ভাত-পানী—"

ৰাজলক্ষ্মী। ভাতৰ জোগাৰ বাৰু ময়েই কৰিছোঁ। বোৱাৰী, তুমি অলপ চকু-চিকুণ হৈ লোৱাচোন। তোমাৰ সেই নতুন ঢাকাই-শাড়ীখন সোনকালে পিন্ধি আহাঁগৈ যোৱা, মই তোমাৰ চুলিকোছা বান্ধি দিম।

শাহুৱেকৰ এই আদৰ উপেক্ষা কৰিব নোৱাৰে, কিন্তু এই সাজসজ্জাৰ প্ৰস্তাৱ শুনি লাজতে মুচকচ গ'ল। মৃত্যু কামনা কৰিয়েই ভীষ্মই যি দৰে স্তব্ধ হৈ শৰ-বৰ্ষণ সহ্য কৰিছিল, আশায়ো তেনেকৈ ৰাজলক্ষ্মীয়ে কৰি দিয়া সকলোখিনি প্ৰসাধন পৰম ধৈৰ্য্যেৰে সকলো অঙ্গতে গ্ৰহণ কৰি ল'লে।

সাজোন-কাচোন কৰি আশা অতি লাহে লাহে হাতত সাৰে ভৰিত সাৰে খটখটীয়েদি ওপৰলৈ উঠি গ'ল। ভুমুকি মাৰি দেখিলে, মহেন্দ্ৰ ছাদৰ ওপৰত নাই। লাহে লাহে দুৱাৰদলিৰ ওচৰলৈ আহি দেখিলে, মহেন্দ্ৰ কোঠাৰ ভিতৰতো নাই, তেওঁৰ ভাত-পানী কোনেও চোৱা নাই—তেনেকৈয়ে পৰি আছে।

চাবি নোপোৱাৰ কাৰণে কাপোৰৰ আলমাৰীটো জোৰকৈ খুলি আৱশ্যকীয় কেইখনমান কাপোৰ আৰু ডাক্তৰী কিতাপ লৈ মহেন্দ্ৰ গ'লগৈ।

পাচদিনা একাদশী আছিল। ৰাজলক্ষ্মী অসুস্থ ক্লিষ্টদেহেৰে বিচনাতে পৰি আছে। বাহিৰত ঘন ডাৱৰ এডৰা থুপ খাই ধুমুহা আহিবৰ উপক্ৰম কৰিছে। আশা লাহে লাহে আহি কোঠাৰ ভিতৰত সোমাল। ধীৰে

খীৰে ৰাজলক্ষ্মীৰ ভৰিৰ ওচৰত বহি তেওঁৰ ভৰিত হাত বুলাই বুলাই ক'লে, "তোমাৰ গাখীৰ আৰু ফল আনিছোঁ মা। খোৱাঁহি আহাঁ।"

করুণমূৰ্ত্তি বোৱাৰীয়েকৰ এই অনভ্যস্ত পৰিচৰ্য্যাৰ চেষ্টা দেখি ৰাজলক্ষ্মীৰ শুকান চকুযুৰিত অশ্ৰুৰ প্লাৱন নামি আহিল। তেওঁ বহি লৈ আশাক নিজৰ কোলাত বহুৱাই তেওঁৰ চকু-লোৰে সেমেকা গাল দুখনত দুটা চুমা খালে। তাৰ পাচত সুধিলে, "মহিনে এতিয়া কি কৰিছে, বোৱাৰী।"

আশাই খুব লাজ পালে—সৰুকৈ ক'লে, "তেওঁ গ'লগৈ।"

ৰাজলক্ষ্মী। কেতিয়া গ'ল। মই দেখোন গমকে নেপালোঁ।

আশাই তলমূৰকৈ ক'লে, "তেওঁ কালি ৰাতিয়েই গ'ল।"

শুনাৰ লগে লগে ৰাজলক্ষ্মীৰ সকলোখিনি কোমলতা যেন দূৰ হৈ গ'ল—বোৱাৰীয়েকক দেখুউৱা আদৰ স্পৰ্শৰ মাজত ৰসৰ কোনো আভাস নোহোৱা হৈ গ'ল। আশাই এক নীৰৱ লাঞ্ছনা অনুভৱ কৰি তলমূৰকৈ লাহে লাহে তাৰ পৰা আঁতৰি পৰিল।

## ৪১

প্ৰথম ৰাতি বিনোদিনীক পটলডাঙাৰ ভাৰা-ঘৰত থৈ মহেন্দ্ৰ যেতিয়া তেওঁৰ কাপোৰ আৰু কিতাপ আনিবৰ কাৰণে ঘৰলৈ গ'ল, বিনোদিনীয়ে তেতিয়া কলিকতাৰ বিশ্ৰামবিহীন জনতৰঙ্গৰ কোলাহলত অকলশৰে বহি বহি নিজৰ কথা ভাবিছিল। পৃথিৱীত তেওঁৰ আশ্ৰয়স্থান কোনোদিনেই যথেষ্ট বিস্তীৰ্ণ নাছিল, তথাপি এটা কাষ তপত হৈ উঠিলে আন কাষে ঘূৰি শুবৰ কাৰণে অকণমান ঠাই আছিল—আজি তেওঁৰ নিৰ্ভৰস্থল অতি সঙ্কীৰ্ণ। তেওঁ যিখন নাৱত উঠি সোঁতৰ বুকুত ভাঁহি গৈছে, তাৰ ইপিনে-সিপিনে অকণমান কাতি হ'ব লাগিলেই একেবাৰে পানীত পৰিবগৈ। গতিকে অতি স্থিৰ হৈ শুৰি ধৰিব লাগিব, সামান্য ভুল, অলপ লৰচৰ হ'লেই সৰ্ব্বনাশ ঘটিব। এনে অৱস্থাত কোন ৰমণীৰ বুকু নকঁপিব বাৰু। আনৰ মন সম্পূৰ্ণ বশত ৰাখিবলৈ যিখিনি লীলাখেলাৰ প্ৰয়োজন, যিখিনি অন্তৰালৰ প্ৰয়োজন, এই সঙ্কীৰ্ণতাৰ মাজত তাৰ বাবে অৱকাশ ক'ত। দেখাদেখিকৈ মহেন্দ্ৰৰ লগত মুখামুখি হৈ তেওঁ সমস্ত জীৱন যাপন কৰিবলৈ প্ৰস্তুত হ'ব লাগিব।

প্ৰভেদ ইমানেই যে, মহেন্দ্ৰৰ পাৰত উঠিবৰ বাবে উপায় আছে, কিন্তু বিনোদিনীৰ সিও নাই।

বিনোদিনীয়ে নিজৰ এই অসহায় অৱস্থা যিমানে স্পষ্টকৈ বুজিলে, সিমানে তেওঁ মনৰ ভিতৰত শক্তি সঞ্চয় কৰিবলৈ ধৰিলে। এটা উপায় তেওঁ কৰিবই লাগিব, এই ধৰণে তেওঁ চলিব নোৱাৰে।

যিদিনাই বিহাৰীৰ ওচৰত বিনোদিনীয়ে নিজৰ প্ৰেম নিবেদন কৰিছে, সেইদিনাৰে পৰা তেওঁৰ ধৈৰ্য্যৰ বান্ধ ভাঙিছে। যি উদ্যত চুম্বন তেওঁ বিহাৰীৰ মুখৰ ওচৰৰ পৰা ঘূৰাই আনিছে, জগতৰ আন ক'তোয়েই তাক নমাই থ'ব পৰা নাই, পূজাৰ অৰ্ঘ্যৰ দৰে দেৱতাৰ উদ্দেশ্যেই তাক দিনে-নিশাই কঢ়িয়াই লৈ ফুৰিছে। বিনোদিনীৰ হৃদয়ে কোনো অৱস্থাতেই আশা পৰিত্যাগ কৰিব নেজানে—নিৰাশাক তেওঁ স্বীকাৰ নকৰে। তেওঁৰ মনে মুহূৰ্ত্তে মুহূৰ্ত্তে প্ৰাণৰ সকলো শক্তিৰে ক'ব লাগিছে, "মোৰ এই পূজা বিহাৰীয়ে গ্ৰহণ কৰিবই লাগিব।"

বিনোদিনীৰ এই দুৰ্দ্দান্ত প্ৰেমৰ ওপৰতে তেওঁৰ আত্মৰক্ষাৰ একান্ত আকাঙ্ক্ষায়ো আহি যোগ দিলেহি। বিহাৰীৰ বাহিৰে তেওঁৰ আৰু উপায় নাই। মহেন্দ্ৰক বিনোদিনীয়ে খুব ভালকৈয়ে চিনি পাইছে, তেওঁৰ ওপৰত নিৰ্ভৰ কৰিবলৈ গ'লে তেওঁ ভৰ সহিব নোৱাৰে—তেওঁক এৰি দিলেহে পোৱা যায়, তেওঁক ধৰি থাকিলে তেওঁ পলাব খোজে। কিন্তু নাৰীৰ পক্ষে যি নিশ্চিন্ত বিশ্বস্ত নিৰাপদ নিৰ্ভৰ একান্ত প্ৰয়োজন, বিহাৰীয়েহে তাক দিব পাৰে। আজি আৰু বিহাৰীক এৰি দিলে বিনোদিনীৰ একেবাৰেই নচলিব।

গাওঁ এৰি আহিবৰ দিনা তেওঁৰ নামত অহা সকলো চিঠি-পত্ৰ নতুন ঠিকনাত পঠাবৰ কাৰণে মহেন্দ্ৰৰ হতুৱাই বিনোদিনীয়ে ষ্টেছনৰ গাতে লাগি থকা ডাকঘৰত বিশেষ অনুৰোধ কৰি আহিছিল। বিহাৰীয়ে যে তেওঁৰ চিঠিৰ কোনো উত্তৰেই নিদিব, এই কথা বিনোদিনীয়ে একোতেই স্বীকাৰ নকৰিলে—তেওঁ ক'লে, "মই সাদিন অন্ততঃ ধৈৰ্য্য ধৰি উত্তৰৰ বাবে অপেক্ষা কৰিম, তাৰ পাচত দেখা যাব।"

তাৰ পাচত বিনোদিনীয়ে আন্ধাৰৰ মাজত খিৰিকীখন খুলি গেছ-লাইটৰ পোহৰত উজ্জ্বল কলিকতাৰ পিনে অন্যমনস্কৰ দৰে চাই ৰ'ল। এই সন্ধ্যা পৰত বিহাৰী এই চহৰৰ মাজতেই আছে—ইয়াৰে কেইটামান পথ আৰু গলি

পাৰ হৈ গলেই এতিয়াই তেওঁৰ দুৱাৰমুখত উপস্থিত হ'বগৈ পাৰি—তাৰ পাচত সেই পানী-কলটোৰে সৈতে সৰু এখন চোতাল। সেই খটখটী, সেই সুসজ্জিত পৰিপাটি পোহৰেৰে পৰিপূৰ্ণ নিভৃত কোঠাটো—তাতে নিস্তব্ধ শান্তিৰ মাজত বিহাৰী অকলশৰে এখন চকীত বহি আছে—হয়তো ওচৰত সেই ব্ৰাহ্মণ-পুত্ৰ, সেই সুগোল সুন্দৰ গৌৰবৰ্ণ আয়তনেত্ৰ সৰলমূৰ্তি লৰাটোৰে আপোন মনেৰে ছবিৰ কিতাপ মেলি পাত লুটিয়াই আছে—এটাৰ পাচত এটাকৈ গোটেই ছবিখন মনত পৰিলত স্নেহ আৰু প্ৰেমেৰে বিনোদিনীৰ সৰ্ব্বাঙ্গ পৰিপূৰ্ণ পুলকিত হৈ উঠিল। ইচ্ছা কৰিলে এতিয়াই যাব পাৰি, এইদৰে কল্পনা কৰি বিনোদিনীয়ে সেই ইচ্ছাটোকে বুকুত সাবটি লৈ উমলিবলৈ ধৰিলে। আগেয়ে হোৱা হ'লে সেই ইচ্ছা পূৰ্ণ কৰি ল'বৰ বাবে তেওঁ আগবাঢ়ি গ'লহেঁতেন; কিন্তু এতিয়া যে বহুত কথাই ভাবি চাবলগীয়া হয়। এতিয়া কেৱল বাসনা চৰিতাৰ্থ কৰাই নহয়, উদ্দেশ্যও সিদ্ধ কৰিব লাগিব। বিনোদিনীয়ে ভাবিবলৈ ধৰিলে, "আগতে চাই লওঁচোন বাৰু বিহাৰীয়ে কেনেকুৱা উত্তৰ দিয়ে। তাৰ পাচত কোন পথ লোৱা উচিত, স্থিৰ কৰিব পৰা যাব।" একো উমান নোলোৱাকৈ বিহাৰীক আমনি কৰিবলৈ যাবৰ সাহস নহ'ল।

এইদৰে ভাবি-গুণি থাকোঁতেই ৰাতি যেতিয়া ন-দহ মান বাজিল, তেতিয়া মহেন্দ্ৰ আহি ওলালহি। কেইবাদিনো উজাগৰে, অনিয়মে, অতি উত্তেজনাৰ মাজত কটাই, আজি কৃতকাৰ্য্য হৈ বিনোদিনীক ভাৰা-ঘৰলৈ অনাৰ পাচত তেওঁক ভাগৰে হেঁচি ধৰিছে। আজি আৰু সংসাৰৰ লগত, নিজৰ অৱস্থাৰ লগত যুঁজ কৰাৰ শক্তি যেন তেওঁৰ নাইকিয়া হৈ গৈছে। তেওঁৰ সমস্ত ভাৰাক্ৰান্ত ভাবী জীৱনৰ ক্লান্তিখিনিয়ে যেন তেওঁক আজি আগতেই আক্ৰমণ কৰি বহিছে।

বন্ধ দুৱাৰখনৰ ওচৰত থিয় দি টকৰিয়াবৰ সময়ত মহেন্দ্ৰৰ খুব লাজ লাগি গ'ল। যি উন্মত্ততাৰ মাজত তেওঁ সমস্ত পৃথিৱীকে লক্ষ্য কৰা নাছিল, সেই মত্ততা ক'লৈ গ'ল। বাটৰ অচিনাকি মানুহ কিছুমানৰ দৃষ্টিৰ সমুখতো তেওঁৰ গোটেই দেহ সঙ্কুচিত হৈ পৰাৰ কাৰণ কি।

ভিতৰত নতুন লগুৱাটো শুই পৰিছিল—দুৱাৰ মুকলি কৰাবৰ কাৰণে যথেষ্ট গোলমাল কৰিবলগীয়া হ'ল। অপৰিচিত এই নতুন ঘৰটোৰ অন্ধকাৰৰ

মাজত সোমাই মহেন্দ্ৰৰ মনটো দমি গ'ল। মাকৰ আদৰৰ ধন মহেন্দ্ৰ চিৰদিন যি বিলাস-উপকৰণত, যি ধৰণৰ পাজ্‌খা আৰু মূল্যবান চকী-চোকাত অভ্যস্ত, ভাৰা-ঘৰৰ নতুন আয়োজনৰ মাজত সেই সকলোৰে অভাৱ অতি স্পষ্টকৈ ফুটি উঠিল। এই সকলো আয়োজন মহেন্দ্ৰই সম্পূৰ্ণ কৰিব লাগিব, ভাৰা-ঘৰৰ সকলো ব্যৱস্থাৰ ভাৰ তেওঁৰ ওপৰতে। মহেন্দ্ৰই কেতিয়াও নিজৰ অথবা পৰৰ আৰামৰ কথা চিন্তা কৰি পোৱা নাই—আজিৰ পৰা এখন নতুনকৈ গঢ়ি-উঠা অসম্পূৰ্ণ সংসাৰৰ সৰুসুৰা সকলো কথাই তেওঁ চিন্তা কৰিব লাগিব। খটখটীৰ ওপৰত এটা কেৰাচিনৰ টেমাৰ পৰা এগাল ধোঁৱাৰ মাজত অকণমান পোহৰ পোৱা গৈছিল—তাৰ সলনি এটা ভাল লেম্প কিনিব লাগিব। বাৰাণ্ডাৰ দাঁতিয়েদি খটখটীত ভৰি দিয়া ঠাইখিনি কলৰ পানী পৰি চপ্‌চপীয়া হৈ আছিল—মিস্ত্ৰি মাতি আনি সেই ঠাইডোখৰত অলপ বিলাতী-মাটি দিয়াব লাগিব। সমুখৰ পিনে যি দুটা ঘৰ জোতাৰ দোকানীৰ হাতত আছে, সিহঁতে সেই ঘৰ দুটা এতিয়াও এৰি দিয়া নাই, তাৰ কাৰণে ঘৰৰ গিৰিহঁতৰ লগত কাজিয়া কৰিব লাগিব। এই সকলোবোৰ কাম তেওঁ নিজে নকৰিলে ন'হব, এই কথাষাৰ মুহূৰ্ত্তৰ কাৰণে মনত খেলি যোৱাৰ লগে লগে তেওঁৰ ভাগৰুৱা মনৰ বোজা আৰু অলপ বাঢ়ি গ'ল।

মহেন্দ্ৰই খটখটীৰ ওচৰত থিয় দি নিজকে অলপ স্থিৰ কৰি ল'লে—বিনোদিনীৰ প্ৰতি তেওঁৰ যি প্ৰেম আছিল, তাক তেওঁ উত্তেজিত কৰি ল'লে। নিজকে বুজালে যে, ইমানদিন ধৰি গোটেই পৃথিৱীকে পাহৰি গৈ তেওঁ যাক বিচাৰিছিল, আজি তেওঁক পাইছে, আজি দুয়োৰো মাজত কোনো বাধা নাই—আজি মহেন্দ্ৰৰ আনন্দৰ দিন। কিন্তু কোনো বাধাই যে নাই, সেইটোৱেই সকলোতকৈ ডাঙৰ বাধা, আজি মহেন্দ্ৰ নিজেই নিজৰ বাধা।

বিনোদিনীয়ে মহেন্দ্ৰক বাটৰ মূৰত দেখা পায়েই ধ্যানাসনৰ পৰা উঠি ঘৰৰ ভিতৰত চাকি জ্বলালে; আৰু চিলাইৰ কাম এটা লৈ তলমূৰকৈ তাৰ মাজত ডুবি পৰিল—এই চিলাইৰ কাম বিনোদিনীৰ আৱৰণ, ইয়াৰ অন্তৰালত যেন তেওঁ এক আশ্ৰয় বিচাৰি পায়।

মহেন্দ্ৰই কোঠাৰ ভিতৰত সোমায়েই ক'লে, "বিনোদ, ইয়াত নিশ্চয় তোমাৰ খুব অসুবিধা হৈছে।"

বিনোদিনীয়ে চিলাইৰ কাম নেৰাকৈয়ে ক'লে, "মুঠেই নাই হোৱা।"

মহেন্দ্ৰই ক'লে, "মই আৰু দুই-তিনি দিনৰ ভিতৰতে সকলোবোৰ সৰঞ্জাম আনি উলিয়ামহি, এই কেইদিন তুমি অলপ কষ্ট পাবই লাগিব।"

বিনোদিনীয়ে ক'লে, "ও-হো, সেইটো কেতিয়াও হ'ব নোৱাৰে—তুমি আৰু এটি সৰঞ্জামো আনিব নেলাগে। ইয়াত যিখিনি আছে, সেয়ে মোৰ প্ৰয়োজনতকৈ বহু বেচি।"

মহেন্দ্ৰই ক'লে, "এই হতভাগ্য মইটোও সেই বহু বেচিৰ ভিতৰত পৰিছে নেকি।"

বিনোদিনী। নিজকে ইমান 'বেচি' বুলি ভাবিব নেপায়—অলপ বিনয় থকা ভাল।

সেই নিৰ্জ্জন চাকিৰ পোহৰত তলমূৰকৈ থকা কামত ব্যস্ত বিনোদিনীৰ আত্মসমাহিত মূৰ্ত্তি দেখা পাই মুহূৰ্ত্তৰ ভিতৰতে মহেন্দ্ৰৰ মনত আকৌ সেই মোহৰ সঞ্চাৰ হ'ল।

ঘৰত হোৱা হ'লে, তেওঁ দৌৰি গৈ বিনোদিনীৰ ভৰিত দীঘল দি পৰিল-হেঁতেন—কিন্তু এয়া যে ঘৰ নহয়, সেইবাবে মহেন্দ্ৰই সেই কাম কৰিব নোৱাৰিলে। বিনোদিনী আজি অসহায়, একান্তৰূপে তেওঁ মহেন্দ্ৰৰ আয়ত্তৰ ভিতৰত, আজি নিজকে সংযত কৰি নেৰাখিলে অতি কাপুৰুষালি হ'ব।

বিনোদিনীয়ে ক'লে, "ইয়ালৈ তুমি তোমাৰ কিতাপ আৰু কাপোৰ-বিলাক আনিলা কিয়।"

মহেন্দ্ৰই ক'লে, "সেইবিলাকক যে মই মোৰ প্ৰয়োজনৰ ভিতৰতে গণ্য কৰোঁ। সেইবিলাক 'বহু বেচি'ৰ দলত নপৰে।"

বিনোদিনী। জানো, কিন্তু ইয়াত সেইবিলাক কিয়।

মহেন্দ্ৰ। কথাটো সঁচা, ইয়াত কোনো প্ৰয়োজনীয় বস্তুৱেই শোভা নেপায়— বিনোদ, কিতাপবিলাক তুমি বাটৰ ওপৰত দলিয়াই পেলোৱা, মই অকণো আপত্তি নকৰোঁ। কেৱল তাৰ লগত মোকো পেলাই নিদিবা।

এইবুলি কৈ মহেন্দ্ৰই অলপ আঁতৰি আহি কাপোৰেৰে বান্ধি অনা কিতাপৰ টোপোলাটো বিনোদিনীৰ ভৰিৰ ওচৰলৈ দাঙি দিলেহি।

বিনোদিনীয়ে গম্ভীৰ মুখেৰে চিলাইৰ কাম কৰি কৰি মূৰ নোতোলাকৈয়ে ক'লে, "দেৱৰ-বোপা, ইয়াত তোমাৰ থকা নহ'ব।"

তেওঁৰ সদ্যোজাত আগ্রহৰ মুখত প্রতিঘাত পাই মহেন্দ্র ব্যাকুল হৈ উঠিল —গদ্‌গদ্‌ স্বৰেৰে সুধিলে, "কিয় বিনোদ, কিয় তুমি মোক দুৰত ৰাখিবলৈ বিচাৰিছা। তোমাৰ কাৰণে সকলোখিনি ত্যাগ কৰি হবলা শেষত এয়েই পালোঁ।"

বিনোদিনী। মোৰ কাৰণে তোমাক সকলোখিনি ত্যাগ কৰিবলৈ নিদিওঁ।

মহেন্দ্রই ক'লে "এতিয়া সি আৰু তোমাৰ হাতত নাই—সমস্ত সংসাৰ মোৰ চাৰিও দিশৰ পৰা খহি পৰিছে—কেৱল তুমিয়েই আছা, বিনোদ। বিনোদ—বিনোদ—"

এইবুলি কৈ মহেন্দ্রই ঢলি পৰি বিহ্বলভাৱে বিনোদিনীৰ ভৰি দুখন সাবটি ধৰিলে আৰু তেওঁৰ পদপল্লৱত বাৰে বাৰে চুমা দিবলৈ ধৰিলে।

বিনোদিনীয়ে ভৰি দুখন একুৰাই লৈ থিয় দি ক'লে, "মহেন্দ্র, তুমি কি প্রতিজ্ঞা কৰিছিলা, মনত নাই ?"

সকলোখিনি শক্তি প্রয়োগ কৰি মহেন্দ্রই আত্ম-সম্বৰণ কৰি লৈ ক'লে, "মনত আছে। শপথ খাইছিলোঁ, তোমাৰ যি ইচ্ছা সেয়েই হ'ব, মই কেতিয়াও তাৰ কোনো অন্যথা নকৰোঁ। সেই শপথেই ৰক্ষা কৰিম। কি কৰিব লাগিব, কোৱা।"

বিনোদিনী। তুমি তোমাৰ ঘৰত থাকাগৈ।

মহেন্দ্র। ময়েই কি তোমাৰ একমাত্র অনিচ্ছাৰ সামগ্রী, বিনোদ। সেয়ে যদি হয়, তেন্তে তুমি মোক টানি আনিলা কিয়। যি তোমাৰ ভোগৰ সামগ্রী নহয়, তাক চিকাৰ কৰাৰ কি প্রয়োজন আছিল। সঁচাসঁচিকৈ কোৱাচোন। ইচ্ছা কৰি তোমাৰ ওচৰত মই ধৰা দিছোঁ নে, তুমি ইচ্ছা কৰি মোক ধৰিছা। মোক লৈ তুমি এনেকুৱা ধেমালি কৰিবা, তাকো জানো মই সহ্য কৰিব লাগিব। তথাপি মই মোৰ প্রতিজ্ঞা পালন কৰিম— যিখন ঘৰত মই মোৰ স্থান ভৰিৰ আঘাতেৰে চুৰ্ণ কৰি থৈ আহিছোঁ, সেইখন ঘৰতে মই থাকিমগৈ।

বিনোদিনীয়ে মাটিত বহি আকৌ মনে মনে চিলাই কৰিবলৈ লাগিল।

মহেন্দ্রই অলপ সময় স্থিৰভাবে তেওঁৰ মুখৰ পিনে চাই কৈ ক'বলৈ ধৰিলে, "নিষ্ঠুৰ, বিনোদ, তুমি অতি নিষ্ঠুৰ। মই অতি দুৰ্ভাগ্যপলীয়া যে, মই তোমাক

ভাল পাওঁ।"

বিনোদিনীয়ে চিলাইত এটা আউল লগাই চাকিৰ ওপৰত ধৰি বহু যত্নেৰে আকৌ খুলিবলৈ ধৰিলে। মহেন্দ্ৰৰ ইচ্ছা হৈছিল, বিনোদিনীৰ সেই পাষাণ হৃদয়খনক নিজৰ কঠিন মুঠিৰ মাজত লৈ হেঁচি-হেঁচি ভাঙি পেলায়। এই নীৰৱ নিৰ্দ্দয়তা আৰু অবিচলিত উপেক্ষাক প্ৰবল আঘাত কৰি বাহুবলৰ দ্বাৰা পৰাস্ত কৰিবৰ ইচ্ছা হয়।

মহেন্দ্ৰই ঘৰৰ পৰা বাহিৰলৈ ওলাই গৈ আকৌ উভতি আহি সুধিলে, "মই নেথাকিলে ইয়াত অকলশৰে থকা তোমাক কোনে ৰক্ষা কৰিব।"

বিনোদিনীয়ে ক'লে, "তাৰ বাবে তুমি অকণো ভয় নকৰিবা। পেহীদেৱে খেমিক খেদি দিছে, তাই আজি মোৰ ইয়ালৈ আহি কামত সোমাইছে। দুৱাৰত তলা লগাই আমি দুজনী তিৰোতা মানুহ ইয়াত বচিয়াকৈ থাকিব পাৰিম।"

মনে মনে যিমানে খং চৰি গ'ল, বিনোদিনীৰ প্ৰতি মহেন্দ্ৰৰ আকৰ্ষণ সিমানে বেচি প্ৰবল হৈ উঠিল। সেই অটল মুৰ্ত্তিটোক বজ্ৰবলেৰে বুকুৰ মাজত হেঁচি ধৰি ভাঙি পিহি পেলাবৰ ইচ্ছা জাগি উঠিল। সেই দাৰুণ ইচ্ছাৰ হাত সাৰিবৰ কাৰণে মহেন্দ্ৰ দৌৰি ঘৰৰ পৰা বাহিৰ ওলাই গ'ল।

বাটেদি ঘূৰি ফুৰোঁতে মহেন্দ্ৰই প্ৰতিজ্ঞা কৰিলে, বিনোদিনীক তেওঁ উপেক্ষাৰ পৰিৱৰ্ত্তে উপেক্ষা কৰি দেখুৱাব। যিটো অৱস্থাত বিশ্বজগতত বিনোদিনীৰ একমাত্ৰ নিৰ্ভৰ মহেন্দ্ৰ, সেই অৱস্থাতো মহেন্দ্ৰক এইদৰে নীৰৱ নিৰ্ভয়ে, এইদৰে সুদৃঢ় সুস্পষ্টভাবে প্ৰত্যাখ্যান কৰা—ইমান ডাঙৰ অপমান জানো পুৰুষৰ ভাগ্যত কেতিয়াবা ঘটিছে। মহেন্দ্ৰৰ গৰ্ব্ব চূৰ্ণ হোৱা সত্বেও মৰিবলৈ নিবিচাৰিলে, বৰং তেওঁ কেৱল দলিত আৰু পীড়িত হ'বলৈ ধৰিলে। মহেন্দ্ৰই ভাবিলে, "মই জানো ইমানেই অপদাৰ্থ। মোৰ সম্বন্ধে ইমান বেচি স্পৰ্দ্ধা তেওঁৰ মনত কেনেকৈ শিপালে। মোৰ বাহিৰে তেওঁৰ আৰু কোন আছে।"

ভাবি থাকোঁতে হঠাৎ মনত পৰি গ'ল—বিহাৰী। হঠাৎ এক মুহুৰ্ত্তৰ কাৰণে তেওঁৰ বুকুৰ তেজৰ সকলো প্ৰবাহ যেন স্তব্ধ হৈ গ'ল। বিহাৰীৰ ওপৰতে বিনোদিনীয়ে নিৰ্ভৰ কৰিছে—মই তেওঁৰ উপলক্ষ মাথোন, মই তেওঁৰ সোপান, তেওঁৰ ভৰি থ'বৰ, পদে-পদে পদাঘাত কৰিবৰ ঠাই। সেই

সাহসতেই মোৰ প্ৰতি ইমান অৱজ্ঞা। মহেন্দ্ৰৰ সন্দেহ উপজিল, বিহাৰীৰ লগত বিনোদিনীৰ চিঠি-পত্ৰ চলিছে আৰু বিনোদিনীয়ে তেওঁৰ পৰা কিবা আশ্বাস পাইছে।

তেতিয়া মহেন্দ্ৰ বিহাৰীৰ ঘৰৰ অভিমুখে ৰাওনা হ'ল। যেতিয়া বিহাৰীৰ দুৱাৰত টকৰিয়ালেগৈ, তেতিয়া ৰাতি বেচি গভীৰ হোৱা নাই। কেইবাবাৰো ঢকিওৱাৰ পাচত বেহেৰাই ভিতৰৰ পৰা দুৱাৰ খুলি দি ক'লে, "বাবুজী ঘৰত নাই।"

মহেন্দ্ৰ চক্ খাই উঠিল। ভাবিলে, "মই যেতিয়া নিৰ্ব্বোধৰ দৰে বাটে বাটে দৌৰি ফুৰিছোঁ, বিহাৰী সেই ছেগতে বিনোদিনীৰ ওচৰলৈ গৈছে। এই কাৰণেই বিনোদিনীয়ে মোক এই ৰাতিৰ পৰত এনে নিৰ্দ্দয়ভাবে অপমান কৰিছে, আৰু ময়ো খেদা-খোৱা গাধৰ নিচিনাকৈ দৌৰি গুচি আহিছোঁ।"

মহেন্দ্ৰই তেওঁৰ পুৰণি পৰিচিত বেহেৰাটোক সুধিলে, "ভজু, বাবু কেতিয়া বাহিৰলৈ ওলাই গৈছে।"

ভজুৱে ক'লে, "আজি চাৰি-পাঁচদিন হ'ল। তেখেত ভাটীৰ পিনে ফুৰিবলৈ গৈছে।"

কথাষাৰ শুনি মহেন্দ্ৰই উশাহ ললে। তেওঁ ভাবিলে, "এইবাৰ অলপ আৰাম কৰি শুই লোৱা যাওক। গোটেই ৰাতিটো এইদৰে ঘুৰি ফুৰিব নোৱাৰোঁ আৰু।" এইবুলি ভাবি ওপৰলৈ উঠি বিহাৰীৰ কোঠাত থকা চোফাৰ ওপৰত দীঘল দি তৎক্ষণাৎ শুই পৰিল।

মহেন্দ্ৰই যিদিনা ৰাতি বিহাৰীৰ ঘৰত উপদ্ৰৱ কৰিছিলহি, তাৰ পাচদিনা-খনেই বিহাৰীয়ে ক'লৈ যাব, একো ঠিক নকৰাকৈয়ে ভাটীৰ পিনে গ'লগৈ। বিহাৰীয়ে ভাবিলে, ইয়াত থাকিলে পুৰণি বন্ধুৰ লগত লগা কাজিয়া কোনোবা দিনাখন এনে বীভৎস হৈ উঠিব যে, তাৰ পাচত চিৰজীৱন সি অনুতাপৰ কাৰণ হৈ ৰৈ যাব।

পাচদিনা মহেন্দ্ৰই যেতিয়া সাৰ পালে, তেতিয়া এঘাৰ বাজিছে! উঠিয়েই সমুখৰ চাহ-মেজখনৰ ওপৰত তেওঁৰ চকু পৰিল। দেখিলে, বিনোদিনীৰ হাতৰ লিখাৰে বিহাৰীৰ শিৰোনামাত এখন চিঠি শিলৰ দগা এটাৰে হেঁচা দি থোৱা আছে। লৰালৰিকৈ সেইখন হাতত লৈ দেখিলে, চিঠিখন

এতিয়াও খোলা হোৱা নাই। প্ৰবাসী বিহাৰীৰ কাৰণে সেইখন ৰৈ আছে। মহেন্দ্ৰই কঁপা-কঁপা হাতেৰে লৰালৰিকৈ সেইখন খুলি পঢ়িবলৈ ধৰিলে। এই চিঠিখনেই বিনোদিনীয়ে তেওঁলোকৰ গাঁৱৰ পৰা বিহাৰীলৈ লিখিছিল আৰু ইয়াৰ কোনো উত্তৰ তেওঁ নেপালে।

চিঠিখনৰ প্ৰতিটো আখৰে মহেন্দ্ৰক বিন্ধিবলৈ ধৰিলে। ওমলাদিনৰে পৰা সদায় বিহাৰী মহেন্দ্ৰৰ আঁৰতে ৰৈ গৈছিল। পৃথিৱীৰ স্নেহ প্ৰেম সম্পৰ্কে মহেন্দ্ৰ-দেৱতাৰ শুকান নিৰ্ম্মালিয়েই তেওঁৰ ভাগ্যত ঘটিছিল। আজি মহেন্দ্ৰ স্বয়ং প্ৰাৰ্থী, আৰু বিহাৰী বিমুখ, অথচ মহেন্দ্ৰক ঠেলি থৈ বিনোদিনীয়ে এই অৰসিক বিহাৰীকেই বৰণ কৰিছে। মহেন্দ্ৰয়ো বিনোদিনীৰ পৰা দুই-চাৰিখন চিঠি পাইছে, কিন্তু বিহাৰীৰ এই চিঠিখনৰ তুলনাত সেইবোৰ অতি কৃত্ৰিম, সেইবোৰ কেৱল নিৰ্ব্বোধক ভুলাই ৰাখিবৰ বাবে শূন্য ছলনা।

নতুন ঠিকনাটো জনাবৰ কাৰণে মহেন্দ্ৰক ডাকঘৰলৈ পঠাবৰ বাবে বিনোদিনীৰ ব্যাকুলতা মহেন্দ্ৰৰ মনত পৰি গ'ল আৰু তাৰ কাৰণটো এতিয়া বুজি পালে। বিনোদিনীয়ে তেওঁৰ সমস্ত মন-প্ৰাণ ঢালি বিহাৰীৰ চিঠিৰ উত্তৰ পাবৰ কাৰণে বাট চাই বহি আছে।

পুৰণি প্ৰথা অনুযায়ী গৰাকী ঘৰত নেথাকিলেও ভজু বেহেৰাই মহেন্দ্ৰক চাহ আৰু বজাৰৰ পৰা জলপান কিনি আনি খুৱালে। মহেন্দ্ৰই গা-পা ধুবলৈ পাহৰি গ'ল। তপত বালিৰ ওপৰেদি বাটৰুৱাই যেনেকৈ খৰকৈ খোজ দিয়ে, মহেন্দ্ৰয়ো সেইদৰে ক্ষণে ক্ষণে বিনোদিনীৰ সেই জ্বালাকৰ চিঠিখনৰ ওপৰেদি খৰকৈ চকু ফুৰাবলৈ ধৰিলে। মহেন্দ্ৰই প্ৰতিজ্ঞা কৰিবলৈ ধৰিলে, বিনোদিনীৰ লগত আৰু কেতিয়াও দেখা নকৰে। কিন্তু তেওঁৰ ধাৰণা হ'বলৈ ধৰিলে, আৰু দুই-এদিন যোৱাৰ পাচতো চিঠিৰ উত্তৰ নোপোৱাকৈ থাকিলে, বিনোদিনী বিহাৰীৰ ঘৰত আহি উপস্থিত হ'ব আৰু তেতিয়া গোটেই অৱস্থাটো জানিব পাৰি সান্ত্বনা লাভ কৰিব। সেই সম্ভাৱনা তেওঁৰ বাবে অসহ্য হৈ উঠিল।

তেতিয়া চিঠিখন জেপত ভৰাই মহেন্দ্ৰ সন্ধ্যাৰ অলপ আগে-আগে পটলডাঙাৰ ভাৰা-ঘৰত আহি উপস্থিত হ'ল।

মহেন্দ্ৰৰ ম্লান অৱস্থা দেখি বিনোদিনীৰ মনত পুতৌ উপজিল—তেওঁ বুজিব পাৰিলে, মহেন্দ্ৰই কালি নিশা হয়তো বাটে-বাটে ঘুৰি ঘুৰি উজাগৰে

কটাইছে। বিনোদিনীয়ে সুধিলে, "কালি ৰাতি ঘৰলৈ যোৱা নাই ?"

মহেন্দ্ৰই ক'লে, "ওঁ-হো।"

বিনোদিনীয়ে ব্যস্ত হৈ উঠি ক'লে, "আজি এতিয়ালৈকে তোমাৰ খোৱা-বোৱা হোৱা নেই নেকি।" এইবুলি কৈয়েই শুশ্ৰূষা-পৰায়ণা বিনোদিনী তৎক্ষণাৎ ভাতৰ আয়োজন কৰিবৰ বাবে থিয় হৈ উঠিল।

মহেন্দ্ৰই ক'লে, "থাওক থাওক, মই খাই আহিছোঁ।"

বিনোদিনী। ক'ত খাই আহিছা।

মহেন্দ্ৰ। বিহাৰীহঁতৰ ঘৰত।

মুহূৰ্ত্তৰ বাবে বিনোদিনীৰ মুখখন শেঁতা পৰি গ'ল। অলপ পৰ কথা-বতৰা নোকোৱাকৈ নিজকে সংযত কৰি লৈ বিনোদিনীয়ে সুধিলে, "বিহাৰী দেৱৰ-বোপা ভালে আছে নহয় ?"

মহেন্দ্ৰই ক'লে, "ভালেই আছে। বিহাৰী দেখোন ভাটীলৈ গ'লগৈ।"
—মহেন্দ্ৰই কথাষাৰ এনে ধৰণে ক'লে, যেন আজিহে বিহাৰীয়ে ৰাওনা হৈছে।

বিনোদিনীৰ মুখখন আকৌ এবাৰ শেঁতা পৰি গ'ল। আকৌ নিজকে সংযত কৰি লৈ তেওঁ ক'লে, "এনে চঞ্চল মানুহ দেখা নাই। আমাৰ সকলো খবৰ পাই গৈছে হবলা ? দেৱৰ-বোপাই খুব খং কৰিছে নেকি ?"

মহেন্দ্ৰ। সেয়ে নহ'লে জানো এই অসহ্য গৰমত মানুহে চখ কৰি ভাটীলৈ ফুৰিবলৈ যায়।

বিনোদিনী। মোৰ কথা কিবা কৈছিল নেকি।

মহেন্দ্ৰ। ক'বলৈ আৰু আছে কিটো। এয়া লোৱা বিহাৰীৰ চিঠি।

এইবুলি কৈয়েই চিঠিখন বিনোদিনীৰ হাতত দি চোকা দৃষ্টিৰে তেওঁৰ মুখৰ ভাব নিৰীক্ষণ কৰিবলৈ ধৰিলে।

বিনোদিনীয়ে লৰালৰিকৈ চিঠিখন লৈ দেখিলে, মুকলি চিঠি—খামৰ ওপৰত তেওঁৰেই হাতৰ আখৰ, শিৰোনামাটো বিহাৰীৰ। খামৰ ভিতৰ পৰা চিঠিখন উলিয়াই দেখিলে, তেওঁ নিজেই লিখা চিঠি সেইখন। লুটিয়াই-বগৰাই ক'তো বিহাৰীয়ে লিখা একো উত্তৰ বিচাৰি নেপালে।

অলপ সময় মনে মনে থাকি বিনোদিনীয়ে মহেন্দ্ৰক সুধিলে, 'চিঠিখন তুমি পঢ়িছা ?"

বিনোদিনীৰ মুখৰ ভাব দেখি মহেন্দ্রৰ মনত ভয়ৰ সঞ্চাৰ হ'ল। তেওঁ ঘপকৈ মিছা কথা কৈ পেলালে, "নাই পঢ়া।"

বিনোদিনীয়ে চিঠিখন ফালি টুকুৰাটুকুৰ কৰি পেলাই, আকৌ মিহি-মিহিকৈ টুকুৰা কৰি খিৰিকীয়েদি বাহিৰলৈ দলি মাৰি দিলে।

মহেন্দ্রই ক'লে, "মই ঘৰলৈ যাওঁ।"

বিনোদিনীয়ে তাৰ কোনো উত্তৰ নিদিলে।

মহেন্দ্র। তুমি যি ইচ্ছা প্রকাশ কৰিছা, মই তাকেই কৰিম। সাদিন মই ঘৰতে থাকিম। কলেজলৈ আহিবৰ সময়ত সদায় এবাৰ ইয়াৰ সকলো ব্যৱস্থা ঠিক কৰি খেমিক বুজাই থৈ যাম। দেখা কৰি তোমাক আমনি নিদিওঁ।

বিনোদিনীয়ে মহেন্দ্রৰ কিবা কথা শুনিবলৈ পালে নে নেপালে কোনে জানে, কিন্তু কোনো উত্তৰেই নিদিলে—মুকলি খিৰিকীৰে অন্ধকাৰ আকাশৰ পিনে চাই ৰ'ল।

মহেন্দ্র তেওঁৰ বস্তু-বেহানিবোৰ লৈ ওলাই গ'ল।

শূন্য ঘৰৰ ভিতৰত বহুত সময় কুচিমুচি খাই বহি থকাৰ পাচত, বিনোদিনীয়ে অৱশেষত নিজকে যেন প্রাণৰ সকলো শক্তিৰে সচেতন কৰিবৰ কাৰণে বুকুৰ কাপোৰ টানি-আঁজুৰি ফালি নিজকে নিষ্ঠুৰভাৱে আঘাত কৰিবলৈ লাগিল।

শব্দ শুনি খেমি দৌৰি আহিল আৰু ব্যাকুলভাবে ক'লে, "আইদেউ; আপুনি এইবোৰ কি কৰিছে।"

"তই ইয়াৰ পৰা যা" বুলি গুজৰি উঠি বিনোদিনীয়ে খেমিক কোঠাটোৰ পৰা বাহিৰ কৰি দিলে। তাৰ পাচত সশব্দে দুৱাৰ বন্ধ কৰি, দুই হাত মুঠি বান্ধি লৈ, মাটিত বাগৰি বাগৰি শৰবিদ্ধ জন্তুৰ দৰে আতুৰ-স্বৰেৰে কান্দিবলৈ ধৰিলে। এইদৰে বিনোদিনীয়ে নিজকে বিক্ষত পৰিশ্রান্ত কৰি মূৰ্চ্ছিতৰ দৰে গোটেই ৰাতিটো মুকলি খিৰিকীৰ ওচৰতে শুই কটাই দিলে।

পুৱা বেলিৰ পোহৰ ঘৰৰ ভিতৰত পৰাৰ লগে লগেই তেওঁৰ হঠাৎ সন্দেহ হ'ল, বিহাৰী জানোচা যোৱাই নাই, মহেন্দ্রই জানোচা বিনোদিনীক ভুলাবৰ কাৰণে মিছা কথা কৈছে। তৎক্ষণাৎ খেমিক মাতি ক'লে, "খেমি, তই

এতিয়াই যা—বিহাৰী দেৱৰ-বোপাৰ ঘৰলৈ গৈ তেওঁলোকৰ খা-খবৰ লৈ আহগৈ।"

এঘণ্টামান পাচত উভতি আহি খেমিয়ে ক'লে, "বিহাৰীবাবুৰ ঘৰৰ সকলোবোৰ দুৱাৰ-খিৰিকী বন্ধ। দুৱাৰত টকৰিয়ালতে বেহেৰাই খবৰ দিলেহি, বাবু ঘৰত নাই, তেখেত ভাটীৰ পিনে ফুৰিবলৈ গৈছে।"

বিনোদিনীৰ মনত আৰু কোনো সন্দেহেই নেথাকিল।

## ৪২

ৰাতিয়েই মহেন্দ্ৰ বিচনাৰ পৰা উঠি গুচি গৈছে বুলি শুনি, ৰাজলক্ষ্মীৰ বোৱাৰীয়েকৰ ওপৰত খুব খং উঠিল। মনে মনে ভাবিলে, আশাৰ লাঞ্ছনাতে মহেন্দ্ৰ গ'লগৈ। ৰাজলক্ষ্মীয়ে আশাক সুধিলে, "মহেন্দ্ৰ কালি ৰাতি কিয় গুচি গ'ল।"

আশাই তলমূৰ কৰি ক'লে, "ক'ব নোৱাৰোঁ, মা।"

ৰাজলক্ষ্মীয়ে ভাবিলে, ইও এক অভিমানেই। বিৰক্ত হৈ ক'লে, "তুমি যদি ক'ব নোৱাৰা, কোনে ক'ব পাৰিব। তাক কিবা কৈছিলা নেকি?"

আশাই কেৱল ক'লে, "ওঁ-হো।"

ৰাজলক্ষ্মীয়ে বিশ্বাস নকৰিলে। ইও জানো কাহানিবা সম্ভৱপৰ।

সুধিলে, "কালি মহিন কিমান সময়ত গ'ল।"

আশাই কুচিমুচি খাই ক'লে, "ক'ব নোৱাৰোঁ।"

ৰাজলক্ষ্মীৰ ভয়ানক খং উঠি গ'ল—ক'লে, "তুমি একোৱেই ক'ব নোৱাৰা! পেন্দুকণা ছোৱালী! আটাইবোৰ তোমাৰ টেঙৰালি।"

আশাৰ আচৰণ আৰু স্বভাৱৰ দোষতেই যে মহেন্দ্ৰ গৃহত্যাগী হৈছে, এই মতটোও ৰাজলক্ষ্মীয়ে তীব্ৰস্বৰেৰে ঘোষণা কৰি দিলে। আশাই তলমূৰকৈ সেই ভৎসনা শুনি নিজৰ কোঠালৈ গৈ কান্দিবলৈ ধৰিলে। তেওঁ মনে মনে ভাবিলে, "কিয় যে মোৰ স্বামীয়ে মোক এদিন ভাল পাইছিল, তাক মই নেজানো আৰু কেনেকৈ সেই ভালপোৱা ঘুৰাই পাম, তাকো মই নেজানো।" যিজনে ভাল পায়, তেওঁক কেনেকৈ সুখী কৰিব পাৰি, সেই কথা হৃদয়ে

নিজেই কৈ দিয়ে; কিন্তু যিজনে ভাল নেপায়, কেনেকৈ তেওঁৰ মন ছুব পাৰি, আশাই তাৰ একোৱেই ভু নেপায়। যিজনে আনক ভাল পায়, তেওঁৰ পৰা মৰম আদায় কাৰবলৈ যোৱাৰ নিচিনা ইমান লাজ-লগা চেষ্টা এটা তেওঁ কেনেকৈ কৰিব।

গধূলি সময়ত তেওঁলোকৰ পৰিচিত গণক-বাপু আৰু তেওঁৰ ভনীয়েক আই-গোঁসানী গৰাকী আহি ওলালহি। পুতেকৰ গ্ৰহ-শান্তি কৰাবৰ বাবে ৰাজলক্ষ্মীয়ে এওঁলোকক মাতি পঠাইছিল। ৰাজলক্ষ্মীয়ে এবাৰ বোৱাৰীয়েকৰ কোষ্ঠীখন আৰু হাতখন চাবৰ কাৰণে গণক-বাপুক অনুৰোধ কৰিলে। আৰু সেইবাবে আশাক তালৈ উলিয়াই আনিলে। আনৰ আগত নিজৰ দুৰ্ভাগ্য আলোচনা কৰাৰ সঙ্কোচত একান্ত কুণ্ঠিত হৈ আশাই কোনোমতে হাতখন বাহিৰলৈ উলিয়াইছে, এনেতে ৰাজলক্ষ্মীয়ে তেওঁৰ কোঠাৰ কাষৰ আন্ধাৰ বাৰাণ্ডাখনত কাৰোবাৰ ভৰিৰ জোতাৰ কোমল শব্দ এটা শুনিলে—যেন কোনোবাই মনে মনে পাৰ হৈ যাবৰ চেষ্টা কৰিছে। ৰাজলক্ষ্মীয়ে মাত দিলে, "কোন সেয়া।"

প্ৰথমতে কোনো সঁহাৰি নেপালে। তাৰ পাচত আকৌ মাত দিলে, "কোন গৈছে অ'।" তেতিয়া নিৰুত্তৰ মহেন্দ্ৰ আহি কোঠাৰ ভিতৰত সোমাল।

আশাৰ আনন্দ লাগিব ক'ত, মহেন্দ্ৰৰ লাজ দেখা পাই তেওঁৰ হৃদয়খনো লাজেৰে উপচি গ'ল। মহেন্দ্ৰই এতিয়া নিজৰ ঘৰতো চোৰৰ দৰে সোমাব লাগে। গণক-বাপু আৰু আই-গোঁসানী বহি থকা কাৰণে তেওঁৰ আৰু বেচি লাজ লাগি গ'ল। গোটেই পৃথিৱীৰ ওচৰত নিজৰ স্বামীৰ কাৰণে যি লাজ, সি আশাৰ দুখখিনিকো চেৰাই গ'ল। ৰাজলক্ষ্মীয়ে যেতিয়া কোমল সুৰেৰে বোৱাৰীয়েকক ক'লে, "বোৱাৰী, পাৰ্ব্বতীক কোৱাচোন, মহেন্দ্ৰৰ চা-জলপানখিনি ভালকৈ সজাই আনিবৰ কাৰণে।" তেতিয়া আশাই ক'লে, "মা, মই নিজেই আনোগৈ।" ঘৰৰ লিগিৰা-লিগিৰীবোৰৰ দৃষ্টিৰ আগৰ পৰাও তেওঁ মহেন্দ্ৰক ঢাকি ৰাখিব খুজিলে।

আনপিনে গণক-বাপু আৰু তেওঁৰ ভনীয়েকক দেখা পাই মনে মনে মহেন্দ্ৰৰ অসন্তুষ্ট খং উঠিল। তেওঁৰ মাক আৰু বৈনীয়েকে তন্ত্ৰ-মন্ত্ৰৰ সহায়ত তেওঁক বশ কৰিবৰ কাৰণে এই অশিক্ষিত মূৰ্খ কিছুমানৰ লগ লাগি অতি

নির্লজ্জ ধৰণে ষড়যন্ত্র কৰিবলৈ ধৰিছে, মহেন্দ্রৰ কাৰণে ই অতি অসহ্য হৈ উঠিল। ইয়াৰ ওপৰতে আই-গোঁসানীয়ে যেতিয়া অতিপাত মৌ-সনা সুৰদী মাতেৰে সুধিলে, "ভালে আছা নহয়, বোপা"—তেতিয়া মহেন্দ্ৰ আৰু বহি থাকিব নোৱাৰিলে ; কুশল-প্ৰশ্নৰ কোনো উত্তৰ নিদিয়াকৈ ক'লে, "মা, মই এবাৰ ওপৰৰ পৰা আহোঁগৈ।"

মাকে ভাবিলে, মহেন্দ্ৰই বোধকৰো শোৱনি-কোঠাত ঘৈণীয়েকৰ লগত বিৰলে কথা-বতৰা হ'ব খুজিছে। অতি সন্তোষ মনেৰে বেগাবেগিকৈ ৰান্ধনি-ঘৰলৈ গৈ আশাক ক'লে, "যোৱাচোন, তুমি এবাৰ লৰালৰিকৈ ওপৰলৈ যোৱা, মহেন্দ্ৰৰ কি জানো দৰকাৰ হৈছে।"

আশা দুৰু-দুৰু কঁপা বুকু লৈ যাওঁনে নেযাওঁকৈ ওপৰলৈ উঠি গ'ল। শাহুৱেকৰ কথা শুনি তেওঁ ভাবিছিল, মহেন্দ্ৰই বোধকৰো তেওঁক মাতিছে। কিন্তু কোঠাৰ ভিতৰলৈ খপ্‌কৈ সোমাই যাব নোৱাৰিলে। সোমোৱাৰ আগতে আশাই আন্ধাৰত দুৱাৰৰ আঁৰ লৈ মহেন্দ্ৰক চাই ল'ব খুজিলে।

মহেন্দ্ৰই তেতিয়া শূন্য হৃদয় লৈ মজিয়াৰ বিচনাখনত শুই গাৰুত ভেজা দি কৰা-মাৰলি গণিবলৈ ধৰিছিল। এয়াই সেই মহেন্দ্ৰ—সকলোখিনি একেদৰেই আছে, তথাপি কি বিৰাট পৰিবৰ্ত্তন। এই এধানমানি শোৱনি-কোঠাটোক মহেন্দ্ৰই এদিন স্বৰ্গ কৰি তুলিছিল—আজি কিয় সেই আনন্দ-স্মৃতিৰে পৱিত্ৰ কোঠাটোক মহেন্দ্ৰই এইদৰে অপমান কৰিছে। ইমান কষ্ট, ইমান বিৰক্তি, ইমান চাঞ্চল্য যদি অনুভৱ কৰা, তেন্তে সেই বিচনাত ভুমি নবহিবা মহেন্দ্ৰ। ইয়ালৈ আহিও যদি মনত নপৰে সেই সকলোবোৰ পৰিপূৰ্ণ গভীৰ ৰাতি, সেই সকলোবোৰ সুনিবিড় দুপৰৰ দিন, আত্মহাৰা কৰ্ম্মবিস্মৃত ধাৰাষাৰ বৰষুণৰ দিন, দখিণা বতাহে কঁপাই যোৱা বসন্ত-দিনৰ বিহ্বল সন্ধ্যা, সেই অনন্ত অসীম অজস্ৰ অনিৰ্ব্বচনীয় কথাসমূহ, তেন্তে এই ঘৰটোত তোমাৰ কাৰণে আন বহুত কোঠা আছে, কিন্তু এই সৰু কোঠাটো এটি লহমাৰ বাবেও নাই!

আশাই আন্ধাৰত থিয় দি মহেন্দ্ৰক যিমানে বেচিকৈ নিৰীক্ষণ কৰিবলৈ ধৰিলে, সিমানে তেওঁৰ ধাৰণা হ'বলৈ ধৰিলে, মহেন্দ্ৰ এইমাত্ৰ সেই বিনোদিনীৰ ওচৰৰ পৰা আহিছে ; তেওঁৰ দেহত সেই বিনোদিনীৰ পৰশ, তেওঁৰ চকুত সেই বিনোদিনীৰ মূৰ্ত্তি, কাণত সেই বিনোদিনীৰ কণ্ঠস্বৰ, মনত

সেই বিনোদিনীৰ বাসনা একেবাৰে লিপ্ত জড়িত হৈ আছে। এই মহেন্দ্ৰক আশাই কেনেকৈ পৱিত্ৰ ভক্তি কৰিব, কেনেকৈ একাগ্ৰ মনেৰে ক'ব, "আহাঁ, মোৰ অনন্যপৰায়ণ হৃদয়ৰ মাজলৈ আহাঁ, মোৰ অটলনিষ্ঠ সতী-প্ৰেমৰ শুভ্ৰ শতদলৰ ওপৰত তোমাৰ দুখনি চৰণ ৰাখা।" তেওঁ তেওঁৰ মাহীয়েকৰ উপদেশ, পুৰাণৰ সাধু, শাস্ত্ৰৰ অনুশাসন একোৱেই মানিব নোৱাৰিলে—এই দাম্পত্যস্বৰ্গচ্যুত মহেন্দ্ৰক তেওঁ দুনাই মনৰ মাজৰ পৰা দেৱতা বুলি অনুভৱ কৰিব নোৱাৰিলে; তেওঁ আজি বিনোদিনীৰ কলঙ্ক-সাগৰৰ বুকুত তেওঁৰ হৃদয়-দেৱতাক বিসৰ্জ্জন দিলে; সেই প্ৰেমশূন্য ৰাতিৰ আন্ধাৰত তেওঁৰ কাণৰ ভিতৰত, বুকুৰ ভিতৰত, মগজুৰ মাজত, তেওঁৰ গোটেই দেহৰ ৰক্ত-প্ৰবাহৰ মাজত, তেওঁৰ চাৰিওদিশে থকা গোটেই সংসাৰখনত, তেওঁৰ মূৰৰ ওপৰৰ আকাশৰ নক্ষত্ৰপুঞ্জত, তেওঁৰ দেৱালেৰে ঘেৰি-ৰখা নিভৃত ছাদৰ ওপৰত, তেওঁৰ শোৱনি-কোঠাৰ পৰিত্যক্ত বিৰহ-শয্যাত এক ভয়ানক ব্যাকুলতাৰ সৈতে বিসৰ্জ্জনৰ বাদ্য বাজি উঠিল।

বিনোদিনীৰ মহেন্দ্ৰ যেন আশাৰ কাৰণে পৰপুৰুষ, যেন পৰপুৰুষতো অধিক—এনে এক লাজৰ বিষয়, যদিও খুব বেচি অচিনাকি নহয়। তেওঁ কোনোমতেই কোঠাৰ ভিতৰত ভৰি দিব নোৱাৰিলে।

এবাৰ কৰা-মাৰলিৰ পৰা মহেন্দ্ৰৰ অন্যমনস্ক দৃষ্টি সমুখৰ দেৱালৰ পিনে নামি আহিল। তেওঁৰ দৃষ্টি অনুসৰণ কৰি আশাই দেখিলে, সমুখৰ দেৱালত মহেন্দ্ৰৰ ছবিৰ কাষতে আশাৰ এখন ফটো ওলোমাই থোৱা আছে। ইচ্ছা হৈছিল সেইখন আঁচলৰ আগেৰে ঢাকি ধৰিব, টানি এৰুৱাই আনিব। অভ্যাসৰ দোষত কিয় যে সেইখন চকুত পৰা নাছিল, কিয় যে তেওঁ সেইখন ইমানদিন ধৰি নমাই আনি পেলাই নিদিয়াকৈ ৰাখিছিল, সেই কথা ভাবি তেওঁ নিজকে ধিক্কাৰ দিবলৈ ধৰিলে। তেওঁৰ ধাৰণা হ'ল, যেন মহেন্দ্ৰই মনে মনে হাঁহিবলৈ ধৰিছে, আৰু তেওঁৰ হৃদয়ৰ আসনত যি বিনোদিনীৰ মূৰ্ত্তি প্ৰতিষ্ঠিত, তেৱোঁ যেন তেওঁৰ মন চেলাউৰিযোৰৰ ফাকেদি কেৰাহিকৈ সেই ফটোখন চাই হাঁহিছে।

অৱশেষত বিৰক্তিত ছটফটাই থকা মহেন্দ্ৰৰ দৃষ্টি দেৱালৰ পৰা নামি আহিল। আশাই আজিকালি নিজৰ মূঢ়তা আঁতৰ কৰিবৰ বাবে সদায় সন্ধিয়া পৰত কাম-কাজ আৰু শাহুয়েকৰ সেৱা-শুশ্ৰূষাৰ পৰা আজৰি পালেই

বহুত ৰাতিলৈকে পঢ়া-শুনা কৰে। তেওঁৰ সেই লিখা-পঢ়া কৰা কিতাপ-বহী আদি কোঠাটোৰ এচুকত সজাই থোৱা আছিল! হঠাৎ মহেন্দ্ৰই অলসভাবে তাৰে এখন বহী টানি আনি মেলি চাবলৈ লাগিল। আশাৰ ইচ্ছা গৈছিল, দৌৰি গৈ চিঞৰ মাৰি সেইখন থাপিয়াই লৈ আহিব। তেওঁৰ কেঁচা হাতৰ আখৰবিলাকৰ প্ৰতি মহেন্দ্ৰৰ হৃদয়হীন বিদ্ৰূপদৃষ্টি কল্পনা কৰি তেওঁ আৰু এক মুহূৰ্ত্তও থিয় দি থাকিব নোৱাৰিলে। লৰালৰিকৈ তললৈ নামি গ'ল—ভৰিৰ খোজকেইটা গোপন কৰাৰ কোনো চেষ্টাই নহ'ল।

মহেন্দ্ৰৰ ভাত-পানী সকলো বন্ধা হৈ গৈছিল। ৰাজলক্ষ্মীয়ে ভাবিছিল, মহেন্দ্ৰ হয়তো বোৱাৰীয়েকৰ লগত ৰসালাপত মজি আছে; সেইবাবে ভাতখিনি নি মাজখিনিতে ৰস-ভঙ্গ কৰিব খোজা নাছিল। আশাক তললৈ নামি অহা দেখি তেওঁ ভাত-পানী বাঢ়ি মহেন্দ্ৰক খবৰ দিলে। মহেন্দ্ৰ খাবলৈ উঠাৰ লগে লগে, আশাই কোঠাটোৰ ভিতৰলৈ দৌৰি গৈ ছবিখন টান মাৰি আনি ছাদৰ দেৱালৰ সিপাৰে দলিয়াই পেলালে; আৰু তেওঁৰ কিতাপ-পত্ৰখিনি লৰালৰিকৈ সামৰি থলে।

খাই-বৈ উঠি মহেন্দ্ৰ আহি শোৱনি-কোঠাত বহিল। ৰাজলক্ষ্মীয়ে বোৱাৰীয়েকক ওচৰৰ ক'তোৱেই বিচাৰি নেপালে। অৱশেষত তলৰ মহলাত থকা ৰান্ধনি-ঘৰলৈ আহি দেখিলে, আশাই তেওঁৰ কাৰণে ৰখা গাখীৰৰ তলত জ্বাল দি আছে। কোনো প্ৰয়োজন নাছিল। কাৰণ, যিজনী লিগিৰীয়ে সদায় ৰাজলক্ষ্মীৰ গাখীৰৰ তলত জ্বাল দিয়ে, তাই ওচৰতে আছিল আৰু আশাৰ এই অকাৰণ উৎসাহত আপত্তি প্ৰকাশ কৰিছিল। বিশুদ্ধ পানী ঢালি গাখীৰৰ যি অংশটো তাই সদায় হৰণ কৰে, আজি সেই কামফেৰা ব্যৰ্থ হোৱাৰ সম্ভাৱনা দেখি মনে মনে তাই ব্যাকুল হৈ উঠিছিল।

ৰাজলক্ষ্মীয়ে ক'লে, "বোৱাৰী, তুমি আকৌ ইয়াত কিয়। যোৱা ওপৰলৈ যোৱা।"

আশাই ওপৰলৈ গৈ তেওঁৰ শাহুৱেকৰ কোঠাতে আশ্ৰয় ল'লে। ৰাজলক্ষ্মী বোৱাৰীয়েকৰ ব্যৱহাৰত বিৰক্ত হ'ল। ভাবিলে, "যদিও কোনোমতে মহেন্দ্ৰই মায়াবিনীৰ মায়া ত্যাগ কৰি অলপ সময়ৰ কাৰণে ঘৰলৈ আহিল, বোৱাৰীয়ে এতিয়া খং-ৰাগ, মান-অভিমান কৰি আকৌ তাক গৃহত্যাগী কৰিব যেন পাইছোঁ। বিনোদিনীৰ ফান্দত মহেন্দ্ৰ যে ধৰা পৰিল,

সিও দেখোন আশাৰেই দোষ। মতা মানুহ তো স্বভাৱতেই বিপথে যাবৰ বাবে প্ৰস্তুত, ঘৈণীয়েকৰ কামেই হ'ল ছলে-বলে কৌশলে তেওঁক পোন বাটত ৰখা।"

ৰাজলক্ষ্মীয়ে তীব্ৰ ভৰ্ৎসনাৰ সুৰত ক'লে, "তোমাৰ এইবোৰ কি ধৰণৰ ব্যৱহাৰ, বোৱাৰী। তোমাৰ কপালৰ গুণত গৰাকী আহি ঘৰ ওলাইছেহি, তুমি আকৌ মুখ ওন্দোলাই এইদৰে চুক বিচাৰি বিচাৰি ফুৰিছা কিয়।"

আশাই নিজকে অপৰাধিনী জ্ঞান কৰি আহত-চিত্তেৰে ওপৰলৈ উঠি গ'ল, আৰু মনটোক ইতস্ততঃ কৰিবৰ কোনো ছেলু নিদিয়াকৈ একে উশাহতে কোঠাৰ ভিতৰত সোমাই পৰিল। তেতিয়া দহ বাজি গৈছে। ঠিক সেই সময়তে মহেন্দ্ৰই বিচনাৰ সমুখত থিয় দি অনাৱশ্যকভাবে বহুত সময় চিন্তা কৰি আঁঠুৱাখন জাৰি-জোকাৰি নমাব খুজিছে। বিনোদিনীৰ ওপৰত তেওঁৰ মনত এক তীব্ৰ অভিমানৰ উদয় হৈছে। তেওঁ নিজকে নিজেই কৈছিল, বিনোদিনীয়ে মোক তেওঁৰ এনেকুৱা কিনা-গোলাম বুলি নিশ্চয়কৈ স্থিৰ কৰিছে নেকি যে, আশাৰ ওচৰলৈ মোক পঠাবৰ কাৰণে তেওঁৰ অলপো আশঙ্কা নুপজিল। আজিৰ পৰা যদি মই আশাৰ প্ৰতি মোৰ কৰ্ত্তব্য পালন কৰিবলৈ লওঁ, তেন্তে বিনোদিনীয়ে কাক আশ্ৰয় কৰি এই পৃথিৱীত থিয় হ'ব। মই ইমানেই অপদাৰ্থ নে যে, এই কৰ্ত্তব্য-পালনৰ ইচ্ছা মোৰ পক্ষে সম্পূৰ্ণ অসম্ভৱ! বিনোদিনীৰ লগত শেষত হবলা মোৰ এই পৰিচয়েই ঘটিল। শ্ৰদ্ধাও নেপালোঁ, ভালপোৱাও নেপালোঁ, মোক অপমান কৰিবলৈ তেওঁৰ দ্বিধাও নজন্মিল!" মহেন্দ্ৰই আঁঠুৱাৰ আগত থিয় দি দৃঢ়-চিত্তেৰে প্ৰতিজ্ঞা কৰিছিল, বিনোদিনীৰ এই স্পৰ্দ্ধাৰ তেওঁ প্ৰতিবাদ কৰিব, যেনেকৈয়ে হওক আশাৰ প্ৰতি তেওঁৰ হৃদয়ক অনুকুল কৰি বিনোদিনীয়ে দেখুউৱা অৱমাননাৰ প্ৰতিশোধ ল'ব।

যি মুহূৰ্ত্ততে আশা আহি কোঠাৰ ভিতৰত সোমাল, সেই মুহূৰ্ত্ততে মহেন্দ্ৰৰ আঁঠুৱা পেলোৱা বন্ধ হৈ গ'ল। আশাৰ লগত তেওঁ কি বুলি কথা আৰম্ভ কৰিব, সেই এক অতি দুৰূহ সমস্যা উপস্থিত হল'হি।

মহেন্দ্ৰই এটা কাঠ-হাঁহি মাৰি, হঠাৎ তেওঁৰ মুখত যি ওলাল, তাকে ক'লে। তেওঁ ক'লে, "তুমিও দেখিছোঁ মোৰ নিচিনাকৈ পঢ়াতে মন দিছা। কিতাপ-পত্ৰবোৰ এইখিনিতে যে দেখিছিলোঁ, সেইবোৰ ক'লৈ গ'ল।"

কথাষাৰ যে কেৱল অসংলগ্নই হ'ল সি নহয়—আশাক যেন শেলে বিন্ধাদি বিন্ধিলেও। মূৰ্খ আশাই যে শিক্ষিতা হ'বৰ চেষ্টা কৰিছে, সি তেওঁৰ অতি গোপন কথা—আশাই সিদ্ধান্ত কৰিছিল, কথাটো বৰ হাঁহি উঠা। তেওঁৰ এই শিক্ষালাভৰ সংকল্প যদি কাৰোবাৰ ঠাট্টা-বিদ্ৰূপৰ লেশমাত্ৰ আভাসৰ পৰাও গোপন কৰিব লাগে, তেন্তে সি বিশেষৰূপে মহেন্দ্ৰৰ ক্ষেত্ৰতে লাগে। সেই মহেন্দ্ৰয়েই যেতিয়া ইমানদিনৰ পাচত প্ৰথম সম্ভাষণতে হাঁহি মাৰি সেই কথাটোৰে অৱতাৰণা কৰিলে তেতিয়া অতি নিষ্ঠুৰ ধৰণে বেতৰ কোব খোৱা শিশুৰ কোমল দেহৰ দৰে, আশাৰ মনটো বেস্থাৰত কোচ খাই গ'ল। তেওঁ আৰু কোনো উত্তৰ নিদিয়াকৈ মুখখন ঘুৰাই চাহ-মেজৰ চুক এটা ধৰি থিয় দি ৰ'ল।

মহেন্দ্ৰই নিজেও সেই কথা উচ্চাৰণ কৰিয়েই বুজিছিল যে, কথাষাৰ ঠিক সঙ্গত, ঠিক সময়োপযোগী নহ'ল ;—কিন্তু বৰ্ত্তমান অৱস্থাৰ উপযোগী কথাষাৰ যে কি হ'ব পাৰে, তাক মহেন্দ্ৰই ভাবি-গুণিও বিচাৰি নেপালে। মাজখনিতে ঘটা ইমান ডাঙৰ বিপ্লৱৰ পাচত কোনো সহজ কথাই সঠিক ৰূপত শুনা নেযায়, হৃদয়ো তেনেই বোবা হৈ গৈছে, কোনো নতুন কথা ক'বৰ কাৰণে সি প্ৰস্তুত নহয়। মহেন্দ্ৰই ভাবিলে, "আঁঠুৰাৰ ভিতৰত সোমাই লব পাৰিলে, তাৰ নিভৃত বেষ্টনৰ মাজত হয়তো কথা কোৱা সহজ হ'ব।" এই কথা ভাবি মহেন্দ্ৰই আকৌ ধুতিৰ ঠোৰটোৰে আঁঠুৰাখন জাৰিবলৈ ধৰিলে। নতুন অভিনেতাই ৰঙ্গমঞ্চত প্ৰবেশ কৰাৰ পূৰ্ব্বে যিদৰে উৎকণ্ঠাৰ নেপথ্যৰ দুৱাৰত থিয় দি নিজৰ সংলাপখিনি মনে মনে এবাৰ আবৃত্তি কৰি লয়, মহেন্দ্ৰয়ো সেইদৰে বিচনাৰ সমুখত থিয় হৈ মনে মনে তেওঁৰ বক্তব্য আৰু কৰ্ত্তব্য আলোচনা কৰিবলৈ ধৰিলে। এনে সময়তে অতি মৃদু এটা শব্দ শুনি মহেন্দ্ৰই উলটি চাই দেখিলে, আশা কোঠাৰ ভিতৰত নাই।

## ৪৩

পাচদিনা পুৱা মহেন্দ্ৰই মাকক ক'লে, "মা, পঢ়া-শুনাৰ কাৰণে মোক আচুতীয়াকৈ এটা অকলশৰীয়া কোঠা লাগে। খুৰীদেউ যিটো কোঠাত আছিল, সেই কোঠাটোতে মই থাকিম।"

মাক প্ৰসন্ন হৈ উঠিল, "তেনেহ'লে মোৰ মহিন ঘৰতে থাকিব। তেনেহ'লে বোৱাৰীৰ লগত মিটমাট হৈ গৈছে। মোৰ এনে লখিমী বোৱাৰীক জানো মহিনে চিৰকাল অনাদৰ কৰিব পাৰে। এনে লখিমীক এৰি ক'ৰ সেই মায়াবিনী ডাইনীজনীক লৈ কিমানদিন নো মানুহ ভোল গৈ থাকিব পাৰে।"

মাকে লৰালৰিকৈ ক'লে, "কথাটো বেয়া নহয়, মহিন।" এইবুলি কৈয়েই লগে লগে চাবি আনি বন্ধ কোঠাটো খুলি ঘৰ চাফ কৰাৰ ধুমধাম লগাই দিলে। "বোৱাৰী, অ' বোৱাৰী, বোৱাৰী আকৌ ক'লৈ গ'ল।"—বহুত বিচাৰ-খোচাৰ কৰি বোৱাৰীয়েকক ঘৰৰ চুক এটাৰ পৰা উলিয়াই অনা হ'ল। "এখন পৰিষ্কাৰ চাদৰ উলিয়াই দিয়াচোন; এই কোঠাটোত মেজ নাই, ইয়াতে এখন মেজ পাৰি দিব লাগিব। এই চাকিটোৰে যে ন'হ'ব, ওপৰৰ পৰা লেম্পটো পঠিয়াই দিবা।" এইদৰে উভয়ে মিলি এই ঘৰৰ ৰাজা-ধিৰাজৰ কাৰণে অন্নপূৰ্ণাৰ কোঠাটোত বিস্তৃত ৰূপেৰে বজাৰ আসনসমূহ প্ৰস্তুত কৰি দিলে। মহেন্দ্ৰই পৰিচাৰিকা মণ্ডলীৰ প্ৰতি ভ্ৰূক্ষেপমাত্ৰ নকৰাকৈ গম্ভীৰ মুখেৰে কিতাপ-পত্ৰ লৈ কোঠাটোত বহিলহি আৰু সময়ৰ অকণো অপব্যয় নকৰাকৈ তৎক্ষণাৎ পঢ়িবলৈ আৰম্ভ কৰি দিলে।

ৰাতি ভাত-পানী খাই উঠি মহেন্দ্ৰ আকৌ পঢ়িবলৈ বহি গ'ল। তেওঁ তেওঁৰ ওপৰ মহলাৰ শোৱনি-কোঠাতে শুব নে তলতেই শুব, কোনোৱে ধৰিব নোৱাৰিলে। ৰাজলক্ষ্মীয়ে বহু যত্ন কৰি আশাক লপথপ পুতলা এটাৰ নিচিনাকৈ সজাই-মেলি ক'লে, "যোৱাচোন বোৱাৰী, মহিনক সুধি আহাঁগৈ, তাৰ বিচনা ওপৰতে পাৰিব লাগিব নেকি।"

এই প্ৰস্তাৱত আশাৰ ভৰি দুখনে লৰচৰ কৰিবই নুখুজিলে, তেওঁ নীৰবে তলমূৰকৈ থিয় দি ৰ'ল। খং উঠি ৰাজলক্ষ্মীয়ে বকিবলৈ আৰম্ভ কৰিলে। আশা বহু কষ্টেৰে লাহে লাহে দুৱাৰ-মুখলৈকে গ'ল; আৰু আগবাঢ়িব নোৱাৰিলে। ৰাজলক্ষ্মীয়ে দূৰৰ পৰাই বোৱাৰীয়েকৰ এই ব্যৱহাৰ দেখি বাৰাণ্ডাৰ এমূৰত থিয় দি খং প্ৰকাশ কৰি দেখুৱালে।

আশা লাজতে মুচকচ গৈ কোঠাৰ ভিতৰত সোমাই পৰিল। মহেন্দ্ৰই পাচপিনে ভৰিৰ খচকনি শুনি কিতাপৰ পৰা মূৰ নোতোলাকৈয়ে ক'লে, "এতিয়াও মোৰ পলম আছে—আকৌ কাইলৈ ৰাতিপুৱাই উঠি পঢ়িব

লাগিব—মই ইয়াতে শুম।”

কি যে গ্লানি। আশাই জানো মহেন্দ্রক ওপৰৰ কোঠাটোত শুবলৈ যাবৰ কাৰণে কুটুৰিবলৈ আহিছিল।

কোঠাৰ পৰা তেওঁ ওলাই অহাৰ লগে লগে ৰাজলক্ষ্মীয়ে বিৰক্তিৰ সুৰত সুধিলে, “কি, হ’ল কি।”

আশাই ক’লে, “তেওঁ এতিয়া পঢ়ি আছে, তললৈহে শুব হেনো।” এইবুলি কৈয়েই তেওঁ নিজৰ অপমানিত শয়নকক্ষত সোমাই পৰিল। ক’তো তেওঁৰ সুখ নাই—গোটেই পৃথিৱীখন যেন দুপৰৰ মৰুভূমিৰ নিচিনা তপত হৈ উঠিছে।

ৰাতি অলপ গভীৰ হৈ আহোঁতেই আশাৰ শোৱনি-কোঠাৰ বন্ধ দুৱাৰত কৰাঘাত লাগিল, “বোৱাৰী, বোৱাৰী, দুৱাৰখন মেলি দিয়াচোন।”

আশাই লৰালৰিকৈ দুৱাৰখন মেলি দিলে। ৰাজলক্ষ্মীয়ে তেওঁৰ উদ্‌ফাই বেমাৰ লৈ খটখটীয়েদি উঠি আহি অতি কষ্টেৰে উশাহ লৈছিল। কোঠাৰ ভিতৰত সোমায়েই তেওঁ বিচনাত বহি পৰিল আৰু কথা কোৱাৰ শক্তি উভতি আহিলতে থোকাথুকি মাতেৰে ক’লে, “বোৱাৰী, এইবোৰ কি কথা। ওপৰলৈ আহি দুৱাৰ বন্ধ কৰি থৈছা। এতিয়া জানো খং কৰিবৰ সময়! ইমান দুখতো দেখিছোঁ তোমাৰ বুদ্ধি নহ’ল। যোৱা তলৰ মহলালৈ যোৱা।”

আশাই সৰুকৈ ক’লে, “তেওঁ হেনো অকলে থাকিব।”

ৰাজলক্ষ্মী। অকলে থাকিব বুলি ক’লেই হ’ব নেকি। খঙৰ ভমকত সি কি কৈছে ক’ব নোৱাৰে, সেইবুলিয়েই জানো বোহ-ঘৰত পৰিলে হ’ব! ইমান অভিমান কৰিলে নহয়। যোৱা, সোনকালে যোৱা।

দুখৰ দিনত বোৱাৰীয়েকৰ ওচৰত আৰু শাহুৱেকৰ লাজ বোলা বস্তুটো নাই। তেওঁৰ হাতত যিকণ উপায় আছে, সেইকণকে লৈ মহেন্দ্রক যেনে তেনে বান্ধি ৰাখিব লাগিব।

আবেগত কথা কবলৈ গৈ ৰাজলক্ষ্মীৰ আকৌ উশাহ-নিশাহ লোৱাত কষ্ট আৰম্ভ হ’ল। কিছু স্বাভাৱিক হৈ লৈ তেওঁ উঠিল। আশায়ো দুনাই একো নকৈ তেওঁক ধৰি ধৰি তললৈ নামিল। ৰাজলক্ষ্মীক আশাই তেওঁৰ শোৱনি-কোঠাৰ বিচনাত বহুৱাই, গাৰু কেইটা পিঠিৰ ওচৰত সজাই-মেলি

দিবলৈ ধৰিলে। ৰাজলক্ষ্মীয়ে ক'লে, "থাকক বোৱাৰী, থাকক। সুধাক মাতি দিবা। তুমি যোৱা, আৰু পলম নকৰিবা।"

আশাই এইবাৰ অকণো ইতস্ততঃ নকৰিলে। শাহুৱেকৰ কোঠাৰ পৰা ওলাই সাউতকৈ মহেন্দ্ৰৰ কোঠাত সোমালগৈ। মহেন্দ্ৰৰ সমুখত মেজৰ ওপৰত মেলি থোৱা কিতাপখন পৰি আছে—তেওঁ মেজৰ ওপৰত দুই ভৰি তুলি চকাৰ ওপৰত মূৰটো আঁউজাই একমনেৰে কিবা এটা ভাবি আছিল। পাচপিনে ভৰিৰ খচকনি শুনি এবাৰ চক্ খাই উঠি ঘূৰি চালে। যেন কাৰোবাৰ ধ্যানত নিমগ্ন হৈ আছিল, আৰু হঠাৎ ভ্ৰম হৈ গৈছিল, তেওঁৱেই আহি ওলোৱা বুলি। আশাক দেখা পাই মহেন্দ্ৰই সংযত হৈ ভৰি দুখন নমাই মেলি থোৱা কিতাপখন কোলাৰ ওপৰলৈ টানি ল'লে।

মহেন্দ্ৰ আজি মনে মনে আচৰিত হৈ গ'ল। আজিকালি দেখোন আশা ইমান অসঙ্কোচেৰে তেওঁৰ সমুখত নোলায়—হঠাৎ তেওঁলোক দুয়োবো দেখাদেখি হৈ গ'লে, তেওঁ তেতিয়াই আঁতৰি গুচি যায়। আজি ইমান ৰাতি হ'লতো ইমান সহজভাবে তেওঁ যে তেওঁৰ কোঠাত সোমাইছেহি, ই অতি বিস্ময়কৰ কথা। মহেন্দ্ৰই তেওঁৰ কিতাপৰ পৰা মূৰ নোতোলাকৈয়ে ক'লে, আশাৰ আজি গুচি যোৱাৰ লক্ষণ নাই। আশা মহেন্দ্ৰৰ সমুখত আহি স্থিৰভাবে থিয় দিলেহি। তেতিয়া আৰু মহেন্দ্ৰই পঢ়া ভাও জুৰিব নোৱাৰিলে—মূৰ তুলি চাবলগীয়া হ'ল। আশাই সুস্পষ্ট মাতেৰে ক'লে, "মাৰ উদ্‌ফাই বেমাৰটো বাঢ়িছে, তুমি এবাৰ তেখেতক চাই আহিলে ভাল হয়।"

মহেন্দ্ৰ। তেওঁ ক'ত আছে ?

আশা। তেখেতৰ শোৱনি-কোঠাতে আছে, শুব পৰা নাই।

মহেন্দ্ৰ। তেনে'হলে ব'লা, তেওঁক চাই আহোঁগৈ।

বহুত দিনৰ মূৰত আশাৰ লগত এইকণ কথা পাতিয়েই, মহেন্দ্ৰৰ মনটো যেন বহুত পাতল লাগি প'ল। নীৰৱতাই যেন দুৰ্ভেদ্য দুৰ্গপ্ৰাচীৰৰ দৰে স্বামী-স্ত্ৰীৰ মাজত এটা ক'লা ছাঁ আঁকি থিয় দি আছিল, মহেন্দ্ৰৰ পক্ষৰ পৰা তাক ভাঙিবৰ কোনো অস্ত্ৰই নাছিল—এনে সময়তে আশাই নিজৰ হাতেৰে দুৰ্গৰ এখন সৰু দুৱাৰ খুলি দিলেহি।

ৰাজলক্ষ্মীৰ কোঠাৰ দুৱাৰডলিতে আশা থিয় দি ৰ'ল, মহেন্দ্ৰ কোঠাৰ

ভিতৰলৈ সোমাই গ'ল। মহেন্দ্ৰক অসময়ত কোঠাৰ ভিতৰলৈ অহা দেখি ৰাজলক্ষ্মীয়ে ভয় খালে ; মনে মনে ভাবিলে, আকৌ বোধকৰোঁ আশাৰ লগত উখনা-উখনি লাগি সি বিদায় ল'বলৈ আহিছে। সেইবাবে ক'লে, "মহিন, এতিয়াও তই শোৱা নাই?"

মহেন্দ্ৰই ক'লে, "মা, তোমাৰ উদ্‌ফাইৰ উকনি বাঢ়িছে নেকি।"

ইমানদিনৰ পাচত এই প্ৰশ্নটো শুনি মাকৰ মনত খুব বেচি অভিমান উপজি গ'ল। বুজিলে, বোৱাৰীয়েকে গৈ কোৱাতহে মহিনে আজি মাকৰ বাতৰি ল'বলৈ আহিছে। এই অভিমানৰ আবেগত তেওঁৰ বুকুখন আৰু বেচি হেঁচা মাৰি ধৰা যেন লাগিল—অতি কষ্টৰে কথাষাৰ ক'লে, "যা, তই শোগৈ যা। মোৰ একোৱেই হোৱা নাই।"

মহেন্দ্ৰ। নহয় মা, এবাৰ পৰীক্ষা কৰি চোৱা ভাল, এই বেমাৰ উলাই কৰা উচিত নহয়।

মহেন্দ্ৰই জানিছিল, তেওঁৰ মাকৰ হৃদ্‌পিণ্ডৰ দুৰ্ব্বলতা আছে, এই কাৰণে আজি মাকৰ মুখৰ লক্ষণ দেখি তেওঁ উদ্বেগ অনুভৱ কৰিলে।

মাকে ক'লে, "পৰীক্ষা কৰিবৰ প্ৰয়োজন নাই, মোৰ এই বেমাৰ দুগুচে।"

মহেন্দ্ৰই ক'লে, "বাৰু, আজি ৰাতিৰ কাৰণে এটা টোপনি-অহা ঔষধ আনি দিওঁ, কাইলৈ ভালকৈ চাব লাগিব।"

ৰাজলক্ষ্মী। বহুত ঔষধ খালোঁ, ঔষধ খাই মোৰ একো নহয়। যা মহিন, বহুত ৰাতি হৈছে, তই শোগৈ যা।

মহেন্দ্ৰ। তুমি অলপ সুস্থ হৈ ল'লেই, মই যাম।

অভিমানিনী ৰাজলক্ষ্মীয়ে তেতিয়া দুৱাৰৰ আঁৰালত লুকাই থকা বোৱাৰীয়েকক সম্বোধন কৰি ক'লে, "বোৱাৰী, কিয় তুমি এই ৰাতিখন মহেন্দ্ৰক বিৰক্ত কৰিবৰ কাৰণে ইয়ালৈ আনিছা।" তাৰ লগে লগে তেওঁৰ উশাহ-নিশাহৰ কষ্ট অলপ বাঢ়ি আহিল।

তেতিয়া আশাই কোঠাৰ ভিতৰলৈ সোমাই আহি মহেন্দ্ৰক মৃদু অথচ দৃঢ় স্বৰেৰে ক'লে, "যোৱা, তুমি শোৱাগৈ যোৱা, মাৰ ওচৰত মই থাকিম।"

মহেন্দ্ৰই আশাক অলপ আঁৰলৈ মাতি নি ক'লে, "মই এটা ঔষধ আনিবলৈ পঠাই দিওঁ। চিচাটোত দুদাগ ঔষধ থাকিব—এদাগ খুওৱাৰ পাচতো যদি টোপনি নাহে, তেন্তে এঘণ্টাৰ পাচত আৰু এদাগ খুৱাই দিবা

ৰাতি বেচি বঢ়া যেন দেখিলে মোক খবৰ দিবলৈ নেপাহৰিবা।"

এইবুলি কৈ মহেন্দ্ৰ নিজৰ কোঠালৈ উভতি গ'ল। আশা আজি তেওঁৰ সমুখত যি মূৰ্ত্তিত দেখা দিলে, ই যেন মহেন্দ্ৰৰ কাৰণে নতুন। এইজনী আশাৰ মাজত কোনো সঙ্কোচ নাই, দীনতা নাই, এই আশা নিজৰ অধিকাৰৰ মাজত নিজে অধিষ্ঠিত, সেইকণৰ বাবে তেওঁ মহেন্দ্ৰৰ ওচৰত ভিক্ষাপ্ৰাৰ্থিনী নহয়। নিজৰ পত্নীক মহেন্দ্ৰই উপেক্ষা কৰিছে, কিন্তু ঘৰৰ বোৱাৰীৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা উপজিল।

আশাই যে তেওঁৰ যত্ন লৈয়েই মহেন্দ্ৰক মাতি আনিছে, এই কথাত ৰাজলক্ষ্মী মনে মনে অতি প্ৰসন্ন হ'ল। মুখেৰে অৱশ্যে ক'লে, "বোৱাৰী, তোমাক শুবলৈ পঠালোঁ, তুমি আকৌ মহেন্দ্ৰক টানি আনিবলৈ গ'লা কিয়।"

আশাই সেই কথাৰ কোনো উত্তৰ নিদি হাতত বিচনি লৈ তেওঁৰ ভৰিৰ ওচৰত বহি বিচিবলৈ লাগিল।

ৰাজলক্ষ্মীয়ে ক'লে, "যোৱা বোৱাৰী, শোৱাগৈ যোৱা।"

আশাই মৃদু কণ্ঠেৰে ক'লে, "মোক ইয়াতে বহি থাকিবলৈ কৈ গৈছে।" আশাই জানিছিল, মহেন্দ্ৰই মাকৰ শুশ্ৰূষা কৰিবৰ কাৰণে তেওঁক নিয়োগ কৰি যোৱাৰ খবৰটো পালে ৰাজলক্ষ্মী অতি সন্তুষ্ট হ'ব।

## ৪১

ৰাজলক্ষ্মীয়ে যেতিয়া স্পষ্টকৈ দেখা পালে, আশাই মহেন্দ্ৰৰ মন বান্ধি ৰাখিব পৰা নাই, তেতিয়া তেওঁ ভাবিলে, "অন্ততঃ মোৰ বেমাৰ উপলক্ষেই যদি মহেন্দ্ৰ থাকিবলগীয়া হয়, সিও ভাল।" তেওঁৰ ভয় হ'ল, জানোচা তেওঁৰ অসুখটো সম্পূৰ্ণ ভাল হৈ যায়। আশাৰ চকুত ধুলি দি তেওঁ ঔষধ-পাতিবোৰ পেলাই দিবলৈ আৰম্ভ কৰিলে।

অন্যমনস্ক মহেন্দ্ৰই খুব বেচি খবৰ নেৰাখিছিল। কিন্তু আশাই দেখিবলৈ পাইছিল, ৰাজলক্ষ্মীৰ বেমাৰ অকণো কমা নাই, বৰং বাঢ়িছেহে নেকি। আশাই ভাবিছিল, মহেন্দ্ৰই যথেষ্ট যত্ন আৰু চিন্তা কৰি ঔষধ নিৰ্ব্বাচন কৰা নাই—মহেন্দ্ৰৰ মন ইমানেই উদ্‌ভ্ৰান্ত যে, আনকি মাকৰ বেমাৰ দেখিও তেওঁ

তেওঁৰ সম্বিৎ ঘূৰাই পোৱা নাই। মহেন্দ্ৰৰ ইমান বেচি দুৰ্গতি দেখি আশাই তেওঁক মনে মনে ধিক্কাৰ নিদিয়াকৈ থাকিব নোৱাৰিলে। একালে নষ্ট হ'লে মানুহ কিজানি এইদৰে সকলো ফালেই নষ্ট হ'বলৈ ধৰে।

এদিন গধূলি কষ্ট ভুগি থাকোঁতে ৰাজলক্ষ্মীৰ বিহাৰীলৈ মনত পৰি গ'ল। বিহাৰী যে কিমানদিন ধৰি অহা নাই, তাৰ লেখ নাই; আশাক শুধিলে, "বোৱাৰী, বিহাৰী এতিয়া ক'ত আছে, জানানে?" আশাই বুজিব পাৰিলে, চিৰকাল ধৰি বেমাৰ-আজাৰৰ সময়ত বিহাৰীয়েই শাহুৱেকৰ পৰিচৰ্য্যা কৰি আহিছে। সেইবাবেই কষ্টৰ সময়ত তেওঁৰ বিহাৰীলৈকে মনত পৰিছে। হায়, এইখন সংসাৰৰ অটল নিৰ্ভৰ সেই চিৰকালৰ বিহাৰীও আঁতৰি গ'ল। বিহাৰী দেবৰ-বোপা থাকিলে, এই দুঃসময়ত মাৰ যত্ন লোৱা হ'লহেঁতেন—এওঁৰ নিচিনা ইমান হৃদয়হীন তেওঁ নহয়। আশাৰ বুকুৰ মাজৰ পৰা এটি হুমুনিয়াহ ওলাই আহিল।

ৰাজলক্ষ্মী। বিহাৰীৰ লগত মহিনে হবলা কাজিয়া কৰিছে? বৰ অন্যায় কৰিছে, বোৱাৰী। তাৰ নিচিনা ইমান হিতাকাঙ্ক্ষী বন্ধু মহিনৰ আৰু কোনোৱেই নাই।

কোৱাৰ লগে লগে ৰাজলক্ষ্মীৰ চকুৰ কোণ দুটা সেমেকি উঠিল।

এটা-এটাকৈ আশাৰ বহুত কথাই মনত পৰি গ'ল। অন্ধ মূঢ় আশাক যথাসময়ত সতৰ্ক কৰি দিবৰ কাৰণে বিহাৰীয়ে যে কিমান ধৰণে কিমান বাৰ চেষ্টা কৰিছিল আৰু সেই চেষ্টাৰ ফলত তেওঁ ক্ৰমে আশাৰ অপ্ৰিয় হৈ উঠিছিল, সেই কথা মনলৈ আহিলত আজি আশাই মনে মনে নিজকে নিজেই তীব্ৰভাবে অপমান কৰিবলৈ লাগিল। একমাত্ৰ সুহৃদজনক যি লাঞ্ছনা কৰি, একমাত্ৰ শত্ৰুক বুকুৰ মাজলৈ টানি লয়, বিধাতাই সেই কৃতঘ্ন মূৰ্খক কিয় শাস্তি নিদিব। ভগ্নহৃদয় বিহাৰীয়ে যি হুমুনিয়াহ কাঢ়ি এই ঘৰৰ পৰা বিদায় লৈ গৈছে, সেই হুমুনিয়াহে জানো এই ঘৰটোক নোচোৱাকৈ থাকিব পাৰে।

বহুত সময় চিন্তিত মুখেৰে স্থিৰ হৈ থকাৰ পাচত ৰাজলক্ষ্মীয়ে হঠাৎ আকৌ ক'লে, "বোৱাৰী, বিহাৰী যদি থাকিলহেঁতেন, তেন্তে এই দুৰ্দ্দিনত সি আমাক ৰক্ষা কৰিব পাৰিলেহেঁতেন—ইমানদূৰ আগবাঢ়িব নোৱাৰি-লেহেঁতেন।"

আশাই নিস্তব্ধ হৈ ভাবিবলৈ ধৰিলে। ৰাজলক্ষ্মীয়ে হুমুনিয়াহ কাঢ়ি ক'লে, "সি যদি খবৰ পায়, মোৰ বেমাৰ হৈছে, তেন্তে সি নহাকৈ থাকিব নোৱাৰে।"

আশাই বুজিলে, ৰাজলক্ষ্মীৰ ইচ্ছা বিহাৰীয়ে খবৰটো পাওক। বিহাৰীৰ অভাৱত তেওঁ আজিকালি তেনেই নিথকৱা হৈ পৰিছে।

কোঠাৰ ভিতৰৰ লেম্পটো নুমাই, মহেন্দ্ৰ খিৰিকীৰ ওচৰত জোনাকত থিয় দি আছিল। পঢ়া-শুনা কৰিবলৈ আৰু ভাল নেলাগে। ঘৰত কোনো শান্তি নাই। যিবিলাক পৰম আত্মীয়, তেওঁলোকৰ লগত সহজ ধৰণৰ সম্বন্ধটো আঁতৰি গৈছে, পৰৰ নিচিনাকৈ তেওঁলোকক অনায়াসে পেলাই দিব নোৱাৰি, অথচ আপোনজনৰ দৰে অনায়াসে তেওঁলোকক গ্ৰহণ কৰিবও নোৱাৰি—তেওঁলোকৰ সেই এৰিব নোৱাৰা আত্মীয়তাই প্ৰতি মুহূৰ্ত্তে অসহ্য বোজাৰ দৰে তেওঁৰ বুকুৰ ওপৰত হেঁচা মাৰি ধৰি থাকে। মাকৰ ওচৰলৈ যাবলৈ মহেন্দ্ৰৰ ইচ্ছা নেযায়—হঠাৎ মহেন্দ্ৰক ওচৰলৈ অহা দেখিলেই মাকে এনে এক ভয়-মিহলি উৎকণ্ঠাৰে তেওঁৰ মুখলৈ চায় যে, সেই চাৱনিটোৱে মহেন্দ্ৰক আঘাত দিয়ে। আশা কিবা কাৰণত ওচৰলৈ আহিলে তেওঁৰ লগত কথা কোৱাটোৱেই কঠিন হৈ উঠে, মনে মনে থকাটোও অতি কষ্টদায়ক হৈ উঠে। এনেকৈ দিনবোৰ নেযায়-নুপুৱায় যেন লগা হৈছে। মহেন্দ্ৰই দৃঢ় প্ৰতিজ্ঞা কৰিছিল, অন্ততঃ সাদিনলৈ তেওঁ বিনোদিনীৰ লগত একেবাৰে দেখা নকৰে। আৰু দুদিন বাকী আছে—সেই দুটা দিন কেনেকৈ পাৰ হৈ যাব বাৰু।

মহেন্দ্ৰই পাচৰ পিনে ভৰি-খচকনিৰ শব্দ শুনিলে। বুজিলে, আশা আহি কোঠাৰ ভিতৰত সোমাইছে। যেন শুনিবলৈকে পোৱা নাই, এনে ভাও জুৰি স্থিৰ হৈ থিয় দি ৰ'ল। আশাই সেই ভাওটোৰ উমান পালে, তথাপি কোঠাৰ পৰা ওলাই নগ'ল। পাচপিনে থিয় হৈ ক'লে, "এটা কথা আছে, সেইটো কৈয়েই মই যাওঁ।"

মহেন্দ্ৰই ঘূৰি লৈ ক'লে "যাব লাগিছে কিয়, অলপ বহাঁইচোন বাৰু।"

আশাই এই ভদ্ৰতাকণৰ প্ৰতি কোনো কাণ নিদিয়াকৈ স্থিৰ হৈ থিয় দি ক'লে "বিহাৰী দেৱৰ-বোপাক মাৰ অসুখৰ খবৰ দিয়া উচিত।"

বিহাৰীৰ নামটো শুনাৰ লগে লগে মহেন্দ্ৰৰ হৃদয়ৰ আহত ঠাইটুকুৰাত

আঘাত লাগি গ'ল। নিজকে অলপ সংযত কৰি লৈ ক'লে, "কিয় উচিত। মোৰ চিকিৎসাৰ ওপৰত হবলা বিশ্বাস নাই।"

মহেন্দ্ৰই মাকৰ চিকিৎসাত যথেষ্ট যত্ন লোৱা নাই, এই ভৰ্ৎসনাৰে আশাৰ হৃদয় পৰিপূৰ্ণ হৈ আছিল, সেইবাবেই তেওঁৰ মুখেদি ওলাই গ'ল, "ক'তা, মাৰ অসুখ দেখোন অকণো ভাল হোৱা নাই, দিনে দিনে আৰু বাঢ়িহে গৈছে।"

এই কথাখিনিৰ ভিতৰত থকা উত্তাপকণ মহেন্দ্ৰই অনুভৱ কৰিলে। এনে ধৰণৰ গূঢ় ভৰ্ৎসনা মহেন্দ্ৰক আশাই কাহানিও কৰা নাছিল। মহেন্দ্ৰই নিজৰ অহঙ্কাৰত আহত হৈ বিস্মিত বিদ্ৰূপেৰে ক'লে, "তোমাৰ ওচৰতহে ডাক্তৰী শিকিব লাগিব যেন দেখিছোঁ।"

আশাই এই বিদ্ৰূপ শুনি তেওঁৰ পুঞ্জীভূত বেদনাৰ উপৰিও হঠাৎ এক অপ্ৰত্যাশিত আঘাত অনুভৱ কৰিলে; তদুপৰি কোঠাটো আন্ধাৰ হৈ আছিল, সেইবাবেই চিৰকালৰ নিৰুত্তৰ আশাই আজি অসঙ্কোচেৰে, উদ্দীপ্ত আবেগেৰে কৈ উঠিল, "ডাক্তৰী নিশিকা নেলাগে; কিন্তু মাক যত্ন কৰিবলৈ শিকিব পাৰা।"

আশাৰ পৰা এনে উত্তৰ পাই মহেন্দ্ৰৰ বিস্ময়ৰ সীমা নেথাকিল। এই অনভ্যস্ত তীব্ৰ বাক্য শুনি মহেন্দ্ৰ নিষ্ঠুৰ হৈ উঠিল। মহেন্দ্ৰই ক'লে, "তোমাৰ বিহাৰী দেৱৰ-বোপাক কিয় এই ঘৰলৈ আহিবলৈ নিষেধ কৰিছোঁ, তাক তুমি জানা—আকৌ তেওঁক সুঁৱৰিছা হবলা!"

আশা বেগাবেগিকৈ কোঠাৰ পৰা ওলাই গুচি গ'ল। লাজৰ ধুমুহাই যেন তেওঁক ঠেলি লৈ গ'ল। লাজ তেওঁৰ নিজৰ বাবে নহয়। যিজন মানুহ অপৰাধত ডুব গৈ আছে, সেই মানুহজনেও এনে অন্যায় অপবাদ মুখেৰে উচ্চাৰণ কৰিব পাৰে! ইমান বিশাল নিৰ্লজ্জতাক পৰ্ব্বত-প্ৰমাণ লজ্জাৰেও ঢাকি ৰাখিব নোৱাৰি।

আশা গুচি যোৱাৰ লগে লগে মহেন্দ্ৰই নিজৰ সম্পূৰ্ণ পৰাজয় অনুভৱ কৰিব পাৰিলে। আশাই যে কোনোবা দিনা কোনো অৱস্থাত মহেন্দ্ৰক এনেদৰে ধিক্কাৰ দিব পাৰিব, সেই কথা মহেন্দ্ৰই কল্পনাই কৰিব পৰা নাছিল। মহেন্দ্ৰই দেখিলে, যিখিনি ঠাইত তেওঁৰ কাৰণে সিংহাসন সজাই থোৱা আছিল, আজি সেই ঠাইতেই তেওঁ ধূলিত লুণ্ঠিত হৈ পৰিছে। ইমানদিনৰ

পাচত তেওঁৰ আশঙ্কা জন্মিল, জানোচা আশাৰ বেদনা ঘৃণাত পৰিণত হয়।

আনপিনে বিহাৰীৰ কথা মনলৈ অহাৰ লগে লগে বিনোদিনীৰ চিন্তাই তেওঁক অধীৰ কৰি তুলিলে। বিহাৰী ভাটীৰ পৰা উভতিছে নে নাই, কোনে জানে। ইতিমধ্যে বিনোদিনীয়ে তেওঁৰ ঠিকনাটো গম পাবও পাৰে, বিনোদিনীৰ লগত বিহাৰীৰ দেখাদেখি হোৱাটোও অসম্ভৱ নহয়। মহেন্দ্ৰৰ প্ৰতিজ্ঞা নোৰোৱা অৱস্থাত পৰিলহি।

ৰাতি ৰাজলক্ষীৰ বুকুৰ কষ্টটো বাঢ়িল, তেওঁ আৰু থাকিব নোৱাৰাত পৰি মহেন্দ্ৰক মতাই পঠালে। অতি কষ্টেৰে কথা ক'লে, "মহিন, বিহাৰীক চাবলৈ মোৰ খুব মন গৈছে, বহুত দিন সি অহা নাই।"

আশাই শাহুৱেকক বিচি আছিল। তেওঁ তলমূৰ কৰি ৰ'ল। মহেন্দ্ৰই ক'লে, "তেওঁ ইয়াত নাই, ভাটীৰ পিনে ক'ৰবালৈ গৈছে।"

ৰাজলক্ষীয়ে ক'লে, "মোৰ মনটোৱে কৈছে, সি ইয়াতেই আছে। কেৱল তোৰ ওপৰত অভিমান কৰি অহা নাই। মোৰ মূৰকে খায়, কালি এবাৰ তই তা'ৰ ঘৰলৈ যাবি।"

মহেন্দ্ৰই ক'লে, "যাম বাৰু।"

আজি সকলোবোৰে বিহাৰীক মাতিবলৈ ধৰিছে। মহেন্দ্ৰই নিজকে বিশ্বৰ পৰিত্যক্ত কোনোবা বুলি ভাবিবলৈ লাগিল।

## ৪৭

পাচদিনা দোকমোকালি পৰতে মহেন্দ্ৰ বিহাৰীৰ ঘৰত ওলালগৈ। দেখিলে, পদূলিমুখতে কেইবাখনো গৰু-গাড়ীত লগুৱাবোৰে বস্তু-বেহানি তুলিবলৈ ধৰিছে। মহেন্দ্ৰই ভজুক সুধিলে, "কথাটো কি অ'।" ভজুৱে ক'লে, "বাবুৱে বালিত গঙ্গাৰ পাৰত এখন বাগিচা কিনিছে, বস্তু-বেহানিবোৰ তালৈকে নিব লাগে।" মহেন্দ্ৰই সুধিলে, "বাবু ঘৰত আছে নেকি।" ভজুৱে ক'লে, "তেখেত ছদিন মাথোন কলিকতাত থাকি, কালি বাগিচালৈ গুচি গৈছে।"

কথাটো শুনি মহেন্দ্ৰৰ মন আশঙ্কাৰে পৰিপূৰ্ণ হৈ উঠিল। তেওঁ

নেথাকোঁতেই ইতিমধ্যে বিনোদিনী আৰু বিহাৰীৰ যে দেখাদেখি হৈ গৈছে, এই বিষয়ে তেওঁৰ কোনো সন্দেহ নেথাকিল। তেওঁ মানস-চকুৰে দেখা পালে, বিনোদিনীৰ ভাৰাঘৰৰ সমুখতো এতিয়ামানে গৰু-গাড়ীত বস্তু-বেহানি তোলা হৈ গৈছে। তেওঁৰ নিশ্চিত ধাৰণা হ'ল, "এইবাৰেই মই-মূৰ্খক বিনোদিনীয়ে ভাৰাঘৰৰ পৰা দূৰ কৰি ৰাখিছিল।"

অকণো পলম নকৰাকৈ মহেন্দ্ৰই তেওঁৰ গাড়ীত উঠি কচোৱানটোক গাড়ী চলাবলৈ ক'লে। ঘোঁৰাকেইটা খৰকৈ যোৱা নাই বুলি মহেন্দ্ৰই মাজে মাজে কচোৱানক গালি পাৰিলে। গলিৰ মাজত থকা সেই ঘৰটোৰ পদুলি পায়েই দেখিলে, সেই ঠাইত যাত্ৰাৰ কোনো উমঘামেই নাই। ভয় হ'ল, জানোচা সেই কাম কেতিয়াবাই সমাধা হৈ গ'ল। লৰালৰিকৈ দুৱাৰত ভুকুৱালে। ভিতৰৰ পৰা বুঢ়া লগুৱাটোৱে দুৱাৰ খুলি দিয়াৰ লগে লগে মহেন্দ্ৰই সুধিলে, "সকলো খবৰ ভাল নহয়?" সি ক'লে, "হয় দেউতা, ভালেই।"

মহেন্দ্ৰই ওপৰলৈ উঠি গৈ দেখিলে, বিনোদিনী গা ধুবলৈ গৈছে। তেওঁৰ নিৰ্জান শোৱনি-কোঠাটোত সোমাই মহেন্দ্ৰই বিনোদিনীৰ গ'ল-নিশা ব্যৱহাৰ কৰা বিচনাখনত ঢলি পৰিল। সেই কোমল গালিচাখন দুয়ো হাত মেলি বুকুৰ মাজত সাৱটি ধৰিলে আৰু সেইখন শুঙি চাই তাৰ ওপৰত মুখখন থৈ ক'বলৈ ধৰিলে, "নিষ্ঠুৰ! নিষ্ঠুৰ!"

এইদৰে হৃদয়ৰ উচ্ছ্বাস মুকলিকৈ মেলি ধৰি বিচনাৰ পৰা উঠি মহেন্দ্ৰই অধীৰভাবে বিনোদিনীৰ প্ৰতীক্ষা কৰিবলৈ ধৰিলে। ঘৰৰ ভিতৰতে টহল দি ফুৰি থাকোঁতে দেখিলে, এখন বঙলা বাতৰি-কাকত তলৰ বিচনাখনত মেল খাই পৰি আছে। সময় কটাবৰ কাৰণে আৰু অলপ অন্যমনস্কভাবে তেওঁ সেইখন বুটলি ল'লে; য'ত চকু পৰিল, সেই ঠাইতে মহেন্দ্ৰই বিহাৰীৰ নামটো দেখা পালে। এক মুহূৰ্ত্ততে তেওঁৰ গোটেই মনটো বাতৰি-কাকতৰ সেই ঠাইডোখৰত উবুৰি খাই পৰিল। এজন পত্ৰলেখকে লিখিছে, অলপীয়া বেতন পোৱা দুখীয়া কেৰেণীসকল বেমাৰত পৰিলে, বিনামূল্যে তেখেতসকলৰ চিকিৎসা আৰু শুশ্ৰূষা কৰিবৰ কাৰণে বিহাৰীয়ে বালিত গঙ্গাৰ পাৰত এখন বাগিচা কিনিছে—তাত একে সময়তে পাঁচ জন মানুহক আশ্ৰয় দিয়াৰ ব্যৱস্থা কৰা হৈছে, ইত্যাদি।

বিনোদিনীয়ে এই বাতৰিটো পঢ়িছে। পঢ়ি তেওঁৰ যেনেকুৱা ধাৰণা হ'ল। নিশ্চয় তেওঁৰ মনটোৱে সেইপিনে পলাওঁ-পলাওঁ লগাইছে। কেৱল সেই কাৰণে নহয়, মহেন্দ্ৰৰ মন এই কাৰণে আৰু বেছি ছটফট কৰিবলৈ ধৰিলে যে, বিহাৰীৰ এই সঙ্কল্পৰ কথা জানিব পাৰিলে বিনোদিনীৰ ভক্তি আৰু অলপ বাঢ়ি যাব। বিহাৰীক মহেন্দ্ৰই মনে মনে "হাম্বাগ" বুলি ক'লে, বিহাৰীৰ এই কামটোক "হুজুগ" বুলি অভিহিত কৰিলে—নিজকে নিজে ক'লে, "আনৰ শুভাকাঙ্ক্ষী হৈ উঠাৰ হুজুগ বিহাৰীৰ ল'ৰাকালৰ পৰাই আছে।" মহেন্দ্ৰই নিজকে বিহাৰীৰ তুলনাত একান্ত অকপট আৰু অকৃত্ৰিম বুলি প্ৰশংসা কৰাৰ চেষ্টা ক'ৰিলে—আৰু ক'লে, "উদাৰতা আৰু আত্মত্যাগৰ ভণ্ডামি কৰি মূৰ্খবিলাকক ভুৱা দিয়াৰ চেষ্টাক মই ঘিণ কৰোঁ।" কিন্তু হায়, এই পৰম-নিশ্চেষ্ট অকৃত্ৰিমতাৰ মাহাত্ম্য মাহুহে অৰ্থাৎ বিশেষ এজন মাহুহে হয়তো বুজিব নোৱাৰিব। মহেন্দ্ৰৰ ধাৰণা হ'ল, বিহাৰীয়ে যেন তেওঁৰ ওপৰত এটা চাল মাৰি চাইছে।

বিনোদিনীৰ ভৰিৰ শব্দ শুনি মহেন্দ্ৰই লৰালৰিকৈ বাতৰি কাকতখন জাপি, তাৰ ওপৰত বহি ল'লে। গা ধুই উঠি বিনোদিনী কোঠাৰ ভিতৰত সোমালত, মহেন্দ্ৰই তেওঁৰ মুখৰ পিনে চাই অবাক মানি গ'ল। তেওঁৰ যে কি এক অপৰূপ পৰিৱৰ্তন ঘটিছে। তেওঁ যেন এই কেইদিন যজ্ঞ কৰি তপস্যাহে কৰিছিল। তেওঁৰ শৰীৰ ক্ষীণ হৈ গৈছে, আৰু সেই কৃশতা ভেদ কৰি তেওঁৰ ধোঁৱা বৰণীয়া মুখখনত এক দীপ্তিৰ ভাব বিয়পি পৰিছে।

বিনোদিনীয়ে বিহাৰীৰ চিঠিৰ আশা ত্যাগ কৰিছে। নিজৰ প্ৰতি বিহাৰীৰ এনে অৱজ্ঞাৰ কথা কল্পনা কৰি তেওঁ দিনে-নিশাই ডেই-পুৰি মৰিছিল। এই দাহৰ পৰা নিষ্কৃতি পাবৰ কোনো পথ তেওঁৰ সমুখত নাছিল। বিহাৰীয়ে যেন তেওঁকেই তিৰস্কাৰ কৰি ভাটীলৈ গুচি গৈছে—তেওঁ বিনোদিনীৰ হাতে ঢুকি পোৱা অৱস্থাৰ পৰা বাহিৰ হৈ গ'ল। কৰ্ম্ম-পৰায়ণা নিৰলসা বিনোদিনীয়ে কামৰ অভাৱত এই সৰু ঘৰটোৰ ভিতৰত উশাহ বন্ধ হৈ যাব খোজা যেন পাইছিল। তেওঁৰ সমস্ত উদ্যমে তেওঁক ক্ষত-বিক্ষত কৰি আঘাত দিছিল। তেওঁৰ সমস্ত ভাবী জীৱনক এই প্ৰেমহীন কৰ্ম্মহীন আনন্দহীন ঘৰৰ ভিতৰত, এই কদ্ধ গলিৰ মাজত চিৰ-

কালৰ কাৰণে আবদ্ধ কল্পনা কৰি, তেওঁৰ বিদ্রোহী প্রকৃতিয়ে আয়ত্তৰ অতীত অদৃষ্টৰ বিৰুদ্ধে যেন আকাশৰ সীমাত মূৰ খুন্দিয়াবৰ ব্যৰ্থ চেষ্টা কৰিছিল। যি মূৰ্খ মহেন্দ্রই বিনোদিনীৰ মুক্তিৰ সকলোবোৰ পথ চাৰিওপিনৰ পৰা ৰুদ্ধ কৰি আনি তেওঁৰ জীৱনটোক ইমান সঙ্কীর্ণ কৰি তুলিলে তেওঁৰ প্রতি বিনোদিনীৰ ঘৃণা আৰু বিদ্বেষৰ সীমা নাছিল। বিনোদিনীয়ে বুজিব পাৰিছিল, সেই মহেন্দ্ৰক তেওঁ আৰু কোনোমতেই দূৰলৈ ঠেলি ৰাখিব নোৱাৰিব। এই সৰু ঘৰখনত মহেন্দ্ৰ তেওঁৰ ওচৰলৈ আহি সমুখতে ৰহিবহি—প্রত্যেক দিনেই অলক্ষ্য আকর্ষণেৰে তিলে তিলে তেওঁৰ পিনে আৰু বেচি আগবাঢ়ি আহিব—এই অন্ধকূপত, এই সমাজভ্রষ্ট পঙ্কশয্যাত ঘৃণা আৰু আসক্তিৰ মাজত যি প্রাত্যহিক সংগ্রাম চলিবলৈ ধৰিব, সি অতি বীভৎস। বিনোদিনীয়ে নিজৰ হাতেৰে, নিজৰ চেষ্টাৰে মাটি খান্দি মহেন্দ্ৰৰ হৃদয়ৰ গভীৰতাৰ পৰা এই যে লকলকীয়া জিভাৰে সৈতে এক লালসাৰে ক্লেদাক্ত সৰীসৃপ বাহিৰলৈ উলিয়াই আনিলে, ইয়াৰ নেজৰ নাগপাশৰ পৰা তেওঁ নিজকে কেনেকৈ ৰক্ষা কৰিব। এনেয়ে বিনোদিনীৰ হৃদয় ব্যথিত, তাৰ ওপৰতে এই বন্ধ ঘৰ, আৰু মহেন্দ্ৰৰ বাসনা-তৰঙ্গৰ অহৰহ অভিঘাত—এই কথা কল্পনা কৰিলেই বিনোদিনীৰ গোটেই মনটো আতঙ্কত শিয়ঁৰি উঠে। জীৱনত ইয়াৰ অৱসান ক'ত। কেতিয়া তেওঁ এই সকলোবোৰৰ পৰা বাহিৰলৈ ওলাই আহিব পাৰিব।

বিনোদিনীৰ সেই ক্ষীণ শেঁতা মুখখন দেখা পাই মহেন্দ্ৰৰ মনত ঈৰ্ষাৰ জুই জ্বলি উঠিল। তেওঁৰ জানো এনে কোনো শক্তি নাই, যাৰ সহায়ত তেওঁ বিহাৰীৰ চিন্তাৰ পৰা এই তপস্বিনীকে ৰাহু-মুক্ত কৰিব পাৰে। ঈগল চৰায়ে যেনেকৈ ভেৰা পোৱালীক এক নিমিষতে থাপ মাৰি লৈ তাৰ দুৰ্গম অভ্ৰভেদী পাহাৰৰ বুকুত থকা বাঁহৰ ভিতৰ পোৱায় গৈ, তেনেকৈ এনে কোনো মেঘেঢকা নিখিল-বিস্মৃত ঠাই জানো নাই, য'ত মহেন্দ্রই অকলশৰে তেওঁৰ এই কোমল সুন্দৰ চিকাৰটোক নিজৰ বুকুৰ মাজত লুকুৱাই ৰাখিব পাৰে। ঈৰ্ষাৰ উত্তাপত তেওঁৰ ইচ্ছাৰ আগ্রহ চাৰিগুণ বাঢ়ি উঠিল। আৰু জানো তেওঁ এক মুহূর্তৰ বাবেও বিনোদিনীক চকুৰ আঁৰালত ৰাখিব পাৰে। বিহাৰীৰ বিভীষিকাক সকলো সময়তে বাধা দি ৰাখিব লাগিব, তাৰ বাবে এধানমান সুযোগ দিবলৈয়ো জানো মহেন্দ্ৰৰ সাহস হ'ব।

বিৰহৰ জুয়ে ৰমণীৰ সৌন্দৰ্য্যক সুকুমাৰ কৰি তোলে, মহেন্দ্ৰই এই কথা সংস্কৃত কাব্যত পঢ়িছিল, আজি বিনোদিনীক দেখি তেওঁ সেই কথা বিশ্বাসে বেচিকৈ অনুভৱ কৰিবলৈ ধৰিলে, সিমানে সুখ-মিহলি দুখৰ সুতীব্ৰ আলোড়নত তেওঁৰ হৃদয় মথিত হৈ উঠিল।

বিনোদিনীয়ে অলপ সময় থিয় দি থাকি মহেন্দ্ৰক সুধিলে, "তুমি চাহ খাই আহিছা নেকি।"

মহেন্দ্ৰই ক'লে, "জানিবা খায়েই আহিছোঁ, সেইবুলিয়েই নিজৰ হাতেৰে আৰু এপিয়লা দিবলৈ কাৰ্পণ্য নকৰিবাচোন—'প্যালা মুঝে ভৰ দে ৰে'।"

বিনোদিনীয়ে বোধহয় ইচ্ছা কৰিয়েই নিতান্ত নিষ্ঠুৰভাবে এই উচ্ছ্বাসক আঘাত দি ক'লে, "বিহাৰী দেৱৰ-বোপা এতিয়া ক'ত আছে জানা নেকি।"

মহেন্দ্ৰ নিমিষৰ ভিতৰতে বিবৰ্ণ হৈ গ'ল আৰু ক'লে, "তেওঁ দেখোন কলিকতাতে নাই।"

বিনোদিনী। তেওঁৰ ঠিকনাটো কি।

মহেন্দ্ৰ। তেওঁ দেখোন কাকোকেই ক'ব নোখোজে।

বিনোদিনী। খবৰ লৈ জানিব নোৱাৰি জানো।

মহেন্দ্ৰ। মোৰ তো সিমান জৰুৰী প্ৰয়োজন হোৱা নাই।

বিনোদিনী। প্ৰয়োজনটোৱেই জানো গোটেইখিনি। ওমলাদিনৰে পৰা থকা বন্ধুতা জানো একোৱেই নহয়।

মহেন্দ্ৰ। বিহাৰী অৱশ্যে মোৰ ওমলাদিনৰে বন্ধু, কিন্তু তোমাৰ লগত তেওঁৰ বন্ধুতা মাত্ৰ দুদিনৰ—তথাপি গৰজটো তোমাৰহে বেচি যেন লাগিছে।

বিনোদিনী। সেইটো দেখিয়েই তুমি লাজ পোৱা উচিত। বন্ধুত্ব কেনেকৈ কৰিব লাগে, তাক তোমাৰ এনেকুৱা এজন বন্ধুৰ পৰাও শিকিব নোৱাৰিলা?

মহেন্দ্ৰ। সেইবাবে সিমান দুখিত নহওঁ। কিন্তু ফাকি দি ছোৱালীৰ মন কেনেকৈ চুৰি কৰিব পাৰি, সেই বিদ্যা তেওঁৰ পৰা শিকা হ'লে আজি কামত লাগিলহেঁতেন।

বিনোদিনী। সেই বিদ্যা কেৱল ইচ্ছা থাকিলেই শিকিব নোৱাৰি, ক্ষমতাও লাগে।

মহেন্দ্র। গুৰুদেৱৰ ঠিকনা যদি তোমাৰ জনা আছে, মোক কোৱা। এই বয়সত তেওঁৰ পৰা এবাৰ মন্ত্ৰ লৈ আহোঁগৈ। তাৰ পিচতো ক্ষমতাৰ পৰীক্ষা হ'ব।

বিনোদিনী। বন্ধুৰ ঠিকনাটোকে যদি উলিয়াব নোৱাৰা, তেন্তে প্ৰেমৰ কথা মোৰ আগত উচ্চাৰণ নকৰিবা। বিহাৰী দেৱৰ-বোপাৰ লগত তুমি যি ধৰণৰ ব্যৱহাৰ কৰিছা, তোমাক কোনে বিশ্বাস কৰিব পাৰে।

মহেন্দ্ৰ। মোক যদি সম্পূৰ্ণৰূপে বিশ্বাসেই নকৰিলাহেঁতেন, তেন্তে মোক ইমান অপমান নকৰিলাহেঁতেন। মোৰ ভালপোৱা সম্বন্ধে যদি ইমানখিনি নিঃসংশয় নহ'লাহেঁতেন, তেন্তে কিজানি মোৰ এনে অসহ্য দুখ নঘটিলহেঁতেন। বিহাৰীয়ে পোহ-নমনাৰ বিদ্যা জানে, সেই বিদ্যাটো যদি তেওঁ এই হতভাগাক শিকাই দিলেহেঁতেন, তেন্তে বন্ধুৰ কাম কৰিলেহেঁতেন।

"বিহাৰী যে মানুহ, সেইবাবেই তেওঁ পোহ মানিব নোৱাৰে।" এইবুলি কৈ বিনোদিনীয়ে মুকলি চুলিকোছা পিঠিত মেলি দি খিৰিকীৰ ওচৰত যেনেকৈ থিয় দি আছিল, তেনেকৈয়ে থিয় দি ৰ'ল। মহেন্দ্ৰই হঠাৎ থিয় দি হাতখন মুঠি বান্ধি খঙত গৰজি উঠিল, "কিয় তুমি মোক বাৰে বাৰে অপমান কৰিবলৈ সাহস কৰা। ইমান অপমানৰ যে কোনো প্ৰতিফল পোৱা নাই, সি তোমাৰ ক্ষমতাৰ বাবে নে মোৰ গুণৰ বাবে। মোক যদি পশু বুলিয়েই থিৰাং কৰিছা, তেন্তে হিংস্ৰ পশু বুলিয়েই জানি ল'বা। একেবাৰে আঘাত কৰিব নোৱাৰোঁ, ইমান বেচি কাপুৰুষ মই নহওঁ।" এইবুলি কৈয়েই বিনোদিনীৰ মুখৰ পিনে চাই অলপ সময় স্তব্ধ হৈ ৰ'ল—তাৰ পাচত ক'লে, "বিনোদ, ইয়াৰ পৰা আন ক'ৰবালৈ ব'লা। আমি ক'ৰবালৈ যাওঁগৈ। পশ্চিমলৈ হওক, পাহাৰলৈ হওক, 'য'লৈকে তোমাৰ যাবৰ ইচ্ছা যায় তালৈকে ব'লা। ইয়াত বাচিবৰ কাৰণে ঠাই নাই। মই মৰি যাম যেন পাইছোঁ।"

বিনোদিনীয়ে ক'লে, "ব'লা এতিয়াই ব'লা—ভাটীৰ পিনেই যাওঁগৈ।"

মহেন্দ্ৰ। ভাটীৰ পিনে ক'লৈ যাবা।

বিনোদিনী। ক'লৈকো নহয়। একেডোখৰ ঠাইত দুদিন নেথাকোঁ—ঘূৰি ফুৰিম।

মহেন্দ্ৰই ক'লে, "সেয়ে ভাল, আজি ৰাতিয়েই ব'লা।"

বিনোদিনীয়ে সম্মতি জনাই মহেন্দ্ৰৰ কাৰণে বন্ধা-বঢ়া কৰিবলৈ গ'ল। মহেন্দ্ৰই বুজিব পাৰিলে, বিহাৰীৰ খবৰটো বিনোদিনীৰ চকুত পৰা নাই। বাতৰি-কাকতত মন দিব পৰাৰ নিচিনা ধৈৰ্য্য বিনোদিনীৰ এতিয়া আৰু নাই। জানোচা হঠাৎ সেই খবৰটো বিনোদিনায়ে জানিবলৈ পায়, সেই উদ্বেগ লৈ মহেন্দ্ৰ গোটেই দিনটো সতৰ্ক হৈ ৰ'ল।

## ৪৬

বিহাৰীৰ বা-বাতৰি লৈ মহেন্দ্ৰ উভতি আহিব, এই ভাবিয়েই ঘৰত তেওঁৰ ভাত-পানী বন্ধ হৈছিল। বহুত পলম হোৱা দেখি নৰিয়া-পাটীত পৰি থকা ৰাজলক্ষ্মী চিন্তিত হৈ পৰিল। গোটেই নিশাটো টোপনি নোহোৱা বাবে তেওঁ খুব ক্লান্ত হৈ পৰিছিল, তদুপৰি মহেন্দ্ৰৰ বাবে হোৱা উৎকণ্ঠাই তেওঁক কষ্ট দিয়া দেখি আশাই খবৰ লৈ জানিব পাৰিলে, মহেন্দ্ৰৰ গাড়ী উভতি আহিছে। কচোৱানৰ পৰা খবৰ পোৱা গ'ল, মহেন্দ্ৰ বিহাৰীৰ ঘৰত সোমাই পটলডাঙাৰ ভাৰাঘৰলৈ গৈছে। কথাটো শুনি ৰাজলক্ষ্মীয়ে বেৰৰ পিনে মুখ ঘূৰাই মনে মনে শুই থাকিল। আশাই তেওঁৰ শিতানত ছবিৰ পুতলাৰ নিচিনাকৈ থৰ লাগি বহি বিচিবলৈ ধৰিলে। আনদিনা যথাসময়ত খাবলৈ যাবৰ কাৰণে ৰাজলক্ষ্মীয়ে আদেশ দিয়ে—আজি আৰু একোৱেই নক'লে। কালি নিশা তেওঁৰ ভীষণ অসুখ দেখিও মহেন্দ্ৰ যেতিয়া বিনোদিনীৰ ওচৰলৈ দৌৰি গ'ল, তেতিয়া ৰাজলক্ষ্মীৰ বাবে এই সংসাৰত প্ৰশ্ন কৰিবৰ, ইচ্ছা কৰিবৰ বাবে আৰু একোৱেই নৰ'ল। তেওঁ অৱশ্যে বুজিছিল যে, মহেন্দ্ৰই তেওঁৰ অসুখটো সাধাৰণ বুলি ধৰি লৈছে; কেইবা-বাৰো যেনেকৈ মাজে মাজে অসুখ হৈ ভাল হৈ গৈছে, এইবাৰো তেনেকুৱা ক্ষণিক উপসৰ্গই ঘটিছে বুলি ভাবি মহেন্দ্ৰ নিশ্চিন্ত আছে। কিন্তু এই আশঙ্কাশূন্য নিশ্চিন্ত মনোভাবটোৱেই ৰাজলক্ষ্মীৰ কাৰণে অতি কঠিন যেন লাগি গৈছে। মহেন্দ্ৰই প্ৰেমৰ উন্মাদনাত কোনো আশঙ্কা, কোনো কৰ্ত্তব্যকে মনত ঠাই দিব নোখোজে, সেইবাবেই তেওঁ মাকৰ যন্ত্ৰণাক, অসুখক ইমান লঘু বুলি ভাবিব পাৰিছে—জানোচা মাকৰ নৰিয়াত তেওঁ বন্দী হৈ থাকিব-লগা হয়, সেইবাবেই তেওঁ এনে নিৰ্লজ্জৰ দৰে অকণমান সুযোগ পায়েই

মাকৰ ওচৰৰ পৰা পলাইছে। নৰিয়া ভাল হোৱাৰ প্ৰতি ৰাজলক্ষ্মীৰ আৰু অকণো উৎসাহ নোহোৱা হৈ গ'ল—মহেন্দ্ৰৰ নিৰ্লিপ্তি যে অমূলক, ভীষণ অভিমান লৈ তেওঁ সেইটোকে প্ৰমাণ কৰিবলৈ বিচাৰিলে।

আবেলি দুইমান বজাত আশাই ক'লে, "মা, তোমাৰ ঔষধ খোৱাৰ সময় হৈছে।" ৰাজলক্ষ্মীয়ে উত্তৰ নিদি মনে মনে থাকিল। আশাই ঔষধ আনিবৰ কাৰণে উঠিলত তেওঁ ক'লে, "ঔষধ দিব নেলাগে বোৱাৰী, তুমি যোৱা।"

আশাই মাকৰ অভিমান বুজিব পাৰিলে—সেই অভিমান সংক্ৰামক হৈ উঠি তেওঁৰ হৃদয়ৰ স্পন্দনক দুগুণে দোলা দিলত আশা আৰু থাকিব নোৱাৰিলে—কান্দোন হেঁচিবলৈ গৈ ফেকুৰি-ফেকুৰি কান্দিবলৈ ধৰিলে। ৰাজলক্ষ্মীয়ে লাহে লাহে আশাৰ পিনে ঘূৰি লৈ তেওঁৰ হাতৰ ওপৰত করুণ স্নেহেৰে লাহে লাহে হাত বুলাই দিলে, আৰু ক'লে, "বোৱাৰী, তোমাৰ বয়স কম, এতিয়াও তোমাৰ সুখৰ মুখ দেখাৰ সময় আছে। মোৰ কাৰণে তুমি আৰু চেষ্টা নকৰিবা আই—মই তো বহুতদিন বাচিলোঁ—আৰু নো থাকি কি হ'ব।"

কথাষাৰ শুনি আশাৰ কান্দোন আৰু বেচি উচ্ছ্বসিত হৈ উঠিল—তেওঁ মুখৰ ওপৰত আঁচলৰ সোপা দি ল'লে।

এইদৰে নৰিয়াৰ কোঠাত নিৰানন্দেৰে দিনটো পাৰ হৈ গ'ল। অভিমানৰ মাজতো এই দুগৰাকী নাৰীৰ ভিতৰে ভিতৰে আশা আছিল, মহেন্দ্ৰ এতিয়াই আহিব। কিবা এটা শব্দ শুনিলেই দুয়োৰো দেহত যে এটি চমক খেলি গৈছিল, সেই কথা দুয়ো বুজিব পাৰিছিল। ক্ৰমে দিনৰ শেষৰ পোহৰ অস্পষ্ট হৈ আহিল, কলিকতাৰ অন্তঃপুৰৰ মাজত সেই গধূলিৰ যি আভা, তাত পোহৰৰ প্ৰফুল্লতাও নাই। আন্ধাৰৰ আৱৰণো নাই—সি কেৱল বিষাদক গধুৰ আৰু নিৰাশাক অশ্ৰুহীন কৰি তোলে, সি কেৱল কাম আৰু আশ্বাসৰ বল হৰণ কৰে অথচ বিশ্ৰাম আৰু বৈৰাগ্যৰ শান্তি আনিব নোৱাৰে। নৰিয়াৰ কোঠাৰ সেই শুকান শ্ৰীহীন গধূলি পৰত আশাই পাতলকৈ খোজ দি উঠি গৈ চাকি এটা জলাই আনি কোঠাৰ ভিতৰত থ'লেহি। ৰাজলক্ষ্মীয়ে ক'লে, "পোহৰ আৰু ভাল লগা নাই, বোৱাৰী। চাকিটো বাহিৰতে থোৱা।"

আশাই চাকিটো বাহিৰত থৈ আহি বহিলহি। আন্ধাৰখিনি যেতিয়া ঘন হৈ উঠি এই সৰু কোঠাটোৰ ভিতৰলৈ বাহিৰৰ অনন্ত শান্তিটোক কঢ়িয়াই আনিলে, তেতিয়া আশাই ৰাজলক্ষ্মীক মৃদু কণ্ঠেৰে সুধিলে, "মা, তেওঁক এবাৰ খবৰ দিম নেকি।"

ৰাজলক্ষ্মীয়ে দৃঢ়স্বৰেৰে ক'লে, "নেলাগে, বোৱাৰী। তোমাক মই শপত দিছোঁ, মহেন্দ্ৰক খবৰ নিদিবা।"

কথাটো শুনি আশা স্তব্ধ হৈ ৰ'ল; তেওঁৰ আৰু কান্দিবৰো শক্তি নোহোৱা হৈছিল।

বাহিৰত থিয় হৈ বেহেৰাটোৱে ক'লে, "বাবুৰ পৰা চিঠি আহিছে।"

কথাটো শুনা মাত্ৰকে ৰাজলক্ষ্মীৰ ধাৰণা হ'ল, মহেন্দ্ৰৰ হয়তো হঠাৎ কিবা অসুখ হ'ল, সেইবাবে তেওঁ কোনোমতেই আহিব নোৱাৰি চিঠি লিখি পঠাইছে। অনুতপ্ত আৰু ব্যস্ত হৈ ক'লে, "চোৱাচোন বোৱাৰী, মহিনে নো কি লিখিছে।"

আশাই বাহিৰৰ চাকিৰ পোহৰত কঁপা-কঁপা হাতেৰে মহেন্দ্ৰৰ চিঠি পঢ়িলে। মহেন্দ্ৰই লিখিছে, কিছুদিনৰ পৰা তেওঁৰ সিমান ভাল নহয় যেন লাগিছে, সেইবাবেই তেওঁ ভাটীৰ পিনে ফুৰিবলৈ গৈছে। মাকৰ অসুখৰ কাৰণে বিশেষ চিন্তাৰ কাৰণ একেবাৰেই নাই। তেওঁক নিয়মিতৰূপে চাবৰ কাৰণে তেওঁ নবীন-ডাক্তৰক কৈ দিছে। ৰাতি টোপনি নাহিলে অথবা মূৰ কামুৰিলে কি কৰিব লাগিব, সেই কথাও চিঠিত লিখি পঠাইছে। আৰু, দুটেমা লঘু আৰু পুষ্টিকৰ পথ্য মহেন্দ্ৰই ডাক্তৰখানাৰ পৰা আনি চিঠিৰ লগতে পঠাই দিছে। সম্প্ৰতি গিৰিধিৰ ঠিকনাত মাকৰ বা-বাতৰি কোনো ব্যতিক্ৰম নোহোৱাকৈ জনাই থাকিবৰ কাৰণে পুনশ্চৰ মাজত অনুৰোধ জনাইছে।

চিঠিখন পঢ়ি আশা স্তম্ভিত হৈ গ'ল—প্ৰবল ধিক্কাৰে তেওঁৰ দুখখিনিক অতিক্ৰম কৰি গ'ল। এই নিষ্ঠুৰ বাতৰিটো মাকক কেনেকৈ ক'ব।

আশাৰ পলম হোৱা দেখি ৰাজলক্ষ্মীয়ে ক'লে, "বোৱাৰী, মহিনে কি লিখিছে, মোক সোনকালে কোৱা।" এইবুলি কৈ তেওঁ আগ্ৰহেৰে বিচনাৰ ওপৰত বহিল।

আশাই তেতিয়া ভিতৰলৈ সোমাই আহি ধীৰে ধীৰে গোটেই চিঠিখন

পঢ়ি শুনালে। ৰাজলক্ষ্মীয়ে সুধিলে, "শৰীৰৰ কথা মহিনে কি লিখিছে, সেইডোখৰ আকৌ এবাৰ পঢ়াচোন।"

আশাই আকৌ পঢ়িলে, "কিছুদিনৰ পৰা মোৰ গিমান ভাল নহয় যেন লাগিছে, সেইবাবেই মই—"

ৰাজলক্ষ্মী। থাওক থাওক, আৰু পঢ়িব নেলাগে। ভাল যেন লাগিব কিয়। মাকজনী বুঢ়ী বয়সত নমৰেও, অথচ কেৱল বেমাৰ-আজাৰ হৈ তাক জলাই মাৰে। কিয় তুমি মহিনক মোৰ অসুখৰ খবৰ দিবলৈ গ'লা। ঘৰতে আছিল, ঘৰৰ এচুকত বহি পঢ়া-শুনা কৰিছিল, কাৰো কোনো অধিকাৰৰ ভিতৰত নাছিল—মাজখিনিতে মোৰ বেমাৰ-আজাৰৰ কথা উলিয়াই তাক গৃহত্যাগী কৰি তোমাৰ কি সুখটো হ'ল। মই ইয়াত মৰি থাকিলে কাৰ কি ক্ষতি হ'লহেঁতেন। ইমান দুখৰ মাজতো তোমাৰ মুৰত এইকণ বুদ্ধি নেখেলালে।

এইবুলি কৈ বিচনাৰ ওপৰত ঢলি পৰিল।

বাহিৰত এটা মচ্‌মচ্‌ শব্দ হ'ল। বেহেৰাই জনালে, "ডাক্তাৰবাবু আয়া।"

ডাক্তৰে কাহ এটা মাৰি ভিতৰলৈ সোমাই আহিল। আশাই লৰালৰিকৈ ওৰণিখন টানি পালেংখনৰ আঁৰত থিয় দিলেগৈ। ডাক্তৰে সুধিলে, "আপোনাৰ কি হৈছে, কওকচোন।"

ৰাজলক্ষ্মীয়ে খঙৰ সুৰত ক'লে, "হ'ব আৰু কি। মানুহক মৰিবলৈয়ো নিদিয়া নেকি। তোমাৰ ঔষধ খালেই জানো অমৰ হৈ যাম।"

ডাক্তৰে সান্ত্বনাৰ সুৰত ক'লে, "অমৰ কৰিব নোৱাৰিলেও, কষ্ট যাতে কম হয়—সেই চেষ্টা—"

ৰাজলক্ষ্মীয়ে ক'লে "কষ্টৰ ভাল চিকিৎসা এসময়ত আছিল, যেতিয়া বিধবাবিলাকক পুৰি মৰা হৈছিল, আজিকালি মাথোন বান্ধি ৰাখি মৰা হয়। যোৱা ডাক্তৰ, তুমি যোৱা—মোক মিছামিছিকৈ বিৰক্ত নকৰিবা—মই অকলশৰে থাকিব খুজিছোঁ।"

ডাক্তৰে ভয়ে ভয়ে ক'লে, "আপোনাৰ নাড়ীটো এবাৰ—"

ৰাজলক্ষ্মীয়ে অতি বিৰক্তিৰ সুৰত ক'লে, "মই কৈছোঁ নহয়, তুমি যোৱা। মোৰ নাড়ী ঠিকেই আছে—এই নাড়ীয়ে সোনকালে লগ এৰাৰ কোনো

লক্ষণ নাই।"

উপায় নেপাই ডাক্তৰে বাহিৰলৈ ওলাই গৈ আশাক মাতি পঠালে। নবীন ডাক্তৰে আশাৰ পৰা ৰোগৰ সকলো বিৱৰণ জানিব খুজিলে। উত্তৰত সকলোখিনি শুনি, গম্ভীৰভাৱে কোঠাৰ ভিতৰলৈ আকৌ সোমাই আহিল। আৰু ক'লে, "চাওক, মহেন্দ্ৰই মোৰ ওপৰতে বিশেষকৈ ভাৰ দি গৈছে। মোক যদি আপুনি চিকিৎসা কৰিবলৈ নিদিয়ে, তেন্তে তেওঁ মনত অতি কষ্ট পাব।"

মহেন্দ্ৰই কষ্ট পাব, এই কথাষাৰ ৰাজলক্ষ্মীৰ কাণত উপহাসৰ দৰে লাগি গ'ল—তেওঁ ক'লে, "মহিনৰ কাৰণে বেচি নেভাবিবা। সংসাৰত সকলোৱেই কষ্ট পাবলগীয়া হয়। এই কষ্টই মহেন্দ্ৰক বেচি কাতৰ কৰিব নোৱাৰিব। তুমি এতিয়া যোৱা, ডাক্তৰ। মোক অলপ শুবলৈ দিয়া।"

নবীন ডাক্তৰে বুজিলে, ৰোগীক বিৰক্ত কৰা উচিত নহ'ব। ধীৰে ধীৰে বাহিৰলৈ ওলাই আহি, কি কি কৰিব লাগিব, সেই বিষয়ে আশাক উপদেশ দি গ'ল।

আশা কোঠাৰ ভিতৰত সোমালতে ৰাজলক্ষ্মীয়ে ক'লে, "যোৱা আই, তুমি অলপ জিৰণি লোৱাগৈ। গোটেই দিনটো বেমাৰীৰ ওচৰত বহি আছা। হাৰুৰ মাকক পঠাই দিয়াগৈ—কাষৰ কোঠাটোতে বহি থাককহি।"

আশাই ৰাজলক্ষ্মীক চিনি পাইছিল। ই তেওঁৰ স্নেহৰ অনুৰোধ নহয়, ই তেওঁৰ আদেশ—পালন কৰাৰ বাহিৰে আন কোনো উপায় নাই। হাৰুৰ মাকক পঠাই দি, নিজৰ কোঠাত সোমাই আন্ধাৰতে চেঁচা মজিয়াখনত শুই পৰিল।

গোটেই দিনৰ উপবাস আৰু কষ্টত তেওঁৰ দেহ-মন ক্লান্ত আৰু অৱসন্ন। চুবুৰীটোৰ এঘৰত সেইদিনা বৈ বৈ বিয়াৰ বাজনা বাজিছিল। এই সময়তে আকৌ চানাইৰ সুৰ বাজি উঠিল। সেই ৰাগিণীৰ আঘাতত ৰাতিৰ আন্ধাৰখিনিয়ে যেন কঁপি কঁপি আশাক বাৰে বাৰে অভিঘাত কৰি গ'ল। তেওঁৰ বিবাহ-ৰজনীৰ প্ৰত্যেকটো সৰু সৰু ঘটনাও জীৱন্ত হৈ উঠি ৰাতিৰ আকাশখন সপোনৰ ছবিৰে পূৰ্ণ কৰি তুলিলে; সিদিনাৰ পোহৰ, কোলাহল, জনতা; সিদিনাৰ মালা-চন্দন, নতুন কাপোৰ আৰু হোমৰ ধোঁৱাৰ সুৰভি; নৱ-বোৱাৰীৰ ভয় আৰু লাজ মিহলি আনন্দিত হৃদয়ৰ নিগূঢ় কম্পন—

সকলোখিনিয়ে স্মৃতিৰ আকাৰত যিমানে তেওঁক চাৰিওপিনে পৰা যেৰি ধৰিলে, সিমানেই তেওঁৰ হৃদয়ৰ ব্যথাই প্ৰাণ পাই উঠি কষ্ট দিবলৈ লাগিল। দাৰুণ দুৰ্ভিক্ষত ক্ষুধিত শিশুৱে যিদৰে মাকৰ বুকুত খুন্দিয়াবলৈ ধৰে, ঠিক সেইদৰে জাগ্ৰত সুখৰ স্মৃতিয়ে তাৰ নিজৰ খাদ্য বিচাৰি আশাৰ বুকুত বাৰে বাৰে কান্দি কান্দি খুন্দিয়াবলৈ ধৰিলে। অৱসন্ন আশাক আৰু শুই থাকিবলৈ নিদিলে। দুই হাত জোৰ কৰি দেৱতাৰ ওচৰত প্ৰাৰ্থনা কৰিবলৈ গৈ সংসাৰত তেওঁৰ একমাত্ৰ দেৱতা মাহীয়েকৰ পৱিত্ৰ স্নিগ্ধ মূৰ্ত্তিটো আশাৰ চকুলোৰে ধুৱলি-কুঁৱলী হৃদয়ৰ মাজত জিলিকি উঠিল। সংসাৰৰ দুখ-ধুমুহাৰ মাজলৈ দুনাই সেই তাপসীক আহ্বান কৰি নানে, ইমানদিন ধৰি এয়ে তেওঁৰ প্ৰতিজ্ঞা আছিল। কিন্তু আজি আৰু তেওঁ আন কোনো উপায়েই দেখা নেপালে— আজি তেওঁৰ চাৰিওপিনে ঘনকৈ বিয়পি পৰা নিবিড় দুখৰ মাজত আন কোনো সুৰুঙা নাইকিয়া হৈ গ'ল। সেইবাবেই আজি তেওঁ কোঠাৰ ভিতৰত চাকি জ্বলাই, কোলাৰ ওপৰত এখন বহী লৈ, তাৰ ওপৰত চিঠিৰ কাগজ থৈ ঘনে ঘনে চকু-পানী মচি মচি চিঠি লিখিবলৈ বহিল—

শ্ৰীচৰণকমলেষু—

মাহীদেউ, আজি তোমাৰ বাহিৰে মোৰ আৰু কোনোৱেই নাই ; এবাৰ আহি তোমাৰ কোলাৰ মাজলৈ এই দুখুনীক টানি লোৱাহি ; নহলে মই কেনেকৈ জীয়াই থাকিম। আৰু কি লিখিম, ক'ব নোৱাৰোঁ। তোমাৰ চৰণত মোৰ শতসহস্ৰকোটি প্ৰণাম।

তোমাৰ মৰমৰ
চুনি।

## ৪৭

কাশীৰ পৰা উভতি আহি অন্নপূৰ্ণাই অতি ধীৰে ধীৰে ৰাজলক্ষ্মীৰ কোঠাত সোমাই তেওঁক প্ৰণাম কৰি ভৰিৰ ধূলি মূৰত ল'লে। মাজখিনিৰ বিৰোধ-বিচ্ছেদ সত্ত্বেও অন্নপূৰ্ণাক দেখা পাই ৰাজলক্ষ্মীয়ে যেন হেৰোৱা ধন ঘূৰাই পালে। ভিতৰি-ভিতৰি তেওঁ যে নিজৰ অলক্ষ্যত অগোচৰত অন্নপূৰ্ণাক বিচাৰিছিল, অন্নপূৰ্ণাক পাইহে তেওঁ বুজিব পাৰিলে। তেওঁৰ

ইমানদিনৰ বহুতো ভ্ৰান্তি, বহুতো ক্ষোভ যে কেৱল অন্নপূৰ্ণা নোহোৱাৰ বাবেই হৈছিল, আজি সেই কথাই মুহূৰ্ত্তৰ ভিতৰতে তেওঁৰ আগত স্পষ্ট হৈ পৰিল। মুহূৰ্ত্তৰ ভিতৰতে তেওঁৰ ব্যথিত হৃদয়ে তাৰ চিৰন্তন ঠাইটুকুৰা অধিকাৰ কৰি ল'লে। মহেন্দ্ৰৰ জন্মৰো আগতে এই দুগৰাকী জা'কে যেতিয়া বোৱাৰী হিচাপে এই পৰিয়ালৰ সকলোখিনি সুখ-দুখ বৰণ কৰি লৈছিল—পূজাই-উৎসৱে, শোকে-মৃত্যুৱে, দুয়ো একেলগে সংসাৰ-ৰথত বহি যাত্ৰা কৰিছিল—তাহানিকালৰে সেই ঘনিষ্ঠ সখিত্বই ৰাজলক্ষ্মীৰ হৃদয়ক আজি মুহূৰ্ত্তৰ ভিতৰতে আচ্ছন্ন কৰি দিলেহি। যাৰ লগত সুদূৰ অতীত-কালতে একেলগে জীৱন আৰম্ভ কৰিছিল,নানা বাধাৰ পাচত সেই কৈশোৰৰ সহচৰীয়েই পৰম দুখৰ দিনত তেওঁৰ কাষত আহি থিয় দিছেহি—তাহানি-কালৰ সকলোখিনি সুখ-দুখৰ, সকলোবোৰ প্ৰিয় ঘটনাৰ এই একটি মাথোন স্মৰণ-আশ্ৰয় বাকী ৰৈছে। যাৰ কাৰণে ৰাজলক্ষ্মীয়ে এজনকো নিষ্ঠুৰভাৱে আঘাত কৰিছিল, তেওঁ বা আজি ক'ত।

অন্নপূৰ্ণাই বেমাৰীৰ কাষত বহি তেওঁৰ সোঁ হাতখন নিজৰ হাতত লৈ ক'লে, "বাইদেউ।"

ৰাজলক্ষ্মীয়ে কেৱল ক'লে, "ন-ছোৱালী।" এইবুলি কোৱাৰ পাচত, তেওঁৰ মুখৰ পৰা আৰু কথা নোলাল। তেওঁৰ দুচকুৰেদি চকু-পানী বৈ আহিল। আশাই এই দৃশ্য দেখি আৰু ৰ'ব নোৱাৰিলে—কাষৰ কোঠাটোলৈ গৈ মাটিত বহি কান্দিবলৈ ধৰিলে।

ৰাজলক্ষ্মী বা আশাৰ আগত অন্নপূৰ্ণাই মহেন্দ্ৰৰ সম্বন্ধে কোনো কথা উলিয়াবলৈ সাহস নকৰিলে। সাধুচৰণক মাতি আনি সুধিলে, "মামা, মহিন ক'লৈ গ'ল।"

তেতিয়া সাধুচৰণে বিনোদিনী আৰু মহেন্দ্ৰৰ সকলো ঘটনা খৰচি মাৰি ক'লে। অন্নপূৰ্ণাই সাধুচৰণক সুধিলে, "বিহাৰীৰ খবৰ কি।"

সাধুচৰণে ক'লে, "বহুতদিন তেওঁ অহা নাই—তেওঁৰ খবৰ সঠিককৈ ক'ব নোৱাৰোঁ।"

অন্নপূৰ্ণাই ক'লে "এবাৰ বিহাৰীৰ ঘৰলৈ গৈ তেওঁৰ বা-বাতৰি লৈ আহাঁচোন।"

উলটি আহি সাধুচৰণে ক'লে, "তেওঁ ঘৰত নাই, বালিত থকা গঙ্গাৰ পাৰৰ বাগিচালৈ গৈছে।"

অন্নপূৰ্ণাই নবীন ডাক্তৰক মাতি আনি ৰোগীৰ অৱস্থা সম্পৰ্কে সুধিলে। ডাক্তৰে ক'লে, "হৃদ্‌পিণ্ডৰ দুৰ্ব্বলতাৰ লগতে উদৰী বেমাৰে দেখা দিছে, মৃত্যু অকস্মাৎ কেতিয়া হয় কোনেও ক'ব নোৱাৰে।"

গধূলি সময়ত ৰাজলক্ষ্মীৰ কষ্ট যেতিয়া বেচি হৈ আহিল, তেতিয়া অন্নপূৰ্ণাই সুধিলে, "বাইদেউ, এবাৰ নবীন ডাক্তৰক মতাই পঠাওঁ ?"

ৰাজলক্ষ্মীয়ে ক'লে, "নেলাগে ন-ছোৱালী, নবীন ডাক্তৰে মোৰ একোৱেই কৰিব নোৱাৰিব।"

অন্নপূৰ্ণাই ক'লে, "তেন্তে তুমি কাক মাতিব খোজা, কোৱা।"

ৰাজলক্ষ্মীয়ে ক'লে, "বিহাৰীক যদি এবাৰ খবৰটো দিয়া, তেন্তে ভাল হয়।"

অন্নপূৰ্ণাৰ বুকুৰ মাজত আঘাত লাগিল। সিদিনা দূৰ-প্ৰবাসত সন্ধ্যা সময়ত তেওঁ দুৱাৰডলিৰ বাহিৰৰ পৰাই আন্ধাৰৰ মাজতে বিহাৰীক যিদৰে অপমান কৰি বিদায় দিছিল, সেই বেদনা আজিও পাহৰিব পৰা নাই। বিহাৰী আৰু কাহানিও তেওঁৰ দুৱাৰডলিলৈ উভতি নাহে। ইহজীৱনত আৰু যে কেতিয়াবা সেই অনাদৰৰ প্ৰতিকাৰ কৰিবৰ বাবে অৱসৰ পাব, এই আশা তেওঁৰ মনত নাছিল।

অন্নপূৰ্ণা এবাৰ ছাদৰ ওপৰত থকা মহেন্দ্ৰৰ কোঠালৈ গ'ল। ঘৰটোৰ ভিতৰত এই কোঠাটোৱেই আছিল, আনন্দনিকেতন। আজি সেই কোঠাটোৰ কোনো শ্ৰী নাই—বিচনা-পাতি বিশৃঙ্খল, সাজসজ্জা অনাদৃত, ছাদৰ টাবত কোনেও পানী-তুনি নিদিয়ে, গছবিলাক তেনেই শুকাই গৈছে।

মাহীদেউ ছাদৰ ওপৰলৈ গৈছে বুলি জানি, আশায়ো লাহে লাহে তেওঁৰ পাচ ল'লে। অন্নপূৰ্ণাই তেওঁক বুকুৰ মাজলৈ টানি লৈ তেওঁৰ কপালত এটা চুমা খালে। আশাই আঁঠু কাঢ়ি দুয়ো হাতেৰে তেওঁৰ ভৰি দুখন সাৱটি তাত বাৰে বাৰে মূৰটো লগাই দিলে। আৰু ক'লে, "মাহীদেউ, মোক আশীৰ্ব্বাদ কৰা, মোক শক্তি দিয়া। মানুহে যে ইমান কষ্ট সহ্য কৰিব পাৰে, সেই কথা মই কোনোদিন ভাবিব পৰা নাছিলোঁ। ইমান কষ্ট আৰু কিমান দিন সহিম।"

অন্নপূৰ্ণা সেই ঠাইতে মাটিত বহি পৰিল, আশাই তেওঁৰ ভৰিত মূৰটো থৈ শুই পৰিল। অন্নপূৰ্ণাই আশাৰ মূৰটো কোলাৰ ওপৰত তুলি ল'লে, আৰু কোনো কথা নোকোৱাকৈ নিস্তব্ধভাবে হাতজোৰ কৰি দেৱতাক স্মৰণ কৰিলে।

অন্নপূৰ্ণাৰ স্নেহসিঞ্চিত নিঃশব্দ আশীৰ্ব্বাদে আশাৰ গভীৰ হৃদয়ৰ মাজত প্ৰবেশ কৰি বহুত দিনৰ পাচত শান্তি আনি দিলে। তেওঁৰ ধাৰণা হ'ল, তেওঁৰ অভীষ্ট যেন প্ৰায় সিদ্ধি হৈ গৈছে। দেৱতাই তেওঁৰ দৰে মূঢ় এজনক অৱহেলা কৰিব পাৰে, কিন্তু মাহীদেউৰ প্ৰাৰ্থনা অগ্ৰাহ্য কৰিব নোৱাৰে।

হৃদয়ৰ মাজত আশ্বাস আৰু বল পাই আশাই বহুত পৰৰ পাচত এটা হুমুনিয়াহ কাঢ়ি উঠি বহিল। আৰু ক'লে, "মাহীদেউ, বিহাৰী দেৱৰ-বোপাক এবাৰ আহিবৰ কাৰণে চিঠি লিখি দিয়া।"

অন্নপূৰ্ণাই ক'লে, "ওঁ-হো, চিঠি লিখিলে নহ'ব।"

আশা। তেন্তে তেওঁক খবৰ দিবা কেনেকৈ।

অন্নপূৰ্ণাই ক'লে, "কাইলৈ মই বিহাৰীৰ লগত দেখা কৰিবলৈ নিজেই যাম।"

## ৪৮

বিহাৰীয়ে যেতিয়া ভাটীৰ পিনে ঘূৰি-পকি ফুৰিছিল, তেতিয়া তেওঁৰ ভাব হ'ল, কিবা এটা কামত নিজকে বন্দী কৰি নেৰাখিলে তেওঁৰ আৰু শান্তি নাই। সেই ভাবিয়েই কলিকতাৰ দুখীয়া কেৰেণীসকলৰ চিকিৎসা আৰু শুশ্ৰূষাৰ ভাৰ তেওঁ গ্ৰহণ কৰিছে। জহকালি ডোবাত থকা মাছ যেনেকৈ অলপীয়া পানীৰ বোকাত কোনোমতে লেৰেলা-চেপেটা লাগি ছটফটাই জীয়াই থাকে, গলিত বাস কৰা অলপীয়া দৰ্ম্মহাৰ পৰিবাৰ-ভাৰগ্ৰস্ত কেৰেণীৰ বঞ্চিত জীৱনবোৰো তেনেকুৱাই—সেই বিবৰ্ণ কৃশ দুশ্চিন্তাগ্ৰস্ত ভদ্ৰমণ্ডলীৰ প্ৰতি বিহাৰীৰ বহুদিনৰ আগৰ পৰাই করুণাদৃষ্টি আছিল—বিহাৰীয়ে তেওঁলোকক অকণমান বনৰ ছাঁয়া আৰু গঙ্গাৰ মুকলি বতাহ দান কৰাৰ সংকল্প ল'লে।

বালিত এখন বাগিচা কিনি চীনা-মিস্ত্ৰিৰ হতুৱাই তেওঁ খুনীয়াকৈ সৰু সৰু

কেইটামান কুটিৰ সন্ধাবলৈ আৰম্ভ কৰি দিলে। কিন্তু তেওঁৰ মন শান্ত নহ'ল। কামত হাত দিয়াৰ দিন যিমানে ওচৰ চাপি আহিল, সিমানে তেওঁৰ মনটো নিজৰ সংকল্পৰ পৰা বিমুখ হৈ আহিবলৈ ধৰিলে। তেওঁৰ মনে কেৱল ক'বলৈ লাগিল, "এই কামত কোনো সুখ নাই, কোনো ৰস নাই, কোনো সৌন্দর্য্য নাই—ই কেৱল শুকান কামৰ বোজা মাথোন।" কামৰ কল্পনাই ইতিপূর্ব্বে বিহাৰীক কেতিয়াও এনে ধৰণে দুখ দিয়া নাছিল।

এদিন আছিল যেতিয়া বিহাৰীৰ বিশেষ একোৰে প্ৰয়োজন নাছিল; তেওঁৰ সন্মুখত যি কামকে নোলাওক, তাৰে প্ৰতি অনায়াসে তেওঁ মনোযোগ দিব পাৰিছিল। এতিয়া তেওঁৰ মনৰ ভিতৰত কিহবাৰ ভোক লাগিছে, আগতে তাক শাম কটাব নোৱাৰিলে আন একোতেই তেওঁৰ মন বহিব নোখোজে। পুৰণি অভ্যাস মানিয়েই ইটো-সিটোও হাত দি চায়, পাচ মুহূর্ত্ততে সেই সকলোবোৰ বাদ দি নিষ্কৃতি পাবলৈ বিচাৰে।

বিহাৰীৰ মাজত যি যৌৱন নিশ্চলভাবে শুই আছিল, যাৰ কথা তেওঁ কেতিয়াও চিন্তাও কৰা নাই, বিনোদিনীৰ সোণৰ কাঠিৰ পৰশত সি আজি সাৰ পাই উঠিছে। সদ্যোজাত গৰুড়ৰ দৰে সি তাৰ আপোন খাদ্য বিচাৰি গোটেই জগতখন চলাথ কৰি ফুৰিছে। এই ক্ষুধিত প্ৰাণীৰ লগত বিহাৰীৰ পূর্ব্ব-পৰিচয় নাছিল, ইয়াক লৈয়েই তেওঁ ব্যস্ত হৈ উঠিছে; এতিয়া কলিকতাৰ ক্ষীণ, জীর্ণ আৰু স্বল্পায়ু কেৰেণীসকলক লৈ কি কৰিব।

আহাৰমহীয়া গঙ্গা সমুখেদি বৈ গৈছে। সিপাৰে এটুকুৰা নীলা মেঘ বৈ বৈ ঘন গছ-গছনিৰ ওপৰত নিজৰ ভৰত নিজেই দোঁ খাই ওলমি পৰি নিবিড় আবেশ জগাই তুলিছে; গোটেই নৈখনি তীখাৰ এখন তৰোৱালৰ দৰে ক'ৰবাত হয়তো উজ্জ্বল নীল হৈ উঠিছে আৰু ক'ৰবাত হয়তো জুইৰ শিখাৰ দৰে চিকমিকাই আছে। ন বাৰিষাৰ এই সমাৰোহৰ ওপৰত যেতিয়াই বিহাৰীৰ চকু পৰে, তেতিয়াই তেওঁৰ হৃদয়ৰ দুৱাৰ মেলি নীল স্নিগ্ধ পোহৰৰ মাজলৈ কোন যেন অকলশৰে ওলাই আহে, কোনে যেন তেওঁৰ গা ধুই উঠাৰ পাচত সেমেকি উঠা ঘন ঢৌ খেলি থকা ক'লা চুলিটাৰি মেলি সমুখত থিয় দিয়েহি, বাৰিষাৰ আকাশৰ বুকুত ভাৱৰৰ মাজৰ পৰা উকৰি পৰা ৰশ্মিখিনি বুটলি আনি কোনে যেন কেৱল তেওঁৰেই মুখৰ ওপৰত অনিমেষ চাৱনিৰ দীপ্ত কাতৰতা ঢালি থৈ যায়হি।

আগতে যিটো জীৱন তেওঁৰ সুখে-সন্তোষে পাৰ হৈ গৈছে, আজি বিহাৰীয়ে সেই জীৱনটোকে পৰম ক্ষতি বুলি ভাবি লৈছে। এনে কিমান মেঘে ঢকা সন্ধিয়া, এনে কিমান পূৰ্ণিমাৰ ৰাতি আহিছিল, সেই সকলোবোৰ বিহাৰীৰ শূন্য হৃদয়ৰ দুৱাৰ-মুখলৈকে আহি হাতৰ অমৃত-ভাণ্ড হাততে লৈ মনে মনে উভতি গ'ল—সেই দুৰ্লভ শুভক্ষণত কিমান যে সঙ্গীত আৰম্ভ নোহোৱাকৈ, কিমান যে উৎসৱ সম্পন্ন নোহোৱাকৈ বৈ গ'ল, তাৰ কোনো লেখ নাই। বিহাৰীৰ মনত যিবোৰ পুৰণি স্মৃতি আছিল, বিনোদিনীয়ে সিদিনা তেওঁৰ ওঁঠৰ ওচৰলৈ এটি চুমা তুলি ধৰি তাৰ ৰঙীন আভাৰে সেই সকলোবোৰকে আজি ইমান বিবৰ্ণ, নগণ্য কৰি থৈ গ'ল। মহেন্দ্ৰৰ ছাঁৰ নিচিনাকৈয়ে জীৱনৰ সৰহভাগ দিন কেনেকৈ যে অতিবাহিত হৈ গ'ল! তাৰ মাজত কি চৰিতাৰ্থতা আছিল। প্ৰেমৰ বেদনাত মাটি-পানী-আকাশ সকলোৰে কেন্দ্ৰকুহৰৰ পৰা এনে এটা ৰাগিণীত এনে এটি বাঁহী বাজি উঠে, সেই কথা অচেতন বিহাৰীয়ে দেখোন আগতে অনুমানেই কৰিব পৰা নাছিল। যি বিনোদিনীয়ে দুই বাহুৰে সাৱটি ধৰি এক মুহূৰ্ত্তৰ ভিতৰতে অকস্মাৎ এই অপৰূপ সৌন্দৰ্য্যলোকলৈ বিহাৰীক উত্তীৰ্ণ কৰি দিলে, তেওঁক তেওঁ কোন সতেৰে পাহৰিব পাৰিব। তেওঁৰ দৃষ্টি, তেওঁৰ আকাঙ্ক্ষা আজি সকলোপিনে বিয়পি পৰিছে, তেওঁৰ ব্যাকুল আৰু ঘন উশাহৰ কঁপনিয়ে বিহাৰীৰ তেজৰ সোঁতটোৰ প্ৰতি মুহূৰ্ত্ততে দোলা দি গৈছে আৰু তেওঁৰ পৰশৰ সুকোমল উমখিনিয়ে বিহাৰীক আঁকোৱালি ধৰি পুলকত শিয়ঁৰি উঠা হৃদয়ক ফুলৰ নিচিনাকৈ ফুলাই ৰাখিছে।

তথাপিতো সেই বিনোদিনীৰ ওচৰৰ পৰা আঁতৰি আহি বিহাৰী আজি ইমান দূৰত আছেহি কিয়। তাৰ কাৰণটো হ'ল, বিনোদিনীয়ে যি সৌন্দৰ্য্য-ৰসেৰে বিহাৰীক অভিষিক্ত কৰি দিছে, সংসাৰৰ মাজত বিনোদিনীৰ লগত সেই সৌন্দৰ্য্যৰ উপযুক্ত কোনো সম্বন্ধ তেওঁ কল্পনা কৰিব নোৱাৰে। পদুম ফুলৰ গছ উঘালি আনিবলৈ গ'লে, বোকা উঠি আহিব। কেনেকৈ তেওঁক এনে ক'ৰবাত থ'ব পাৰে, য'ত সুন্দৰ বীভৎস হৈ নুঠে। তদুপৰি মহেন্দ্ৰৰ লগত যদি কঢ়া-আঁজোৰা লাগি যায়, তেতিয়াহ'লে গোটেই ঘটনাটোৱে ইমান কুৎসিৎ আকাৰ ধাৰণ কৰিব যে, সেই সম্ভাৱনাক বিহাৰীয়ে মনৰ চুকতো ঠাই দিব নোৱাৰে। সেইবাবে, বিহাৰীয়ে নিৰ্জ্জন গঙ্গাৰ পাৰত

বিশ্ব-সঙ্গীতৰ বুকুত তেওঁৰ মানসী প্ৰতিমাক প্ৰতিষ্ঠিত কৰি নিজৰ হৃদয়ক ধূপৰ দৰে পুৰিবলৈ লাগিছে। জানোচা এনে কিবা খবৰ পাই যায়, যাৰ ফলত তেওঁৰ সুখৰ সপোন-জাল চুৰমাৰ হৈ যায়, সেই ভয়তে তেওঁ চিঠি লিখি বিনোদিনীৰ কোনো খবৰ-বাতৰিও নলয়।

তেওঁৰ বাগিচাৰ দক্ষিণ কোণত থকা এজোপা জামু গছৰ তলত বহি মেঘে ঢকা ৰাতিপুৱা এটা বিহাৰীয়ে মনে মনে কিবা এখন পঢ়ি আছিল; সমুখেদি কুঠিৰ পানচৈবোৰ অহা-যোৱা কৰি আছিল, সেইবোৰকে তেওঁ অলসভাবে চাই আছিল—এনেকৈয়ে সময় পাৰ হৈ গৈ আছিল। লগুৱা-টোৱে আহি ভাত বাঢ়িব নেকি—সুধিলেহি। বিহাৰীয়ে ক'লে, "এতিয়া থাওক।" মিস্ত্ৰিবিলাকৰ চৰ্দাৰজনে আহি বিশেষ পৰামৰ্শ ল'বৰ কাৰণে তেওঁক কামখিনি চাবৰ কাৰণে মাতিলেহি—বিহাৰীয়ে ক'লে, "অলপ পাচত হ'ব।"

এনে সময়তে বিহাৰীয়ে হঠাৎ সমুখত অন্নপূৰ্ণাক দেখি উচপ্ খাই উঠিল। লৰালৰিকৈ তেওঁ থিয় দি উঠিল—দুয়ো হাতেৰে অন্নপূৰ্ণাৰ ভৰি দুটা সাবটি ধৰি মাটিত মূৰ থৈ প্ৰণাম কৰিলে। অন্নপূৰ্ণাই সোঁ হাতখনেৰে বিহাৰীৰ মূৰ আৰু দেহ পৰম স্নেহেৰে স্পৰ্শ কৰিলে। থোকাথুকি মাতেৰে ক'লে, "বিহাৰী, তই ইমান খীণাই গৈছ কিয়।"

বিহাৰীয়ে ক'লে, "তোমাৰ মৰম আকৌ ঘূৰাই পাবৰ কাৰণে, খুৰীদেউ।"

কথাষাৰ শুনি অন্নপূৰ্ণাৰ চকুৰ পৰা টোপাটোপে চকু-লো সৰি পৰিবলৈ ধৰিলে। বিহাৰীয়ে ব্যস্ত হৈ ক'লে, "খুৰীদেউ, এতিয়াও তোমাৰ খোৱা-লোৱা হোৱা নাই?"

অন্নপূৰ্ণাই ক'লে, "উঁ-হোঁ, এতিয়াও মোৰ সময় হোৱা নাই।"

বিহাৰীয়ে ক'লে, "ব'লা, মই ৰন্ধা-বঢ়াৰ যোগাৰ কৰি দিওঁগৈ। আজি বহুত দিনৰ পাচত, তোমাৰ হাতৰ ভাত-আঞ্জা আৰু তোমাৰ পাতৰ প্ৰসাদ খাই হেপাহ পলুৱাওঁ।"

মহেন্দ্ৰ আৰু আশাৰ বিষয়ে বিহাৰীয়ে কোনো কথাই তুলিয়ালে। অন্নপূৰ্ণাই এদিন নিজৰ হাতেৰে সেইপিনৰ দুৱাৰখন বন্ধ কৰি দিছে। অভিমানেৰে তেওঁ সেই নিষ্ঠুৰ নিষেধ পালন কৰিলে।

ভাত-পানী খাই উঠি অন্নপূৰ্ণাই ক'লে, "নাও ঘাটতে ৰৈ আছে, বিহাৰী।

এতিয়া এবাৰ কলিকতালৈ ব'ল।"

বিহাৰীয়ে ক'লে, "কলিকতাত মোৰ কি প্ৰয়োজন।"

অন্নপূৰ্ণাই ক'লে, "বাইদেউৰ খুব অসুখ, তেখেতে তোক চাবলৈ বিচাৰিছে।"

কথাষাৰ শুনি বিহাৰী চক্ খাই উঠিল। সুধিলে, "মহিনদা ক'ত।"

অন্নপূৰ্ণাই ক'লে, "সি কলিকতাত নাই, ভাটীলৈ গুচি গ'ল।"

কথা শুনি বিহাৰীৰ মুখখন বিবৰ্ণ হৈ গ'ল। তেওঁ মনে মনে ৰ'ল।

অন্নপূৰ্ণাই সুধিলে, "তই হবলা সকলো কথা নেজান।"

বিহাৰীয়ে ক'লে, "অলপ জানো। কিন্তু শেষলৈকে নেজানো।"

তেতিয়া অন্নপূৰ্ণাই বিনোদিনীক লৈ মহেন্দ্ৰৰ ভাটীলৈ পলাই যোৱাৰ খবৰটো ক'লে। বিহাৰীৰ চকুত তৎক্ষণাৎ মাটি, পানী আৰু আকাশৰ সকলোবোৰ ৰং সলনি হৈ যোৱা যেন লাগিল, তেওঁৰ কল্পনা-ভাণ্ডাৰৰ সকলোখিনি সঞ্চিত ৰস মুহূৰ্ত্তৰ ভিতৰতে তিতা হৈ উঠিল। "মায়াবিনী বিনোদিনীয়ে তেনেহ'লে সেইদিনা গধূলি মোক লৈ খেমালি কৰি গ'ল! তেওঁৰ ভালপোৱাৰ আত্মসমৰ্পণ সকলোখিনি কেৱল ছলনা! তেওঁ তেওঁৰ গাঁও এৰি নিৰ্লজ্জৰ দৰে মহেন্দ্ৰৰ লগত অকলশৰে ভাটীলৈ গুচি গ'ল। ধিক্ তেওঁ, ধিক্ মই, যি মূৰ্খই তেওঁক এক মুহূৰ্ত্তৰ কাৰণে হ'লেও বিশ্বাস কৰিছিলোঁ।"

হায় মেঘে ঢকা আহাৰ মাহৰ গধূলি, হায় বৰষুণৰ পাচৰ পূৰ্ণিমা ৰাতি, তোমালোকৰ সেই ইন্দ্ৰজাল কেনি আঁতৰি গ'ল।

## ৪৯

বিহাৰীয়ে চিন্তা কৰিছিল দুখুনী আশাৰ মুখৰ পিনে চাব কেনেকৈ। চোতালত ভৰি দিয়াৰ লগে লগে গৰাকী নোহোৱা ঘৰখনৰ ঘনীভূত বিষাদে এক মুহূৰ্ত্ততে তেওঁৰ গোটেই মনটো ছাটি ধৰিলে। ঘৰৰ দাৰোৱান আৰু চাকৰ-বাকৰবোৰৰ মুখলৈ চায়েই উন্মত্ত, নিৰুদ্দেশ মহেন্দ্ৰৰ কাৰণে লাজত বিহাৰীৰ মূৰটো দোঁ খাই গ'ল। চিনাকি লগুৱাকেইটাক তেওঁ মধুৰভাবে আগৰ দৰেই কুশল-বাতৰি সুধিলে। অন্তঃপুৰত সোমাবৰ সময়ত তেওঁৰ ভৰি

হুটা যেন অৱশ হৈ যাব খুজিলে। ৰাজ্যৰ মানুহৰ সমুখত প্ৰকাশ্যভাবে মহেন্দ্ৰই অসহায় আশাক যি দাৰুণ অপমানৰ মাজত পেলাই থৈ গৈছে, যি অপমানে নাৰীৰ চৰমতম আৱৰণকণকো হৰণ কৰি তেওঁক সংসাৰৰ কৌতূহল-পূৰ্ণ কৃপাদৃষ্টি-বৰ্ষণৰ মাজত থিয় কৰাই থৈ যায়, সেই অপমানৰ আৱৰণহীন প্ৰকাশ্যতাৰ মাজত বিহাৰীয়ে কুণ্ঠিত ব্যথিত আশাৰ মুখৰ পিনে কোনটো সতেৰে চাব।

কিন্তু এইবিলাক চিন্তা আৰু সঙ্কোচৰ বাবে তেতিয়া অৱসৰেই নাছিল। অন্তঃপুৰত ভৰি দিয়াৰ লগে লগে আশাই বেগাবেগিকৈ আহি বিহাৰীক ক'লে, "সৰুডেকা, এবাৰ সোনকালে আহি মাক চাই যোৱাহিচোন, তেখেতে খুব কষ্ট পাইছে।"

বিহাৰীৰ লগত আশাৰ প্ৰকাশ্য ভাৱে এয়েই প্ৰথম কথা-বতৰা। দুখৰ দিনত সামান্য এচাটি বতাহেও সকলোবোৰ ব্যৱধান উৰুৱাই লৈ যায়; যিবিলাক মানুহ দূৰে দূৰে বাস কৰি আছিছে, হঠাৎ অহা এজাক বান-পানীয়ে তেওঁলোকক সৰু এটা মাজুলীৰ ওপৰত একেলগে থুপ খুৱাই থৈ যায়।

আশাৰ এই সঙ্কোচহীন ব্যাকুলতা দেখা পাই বিহাৰীয়ে মনত আঘাত পালে। মহেন্দ্ৰই তেওঁৰ সংসাৰখনক কি কৰি থৈ গৈছে, সেই কথাটো এই সৰু ঘটনাটোৱেই যেন খুব গভীৰকৈ বুজাই দিলে। দুৰ্দ্দিনৰ তাড়নাত ঘৰৰ সাজ-সজ্জা যিদৰে উপেক্ষিত, সেইদৰে ঘৰৰ লখিমীজনীৰো লাজৰ শ্ৰীখিনি ৰক্ষা কৰাৰ অৱসৰকণ হেৰাই গৈছে—সৰুসুৰা আৱৰণ অন্তৰাল, বাছ-বিচাৰ সকলোবোৰ খহি পৰিছে—সেইবোৰলৈ চকু দিবৰ সময়েই নাই।

বিহাৰী ৰাজলক্ষ্মীৰ কোঠাত সোমালগৈ। উশাহ লওঁতে হঠাৎ খুব বেচি কষ্ট অনুভৱ কৰি ৰাজলক্ষ্মী বিবৰ্ণ হৈ উঠিছিল—সি বেচি সময় স্থায়ী নোহোৱাৰ কাৰণে আকৌ অলপ সুস্থ হৈ উঠিছে।

বিহাৰীয়ে প্ৰণাম কৰি ভৰিৰ ধূলি মূৰত লওঁতেই ৰাজলক্ষ্মীয়ে তেওঁক কাষতে বহিবলৈ ইঙ্গিত দিলে, আৰু ধীৰে ধীৰে ক'লে, "কেনে আছ, বেহাৰি। কিমানদিন যে তোক দেখা নাই।"

বিহাৰীয়ে ক'লে, 'মা, তোমাৰ অসুখ, এই খবৰটো মোক জনোৱা নাছিলা কিয়। তেতিয়া জানো মই এক মুহূৰ্ত্তও পলম কৰিলোহেঁতেন।"

ৰাজলক্ষ্মীয়ে কোমল কণ্ঠেৰে ক'লে, "সেই কথাটো জানো মই নেজানো। পেটৰ পোৱালী নহ'ব পাৰ, কিন্তু জগতত তোতকৈ বেচি আপোন বুলিবলৈ মোৰ আৰু কোননো আছে।" এইবুলি কোৱাৰ লগে লগে চকুৰেদি পানীৰ ধাৰ বৈ আহিল।

বিহাৰীয়ে লৰালৰিকৈ বেৰৰ খোপত থকা ঔষধ-পাতিবোৰ লিৰিকি-বিদাৰি চোৱাৰ ছলেৰে নিজকে সংযত কৰিবৰ চেষ্টা কৰিলে। উভতি আহি তেওঁ যেতিয়া ৰাজলক্ষ্মীৰ নাড়ী চাব খুজিলে, ৰাজলক্ষ্মীয়ে তেতিয়া ক'লে, "মোৰ নাড়ীৰ খবৰ থাওকচোন বাৰু—তই পিচে ইমান বেছি খীণাইছ কিয়, বেহাৰী।" এইবুলি কৈ ৰাজলক্ষ্মীয়ে তেওঁৰ ক্ষীণ হাতখন উলিয়াই বিহাৰীৰ ডিঙিৰ তলৰ হাড় দুডাল ছুই চালে।

বিহাৰীয়ে ক'লে, "তোমাৰ হাতৰ মাছৰ আঞ্জা খাবলৈ নেপালে, মোৰ এই হাড় কেইডাল একোতেই পোত নেখাইছে। তুমি সোনকালে ভাল হৈ উঠা, মা। ময়ো ৰন্ধা-বঢ়াৰ কাৰণে লাহে লাহে আয়োজন কৰি থাকোঁ।"

ৰাজলক্ষ্মীয়ে ম্লান হাঁহি এটা মাৰি ক'লে, "সোনকালে আয়োজন কৰ—কিন্তু ৰন্ধা-বঢ়াৰ কাৰণে নহয় দেই।" এইবুলি বিহাৰীৰ হাতখন মুঠি মাৰি ধৰি ক'লে, "বেহাৰী, তই সোনকালে বোৱাৰী আনি ঘৰত সুমুৱাহি, তোক চাবলৈ কোনোৱেই নাই। হেৰা ন-ছোৱালী, তোমালোকে এইবাৰ বেহাৰীৰ বিয়াখন পাতি দিয়া—চোৱাচোন, বোপাৰ চেহেৰাটো কেনেকুৱা হৈ পৰিছে।"

অন্নপূৰ্ণাই ক'লে, "তুমি ভাল হৈ উঠা, বাইদেউ। হ যে তোমাৰেই কাম, তুমিয়েই সম্পন্ন কৰিবা, আমি সকলোৱে যোগ দি ফুৰ্ত্তি কৰিম।"

ৰাজলক্ষ্মীয়ে ক'লে, "মোৰ আৰু সময় নহ'ব, ন-ছোৱালী। বেহাৰীৰ দায়িত্ব তোমালোকৰ ওপৰতে ৰ'ল—তাক সুখী কৰিবা, মই তাৰ ঋণ শোধ কৰি যাব নোৱাৰিলোঁ। কিন্তু ভগবানে তাৰ ভাল কৰিব।" এই-বুলি কৈ বিহাৰীৰ মূৰৰ ওপৰত সোঁ হাতখন বুলাই দিলে।

আশা আৰু কোঠাৰ ভিতৰত থাকিব নোৱাৰিলে—কান্দিবৰ কাৰণে বাহিৰলৈ ওলাই গ'ল। সেমেকা চকুৰে অন্নপূৰ্ণাই বিহাৰীৰ মুখৰ পিনে চেনেহ-চাৱনি লৈ চালে।

ৰাজলক্ষ্মীৰ হঠাৎ কি জানো মনত পৰিল—তেওঁ মাত দিলে, "বোৱাৰী, অ' বোৱাৰী।"

আশা ভিতৰত সোমোৱাৰ লগে লগে, ৰাজলক্ষ্মীয়ে ক'লে, "বেহাৰীৰ খোৱা-বোৱাৰ সকলো ব্যৱস্থা কৰিছা নহয়!"

বিহাৰীয়ে ক'লে, "মা, তোমাৰ এই লুভীয়া পুতেৰক সকলোৱে চিনি পোৱা হৈছে। চোতালত ভৰি দিয়েই দেখিছোঁ, পেটত কণী থকা মস্ত মস্ত কাৰৈ মাছ কিছুমান পাচি এটাত ভৰাই লৈ বামি বান্ধনি-ঘৰলৈ দৌৰ মাৰিছে—বুজিলোঁ, এই ঘৰখনত এতিয়াও মোৰ খ্যাতি লোপ পোৱা নাই।" এইবুলি কৈ হাঁহি এটা মাৰি বিহাৰীয়ে এবাৰ আশাৰ মুখৰ পিনে চালে।

আজি আৰু আশাই লাজ নকৰিলে। তেওঁ মৰম-মিহলি মিচিকিয়া হাঁহি এটা মাৰি বিহাৰীৰ হাঁহি-ধেমালিত যোগ দিলে। বিহাৰীয়ে যে এইখন সংসাৰৰ কিমানখিনি ঠাই অধিকাৰ কৰি আছে, আশাই সেই কথা আগতে সম্পূৰ্ণৰূপে জনা নাছিল—বহু সময়ত তেওঁক অনাৱশ্যক আগন্তুক বুলি ভাবি অৱজ্ঞা কৰিছে, বহু সময়ত বিহাৰীৰ প্ৰতি বিমুখভাব তেওঁৰ আচৰণত সুস্পষ্টভাবে ফুটি উঠিছে; সেই অনুতাপৰ ধিক্কাৰত আজি বিহাৰীৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা আৰু কৰুণা উথলি উঠিছে।

ৰাজলক্ষ্মীয়ে ক'লে, "ন-ছোৱালী, ঠাকুৰে নোৱাৰিব, বন্ধা-বঢ়াখিনি তুমি নিজে দেখুৱাই দিব লাগিব—আমাৰ এই বঙালৰ পোৱালীটোৱে এগাল জলকীয়া দিয়া জাল নহ'লে খাবই নোৱাৰে।"

বিহাৰী। আইতা আছিল বিক্ৰমপুৰৰ ছোৱালী, তুমি জানো নদীয়া জিলাৰ ভদ্ৰ সন্তানক বঙাল বুলি কোৱা উচিত? ই যে মোৰ সহ্যৰ অতীত।

এই লৈয়েই বহুত হাঁহি-ধেমালি চলিল, আৰু বহুত দিনৰ পাচত যেন মহেন্দ্ৰৰ ঘৰৰ বিষাদৰ বোজা অলপ পাতলিল।

কিন্তু ইমানবোৰ কথা-বতৰাৰ মাজতো কোনো পক্ষৰ পৰা কোনেও মহেন্দ্ৰৰ নাম উচ্চাৰণ নকৰিলে। আগতে বিহাৰীৰ লগত মহেন্দ্ৰৰ বিষয়েই ৰাজলক্ষ্মীৰ একমাত্ৰ কথা আছিল। সেই লৈয়েই মহেন্দ্ৰই নিজে তেওঁৰ মাকক বহুতবাৰ ঠাট্টা কৰিছে। আজি সেই ৰাজলক্ষ্মীৰ মুখত

মহেন্দ্ৰৰ নামটো এবাৰো শুনিবলৈ নেপাই বিহাৰীয়ে মনে মনে স্তৱধ মানিলে।

ৰাজলক্ষ্মীৰ অলপ চিল্‌মিল্‌কৈ টোপনি আহিলত বিহাৰীয়ে বাহিৰলৈ ওলাই আহি অন্নপূৰ্ণাক ক'লে, "মাৰ বেমাৰ দেখোন সৰুসুৰা বুলিব নোৱাৰি।"

অন্নপূৰ্ণাই ক'লে, "সেয়া তো স্পষ্টকৈয়ে দেখা গৈছে।" এইবুলি কৈ তেওঁৰ কোঠাৰ খিৰিকীৰ ওচৰতে বহি পৰিল।

বহুতসময় মনে মনে থাকি ক'লে, "এবাৰ মহিনকে মাতি নান জানো, বেহাৰী? আৰু যে পলম কৰা উচিত নহয়।"

বিহাৰীয়ে অলপ সময় মনে মনে ৰৈ ক'লে, "তুমি যি আদেশ দিয়া, মই সেয়েই কৰিম। তেওঁৰ ঠিকনা কোনোবাই জানে জানো।"

অন্নপূৰ্ণা। ঠিক নেজানে, বিচাৰি উলিয়াব লাগিব। বিহাৰী, আৰু এটা কথা তোক কওঁ। আশাৰ মুখৰ পিনে চা। বিনোদিনীৰ হাতৰ পৰা মহেন্দ্ৰক যদি উদ্ধাৰ কৰিব নোৱাৰ, তেনেহ'লে তাই নেবাচে। তাইৰ মুখখন দেখিলেই বুজিব পাৰিবি, তাইৰ বুকুত মৃত্যুবাণৰ খোচ লাগিছে।

বিহাৰীয়ে মনৰ ভিতৰতে এটা তীব্ৰ হাঁহি মাৰি ভাবিলে, "পৰক উদ্ধাৰ কৰিবলৈ মই বাৰু যাম—কিন্তু ভগৱান, মোক কোনে উদ্ধাৰ কৰিব।" ফুটাই ক'লে, "বিনোদিনীৰ আকৰ্ষণৰ পৰা চিৰকালৰ কাৰণে মহেন্দ্ৰক মই আঁৰ কৰি ৰাখিব পাৰোঁ, এনেকুৱা কিবা মন্ত্ৰ মই জানো জানো, খুৰীদেউ? মাৰ অসুখ দেখি তেওঁ হয়তো দুদিনলৈ শান্ত হৈ থাকিব, কিন্তু আকৌ যে তেওঁ উভতি নেযাব, সেইটো কেনেকৈ কওঁ।"

এনে সময়তে মলিন বেশেৰে মূৰত আধাডোখৰ ওৰণি লৈ আশা লাহে লাহে সোমাই আহি মাহীয়েকৰ ভৰিৰ ওচৰতে বহিলহি। তেওঁ জানিছিল, ৰাজলক্ষ্মীৰ অসুখ সম্বন্ধে বিহাৰীৰ লগত অন্নপূৰ্ণাৰ আলোচনা চলি আছে, সেইবাবেই উৎসুকভাবে শুনিবলৈ আহিছে। পতিব্ৰতা আশাৰ মুখত নিস্তব্ধ দুখৰ মহিমা দেখা পাই বিহাৰীৰ মনত এক অপূৰ্ব্ব ভক্তিৰ সঞ্চাৰ হ'ল। শোকৰ তপত তীৰ্থজলেৰে অভিষিক্ত হৈ এই তৰুণী ৰমণী গৰাকীয়ে প্ৰাচীন যুগৰ দেৱীসমূহৰ দৰে এটি অচঞ্চল মৰ্য্যাদা

লাভ কৰিছে—তেওঁ এতিয়া সামান্যা নাৰী নহয়, তেওঁ যেন দাৰুণ দুখত পুৰাণবৰ্ণিতা সাধ্বীসকলৰ সমান বয়স লভিছে।

বিহাৰীয়ে আশাৰ লগত ৰাজলক্ষ্মীৰ পথ্য আৰু ঔষধ সম্বন্ধে আলোচনা কৰি আশাক যেতিয়া বিদায় দিলে, তেতিয়া এটি হুমুনিয়াহ কাঢ়ি অন্নপূৰ্ণাক ক'লে, "মহেন্দ্ৰক মই উদ্ধাৰ কৰিম।"

বিহাৰীয়ে মহেন্দ্ৰৰ বেঙ্কলৈ গৈ খবৰ পালে যে, তেওঁলোকৰ এলাহাবাদ শাখাৰ লগত অলপ দিনৰ পৰা মহেন্দ্ৰৰ লেন-দেন চলিবলৈ আৰম্ভ কৰিছে।

৫০

ষ্টেচনলৈ আহি বিনোদিনী পোনচাটেই ইণ্টাৰ ক্লাচৰ মহিলাৰ গাড়ীত উঠি বহিল। মহেন্দ্ৰই ক'লে, "কি কৰিব খুজিছা, মই যে তোমাৰ কাৰণে চেকেণ্ড ক্লাচৰ টিকেট কিনিব খুজিছোঁ।"

বিনোদিনীয়ে ক'লে, "কি দৰকাৰ, ইয়াতেই মোৰ ভাল লাগিব।"

মহেন্দ্ৰই তৰধ মানিলে। বিনোদিনী স্বাভাৱিকতেই বিলাসপ্ৰিয় আছিল। আগতে দাৰিদ্ৰ্যৰ কোনো লক্ষণেই তেওঁৰ বাবে প্ৰীতিকৰ নাছিল; নিজৰ সাংসাৰিক দৈন্যখিনিক তেওঁ নিজৰ পক্ষে অপমানকৰ বুলিয়েই ভাবি লৈছিল। মহেন্দ্ৰই এইৰূপ বুজি পাইছিল যে, মহেন্দ্ৰৰ ঘৰৰ অজস্ৰ স্বচ্ছলতা, বিলাসৰ উপকৰণ আৰু সাধাৰণৰ চকুত ধনী বুলি তেওঁলোকৰ গৌৰব, এই সকলোখিনিয়ে এদিন বিনোদিনীৰ মন আকৰ্ষণ কৰিছিল। অনায়াসে তেওঁ যে এই ধনসম্পদ, এই সকলো আৰাম আৰু গৌৰবৰ গৰাকিনী হ'ব পাৰিলেহেঁতেন, এই কল্পনাই এদিন তেওঁক প্ৰবলভাৱে উত্তেজিত কৰি গৈছিল। আজি যেতিয়া মহেন্দ্ৰৰ ওপৰত প্ৰভুত্বলাভ কৰিবৰ সময় হ'লহি, নিবিচৰাকৈয়েই যেতিয়া তেওঁ মহেন্দ্ৰৰ সকলো ধনসম্পদ নিজৰ ভোগৰ কাৰণে ব্যৱহাৰ কৰিব পাৰে, তেতিয়া কিয় যে তেওঁ ইমান অসহ্য উপেক্ষাৰ সৈতে একান্ত উদ্ধতভাৱে কষ্টকৰ লজ্জাকৰ দীনতা স্বীকাৰ কৰি লৈছে। মহেন্দ্ৰৰ প্ৰতি নিজৰ নিৰ্ভৰশীলতা যিমানদূৰ সম্ভৱ কমাই পেলাবলৈ বিচাৰিছে। যি উন্মত্ত মহেন্দ্ৰই বিনোদিনীক তেওঁৰ স্বাভাৱিক আশ্ৰয়ৰ পৰা

চিৰজীৱনৰ কাৰণে আঁতৰাই আনিছে, সেই মহেন্দ্ৰৰ হাতৰ পৰা তেওঁ এনে কোনো বস্তু পাবলৈ নিবিচাৰে, যাক তেওঁৰ এই সৰ্ব্বনাশৰ মূল্য বুলি ধাৰ্য্য পাৰি। বিনোদিনী যেতিয়া মহেন্দ্ৰৰ ঘৰত আছিল, তেতিয়া তেওঁৰ আচৰণত বৈধব্যব্ৰতৰ কঠিনতা সিমানখিনি নাছিল, কিন্তু ইমানদিনৰ পাচত তেওঁ নিজকে সকলো ধৰণৰ ভোগৰ পৰা বঞ্চিত কৰিবলৈ ধৰিছে। এতিয়া তেওঁ এবেলা খায় আৰু খহটা কাপোৰ পিন্ধে। তেওঁৰ সেই উচ্ছল হাঁহি-ধেমালিয়েই বা গ'ল ক'লৈ। এতিয়া তেওঁ ইমান শুদ্ধ, ইমান আবৃত, ইমান সুদূৰ, ইমান ভীষণ হৈ উঠিছে যে, মহেন্দ্ৰই তেওঁক সাধাৰণ কথা এটাও জোৰকৈ ক'বলৈ সাহ নকৰে। মহেন্দ্ৰই আচৰিত মানি, অধীৰ হৈ, খং কৰি কেৱল ভাবিবলৈ ধৰিলে. "বিনোদিনীয়ে মোক ইমান চেষ্টা কৰি দুৰ্ল্লভ এটি ফলৰ দৰে ইমান ওখৰ পৰা পাৰি আনিলে, অথচ তাৰ পাচত শুঙিও নোচোৱাকৈ এইদৰে মাটিত পেলাই দিছে কিয়।"

মহেন্দ্ৰই সুধিলে, "ক'ৰ টিকট কৰিম কোৱা।"

বিনোদিনীয়ে ক'লে, "পশ্চিমৰ পিনে য'লৈকে মন যায়, তলৈকে ব'লা— কালি পুৱা গাড়ী য'তে ৰয়, ত'তে নামি পৰিম।"

মহেন্দ্ৰৰ কাৰণে এনে ধৰণৰ ভ্ৰমণ লোভনীয় নহয়। আৰামৰ ব্যাঘাত তেওঁৰ কাৰণে বৰ কষ্টকৰ। ডাঙৰ চহৰলৈ গৈ ভাল ধৰণে থাকিবলৈ নেপালে, মহেন্দ্ৰৰ বৰ অসুবিধা লাগে। তেওঁ বিচাৰি-খুচৰি ঠিকঠাক ক'ৰ লোৱা মানুহ নহয়। সেইবাবেই, মহেন্দ্ৰই অতি ক্ষোভ আৰু বিৰক্তি লৈ গাড়ীত উঠিল। এইপিনে মনত কেৱল ভয়, জানোচা তেওঁক নজনোৱাকৈয়েই বিনোদিনী ক'ৰবাত নামি পৰে।

বিনোদিনীয়ে এইদৰে শনিগ্ৰহৰ নিচিনাকৈ ঘূৰিবলৈ আৰু মহেন্দ্ৰক ঘূৰাবলৈ লাগিল—ক'তো তেওঁক জিৰণি নিদিলে। বিনোদিনীয়ে অতি সোনকালে মানুহক আপোন কৰি ল'ব পাৰে ; অতি অলপ সময়ৰ ভিতৰতে তেওঁ গাড়ীৰ সহযাত্ৰিণীসকলৰ লগত বন্ধুতা কৰি লয়। য'লৈ যাবৰ ইচ্ছা, তাৰ সকলোবোৰ খবৰ গোটাই লয়। অতিথিশালাত আশ্ৰয় লয় আৰু য'ত যিমান চাবলগীয়া বস্তু আছে, সকলোবোৰ বন্ধুৰ সহায়ত চাই মেলি লয়। মহেন্দ্ৰই বিনোদিনীৰ ওচৰত নিজৰ অনাবশ্যকতা অনুভৱ কৰি নিতৌ নিজকে অপমানিত বোধ কৰা হ'ল। টিকট কিনি দিয়াৰ বাহিৰে তেওঁৰ কোনো

কামেই নাছিল, বাকী সময়ছোৱা তেওঁৰ প্ৰবৃত্তিয়ে তেওঁক আৰু তেওঁ তেওঁৰ প্ৰবৃত্তিক দংশন কৰি কটাইছিল। প্ৰথমতে কিছুদিন তেওঁ বিনোদিনীৰ লগে লগে বাটে বাটে ঘূৰি ফুৰিছিল,—কিন্তু ক্ৰমে সি অসহ্য হৈ উঠিল; তেতিয়া মহেন্দ্ৰৰ খাই-বৈলৈ শুবৰ চেষ্টা কৰিছিল, বিনোদিনীয়ে গোটেই দিনটো ফুৰি-চাকি লৈছিল। মাকৰ আদৰত ডাঙৰ হোৱা মহেন্দ্ৰই যে এইদৰেবাটৰ মাজলৈ ওলাই পৰিব পাৰে, এই কথা কোনেও কল্পনাই কৰা নাছিল।

এদিন এলাহাবাদ ষ্টেচনত দুয়ো গাড়ীৰ কাৰণে বৈ আছিল। কিবা এক আকস্মিক কাৰণত ট্ৰেইন অহাত পলম হৈছে। ইতিমধ্যে অন্যান্য গাড়ীবোৰ আহিছে আৰু গৈছে, বিনোদিনীয়ে সেই গাড়ীবিলাকৰ যাত্ৰীসকলক ভালদৰে নিৰীক্ষণ কৰি আছে। এই ভাটী-দেশত ঘূৰি ঘূৰি চাৰিওপিনে চাই ফুৰোঁতে, হয়তো কাৰোবাৰ লগত হঠাৎ দেখা হৈ যাব পাৰে—এয়ে তেওঁৰ আশা। অন্ততঃ, ৰুদ্ধ গলিৰ মাজত জনহীন ঘৰ এটাত সোমাই নিশ্চল উদ্যমেৰে নিজকে প্ৰত্যেক দিনা হেঁচি মৰাতকৈ এই নিত্যসন্ধানপৰতাৰ মাজত, এই উন্মু[illegible] পথৰ জনকোলাহলৰ মাজত শান্তি আছে।

হঠাৎ এসময়ত ষ্টেচনত থকা এটা কাঁচৰ বাকচৰ ওপৰত দৃষ্টি পৰাৰ লগে লগে তেওঁ চকু খাই উঠিল। এই ডাকঘৰৰ বাকচটোৰ ভিতৰত, যিবিলাক মানুহৰ সন্ধান পোৱা নাই, তেনে মানুহৰ চিঠিবোৰ ৰাজহুৱাকৈ ৰখা হয়। সেই বাকচত সজাই থোৱা এখন চিঠিৰ ওপৰত বিনোদিনীয়ে বিহাৰীৰ নামটো দেখা পালে। বিহাৰীলাল নামটো অসাধাৰণ নহয়,—চিঠিৰ বিহাৰীয়েই যে বিনোদিনীৰ অভীষ্ট বিহাৰী, সেইবুলি ভাবি ল'বৰ কোনো থল নাছিল—তথাপি বিহাৰীৰ সম্পূৰ্ণ নামটো দেখি সেই একেজন বিহাৰীৰ বাহিৰে আন কোনো বিহাৰীৰ কথা তেওঁৰ মনলৈয়ে নাহিল। চিঠিৰ লিখা ঠিকনাটো তেওঁ মুখস্থ কৰি ল'লে। অতি অপ্ৰসন্ন মুখেৰে মহেন্দ্ৰ এখন বেঞ্চৰ ওপৰত বহি আছিল, বিনোদিনীয়ে তেওঁৰ ওচৰলৈ আহি ক'লে, "কিছুমান দিন এলাহাবাদতে থাকিম।"

বিনোদিনীয়ে নিজৰ ইচ্ছামতে মহেন্দ্ৰক চলাই লৈ ফুৰিছে, অথচ তেওঁৰ ক্ষুধিত অতৃপ্ত হৃদয়ক সামান্য খোৱাকখিনিও দিয়া নাই, এইবাবে মহেন্দ্ৰৰ পৌৰুষ-অভিমানত নিতৌ আঘাত লাগি তেওঁৰ হৃদয় বিদ্ৰোহী হৈ উঠিছিল। এলাহাবাদতে কিছুদিন থাকি জিৰাব পাৰিলে তেওঁ বাচি যায়—কিন্তু ইচ্ছাৰ

অনুকূল হ'লেও বিনোদিনীৰ প্ৰতিটো খেয়ালতে সন্মতি জনোৱাত হঠাৎ তেওঁৰ মনটোৱে বাধা দি ৰহিল। তেওঁ খঙৰ সুৰত ক'লে, "এবাৰ ওলালোঁ যেতিয়া, যামেই। উভতিব নোৱাৰোঁ।"

বিনোদিনীয়ে ক'লে, "মই নেযাওঁ।"

মহেন্দ্ৰই ক'লে, "তেন্তে তুমি অকলেই থাকা। মই আহিলোঁ।"

বিনোদিনীয়ে ক'লে, "সেয়ে ভাল।" এইবুলি কৈ আৰু কথা নবঢ়াই ইঙ্গিতেৰে মুটিয়া এটাক মাতি ষ্টেচন এৰি বাহিৰলৈ ওলাই পৰিল।

মহেন্দ্ৰ পুৰুষৰ কৰ্ত্তৃত্ব-অধিকাৰ লৈ গোমা মুখেৰে বেঞ্চৰ ওপৰত বহি ৰ'ল। যেতিয়ালৈকে বিনোদিনী চকুৰ আঁতৰ হোৱা নাছিল, তেতিয়ালৈকে তেওঁ স্থিৰ হৈ বহি আছিল। বিনোদিনীয়ে যেতিয়া এবাৰো পাচপিনে উলটি নোচোৱাকৈ বাহিৰ হৈ গ'ল, তেতিয়া তেওঁ বেগাবেগিকৈ মুটিয়াৰ মূৰত বিচনা-পাতি তুলি দি বিনোদিনীৰ পাচ ল'লে। বাহিৰলৈ আহি দেখিলে, বিনোদিনীয়ে এখন গাড়ী অধিকাৰ কৰি বহিছে। মহেন্দ্ৰই কোনো কথা খৰচ নকৰাকৈ গাড়ীৰ ওপৰত বস্তু-বেহানি তুলি দি, নিজে কোচ বক্সত বহি ল'লে। নিজৰ অহঙ্কাৰ খৰ্ব্ব-কৰি উঠি গাড়ীৰ ভিতৰত সোমাই বিনোদিনীৰ সমুখত বহিবলৈ তেওঁৰ উপায় নাছিল।

কিন্তু গাড়ী অনৰ্গল গৈ আছে। এঘণ্টা পাৰ হৈ গ'ল, ক্ৰমে চহৰৰ ঘৰ-দুৱাৰ পাৰ হৈ চাহ দি থোৱা পথাৰত ওলালহি। কচোৱানটোক সুধিবলৈয়ো মহেন্দ্ৰৰ লাজ লাগিল, জানোচা সি ভাবি লয় যে ভিতৰত বহি থকা তিৰোতা গৰাকীয়েই কৰ্ত্তৃপক্ষ, ক'লৈ যাব লাগিব সেই কথাষাৰো এই অনাৱশ্যক মতা মানুহজনৰ লগত পৰামৰ্শ কৰি লোৱা নাই। মহেন্দ্ৰই তেওঁৰ কষ্ট অভিমান মনে মনে পৰিপাক কৰি স্তব্ধভাবে কোচ-বক্সৰ ওপৰত বহি ৰ'ল।

গাড়ীখন আহি যমুনাৰ নিজান-পাৰত যত্নেৰে সজাই থোৱা এখন বাগিচাৰ ভিতৰত ৰ'লহি। মহেন্দ্ৰই তবধ মানিলে। এইখন কাৰ বাগিচা, এই বাগিচাৰ ঠিকনা বিনোদিনীয়ে জানিব পাৰিলে কেনেকৈ।

ঘৰটো বন্ধ হৈ আছিল। চিঞৰ-বাখৰ কৰি মাতিলত বুঢ়া ৰখীয়াজন ওলাই আহিল। তেওঁ ক'লে, "ঘৰৰ গৰাকীজন ধনী, বেচি দূৰত নেথাকে— তেওঁৰ অনুমতি লৈ আহিলেই এই ঘৰটোত থাকিবলৈ দিব পাৰোঁ।"

বিনোদিনীয়ে এবাৰ মহেন্দ্ৰৰ মুখৰ পিনে চালে। মহেন্দ্ৰৰ এই ধুনীয়া

ঘৰটো দেখি লোভ লাগিছিল—বহুত দিনৰ পাচত কিছুদিন স্থিতিৰ সম্ভাৱনা দেখা পাই তেওঁৰ মনত উৎসাহ লাগিছিল—বিনোদিনীক ক'লে, "তেন্তে ব'লা, সেই ধনী মানুহজনৰ ওচৰৰ পৰাই আহোঁগৈ। তুমি বাহিৰতে বৈ থাকিবা, মই ভিতৰলৈ গৈ ভাৰাটো ঠিক কৰি আহিম।"

বিনোদিনীয়ে ক'লে, "মই আৰু ঘুৰিব নোৱাৰোঁ—তুমিয়েই যোৱা মই আৰু সেইখিনি সময় ইয়াতে জিৰাই লওঁ। ভয়ৰ কোনো কাৰণ দেখা নাই।"

মহেন্দ্ৰই গাড়ী লৈ গুচি গ'ল। বিনোদিনীয়ে বৃদ্ধ ব্ৰাহ্মণক মাতি আনি তেওঁৰ লৰা-ছোৱালীৰ কথা শুধিলে—সিহঁতৰ কোনে ক'ত কাম কৰে, ছোৱালীবোৰ ক'লৈ উলিয়াই দিছে ইত্যাদি। তেওঁৰ ঘৈণীয়েক মৰিল বুলি শুনি করুণ কণ্ঠেৰে ক'লে, "আ-হা, তোমাৰ দেখিছোঁ খুব কষ্ট হয়। এই বয়সতে তুমি সংসাৰত অকলশৰীয়া হৈ পৰিছা। তোমাক চাবলৈ তেনেহ'লে কোনোৱেই নাই!"

তাৰ পাচত কথাই-কথাই বিনোদিনীয়ে শুধিলে, "বিহাৰীবাবু, ইয়াতে নাছিল জানো?"

বৃদ্ধগৰাকীয়ে ক'লে, "হয়, আছিল কিছুদিন। মাইজায়ে তেখেতক চিনি পায় নেকি?"

বিনোদিনীয়ে ক'লে, "তেওঁ আমাৰ আপোন মানুহ।"

বিনোদিনীয়ে বুঢ়াৰ পৰা বিহাৰীৰ যিখিনি বিৱৰণ আৰু বৰ্ণনা পালে, তাৰ পাচত আৰু কোনো সন্দেহেই নেথাকিল। বুঢ়াৰ হতুৱাই ঘৰটো খোলাই কোনটো কোঠাত বিহাৰী শুইছিল, কোনটো কোঠা তেওঁৰ বহা-কোঠা আছিল, সেই সকলোবোৰ জানি ল'লে। তেওঁ যোৱাৰ পাচৰে পৰা ঘৰটো বন্ধ হৈ আছিল, সেইবাবে অনুভৱ হৈছিল যেন তাত অদৃশ্য বিহাৰীৰ সঞ্চাৰ গোটেই ঘৰটোতে বিয়পি আছে, বতাহে যেন তাক উৰাই নিব পৰা নাই। বিনোদিনীয়ে তাক উশাহৰ লগত হৃদয় পূৰ্ণ কৰি গ্ৰহণ কৰিলে, শুদ্ধ বতাহে তেওঁৰ সমস্ত দেহ স্পৰ্শ কৰিলে; কিন্তু বিহাৰী ক'লৈ গ'ল, তাৰ কোনো সন্ধান পোৱা নগ'ল। হয়তো তেওঁ উভতিবও পাৰে—স্পষ্টকৈ একোৱেই ক'ব নোৱাৰি। বুঢ়াই তেওঁৰ গৰাকীক সুধি আহি জনাব বুলি বিনোদিনীক আশ্বাস দিলে।

আগতীয়াকৈ ভাৰা দি থাকিবৰ অনুমতি লৈ মহেন্দ্ৰ উলটি আহিল।

৫১

হিমালয়-শিখৰে যি যমুনাক তুষাৰ-বুকুৰ অক্ষয় জলধাৰা দান কৰিছে, সেই যমুনাৰ বুকুত সকলো কালৰ কবিৰ দলে যি কবিতাৰ সুধা ঢালি গৈছে, সিও অক্ষয়। এই নদীৰ কল্লোলত কিমান যে বিচিত্ৰ ছন্দ ধ্বনিত আৰু ইয়াৰ তৰঙ্গলীলাত কত কালৰ পুলক আৰু উচ্ছ্বাস মিহলি ভাবাবেগ যে উদ্বেলিত হৈ উঠিছে।

গধূলি মহেন্দ্ৰ যেতিয়া সেই যমুনাৰ পাৰতে আহি বহিলহি, তেতিয়া ঘনীভূত প্ৰেমৰ আবেশে তেওঁৰ দৃষ্টিত, তেওঁৰ নিশ্বাসত, তেওঁৰ শিৰাই-উপশিৰাই, তেওঁৰ অস্থিসমূহৰ মাজত গভীৰ মোহময় ৰস-প্ৰবাহৰ সঞ্চাৰ কৰি দিলে। আকাশত সূৰ্য্যাস্ত-কিৰণৰ স্বৰ্ণবীণা বেদনাৰ মূৰ্চ্ছনাৰে আলোকশ্ৰুত সঙ্গীতেৰে ঝঙ্কৃত হৈ উঠিল।

বিস্তীৰ্ণ নিৰ্জ্জন বালিৰ উপকূলত বিচিত্ৰ বৰ্ণালীৰে ধীৰে ধীৰে এটা দিন হেৰাই গ'ল। মহেন্দ্ৰই চকু দুটা আধাখিনি মুদি ধৰিলত কাব্যলোকত যেন শুনিবলৈ পালে, গৰুৰ খুৰাৰ পৰা উৰি অহা ধূলিৰ মাজেৰে গোহালিৰ অভিমুখে ঘুৰি অহা বৃন্দাবনৰ গৰুৰ মুখৰ হেম্বেলনি।

বাৰিষাৰ ডাৱৰে আকাশ ঘেৰি ধৰিছে। অচিনাকি ঠাইৰ আন্ধাৰ কেৱল এখন ক'লা আৱৰণ নহয়, সি এক বিচিত্ৰ ৰহস্যেৰে পৰিপূৰ্ণ। তাৰ মাজেদি যিকণ পোহৰ, যিকণ আকৃতি দেখিবলৈ পোৱা যায়, সি যেন অজ্ঞাত অস্ফুচ্চাৰিত ভাষাৰে কথা কয়। সিপাৰৰ বালিৰ অস্পষ্ট ধূসৰ ৰং, নিস্তৰঙ্গ নদীৰ বুকুৰ নীলিম, বাগিচাৰ মাজত পাতেৰে উপচি থকা এজোপা বিৰাট নিমগছৰ পুঞ্জীভূত স্তব্ধতা,গছ-গছনি নোহোৱা সিপাৰৰ ম্লান ধূসৰীয়া এঁকাবেঁকা ৰেখা, আহাৰ মাহৰ এটা সন্ধ্যাৰ আন্ধাৰত সেই সকলোবোৰে বিবিধ অনিৰ্দ্দিষ্ট আকাৰত মিলিত হৈ মহেন্দ্ৰক চাৰিওপিনৰ পৰা ঘেৰি ধৰিলে।

পদাৱলীত থকা বৰ্ষাভিসাৰৰ কথা মহেন্দ্ৰৰ মনত পৰি গ'ল। অভিসাৰিকা ওলাই আহিছে। যমুনাৰ সৌ পাৰটোতে আহি অকলশৰে থিয় দিছেহি। পাৰ হ'ব কেনেকৈ। "হেৰা, মোক পাৰ কৰি দিয়া, পাৰ কৰি দিয়া"— মহেন্দ্ৰৰ বুকুৰ মাজত এই আহ্বান-ধ্বনিয়ে ঠেকা খাই গ'লহি—"হেৰা, পাৰ কৰি দিয়া।"

নদীৰ সিপাৰে আন্ধাৰৰ মাজত সেই অভিসাৰিকা বহুত দূৰত আছে—তথাপি মহেন্দ্ৰই তেওঁক স্পষ্টকৈ দেখা পালে। তেওঁৰ কাল নাই, তেওঁৰ বয়স নাই, তেওঁ চিৰন্তন গোপবালা—তথাপি মহেন্দ্ৰই তেওঁক চিনি পালে—তেওঁ বিনোদিনী। সমস্ত বিৰহ, সমস্ত বেদনা, সমস্ত যৌৱন লৈ কোন কাহানিবাই তেওঁ অভিসাৰ যাত্ৰা কৰি, কত গান কত ছন্দৰ মাজেদি ঘূৰি আহি এতিয়াৰ বুকুতহে পাৰৰ বালিত ভৰি থৈছেহি—আজিৰ এই জনহীন যমুনাৰ ওপৰত ওলমি থকা আকাশৰ বুকুত এয়া তেওঁৰেই কণ্ঠস্বৰ—"হেৰা, পাৰ কৰি দিয়া"—খেয়া-নাও ধৰিবৰ বাবে আৰু কত কাল তেওঁ এই আন্ধাৰৰ মাজত এইদৰে অকলশৰে থিয় দি থাকিব লাগিব—"হেৰা, পাৰ কৰি দিয়া।"

এচমকা ডাৱৰ আঁতৰি যোৱাৰ পাচত, কৃষ্ণপক্ষৰ তৃতীয়াৰ জোনটো চকুত পৰিল। জোনাকৰ মায়ামন্ত্ৰত সেই নদী আৰু নদীতীৰ, সেই আকাশ আৰু আকাশৰ সীমান্ত, যেন পৃথিবীৰ পৰা বহুত দূৰত হেৰাই গ'ল। মৰ্ত্ত্যৰ কোনো বন্ধন নেথাকিল। কালৰ সকলো ধাৰাবাহিকতা ছিন্ন হৈ গ'ল—অতীতৰ সকলো ইতিহাস লুপ্ত, ভৱিষ্যতৰ সকলো পৰিণতি অন্তৰ্হিত—কেৱল এই ৰূপালী পানীয়ে ধুৱাই থৈ যোৱা বৰ্ত্তমানটো যমুনা আৰু যমুনাৰ পাৰত মহেন্দ্ৰ আৰু বিনোদিনীক লৈ বিশ্ব-বিধানৰ বাহিৰত চিৰস্থায়ী হৈ ৰৈছে।

মহেন্দ্ৰ উন্মত্ত হৈ উঠিল। বিনোদিনীয়ে যে তেওঁক প্ৰত্যাখ্যান কৰিব, জোনাক নিশাৰ এই নিৰ্জ্জন এটুকুৰা স্বৰ্গৰাজ্যক লক্ষ্মীৰূপে সম্পূৰ্ণ কৰি নোতোলে, এই কথা তেওঁ কল্পনাই কৰিব নোৱাৰিলে। তৎক্ষণাৎ থিয় দি তেওঁ বিনোদিনীক বিচাৰি ঘৰৰ পিনে ওলাল।

শোৱনি-কোঠাত ভৰি দিয়েই দেখিলে, ঘৰ ফুলৰ সুৰভিৰে পূৰ্ণ। মেলি ৰখা দুৱাৰ-খিৰিকী বোৰেদি জোনাকৰ পোহৰ আহি বগা ধকধকীয়া বিচনাৰ ওপৰত পৰিছেহি। বিনোদিনীয়ে বাগিচাৰ পৰা ফুল ছিঙি আনি মালা গুঁথি খোপাত মেৰিয়াই লৈছে, ডিঙিত পিন্ধিছে আৰু ককালত বান্ধি লৈছে—ফুলেৰে ভূষিত হৈ তেওঁ বসন্ত ঋতুৰ ফুলৰ ভৰত দোঁ খাই পৰা এডালি লতাৰ দৰে বিচনাৰ ওপৰত পৰি আছে।

মহেন্দ্ৰৰ মোহ দুগুণে চৰি গ'ল। তেওঁ থোকাথুকি মাতেৰে ক'লে,

"বিনোদ, মই যমুনাৰ পাৰত তোমাৰ কাৰণে অপেক্ষা কৰি বৈ আছিলোঁ। তুমি যে ইয়াত অপেক্ষা কৰি আছা, আকাশৰ জোনটোৱে মোক সেই খবৰটো দি থৈ আহিল, সেইবাবেই মই গুচি আহিলোঁ।"

এইবুলি কৈয়েই মহেন্দ্ৰ বিচনাত বাহিৰৰ বাবে আগবাঢ়ি গ'ল।

বিনোদিনীয়ে লৰালৰিকৈ উঠি চক্ খোৱা মানুহৰ দৰে সোঁ হাতখন মেলি ক'লে, "যোৱা যোৱা, তুমি এই বিচনাত নবহিবা।"

পালৰ বুকুত ভৰা বতাহৰ বা' লাগি অহা নাও যেন হঠাৎ কোনোবা চৰৰ বুকুত ঠেকা খাই বৈ গ'ল—মহেন্দ্ৰ স্তম্ভিত হৈ গ'ল। বহুত সময়লৈকে তেওঁৰ মুখেদি কোনো কথাই নোলাল। জানোচা মহেন্দ্ৰই নিষেধ নেমানে, সেই ভাবি বিনোদিনী বিচনাৰ পৰা উঠি আহিল।

মহেন্দ্ৰই ক'লে, "তেন্তে তুমি কাৰ কাৰণে নো ইমান সাজন-কাচোন কৰিছা। কাৰ কাৰণে অপেক্ষা কৰিছা।"

বিনোদিনীয়ে নিজৰ বুকুত হাতখন থৈ ক'লে, "যাৰ কাৰণে সাজন-কাচোন কৰিছোঁ, তেওঁ মোৰ অন্তৰৰ ভিতৰত আছে।"

মহেন্দ্ৰই ক'লে, "তেওঁ কোন। বিহাৰী নেকি?"

বিনোদিনীয়ে ক'লে, "তেওঁৰ নাম তুমি মুখেৰে উচ্চাৰণ নকৰিবা।"

মহেন্দ্ৰ। তেওঁৰ কাৰণেই তুমি এই ভাটীদেশত ঘুৰি ফুৰিছা?

বিনোদিনী। তেওঁৰ কাৰণেই।

মহেন্দ্ৰ। তেওঁৰ কাৰণেই তুমি ইয়াত অপেক্ষা কৰি আছা?

বিনোদিনী। তেওঁৰ কাৰণেই।

মহেন্দ্ৰ। তেওঁৰ ঠিকনা জানিব পাৰিছা?

বিনোদিনী। নেজানো, কিন্তু যেনেকৈয়ে হওক—জানিমেই।

মহেন্দ্ৰ। কোনোমতেই জানিবলৈ নিদিওঁ।

বিনোদিনী। যদি জানিবলৈ নিদিয়া, মোৰ হৃদয়ৰ পৰা তেওঁক কোনোমতেই বাহিৰ কৰিব নোৱাৰিবা।

এইবুলি কৈ বিনোদিনীয়ে চকু দুটা মুদি নিজৰ বুকুৰ মাজত বিহাৰীক এবাৰ অনুভৱ কৰি ল'লে।

মহেন্দ্ৰ সেই পুষ্পাভৰণা বিৰহবিধুৰমূৰ্ত্তি বিনোদিনীৰ দ্বাৰা একে সময়তে প্ৰবল বেগেৰে আকৃষ্ট আৰু প্ৰত্যাখ্যাত হৈ হঠাৎ ভীষণ হৈ উঠিল—মুঠি

ছুটা বান্ধি লৈ ক'লে, "চুৰি কটাৰীৰে কাটি তোমাৰ বুকুৰ ভিতৰৰ পৰা তেওঁক উলিয়াই আনিম।"

বিনোদিনীয়ে অবিচলিত মুখেৰে ক'লে, "তোমাৰ ভালপোৱাতকৈ তোমাৰ চুৰি কটাৰী মোৰ হৃদয়ত সহজে প্ৰবেশ কৰিব।"

মহেন্দ্ৰ। তুমি মোক ভয় নকৰা কিয়, ইয়াত তোমাৰ ৰক্ষক বুলিবলৈ কোন আছে।

বিনোদিনী। তুমিয়েই মোৰ ৰক্ষক। তোমাৰ নিজৰ আক্ৰমণৰ পৰা তুমিয়েই মোক ৰক্ষা কৰিবা।

মহেন্দ্ৰ। এইকণ শ্ৰদ্ধা, এইকণ বিশ্বাস, এতিয়াও বাকী আছে!

বিনোদিনী। সেয়ে নহ'লে মই আত্মহত্যা কৰি মৰিলোহেঁতেন, তোমাৰ লগত এইদৰে নোলালোহেঁতেন।

মহেন্দ্ৰ। কিয় নমৰিলা—সেইকণ বিশ্বাসৰ চিপজৰী মোৰ ডিঙত মেৰিয়াই মোক দেশ-দেশান্তৰত ঘূৰাই লৈ মাৰিছা কিয়। তুমি মৰিলে কিমান মঙ্গল হ'লহেঁতেন ভাবি চোৱাচোন।

বিনোদিনী। সেইটো জানো, কিন্তু যিমান দিনলৈকে বিহাৰীৰ আশা আছে, সিমান দিনলৈকে মই মৰিব নোৱাৰিম।

মহেন্দ্ৰ। যিমান দিনলৈকে তুমি নমৰা, সিমান দিনলৈকে মোৰ প্ৰত্যাশাও নমৰে—ময়ো নিষ্কৃতি নেপাওঁ। মই আজিৰ পৰা ভগবানৰ ওচৰত সৰ্ব্বান্তঃকৰণে তোমাৰ মৃত্যু কামনা কৰোঁ। তুমি মোৰো হ'ব নেলাগে, বিহাৰীৰো হ'ব নোৱাৰিবা। তুমি যোৱাগৈ। মোক ছুটি দিয়া। মোৰ মা'ই কান্দিছে, মোৰ ঘৈণীয়ে কান্দিছে—তেওঁলোকৰ চকু-পানীয়ে মোক দূৰৰ পৰাই দগ্ধ কৰিছে। তুমি নমৰিলে, তুমি মোৰ আৰু পৃথিবীৰ সকলো আশাৰ অতীত হৈ নগ'লে, মই তেওঁলোকৰ চকুৰ পানী মচি দিবলৈ আজৰিয়েই নেপাম।

এইবুলি কৈ মহেন্দ্ৰ বেগাবেগিকৈ ওলাই গ'ল। বিনোদিনীয়ে অকলশৰে শুই শুই নিজৰ চাৰিওপিনে যিখন মায়াজাল গুঁথি আছিল, সেইখন খেলিমেলি কৰি থৈ গ'ল। মনে মনে থিয় দি বিনোদিনীয়ে বাহিৰৰ পিনে চাই ৰ'ল—আকাশ-ওপচা জোনাকখিনি শূন্য কৰি তাৰ সকলো সুধা-ৰস যেন ভাপ হৈ উৰি গ'ল। চাৰিওপিনে ঘেৰি থোৱা

সেই বাগিচা, তাৰ সিপাৰে বালিৰে উপচি থকা নদীৰ পাৰ, তাৰ সিপাৰে নদীৰ কজলা পানী, তাৰো সিপাৰে আনটো পাৰৰ ছাঁয়াময়খিনি—সকলোবোৰ যেন এখন মস্ত বগা কাগজত পেন্সিলেৰে আঁকা এখন ছবি মাথোন নিৰস আৰু নিৰ্থক।

মহেন্দ্ৰক বিনোদিনীয়ে কিদৰে প্ৰবল বেগেৰে আকৰ্ষণ কৰিছে, প্ৰচণ্ড ধুমুহাৰ দৰে কেনেকৈ তেওঁক সমূলে উৎপাটিত কৰিবলৈ লৈছে, সেই কথা অনুভৱ কৰি আজি তেওঁৰ হৃদয় যেন আৰু বেচি অশান্ত হৈ উঠিল। তেওঁৰ তো এই সকলোখিনি শক্তিয়েই আছে, তেন্তে কিয় বিহাৰী পূৰ্ণিমা ৰাতিৰ উদ্বেল সমুদ্ৰৰ দৰে তেওঁৰ সমুখত উচ্ছল হৈ নুঠেহি। কিয় তেনে এক অনাৱশ্যক ভালপোৱাৰ প্ৰবল অভিঘাতে তেওঁৰ ধ্যানৰ মাজত সোমাই নিতৌ উচুপি মৰেহি। আৰু এক আগন্তুক কান্দোন ঘনে ঘনে উপচি উঠি তেওঁৰ অন্তৰৰ এই কান্দোনটোক কিয় বাৰু পৰিপূৰ্ণ অৱকাশ দিয়াহি নাই। এই যে এক প্ৰকাণ্ড আলোড়নক তেওঁ জগাই তুলিছে, তাক লৈ গোটেই জীৱন ধৰি তেওঁ কি কৰিব। এতিয়া ইয়াক শান্ত কৰিব কি উপায়েৰে।

আজি যিখিনি ফুলৰ মালাৰে তেওঁ নিজক ভূষিত কৰিছিল, তাৰ ওপৰত মহেন্দ্ৰৰ মুগ্ধ দৃষ্টি পৰিছিল দেখি সেই সকলোবোৰ আজুৰি ছিঙি পেলালে। তেওঁৰ সকলো শক্তি বৃথা, চেষ্টা বৃথা, জীৱন বৃথা—এই ফুলনিখন, এই জোনাকখিনি, এই যমুনাৰ পাৰটো, এই অপূৰ্ব্ব সুন্দৰ পৃথিৱীখন, সকলোবোৰ বৃথা।

ইমান ব্যৰ্থতা, তথাপি যে যি যিখিনিত থাকিব লাগে, সেইখিনি ঠাইতে থিয় দি আছে—জগতত একোৰে অকণো ব্যতিক্ৰম ঘটা নাই। তথাপি কাইলৈ সূৰ্য্য ওলাব আৰু সংসাৰে তাৰ ক্ষুদ্ৰতম কামখিনিকো পাহৰি নেযায়—আৰু অবিচলিত বিহাৰী যিদৰে দূৰত আছিল, সেইদৰে দূৰতে থাকি ব্ৰাহ্মণ-পুত্ৰৰ হতুৱাই তেওঁৰ বোধোদয়ৰ নতুন পাঠ অভ্যাস কৰাব।

বিনোদিনীৰ চকু দুটা বহলকৈ মেল খাই চকু-লো বাগৰি আহিল। তেওঁ তেওঁৰ সমস্ত শক্তি আৰু আকাঙ্ক্ষা লৈ কি এক প্ৰকাণ্ড শিল ঠেলিবলৈ লাগিছে! তেওঁৰ হৃদয় তেজেৰে ভাঁহি গ'ল। কিন্তু তেওঁৰ অদৃষ্ট বেজীৰ আগটোৰ সমানো হুঁহকি নগ'ল।

৫২

গোটেই ৰাতিটো মহেন্দ্ৰ শুব পৰা নাছিল—অৱশেষত ৰাতি পুৱাবৰ পিনে ভাগৰত লালকাল দি পৰিল। প্ৰায় আঠ-ন মান বজাত সাৰ পাই ধৰ্ মৰ্ কৈ উঠি বহিল। গ'ল-নিশাৰ এটা কিবা অসমাপ্ত দুখ টোপনিৰ আঁৰে আঁৰে যেন প্ৰবাহিত হৈ আছিল। সাৰ পোৱাৰ লগে লগে মহেন্দ্ৰই তাৰ যন্ত্ৰণাখিনি অনুভৱ কৰিবলৈ আৰম্ভ কৰিলে। অলপ সময়ৰ পাচতেই ৰাতিৰ গোটেই ঘটনাটো স্পষ্টকৈ মনত পৰি গ'ল! ৰাতিপুৱাৰ সেই ৰ'দজাকৰ মাজত, হেপাহ নপলোৱা টোপনিৰ ভাগৰত গোটেই জগতখন আৰু জীৱনটো অতি বিৰস যেন লাগি গ'ল। সংসাৰত্যাগৰ গ্লানি, ধৰ্মত্যাগৰ গভীৰ পৰিতাপ আৰু এই উদ্‌ভ্ৰান্ত জীৱনৰ সকলোখিনি অশান্তিৰ বোজা মহেন্দ্ৰই কিহৰ কাৰণে কঢ়িয়াই মৰিছে। এই আৱেশবিহীন পুৱাৰ ৰ'দজাক দেখি মহেন্দ্ৰৰ ধাৰণা হৈ গ'ল, তেওঁ বিনোদিনীক ভাল নেপায়। বাটৰ পিনে চাই দেখিলে, সাৰ পাই উঠি গোটেই পৃথিৱীখনে ব্যস্তভাবেৰে কামৰ পাচত দৌৰিবলৈ গৈছে। সমস্ত আত্মগৌৰৱ পঙ্কৰ মাজত বিসৰ্জ্জন দি এজনী বিমুখ তিৰোতাৰ ভৰিৰ তলত অকৰ্ম্মণ্য জীৱনক প্ৰতিদিন আবদ্ধ কৰি ৰখাৰ মূঢ়তা, সেই কথা মহেন্দ্ৰৰ চকুত সুস্পষ্ট হৈ পৰিল। এটা প্ৰবল আবেগৰ উচ্ছাসৰ পাচত হৃদয়ত অৱসাদ উপস্থিত হয়—ক্লান্ত হৃদয়ে তেতিয়া আপোন অনুভূতিৰ বিষয়ক কিছুদিনৰ কাৰণে দূৰত ঠেলিৰাখিবলৈ বিচাৰে। ভাবৰ সেই ভাটাৰ সময়ত তলৰ সকলোখিনি ঢাক খাই থকা বোকা ফটফটীয়াকৈ ওলাই পৰে—যাৰ ওপৰত মোহ জন্মিছিল, তাৰ ওপৰত বিতৃষ্ণা জন্মে। মহেন্দ্ৰই যে কিহৰ কাৰণে নিজকে এইদৰে অপমানিত কৰিবলৈ লাগিছে, সেই কথা তেওঁ আজি বুজিব নোৱাৰিলে। তেওঁ নিজকে নিজে ক'লে, "মই সকলোপিনৰ পৰাই বিনোদিনীতকৈ শ্ৰেয়, তথাপি আজি মই তেওঁৰ পাচে পাচে দিনে-নিশাই ঢপলিয়াই মৰিছোঁ। এনে অদ্ভুত বলিয়ালি কোন চয়তানে মোৰ মগজুত সুমুৱাই দিলে বাৰু।" বিনোদিনী মহেন্দ্ৰৰ চকুত আজি কেৱল এগৰাকী নাৰী, আৰু আন একোৱেই নহয়—তেওঁৰ চাৰিওপিনে থকা সমস্ত পৃথিৱীৰ সৌন্দৰ্য্যৰ পৰা, সমস্ত কাব্যৰ পৰা আৰু কাহিনীৰ পৰা যি এক লাৱণ্য-জ্যোতি বিচ্ছুৰিত হৈছিল, সি আজি মৰীচিকাৰ দৰে আঁতৰ হৈ যোৱাৰ লগে লগে কেৱল

এগৰাকী সামান্য নাৰী অৱশিষ্ট থাকিল—তেওঁৰ কোনো অপূৰ্ব্বত্ব নৰ'ল।

লগে লগে এই গ্লানিৰে পূৰ্ণ মোহ-চক্ৰৰ পৰা নিজকে বিচ্ছিন্ন কৰি ঘৰলৈ উভতি যাবৰ কাৰণে মহেন্দ্ৰ আকুল হৈ উঠিল। যি শান্তি, প্ৰেম আৰু স্নেহ এদিন তেওঁ পাইছিল, সেয়েই আজি তেওঁৰ কাৰণে দুৰ্লভতম অমৃত বুলি ধাৰণা হ'ল। বিহাৰীৰ সেই আশৈশৱ অটলনিৰ্ভৰ বন্ধুত্ব তেওঁৰ কাৰণে মহাৰ্ঘ বস্তু হৈ উঠিল। মহেন্দ্ৰই মনে মনে ভাবিলে, "যিটো বস্তু যথাৰ্থতে গভীৰ আৰু স্থায়ী, তাৰ মাজত বিনা চেষ্টাৰে, বিনা বাধাৰে নিজকে সম্পূৰ্ণৰূপে ডুবাই ৰাখিব পাৰি বুলিয়েই আমি তাৰ মূল্য অনুভৱ কৰিব নোৱাৰোঁ—যিটো বস্তু কেৱল চঞ্চলা ছলনা মাথোন, যাৰ পৰিতৃপ্তিৰ পৰাও এধানমান সুখ অনুভৱ কৰিব নোৱাৰি, সিয়েই আমাক তাৰ পাচে পাচে ঘোঁৰাৰ নিচিনাকৈ দৌৰাই লৈ ফুৰায় কাৰণেই আমি তাক চৰম কামনাৰ ধন বুলি ভাবি লওঁ।"

মহেন্দ্ৰই নিজকে নিজে ক'লে "আজিয়েই ঘৰলৈ উভতি যাম—বিনোদিনীয়ে য'তে থাকিবলৈ বিচাৰে, তাতেই তেওঁক ৰাখিবৰ ব্যৱস্থা কৰি মই মুক্ত হ'ম।" "মই মুক্ত হ'ম" এই কথাষাৰ দৃঢ়কণ্ঠেৰে উচ্চাৰণ কৰাৰ লগে লগে তেওঁৰ মনত এটি আনন্দৰ আবিৰ্ভাৱ হ'ল—ইমানদিন ধৰি তেওঁ যি অবিশ্ৰাম দ্বিধাৰ বোজা বহন কৰি আছিল, সি যেন পাতল হৈ আহিল। ইমানদিনে, এই মুহূৰ্ত্ততে যিটো বস্তু তেওঁৰ পৰম অপ্ৰীতিকৰ যেন লাগিছিল, পাচ মুহূৰ্ত্ততে তাক পালন কৰিবলৈ বাধ্য হৈছিল—দৃঢ় কণ্ঠেৰে "হয়" বা "নহয়" বুলি একোৰেই ক'ব নোৱাৰিছিল—তেওঁৰ অন্তৰৰ ভিতৰত যি অনুশাসন উথলি উঠিছিল, জোৰকৈ তেওঁ তাক হেঁচা দি ৰাখি সদায় আন বাটেৰে গৈছিল—এতিয়া তেওঁ যি মুহূৰ্ত্ততে দৃঢ়কণ্ঠেৰে ক'লে, "মই মুক্তিলাভ কৰিম", সেই মুহূৰ্ত্ততে তেওঁৰ দুখৰ ঢৌত স্পন্দিত হৈ ফুৰা হৃদয়ে আশ্ৰয় লাভ কৰি তেওঁক অভিনন্দন জনালে।

মহেন্দ্ৰই তেতিয়াই বিচনা এৰি মুখ ধুই বিনোদিনীৰ লগত দেখা কৰিবলৈ গ'ল। গৈ দেখিলে, তেওঁৰ দুৱাৰ বন্ধ। দুৱাৰত টকৰিয়াই ক'লে, "শুই আছা নেকি।"

বিনোদিনীয়ে ক'লে, "ওঁ-হো। তুমি এতিয়া যোৱা।"

মহেন্দ্ৰই ক'লে, "তোমাৰ লগত বিশেষ কথা আছে—মই বেচি সময় নেথাকোঁ।"

বিনোদিনীয়ে ক'লে, "কথা শুনি থাকিবলৈ মোৰ ধৈৰ্য্য নাই—তুমি যোৱা, মোক আৰু বিৰক্ত নকৰিবা, মোক অকলশৰে থাকিবলৈ দিয়া।"

আন কোনোবা সময়ত হোৱা হ'লে এনে প্ৰত্যাখ্যানৰ পাচত মহেন্দ্ৰৰ আবেগ আৰু অলপ বাঢ়ি উঠিলেহেঁতেন। কিন্তু আজি তেওঁৰ অতিপাত বিণ লাগি গ'ল। তেওঁ ভাবিলে, "এই সামান্য এজনী তিৰোতাৰ ওচৰত মই নিজকে ইমান হেয় কৰি তুলিছোঁ যে, মোক তেওঁ এইদৰে যেতিয়াই-তেতিয়াই দূৰ কৰি পঠোৱাৰ অধিকাৰ পাইছে। সেই অধিকাৰ এওঁৰ স্বাভাৱিক অধিকাৰ নহয়। ময়েই তেওঁক সেই অধিকাৰ দি এওঁৰ অহঙ্কাৰ ইমান অন্যায়ভাবে বঢ়াই তুলিছোঁ।" এই লাঞ্ছনাৰ পাচত মহেন্দ্ৰই নিজৰ শ্ৰেষ্ঠত্ব অনুভৱ কৰাৰ চেষ্টা কৰিলে। মনে মনে তেওঁ ক'বলৈ লাগিল, "মই জয়ী হ'ম—এই বন্ধন মই ছিঙি থৈ গুচি যাম।"

খাই-বৈ উঠাৰ পাচত, মহেন্দ্ৰ টকা তুলিবৰ কাৰণে বেঙ্কলৈ গ'ল। টকাখিনি তুলি লৈ আশা আৰু মাকৰ কাৰণে দুই-এটা ভাল নতুন বস্তু কিনিবৰ বাবে এলাহাবাদৰ দোকানে-দোকানে ঘুৰিবলৈ ধৰিলে।

আকৌ এবাৰ বিনোদিনীৰ দুৱাৰত আঘাত পৰিল। প্ৰথমতে তেওঁ বিৰক্ত হৈ কোনো উত্তৰেই নিদিলে—তাৰ পাচত আৰু কেইবাবাৰো টকৰিওৱা শুনি, খঙৰ ভমকত উঠি গৈ বিনোদিনীয়ে দুৱাৰখন খুব জোৰেৰে মেলি লৈ ক'লে, "কিয় তুমি মোক বাৰে বাৰে বিৰক্ত কৰিবলৈ আহিছা।" কথা শেষ নৌ হওঁতেই বিনোদিনীয়ে দেখিলে, বিহাৰী থিয় দি আছে।

ঘৰৰ ভিতৰত মহেন্দ্ৰ আছে নে নাই, জানিবৰ কাৰণেই বিহাৰীয়ে এবাৰ ভিতৰখনৰ ওপৰত চকু বুলাই ল'লে। চকুত পৰিল, শোৱনি-কোঠাত শুকান ফুল আৰু ছিগি যোৱা মালা কিছুমান সিঁচৰিত হৈ আছে। তেওঁৰ মন মুহূৰ্ত্তৰ ভিতৰতে প্ৰবলবেগেৰে বিমুখ হৈ গ'ল। বিহাৰী যেতিয়া দূৰত আছিল, তেতিয়া বিনোদিনীৰ জীৱন-যাত্ৰা সম্বন্ধে কোনো সন্দেহজনক চিত্ৰ যে উদয় হোৱা নাছিল—সি নহয়, কিন্তু কল্পনাৰ মায়াই সেই ছবিখন হেঁচ ধৰি এখন উজ্জ্বল মোহিনী-ছবিও দাঙি ধৰিছিল। বিহাৰী যেতিয়া বাগিচাত সোমাইছিলহি, তেতিয়া তেওঁৰ বুকুখন কঁপিবলৈ ধৰিছিল—জানোচা সেই কল্পনা-প্ৰতিমাত আঘাত লাগে। সেইবাবেই তেওঁৰ মনত সঙ্কোচ জাগিছিল। বিহাৰী বিনোদিনীৰ শোৱনি কোঠাৰ দুৱাৰডলিত থিয় হোৱাৰ লগে

লগে সেই আঘাতটোৰেই লাগিল।

দূৰত থাকোঁতে বিহাৰীয়ে মাজে মাজে ভাবিছিল, তেওঁ আপোন প্ৰেমৰ অভিষেকেৰে বিনোদিনীৰ জীৱনৰ সকলোখিনি পঙ্কিলতা অনায়াসে ধুই ল'ব পাৰিব। ওচৰলৈ আহি দেখিলে, সেইটো সহজ নহয়—মনৰ ভিতৰত কৰুণাৰ বেদনা জাগিল ক'ত! হঠাৎ ঘৃণাৰ তৰঙ্গ উঠি তেওঁক অভিভূত কৰি দিলেহি। বিনোদিনীক বিহাৰীয়ে অত্যন্ত মলিন যেন দেখিলে।

এক মুহূৰ্ত্ততে বিহাৰীয়ে উলটি লৈ "মহেন্দ্ৰ, মহেন্দ্ৰ" বুলি মাতিবলৈ ধৰিলে।

এই অপমান পাই বিনোদিনীয়ে নম্ৰ আৰু মৃদু কণ্ঠেৰে ক'লে, "মহেন্দ্ৰ চহৰলৈ গৈছে।"

বিহাৰী যাবলৈ ওলোৱা দেখি বিনোদিনীয়ে ক'লে, "বিহাৰী দেবৰ-বোপা, তোমাৰ ভৰিত ধৰি কাকুতি কৰিছোঁ, খন্তেক বহিবাহি আহাঁ।"

বিহাৰীয়ে কোনো কাকুতি-মিনতি নুশুনিব ভাবিছিল, এই ঘৃণাৰ দৃশ্যৰ পৰা এই মুহূৰ্ত্ততে নিজক আঁতৰাই লৈ যাব বুলি স্থিৰ কৰিছিল, কিন্তু বিনোদিনীৰ কৰুণ অনুনয় মিহলি কণ্ঠস্বৰ শুনামাত্ৰকে ক্ষণিকৰ বাবে তেওঁৰ ভৰি দুখন যেন অৱশ হৈ গ'ল।

বিনোদিনীয়ে ক'লে, "আজি যদি তুমি বিমুখ হৈ এনেদৰে গুচি যোৱা, তেন্তে মই তোমাৰে শপত খাই কৈছোঁ, মই মৰি থাকিম।"

বিহাৰীয়ে তেতিয়া উভতি লৈ ক'লে, "বিনোদিনী, তোমাৰ জীৱনৰ লগত মোক লেটিয়াবৰ চেষ্টা কৰিছা কিয়। মই তোমাৰ কি কৰিছো। মই তো কেতিয়াও তোমাৰ বাটত হেঙাৰ হৈ থিয় দিয়া নাই, তোমাৰ সুখ-দুখত হস্তক্ষেপ কৰা নাই।"

বিনোদিনীয়ে কলে, "তুমি মোৰ মনৰ কিমানখিনি ঠাই অধিকাৰ কৰি আছা, সেই কথা এবাৰ তোমাক জনাইছোঁৱেই,—তুমি বিশ্বাস নকৰিলা। তথাপি আজি আকৌ এবাৰ তোমাৰ বিৰাগৰ মুহূৰ্ত্ততে সেই কথাই জনাব খুজিছোঁ। তুমি তো মোক নোকোৱা কথাৰে কৰৰ বাবে, লাজ-লাজ কৰি কৰৰ বাবে, অৱকাশেই দিয়া নাই। তুমি মোক দূৰ কৰি আঁতৰাই দিছা, তথাপি মই তোমাৰ দুখনি চৰণত ধৰি কৈছো, মই তোমাক—"

বিহাৰীয়ে বাধা দি কলে, "সেই কথা আৰু নক'বা, মুখেৰে উচ্চাৰণেই

নকৰিবা। সেই কথা বিশ্বাস কৰিবৰ শক্তি নাই।"

বিনোদিনী। সেই কথা সাধাৰণ মানুহে বিশ্বাস কৰিব নোৱাৰে, কিন্তু তুমি কৰিবা। সেইবাবেই মই তোমাক এবাৰ বহি যাবলৈ কৈছোঁ।

বিহাৰী। মই বিশ্বাস কৰিলোঁৱেই বা নকৰিলোঁৱেই, তাৰ পৰা তোমাৰ কি লাভ-লোকচানটো হ'ব। তোমাৰ জীৱন যেনেকৈ চলিছে, তেনেকৈয়ে চলি থাকিব।

বিনোদিনী। মই জানো, ইয়াৰ পৰা তোমাৰ একোৱেই লাভ-লোকচান নহয়। মোৰ ভাগ্য এনে যে, তোমাৰ সন্মান ৰক্ষা কৰি তোমাৰ কাষত থিয় দিবৰ কাৰণে মোৰ কোনো উপায় নাই। চিৰকাল মই তোমাৰ পৰা দূৰতে থাকিব লাগিব। মোৰ মনে তোমাৰ ওচৰত কেৱল এইকণ দাবী ত্যাগ কৰিব নোৱাৰে যে, মই য'তে নেথাকোঁ লাগিলে মোক তুমি এধানমান মাধুৰ্য্যৰ সৈতে স্মৰণ কৰিবা। মই জানো, মোৰ ওপৰত তোমাৰ সামান্য অলপ শ্ৰদ্ধা জন্মিছিল, সেইখিনিকে মই মোৰ একমাত্ৰ সম্বল কৰি ৰাখিম! সেইবাবে, তুমি মোৰ সকলো কথা শুনিব লাগিব। মই হাতজোৰকৈ কৈছোঁ, দেৱৰ-বোপা, খন্তেক বহিবাহি আহাঁ।"

"বাৰু ব'লা" বুলি কৈ বিহাৰী তাৰ পৰা আন ক'ৰবালৈ যাবৰ বাবে প্ৰস্তুত হ'ল।

বিনোদিনীয়ে ক'লে, "দেৱৰ-বোপা, তুমি যি ভাবিছা, সেইটো নহয়। এই কোঠাটো কোনো কলঙ্কই স্পৰ্শ কৰা নাই। এইটো কোঠাতে তুমি এদিন শুইছিলা—এই কোঠাটো তোমাৰ কাৰণেই উছৰ্গা কৰি থৈছোঁ—সৌ ফুলবোৰ তোমাৰেই পূজা কৰি আজি মৰহি শুকাই পৰি আছে। এই কোঠাতেই তুমি বহিব লাগিব।"

কথাষাৰ শুনি বিহাৰীৰ মনত পুলক জাগি উঠিল। কোঠাৰ ভিতৰলৈ তেওঁ সোমাই আহিল। বিনোদিনীয়ে দুয়োখন হাতেৰে তেওঁক খাটখন দেখুৱাই দিলে। বিহাৰী খাটৰ ওপৰত বহিলগে—বিনোদিনী তেওঁৰ ভৰিৰ ওচৰতে মজিয়াত বহি পৰিল। বিহাৰী ব্যস্ত হৈ উঠিব খোজাতেই বিনোদিনীয়ে কলে, "দেৱৰ-বোপা, তুমি বহাঁ। মোৰ মুৰকে খাবলৈ, তুমি নুঠিবা। মই তোমাৰ ভৰিৰ ওচৰত বহিবৰো যোগ্য নহওঁ, তুমি দয়া কৰিয়েই মোক সেই ঠাইকণ দিছা। দূৰত থাকিলেও এই অধিকাৰকণ মই ৰক্ষা কৰিম।"

এইবুলি কৈ বিনোদিনী অলপপৰ মনে মনে থাকিল। তাৰ পাচত হঠাৎ সাউতকৈ উঠি সুধিলে, "তোমাৰ খোৱা-বোৱা হ'ল জানো, দেৱৰ-বোপা?"

বিহাৰীয়ে ক'লে, "ষ্টেছনত খাই আহিছোঁ।"

বিনোদিনী। মই যে গাঁৱৰ পৰা তোমালৈ চিঠি এখন দিছিলোঁ, সেই চিঠিখন খুলি কোনো উত্তৰ নিদিয়াকৈ মহেন্দ্ৰৰ হাতত মোলৈ ঘূৰাই পঠাইছিলা কিয়।

বিহাৰী। সেই চিঠিখন তো মই পোৱা নাই।

বিনোদিনী। এইবাৰ মহেন্দ্ৰৰ লগত কলিকতাত তোমাৰ দেখা হৈছিল নেকি।

বিহাৰী। তোমাক গাঁৱত থৈ অহাৰ পাচদিনাখনেই মহেন্দ্ৰৰ লগত দেখা হৈছিল, তাৰ পাচতেই মই ভাটীৰ পিনে ফুৰিবলৈ ওলাই গলোঁ। তেওঁৰ লগত আৰু দেখাদেখি হোৱা নাই।

বিনোদিনী। তাৰ আগতে আৰু এদিন মোৰ চিঠি পঢ়ি উত্তৰ নিদিয়াকৈ ঘূৰাই পঠাইছিলা কিয়?

বিহাৰী। ওঁ-হো, এনেকুৱা কাণ্ড কেতিয়াও ঘটা নাই।

বিনোদিনী থৰ লাগি বহি ৰ'ল। তাৰ পাচত হুমুনিয়াহ এটা কাঢ়ি ক'লে, "সকলো বুজিলোঁ। এতিয়া মোৰ সকলো কথা তোমাক কওঁ। যদি বিশ্বাস কৰা, তেন্তে ভাগ্য বুলি ধৰি ল'ম, যদি নকৰা, তেন্তে তোমাক দোষ নিদিওঁ। কাৰণ, মোক বিশ্বাস কৰা কঠিন।"

বিহাৰীৰ হৃদয় তেতিয়া সেমেকি উঠিছে। ভক্তিভাৱনম্ৰা এই বিনোদিনীৰ পূজাক তেওঁ কোনোমতেই অপমান কৰিব নোৱাৰিলে। তেওঁ ক'লে, "বৌদেউ, তুমি কোনো কথা ক'ব নেলাগে; একো শুনানাকৈয়ে মই তোমাক বিশ্বাস কৰিছোঁ। মই তোমাক ঘৃণা কৰিব নোৱাৰোঁ। তুমি আৰু এটা কথাও নক'বা।"

সেই কথা শুনি বিনোদিনীৰ চকুযুৰি ছলছলীয়া হৈ উঠিল। তেওঁ বিহাৰীৰ ভৰিৰ ধূলি অলপ লৈ মূৰৰ ওপৰত থ'লে। আৰু ক'লে, "সকলো কথা ক'বলৈ নেপালে, মই নেবাচিম। অলপ ধৈৰ্য্য ধৰি শুনিবই লাগিব—তুমি মোলৈ চিঠি এডোখৰো দিয়া নাছিলা, তথাপি মই সেই গাঁৱতে মানুহৰ নিন্দা আৰু উপহাস সহ্য কৰি জীৱন কটাই দিলোহেঁতেন, তোমাৰ স্নেহৰ পৰিবৰ্ত্তে

তোমাৰ শাসনকে মই গ্ৰহণ কৰি ল'লোহেঁতেন—কিন্তু বিধাতাই মোক তাৰ পৰাও বঞ্চনা কৰিলে। মই যি পাপ জগাই তুলিছিলোঁ, সি মোক সেই নিৰ্ব্বাসনৰ মাজতো শান্তিৰে থাকিবলৈ নিদিলে। মহেন্দ্ৰই গাঁৱলৈ গৈ, মোৰ ঘৰৰ দুৱাৰডলিলৈ গৈ মোক সকলোৰে সমুখত লাঞ্ছিত কৰিলে। সেই গাঁৱত মোৰ ঠাই নহ'ল। দ্বিতীয় বাৰ তোমাৰ আদেশৰ কাৰণে তোমাৰ বহুতো সন্ধান ল'লোঁ, কিন্তু তোমাক নেপালোঁ। মহেন্দ্ৰই মোৰ খোলা চিঠিখন তোমাৰ ঘৰৰ পৰা লৈ আহি মোক প্ৰতাৰণা কৰিলে। ভাবিলোঁ, তুমি মোক একেবাৰে পৰিত্যাগ কৰিছা। ইয়াৰ পাছত মই একেবাৰে নষ্ট হৈ যাব পাৰিলোহেঁতেন,—কিন্তু তোমাৰ কি গুণ, তুমি নিলগত থাকিও ৰক্ষা কৰিব পাৰা—তোমাক মনত ঠাই দিছিলোঁ বুলিয়েই মই পৱিত্ৰ হৈ ৰ'লো —এদিন তুমি মোক দূৰ কৰি দি নিজৰ যি পৰিচয় দিছিলা, তোমাৰ সেই কঠিন পৰিচয়, কঠিন সোণৰ নিচিনাকৈ, কঠিন মুকুতাৰ নিচিনাকৈ, মোৰ মনৰ মাজত্ৰ ৰৈ মোক মহামূল্য কৰি থৈ গ'ল। হে দেৱতা, এয়া তোমাৰ চৰণ স্পৰ্শ কৰি কৈছোঁ, সেই মূল্য নষ্ট হোৱা নাই।"

বিহাৰী মনে মনে বহি ৰ'ল। বিনোদিনীয়েও আৰু কোনো কথা নক'লে। আবেলিৰ পোহৰখিনি ক্ষণে ক্ষণে ম্লান হৈ আহিল। এনে সময়তে মহেন্দ্ৰ ঘৰৰ দুৱাৰডলিলৈ আহি বিহাৰীক দেখি উচপ্ খাই উঠিল। বিনোদিনীৰ প্ৰতি তেওঁৰ যে এক ঔদাসীন্য উপজিছিল, ঈৰ্ষাৰ তাড়নাত সি দূৰ হৈ যাবৰ উপক্ৰম হ'ল। বিনোদিনী বিহাৰীৰ ভৰিৰ ওচৰত মনে মনে বহি আছে দেখি, প্ৰত্যাখ্যান লাভ কৰা মহেন্দ্ৰৰ অহঙ্কাৰত আঘাত লাগিল। বিনোদিনীৰ লগত বিহাৰীৰ চিঠি-পত্ৰৰ দ্বাৰাই যে এই মিলন ঘটিছে, সেই বিষয়ে তেওঁৰ আৰু কোনো সন্দেহ নেথাকিল। ইমানদিন ধৰি বিহাৰী বিমুখ হৈ আছিল, এতিয়া তেওঁ যদি নিজে আহি ধৰা দিয়েহি, তেন্তে বিনোদিনীক ৰাখে কোনে। মহেন্দ্ৰই বিনোদিনীক ত্যাগ কৰিব পাৰে, কিন্তু আন কাৰোবাৰ হাতত যে ত্যাগ কৰিব নোৱাৰে, সেই কথা আজি বিহাৰীক দেখিয়েই অনুভৱ কৰিলে।

ব্যৰ্থ-ৰোষত তীব্ৰ বিদ্ৰূপৰ সুৰত মহেন্দ্ৰই বিনোদিনীক ক'লে, "এতিয়া তেন্তে ৰজমঞ্চত মহেন্দ্ৰৰ প্ৰস্থান, বিহাৰীৰ প্ৰবেশ। দৃশ্যটো সুন্দৰ—হাত-চাপৰি দিবৰ মন গৈছে। কিন্তু আশা কৰোঁ, এয়েই শেষ অঙ্ক, ইয়াৰ পাচত

আৰু একোৱেই ভাল নেলাগিব।"

বিনোদিনীৰ মুখখন ৰঙা হৈ উঠিল। তেওঁ যেতিয়া মহেন্দ্ৰৰ আশ্ৰয় ল'বলৈ বাধ্য হৈছে, তেতিয়া এই অপমানৰ কোনো উত্তৰেই তেওঁৰ নাই—ব্যাকুল চাৱনিৰে কেৱল এবাৰ বিহাৰীৰ মুখৰ পিনে চালে।

বিহাৰী খাটৰ পৰা উঠিল—আগবাঢ়ি আহি ক'লে, "মহেন্দ্ৰ, তুমি বিনোদিনীক কাপুৰুষৰ দৰে অপমান নকৰিবা—তোমাৰ ভদ্ৰতাই যদি তোমাক নিষেধ নকৰে, তেন্তে তোমাক নিষেধ কৰিবৰ অধিকাৰ মোৰ আছে।"

মহেন্দ্ৰই হাঁহি হাঁহি ক'লে, "ইয়াৰ ভিতৰতে অধিকাৰ সাব্যস্ত হৈ গৈছে? আজি তোমাৰ নতুন নামাকৰণ কৰোঁ—বিনোদ-বিহাৰী।"

বিহাৰীয়ে অপমানৰ মাত্ৰা চৰি যোৱা দেখি মহেন্দ্ৰৰ হাতখন খামুচি ধৰিলে। তাৰ পাচত ক'লে, "মহেন্দ্ৰ, বিনোদিনীক মই বিয়া কৰাম, তোমাক জনাই থ'লোঁ। গতিকে, এতিয়াৰ পৰা অলপ সংযতভাবে কথা ক'বা।"

সেই কথা শুনি মহেন্দ্ৰ অবাক হৈ থৰ লাগি ৰ'ল, আৰু বিনোদিনী উচপ্ খাই উঠিল—বুকুৰ মাজত শৰীৰৰ সকলোখিনি তেজে উখলমাখল লগাই দিলেহি।

বিহাৰীয়ে ক'লে, "তোমাক আৰু এটা খবৰ দিবলগীয়া আছে—তোমাৰ মাতৃদেৱী মৃত্যুশয্যাত শায়িত হৈছে, তেখেতৰ বাচিবৰ কোনো আশা নাই। মই আজি নিশাৰ গাড়ীতে উভতিম—বিনোদিনীও মোৰ লগতে উভতিব।"

বিনোদিনীয়ে উচপ্ খাই উঠি ক'লে "পেহীদেউৰ অসুখ?"

বিহাৰীয়ে ক'লে, "আৰোগ্য হোৱা অসুখ নহয়। কেতিয়া কি ঘটে, ক'ব নোৱাৰি।"

মহেন্দ্ৰই তেতিয়া আৰু আন একো কথা নুলিয়াই কোঠাৰ পৰা বাহিৰলৈ গ'ল।

বিনোদিনীয়ে তেতিয়া বিহাৰীক ক'লে, "তুমি যিষাৰ কথা ক'লা, সেইষাৰ তোমাৰ মুখৰ পৰা কেনেকৈ ওলাল। ঠাট্টা, নহয়?"

বিহাৰীয়ে ক'লে, "নহয়, মই সঁচাসঁচিকৈয়ে কৈছোঁ, মই তোমাক বিয়া কৰাম।"

বিনোদিনী। এই পাপীয়সীক উদ্ধাৰ কৰিবৰ কাৰণে।

বিহাৰী। ও-হো। মই তোমাক ভালপাওঁ কাৰণে, শ্ৰদ্ধা কৰোঁ কাৰণে।

বিনোদিনী। এয়ে মোৰ শেষ পুৰস্কাৰ হ'ল। এই যিখিনি স্বীকাৰ কৰিলা, ইয়াতকৈ বেচি মই আৰু একোৱেই নিবিচাৰোঁ। পালেও সি নেথাকিব, ধৰ্ম্মই কেতিয়াও তাক সহ্য নকৰিব।

বিহাৰী। কিয় নকৰিব।

বিনোদিনী। ছিঃ, এই কথা ভাবিবলৈয়ো লাজ লাগে। মই বিধৱা, মই নিন্দিতা, গোটেই সমাজৰ সমুখত মই তোমাক লাঞ্ছিত কৰিম, এই কথা কেতিয়াও হ'ব নোৱাৰে। ছিঃ, এনে কথা তুমি মুখেৰে উচ্চাৰণেই নকৰিবা।

বিহাৰী। তুমি মোক ত্যাগ কৰিবা?

বিনোদিনী। ত্যাগ কৰিবৰ অধিকাৰ মোৰ নাই। তুমি গোপনে বহুতৰে বহুতো কল্যাণ সাধনা কৰা—তোমাৰ কোনো এটা ব্ৰতৰ যি কোনো এটাৰ ভাৰ মোৰ হাতত সমৰ্পণ কৰিবা, সেই ভাৰ বহন কৰিয়েই নিজকে মই তোমাৰ সেৱিকা বুলি গণ্য কৰিম। কিন্তু ছিঃ, বিধৱাক তুমি বিয়া কৰাবা। তোমাৰ উদাৰতাৰ বাবে সকলো সম্ভৱ হ'ব পাৰে। কিন্তু মই যদি এই কাম কৰোঁ, তোমাক সমাজৰ আগত নষ্ট কৰোঁ, তেন্তে এই জীৱনত মই আৰু মূৰ তুলিব নোৱাৰা হ'ম।

বিহাৰী। কিন্তু বিনোদিনী, মই যে তোমাক ভালপাওঁ।

বিনোদিনী। সেই ভালপোৱাৰ অধিকাৰতে মই আজি এটি মাত্ৰ স্পৰ্দ্ধা প্ৰকাশ কৰিম।

এইবুলি কৈ বিনোদিনীয়ে আঁঠু কাঢ়ি বিহাৰীৰ ভৰিৰ আঙুলিত চুমা খালে। ভৰিৰ ওচৰত বহি লৈ ক'লে, "পৰজন্মত তোমাক পাবৰ বাবে তপস্যা কৰিম—এই জন্মত মোৰ আৰু একো আশা নাই। মই বহুত দুখ দিছোঁ, বহুত দুখ পাইছোঁ, মোৰ বহুত শিক্ষা হৈছে। সেই শিক্ষা যদি পাহৰিলোহেঁতেন, তেন্তে মই তোমাক হীন কৰি তুলি, আৰু বেচি হীন হৈ গ'লোহেঁতেন। কিন্তু তুমি উচ্চ হৈ ৰৈছা বুলিয়েই, আজি মই আকৌ এবাৰ মূৰ তুলিব পাৰিছোঁ—এই আশ্ৰয় মই যে ধূলিসাৎ কৰিব নোৱাৰোঁ।"

বিহাৰী গম্ভীৰ মুখেৰে মনে মনে ৰ'ল।

বিনোদিনীয়ে হাতযোৰকৈ ক'লে, "ভুল নকৰিবা—মোক বিয়া কৰিলে তুমি সুখী হ'ব নোৱাৰা, তোমাৰ গৌৰৱ হেৰাব—মরো মোৰ সকলো গৌৰৱ

হেৰুৱাম। তুমি চিৰদিন নিৰ্লিপ্ত, প্ৰসন্ন। আজিও তুমি সেয়ে হৈ থাকা— মই দূৰতে থাকি তোমাৰ কাম কৰি যাওঁ। তুমি প্ৰসন্ন হোৱা, সুখী হোৱা।"

৫৩

মহেন্দ্ৰ তেওঁৰ মাকৰ কোঠাত সোমাব খোজোঁতেই, বেগাবেগিকৈ আশাই বাহিৰলৈ ওলাই আহি ক'লে, "এতিয়া এইটো কোঠাত নোসোমাবা।"

মহেন্দ্ৰই সুধিলে, "কিয়।"

আশাই ক'লে, "ডাক্তৰে কৈছে, সুখৰ হওক দুখৰ হওক হঠাৎ মাৰ মনত কিবা এটা আঘাত লাগিলেই বিপদ ঘটিব পাৰে।"

মহেন্দ্ৰই কলে, "মই বাৰু একেবাৰে হাতত সাৰে ভৰিত সাৰে গৈ তেওঁৰ মূৰ-শিতানত থিয় হৈ চাই আহোঁগৈ—তেওঁ গমেই নেপাব।"

আশাই ক'লে, "কিবা এটা অলপ খিৰিকৃকৈ উঠিলেই তেখেত জিকাৰ খাই উঠে। তুমি কোঠাৰ ভিতৰত ভৰি দিলেই গম পাব।"

মহেন্দ্ৰ। তেন্তে, তুমি এতিয়া কি কৰিব খুজিছা।

আশা। আগতে সৰুডেকা বিহাৰীয়ে এবাৰ চাই যাওকহি—তাৰ পাচত তেওঁ যি উপদেশ দিয়ে, তাক কৰিম।

এইবুলি কৈ থাকোঁতেই বিহাৰী ওলালহি। আশাই তেওঁক মাতি পঠাইছিল।

বিহাৰী। বৌদেউ মোক মাতিছিলা? মা'ৰ ভাল তো?

আশাই বিহাৰীক দেখা পাই যেন অৱলম্বন বিচাৰি পালে। আশাই ক'লে, "তুমি যোৱাৰ পাচৰে পৰা মা যেন আৰু বেচি চঞ্চল হৈ উঠিছে। প্ৰথম দিনাখন তোমাক নেদেখি মোক সুধিছিল, 'বিহাৰী ক'লৈ গ'ল।' মই ক'লোঁ, 'তেওঁ বিশেষ কামত যাবলগীয়া হ'ল। বৃহস্পতি বাৰৰ ভিতৰতে উভতি অহাৰ কথা আছে।' তাৰ পাচৰ পৰা তেখেতে দেখোন মাজে মাজে জিকাৰ খাই উঠা হৈছে। মুখেৰে ফুটাই একো নকয়, কিন্তু ভিতৰে-ভিতৰে যেন কাৰোবাৰ কাৰণে বাট চাই আছে। কালি তোমাৰ টেলিগ্ৰাম পায়েই জনালোঁ, তুমি আজি আহিবা। কথাটো শুনি তেখেতে আজি তোমাৰ কাৰণে বিশেষ ধৰণে ৰন্ধা-বঢ়া কৰিবলৈ ক'লে। তুমি যি যি বস্তু খাই ভাল

পোৱা সেই সকলোবোৰ আনিবলৈ দিছে, সমুখৰ বাৰাণ্ডাখনতে ৰাখিবলৈ কৈছে, তেখেতে হেনো ভিতৰৰ পৰাই দেখুৱাই-মেলি দিব। ডাক্তৰৰ নিষেধেই শুনা নাই। অলপ আগতে মোক মাতি নি কৈছে, 'বোৱাৰী, তুমি নিজ হাতেৰে ৰান্ধিবা, মই আজি আগত থাকি বিহাৰীকে খুৱাম।"

কথাখিনি শুনি বিহাৰীৰ চকু দুটা ছলছলীয়া হৈ উঠিল। সুধিলে, "মা'ৰ অৱস্থা এতিয়া কেনেকুৱা ?"

আশাই ক'লে, "তুমি এবাৰ নিজে চাই যোৱাহি আহাঁ—মোৰ দেখোন ধাৰণা হৈছে, অসুখটো আৰু অলপ বাঢ়িছে।"

বিহাৰী কোঠাৰ ভিতৰলৈ সোমাই গ'ল। মহেন্দ্ৰই বাহিৰত থিয় দি তবধ মানিলে। ঘৰৰ কৰ্তৃত্ব আশাই অনায়াসে গ্ৰহণ কৰিছে—, মহেন্দ্ৰক তেওঁ কিমান সহজভাবে কোঠাত সোমাবলৈ হাক দিলে! কোনো সঙ্কোচ নাই, কোনো অভিমান নাই। মহেন্দ্ৰৰ শক্তি আজি কিমান টুটি গ'ল। তেওঁ অপৰাধী ; তেওঁ বাহিৰতে মনে মনে থিয় দি ৰ'ল—মাকৰ কোঠাত তো সোমাব নোৱাৰিলে।

তাৰ পাচতো ই এক আচৰিত কাণ্ড—বিহাৰীৰ লগত আশাই কেনে কুণ্ঠা বোধ নকৰাকৈ কথা-বতৰা পাতিলে। সকলো দিহা-পৰামৰ্শ কেৱল তেওঁৰেই লগত। তেৱেঁই আজি সংসাৰৰ একমাত্ৰ ৰক্ষক, সকলোৰে সুহৃদ। সকলোতে তেওঁৰ অবাধ গতি, তেওঁৰ উপদেশতেই সকলোবোৰ চলিছে। মহেন্দ্ৰই কিছুদিনৰ কাৰণে যিটুকুৰা ঠাই এৰি থৈ গৈছিল, উভতি আহি দেখিলে, সেইটুকুৰা ঠাই আগৰ নিচিনা হৈ থকা নাই।

বিহাৰী কোঠাৰ ভিতৰত সোমোৱাৰ লগে লগে ৰাজলক্ষ্মীয়ে তেওঁৰ করুণ চকুযুৰি তেওঁৰ মুখৰ ওপৰত থাপি ক'লে, "বিহাৰী, তই আহিছ ?"

বিহাৰীয়ে ক'লে, "হয় মা, মই উভতি আহিছোঁ।"

ৰাজলক্ষ্মীয়ে ক'লে, "তোৰ কাম শেষ হৈ গ'ল ?" এইবুলি কৈ তেওঁৰ মুখৰ পিনে অপলক চকুৰে চাই ৰ'ল।

বিহাৰীয়ে প্ৰফুল্ল মুখেৰে ক'লে, "ওঁ মা, মোৰ কাম সুচাৰুৰূপে হৈ গৈছে। এতিয়া মোৰ আৰু কোনো চিন্তা নাই।" এইবুলি কৈ এবাৰ বাহিৰৰ পিনে চালে।

ৰাজলক্ষ্মী। আজি বোৱাৰীয়ে নিজ হাতেৰে তোৰ কাৰণে ৰন্ধা-বঢ়া

কৰিব। মই ইয়াৰ পৰাই দেখুৱাই দিম। ডাক্তৰে হাক দিছে—কিন্তু হাক দিব লাগে কিয়। মই জানো এবাৰৰ কাৰণেও তইঁতৰ খোৱা বৃন্দটো নোচোৱাকৈ যাব পাৰো।

বিহাৰীয়ে ক'লে, "ডাক্তৰে তেনেকৈ হাক দিয়াৰ মই দেখোন একো বুক্তি দেখা নাই, মা—তুমি দেখুৱাই নিদিলে কেনেকৈ হ'ব। সৰুৰে পৰা তোমাৰ হাতৰ ৰন্ধা-বঢ়াই আমি ভাল পাবলৈ শিকিছোঁ—মহিনদাৰ যে ভাটীৰ ডাইল-ৰুটিৰ ওপৰত অৰুচি জন্মি গৈছে—আজি তেওঁ তোমাৰ হাতৰ মাছৰ আঞ্জা একণ খাবলৈ পালেই বাচি যাব। আজ আমি দুয়ো ভাই-ককায়ে তাহানিখনৰ দৰে জিত মাৰি খাম, তোমাৰ বোৱাৰীয়ে ৰন্ধা ভাতে জুৰিলেই হ'ল।"

যদিও ৰাজলক্ষ্মীয়ে বুজিব পৰিছিল যে, বিহাৰীয়ে মহেন্দ্ৰক লগত লৈ আহিছে, তথাপি তেওঁৰ নামটো শুনাৰ লগে লগে তেওঁৰ বুকুত থোকি-বাথৌ লাগি অলপ সময়ৰ কাৰণে উশাহ-নিশাহ লোৱাত কষ্ট হ'ল।

সেই ভাবটো নোহোৱা হ'লতে, বিহাৰীয়ে ক'লে, "ভাটীলৈ গৈ মহিনদাৰ শৰীৰটোৰ বহুত উন্নতি হৈ আহিল। আজি অৱশ্যে বাটত অনিয়ম হোৱাৰ কাৰণে অলপ মোলান পৰি আহিছে, গা-পা ধুই উঠিলেই তেজটোপা ওলাই পৰিব।"

ৰাজলক্ষ্মীয়ে তথাপি মহেন্দ্ৰৰ কথা একেবাৰেই শুলিয়ালে। তেতিয়া বিহাৰীয়ে ক'লে, "মা, মহিনদা বাহিৰতে থিয় দি আছে, তুমি নেমাতিলে তেওঁ অহাত মস্কিল হৈছে।"

ৰাজলক্ষ্মীয়ে মুখেৰে একো নকৈ দুৱাৰমুখৰ পিনে মুৰ তুলি চালে। চোৱাৰ লগে লগে বিহাৰীয়ে মাত দিলে, "মহিনদা, আহাঁ।"

লাহে লাহে মহেন্দ্ৰ আহি কোঠাৰ ভিতৰত সোমাল। জানোচা হঠাৎ হৃদপিণ্ড অচল হৈ যায়, সেই ভয়তে ৰাজলক্ষ্মীয়ে মহেন্দ্ৰৰ মুখৰ পিনে সেই মুহূৰ্ত্ততে চাব নোৱাৰিলে। চকু দুটা আধাখিনি জপাই দিলে। মহেন্দ্ৰই বিচনাৰ পিনে চায়েই উচপ খাই উঠিল, তেওঁক যেন কোনোবাই আঘাত কৰিলে। মহেন্দ্ৰই মাকৰ ভৰিৰ ওচৰত মুৰটো থৈ ভৰি দুখন সাৱটি ধৰি পৰি ৰ'ল। বুকুৰ স্পন্দনত ৰাজলক্ষ্মীৰ গোটেই শৰীৰ কঁপিবলৈ ধৰিলে।

অলপ সময়ৰ পাচত অন্নপূৰ্ণাই লাহে লাহে ক'লে, "বাইদেউ, মহিনক

তুমি উঠিবলৈ কোৱা। নহ'লে সি শুঠিছে।"

ৰাজলক্ষ্মীয়ে অতি কষ্টেৰে সেহাই-সেহাই ক'লে, "মহিন, উঠ।"

মহিনৰ নাম উচ্চাৰণ কৰাৰ লগে লগে তেওঁৰ চকুৰেদি টোপাটোপে পানী সৰিবলৈ ধৰিলে। সেই চকু-পানী সৰাৰ লগে লগে তেওঁৰ হৃদয়ৰ বেদনা লঘু হৈ আহিল। মহেন্দ্ৰই তেতিয়া উঠি আহি মজিয়াত আঁঠু কাঢ়ি খাটৰ ওপৰত বুকু দি মাকৰ কাষ চাপি বহিল। ৰাজলক্ষ্মীয়ে কষ্ট কৰি কাতি হৈ দুয়ো হাতেৰে মহেন্দ্ৰৰ মুখখন তুলি ধৰি, তেওঁৰ চুলিকোছা গুচি কপালৰ ওপৰত চুমা এটি আঁকি দিলে।

মহেন্দ্ৰই থোকাথুকিকৈ ক'লে, "মা, তোমাক বহুত কষ্ট দিলোঁ, মোক ক্ষমা কৰা।"

বুকুখন শাঁত পৰিলত ৰাজলক্ষ্মীয়ে ক'লে, "সেই কথা নক'বি মহিন, মই জানো তোক ক্ষমা নকৰাকৈ থাকিব পাৰোঁ। বোৱাৰী, বোৱাৰী ক'লৈ গ'ল।"

আশাই কাষৰ কোঠাটোতে পথ্য তৈয়াৰী কৰি আছিল—অন্নপূৰ্ণাই তেওঁক মাতি আনিলে।

ৰাজলক্ষ্মীয়ে তেতিয়া মহেন্দ্ৰক মাটিৰ পৰা উঠি খাটৰ ওপৰত বহিবলৈ ইঙ্গিত দিলে। মহেন্দ্ৰ খাটৰ ওপৰত বহিলত, ৰাজলক্ষ্মীয়ে মহেন্দ্ৰৰ কাষৰ ঠাইখিনি দেখুৱাই আশাক ক'ল, "বোৱাৰী, তুমি এইখিনিতে বহাঁ—আজি মই তোমালোক দুয়োকো একেলগে বহুৱাই লৈ চাব খুজিছোঁ। সেয়ে হ'লে মোৰ সকলো দুখ গুচিব। বোৱাৰী, তুমি মোৰ আগত লাজ নকৰিবা আৰু মহিনৰ ওপৰতো মনৰ মাজত কোনো অভিমান নৰখাকৈ এবাৰ এইখিনিতে বহাঁহি—সেই দৃশ্য চাই মই চকু জুৰাই লওঁ, আই।"

তেতিয়া মুখৰ ওপৰত ওৰণিখন টানি আশাই লাজ-লাজকৈ লাহে লাহে কঁপা বুকুখনি লৈ মহেন্দ্ৰৰ কাষত বহিলহি। ৰাজলক্ষ্মীয়ে নিজৰ হাতেৰে আশাৰ সোঁ হাতখন তুলি লৈ মহেন্দ্ৰৰ সোঁ হাতখনৰ ওপৰত থৈ হেঁচি ধৰি ক'লে, "মোৰ এই লখিমীজনীক তোৰ হাতত গঁতাই থৈ গলোঁ, মহিন—মোৰ এই কথাষাৰ মনত ৰাখিবি, তই এনে লখিমী ছোৱালী আৰু ক'তো বিচাৰি নেপাব। ন-ছোৱালী, আইঁাচোন, ইহঁতক এজোলোকা আশীৰ্বাদ দিয়া—তোমাৰ পুণ্যৰ বলত ইহঁতৰ মঙ্গল হওক।"

অন্নপূৰ্ণা সমুখত আহি থিয় দিলতে দুয়োজনে চকুৰ পানীৰে নেদেখা হৈ

তেওঁৰ পদধূলি গ্ৰহণ কৰিলে। অন্নপূৰ্ণাই দুয়োৰো কপাল চুই ক'লে, "ভগবানে তোমালোকৰ কল্যাণ কৰক।"

ৰাজলক্ষ্মী। বিহাৰী, আহচোন মোৰ সোণটো, মহিনক তই এবাৰ ক্ষমা কৰ।

বিহাৰী লগে লগে মহেন্দ্ৰৰ সমুখত থিয় দিলতে মহেন্দ্ৰই তেওঁক বুকুৰ মাজলৈ টানি লৈ দৃঢ়ভাবে আলিঙ্গন কৰিলে।

ৰাজলক্ষ্মীয়ে ক'লে, "মহিন, মই তোক এই আশীৰ্ব্বাদ কৰিছো—সকলো কালৰে পৰা বিহাৰী তোৰ যেনেকুৱা বন্ধু আছিল, যেন চিৰকাল তেনেকুৱা হৈয়েই থাকে ইয়াতকৈ ডাঙৰ সৌভাগ্য তোৰ একোৱেই হ'ব নোৱাৰে।"

এইবুলি কোৱাৰ পাচত ৰাজলক্ষ্মী অতি ক্লান্ত হৈ পৰিল আৰু মনে মনে ৰ'ল। বিহাৰীয়ে এটা উত্তেজক ঔষধ আনি তেওঁৰ মুখৰ ওচৰত ধৰোঁতেই ৰাজলক্ষ্মীয়ে হাতখন আঁতৰাই দি ক'লে, "আৰু ঔষধ দিব নেলাগে বাছা। এতিয়া মই ভগবানক স্মৰণ কৰোঁ—তেওঁ মোক মোৰ সমস্ত সংসাৰদাহৰ শেষ ঔষধ দিব। মহিন, তইঁতে অলপ জিৰাগৈ যা। বোৱাৰী, এইবোৰ চক জোৰাগৈ যোৱা।"

গধূলি সময়ত বিহাৰী আৰু মহেন্দ্ৰই ৰাজলক্ষ্মীৰ বিচনাৰ সমুখতে মাটিত পাত পাৰি খাবলৈ বহিল। ৰাজলক্ষ্মীয়ে আশাৰ ওপৰত পৰিবেশনৰ ভাৰ দিছিল, তেওঁ পৰিবেশন কৰিবলৈ ধৰিলে।

মহেন্দ্ৰৰ বুকুৰ ভিতৰত কান্দোন উথলি উঠিছিল, তেওঁৰ মুখলৈ ভাতৰ গৰাহ উঠিবই খুজিছিল। ৰাজলক্ষ্মীয়ে তেওঁক বাৰে বাৰে কৈ আছিল, "মহিন, তই একোৱেই খোৱা নাই কিয়? ভালকৈ খাচোন, মই চাই থাকোঁ।"

বিহাৰীয়ে ক'লে, "জানাই নহয় মা, মহিনদা সদায় তেনেকুৱাই, একোৱেই খাব নোৱাৰে। বৌদেউ, সেই মুৰিঘণ্টখনৰ আৰু অকণমান দিব লাগিব যেন পাইছোঁ, বৰ সুন্দৰ হৈছে।"

ৰাজলক্ষ্মীয়ে সন্তোষৰ হাঁহি এটা মাৰি ক'লে, "মই জানো, বিহাৰীয়ে মুৰি ঘণ্টখন খাবলৈ ভাল পায়। বোৱাৰী, সেইকণেৰে কি হব, আৰু অলপ বেচিকৈ দিয়া।"

বিহাৰীয়ে ক'লে, "তোমাৰ এই বোৱাৰীয়েৰা অতি চিকটা, হাতেৰে

একো সৰকিবই নোখোজে।"

ৰাজলক্ষ্মীয়ে হাঁহি হাঁহি ক'লে, "চোৱাচোন বোৱাৰী, বিহাৰীয়ে তোমাৰ নিমখ খাই এতিয়া তোমাৰেই নিন্দা কৰিছে।"

আশাই বিহাৰীৰ পাতত এগাল ঘণ্ট দি থৈ গ'লহি।

বিহাৰীয়ে ক'লে, "হায় হায়। ঘণ্টখনেৰেই মোৰ পেট ভৰাবা যেন পাইছোঁ, বাকী ভাল ভাল বস্তু গোটেইখিনি মহিনদাৰ পাতত দিয়াৰ মতলব।"

আশাই ফুচফুচাই কৈ গ'ল, "নিন্দুকৰ মুখ একোতে বন্ধ নহয় দেখিছোঁ।"

বিহাৰীয়ে লাহেকৈ ক'লে, "মিঠাই অকণ দি পৰীক্ষা কৰি চোৱাচোন, বন্ধ হয় নে নহয়।"

দুয়ো বন্ধুৱে খাই উঠিলত ৰাজলক্ষ্মীয়ে অতি তৃপ্তি অনুভৱ কৰিলে। ফুটাই ক'লে, "বোৱাৰী, তুমি সোনকালে খাই আহাঁগৈ।"

ৰাজলক্ষ্মীৰ আদেশত আশা খাবলৈ গ'লত, মহেন্দ্ৰক ক'লে, "মহিন, তই শোগৈ যা।"

মহেন্দ্ৰই ক'লে, "এতিয়াই শুবলৈ যাবগৈ ক'লা যে?"

মহেন্দ্ৰই ৰাতি মাকৰ আলপৈচান ধৰিব বুলি থিৰাং কৰিছিল। ৰাজলক্ষ্মীয়ে সেইটো হ'বলৈ নিদিলে—ক'লে, "তোৰ ভাগৰ লাগিছে, মহিন। তই শুই থাকগৈ যা।"

আশাই খাই-বৈ উঠি হাতত বিচনিখন লৈ ৰাজলক্ষ্মীৰ মূৰ-শিতানৰ ওচৰত আহি বহিব খোজোঁতেই, তেওঁ আশাক কাণে-কাণে ক'লে, "বোৱাৰী, মহেন্দ্ৰৰ বিচনাখন ঠিক হৈছে নে নাই, চোৱাগৈচোন। সি আকৌ অকলে আছে।"

আশাই লাজতে মুচ্‌কচ্‌ হৈ কোনোমতে কোঠাৰ পৰা ওলাই গ'ল। কোঠাৰ ভিতৰত থাকিল কেৱল বিহাৰী আৰু অন্নপূৰ্ণা।

ৰাজলক্ষ্মীয়ে তেতিয়া ক'লে, "বিহাৰী, তোক এটা কথা সুধিব খুজিছোঁ। বিনোদিনীৰ কি হ'ল, ক'ব পাৰনে বাৰু? তাই এতিয়া ক'ত আছে?"

বিহাৰীয়ে ক'লে, "বিনোদিনী কলিকতাতে আছে।"

ৰাজলক্ষ্মীয়ে নীৰৱ চাৱনিৰে বিহাৰীক প্ৰশ্ন কৰিলে। বিহাৰীয়ে বুজিলে। ক'লে, "বিনোদিনীৰ কাৰণে তুমি আৰু অকণো ভয় নকৰিবা, মা।"

ৰাজলক্ষ্মীয়ে ক'লে, "তাই মোক বহুত দুখ দিলে, বিহাৰী, তথাপি মই তাইক মনে মনে ভাল পাওঁ।"

বিহাৰীয়ে ক'লে, "তেৱোঁ তোমাক মনে মনে ভাল পায়।"

ৰাজলক্ষ্মী। মোৰো তেনে যেনেই লাগে, বিহাৰী। দোষ-গুণ সকলোৰে থাকে, কিন্তু তাই মোক ভাল পাইছিল। তেনেকুৱা সেৱা-শুশ্ৰূষা কোনেও ছলনা কৰি কৰিব নোৱাৰে।

বিহাৰীয়ে ক'লে, "তোমাৰ সেৱা কৰিবৰ কাৰণে তেওঁ ব্যাকুল হৈ আছে।"

ৰাজলক্ষ্মীয়ে হুমুনিয়াহ কাঢ়ি ক'লে, "মহিনহঁত তো এতিয়া শুই পৰিছে, ৰাতি তাইক এবাৰ আনিব পাৰিলে কি ক্ষতি হয় বাৰু?"

বিহাৰীয়ে ক'লে, "মা, তেওঁ এই ঘৰৰে বাহিৰৰ কোঠাটোত লুকাই আছেহি। তেওঁক আজি গোটেই দিনটো পানী এটোপাও মুখত দিয়াব পৰা নাই। তেওঁ প্ৰতিজ্ঞা কৰিছে, যেতিয়ালৈকে তুমি তেওঁক মাতি আনি ক্ষমা নকৰা, তেতিয়ালৈকে তেওঁ পানী এটোপাও নোচোৱে।"

ৰাজলক্ষ্মী ব্যাকুল হৈ পৰিল, "গোটেই দিনটো লঘোণে আছে! আঃ, তাইক মাতি আন, মাতি আন।"

বিনোদিনী লাহে লাহে কোঠাৰ ভিতৰলৈ সোমাই অহাৰ লগে লগে ৰাজলক্ষ্মীয়ে কৈ উঠিল, "ছিঃ বোৱাৰী, তুমি এইবোৰ কি কৰিছা? আজি গোটেই দিনটো লঘোণে থাকে নে? যোৱা, যোৱা, আগেয়ে এমুঠি খাই লোৱাগৈ, তাৰ পাচতহে কথা পাতিম।"

বিনোদিনীয়ে ৰাজলক্ষ্মীৰ ভৰিৰ ধূলি মূৰত লৈ প্ৰণাম কৰি ক'লে, "আগেয়ে তুমি এই পাপীয়সীক ক্ষমা কৰি লোৱা, পেহীদেউ, তেতিয়াহে মই এমুঠি খাম।"

ৰাজলক্ষ্মী। ক্ষমা কৰিছোঁ আই, ক্ষমা কৰিছোঁ। মোৰ এতিয়া কাৰো ওপৰত কোনো খং নাই।—বিনোদিনীৰ সোঁ হাতখন মুঠিৰ মাজত লৈ ক'লে, "বোৱাৰী, তোমাৰ পৰা যেন কাৰো একো অকল্যাণ নহয়, তুমিও যেন মঙ্গলে থাকা।"

বিনোদিনী। তোমাৰ আশীৰ্বাদ অথলে নেযায়, পেহীদেউ। মই তোমাৰ চৰণ চুই কৈছোঁ, মোৰ পৰা এই সংসাৰৰ কাৰো একো অকল্যাণ নহয়।

অন্নপূর্ণাক বিনোদিনীয়ে আঁঠু কাঢ়ি প্ৰণাম কৰি খাবলৈ গ'ল। খাই-বৈ আহিলত ৰাজলক্ষ্মীয়ে তেওঁৰ পিনে চাই ক'লে, "বোৱাৰী, এতিয়া তেনেহ'লে তুমি যাবাগৈ ?"

বিনোদিনী। পেহীদেউ, মই তোমাৰ শুশ্ৰূষা কৰিম। ঈশ্বৰ সাক্ষী, মোৰ পৰা তুমি একো অনিষ্ট আশঙ্কা নকৰিবা।

ৰাজলক্ষ্মীয়ে বিহাৰীৰ মুখৰ পিনে চালে। বিহাৰীয়ে খন্তেক চিন্তা কৰি উঠি ক'লে, "বৌদেউ থাকক মা, তাৰ পৰা একো ক্ষতি নহয়।"

ৰাতিটো বিহাৰী, বিনোদিনী আৰু অন্নপূৰ্ণা তিনিওজনে মিলি ৰাজলক্ষ্মীৰ শুশ্ৰূষা কৰিলে।

আনহাতে আশাই গোটেই নিশাটো ৰাজলক্ষ্মীৰ কোঠাত ভুমুকিয়েই মৰা নাছিল বুলি লাজতে দোকমোকালিৰ লগে লগে উঠিল। মহেন্দ্ৰক বিচনাতে টোপনিৰ মাজত এৰি লৰালৰিকৈ কাপোৰ-কানি সলাই সাজু হৈ ল'লে। তেতিয়া আন্ধাৰ তেনেই আঁতৰা নাই। ৰাজলক্ষ্মীৰ কোঠাৰ দুৱাৰ পায়েহ যি দেখিবলৈ পালে, আশাই তবধ মানিলে। ভাবিলে, "সপোন নে কি ?"

বিনোদিনীয়ে এটা স্পিৰিট-লেম্প জ্বলাই পানী উতলাইছে। বিহাৰী ৰাতিটো শুব পৰা নাছিল বাবে, তেওঁৰ কাৰণে চাহ তৈয়াৰী কৰিব খুজিছে।

আশাক দেখা পাই বিনোদিনী উঠি থিয় হ'ল আৰু ক'লে "আজি মই মোৰ সকলো অপৰাধ লৈ তোমাৰ আশ্ৰয় গ্ৰহণ কৰিলোঁ—আন কোনোৱেই মোক খেদি দিব নোৱাৰে—কিন্তু তুমি যদি মোক কোৱা 'যোৱাগৈ' তেন্তে মই এতিয়াই যাব লাগিব।"

আশাই কোনো উত্তৰ দিব নোৱাৰিলে—তেওঁৰ মনে কি ক'ব খুজিছিল, তাকো ভালকৈ বুজিব নোৱাৰিলে, অভিভূত হৈ বৈ গ'ল।

বিনোদিনীয়ে ক'লে, "মোক তুমি কেতিয়াও ক্ষমা কৰিব নোৱাৰিবা—চেষ্টাও নকৰিবা। কিন্তু, মোক আৰু ভয় কৰিব নেলাগে। যি কেইদিন পেহীদেউৰ প্ৰয়োজন হৈছে, সেই কেইটাদিন মোক অলপ কাম কৰি দিবলৈ দিয়া, তাৰ পাচত মই গুচি যামগৈ।"

কালি ৰাজলক্ষ্মীয়ে যেতিয়া আশাৰ হাতখন লৈ মহেন্দ্ৰৰ হাতৰ ওপৰত তুলি দিছিল, তেতিয়া আশাই তেওঁৰ মনৰ পৰা সকলো অভিমান মচি

পেলাই সম্পূর্ণৰূপে মহেন্দ্ৰৰ ওচৰত আত্মসমৰ্পণ কৰিছিল। আজি বিনোদিনীক সমুখত দেখা পাই তেওঁৰ খণ্ডিত প্ৰেমৰ দাহ শাঁত নপৰিল। এওঁকেই মহেন্দ্ৰই এদিন ভাল পাইছিল, এতিয়াও হয়তো মনে মনে এওঁক ভাল পায়—এই কথা তেওঁৰ বুকুৰ ভিতৰত চোৰ নিচিনাকৈ মাৰ যোৱাৰ পাচতো মনে মনে উথলি উঠিল। অলপ পাচতে মহেন্দ্ৰই সাৰ পাব, বিনোদিনীক দেখা পাব—কোনে জানে, কোন চকুৰে চাবলৈ লয়। কালি ৰাতি আশাই তেওঁৰ সমস্ত সংসাৰ নিষ্কণ্টক বুলি অনুভৱ কৰিছিল—আজি পুৱা চকু মোহাৰিয়েই দেখিছে, তেওঁৰ ঘৰৰ চোতালতে কাঁইটৰ গছ। সংসাৰত সুখৰ ঠাইকণেই সকলোতকৈ ঠেক—ক'তোয়েই সম্পূৰ্ণ বিঘিনি নোহোৱাকৈ ভৰি ৰাখিবৰ সুযোগ নাই।

হৃদয়ৰ বোজা লৈয়েই আশা কোঠাত সোমালহি, আৰু অতি লাজলাজকৈ ক'লে, "মাহীদেউ, তুমি গোটেই ৰাতিটো উজাগৰে বহি আছা—যোৱা, শোবাগৈ যোৱা।" অন্নপূৰ্ণাই আশাৰ মুখৰ পিনে এবাৰ ভালকৈ চাই ল'লে। তাৰ পাচত শুবলৈ নগৈ আশাক নিজৰ কোঠালৈ লৈ গ'ল। আৰু ক'লে, "চুনি, যদি সুখী হ'ব খুজিছ, তেন্তে সকলো কথা মনৰ ভিতৰত পুহি নেৰাখিবি। আনক দোষী বুলি ভাবি যিকণ সুখ, দোষ মনত পুহি ৰখাৰ দুখ, তাতকৈ বহুত বেচি।"

আশাই ক'লে, "মাহীদেউ, মই মনৰ ভিতৰত একোয়েই পুহি ৰাখিবলৈ নিবিচাৰোঁ, মই পাহৰিবলৈকে বিচাৰোঁ, কিন্তু পাহৰিবলৈ যে নিদিয়ে।"

অন্নপূৰ্ণা। আই, তই ঠিকেই কৈছ—উপদেশ দিবলৈ সহজ, উপায় নিৰ্দ্দেশ কৰি দিয়াটো টান। তথাপি মই তোক এটা উপায় দিছোঁ। যেন পাহৰি গৈছ, এই ভাবটো অন্ততঃ বাহিৰত প্ৰাণপণে ৰক্ষা কৰিব লাগিব—প্ৰথমতে বাহিৰত পাহৰি যাবলৈ আৰম্ভ কৰ, তেতিয়া হ'লে ভিতৰতো পাহৰি যাবি। এই কথা মনত ৰাখিবি, চুনি, তই যদি পাহৰি নেযাৱ, তেন্তে আনকো মনত ৰাখিবলৈ দিয়া হ'ব। তই যদি নিজৰ ইচ্ছাৰে নোৱাৰ, তেন্তে মই তোক আদেশ দিয়া বুলি ধৰ, তই বিনোদিনীৰ লগত এনে ব্যৱহাৰ কৰিবলৈ ল, যেন তাই কেতিয়াও তোৰ কোনো অনিষ্ট কৰা নাই আৰু তাইৰ দ্বাৰা তোৰ কোনো অনিষ্টৰ আশঙ্কাও নাই।

আশাই নম্ৰ মুখেৰে ক'লে, "কি কৰিব লাগিব, কোৱাচোন।"

অন্নপূর্ণাই ক'লে, "বিনোদিনীয়ে এতিয়া বিহাৰীৰ কাৰণে চাহ তৈয়াৰী কৰি আছে। তই গাখীৰ, চেনি, পিয়লা, সকলোবোৰ লৈ যা—দুয়োজনে মিলি কাম কৰগৈ।"

আশা আদেশ পালন কৰিবৰ কাৰণে উঠিল। অন্নপূর্ণাই ক'লে, "এইটো সহজ—কিন্তু মোৰ আৰু এটা কথা আছে, সেইটো আৰু টান—সেইটো তই পালন কৰিবই লাগিব। মাজে মাজে মহেন্দ্ৰৰ লগত বিনোদিনীৰ দেখাদেখি হ'বই, তেতিয়া তোৰ মনত কেনেকুৱা লাগিব, সেইটো মই জানো—সেই সময়ত তই চোৰাংকৈ কেৰাহি-চাৱনিৰে মহেন্দ্ৰৰ ভাব অথবা বিনোদিনীৰ ভাব লক্ষ্য কৰিবৰ চেষ্টা নকৰিবি। বুকু ফাটি গ'লেও তই ধৈর্য্য ধৰি থাকিব লাগিব। মহেন্দ্ৰই এইবুলি জানিব লাগিব যে, তই সন্দেহ কৰাই নাই, শোক কৰা নাই, তোৰ মনত ভয় নাই, চিন্তা নাই—জোৰা ভঙাৰ আগতে যেনেকুৱা আছিল, জোৰা লগাৰ পাচতো তেনেকুৱাই আছে,—ভাঙনৰ দাগখিনিও মচ খাই গৈছে। মহেন্দ্ৰ অথবা আন কোনোৱেই তোৰ মুখৰ পিনে চাই নিজকে অপৰাধী বুলি ভাবিব নেলাগিব। চুনি, ই মোৰ অনুৰোধ বা উপদেশ নহয়, ই তোৰ মাহীয়েৰৰ আদেশ। মই যেতিয়া কাশীলৈ উলটি যামগৈ, তেতিয়া মোৰ এই কথাষাৰ এদিনৰ কাৰণেও নেপাহৰিবি।"

আশাই চাহৰ পিয়লা ইত্যাদি লৈ বিনোদিনীৰ ওচৰত থিয় দিলেহি। আৰু ক'লে, "পানী উতলিল নেকি? মই চাহৰ কাৰণে গাখীৰ আনিছোঁ।"

বিনোদিনীয়ে অবাক লাগি আশাৰ মুখৰ পিনে চালে। আৰু ক'লে, "বিহাৰী দেৱৰ-বোপা বাৰাণ্ডাতে বহি আছে, চাহখিনি তুমি তালৈকে পঠাই দিয়া। ইতিমধ্যে মই পেহীদেউৰ মুখ ধুবৰ ব্যৱস্থা কৰি ৰাখোঁ। তেখেত এতিয়াই উঠিব যেন পাইছোঁ।"

বিনোদিনী চাহ লৈ বিহাৰীৰ ওচৰলৈ নগ'ল। বিহাৰীয়ে তেওঁৰ ভালপোৱাখিনি স্বীকাৰ কৰি তেওঁক যি অধিকাৰ দিছে, সেই অধিকাৰ স্বেচ্ছাৰে প্ৰয়োগ কৰিবলৈ তেওঁৰ সঙ্কোচ উপজিল। অধিকাৰলাভৰ যি মৰ্য্যাদা আছে, সেই মৰ্য্যাদা ৰক্ষা কৰিবলৈ হ'লে অধিকাৰ প্ৰয়োগত সংযত হ'বলগীয়া হয়। যিখিনি পোৱা যায়, সেইখিনিকে লৈ কঢ়া-আঁজোৰা লগোৱাটো কঙালৰ ক্ষেত্ৰতেই শোভা পায়—ভোগক খৰ্ব্ব কৰাতেই সম্পদৰ যথাৰ্থ গৌৰৱ। এতিয়া বিহাৰীয়ে তেওঁক নিজে নেমাতিলে, কোনো এটা

চেলু লৈ তেওঁৰ ওচৰলৈ বিনোদিনী আৰু যাব নোৱাৰা হ'ল।

ইতিমধ্যে, মহেন্দ্ৰ আহি ওলালহি। আশাৰ বুকুখন যদিও চিৰিংকৈ উঠিল, তথাপি তেওঁ নিজকে সংযত কৰি লৈ স্বাভাৱিক স্বৰেৰে মহেন্দ্ৰক কলে, "তুমি ইমান পুৱাতে উঠিলা দেখোন? পোহৰ হৈ থাকিলে তোমাৰ টোপনি ভাঙে বুলি মই দুৱাৰ-খিৰিকী গোটেইবোৰ জপাই থৈ আহিছিলোঁ।"

বিনোদিনীৰ সমুখতেই আশাক ইমান সহজভাবে কথা কোৱা দেখি মহেন্দ্ৰৰ বুকুৰ পৰা গধুৰ শিল এটা নামি যোৱা যেন লাগিল। তেওঁ ৰং মনেৰে সুধিলে, "মা'ৰ এতিয়া কেনেকুৱা, তাকে চাই যাবলৈ আহিলোঁ—মা শুয়েই আছে নেকি।"

আশাই ক'লে, "ওঁ, তেখেত শুই আছে, তুমি এতিয়া নেযাবা। বিহাৰী দেৱৰ-বোপাই কৈছে, তেখেত আজি বহুত ভালে আছে। বহুত দিনৰ পাচত কালিহে তেখেতে গোটেই ৰাতিটো ভালকৈ শুইছে।"

মহেন্দ্ৰই নিশ্চিন্ত হৈ সুধিলে, "খুৰীদেউ ক'ত আছে।"

আশাই তেওঁৰ কোঠাটো দেখুৱাই দিলে।

আশাৰ এই দৃঢ়তা আৰু সংযম দেখি বিনোদিনী অবাক হৈ গ'ল।

মহেন্দ্ৰই মাত দিলে, "খুৰীদেউ।"

অন্নপূৰ্ণাই যদিও ৰাতিপুৱাতে গা ধুই উঠি এতিয়া পূজাত বহিব বুলি স্থিৰ কৰিছিল, তথাপি তেওঁ ক'লে, "আহ মহিন, আহ।"

মহেন্দ্ৰই তেওঁক প্ৰণাম কৰি ক'লে, "খুৰীদেউ, মই অতি পাপী, তোমালোকৰ ওচৰলৈ আহিবলৈ লাজেই লাগে।"

অন্নপূৰ্ণাই ক'লে, "ছিঃ, তেনেকৈ নক'বি মহিন—ল'ৰা-ছোৱালীয়ে গাত এসোপা ধূলি সানিও মাকৰ কোলাত বহেহি।"

মহেন্দ্ৰ। কিন্তু মোৰ এই ধূলি একোতেই মচ নেখাব, খুৰীদেউ।

অন্নপূৰ্ণা। দুই-এবাৰ জোকাৰি দিলেই উৰি গুচি যাব। ভালেই হৈছে, মহিন। নিজকে ভাল বুলি ভাবি লৈ তোৰ এটা অহঙ্কাৰ হৈছিল, নিজৰ ওপৰত তোৰ খুব বেচি বিশ্বাস আছিল। পাপৰ বা-মাৰলিয়ে তোৰ সেই অহঙ্কাৰখিনিহে চুৰমাৰ কৰি থৈ গৈছে, আৰু কোনো অনিষ্ট কৰা নাই।

মহেন্দ্ৰ। খুৰীদেউ, এইবাৰ তোমাক এৰি নিদিছোঁ, তুমি যোৱাৰ কাৰণেই

মোৰ এই দুৰ্গতি হৈছে।

অন্নপূৰ্ণা। যি দুৰ্গতি মই ইয়াত থাকি বাধা দি ৰাখিলোহেঁতেন, সেই দুৰ্গতি এবাৰ ঘটি যোৱাটো ভালেই হৈছে। এতিয়া আৰু মোক তোৰ কোনো প্ৰয়োজন নহ'ব।

দুৱাৰত আকৌ কোনোবাই ঢকিয়ালে, "খুৰীদেউ, পূজাত বহিছা নেকি।"

অন্নপূৰ্ণাই ক'লে, "নাই বহা, আহ।"

বিহাৰী কোঠাৰ ভিতৰলৈ সোমাই আহিল। ইমান ৰাতিপুৱাই মহেন্দ্ৰক শুই উঠা দেখি কলে, "মহিনদা, আজি তুমি জীৱনত বোধকৰোঁ এয়েই প্ৰথম সূৰ্য্যোদয় দেখিলা!"

মহেন্দ্ৰই ক'লে, "এৰা বিহাৰী, আজি মোৰ জীৱনত প্ৰথম সূৰ্য্যোদয়। বিহাৰীৰ বোধকৰোঁ খুৰীদেউৰ লগত কিবা পৰামৰ্শ কৰিবলগীয়া আছে—মই যাওঁ

বিহাৰীয়ে হাঁহি হাঁহি কলে, "তোমাকো বাৰু মন্ত্ৰীসভাৰ সদস্য কৰি লোৱা হ'ল। তোমাৰ ওচৰত মই জানো কেতিয়াবা কিবা কথা লুকুৱাইছোঁ—যদি আপত্তি নকৰা, আজিও নুলুকুৱাওঁ।"

মহেন্দ্ৰ। মই আপত্তি কৰিম! অৱশ্যে দাবী কৰিবৰ স্বত্ব আৰু নাই। তুমি যদি মোৰ পৰা একোৱেই নুলুকুওৱা, তেন্তে ময়ো নিজকে আকৌ শ্ৰদ্ধা কৰিবলৈ শিকিম।

আজিকালি মহেন্দ্ৰৰ আগত সকলো কথা ,বিনা-সঙ্কোচেৰে কবলৈ টান। বিহাৰীৰ মুখ মেল খাব নুখুজিছিল, তথাপি তেওঁ বলেৰে ক'লে, "বিনোদিনীক বিয়া কৰাম, এই ধৰণৰ এটা কথা উঠিছিল—সেই বিষয়ে খুৰীদেউৰ লগত মই মোৰ আলোচনা শেষ কৰিবলৈ আহিছোঁ।"

মহেন্দ্ৰ অতি সন্ত্ৰস্ত হৈ পৰিল। অন্নপূৰ্ণাই উচপ্ খাই উঠি ক'লে, "ই আকৌ কি কথা, বিহাৰী।"

মহেন্দ্ৰই প্ৰবল শক্তি প্ৰয়োগ কৰি মনৰ সঙ্কোচ আঁতৰাই ক'লে, "বিহাৰী, এই বিয়াৰ কোনো প্ৰয়োজন নাই।"

অন্নপূৰ্ণাই ক'লে, "এই বিয়াৰ প্ৰস্তাৱত বিনোদিনীৰ সহযোগিতা আছে নেকি।"

বিহাৰীয়ে ক'লে, "মুঠেই নাই।"

অন্নপূর্ণাই কলে, "তেওঁ জানো এই কথাত সন্মত হ'ব।"

মহেন্দ্রই কৈ উঠিল, "বিনোদিনী কিয় সন্মত নহ'ব, খুৰীদেউ। মই জানো, বিহাৰীক তেওঁ একান্ত মনেৰে ভক্তি কৰে—এই আশ্রয় তেওঁ জানো ইচ্ছা কৰি এৰি দিব পাৰে।"

বিহাৰীয়ে ক'লে, "মহিনদা, মই বিনোদিনীৰ আগত বিয়াৰ প্রস্তাৱ দিছোঁ—তেওঁ অৱশ্যে লাজতে প্রত্যাখান কৰিছে।"

কথাষাৰ শুনি মহেন্দ্র মনে মনে ৰ'ল।

## ৫৪

ভালে-বেয়াই ৰাজলক্ষ্মীৰ মৃৰ্ৰ ওপৰেদি দুই-তিনিদিন পাৰ হৈ গ'ল। এদিন ৰাতিপুৱা তেওঁৰ মুখখন অতি প্রসন্ন হৈ উঠিল আৰু সকলো বেদনাৰ ভাব আঁতৰি গ'ল। সেইদিনা তেওঁ মহেন্দ্রক মতাই আনি ক'লে, "মোৰ আৰু বেচি পৰ নাই—কিন্তু মই বৰ শান্তিৰে মৰিছোঁ, মহিন; মোৰ আৰু কোনো দুখ নাই। তই যেতিয়া কেঁচুৱা আছিলি, তেতিয়া তোক লৈ মোৰ যি আনন্দ হৈছিল, আজি সেই আনন্দেৰেই মোৰ বুকুখন উপচি উঠিছে। তই মোৰ কোলাৰ কেঁচুৱা, মোৰ বুকুৰ ধন—তোৰ সকলোখিনি বিষিনি মই মোৰ লগতে লৈ যাবলৈ ওলাইছোঁ, এয়ে মোৰ শান্তি।" এইবুলি কৈ তেওঁ মহেন্দ্রৰ গালে-মুখে হাত বুলাবলৈ লাগিল। মহেন্দ্রৰ কান্দোনখিনি বাধা নেমানি উথলি উঠিল।

ৰাজলক্ষ্মীয়ে ক'লে, "নেকান্দিবি, মহিন। ঘৰত লখিমী নিজেই ৰ'ল। বোৱাৰীক মোৰ চাবিকোছা দিবি। সকলোখিনি মই থানথিত লগাই থৈছোঁ, তহঁতৰ ঘৰ-সংসাৰত একোৰে অভাৱ নহয়। আৰু এটা কথা মই কওঁ, মহিন, তই শুনি থ, কিন্তু মোৰ মৃত্যুৰ আগতে কাকো নজনাবি—মোৰ বাকচত দুহেজাৰ টকাৰ নোট আছে, সেইখিনি মই বিনোদিনীক দিলোঁ। তাই বিধৱা, অকলশৰীয়া, ইয়াৰ সুদখিনিৰ পৰাই তাইৰ বঢ়িয়াকৈ চলি যাব—কিন্তু মহিন, তাইক তহঁতৰ সংসাৰৰ ভিতৰত নেৰাখিবি, তোৰ ওচৰত মোৰ এইখিনিয়েই অনুৰোধ।"

বিহাৰীক মাতি আনি ৰাজলক্ষ্মীয়ে ক'লে, "বোপাই বিহাৰী, কালি মহিনে ক'লে, তই হেনো দুখীয়া ভদ্ৰঘৰৰ মানুহৰ চিকিৎসাৰ কাৰণে এখন বাগিচাৰ ব্যৱস্থা কৰিছ—ভগবানে তোক দীৰ্ঘজীৱী কৰি দুখীয়াৰ মঙ্গল সাধন কৰক। মোৰ বিয়াৰ সময়ত মোৰ শহুৰে মোক এখন গাওঁ যৌতুক-স্বৰূপে দান কৰিছিল, সেই গাঁওখন মই তোকেই দিলোঁ, তই দুখীয়াৰ কল্যাণত লগাবি, সেয়ে হ'লে মোৰ শহুৰ-দেউতাৰ পুণ্য হ'ব।"

৫৫

ৰাজলক্ষ্মীৰ মৃত্যুৰ পাচত শ্ৰাদ্ধৰ শেষত মহেন্দ্ৰই ক'লে, "ভাই বিহাৰী, মই ডাক্তৰী জানো। তুমি যি কামটো আৰম্ভ কৰিছা, মোকো তাৰ মাজত লোৱা। চুনি যেনেকুৱা গৃহিণী হৈ পৰিছে, তেওঁ তোমাক বহুত সহায় কৰিব পাৰিব। আমি সকলোবোৰ তাতে থাকিম।"

বিহাৰীয়ে ক'লে, "মহিনদা, ভালকৈ ভাবি চোৱা—এই কাম জানো তোমাৰ সদায় ভাল লাগিব? বৈৰাগ্যৰ ক্ষণিক উচ্ছ্বাসত পৰি এটা স্থায়ী দায়িত্ব গ্ৰহণ কৰি নবহিবা।"

মহেন্দ্ৰই ক'লে, "বিহাৰী, তুমিও ভাবি চোৱা, মই যি জীৱন গঠন কৰিছোঁ, তাক লৈ অলসভাবে জীৱন উপভোগ কৰাৰ আৰু কোনো উপায় নাই—কামৰ সহায়ত তাক যদি টানি লৈ নুফুৰোঁ, তেন্তে কোনোবাদিনা সি মোক টানি লৈ অৱসাদৰ মাজত পেলাই দিবগৈ। তোমাৰ কামৰ মাজতে মোক ঠাই উলিয়াই দিবই লাগিব।"

সেই কথাটোৱেই থাতাং হৈ গ'ল।

অন্নপূৰ্ণা আৰু বিহাৰীয়ে ওচৰা-উচৰিকৈ বহি শান্ত বিষাদেৰে সৈতে তাহানিখনৰ কথা পাতি আছিল। তেওঁলোক পৰস্পৰে বিদায়ৰ সময় ওচৰ চাপি আহিছে। বিনোদিনীয়ে দুৱাৰ-মুখৰ ওচৰলৈ আহি ক'লে, "খুৰীদেউ, মযো ইয়াতে বহিব পাৰোঁ নে?"

অন্নপূৰ্ণাই ক'লে, "আহাঁ, আহাঁ। বহাঁ।"

বিনোদিনী আহি বহিলত, তেওঁৰ লগত দুই-চাৰিটা কথা পাতি বিচনা-পাটি পাৰিবৰ কাৰণে বুলি অন্নপূৰ্ণা বাৰাণ্ডালৈ গ'ল।

বিনোদিনীয়ে ক'লে, "এতিয়া মোৰ প্ৰতি তোমাৰ কি আদেশ, তাকেই কোৱা।"

বিহাৰীয়ে ক'লে, "বৌদেউ, তুমিয়েই কোৱাচোন, তুমি কি কৰিব খুজিছা।"

বিনোদিনীয়ে ক'লে, "তুমি হেনো দুখীয়া মানুহৰ চিকিৎসাৰ কাৰণে গঙ্গাৰ পাৰত এখন বাগিচা কিনিছা—মই তাতে তোমাৰ কিবা এটা কামত যোগ দিম। একো নোৱাৰিলেও বন্ধা-বঢ়া কাম নিশ্চয় পাৰিম।"

বিহাৰীয়ে ক'লে, "বৌদেউ, বহুত ভাবি চাইছোঁ। নানা সমস্যাৰ মাজত আমাৰ জীৱনৰ জালত বহুত জট লাগি গৈছে। এতিয়া নিৰলাত বহি তাৰেই একো-একোটা গাঁথি খোলাৰ সময় আহি পৰিছে। প্ৰথমতে সকলোবোৰ পৰিষ্কাৰ কৰি ল'ব লাগিব। এতিয়া হৃদয়ে যিহকে বিচাৰে, তাকে প্ৰশ্ৰয় দিবলৈ আৰু সাহস নহয়। এতিয়ালৈকে যিখিনি ঘটিল, যিখিনি সহ্য কৰিলোঁ তাৰ সকলো আৱৰ্ত্তন, সকলো আলোড়ন শান্ত কৰিব নোৱাৰিলে, জীৱনৰ সমাপ্তিৰ বাবে প্ৰস্তুত হ'ব নোৱাৰি। যদি সমস্ত অতীতকাল অনুকূল হ'লহেঁতেন, তেন্তে সংসাৰত একমাত্ৰ তোমাৰ দ্বাৰাই মোৰ জীৱন সম্পূৰ্ণ হ'ব পাৰিলেহেঁতেন। এতিয়া তোমাৰ পৰা মই বঞ্চিত হ'বই লাগিব। এতিয়া আৰু সুখৰ কাৰণে চেষ্টা কৰাটো বৃথা, এতিয়া কেৱল লাহে লাহে ভগা-ছিগা টুকুৰাবোৰ থানথিত লগাই ল'ব লাগিব।"

এনে সময়তে অন্নপূৰ্ণা কোঠাৰ ভিতৰত সোমাবলৈ ধৰোঁতেই বিনোদিনীয়ে ক'লে, "মা, মোক তোমাৰ চৰণত ঠাই দিব লাগিব। পাপীয়সী বুলি মোক তুমি ভৰিৰে ঠেলি নিদিবা।"

অন্নপূৰ্ণাই ক'লে, "ব'ল আই। মোৰ লগতে ব'ল বাক।"

অন্নপূৰ্ণা আৰু বিনোদিনী কাশীলৈ যাবৰ দিনাখন ছেগ চাই বিহাৰীয়ে বিনোদিনীক অকলশৰীয়াকৈ লগ ধৰিলে। আৰু ক'লে, "বৌদেউ, তোমাৰ কিবা এটা চিন মই ৰাখিব খুজিছোঁ।"

বিনোদিনীয়ে ক'লে, "মোৰ এনে কি বস্তু আছে, যাক তুমি চিন বুলি ৰাখিব পাৰা?"

বিহাৰীয়ে লাজ-লাজকৈ সঙ্কোচ কৰি ক'লে, "ইংৰাজবিলাকৰ এটা নিয়ম আছে, আপোনজনৰ একোছা চুলি স্মৃতি বুলি লগত ৰাখে—যদি তুমি—"

বিনোদিনী। ছিঃ, মোৰ লাজ লাগে! মোৰ চুলি লৈ তুমি কি কৰিবা! সেই অশুচি মৃতবস্তু মোৰ এনে একোৱেই নহয়, যে মই তোমাকে দিব পাৰোঁ। মই হতভাগিনী তোমাৰ কামত যোগ দিবলৈ থাকিব নোৱাৰোঁ— মই এনে কিবা এটা দিব খুজিছোঁ, যি মোৰ হৈ তোমাৰ কাম কৰিব পাৰে— কোৱা, তুমি ল'বা?

বিহাৰীয়ে ক'লে, "ল'ম।"

বিনোদিনীয়ে তেতিয়া আঁচলৰ আগটো খুলি দুহেজাৰ টকাৰ দুখন নোট বিহাৰীৰ হাতত দিলে।

বিহাৰীয়ে সুগভীৰ আবেগ লৈ থৰ লাগি বিনোদিনীৰ মুখৰ পিনে চাই ৰ'ল। অলপ পৰৰ পাচত বিহাৰীয়ে ক'লে, "ময়ো জানো তোমাক একোৱেই দিব নোৱাৰিম।"

বিনোদিনীয়ে ক'লে, "তোমাৰ চিন মোৰ ওচৰত আছে। সি মোৰ অঙ্গৰ ভূষণ—তাক কোনেও কাঢ়ি নিব নোৱাৰে। মোৰ আৰু একোৰে প্ৰয়োজন নাই।" এইবুলি কৈ তেওঁ নিজৰ হাতৰ সেই কটা দাগটো দেখুৱালে।

বিহাৰী অবাক হৈ ৰ'ল। বিনোদিনীয়ে ক'লে, "তুমি নেজানা—ই তোমাৰেই আঘাত—আৰু এই আঘাত তোমাৰেই উপযুক্ত দান। ইয়াক এতিয়া তুমিও ঘুৰাই ল'ব নোৱাৰা।"

মাহীয়েকৰ উপদেশ সত্ত্বেও আশাই বিনোদিনী সম্বন্ধে মনক নিষ্কণ্টক কৰিব পৰা নাই। ৰাজলক্ষ্মীৰ সেৱা-শুশ্ৰূষাত দুয়ো একলগে কাম কৰিছে। কিন্তু আশাই বিনোদিনীক যেতিয়াই দেখা পাইছে, তেতিয়াই তেওঁৰ বুকুৰ মাজত কিহবাই খুন্দা মাৰি ধৰিছে। সহজে মুখৰ পৰা কথা ওলাব নোখোজে, আৰু হাঁহিবৰ চেষ্টা কৰি কেৱল দুখহে পায়। বিনোদিনীৰ পৰা সামান্য কিবা সহায় ল'বলৈয়ো তেওঁৰ মন বিমুখ হৈ পাৰে। বিনোদিনীয়ে ঠুৰিয়াই দিয়া তামোল ভদ্ৰতাৰ খাতিৰত হাত পাতি ল'বলগীয়া হয়, কিন্তু আঁৰলৈ গৈ পেলাই দিয়ে। কিন্তু আজি যেতিয়া বিদায়ৰ সময় উপস্থিত হ'লহি— সংসাৰৰ পৰা দ্বিতীয়বাৰৰ কাৰণে মাহীয়েকে বিদায় লৈ যাবলৈ ওলাইছে দেখি আশাৰ হৃদয় যেতিয়া চকু-লোৰে সেমেকি উঠিছে, তেতিয়া তাৰ লগতে বিনোদিনীৰ প্ৰতিও তেওঁৰ কৰুণা উপজিল। যিজন একেবাৰে যাবলৈ

ওলাইছে, তেওঁক ক্ষমা কৰিব নোৱাৰে, এনে কাঠচিতীয়া মানুহৰ সংখ্যা অতি কম। আশাই জানিছিল, বিনোদিনীয়ে মহেন্দ্ৰক ভাল পায়; মহেন্দ্ৰক ভাল নেপাবই বা কিয়। মহেন্দ্ৰক ভাল পোৱাটো যে কি ধৰণৰ অনিবাৰ্য্য, আশাই তাক হৃদয়ৰ ভিতৰৰ পৰাই জানে। নিজৰ ভালপোৱাৰ সেই বেদনাত বিনোদিনীৰ প্ৰতি আজি তেওঁৰ কৰুণা জাগিল। বিনোদিনীয়ে মহেন্দ্ৰক চিৰদিনৰ কাৰণে এৰি যাবলৈ ওলাইছে, তাৰ যি অসহনীয় দুখ, আটাইতকৈ ডাঙৰ শত্ৰুৰ বাবেও আশাই তাক কামনা কৰিব নোৱাৰে—ভাবি ভাবি তেওঁৰ চকু-পানী ওলাই আহিল; এসময়ত তেওঁ বিনোদিনীক ভাল পাইছিল—সেই ভালপোৱাখিনিয়ে তেওঁক স্পষ্টকৈ দাঙি ধৰিলে। লাহে লাহে তেওঁ বিনোদিনীৰ ওচৰলৈ আহি অতি কৰুণা মিহলি, চেনেহ মিহলি, বিষাদ মিহলি মৃদু কণ্ঠেৰে ক'লে, "বাইদেউ, তুমি তেন্তে যাবাগৈ?"

বিনোদিনীয়ে আশাৰ থুঁতৰিটো দাঙি ধৰি ক'লে, "এৰা, ভনীটি, মোৰ যাবৰ সময় হ'লহি। এসময়ত তুমি মোক ভাল পাইছিলা—এতিয়া সুখৰ দিনত সেই ভালপোৱাৰ এখানমানি মোৰ কাৰণে ৰাখিবা দেই, ভাই—আৰু বাকী সকলোবোৰ পাহৰি যাবা।"

মহেন্দ্ৰই আহি প্ৰণাম কৰি ক'লে, "বৌদেউ, ক্ষমা কৰিবা।" তেওঁৰ চকুৰ কোণেদি দুটোপাল চকু-লো খহি পৰিল।

বিনোদিনীয়ে ক'লে, "তুমিও ক্ষমা কৰিবা, দেৱৰবোপা। ভগবানে তোমালোকক চিৰসুখী কৰক।"